


DESIGN-SUJIT BARUAH

# প্ৰবাহিনী

# PRABAHINI



সম্পাদিকা ঃ নিৰ্মালী ডাৰিগ



# তেজ ধুলে উটে!

■ ড° হেমন্ত কুমাৰ ফুকন
অধ্যক্ষ, শিৱসাগৰ ছোৱালী কলেজ

**সন্তানৰ জন্ম পিতৃ-মাতৃৰ প্ৰজনন কোষ (পুংজনন কোষ আৰু স্ত্ৰী জনন কোষ)ৰ মিলনৰ যোগেদি হয়। এইবোৰ কোষত তেজ বুলি কোনো পদাৰ্থ নাথাকে বা কোষ দুটাৰ মিলনৰো বহু পিছলৈকে গৰ্ভস্থ সন্তানৰ দেহত তেজৰ সৃষ্টি নহয়।**

## উটেনে? উত্তৰলৈ যোৱাৰ আগতে কেইটিমান কথাৰ বিচাৰ কৰি চোৱা ভাল হ'ব।

জাতি, ধৰ্ম নিৰ্বিশেষে সকলো মানুহৰে তেজ ৰঙা, এক প্ৰকাৰে দেখিবলৈ একে। এজন পূৰ্ণবয়স্ক সুস্থ মানুহৰ দেহত ৫-চাৰে পাঁচ লিটাৰ তেজ থাকে। তেজ দেহৰ একমাত্ৰ জুলীয়া কলা (Liquid Tissue) আৰু ই দেহৰ ভিতৰত নিৰ্দিষ্ট ধমনী (Artery) আৰু সিৰা (Vein)ৰ যোগেদি এঠাইৰ পৰা আন এঠাইলৈ পৰিবাহিত হৈ থাকে। এনে পৰিচালনৰ যোগেদি শৰীৰৰ সকলো অংশতে খাদ্য (আমি খোৱা, খাদ্যৰ পাচন ঘটাই সৰলিকৃত কৰা খাদ্য), প্ৰয়োজনীয় পানী, জৈৱ লৱণ আৰু খনিজৰ উপৰি অক্সিজেনৰ যোগান ধৰা কাম সম্পন্ন কৰে। তেজ আঘাট আদিৰ যোগেদি দেহৰ পৰা ওলাই যাব নোৱাৰিবৰ বাবে প্ৰাকৃতিকভাৱে গোট মৰাৰ ক্ষমতা আছে যি আঘাটৰ মুখ বন্ধ কৰি দিব পাৰে।

**তেজৰ গঠন ঃ** এবিধ কলা হিচাবে তেজো কিছুমান কোষ আৰু আধাৰ পদাৰ্থৰ সমষ্টি। আধাৰ পদাৰ্থবিধ (Matrix) এবিধ জুলীয়া বৰ্ণহীন পদাৰ্থ, য'ত পানী, দ্ৰৱীভূত খনিজ লৱণ, পাচন হোৱা খাদ্য, জৈৱ লৱণ (পূৰ্বে উল্লিখিত) আদি থাকে। কোষ সমূহ তিনি প্ৰকাৰৰ-- লোহিত ৰক্ত কণিকা (Red Blood Cell, RBC) শ্বেত ৰক্ত কণিকা (White Blood Cell, WBC) অনুচক্ৰিকা (Blood Platelets)। প্ৰত্যেকৰে কামো ভিন্ন। লোহিত ৰক্ত কণিকাই অক্সিজেন পৰিবহন, শ্বেত ৰক্ত কণিকাই দেহক বেমাৰ আজাৰৰ পৰা সুৰক্ষা প্ৰদান কৰে আৰু অনুচক্ৰিকাই মখা বন্ধা বা তেজ গোট মৰাৰ কাম কৰে। এইবোৰ কাম কৰাৰ উপৰিও কোষবোৰে কেতবোৰ বিশেষ কামো সম্পাদন কৰে। এই সম্পৰ্কে পিচলৈ আলোচনা কৰা হ'ব। তেজ দেখিবলৈ ৰঙা কাৰণ তেজৰ RBC ত হিম'গ্লবিন নামৰ এবিধ পদাৰ্থ থাকে। ই অক্সিজেনৰ লগত লগ লাগি অক্সিহিম'গ্লবিন হৈ তেজ ৰঙা কৰে।

**বংশগতিত তেজ ঃ** তেজ পুৰুষানুক্ৰমে পৰিবাহিত হয়নে? সন্তানৰ জন্ম পিতৃ-মাতৃৰ প্ৰজনন কোষ (পুংজনন কোষ আৰু স্ত্ৰী জনন কোষ)ৰ মিলনৰ যোগেদি হয়। এইবোৰ কোষত তেজ বুলি কোনো পদাৰ্থ নাথাকে বা কোষ দুটাৰ মিলনৰো বহু পিছলৈকে গৰ্ভস্থ সন্তানৰ দেহত তেজৰ সৃষ্টি নহয়। নিৰ্দিষ্ট সময়ত গৰ্ভস্থ সন্তানৰ দেহত এটা দুটাকৈ বিভিন্ন ক'লা যেনে- বহিস্তকীয় কলা (Epithelial Tissue) যি বিশেষভাৱে ছাল আদিৰ সৃষ্টি কৰে, সংযোগী কলা (Connective Tissue) যি বিভিন্ন কলা আৰু অংগ প্ৰত্যঙ্গৰ লগত সংযোগ স্থাপন কৰে; কংকাল কলা (Skeletal Tissue) যি শৰীৰক আকাৰ প্ৰদান কৰাৰ উপৰি ভাৰ বহন কৰে আৰু স্নায়ু কলা (Nervous tissue) যি শৰীৰত স্পৰ্শ, আবেগ আদি অনুভূতি প্ৰেৰণ কৰে, গঠন হবলৈ ধৰে আৰু ইয়াৰ মাজতে এবিধ সংযোগী কলা হিচাবে তেজো গঠন হয়। কিন্তু এনেদৰে বহু পলমকৈ তেজ গঠন হলেও পিতৃ-মাতৃৰ বংশগতিয় বাহক 'জিন' কিন্তু পুংজনন কোষ আৰু স্ত্ৰী জনন কোষৰ যোগেদিয়েই সন্তানলৈ গতি কৰে সেয়ে

এবিধ কলা হিচাবে তেজো কিছুমান কোষ আৰু আধাৰ পদাৰ্থৰ সমষ্টি। আধাৰ পদাৰ্থবিধ (Matrix) এবিধ জুলীয়া বৰ্ণহীন পদাৰ্থ, য'ত পানী, দ্ৰৱীভূত খনিজ লৱণ, পাচন হোৱা খাদ্য, জৈৱ লৱণ (পূৰ্বে উল্লিখিত) আদি থাকে। কোষ সমূহ তিনি প্ৰকাৰৰ— লোহিত ৰক্ত কণিকা (Red Blood Cell, RBC) শ্বেত ৰক্ত কণিকা (White Blood Cell, WBC) অনুচক্ৰিকা (Blood Platelets)।

নতুনকৈ গঠিত সন্তানৰ তেজো এই জিনৰ নিৰ্দেশনামতেই গঠিত হয়।

১৯০১ চনত লেণ্ডষ্টেইনাৰ (Landsteiner) নামৰ এজন বৈজ্ঞানিকে বিশ্বৰ মানৱ জাতিক তেজৰ লগত জড়িত কৰি চাৰিটা দলত বিভক্ত কৰিছিল— A, B, AB আৰু O দল (ABO ৰক্তদল পদ্ধতি) আৰু এই দল বিভাজন ইমানেই নিৰ্ভুল যে ইয়াৰ ওপৰত নিৰ্ভৰ কৰিয়েই আজি বহুবোৰ অসাধ্য সাধন হৈছে। ৰক্ত সংৰচনা (এজনৰ গাৰ পৰা আন এজনক তেজ প্ৰদান) আধুনিক চিকিৎসা শাস্ত্ৰৰ এক এৰাব নোৱাৰা চিকিৎসা পদ্ধতি। একেদৰে পিতৃ-মাতৃৰ পৰিচয় নিৰ্ণয়, অপৰাধী চিনাক্তকৰণ আদিও এই ABO ৰক্তদল পদ্ধতিৰ বাবেই সম্ভৱ। এই দুয়োটা ক্ষেত্ৰত ব্যৱহাৰ কৰা সূত্ৰটো এনেধৰণৰ—

কোনো এটা পৰিয়ালত পিতৃ-মাতৃ উভয়ৰে ৰক্ত দল যদি A দলৰ তেন্তে তেওঁলোকৰ কোনো সন্তানৰে ৰক্ত দল B বা 'AB' হ'ব নোৱাৰে; 'A' বা 'O' হে হ'ব। একেদৰে কাপোৰ বা ঘটনাস্থলীত কড়াল মৰা তেজৰ দল নিৰ্ণয় কৰিও অপৰাধীৰ সন্ধান (যদি হত্যাকাণ্ড হয়) বা তদন্তৰ বাবে প্ৰয়োজনীয় তথ্য পাব পাৰি। তাহানিৰ বীৰবলৰ প্ৰত্যুতপন্নমতিতাৰ যোগেদি সন্তানৰ পিতৃ-মাতৃ চিনাক্ত কৰাতকৈ এই বৈজ্ঞানিক পদ্ধতি শতকৰা ১০০ ভাগেই নিৰ্ভুল। তলত তালিকাৰ সহায়ত পিতৃ-মাতৃৰ ৰক্তদল অনুসৰি সন্তান কোনটো ৰক্তদলৰ হ'ব তাক দেখুওৱা হৈছে—

| | পিতৃ | মাতৃ | সাম্ভাব্য দল | অসম্ভৱ |
|---|---|---|---|---|
| 1. | A | A | A বা O | AB, B |
| 2. | A | B | AB, A, B, O | সকলো সম্ভৱ |
| 3. | B | A | AB, A, B, O | সকলো সম্ভৱ |
| 4. | B | B | B বা O | AB, A |
| 5. | O | A | A, O | B, AB |
| 6. | A | O | A, O | B, AB |
| 7. | B | O | B, O | A, AB |
| 8. | O | B | B, O | A, AB |
| 9. | AB | A | A, B, AB | O |
| 10. | A | AB | A, B, AB | O |
| 11. | AB | A | " " | O |
| 12. | AB | B | B, AB, A | O |
| 13. | B | AB | " " | O |
| 14. | AB | AB | A, B, AB | O |
| 15. | O | O | O | A, B, AB |

**ৰক্ত সংচৰণ ঃ-**

ওপৰত উল্লেখ কৰি অহা ABO ৰক্তদল পদ্ধতি প্ৰয়োজন সাপেক্ষে এজনৰ গাৰ পৰা আন এজনৰ গালৈ তেজ দিবৰ বাবেও ব্যৱহাৰ কৰা হয়। কিন্তু সকলো লোকেই প্ৰয়োজন হ'লেই সকলোকে তেজ দিব বা সকলোৰে তেজ ল'ব নোৱাৰে। 'A' দলৰ ব্যক্তিয়ে 'A'দলৰ পৰা ল'ব বা দিব পাৰে, অৰ্থাৎ নিজ নিজ দলৰ মাজত আদান-প্ৰদান হ'ব পাৰে। তাৰোপৰি 'AB' দলে সকলোৰে পৰা ল'ব পাৰে, সেয়ে 'AB' দলক 'বিশ্বজনীন গ্ৰাহক' (Universal recipient) বোলা হয়। অন্যহাতেদি 'O' দলে সকলোকে তেজ দিব পাৰে বাবে 'O' দলক বিশ্বজনীন দাতা (Universal Donor) বোলা হয়।

বংশগতীয়ভাৱে কেতিয়াবা কিছুমান ৰক্তজনিত ৰোগ বংশ পৰিক্ৰমা মতে চলি থাকিব পাৰে আৰু বহুতৰ অগোচৰে এনে ৰোগে মৃত্যু পৰ্যন্ত ঘটাব পাৰে। তেনে ৰোগৰ ভিতৰত দুবিধমান ৰোগ এনেধৰণৰ—

**হিম'ফিলিয়া ৰোগ ঃ-**

এই ৰোগ জনন কোষত থাকোতে পিতৃ-মাতৃৰ পৰা পোৱা একেধৰণৰ এবিধ জিনৰ ফলতে হয়। উদাহৰণস্বৰূপে পিতৃ Hh আৰু মাতৃ Hh জিনধাৰী তেনে সন্তানে HH বা Hh বা hh এই তিনি প্ৰকাৰৰ জিন পাব পাৰে, ইয়াৰ মাজৰ hh জিন ধাৰি সন্তান হিম'ফিলিয়া (h) ৰোগত আক্ৰান্ত হয়, বাকী সকল নহয়। হিম'ফিলিয়া ৰোগৰ বিশেষত্ব হ'ল কটা চিঙা ঘা'ৰ পৰা ওলোৱা তেজ বন্ধ নহয় অৰ্থাৎ তেজৰ গোট মৰা গুণ নাথাকে, ফলত অতিৰিক্ত ৰক্তক্ষৰণ হৈ সন্তানে পূৰ্ণবয়স পাব নোৱাৰে (সৰুতে দাঁত সৰা, আঘাট পোৱা আদিৰ বাবে)।

**কাঁচিজোন ৰক্তহীনতা ঃ-**

এনিমিয়া অৰ্থাৎ ৰক্তহীনতা সাধাৰণ ৰোগ হ'লেও আলোচিত ৰক্তহীনতা বিধৰ কাৰণ জিনীয়হে। বিশেষ এবিধ জিনৰ উপস্থিতিৰ বাবে দেহত থাকিব লগা উভউত্তল লোহিত ৰক্ত কণিকাৰ ঠাইত কাঁচিজোন সদৃশ লোহিত ৰক্তকণিকা থকাৰ বাবে প্ৰয়োজনীয় অক্সিজেনৰ যোগান ধৰিব নোৱাৰে অৰ্থাৎ দেহত ৰক্তহীনতাই দেখা দিয়ে।

**ইৰিথ্ৰব্লাষ্টচিচ ফিটালিচ ঃ-**

ABO ৰক্তদল আৱিস্কাৰ হোৱাৰ পাছত আন এবিধ প্ৰাধান্য দিবলগীয়া আৱিস্কাৰ হ'ল ৰক্তৰ Rh কাৰক (Rh factor)। সমগ্ৰ মানৱৰ তেজ হয় $Rh^+$ নহয় $Rh^-$ (Rh পজিটিভ বা Rh নিগেটিভ)। বিয়া-বাৰুৰ সময়ত যদি স্বামী $Rh^+$ হয় আৰু স্ত্ৰী $Rh^-$ ৰ হয়, তেনে পৰিয়ালত জন্ম হ'ব পৰা শিশুৰ ক্ষেত্ৰত এই ইৰিথ্ৰব্লাষ্টচিচ্ ফিটালিচ নামৰ মাৰাত্মক ৰোগ বিধে দেখা দিব পাৰে। সহজ অৰ্থত গৰ্ভস্থ সন্তান যদি $Rh^+$ হিচাবে স্থিতি লয় (পিতৃৰ $Rh^+$ ৰ বাবে) তেনে সন্তানৰ $Rh^+$ তেজে মাতৃৰ $Rh^-$ তেজৰ লগত ক্ৰিয়া কৰি এবিধ এণ্টিবডি সৃষ্টি কৰিব (গৰ্ভস্থ অৱস্থাত সন্তান আৰু মাতৃৰ তেজ মিহলি হয়), যিবিধ এণ্টিবডিয়ে সন্তানৰ তেজক দূষিত কৰি পেলাব। আনহাতেদি এই এণ্টিবডি পিছৰ সন্তানৰ বাবেও মাকৰ তেজত সঞ্চিত হৈ থাকি যায়, ফলত আগলৈ গৰ্ভস্থ হোৱা সন্তানো ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা থাকে। কোনো পৰিয়ালত বাৰে বাৰে সন্তানৰ মৃত্যুৰ কাৰণ ইয়ো হ'ব পাৰে। 'নীলা সন্তান' (Blue Baby) ৰ জন্মৰ কাৰণো ই হ'ব পাৰে। আমাৰ বহুতৰ অগোচৰে তেজ কেনেকৈ ইজনৰ পৰা সিজনলৈ, পিতৃ-মাতৃৰ পৰা সন্তানলৈ পৰিবাহিত হৈ আছে, সেই বিষয়ে এই আলোচনাটিয়ে কিছু ধাৰণা দিব বুলি আশা কৰা হৈছে। সেয়ে আৰম্ভণিতে তোলা প্ৰশ্নৰ উত্তৰ হৈছে "তেজ ধুলে নোটে"।■



# অসমীয়া ভাষাৰ ভৱিষ্যত

## কিছু অৱলোকন

■ মৌচুমী দত্ত দুৱৰা

**১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈ এই সুদীৰ্ঘ সময়ছোৱা অসমীয়া জাতিটো চৰম বিপৰ্যয়ৰ সন্মুখীন হ'ব লগা হয়। ঘৰৰ চাৰিবেৰাৰ মাজতে অমাতৰ মাতস্বৰূপ অসমীয়া ভাষাক আৱদ্ধ কৰি ৰাখিব লগা হ'ল। ফলত অসমীয়া ভাষা সাহিত্যৰ ইতিহাসত অপূৰণীয় ক্ষতি হ'ল। অসমীয়া ভাষাৰ বেলিমাৰ যোৱা এই কালচোৱা 'কলংকময় যুগ' ৰূপে বুৰঞ্জীত স্থান পালে।**

কোনো এটা জাতিৰ আশা-আকাংক্ষা, আনন্দ-বেদনা আৰু ভাৱ কল্পনাবোৰ প্ৰাণৱন্ত হৈ উঠে জাতীয় সাহিত্যৰ মাজেদিহে। এটা জাতিৰ আভ্যন্তৰীণ জগতখনৰ সন্ধান দিয়ে সেই জাতিৰ ভাষা আৰু সাহিত্যই। এই ভাষা, সাহিত্যৰ যোগেদিয়ে জাতিটোৰ অতীতৰ ইতিহাস, বৰ্তমানৰ বিকাশ আৰু ভৱিষ্যত সম্ভাৱনা সম্পৰ্কে এটি ধাৰণা কৰিব পাৰি। সেয়েহে ভাষা, সাহিত্যক এটা জাতিৰ দলিত ৰূপে চিহ্নিত কৰিব পাৰি। কোনো এটা জাতিৰ ভাষা আৰু সাহিত্যৰ সৈতে সুগভীৰ সম্পৰ্ক থাকিলেহে তেওঁলোকৰ শিক্ষা-দীক্ষা, কলা-সংস্কৃতি আৰু সামাজিক জীৱনধাৰাৰ প্ৰকৃত স্বৰূপ উদঘাটন কৰিব পাৰি।

ভাৰতবৰ্ষৰ উত্তৰ পূব কোনত অৱস্থিত অসম ৰাজ্যখনৰ প্ৰধান ভাষা হ'ল অসমীয়া। ইয়াৰ যোগেদি অসমৰ সহজ সৰল লোকসকলৰ জীৱনৰ অভিব্যক্তি, আচাৰ-ৰীতি, মানসিক বিকাশ, শিক্ষা-দীক্ষা, জীৱন ধাৰণৰ সকলো দিশ প্ৰতিভাত হয়। এটা জাতিৰ অন্তৰালত নিহিত থকা ধ্যান ধাৰণা, আশা-আকাংক্ষা সুন্দৰভাৱে ফুটাই তুলিব পৰাৰ বাবেই ভাষা আৰু সাহিত্যক সমাজৰ দাপোন ৰূপে অভিহিত কৰিব পাৰি। বহুতো অনুকূল আৰু প্ৰতিকূল অৱস্থাৰ মাজেদি সৰকি আহি অসমীয়া ভাষাই বৰ্তমানৰ ৰূপ পৰিগ্ৰহ কৰিছে। ক্ৰমবিৱৰ্তনৰ মাজেদি সৰকি আহোঁতে অসমীয়া ভাষাটোৱে বহু সংকটৰ সন্মুখীন হ'ব লগা হৈছে। ইংৰাজসকলে অসমদেশ নিজৰ হাতলৈ নি অফিচ, আদালত, স্কুল সকলোতে অসমীয়া সকলৰ কাম কৰাৰ উপযুক্ত অৰ্হতা নোহোৱা যেন ভাৱি কলিকতাৰপৰা উচ্চ শিক্ষিত বঙালী সকলক আমদানি কৰি আনি কামত নিয়োগ কৰে। যাৰ ফলত সুবিধাবাদী এইচাম লোকে নিজৰ সুবিধাৰ বাবে স্কুল-আদালত সকলোতে বাংলা ভাষাৰ প্ৰচলনত অধিক গুৰুত্ব দিবলৈ ধৰে আৰু লগে লগে অসমীয়া ভাষা, অসমীয়া জনজীৱনলৈ আঁউসীৰ কাল অমানিশা নামি আহে। ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈ এই সুদীৰ্ঘ সময়ছোৱা অসমীয়া জাতিটো চৰম বিপৰ্যয়ৰ সন্মুখীন হ'ব লগা হয়। ঘৰৰ চাৰিবেৰাৰ মাজতে অমাতৰ মাতস্বৰূপ অসমীয়া ভাষাক আৱদ্ধ কৰি ৰাখিব লগা হ'ল। ফলত অসমীয়া ভাষা সাহিত্যৰ ইতিহাসত অপূৰণীয় ক্ষতি হ'ল। অসমীয়া ভাষাৰ বেলিমাৰ যোৱা এই কালচোৱা 'কলংকময় যুগ' ৰূপে বুৰঞ্জীত স্থান পালে। অৱশেষত কেইজনমান উদ্যমী, সাহসী লোকৰ প্ৰচেষ্টাত অসমীয়া ভাষাই সঞ্জীৱনী লাভ কৰিলে ১৮৮৮ চনত। কলিকতাত উচ্চ শিক্ষা আহৰণৰ বাবে গৈ লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱলাৰ দৰে সাহিত্য অনুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত অ.ভা.উ.সা সভা নামৰ এটি অনুষ্ঠান গঢ় লৈ উঠে আৰু এই সভাৰ মুখপত্ৰ হিচাপে 'জোনাকী' নামৰ আলোচনীখনৰ আৱিৰ্ভাৱ হৈ আঁউসীৰ অমানিশা আঁতৰাই কিছু পোহৰৰ সন্ধান দিলে। এই জোনাকীৰ পোহৰেৰে বিকীৰিত হৈ অসমীয়া ভাষাই কিছু দিনলৈ মুকলিভাৱে বিচৰণৰ সুবিধা পালে। এনেদৰে ক্ৰমবিৱৰ্তনৰ জখলাইদি নতুনৰ সন্ধানত খোজ পেলাওঁতেই ভাষাটোৱে পুনৰ সংকটৰ সন্মুখীন হ'ব লগা হয়। স্বাধীনতা লাভৰ আগলৈকে অসমখনে নিজকে সাতভনীৰ দেশ হিচাপে চিনাকি দিছিল। নগালেণ্ড, মনিপুৰ, মিজোৰাম (লুচাই পাহাৰ), অৰুণাচল, মেঘালয় আদি ৰাজ্যৰ সংমিশ্ৰণত

অসম খনে 'বৰ অসমক' প্ৰতিনিধিত্ব কৰিছিল। ব্ৰহ্মপুত্ৰ আৰু বৰাক দুয়োটা উপত্যকাকে সাঙুৰি আছিল অসম দেশে। যাৰ ফলত এই দাঁতি কাষৰীয়া ৰাজ্যবোৰতো অসমীয়া ভাষাই প্ৰাধান্য লাভ কৰিছিল। অৰুণাচলৰ শিক্ষাৰ মাধ্যম অসমীয়া হোৱাৰ বাবে অসমৰ বহুলোকে গৈ ভাষা-সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰখনত যথেষ্ট বৰঙণি যোগাব পাৰিছিল। পদ্মনাথ গোহাঞিবৰুৱাৰ দৰে ব্যক্তিয়ে কোহিমাত সাহিত্য সভাৰদৰে অনুষ্ঠানৰ জন্ম দিছিল। কিন্তু 'বৰ অসমৰ' অস্তিত্ব ক্ৰমে লোপ পাবলৈ ধৰিলে। সামাজিক দায়িত্বহীনতা আৰু ৰাজনৈতিক প্ৰৰোচনাত পৰি ভাষাটোৱেও নিজৰ চিনাকি হেৰুৱাব লগীয়া হ'ল। চৰকাৰ আৰু অসম সাহিত্য সভাৰ দৰে অনুষ্ঠানৰ দায়বদ্ধহীনতাৰ বাবেই সেই ৰাজ্যবোৰত অসমীয়া ভাষাৰ অস্তিত্ব নোহোৱা হ'ল। যাৰবাবে ভাষাটোৱে শিক্ষাৰ মাধ্যমৰ পৰাও বঞ্চিত হ'বলগা অৱস্থা এটা আহি পৰিল। বৰাক আৰু ব্ৰহ্মপুত্ৰ দুয়োটা উপত্যকাৰ সমন্বয়ৰ সেতু হিচাপে থকা অসমীয়া ভাষাই কালৰ চাকনৈয়াত পৰি দিক্ বিদিক্ হেৰুৱাব লগা হ'ল। নিজকে এক অসমীয়া ৰূপে চিনাকি দি অহা বড়ো, মিছিং, কাৰ্বি, তিৱা, কছাৰী ভাইসকলৰ মাজত বিভেদৰ প্ৰাচীৰ গঢ়ি উঠিল। তাৰ পৰিনতিত বৰ অসমৰ বুকুত বৃহৎ ফাঁট মেলি হঠাতে 'বড়ো সাহিত্য সভা', 'মিছিং সাহিত্য সভা'ৰ দৰে স্বতন্ত্ৰ অনুষ্ঠানৰ জন্ম হ'ল। এনেদৰেই বিভিন্ন সংকটৰ মাজেদি আহি ভাষাটোৱে বৰ্তমানত ভৰি দিলেহি যদিও বিভিন্ন ক্ষেত্ৰত অন্তৰায় আহি পৰিছে যেন অনুমান হয়। অসমৰ শৈক্ষিক জগতখনত আমূল পৰিৱৰ্ত্তন অনাৰ মানসেৰে সমাজৰ গণ্য মান্য ব্যক্তিৰ প্ৰচেষ্টাত অলিয়ে গলিয়ে কাঠফুলাৰ দৰে গজালি মেলিলে ইংৰাজী মাধ্যমৰ স্কুলসমূহ। ছাত্ৰ-ছাত্ৰীক যথেষ্ট নিয়মানুৱৰ্তী, পৰিছন্ন আৰু প্ৰতিযোগিতামুখী কৰাৰ লক্ষ্যেৰে গঢ়ি উঠা এনেধৰণৰ শিক্ষানুষ্ঠানৰ এটা ভ্ৰান্ত ধাৰণা যে, অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানত এনে শিক্ষাৰে শিক্ষিত কৰি তোলা অসম্ভৱ। ফলত অৰ্থনৈতিকভাৱে স্বচ্ছল আৰু অসমীয়া ভাষা, অসমীয়া মাধ্যমটোৰ প্ৰতি নীচাত্মিকতাবোধত ভোগা সচেতন অভিভাৱক সকলে সমাজত নিজৰ স্থিতি বজাই ৰাখিবলৈকে হওঁক অথবা সন্তানৰ ভৱিষ্যত চিন্তা কৰিয়েই হওঁক ইংৰাজী মাধ্যমটোৰ প্ৰতি সদয় হৈ পৰে। যাৰফলত তেওঁলোকৰ অসমীয়া জাতিটোৰ প্ৰতি, ভাষাটোৰ প্ৰতি দায়বদ্ধতা কমি অহা যেন অনুভৱ হয়। তদুপৰি কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ শিক্ষানুষ্ঠানত অসমীয়া ভাষা বাধ্যতামূলক নহৈ বিকল্প ভাষা হিচাপেহে অন্তৰ্ভূক্ত কৰা হৈছে। যাৰবাবে এক শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ভাষাটোৰ প্ৰতি কোনোধৰণৰ স্পৃহা দেখিবলৈ পোৱা নাযায়। আনহাতে ইংৰাজী ভাষাৰ প্ৰেমত আজিৰ প্ৰজন্ম এনেদৰে হাবুডুবু খাইছে যে, কথাৰ মাজে মাজে ভুলে শুদ্ধই দুই চাৰিটা ইংৰাজী শব্দ ব্যৱহাৰ নকৰিলে যেন তেওঁলোকক হীনমন্যতাৰ দোষে চুব। গাঁৱৰপৰা নগৰমুখী হোৱা অৰ্দ্ধ শিক্ষিত সস্তীয়া মানসিকতাৰ ব্যক্তিত্ব এইক্ষেত্ৰত পাছ পৰি ৰোৱা নাই। এইবোৰৰ উপৰি সততে হোৱা ভাষাৰ অপপ্ৰয়োগেও অসমীয়া ভাষাৰ অস্তিত্ব একেবাৰে দুখজনক কৰি তুলিছে। আজিকালি প্ৰায়ে যুৱচামৰ মাজত কথিত ৰূপ লাভ কৰিছে 'জোন-তোন, ৰখি আছো, ফুৰিব যাম, বজাৰ যাওঁ' আদিবোৰ। যাৰ বাবে ভাষাটো পুতৌজনক হ'ব ধৰিছে। অসমলৈ দৈনিক প্ৰব্ৰজন ঘটা বহিৰাগতৰ প্ৰভাৱতো অসমীয়া ভাষাৰ ভৱিষ্যত ধুৱলি-কুঁৱলি হৈ উঠিছে। এই বহিৰাগতসকলৰ ভাষা অনুকৰণ কৰি অসমীয়াবাসী সকলে নিজৰ অমাতৰ মাত ভাষাটোক বিজতৰীয়া কৰি তুলিছে। বানান বিভ্ৰাট আৰু ভুল ঠাঁচৰ প্ৰয়োগে ভাষাৰ প্ৰকৃত মাদকতাখিনি হেৰুৱাই পেলাইছে যেন অনুমান হয়। এনেদৰেই সমাজৰ এদল গৰিষ্ঠ সংখ্যক লোকেও সমাজ-সংস্কৃতিত ভাষাটোৰ ভৱিষ্যত দায়বদ্ধতাৰ কথা আওকান কৰি অবাটে বাট বুলিবলৈ লয়। বংগত যিদৰে বাংলাভাষা, উৰিষ্যাত যিদৰে উৰিয়া ভাষাৰ আধিপত্য আছে, অসমতো অসমীয়া ভাষাৰ সংবিধান প্ৰদত্ত এক আধিপত্য আছে। কিন্তু বাস্তৱিকতে দেখা যায়, এই কথাটো জানি বুজিও সমাজৰ অধিক সংখ্যক লোকে তাক হাতে কামে কৰি নেদেখুৱায়। আজিকালি প্ৰায়ে দেখা যায় শিক্ষানুষ্ঠান, আদালত আদিত প্ৰয়োগ হোৱা আবেদন বা অন্যান্য নিয়মাৱলীসমূহ বৰ বৰ হৰফেৰে ইংৰাজী ভাষাত লিখা হয়। অৱশ্যে কাৰ্যালয়ৰ কাম কাজ বৈদ্যুতিন মাধ্যমেৰে পৰিচালনা কৰাৰ ক্ষেত্ৰত ইংৰাজী বৰ্ণমালাৰ প্ৰয়োগ যথেষ্ট সহজসাধ্য যেন অনুমান হয়। কিন্তু সচৰাচৰ আমি যিবিলাক আবেদন, চিঠি আদি ব্যক্তিগতভাৱে প্ৰেৰণ কৰোঁ পৰাপক্ষত সেইবোৰ অসমীয়াতে লিখাৰ মানসিকতা এটা গঢ়ি তুলিব নোৱাৰো জানো? যাৰ ফলত ৰাজ্যভাষা ৰূপে স্বীকৃত অসমীয়া ভাষাটোৱে হয়তু আৰু কিছুদিন নিজৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ সক্ষম হব। নহ'লে হয়তুবা এটা সময়ত ভাষাটোৰ সুৱদি সুৰীয়া ৰূপ নোহোৱা হৈ অস্থি-চৰ্মসাৰ শূণ্য এক জঁকাত পৰিণত হ'বলৈ বেছিপৰ নালাগিব।

সাধাৰণতে দেখা যায়, অসমৰ বহুলোক কৰ্মসূত্ৰে বিদেশত থাকে। নিজৰ দেশ, স্বজাতি আৰু ভাষাৰ প্ৰতি আওকনীয়া মনোভাৱ পোষণ কৰা এচাম অভিভাৱকৰ ল'ৰা-ছোৱালীয়ে অসমীয়া হৈও নিজ ভাষাটো ক'ব নাজানে। ফলত মাতৃভাষাৰ মৌ পৰশা সোৱাদৰ পৰা এইচাম ল'ৰা-ছোৱালী বঞ্চিত হ'ব লগা হয়। অৱশ্যে এইক্ষেত্ৰত কিছু ব্যতিক্ৰমো নোহোৱা নহয়। এনে বহু সচেতন প্ৰবাসী অসমীয়া আছে যি নিজৰ জাতিটোৰ প্ৰতি, ভাষাটোৰ প্ৰতি যথেষ্ট দায়বদ্ধ। এইচাম লোকে যিকোনো উপায়েৰে হ'লেও মাহেকে পষেকে ওলোৱা অসমীয়া আলোচনী আৰু বিবিধ গ্ৰন্থ পঢ়াৰ সুবিধা কৰি লয় আৰু নিজৰ ল'ৰা-ছোৱালীকো ভাষাটো শিকাৰ প্ৰতি আগ্ৰহী কৰি তোলে। এইসকল ব্যক্তি অসমীয়া জাতিটোৰ বাবে সদায় চিৰনমস্য হৈ ৰ'ব।

> **বিদ্যালয়, মহাবিদ্যালয় আনকি বিশ্ববিদ্যালয়ত পঢ়ি থকা বহু ছাত্র-ছাত্রীয়েও কিছুমান শব্দ ভুলকৈয়ে ব্যৱহাৰ কৰি আহিছে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক ব্যাকৰণ পঢ়াৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে অভিধান চোৱাৰ এটা সুস্থ মানসিকতা গঢ়ি তুলিব লাগিব।**

অসমীয়া ভাষা সাহিত্যৰ প্ৰতি আমি মৌখিকভাৱে আনুগত্য প্ৰকাশ কৰিলে নহ'ব। ইয়াক হাতে কামে কৰি দেখুৱাব উঠি অহা প্ৰজন্মৰ মাজত এক সুস্থ জনমত গঢ়ি তুলিব লাগিব। সাধাৰণতে দেখা যায়, শিক্ষানুষ্ঠানসমূহত কেৱল পাঠ্যক্ৰমভিত্তিক শিক্ষাদানৰ ওপৰতে গুৰুত্ব আৰোপ কৰা হয়। কিন্তু শিক্ষাৰ ব্যৱহাৰিক দিশৰ প্ৰতি লক্ষ্য ৰাখি যদি মাজে সময়ে কোনো বিভাগ বা অনুষ্ঠানৰ পৃষ্ঠপোষকতাত ভাষা বিষয়ক কৰ্মশালা অনুষ্ঠিত কৰাৰ কথা চিন্তা কৰা হয় তেনেহ'লে কিছু হ'লেও সুফল আশা কৰিব পাৰি। তদুপৰি চৌদিশে এটা সুস্থ জনমত গঢ়ি তুলি এটা শুধ অসমীয়া পৰিবেশ গঢ়ি তোলাৰ বাবে সকলোৱে যত্নপৰ হব লাগিব। বৰ্তমান সময়ত এটা অতি চিন্তনীয় বিষয় হৈ পৰিছে ভাষাটোৰ প্ৰকৃত ৰূপ প্ৰদান কৰিব পৰাকৈ বিদ্যালয়বিলাকত উপযুক্ত শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱ। যিটো বিদ্বান সমাজখনৰ বাবে অভিশাপস্বৰূপ হৈ পৰিছে। যুক্তাক্ষৰ আৰু আখৰ জোঁটনিৰ প্ৰতি কম দখল থকা এনে এচাম ডিগ্ৰীধাৰী লোকৰ ছত্ৰছায়াত ভাষাটোৱে বহু সময়ত বিকৃত ৰূপ ধাৰণ কৰিবলগীয়াও হৈছে। এনে ব্যক্তিৰ কবলত পৰি 'কৃষ্ণ' শব্দৰ 'ষ' আৰু 'ণ'ৰ যুক্তাক্ষৰ হৈছেগৈ 'ষ' আৰু 'ঞ', ব্ৰহ্ম শব্দত 'হ্ম' যুক্তাক্ষৰে ৰূপ পাইছে 'ক্ষ' আৰু 'ম' ৰূপে। যিটো অতিশয় পৰিতাপৰ কথা। এনে শিক্ষকৰ অধীনত শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলেও সেই একেখিনি তথ্যকে চিৰজীৱনৰ বাবে আহৰণ কৰি লয় যিখিনি পাছত শুধৰোৱাটো যথেষ্ট কষ্টকৰ হৈ পৰে। এনেক্ষেত্ৰত ভাষা-শিক্ষকসকলক বিশেষকৈ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ শিক্ষকসকলক প্ৰশিক্ষণৰ দিহা কৰিব লাগে। তদুপৰি ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰিবলৈ যোৱাৰ আগতে শিক্ষকজনে ভাষাটো শুদ্ধকৈ ক'ব আৰু লিখিব পৰাৰ ক্ষমতা আহৰণ কৰাৰ লগে লগে ব্যাকৰণৰ জ্ঞান সম্পূৰ্ণৰূপে নখদৰ্পনত ৰাখিব লাগিব। অন্যথা আঁসোৱাহমুক্ত শিক্ষা প্ৰদান সম্ভৱ হৈ নুঠিব।

আজিকালি প্ৰায়ে দেখা যায় যে, অসমীয়া ভাষা শুদ্ধকৈ কোৱা আৰু লিখিব জনা মানুহৰ বাৰুকৈয়ে অভাৱ। বিদ্যালয়, মহাবিদ্যালয় আনকি বিশ্ববিদ্যালয়ত পঢ়ি থকা বহু ছাত্ৰ-ছাত্ৰীয়েও কিছুমান শব্দ ভুলকৈয়ে ব্যৱহাৰ কৰি আহিছে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক ব্যাকৰণ পঢ়াৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে অভিধান চোৱাৰ এটা সুস্থ মানসিকতা গঢ়ি তুলিব লাগিব। সমাজৰ সচেতন নাগৰিক আৰু সুধী সমাজে এইক্ষেত্ৰত সবল নেতৃত্ব ল'ব লাগিব। অতি সহজে চকুত পৰা এনে কিছুমান শব্দৰ কেইটিমান উদাহৰণ এনে ধৰণৰ—

| শুদ্ধ বানান | ক'ত ভুল হয় |
|---|---|
| অধ্যয়ন | 'ণ' |
| অনুকূল | 'কু' |
| ঔদ্যোগিক | 'উ' |
| গধুৰ | 'ধূ' |
| আৱিষ্কাৰ | 'স্ক' |
| ত্ৰিভুজ | 'ভূ' |
| দুৰ্গা | 'দূৰ্গা' |
| পাণ | 'ন' |
| অনুষ্ঠান | 'স্থ' |
| সমীচীন | 'চি' |
| মুহূৰ্ত | 'মু' |
| ভণ্টি | 'ন্টী' |
| সিঁচৰতি | 'ৰি/ত' |

এনেধৰণৰ সৰুসুৰা ভুলবোৰৰ প্ৰতি শিক্ষাৰ্থীসকল যদি সদা সচেতন হয় আৰু এনে শব্দৰ এখনি তালিকা প্ৰস্তুত কৰি চকুৰে ওলাওঁতে সোমাওঁতে দেখা ঠাইত আঁৰি থয় তেন্তে এনে ভুলৰপৰা কিছু হ'লেও সকাহ পাব। অসমীয়া ভাষা-ভাষী লোকসকলৰ চূড়ান্ত অমনোযোগিতাৰ বাবে বহুতো বাক্যৰ পদসমূহ ভুলকৈয়ে ব্যৱহাৰ কৰি অহা এটা প্ৰথা চলি আহিছে। যাৰ বাবে আমি ক'ব নোৱাৰাকৈয়ে 'ভাতো খাওঁ, পানীও খাওঁ।' কিন্তু পানী পিওঁ বুলি আমি নকওঁ। তেনেদৰে অসমীয়া মানুহে ভাত বনায়, পিঠা বনায়, গৰম পানী খায়। কিন্তু ভাত নিসিজায়, পিঠা নাভাজে বা তপত পানী নাখায়। এইবোৰৰ লিখিত ৰূপটো অন্ততঃ শুদ্ধ হ'ব লাগিব।

কথিত ভাষাৰ লগে লগে বাতৰি কাকততো এনেধৰণৰ ভুল বাক্য সততে প্ৰয়োগ হোৱা দেখা যায়। তেনেধৰণৰ বাক্যৰ

ভিতৰত প্ৰধানকৈ 'সঁজাতিদলে মুখ্যমন্ত্ৰীক লগ কৰিলে, খেলুৱৈ সকলক উষ্ম সম্বৰ্ধনা জনালে, শিক্ষামন্ত্ৰীয়ে বক্তব্য ৰাখে।" ইত্যাদি। কিন্তু এই বাক্যবোৰৰ প্ৰয়োগযে ভুল সেই সম্পৰ্কে ভাবিবলৈ যেন কাৰো আহৰি নাই। প্ৰকৃততে এই বাক্যবোৰৰ প্ৰয়োগ মুখ্যমন্ত্ৰীক 'লগ কৰিলে'ৰ ঠাইত 'লগ ধৰিলে' লিখিলেহে শুদ্ধ হ'ব, তেনেদৰে খেলুৱৈসকলৰ 'উষ্ম' সম্বৰ্ধনা জনালে লিখাতকৈ 'সাদৰ সম্বৰ্ধনা' লিখাতে শুদ্ধ হ'ব। আকৌ কোনো এটা বিষয়ৰ ওপৰত সাধাৰণতে বক্তব্য ৰাখে বুলি কোৱাটো যুগুত নহয়। সাধাৰণতে বক্তব্য নাৰাখে, দাঙিহে ধৰে। গতিকে এনেধৰণৰ সুক্ষ্ম ভুল প্ৰয়োগৰ প্ৰতি আমি সচেতন হোৱা দৰকাৰ। তেনেদৰে প্ৰাচুৰ্য, তাৎপৰ্য, প্ৰাধান্য, বাহুল্য, মৌন আদি শব্দবোৰৰ পাছত 'তা' প্ৰত্যয় প্ৰয়োগ কৰি ভুল প্ৰয়োগ কৰা হয়।

এনেধৰণৰ শব্দৰ বাদেও অসমীয়া ভাষাত এনে কিছুমান ভুল শব্দৰ প্ৰচলন হৈ আছে, যিবোৰ শব্দ অভিধান নোচোৱাকৈ তাৰ প্ৰকৃত ৰূপ বিচাৰি ওলিওৱাত যথেষ্ট অসুবিধা আহি পৰে। সাধাৰণতে, সকলোতকৈ বয়সত ডাঙৰ জনকে 'জ্যেষ্ঠ' আখ্যা দিয়া হয়। গতিকে তাৰ লগতে 'তম' প্ৰয়োগ কৰি 'জ্যেষ্ঠতম' লিখাৰ দৰকাৰ নাই। তেনেদৰে জাতিবাচক বিশেষ্য শব্দ 'মানৱ'ৰ গুণবাচক বিশেষ্য 'মানৱতা' ৰূপহে শুদ্ধ, মানৱিকতা শব্দ কোনোধৰণেই গ্ৰহণযোগ্য নহয়। 'শেষান্ত' শব্দৰ ব্যৱহাৰ তেনেই অমূলক যেন লাগে। কিয়নো শেষ মানেই অন্ত, গতিকে শেষ পৰীক্ষা কেতিয়াও শেষান্ত হ'ব নালাগে। তেনেদৰে "শংকৰদেৱৰ, জ্যোতিপ্ৰসাদৰ ওপৰত্ত গৱেষনা' কৰিবলৈ এইসকল বিদ্বান পুৰুষৰ ওপৰত উঠাৰ প্ৰয়াস নকৰি তেখেতসকলৰ 'বিষয়ে' গৱেষনা কৰাহে যুক্তিসঙ্গত হ'ব।

অসমীয়া ভাষাৰ স্বকীয় ৰূপ ৰক্ষা কৰিবলৈ হ'লে কিছুমান শব্দৰ ভুল পৰিহাৰ কৰি চলা নিতান্তই প্ৰয়োজন। ভাষাটো লিখোঁতে হোৱা এনেধৰণৰ শব্দবোৰ কেৱল বানানতে সীমিত হৈ থকা নাই। যেনিয়ে দৃষ্টিনিক্ষেপ কৰা হয় চকুত পৰে এনেধৰণৰ সাধাৰণ ভুলবোৰ। পথৰ অলিয়ে গলিয়ে থকা চাইন বৰ্ড, পোষ্টাৰ, বেনাৰ আদিবোৰত সততে কিছুমান শব্দৰ বানান ভুলকৈয়ে ব্যৱহাৰ হোৱা দেখা যায়। এনে শব্দৰ ভিতৰত 'আদৰণি সমিতি', 'আৰম্ভণি গীত', 'বাছনি পৰীক্ষা' আদিবোৰক ধৰিব পাৰি।। যিহেতু আদৰণি, আৰম্ভণি, বাছনি আদিবোৰ বিশেষ্য শব্দ গতিকে ইবোৰৰ বিশেষণ ৰূপ দিবলৈ যাওঁতে যথাক্ৰমে 'আদৰণী সমিতি', 'আৰম্ভণী গীত', 'বাছনী পৰীক্ষা' লিখাহে সমীচীন হ'ব। এনেধৰণৰ শব্দৰ শুদ্ধ প্ৰয়োগৰ প্ৰতি সকলোৱে দৃষ্টি ৰখা দৰকাৰ। তদুপৰি 'বিজ্ঞান', 'বুৰঞ্জী' আদি শব্দৰ ভুল প্ৰয়োগ বিশেষ বিশেষ ঠাইতো পৰিলক্ষিত হয়।

অসমীয়া ভাষা লিখোঁতে ইয়াৰ শৈলীটোৰ প্ৰতি আমি যথেষ্ট গুৰুত্ব দিয়া দৰকাৰ। সেয়ে ভাষাটো লিখাৰ বেলিকা আৰু 'আৰু'ৰ স্থানত কেতিয়াও 'ও' লিখিব নালাগে। একেদৰে 'কেইটা বাজিলে', 'বাৰটা বাজিলে'ৰ পৰিৱৰ্তে আমি 'কেই বাজিলে' আৰু 'বাৰ বাজিলে' আদি লিখাহে উচিত হ'ব। 'অহা কালি' বা 'যোৱা কালি' ৰূপ নোহোৱা কৰি ক্ৰমে 'কাইলৈ' বা 'কালি' লিখা বা কোৱাহে বাঞ্চনীয়। 'খাওঁতে, যাওঁতে, চাওঁতে, দিওঁতে আদি অসমাপিকা ক্ৰিয়া পদবোৰত সদায় চন্দ্ৰবিন্দুৰ প্ৰয়োগ কৰিব লাগে যদিও খাওক, যাওক আদি সমাপিকা ক্ৰিয়া পদবোৰত চন্দ্ৰবিন্দুৰ প্ৰয়োগ কেতিয়াও গ্ৰহণযোগ্য নহয়। তেনেদৰে কোনো শব্দত শেষত 'ং' থাকিলে সেই শব্দত প্ৰত্যয়, বিভক্তি আদি যোগ হ'লে 'ং' গুচি 'ঙ' হয়। উদাহৰণস্বৰূপে, তেওঁ দৰঙলৈ যাব। 'উপৰি', 'তথাপি' আদি সংস্কৃত মূলীয় শব্দবোৰ কেতিয়াও উপৰিও, তথাপিও আদি ৰূপত লিখিব নালাগে। এনেধৰণৰ বহু ভুল ভাষাটোত দেখা যায় যদিও সকলোবোৰ এই আলোচনাকৈ টানি অনা নাই। অতি সীমিত পৰিসৰ জ্ঞানেৰে ওপৰত উল্লেখ কৰি অহা ভুলবোৰৰ প্ৰতি যদি সকলো ছাত্ৰ-ছাত্ৰী, সচেতন লোকে সজাগ দৃষ্টি ৰাখি, ভাষাটো এটা শৃংখলিত আৰু শুদ্ধ ৰূপত প্ৰয়োগ কৰাৰ প্ৰচেষ্টা চলায় তেতিয়া হ'লে অসমীয়া ভাষাই নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ সক্ষম হ'ব। আনহাতে, অসমীয়া ভাষা সাহিত্যৰ ভৱিষ্যত নিৰূপনৰ ক্ষেত্ৰত দেখা যায় যে, পাঠক আৰু সমালোচকৰ সংখ্যা অতিশয় সীমিত। অৰ্থনৈতিক অনগ্ৰসৰতাৰ বাবেই হওঁক অথবা আওকনীয়া মনোভাৱৰ বাবেই হওঁক অসমীয়া ভাষাৰ কিতাপ পঢ়া পাঠকৰ সংখ্যা একেবাৰে কম। যাৰবাবে ভাষাটোৱে স্থবিৰ অৱস্থা এটা পাব লগা হৈছে। বৰ্তমান সময়ৰ শিশুসকলো অসমীয়া ভাষাৰ শিশু সাহিত্য বা শিশু আলোচনীবোৰ পঢ়াৰ পৰিৱৰ্তে বিভিন্ন ধৰণৰ 'কমিকচ্', 'কাৰ্টুন চিৰিজ' পঢ়িহে ভাল পায়। ফলত শিশু সাহিত্য সমূহো উপেক্ষিত হোৱাৰ উপক্ৰম হৈছে। এইক্ষেত্ৰত সমাজৰ সচেতন লোকসকলে অগ্ৰণী ভূমিকা ল'ব লাগিব। অৰ্থনৈতিক ভাৱে স্বচ্ছল লোকসকলে যদি একগোট হৈ নতুবা ব্যক্তিগত ভাৱে হ'লেও একোটা পুথিভঁৰাল স্থাপনত মনোনিৱেশ কৰে তেন্তে এইক্ষেত্ৰত কিছু নতুন জাগৰণ সৃষ্টি হ'ব। তদুপৰি এদল পঢ়ুৱৈ আৰু সমালোচকৰ সৃষ্টি কৰিব পাৰিব লাগিব। এইক্ষেত্ৰত অসম সাহিত্য সভা, সত্ৰ-মহাসভা আদি জাতীয় অনুষ্ঠানৰ কৰ্মকৰ্তাসকলে কাণ্ডাৰীৰ ভূমিকা লব লাগিব তেতিয়াহে ভাষাটোৱে নিজৰ স্বকীয়ত বজাই ৰাখিব পাৰিব।

ভাষা যিহেতু সংস্কৃতিৰ মূল উপাদান। বোৱতী নদীৰ দৰে ভাষা আবহমান গতিৰে প্ৰচলন হৈ আহিছে। বিৱৰ্তনৰ ঢৌতত পৰি ভাষাটোৱে যাতে নিজৰ সুঁতি সলাব নোৱাৰে তাৰবাবে আমি সদাসচেতন হ'ব লাগিব। পশ্চিমীয়া সংস্কৃতিৰ চাকনৈয়াত পৰি আমাৰ ভাষাটোৰ ভৱিষ্যত যাতে বিপন্ন হ'ব নোৱাৰে তাৰ বাবে আমি সকলোৱে মাৰ বান্ধি থিয় দিব লাগিব। নহ'লে এটা সময়ত অসমীয়া ভাষা বুলিয়ে কিবা এটা থাকিবলৈ তাক ন দি কোৱা টান হ'ব। ❖❖

● *লেখিকা অসমীয়া বিভাগৰ অংশকালীন সহঃ অধ্যাপিকা*

# মহাবিদ্যালয় গ্ৰন্থাগাৰত

■ অভিজিত বৰপূজাৰী

## পঢ়ুৱৈ শিক্ষণ ব্যৱস্থাৰ প্ৰয়োজনীয়তা

## — এটি আলোকপাত



**আৰম্ভণি ঃ**

সাম্প্ৰতিক সময়ত সমগ্ৰ বিশ্বতে তথ্যৰ বিস্ফোৰণ হোৱা দেখা গৈছে। এই তথ্যসমূহ সুশৃংখলিতভাৱে আহৰণ কৰি তাক উপযুক্তভাৱে ব্যৱহাৰ কৰাটোৱেই আজিৰ শৈক্ষিক সমাজৰ এটা প্ৰধান কৰ্তব্য বুলি বিবেচিত হৈছে। সাধাৰণতে দেখা যায় যে শৈক্ষিক ক্ষেত্ৰত মহাবিদ্যালয় পৰ্যায়ত এই তথ্য আহৰণৰ বাবে প্ৰাণকেন্দ্ৰ স্বৰূপে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটিকে ধৰা হয়। এই গ্ৰন্থাগাৰটিক সঠিক ৰূপত আগবঢ়াই নি ইয়াৰ নিৰ্দিষ্ট লক্ষ্যত উপনীত কৰোৱাটো গ্ৰন্থাগাৰিক তথা গ্ৰন্থাগাৰ কৰ্তৃপক্ষৰ বাবে এটা প্ৰধান কৰ্তব্য। বহু ক্ষেত্ৰত দেখা যায় যে বহু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি অতিকৈ সেৰেঙা হয়। অথচ গ্ৰন্থাগাৰত কিন্তু যথেষ্ট মূল্যবান আৰু মহত্বপূৰ্ণ গ্ৰন্থ মজুত থাকে। গতিকে এনেকুৱা পৰিস্থিতিত গ্ৰন্থাগাৰ আৰু তথ্যৰ উৎস ব্যৱহাৰৰ ক্ষেত্ৰত পঢ়ুৱৈ শিক্ষাৰ সৰু বৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰাটো অপৰিহাৰ্য হৈ পৰিছে। গ্ৰন্থাগাৰ সম্পৰ্কে সমূহ জ্ঞান বিতৰণ তথা গ্ৰন্থাগাৰত মজুত থকা গ্ৰন্থসমূহৰ বিষয়ে নিৰ্দেশনা দিয়া এই দুটা প্ৰধান উদ্দেশ্যকে আগত ৰাখি গ্ৰন্থাগাৰ ব্যৱহাৰকাৰীক শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হয়। প্ৰথম অৱস্থাত গ্ৰন্থাগাৰটোৰ চাৰিওকাষৰ লগত গ্ৰন্থাগাৰ ব্যৱহাৰকাৰিক পৰিচয় কৰাই দিয়াটোৱেই হ'ল মূল উদ্দেশ্য। মহাবিদ্যালয় বিলাকৰ ক্ষেত্ৰত এই শিক্ষণৰ জৰিয়তে মহাবিদ্যালয়লৈ নতুনকৈ অহা ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থাগাৰটোৰ অৱস্থিতি, ইয়াত থকা বিভিন্ন তথ্য আহৰণৰ সঁজুলি, গ্ৰন্থাগাৰত সেৱা আগবঢ়োৱা কৰ্মচাৰীসকলৰ লগত পৰিচয়, গ্ৰন্থাগাৰৰ বিভিন্ন বিধি-উপবিধি ইত্যাদিৰ বিষয়ে অৱগত কৰোৱা হয়। মহাবিদ্যালয় গ্ৰন্থাগাৰ এটি সুশৃংখলিতভাৱে কোনো বিসংগতি নোহোৱাকৈ ব্যৱহাৰ কৰিবৰ বাবে এনে প্ৰণালীবদ্ধ শিক্ষণ প্ৰক্ৰিয়াৰ অতিশয় আৱশ্যকতা আছে।

দ্বিতীয়তে গ্ৰন্থাগাৰত মজুত থকা গ্ৰন্থ, আলোচনীৰ বিষয়ে বিশদভাৱে জ্ঞান প্ৰদান কৰাটো এনে শিক্ষণৰ এক প্ৰধান উদ্দেশ্য। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেনেধৰণৰ লাগতিয়াল গ্ৰন্থ গ্ৰন্থাগাৰত মজুত আছে, এই সম্পদবোৰ তেওঁলোকে কেনেদৰে ব্যৱহাৰ কৰিব পাৰিব, তেওঁলোকৰ শ্ৰেণী কোঠা, বিভিন্ন প্ৰকল্পাদি নিৰ্মাণ তথা গৱেষণামূলক কাম-কাজৰ বাবে থকা গ্ৰন্থপঞ্জীৰ বিশদ বিৱৰণ তেওঁলোকৰ আগত ডাঙি ধৰাটো অতীৱ প্ৰয়োজনীয় কাৰ্য বুলি বিবেচিত হৈছে। এই সকলোবিলাকৰ ওপৰিও বৰ্তমান কালত গ্ৰন্থাগাৰত ব্যৱহাৰ হোৱা বিভিন্ন বৈদ্যুতিন মাধ্যম যোগে অধ্যয়ন কৰিব পৰা গ্ৰন্থ, প্ৰবন্ধ আদিৰ বিষয়ে অৱগত কৰাৰ লগতে এই বিলাকৰ ব্যৱহাৰ সম্পৰ্কে এক প্ৰণালীবদ্ধ জ্ঞান প্ৰদান কৰাটো গ্ৰন্থাগাৰ কৰ্তৃপক্ষৰ এক প্ৰধান দায়িত্ব।

**গ্ৰন্থাগাৰ ব্যৱহাৰ সম্পৰ্কে প্ৰাথমিক ধাৰণা ঃ-**

সাধাৰণতে গ্ৰন্থাগাৰ ব্যৱহাৰৰ ক্ষেত্ৰত দুটা প্ৰধান দিশৰ ওপৰত প্ৰাধান্য দিয়া হয়।

১। স্কুল অৱস্থাত যদি ছাত্ৰ-ছাত্ৰীসকলে গ্ৰন্থাগাৰৰ ব্যৱহাৰ সম্পৰ্কে সম্যক জ্ঞান আহৰণ কৰিব পাৰে তেনেহলে পিছৰ পৰ্যায়ত মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে জটিলতাৰ সন্মুখীন হ'ব লগা নহয়।

২। গ্ৰন্থাগাৰ যদি যথাযথভাৱে ব্যৱহাৰ কৰা হয় তেনেহ'লে যি প্ৰকাৰৰ গ্ৰন্থাগাৰেই নহওক কিয় গ্ৰন্থাগাৰৰ উদ্দেশ্য সফল হয়। এই উদ্দেশ্য আগত ৰাখিয়েই গ্ৰন্থাগাৰ সম্বন্ধে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জ্ঞান বিতৰণ কৰাটো যথেষ্ট প্ৰয়োজনীয় বুলি বিবেচিত হৈ আহিছে আৰু আজিৰ আধুনিক তথ্য প্ৰযুক্তিৰ যুগত ই এক অপৰিহাৰ্য প্ৰক্ৰিয়া হিচাপে বিবেচিত হৈছে।

প্ৰাথমিক পৰ্যায়ৰ অৰ্থাৎ সম্পূৰ্ণ নতুন শিক্ষাৰ্থীক গ্ৰন্থাগাৰ সম্বন্ধে শিক্ষা প্ৰদান কৰাটোত যথেষ্ট সময়ৰ প্ৰয়োজন হয় কাৰণ তেনে ছাত্ৰ-ছাত্ৰীৰ কাৰণে প্ৰতিটো ধাৰণাই নতুন হয় সেয়ে শিকাৰ ক্ষেত্ৰত বাৰম্বাৰ একেধৰণৰ শিক্ষাকে প্ৰদান কৰিব লগা হয়। সেয়েহে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত যিসকল ছাত্ৰ-ছাত্ৰীয়ে স্কুল পৰ্যায়ত গ্ৰন্থাগাৰ ব্যৱহাৰ কৰাৰ অভিজ্ঞতা থাকে সেইসকলৰ ক্ষেত্ৰত বাৰম্বাৰ একে শিক্ষা প্ৰদানৰ বিপৰীতে নতুন নতুন ধাৰণা প্ৰদানৰ দ্বাৰা সময়ৰ অপচয় ৰোধ কৰিব পাৰি।

## পঢুৱৈক শিক্ষা কেনেদৰে প্ৰদান কৰিব ঃ-

গ্ৰন্থাগাৰত গ্ৰন্থাগাৰ ব্যৱহাৰকাৰিক উপযুক্ত শিক্ষা দিয়াৰ বাবে আমি অভিজ্ঞ ব্যক্তি নহওঁ তথাপি আমাৰ অনুভৱৰ ফালৰ পৰা কিছুমান দিশৰ প্ৰতি যদি লক্ষ্য ৰাখি পঢুৱৈক শিক্ষা প্ৰদান কৰা হয় তেনেহ'লে নিশ্চয় সুফল লাভ কৰিব পৰা হয় বুলি ভাবো। পঢুৱৈ শিক্ষণৰ কাৰণে সময় ছাত্ৰ-ছাত্ৰী আৰু শিক্ষানুষ্ঠানৰ সুবিধা অনুযায়ী ঠিক কৰিব লাগে। মহাবিদ্যালয়ৰ ৰুটিনতে এনে পাঠ প্ৰদানৰ সুবিধা ৰাখিব পাৰিলে ভাল হয়। প্ৰয়োজন সাপেক্ষে গ্ৰন্থাগাৰ বিজ্ঞানৰ অভিজ্ঞ ব্যক্তিক নিমন্ত্ৰণ কৰি আনি কিছুমান পাঠ প্ৰদান কৰিব পাৰিলে যথেষ্ট সুফল লাভ কৰিব পৰা যাব।

## কি কি বিষয়ত শিক্ষা প্ৰদান কৰাটো প্ৰয়োজন ঃ-

বিভিন্ন ক্ষেত্ৰ এই শিক্ষণ প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰিব পাৰি। প্ৰধানকৈ গ্ৰন্থ, গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ পৰা আৰম্ভ কৰি গ্ৰন্থাগাৰৰ ব্যৱহাৰ সম্পৰ্কে বিস্তৃত জ্ঞান প্ৰদানেই হৈছে এই পঢুৱৈ শিক্ষণ ব্যৱস্থাৰ মূল উদ্দেশ্য। সমগ্ৰ শিক্ষণ প্ৰক্ৰিয়াটোৰ বিষয়ে এই চমু লেখাটিত আলোচনা কৰা সম্ভৱ নহয়। তথাপি এই শিক্ষণ প্ৰক্ৰিয়াৰ কেইটামান গুৰুত্বপূৰ্ণ দিশ সম্পৰ্কে তলত উল্লেখ কৰাৰ প্ৰয়াস কৰা হৈছে।

১। **গ্ৰন্থ সম্পৰ্কে জ্ঞান প্ৰদান ঃ-** এখন গ্ৰন্থ কেনেদৰে গঠিত হয়, গ্ৰন্থখন আমি কিয় অধ্যয়ন কৰিব লাগে, অধ্যয়নৰ প্ৰধান উদ্দেশ্য কি হব লাগে ইত্যাদি সম্পৰ্কে যথাযথ জ্ঞান প্ৰদান কৰাটো গ্ৰন্থাগাৰিক জনৰ কাৰণে অত্যন্ত জৰুৰী। কিয়নো গ্ৰন্থক উপলব্ধি নকৰাকৈ গ্ৰন্থাগাৰক বুজিবলৈ কঠিন। এনে জ্ঞান প্ৰদানৰ ক্ষেত্ৰত অৱশ্যে অভিজ্ঞ গ্ৰন্থাগাৰিকৰ সহায় লোৱাটো প্ৰয়োজন।

২। **গ্ৰন্থাগাৰৰ প্ৰকৃত উদ্দেশ্য ঃ-** এখন বিদ্যালয় বা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটিক মহাবিদ্যালয়খনিৰ হৃদপিণ্ড জ্ঞান কৰা হয়। গ্ৰন্থাগাৰৰ জনক এছ আৰ ৰংগনাথনৰ দ্বাৰা প্ৰণিত গ্ৰন্থাগাৰ বিজ্ঞানৰ পঞ্চবিধি- ১। গ্ৰন্থ ব্যৱহাৰৰ কাৰণে ২। প্ৰতিজন পাঠকৰ কাৰণে গ্ৰন্থ ৩। প্ৰতিখন গ্ৰন্থৰ কাৰণে পাঠক ৪। পাঠকৰ সময় বচোৱা ৫। গ্ৰন্থাগাৰ এক বৰ্ধনশীল জীৱ এই পঞ্চবিধিক কাৰ্যকৰী কৰি গ্ৰন্থাগাৰৰ প্ৰকৃত লক্ষ্যত উপনীত হ'বলৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গ্ৰন্থাগাৰ সম্বন্ধে ইতিবাচক মনোভাৱ গঢ়ি তুলিবলৈ এই পঢুৱৈ শিক্ষণ প্ৰক্ৰিয়া অত্যন্ত জৰুৰী।

৩। **গ্ৰন্থাগাৰৰ আইন ঃ-** প্ৰফেছৰ ৰংগনাথনৰ পঞ্চবিধিৰ উপৰিও প্ৰত্যেক মহাবিদ্যালয়তে কিছুমান উপবিধি প্ৰণয়ন কৰা হয়। এই উপবিধি সমূহৰ মূল উদ্দেশ্য হ'ল-- প্ৰত্যেকজন পাঠকে যাতে কোনো বেমেজালি নোহোৱাকৈ গ্ৰন্থাগাৰৰ প্ৰতিটো সামগ্ৰীক ব্যৱহাৰ কৰাৰ সুবিধা পায়, গ্ৰন্থাগাৰৰ থকা বিভিন্ন মূল্যবান সামগ্ৰীসমূহৰ অপব্যৱহাৰ ৰোধ কৰা, পঢুৱৈক কোনো অসুবিধা নোহোৱাকৈ অধ্যয়নৰ এক সু-পৰিবেশ নিশ্চিত কৰা ইত্যাদি। এনে উপবিধিৰ দ্বাৰা পঢুৱৈসকলে নিজৰ অধিকাৰ প্ৰাপ্তিৰ লগতে গ্ৰন্থাগাৰৰ কৰ্মচাৰীসকলেও শৃংখলিতভাৱে কাম কৰাত সহায়ক হয়। এই নীতি নিয়ম সমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক সম্পূৰ্ণৰূপে অৱগত কৰিলেহে তেওঁলোকে সুচাৰুৰূপে গ্ৰন্থাগাৰটিক ব্যৱহাৰ কৰিব পাৰিব।

৪। **গ্ৰন্থৰ আদান প্ৰদান প্ৰক্ৰিয়া ঃ-** মহাবিদ্যালয় পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰয়োজন হয় গভীৰ অধ্যয়নৰ। এই অধ্যয়নকে ফলপ্ৰসু কৰিবৰ বাবে তেওঁলোকক প্ৰয়োজন বিভিন্ন প্ৰকাৰৰ গ্ৰন্থৰ। মহাবিদ্যালয়সমূহত এই গ্ৰন্থৰ চাহিদা পূৰণ কৰিব পাৰে একমাত্ৰ গ্ৰন্থাগাৰেহে। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ প্ৰয়োজনীয় গ্ৰন্থসমূহ কেনেদৰে গ্ৰন্থাগাৰৰ পৰা আহৰণ কৰিব পাৰিব, কিমান দিনৰ বাবে তেওঁলোকে এই গ্ৰন্থসমূহ অধ্যয়নৰ বাবে নিব পাৰিব, তাৰ বাবে কি কি প্ৰক্ৰিয়াৰ মাজেৰে তেওঁলোক পাৰ হব লাগিব ইত্যাদি বিলাক জনাতো অতি প্ৰয়োজনীয় হৈ পৰে। সেয়েহে পঢুৱৈ শিক্ষণ ব্যৱস্থাত এই দিশটোৱে অতি মহত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে।

**মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত যিসকল ছাত্ৰ-ছাত্ৰীয়ে স্কুল পৰ্যায়ত গ্ৰন্থাগাৰ ব্যৱহাৰ কৰাৰ অভিজ্ঞতা থাকে সেইসকলৰ ক্ষেত্ৰত বাৰম্বাৰ একে শিক্ষা প্ৰদানৰ বিপৰীতে নতুন নতুন ধাৰণা প্ৰদানৰ দ্বাৰা সময়ৰ অপচয় ৰোধ কৰিব পাৰি।**

৫। **গ্ৰন্থ মঞ্চত গ্ৰন্থৰ অৱস্থান সম্পৰ্কে জ্ঞান প্ৰদান ঃ-** যেতিয়া নৱাগত ছাত্ৰ-ছাত্ৰীসকল প্ৰথমবাৰৰ কাৰণে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত প্ৰৱেশ কৰে তেতিয়া তেওঁলোক গ্ৰন্থাগাৰ সম্পৰ্কে সম্পূৰ্ণ অনভিজ্ঞ হৈ থাকে। গ্ৰন্থাগাৰ বিজ্ঞানৰ নিয়মমতে গ্ৰন্থ মঞ্চত গ্ৰন্থসমূহ এক নিৰ্দিষ্ট নিৰ্দেশনামতে সজোৱা থাকে। এই কাৰ্য সম্পাদনৰ কৰা হয় গ্ৰন্থ শ্ৰেণীবিভাজন প্ৰক্ৰিয়াৰ দ্বাৰা। এই লেখনিত সমগ্ৰ শ্ৰেণীবিভাজন প্ৰক্ৰিয়াৰ বিষয়ে বৰ্ণনা কৰিব পৰা নাযায় যদিও কিদৰে নিৰ্দিষ্ট বিষয় অনুযায়ী গ্ৰন্থ সমূহ সজাই থোৱা হয় সেই বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰোৱাটো এই শিক্ষণ প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংগ।

৬। **গ্ৰন্থ তালিকা ঃ-** এখন মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত কি কি বিষয়ৰ গ্ৰন্থ মজুত আছে, কোন কোন লেখকৰ কিতাপ ইয়াত পঢ়িবলৈ পোৱা যাব ইত্যাদিৰ বিৱৰণ গ্ৰন্থাগাৰৰ কেটেলগত সন্নিবিষ্ট হৈ থাকে। সেয়েহে এই কেটেলগ কেনেদৰে ব্যৱহাৰ কৰিব লাগে, কেনেদৰে গ্ৰন্থৰ মাজৰ পৰা এখন নিৰ্দিষ্ট গ্ৰন্থ বাছি লব পৰা যায় ইত্যাদি সম্পৰ্কে বিস্তৃত জ্ঞান প্ৰদান কৰাটো এই শিক্ষণ ব্যৱস্থাৰ মূল উদ্দেশ্য।

৭। **গ্ৰন্থাগাৰৰ গ্ৰন্থৰ ব্যৱহাৰ ঃ-** মহাবিদ্যালয় এখনৰ এটা গ্ৰন্থাগাৰৰ বাবে ইয়াত থকা গ্ৰন্থসমূহ একো একোটা অমূল্য ৰত্নৰ দৰে। এই গ্ৰন্থসমূহৰ প্ৰতি সঠিক ব্যৱহাৰ কৰিলেহে গ্ৰন্থসমূহৰ আয়ুস বৃদ্ধি পাব আৰু ই চাহিদা অনুপাতে পঢুৱৈৰ অভাৱসমূহ পূৰণ কৰিব পাৰিব। যদি সেয়া নহয় তেনেহ'লে এটা গ্ৰন্থাগাৰেও ইয়াৰ প্ৰকৃত উদ্দেশ্য সাধনত সফলতা লাভ কৰিব নোৱাৰে। সেয়েহে গ্ৰন্থসমূহ কেনেদৰে ব্যৱহাৰ কৰিব লাগে তাৰ প্ৰয়োজনীয় জ্ঞান প্ৰদানৰ লগতে গ্ৰন্থ চুৰি কৰা, গ্ৰন্থৰ ক্ষতি সাধন কৰাৰ দৰে কাৰ্যবোৰৰ পৰা ছাত্ৰ-



ছাত্রীসকলক বিৰত কৰি ৰাখিবৰ বাবে এই পঢ়ুৱৈ শিক্ষণ প্ৰক্ৰিয়াই যথেষ্ট অৱদান আগবঢ়াব পাৰে।

ইয়াৰোপৰি বৰ্তমান গ্ৰন্থাগাৰ বিজ্ঞানৰ লগত তথ্য প্ৰযুক্তিৰ সমাহাৰৰ ফলত আৰু কেতবোৰ নতুন নতুন দিশৰ ওপৰতো ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক সমাজকো অৱগত কৰাৰ প্ৰয়োজন আহি পৰিছে।

১। **অপেক (OPAC)ৰ ব্যৱহাৰ ঃ-** আগতে যিদৰে কেটেলগৰ জড়িয়তে ছাত্ৰ-ছাত্ৰীসকলে গ্ৰন্থাগাৰত এখন গ্ৰন্থৰ উপস্থিত আৰু অৱস্থিতি সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিছিল সেই প্ৰক্ৰিয়াকে নিৰ্দিষ্ট চফ্টৱেৰৰ সহায়েৰে কম্পিউটাৰৰ দ্বাৰা লাভ কৰাৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰক্ৰিয়াকে OPAC (Online Public Access Catelogue) বোলা হয়। ইয়াৰ জৰিয়তে অতি সহজভাৱে ছাত্ৰ-ছাত্ৰীসকলে একো একোখন গ্ৰন্থৰ বিশদ বিৱৰণ থোৰতে লাভ কৰিব পাৰে। এই প্ৰক্ৰিয়া সহজ যদিও কম্পিউটাৰৰ জ্ঞান নথকা বহুতো ছাত্ৰ-ছাত্ৰীৰ বাবে ই জটিল হৈ পৰিব পাৰে সেয়েহে এই ব্যৱস্থা যিদৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত প্ৰৱৰ্তন কৰা হৈছে তেনেদৰে এই প্ৰক্ৰিয়াৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সম্যক জ্ঞান প্ৰদান কৰাটোও প্ৰয়োজনীয়। গতিকে গ্ৰন্থাগাৰ পঢ়ুৱৈ শিক্ষণ প্ৰক্ৰিয়াত OPACৰ বিষয়ে ক্লাছ থকাটো বাঞ্চনীয়।

২। **কম্পিউটাৰৰ দ্বাৰা গ্ৰন্থ আদান-প্ৰদান (Computerised Circulation) ঃ** একেদৰে তথ্য প্ৰযুক্তিৰ উদ্ভাৱনৰ ফলত গ্ৰন্থ আদান-প্ৰদানৰ বেলিকাও কম্পিউটাৰৰ সহায় লোৱা হয়। ইয়াৰ ফলত অতি ক্ষিপ্ৰতাৰে গ্ৰন্থসমূহ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আদান-প্ৰদান কৰিব পৰা যায়। এই ব্যৱস্থাক ফলপ্ৰসু কৰি তুলিবৰ বাবে যথাযথ জ্ঞান ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰিব লাগে। কিদৰে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বাবে নিৰ্দ্ধাৰিত থকা সদস্য ক্ৰমিক নং অনুসৰি গ্ৰন্থ আদান-প্ৰদান কৰিব পাৰি, কিদৰে বাৰকডৰ ব্যৱহাৰৰ দ্বাৰা অতি ক্ষিপ্ৰতাৰে গ্ৰন্থৰ সেৱা লাভ কৰিব পাৰি ইত্যাদিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে বিশদভাৱে জানিলেহে গ্ৰন্থাগাৰ পৰিচালনাৰ ক্ষেত্ৰত কোনো অসুবিধাৰ সৃষ্টি নহয়।

৩। **E-Resource ব্যৱহাৰ ঃ** মহাবিদ্যালয় সমূহত বৰ্তমান ছপা সামগ্ৰীৰ উপৰিও বিভিন্ন প্ৰকাৰৰ বৈদ্যুতিন মাধ্যমৰ দ্বাৰা অধ্যয়ন কৰিব পৰা গ্ৰন্থ, প্ৰবন্ধাদি মজুত থকা দেখিবলৈ পোৱা যায়। এই সমূহ কিদৰে আহৰণ কৰিব পাৰি, ইয়াৰ দ্বাৰা কেনেদৰে ছাত্ৰ-ছাত্ৰীসকল লাভান্বিত হব সেই সম্পৰ্কে জ্ঞান প্ৰদান কৰাটো পঢ়ুৱৈ শিক্ষণ প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰা হৈছে। আৰু দেখা যায় যে ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলো যথেষ্ট লাভান্বিত হৈছে।

৪। **ইণ্টাৰনেটৰ ব্যৱহাৰ সম্পৰ্কে জ্ঞান ঃ-** ইণ্টাৰনেটে বৰ্তমান বিশ্বখন আমাৰ হাতৰ মুঠিত আনি দিছে। এই ইণ্টাৰনেট মহাবিদ্যালয়সমূহৰ গ্ৰন্থাগাৰত সংযোজিত হোৱাটো একপ্ৰকাৰ প্ৰায় বাধ্যতামূলকৰ দৰে হৈছেহি। গতিকে এই ইণ্টাৰনেটৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে তেওঁলোকৰ শৈক্ষিক দিশৰ লগত জড়িত বিভিন্ন তথ্য পাতি আহৰণ কৰি নিজৰ কেৰিয়াৰৰ উন্নতিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰে সেই বিষয়ে জ্ঞান প্ৰদান কৰাটো অতিশয় জৰুৰী। এই শিক্ষণ প্ৰক্ৰিয়াৰ দ্বাৰা বিভিন্ন প্ৰকাৰৰ চাইবাৰ জগতৰ অপৰাধো দূৰ কৰিব পৰা যায়।

**সামৰণি ঃ-**

এখন মহাবিদ্যালয়ে নিৰ্দিষ্ট লক্ষ্যত উপনীত হবৰ বাবে যিদৰে বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যাব লাগিব সেইদৰে মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰটিয়েও নিৰ্দিষ্ট লক্ষ্য সাধনৰ বাবে কিছুমান বিশেষ বিশেষ কথাত মনোযোগ দিব লাগিব। এক প্ৰণালীবদ্ধ গ্ৰন্থাগাৰ আঁচনিৰ জড়িয়তেহে এনে লক্ষ্যত উপনীত হব পৰা যায়। এই লক্ষ্য সাধনৰ বাবে প্ৰফেছৰ ৰংগনাথনৰ পঞ্চবিধি গ্ৰন্থাগাৰত প্ৰয়োগ কৰাটো প্ৰয়োজনীয়। একেদৰে যিসকলে গ্ৰন্থাগাৰ ব্যৱহাৰ কৰে সেইসকলে যাতে গ্ৰন্থাগাৰটিক নিজৰ ঘৰুৱা পাঠাগাৰৰ দৰে জ্ঞান কৰিব পাৰে তাৰ বাবে গ্ৰন্থাগাৰৰ পঢ়ুৱৈসকলৰ প্ৰতি এক শিক্ষণ প্ৰক্ৰিয়া গ্ৰন্থাগাৰৰ তৰফৰ পৰা আগবঢ়োৱাটো গ্ৰন্থাগাৰ ব্যৱস্থাৰ অপৰিহাৰ্য কাৰ্য হিচাপে গ্ৰহণ কৰিব লাগে। তেতিয়াহে আমি এজন অনিয়মীয়া পঢ়ুৱৈকো এজন নিয়মীয়া পাঠকৰ শাৰীলৈ উন্নীত কৰাৰ ক্ষেত্ৰত কৃতকাৰ্যতা লাভ কৰিব পাৰিম। সেয়েহে এজন গ্ৰন্থাগাৰিক হিচাপে আমাৰ এটা অনুভৱ যে বিদ্যালয় পৰ্যায়ত গ্ৰন্থাগাৰ সম্বন্ধে ছাত্ৰ-ছাত্ৰীক জ্ঞান প্ৰদান কৰাটো নিতান্তই এটা প্ৰয়োজনীয় বিষয়। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে গ্ৰন্থাগাৰ শিক্ষা বাদেই আমাৰ বহুতো বিদ্যালয়তে এটা গ্ৰন্থাগাৰৰে অভাৱ। এই ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষ তথা চৰকাৰৰ ফালৰ পৰা যথোচিত ব্যৱস্থা নোলোৱাটো অতি পৰিতাপৰ বিষয়। এটি অত্যাধুনিক গ্ৰন্থাগাৰেও কেতিয়াবা বিফলতাৰ মুখ দেখিব লগা হব পাৰে যদিহে গ্ৰন্থাগাৰত থকা সম্পদ সমূহৰ বিষয়ে গ্ৰন্থাগাৰলৈ অহা পঢ়ুৱৈসকল অৱগত নহয়। সেয়েহে এটি গ্ৰন্থাগাৰে সমাজ জীৱনলৈ বৰঙণি আগবঢ়াবলৈ হ'লে পঢ়ুৱৈ শিক্ষণ ব্যৱস্থাটিক অধিক উন্নত কৰি প্ৰয়োগ কৰাটো দৰকাৰ।

সহায়ক গ্ৰন্থ ঃ


১। Kumar, Kishan : "Library Manual", 4th rev. ed. 1998, pg-30-36

২। মুখোপাধ্যায়, রাজকুমার ঃ "স্কুল ও কলেজের গ্রন্থাগার পরিচালনা", প্ৰথম প্ৰকাশ ১৯৬৫, পৃষ্ঠা- ১০৩-১০৭

৩। ডেকা, অনিল ঃ "গ্ৰন্থাগাৰ বিজ্ঞানৰ ৰূপৰেখা", প্ৰথম প্ৰকাশ ২০০৩, পৃষ্ঠা ৫৫-৬৫


*●লেখক মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক*



■ নিবেদিতা ফুকন

> প্ৰসংগক্ৰমে এইটোও উল্লেখযোগ্য যে তাহানিতে..... "দুঠেঙীয়া পশু' বুলি অভিহিত কৰা নাৰীৰ নিজস্বতাক, ব্যক্তিগত চিন্তাক তাছিল্য, ইতিকিঙেৰে গুৰুত্বহীন কৰি তোলা ব্যক্তিৰ সংখ্যা সমাজত বৰ্তমানেও নিচেই কম নহয়।

# স্ত্ৰীশিক্ষা
## আৰু অসমত ইয়াৰ প্ৰসাৰ

শিক্ষাক জীৱনব্যাপী চলা এক প্ৰক্ৰিয়া বুলি কোৱা হয়। জন্মমুহূৰ্তৰ পৰাই আৰম্ভ হোৱা এই প্ৰক্ৰিয়া মৃত্যু পৰ্যন্ত অবিৰত গতিত চলিয়েই থাকে। স্বাভাৱিকতে, শিক্ষাৰ সম্পৰ্ক যে জীৱনৰ লগতহে-- এই কথাই সত্য বুলি প্ৰতীয়মান হয়। অথচ জীৱনৰ ব্যাখ্যা আগবঢ়াব লগা হ'লে পুৰুষ নাৰীৰ পাৰ্থক্য বিচাৰৰ মাজেৰেহে আগবঢ়া দেখা যায়। প্ৰকৃতিগতভাৱে যদিও পুৰুষ আৰু নাৰী ভিন্ন শিক্ষা, জ্ঞান আৰু অভিজ্ঞতা অৰ্জনৰ ক্ষেত্ৰত কোনো ভিন্নতা নাৰাখে। অৱশ্যে ব্যক্তিভেদে চিন্তাৰ পাৰ্থক্য থকাৰ কথাটো সুকীয়া। প্ৰসংগক্ৰমে এইটোও উল্লেখযোগ্য যে তাহানিতে..... "দুঠেঙীয়া পশু' বুলি অভিহিত কৰা নাৰীৰ নিজস্বতাক, ব্যক্তিগত চিন্তাক তাছিল্য, ইতিকিঙেৰে গুৰুত্বহীন কৰি তোলা ব্যক্তিৰ সংখ্যা সমাজত বৰ্তমানেও নিচেই কম নহয়।

মানৱ শিশুৱে পাৰিবাৰিক সামাজিক, প্ৰাকৃতিক পৰিৱেশৰ যোগেদি আনুষ্ঠানিক শিক্ষাহে প্ৰথম গ্ৰহণ কৰে। এইখিনিতে মন কৰিবলগীয়া কথা হ'ল-- এনে শিক্ষা ল'ৰা-ছোৱালী সকলোৰে ক্ষেত্ৰত সমানে প্ৰযোজ্য হ'লেও পিছলৈ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰাৰ সময়ত সমতাৰ কথাটো আওকান কৰা হয়। আমাৰ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষক কেন্দ্ৰ কৰিহে নাৰী ঘূৰ্ণীয়মান। এক কথাত নাৰী দ্বিতীয় লিঙ্গ। এনেস্থলত লিঙ্গ নিৰ্ণয় হোৱাৰ পৰা (ছোৱালীৰ পৰা নাৰী হোৱালৈকে) পৰিপূৰ্ণতা পোৱালৈকে কিমান অগ্নি পৰীক্ষাত অৱতীৰ্ণ হ'বলগা হয় সি সহজে অনুমেয়। কাৰণ আমাৰ সমাজৰ এচামে ভাটৌৰ দৰে বৈদিক যুগৰ নাৰীৰ উন্নত অৱস্থাৰ কথা বাৰম্বাৰ আওঁৰাই থাকিলেও কিন্তু সেইসকল নাৰীৰ জ্ঞান আৰু প্ৰজ্ঞাৰ ধাৰ কৰা বুলি ক'বলৈকো কুণ্ঠাবোধ নকৰে। গতিকে এনে অৱস্থাৰ প্ৰেক্ষাপটত ছোৱালীৰ বাবে আনুষ্ঠানিক শিক্ষাগ্ৰহণ মুঠেই সুবিধাজনক নাছিল।তাতে অসমৰ ভিন্ন প্ৰাকৃতিক, সামাজিক, ৰাজনৈতিক পৰিৱেশেও এইক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছিল।

মূল প্ৰসঙ্গলৈ অহাৰ আগতে এনে কিছুমান দিশৰ অৱতাৰণা কৰাৰো নিশ্চয় প্ৰাসংগিকতা আছে। আচল কথা হ'ল, সমাজ পৰিৱৰ্তনশীল। পৰিৱৰ্তনৰ ধাৰাটো দুৰ্বল হ'ব পাৰে, মন্থৰ হ'ব পাৰে- সহজতে চকুত নপৰা হ'ব পাৰে-- পৰিৱৰ্তন কিন্তু অৱশ্যম্ভাৱী। এটা সময়ত অসমতো স্ত্ৰীশিক্ষাৰ প্ৰতি আনুগত্য অথবা ইয়াৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰোতাসকলে বৃটিছ শাসনৰ কালৰ পৰাহে চিন্তাৰ আঁত বিচাৰি পাইছিল বুলি ক'ব

পৰা যায়।

সেইসময়ৰ অসমৰ অভিজাত পৰিয়ালবিলাকত আভিজাত্য ৰক্ষাৰ হেতু ছোৱালীক গৃহশিক্ষাৰ আওতাত সাধাৰণ শিক্ষা দিলেও অতি কম বয়সতে অৰ্থাৎ শিক্ষাৰ প্ৰথম স্তৰটো পাৰ হওঁতেই বিয়া দিব লগা হোৱাৰ কাৰণে চৰ্চা তথা অনুশীলন একেবাৰে নাছিল। উল্লেখযোগ্য যে সু-গৃহিণীৰ পৰিচয়ৰ বাবে জোঁটাই-জোঁটাই ধৰ্মীয় পদ-পুথি পঢ়িব পৰাটোৱেই যথেষ্ট আছিল। এনে অৱস্থাৰ মাজতো যি দুই-চাৰিগৰাকীয়ে পঢ়া-শুনাৰ সুবিধা লাভ কৰিছিল- সিও পাৰিবাৰিক সহায় আৰু তেওঁলোকৰ ঐকান্তিক প্ৰচেষ্টাৰ গুণতহে সম্ভৱ হৈছিল। ১৮২৬ চনত অসম ইংৰাজৰ হাতলৈ অহাৰ সময়ত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সকলো দিশৰ পৰাই অসমৰ অৱস্থা আছিল প্ৰায় বিপৰ্যস্ত। অন্তৰ্কন্দল, বহিঃ আক্ৰমণে কোঙা কৰি পেলোৱা বিধ্বস্তপ্ৰায় অসমত স্ত্ৰীশিক্ষা দূৰৰে কথা— আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত কোনো গঠনমূলক উৎসাহো দেখা নগৈছিল। সংস্কৃত টোল, বৈষ্ণৱ সত্ৰসমূহত স্ত্ৰীশিক্ষাৰ কথাই নাছিল। স্মৰ্তব্য যে, এনে প্ৰতিকূল অৱস্থাতো মধ্যযুগত ইতিহাস প্ৰসিদ্ধ কেইগৰাকীমান শিক্ষানুৰাগী নাৰীৰ অৱদান মন কৰিবলগীয়া। বৰৰজা ফুলেশ্বৰী কুঁৱৰী, অম্বিকা কুঁৱৰী, কোচ ৰজা নৰনাৰায়ণৰ পত্নী ভানুমতী আৰু গোপালদেৱৰ কন্যা প্ৰথম অসমীয়া মহিলা কবিৰূপে খ্যাত পদ্মাপ্ৰিয়াৰ নাম উল্লেখযোগ্য।

বৃটিছ শাসনৰ ফলত পাশ্চাত্য শিক্ষা-সংস্কৃতিৰো আগমন ঘটিল। বিশেষকৈ অসমৰ চুবুৰীয়া বঙ্গত পাশ্চাত্য শিক্ষাৰ প্ৰৱেশে মধ্যবিত্ত শ্ৰেণীটোৰ মাজত এক নৱচেতনাৰ উন্মেষ ঘটালে। কলিকতা কেন্দ্ৰিক এই নৱজাগৰণৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ আছিল স্ত্ৰীশিক্ষাৰ প্ৰসাৰৰ বাবে নিৰন্তৰ প্ৰচেষ্টা। সমাজৰ শিক্ষিত শ্ৰেণীটোৰ গৰিষ্ঠ সংখ্যকে তেতিয়াও সৰ্বশিক্ষাৰ ঘোৰ বিৰোধী আছিল। সমাজৰ এই পৰম্পৰাবাদী ধ্যান-ধাৰণাৰ বিৰুদ্ধে কঠোৰ যুঁজ দিবলগা হৈছিল পাশ্চাত্য শিক্ষাৰে শিক্ষিত দুই কাণ্ডাৰী ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আদিয়ে। আনকি ঊনবিংশ শতিকাৰ শেষ দশকতো স্ত্ৰী শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত বঙ্গত অনেক বাধা আছিল। কটূক্তি, গঞ্জনা, তাচ্ছিল্যৰে ভৰা আছিল সমাজৰ অগ্ৰগণ্যসকলৰ নৱচেতনাৰ বাট। ১৮৭৮ চনত কলিকতা বিশ্ববিদ্যালয়ে স্ত্ৰী-পুৰুষৰ সমান শিক্ষাৰ মৰ্যদা আৰু অধিকাৰৰ স্বীকৃতি দিয়াৰ পিছৰপৰাহে স্থিৰগতিত স্ত্ৰী শিক্ষাৰ বিস্তাৰ হ'বলৈ ধৰিছিল। যদিও বৰলাটৰ আইন পৰিষদৰ সদস্য হৈ ভাৰতলৈ অহা ডিংকৱাটাৰ বেথুনে ভাৰতত স্ত্ৰীশিক্ষাৰ ব্যৰ্থনাৰ কাৰণসমূহ চাই ১৮৪৯ চনৰ ৮ মে'ত "হিন্দু বালিকা বিদ্যালয়' স্থাপন কৰি শিক্ষাৰ লগত হিন্দু জাতীয়তাবোধৰ সংমিশ্ৰণেৰে স্ত্ৰীশিক্ষাৰ প্ৰতি আকৰ্ষিত কৰাৰ চেষ্টা কৰিছিল। তথাপিও দ্বিধাগ্ৰস্ত ভাৰতীয়ই মুকলি মনেৰে ইয়াৰ পোষকতা কৰিব পৰা নাছিল। ১৮৫০ চনত ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে বেথুনৰ লগত সহযোগিতা কৰি ৭/৮ বছৰৰ ভিতৰতে ডেৰকুৰিতকৈ অধিক বালিকা বিদ্যালয় স্থাপন কৰিছিল। স্ত্ৰীশিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত এই সময়ৰ পৰাহে মধ্যবিত্ত শ্ৰেণীয়ে আগ্ৰহ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰাত স্ত্ৰী শিক্ষাৰ অগ্ৰগতিৰ বাটত থকা হেঙাৰবোৰ লাহে লাহে নোহোৱা হ'ল। এইখিনিতে মন কৰিবলগীয়া কথা হ'ল— অসমত সেইসময়ৰ জনমত কিন্তু স্ত্ৰীশিক্ষাৰ বিপক্ষেহে আছিল। বঙ্গৰ নৱজাগৰণৰ বাৰ্তা তাৎক্ষণিকভাৱে ক্ষীণকৈ হ'লেও অসমৰ জাতীয় জীৱনত পৰিছিল। কলিকতালৈ গৈ ইংৰাজী শিক্ষা গ্ৰহণ কৰা হলিৰাম ঢেকিয়াল ফুকনৰ ভাতৃ, আনন্দৰাম ঢেকিয়াল ফুকনৰ দদায়েক যজ্ঞৰাম খাৰঘৰীয়া ফুকন সমাজ সংস্কাৰক ৰাজা ৰামমোহন ৰায়ৰ ঘনিষ্ঠ সংস্পৰ্শলৈ আহি আধুনিক চিন্তাৰে পুষ্ট হৈছিল। কিন্তু ৰক্ষণশীল সমাজৰ পৰিপন্থী ধ্যান-ধাৰণা, আচাৰ-আচৰণে তদানীন্তন সমাজত তেওঁলোকৰ দৰে উদ্যোগী যুৱক এঘৰীয়া হৈছিল। এনে প্ৰেক্ষাপটৰ বাবেই বঙ্গৰ কলিকতাকেন্দ্ৰিক নৱজাগৰণৰ গুৰুত্বপূৰ্ণ দিশ স্ত্ৰী-শিক্ষাৰ সপক্ষে হোৱা আন্দোলন অসমত তাৰ প্ৰায় পঞ্চাশ বছৰমান পিছতহে আৰম্ভ হৈছিল। তৎস্বত্বেও আনন্দৰাম ঢেকিয়াল ফুকন, গুনাভিৰাম বৰুৱা আদিৰ নিৰন্তৰ প্ৰচেষ্টা প্ৰশংসনীয়। বঙ্গৰ দৰে অসমতো এমুঠিমান মাত্ৰ শিক্ষিত, প্ৰগতিশীল চিন্তাৰে সমৃদ্ধ ব্যক্তিয়ে সমাজৰ পৰম্পৰাগত চিন্তা, মনুসংহিতাৰ নিৰ্দেশ, ঐতিহ্যৰ সন্মোহনী শক্তিৰ বিৰুদ্ধে ব্যক্তিগতভাৱে হ'লেও সংগ্ৰাম অব্যাহত ৰাখিছিল। এইক্ষেত্ৰত আনন্দৰাম ঢেকিয়াল ফুকনে ঘৰতে কন্যা পদ্মাৱতীক শিক্ষা দিছিল। গুণাভিৰাম বৰুৱাই লিখা আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিতত উল্লেখ থকা মতে, "নিজ পত্নীক নিজেই শিক্ষা দিছিল আৰু কন্যা পদ্মাৱতীক পঞ্চম বৰ্ষত বিদ্যাৰম্ভ কৰিছিল।" অসমত স্ত্ৰী শিক্ষা প্ৰসাৰৰ বাবে যত্ন কৰোঁতা আনন্দৰাম ঢেকিয়াল ফুকনেই প্ৰথম ব্যক্তি। এইদৰে ঊনবিংশ শতিকাৰ শেষৰ দুটা দশকত ইয়াৰ প্ৰভাৱে ৰক্ষণশীল কঠোৰ সমাজখনকো চুই গৈছিল। ১৮৮০ চনত গুণাভিৰাম বৰুৱাৰ কন্যা স্বৰ্ণলতাক ন'বছৰ বয়সতে কলিকতালৈ শিক্ষালাভৰ উদ্দেশ্যে পঠিয়াইছিল। একেসময়তে লোক নায়ক অমিয় কুমাৰ দাসৰ মাতৃ সৰলা দেৱীয়েও স্বৰ্ণলতাৰ লগত বেথুন স্কুলত নাম ভৰ্তি কৰিছিল। এইগৰাকী অসমৰ পৰা বাহিৰলৈ গৈ শিক্ষালাভ কৰা প্ৰথম অসমীয়া ছোৱালী।

এইখিনিতে প্ৰসঙ্গক্ৰমে উল্লেখ কৰা উচিত হ'ব যে সেই সময়ৰ 'জোনাকী', 'মৌ', 'আসাম বন্ধ' আদি কাকত আলোচনী নতুন চিন্তাৰ বাহক হলেও স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত বৰ প্ৰগতিশীল দৃষ্টিভংগী গ্ৰহণ কৰিব পৰা নাছিল। "ঘৰেই ছোৱালীৰ পঢ়াশালী", "স্কুলীয়া শিক্ষা পোৱাতকৈ নোপোৱা ছোৱালীহে গুণৱতী" আদি কিছুমান মন্তব্যও তথাকথিত বিদ্বৎ শ্ৰেণীৰ প্ৰতিনিধিসকলেই কৰিছিল। এনে সংস্কাৰাচ্ছন্ন প্ৰেক্ষাপটতে অসমলৈ খৃষ্টান মিছনেৰীসকলৰ আগমন ঘটিল। ধৰ্মপ্ৰচাৰৰ বাবে আহিছিল যদিও প্ৰকৃততে শিক্ষা বিস্তাৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল মিছনেৰীসকলেহে। ১৮৩৯ চনত শদিয়াত প্ৰথমখন ছোৱালীৰ স্কুলো তেওঁলোকেই পাতিছিল। মিছনেৰী অলিভাৰ. টি. কট্টাৰৰ

পত্নীৰ প্ৰচেষ্টা আৰু উদ্যোগত ঠায়ে ঠায়ে ছোৱালীৰ বাবে "জেনানা স্কুল" নাম দি বিদ্যালয় গঢ়ি তুলিছিল। চৰকাৰী প্ৰচেষ্টাত অসমত ১৮৭০ চনতহে ছোৱালীৰ বাবে ৮খন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল। ক্ৰমে ১৯২৯ চনলৈ কেইখনমান মাত্ৰ এম.ই আৰু এম.ভি বিদ্যালয়ো স্থাপিত হৈছিল। চাবলৈ গ'লে প্ৰায় সকলো প্ৰচেষ্টাই অথলে গৈছিল। ছোৱালীৰ সামাজিক স্থিতিৰ পৰিপ্ৰেক্ষিতত সাধাৰণ শ্ৰেণীহে নালাগে অভিজাত, বুদ্ধিজীৱি শ্ৰেণীৰ মাজতো ছোৱালীৰ শিক্ষাৰ বিষয়টো অৱহেলাৰ দৃষ্টিৰেহে চোৱা হৈছিল। মন কৰিবলগীয়া যে এনে অনেক প্ৰতিকূল অৱস্থাকো নেওচি "স্কুলৰ মুখকে দেখিবলৈ নোপোৱা" স্ত্ৰীৰ উচ্চশিক্ষাৰ বাটকটীয়া ৰাজবালা দাসৰ দৰে সৰ্বগুণী নাৰীৰ উদ্ভৱ সেইসময়তে।

১৯০৪ চনত লৰ্ড কাৰ্জনৰ নতুন শিক্ষানীতি অনুযায়ী স্ত্ৰী-শিক্ষাৰ শিতানত অধিক চৰকাৰী ব্যয়ৰ পোষকতা কৰা হ'ল। সেই অনুযায়ী ১৯১৯ চনত চৰকাৰে স্ত্ৰীশিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি ছোৱালীৰ শিক্ষা মাচুল হ্ৰাস কৰিলে আৰু ছোৱালীৰ স্কুলৰ বাবে অধিক অনুদান দিয়াৰ ব্যৱস্থা কৰিলে। অসমত ১৯২৬ চনতহে "Primary Education- Compulsory Act" গ্ৰহণ কৰা হৈছিল। কিন্তু অৰ্থৰ অভাৱত সিয়ো কাৰ্যকৰী নহ'ল। ইতিমধ্যে অনেক শিক্ষানুৰাগী বিদ্বান ব্যক্তিৰ প্ৰচেষ্টাত অসমত ১৯০১ চনত উচ্চ শিক্ষাৰ প্ৰথম অনুষ্ঠান 'কটন কলেজ' প্ৰতিষ্ঠা হৈছিল। এনেদৰে কুৰি শতিকাৰ আৰম্ভণিৰ পৰাই অসমৰ জনসাধাৰণৰ মাজত স্ত্ৰী-শিক্ষাৰ সপক্ষে লাহে লাহে ভাৱধাৰৰ পৰিবৰ্তন ঘটিবলৈ আৰম্ভ কৰিছিল। উদাৰমনা কোনোৱে ব্যক্তিগত উদ্যোগতো ছোৱালীৰ শিক্ষা বিস্তাৰত অগ্ৰণী ভূমিকা লৈ বিদ্যালয় স্থাপন কৰিছিল। ১৯১৩ চনত ডিব্ৰুগড়ত প্ৰতিষ্ঠা হোৱা মডেল স্কুল; পিছলৈ ক্ৰমে মজলীয়া আৰু ১৯২৬ চনত প্ৰথমখন চৰকাৰী হাইস্কুল হোৱা এই অনুষ্ঠানটোৰ পৰাই ১৯১৭ চনত প্ৰথম দল অসমৰ মেট্ৰিকুলেট ছাত্ৰী ওলাইছিল। ইয়াৰ প্ৰধান শিক্ষয়িত্ৰী হেমপ্ৰভা দাসে বেথুন স্কুল, পিছত বেথুন কলেজৰ পৰা এফ.এ উত্তীৰ্ণ মহিলা। এই চনৰ পৰা ১৯৪৭ চনলৈকে অসমৰ বিভিন্ন ঠাইত গুৱাহাটী, ধুবুৰী, যোৰহাটকে আদি কৰি অনেক ঠাইত বহুত ছোৱালীৰ হাইস্কুল স্থাপিত হৈছিল। কিন্তু হাইস্কুলীয়া শিক্ষাৰ অন্তত উচ্চ শিক্ষা লাভৰ অভিলাষ পূৰ্ণ কৰিবলৈ কোনো শিক্ষানুষ্ঠান নথককাত কিছুমান ছোৱালীয়ে পাৰিবাৰিক উদাৰতা আৰু উৎসাহৰ সহায়ত হয় সেইসময়ৰ অবিভক্ত শ্বিলঙত অৱস্থিত প্ৰথমখন ছোৱালী কলেজ "লেডীকীন গাৰ্লছ কলেজ"লৈ নতুবা কলিকাতলৈ গৈছিল। কুৰি শতিকাৰ আৰম্ভণি কালত স্ত্ৰী শিক্ষাৰ প্ৰতিসমাজৰ চৰম অনাগ্ৰহ, বিৰক্তি আৰু অৱজ্ঞাৰ মাজতো মুষ্টিমেয় কেইগৰাকীমান অসমীয়া ছোৱালীৰ শৃঙ্খল ছিঙাৰ চেষ্টা সঁচাকৈয়ে অবিস্মৰণীয়।

হয়তো অজস্ৰ বাধা অতিক্ৰমী লক্ষ্যপথত উপনীত



হোৱাৰ তেওঁলোকৰ অদমনীয় মনোভাৱেই পিছৰ চামক শিক্ষাৰ প্ৰতি আগ্ৰহী হোৱাত যথেষ্ট অনুপ্ৰাণিত কৰি স্ত্ৰীশিক্ষাৰ বিস্তাৰত বৰঙণি যোগালে, অতি সুখৰ বিষয় যে, বাহিৰত শিক্ষা লাভ কৰিও সেই শিক্ষাক বহুজনৰ হিতৰ বাবে প্ৰয়োগ কৰা সেইসকল মহিলা চিৰস্মৰণীয় হৈ থাকিব। সামাজিক সকলো কটু নিন্দা, ভৎসনা, ভাবুকিকো আওকান কৰি অধ্যক্ষা ৰাজবালা দাস, ইন্দিৰা মিৰিৰ দৰে মহিলাই তেখেতসকলৰ অসামান্য অৱদান নিঃস্বাৰ্থভাৱে আগবঢ়াই শিক্ষাৰ ইতিহাসত কালোত্তীৰ্ণ কীৰ্তি ৰাখি অসমৰ সমাজত মহিলাৰ স্থিতিক দুখোজ আগবঢ়াই থৈ গ'ল। ইন্দিৰা মিৰিয়ে চুবুৰীয়া ভগ্নী ৰাজ্য অৰুণাচলতো অক্লান্ত শ্ৰমেৰে শিক্ষাৰ নতুন দিশ মুকলি কৰিলে। অসমত এনেদৰেই আৰম্ভ হোৱা স্ত্ৰীশিক্ষাৰ জয়যাত্ৰা অব্যাহত আছে। এতিয়াও বিভিন্ন চূড়ান্ত পৰীক্ষাৰ ফলাফলসমূহে-- এসময়ত স্ত্ৰী জাতিৰ বুদ্ধিক কটাক্ষ কৰা শ্ৰেণীটোক উপলুঙাহে কৰে। ছোৱালীৰ বাবে সুকীয়াকৈ বিভিন্ন বিষয় লৈ অনেক শিক্ষানুষ্ঠান মুকলি কৰা হৈছে। ল'ৰাই গ্ৰহণ কৰা প্ৰায় সকলোধৰণৰ বিষয়কে গ্ৰহণৰ জৰিয়তে ছোৱালীয়ে দেশৰ সীমা চেৰাই বিদেশতো বিভিন্ন দিশত সুনাম অৰ্জন কৰিছে। এনে অনেক নামৰ উল্লেখ ইয়াত নিষ্প্ৰয়োজন।

তথাপি শেষত এটা কথা ক'বই লাগিব যে, তথ্যগত পৰিসংখ্যাৰে সামগ্ৰিক মান নিৰ্ণয় কৰিব নোৱাৰি। Census of India, 2001মতে অসমত মহিলাৰ সাক্ষৰতাৰ হাৰ মাত্ৰ ৫৬.০৩%। পূৰ্বসুৰী অনেকৰ অৱদান স্বীকাৰ কৰিও কুসংস্কাৰমুক্ত এখন সমাজতহে যে শিক্ষাক আলোক সন্ধানী ৰূপত পোৱাৰ প্ৰয়াস কৰিব পাৰি- ই চিৰন্তন সত্য।

ঃঃঃঃঃঃঃঃঃঃঃ

*বিঃদ্ৰঃ- প্ৰবন্ধটো প্ৰস্তুত কৰোঁতে তথ্য-পাতিৰ বাবে বিভিন্ন কাকত, আলোচনী, কিতাপৰ সহায় লোৱা হৈছে।*

*লেখিকা ......*

# আধুনিক অসমীয়া কাব্য আৰু নাটকত
# ৰামায়ণৰ প্ৰভাৱ




■ পলী বৰুৱা

এইক্ষেত্ৰত মন কৰিবলগীয়া যে স্বদেশ অথবা বিদেশত ৰামকথাৰ প্ৰচাৰ আৰু প্ৰসাৰ কোনো ৰাজশক্তি, ধনশক্তি, সংস্থা, সংঘ বা সম্প্ৰদায় শক্তিৰ দ্বাৰা ঘটা নাই। পৃথিৱীৰ একাধিক ধৰ্মগ্ৰন্থৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বলপ্ৰয়োগ আৰু ধনপ্ৰয়োগ অৰ্থাৎ ভয় আৰু লোভ প্ৰদৰ্শন কৰা দেখা যায়। কিন্তু ৰামায়ণত তেনে হোৱা নাই ভাৰতৰ যথাৰ্থ গণসাহিত্য ৰামায়ণৰ কাহিনীৰ স্বতঃস্ফূৰ্ত আকৰ্ষণৰ বাবেই দেশ বিদেশত যুগৰ পৰা যুগান্তৰ লৈ প্ৰচাৰিত হৈ আছে ৰামকথা। প্ৰাচীন আৰু মধ্যযুগীয় ভাৰতীয় সাহিত্যত ৰামায়ণ আৰু ৰামকথাৰ ব্যাপক চৰ্চাৰ উপৰি উত্তৰ-পূৱ ভাৰতৰ বিভিন্ন ভৈয়ামীয় আৰু পৰ্বতীয়া জনগোষ্ঠীৰ মাজতো ৰামায়ণ বিষয়ক বহুতো গীত, নাটক আৰু আখ্যান আদি লিখিত আৰু মৌখিকভাৱে প্ৰচলিত আৰু প্ৰসাৰিত হৈ আছে। একেদৰেই আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্যতো ৰামায়ণৰ অপৰিসীম প্ৰভাৱ অনস্বীকাৰ্য। অসমীয়া বাংলা, উড়িয়া, গুজৰাটী, হিন্দী, মাৰাঠী, পাঞ্জাৱী, তামিল, তেলেগু, কানাড়ী, মালয়ালম প্ৰভৃতি সাহিত্য ৰামায়ণাশ্ৰয়ী বিবিধ সাহিত্য ৰচনাৰ দ্বাৰা বিশেষভাৱে সমৃদ্ধ।

হৃদয়তন্ত্ৰীত সনাতনী ভাৰতবৰ্ষৰ প্ৰাণস্পন্দন অনুভৱৰ ক্ষেত্ৰত ৰামায়ণ এক সৰ্বপ্লাৱী নাম। ভাৰতৰ সাধাৰণ জনতাৰ হৃদয়ৰ সামগ্ৰী হ'ল ৰামায়ণ। সাহিত্য-শিল্প-ধৰ্ম আৰু জীৱন ধাৰণৰ সৰ্বক্ষেত্ৰতে ইয়াৰ প্ৰভাৱ অপৰিসীম। ভাৰতৰ এনে কোনো নগৰ বা জনপদ নাই য'ত ৰামকথা সদৰি হোৱা নাই। বায়ু আৰু পানীৰ দৰে ৰামায়ণী কথা ভাৰতীয় মানুহৰ জীৱনচৰ্যাৰ অপৰিহাৰ্য উপাদান। দেশকালৰ সীমা অতিক্ৰম কৰি তাৰ ব্যাপ্তি ঘটিছে বৰ্হিবিশ্বত। উল্লেখযোগ্য যে ৰামায়ণৰ কাহিনী একমাত্ৰ প্ৰাচীন ভাৰতীয় সাহিত্যতেই সীমাবদ্ধ নহয়; জাভা, ইন্দোচীন, শ্যাম, ব্ৰহ্মদেশ আদি বৃহত্তৰ ভাৰতীয় দীপপুঞ্জত আৰু চীন, জাপান, ইন্দোনেচীয়া, লাউচ, খোটান আদি দেশৰ প্ৰাচীন সাহিত্যতো ৰামকথা আৰু ৰামকথা সম্বলিত ৰচনা পোৱা যায়, অথবা ৰামকথাৰ প্ৰভাৱ লক্ষ্য কৰা যায়। ভাৰতীয় ৰামকথাৰ হৈ বৰ্হিভাৰতীয় ৰামকথাৰ মৌলিক পাৰ্থক্য পৰিলক্ষিত হ'লেও সমগ্ৰ ৰামকথাৰ মূল উৎস যে এক সেই বিষয়ে সন্দেহ নাই। সমগ্ৰ এছিয়াৰ ভিন্ন ভাষা-ভাষী জাতিৰ প্ৰাচীন সাহিত্যত একমাত্ৰ ৰামকথাই সৰ্বজনীন সাহিত্যকৃতি হিচাপে এক আৰু অদ্বিতীয়; সেয়ে এছিয়াৰ মহাকাব্য বুলি "ৰামকথাক' আখ্যা দিয়া হৈছে। বিদ্বৎ সমাজৰ সাহিত্যত, লোক সাহিত্যত, ধৰ্মীয় সাহিত্য আৰু স্থাপত্যত, শিল্পকথা, নৃত্য, নাট্য আৰু সংগীতত সমগ্ৰ এছিয়া খণ্ডত ৰাম কাহিনীৰ অপৰিসীম প্ৰভাৱ লক্ষ্য কৰা যায়।

আধুনিক অসমীয়া কাব্য আৰু নাটকত ৰামায়ণৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিবলৈ গ'লে আধুনিক অসমীয়া কাব্য আৰু নাটকৰ পটভূমি সম্পৰ্কেও সামান্য আলোকপাত কৰিবলগীয়া হয়। ১৮২৬ খ্ৰীষ্টাব্দত ইয়াণ্ডাবু সন্ধিৰ চৰ্তানুসৰি অসমত ইংৰাজ শাসন প্ৰতিষ্ঠিত হয় যদিও 'অৰুণোদয়' প্ৰকাশৰ আগলৈকে অৰ্থাৎ ১৮৪৬ চনৰ আগলৈকে অসমৰ সমাজ জীৱন আৰু সাহিত্যত কোনোৰূপ পাশ্চাত্য প্ৰভাৱিত আধুনিক চিন্তা-ভাৱনাৰ প্ৰতিফলন ঘটা নাছিল। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰাহে অসমীয়া সাহিত্যলৈ পাশ্চাত্য ভাৱনাৰ প্ৰভাৱ অনুভৱ হ'বলৈ ধৰে। দীৰ্ঘস্থায়ী সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থাৰ সহগামী দেৱকেন্দ্ৰিক সাহিত্য-সংস্কৃতিৰ পৰিৱৰ্তে মানৱকেন্দ্ৰিক আধুনিক জীৱন ভাৱনাৰ ফচল হিচাপেই ঊনবিংশ শতিকাৰ শেষাৰ্ধত এই পাশ্চাত্য প্ৰভাৱ অসমীয়া, সাহিত্য-সংস্কৃতিত ক্ৰমে লক্ষণীয় হৈ

উঠে।

ইউৰোপীয় ভাব-চেতনাৰ প্ৰভাৱে সমাজত যি অভিজাত আৰু নৱতৰ চেতনাৰ জন্ম দিছিল, তাৰ মূল কথা আছিল অবিমিশ্ৰ মানৱিকতা। এই মানৱিকতাৰ ওপৰত নিৰ্ভৰ কৰিয়েই দেখা দিছিল, সৰ্বধৰ্ম নিৰপেক্ষ ব্যক্তিস্বাতন্ত্ৰ্য। 'জোনাকী যুগৰ' কবিতাৰ স্বৰূপ সন্ধান কৰিবলৈ গৈ নীলমণি ফুকনে লিখিছেঃ 'ধৰ্ম আৰু দেৱলোকৰ বন্ধনৰ পৰা মুক্ত হৈ কবিতা হৈ পৰিল মানৱমুখী আৰু মানৱতাবাদী অৰ্থাৎ আধুনিক। অৱশ্যে ফুকনৰ কথা সৰ্বান্তকৰণে মানি ল'ব নোৱাৰি এটা অৰ্থত, সেয়া হ'ল- - চন্দ্ৰকুমাৰ আগৰৱালা প্ৰমুখ্যে ৰোমাণ্টিক কবিসকলৰ কবিতাত মানৱ বন্দনা থাকিলেও তাৰ সমান্তৰালভাৱে অধ্যাত্ম ভাৱধাৰাও অসমীয়া ৰোমাণ্টিক কবিতাত প্ৰৱাহিত হৈ আছিল। তথাপি অন্যান্য নৱোন্মেষশালী লক্ষণ আৰু অম্বিকাগিৰী, প্ৰসন্নলাল, দেৱকান্ত বৰুৱা প্ৰমুখ্যে কবিসকলৰ কাব্যত উচ্চাৰিত মানৱিক মহিমাৰ জয়গানলৈ চাই ৰোমাণ্টিক কবিতাক আধুনিকতাৰ স্বাক্ষৰবাহী বুলিয়েই ধৰিব পাৰি।

ঊনবিংশ শতিকাৰ অন্তিম দশকৰ পৰা এই যি আধুনিক মানসিকতাৰ আৰম্ভণ, সেয়া আছিল নতুন প্ৰাপ্তিৰ আনন্দ আৰু প্ৰত্যাশাত উদ্বেল, আৱেগত উচ্ছল আৰু নতুন জীৱন ভাৱনাৰে বিশেষভাৱে আন্দোলিত গতিকে এই সময়ৰ অসমীয়া কাব্য-নাটক আদিৰ বিষয়বস্তু পুৰাণ আশ্ৰিত হ'লেও সিবোৰৰ পৰিৱেশন ৰীতি আছিল পাশ্চাত্য প্ৰভাৱিত অৰ্থাৎ আধুনিক। একে কাৰণতে সিবোৰত অলৌকিকতাৰ মাত্ৰা যথাসম্ভৱ কমাই দিয়া হৈছিল আৰু চৰিত্ৰসমূহ সাধাৰণ মানৱীয় আচৰণ আৰোপ কৰাত গুৰুত্ব দিয়া হৈছিল অধিক। এনে পৰিপ্ৰেক্ষিততেই ঊনবিংশ শতিকাৰ অষ্টম দশকৰ শেষাৰ্ধত ৰচিত 'সীতাহৰণ কাব্য'ক আধুনিক সাহিত্যৰ ৰামায়ণ-আশ্ৰিত প্ৰথম কাব্য বুলি অনুমান কৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাই এইখন আধুনিক যুগৰ দ্বিতীয় বৰ্ণনাত্মক কাব্য বুলি কৈছে। সাতোটা সৰ্গত সম্পূৰ্ণ কৰা ভোলা নাথ দাসৰ 'সীতাহৰণ কাব্য' ৰচনাৰ মূল প্ৰেৰণা আৰু আৰ্হি আছিল মাইকেল মধুসূদনৰ 'মেঘনাদ বধকাব্য'। দাসে 'সীতাহৰণৰ' উপৰি ৰামায়ণ-আশ্ৰিত ঘটনাক কেন্দ্ৰ কৰি একাধিক খণ্ড কবিতাও ৰচনা কৰিছে। তাৰ ভিতৰত কবিতামালা 'বনগমনে ৰামৰ অংগীকাৰ', কৌশল্যাৰ ৰামৰ বিদায়' উল্লেখযোগ্য। পদ্মনাথ গোহাঞি বৰুৱাইও ৰামায়ণ আধাৰিত দুটি কবিতা ৰচনা কৰে। কবিতা এটি ক্ৰমে উৰ্মিলা আৰু য'ত প্ৰকাশ পাইছে ৰামায়ণৰ সীতা, কৈকেয়ী, সুমিত্ৰা, সুৰমা আদি নাৰী চৰিত্ৰ।

লক্ষ্মীনাথ বেজবৰুৱাই ৰামায়ণ আধাৰিত কবিতা ৰচনা কৰা নাই যদিও 'কদমকলি'ৰ 'বীণবৰাগী' কবিতাত ৰামায়ণৰ সীতা প্ৰভৃতি চৰিত্ৰ বিশেষৰ কথা উল্লেখিত হৈছে। আনহাতে, ৰঘুনাথ চৌধাৰীৰ কবিতাত বাৰে বাৰে উল্লেখিত হৈছে ৰামায়ণ প্ৰসংগ। কবিৰ 'কাৰবালা' কাব্যত উল্লেখিত ৰামায়ণী অনুষ্যংগসমূহ হ'ল—দশৰথি ৰাম, অহল্যা, 'কেতেকী' কাব্যত ৰাম, জনকনন্দিনী সীতা; 'ফুলশয্যা' কবিতাত ৰাৱণ, লক্ষ্মণৰ শক্তিশেল প্ৰভৃতি। সেইদৰে ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ 'ভাৰত গৰিমা' শীৰ্ষক কবিতাত একাধিকবাৰ উল্লেখিত হৈছে বাল্মিকীৰ নাম। ৰত্নকান্ত বৰকাকতিৰ একাধিক কবিতাতো ৰামায়ণৰ অনুসংগই ভুমুকি মাৰিছে 'শেৱালি'ৰ অন্তৰ্গত 'উৰ্মিলা কবিতাটিত লক্ষ্মণৰ সদ্যবিবাহিতা পত্নী উৰ্মিলাৰ বিৰহ- ব্যাকুলতাৰ প্ৰতি মহাকবি বাল্মীকিৰ আওকণীয়া মনোভাৱৰ কথা কবিয়ে উল্লেখ কৰিছে। উল্লেখ্য, 'উৰ্মিলা' কবিতাটি ৰবীন্দ্ৰ নাথৰ 'কাব্যৰ উপেক্ষিতা' প্ৰৱন্ধটিৰ 'উৰ্মিলা' অংশৰ মনোৰম কাব্যৰূপ। যুদ্ধোত্তৰ যুগৰ কবিসকলৰ ভিতৰত ৰামায়ণ মহাকাব্যৰ প্ৰভাৱ কম-বেছি পৰিমানে পৰিলক্ষিত হয়। এই যুগৰ দুগৰাকী অপ্ৰতিদ্বন্দী কবি হেম বৰুৱা আৰু নৱকান্ত বৰুৱাৰ কবিতাত ৰামায়ণী-অনুষংগৰ লগতে অন্যান্য পুৰাণ আদিৰ অনুষংগত বাৰে বাৰে উপস্থিত হৈছেহি। হেম বৰুৱাৰ 'যাত্ৰাৰ শেষ নাই' পৃথিৱী আদি কবিতাত উল্লিখিত 'অৱৰুদ্ধা সীতা', 'ৰামায়ণ', 'স্বৰ্ণসীতাও পোখা মেলে' প্ৰভৃতি ৰামায়ণী অনুসংগই প্ৰতীকী অৰ্থ প্ৰদান কৰিছে। এই দুই মহাকাব্যৰ দুটি প্ৰধান আৰু বিতৰ্কিত চৰিত্ৰক অৱলম্বন কৰি কবিয়ে সৃষ্টি কৰিছে দুটি অনবদ্য প্ৰতীকি কবিতা 'ৰাৱণ' আৰু 'সম্ৰাট'। 'ৰামায়ণৰ' খলনায়ক ৰাৱণৰ চৰিত্ৰত অভিনৱত্ব আৰোপ কৰি কবিয়ে ৰচনা কৰিছে 'ৰাৱণ' নামৰ সুদীৰ্ঘ কবিতাটি। কবিতাটিত কবিয়ে অত্যাচাৰী, মহাপ্ৰতাপী ৰাৱণক' শৌৰ্য-বীৰ্য অহংকাৰ আৰু শিল্প সৌন্দৰ্যৰ মোল বুলি পোৱা দুৰ্ঘোৰ প্ৰেমিকৰূপে চিত্ৰিত কৰিছে। কবিতাটিত ৰাৱণৰ শৌৰ্য-বীৰ্য আৰু মহত্ব এনেদৰে দেদীপ্যমান হৈ উঠিছে—

'দানৱ নহওঁ মই শক্তিৰে নকৰোঁ বশ ভ্ৰান্ত কোনো নাৰীৰ হৃদয়
মই যে ৰাৱণ, মোৰ ব্ৰাহ্মণ অতীত প্ৰজ্ঞা
মই যে ৰাৱণ, মোৰ ক্ষত্ৰিয় অতীত শৌৰ্য
মই যে ৰাৱণ, মোৰ দেৱতা অতীত শিল্প
মই যে ৰাৱণ, মই জীৱন বীৰ্যৰ প্ৰতিনিধি
মই যে ৰাৱণ, মই শিল্প শৌৰ্য সভ্যতাৰো সিপাৰৰ ৰাষ্ট্ৰদূত
মই প্ৰেম ভিক্ষা কৰোঁ, ভিক্ষা মোৰ সৰ্বশ্ৰেষ্ঠ দান।"

অশোকবনত বন্দিনী সীতাৰ প্ৰতি ৰাৱণৰ অনাবিল প্ৰেম এনেদৰে মূৰ্ত হৈ উঠিছে—

"প্ৰাণৰ প্ৰতিমা তুমি মোৰ এই অশোক বনৰ
অজন্মা-সৃজনা তুমি ভাৱ য'ত ৰূপ হৈ আহে,
ৰূপ য'ত ৰূপাতীত ভাৱৰ প্ৰতিমা হৈ হাঁহে,"

একেদৰেই আধুনিক কবি নীলমণি ফুকন, হৰেকৃষ্ণ ডেকা আদিৰ কবিতাটো ৰামায়ণী অনুষ্যংগই কেতিয়াবা ভুমুকি মাৰিছে। নীলমণি ফুকনৰ 'নৃত্যৰতা পৃথিৱী' ৪নং কবিতাত 'অ' মৌৰ সময়ৰ নিদাৰুণ সীতা' অনুষংগই চিৰদুখিনী সীতাৰ প্ৰতীকী প্ৰকাশ কৰিছে। এনেদৰে উপমা চিত্ৰকল্প, প্ৰতীক আৰু

অন্যান্য অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰত ৰামায়ণৰ প্ৰত্যক্ষ আৰু পৰোক্ষ অনুৰণন আৰু অৱলম্বন আধুনিক অসমীয়া কবিতাত লক্ষণীয় হৈ উঠিছে।

আধুনিক অসমীয়া সাহিত্যৰ ধৰাতলত নাট্য-সাহিত্যতেই ৰামায়ণী প্ৰভাৱ অধিক পৰিমাণে লক্ষিত হয়। এইক্ষেত্ৰত প্ৰথমেই উল্লেখনীয় হয় ১৮৭৫ খ্ৰীষ্টাব্দত ৰচনা কৰা ৰমাকান্ত চৌধাৰীৰ 'সীতাহৰণ' নাটক। এইখনেই আধুনিক অসমীয়া সাহিত্যত প্ৰথম পৌৰাণিক নাটক বুলি অভিহিত কৰিছে। কিন্তু হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যৰ মতে এইখন আধুনিক যুগৰ প্ৰথম পৌৰাণিক নাটক নহয়, তেওঁৰ মতে হৰিবিলাস আগৰৱালাই কলকাতাত ছপোৱা 'সীতা স্বয়ম্বৰ' নাটক ৰমাকান্তৰ 'সীতাহৰণ' নাটকতকৈ পূৰ্বৰ। যি কি নহওক, দুয়োখন নাটকেই আছিল মাইকেল মধুসূধন দত্তৰ 'মেঘনাদ বধকাব্যৰ' আৰ্হিত অমিত্ৰাক্ষাৰ ছন্দত ৰচিত ৰামায়ণ আশ্ৰিত ঘটনাৰ নাট্যৰূপ।

উনবিংশ শতিকাৰ অন্তিম দশকৰ পৰা প্ৰথম বিশ্বযুদ্ধৰ সময়লৈকে ভালেমান পৌৰাণিক নাটক ৰচিত হয়, যাৰ ভিতৰত ৰামায়ণী ঘটনাৰ আধাৰত ৰচিত নাটকৰ সংখ্যাও যথেষ্ট। এনে নাটক কেইখনমান হ'ল — পূৰ্ণকান্ত শৰ্মাৰ 'হৰধনু ভংগ' বা সীতা স্বয়ম্বৰ (১৮৯৩), কৃত্তিবাসী ৰামায়ণক অনুসৰণ কৰি ৰচিত 'হৰিশ্চন্দ্ৰ নাটক' দেৱনাথ বৰদলৈৰ 'বিদ্ৰোহী-বিচ্ছেদ' (১৯০১), 'ৰাৱণ বধ', 'শ্ৰীৰামৰ বিজয় মহোৎসৱ', চন্দ্ৰধৰ বৰুৱাৰ 'মেঘনাদ বধ (১৯০৪)', দুৰ্গেশ্বৰ শৰ্মাৰ 'বালীবধ' (১৯০৮), দুখনাথ খাউণ্ডৰ দ্বাৰা সংগৃহীত আৰু ১৯০৯ চনত প্ৰকাশিত 'সীতাহৰণ', বলৰাম পাঠকৰ 'লৱ-কুশ' (১৯১৪), অপূৰ্ব ভুঞাৰ 'লৱ-কুশ' (১৯১৮) প্ৰভৃতি।

কুৰি শতিকাৰ দ্বিতীয় দশকৰ পিছৰেপৰাই পৌৰাণিক নাটক ৰচনাৰ প্ৰতি নাট্যকাৰসকল ক্ৰমে অনীহাগ্ৰস্ত হৈ উঠে। তথাপি ৰামায়ণ-মহাভাৰতৰ চিৰন্তন আবেদনমূলক আখ্যান-উপাখ্যানক আধাৰ কৰি কাব্য-নাটক ৰচনাৰ ক্ষীণ পৰম্পৰা আধুনিক অসমীয়া সাহিত্যতো অব্যাহত থাকে। তেনে পৰম্পৰাৰ স্বাক্ষৰবাহী এখন নাটক মিত্ৰদেৱ মহন্তৰ 'বৈদহী-বিচ্ছেদ'। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে এই নাটকখন ১৯৩০ চনতে ৰচিত যদিও প্ৰকাশিত হয় ১৯৫০ চনতহে। আনহাতে, হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যই লিখিছে— "১৯৬০ চনত প্ৰকাশিত হ'লেও এই নাটকৰ ৰচনাকাল প্ৰায় ১৯৪০ চনত বুলি নাট্যকাৰে পাতনি মেলিছে। উল্লেখযোগ্য যে ভট্টাচাৰ্যই এই নাটকখনৰ নাম 'বৈদেহী বিচ্ছেদ'ৰ সলনি 'বৈদেহী বিয়োগ বুলিহে উল্লেখ কৰিছে।

ইয়াৰ পিছত ৰামায়ণ আশ্ৰিত নাটকসমূহ হ'ল- আনন্দ চন্দ্ৰ বৰুৱাৰ 'বিসৰ্জন' (১৯৩৩), কৰুণাধৰ বৰুৱাৰ 'সীতা' (১৯৩৭), 'ৰত্নাকৰ' (১৯৪৭), দণ্ডিনাথ কলিতাৰ 'অগ্নি পৰীক্ষা' (১৯৩৭), অতুল চন্দ্ৰ হাজৰিকাৰ 'ৰামচন্দ্ৰ' (১৯৩৭), 'সীতা' ইত্যাদি। কৃত্তিবাসী ৰামায়ণত বৰ্ণিত বিভীষণৰ পুত্ৰ তৰনীসেনৰ বীৰত্বপূৰ্ণ মৃত্যুৰ কাহিনীটোক ভেঁটি কৰি ৰচনা কৰা লক্ষ্যধৰ চৌধাৰীৰ 'ৰক্ষকুমাৰ' (১৯৪০), প্ৰকাশ (১৯৫২), সুৰেন্দ্ৰ কুমাৰ শইকীয়াৰ লক্ষ্মণ (১৯৪৯) প্ৰভৃতি। ইয়াৰ পিছৰ পৰা আধুনিক অসমীয়া নাট্য-সাহিত্যত পৌৰাণিক নাটক ৰচনাৰ ধাৰাবাহিকতা ভংগ হয় আৰু স্বাভাৱিকতে ৰামায়ণ আশ্ৰয়ী নাটক ৰচনাৰ প্ৰয়াসো কমি আহে। ৰামায়ণে যুগে যুগে ভাৰতীয়সকলৰ জীৱন আৰু বিশ্বাসক যিদৰে প্ৰভাৱিত কৰি আহিছে, পৃথিৱীৰ আন কোনো সাহিত্যই আন কোনো জাতিৰ ওপৰত তেনে প্ৰভাৱ বিস্তাৰ কৰা নাই। এই প্ৰসংগত পণ্ডিত Winternitz ৰ বিখ্যাত উক্তি স্মৰণীয়।

"It has become the property of the whole Indian people as scarcely any other poem in the entire literature of the world, has influenced the thought and poetry of the great nation for centuries."

পৰিশেষত ৰামায়ণৰ এই সৰ্বাত্মক প্ৰভাৱ আৰু চিৰন্তনতা সম্পৰ্কে ব্ৰহ্মাই বাল্মিকীৰ আগত পূৰ্বতে কৰা ভৱিষ্যত বাণীক সুঁৱৰিব পাৰি।

"যাবৎ স্থাস্যন্তি গিৰয়ঃ সবিতশ্চ মহীতলে।।
তাৱদ্ ৰামায়ণী কথা লোকেষু প্ৰচাৰিষ্যতি।

পৃথিৱীত যিমান দিনলৈকে পৰ্বত আৰু নদীসমূহ থাকিব সিমান দিনলৈকে ৰামায়ণ জনগণৰ মাজত প্ৰচাৰিত হৈ থাকিব। ব্ৰহ্মাৰ সেই আশীৰ্বাদ বৃথা হোৱা নাই। ❖❖

●*লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰী*

# মে’ দিৱস

■ অবিস্মিতা দত্ত




**বিশ্বৰ খাটি খোৱা মানুহৰ, নিষ্পেষিত শ্ৰমিক, বনুৱাৰ মুক্তিকামী বিপ্লৱৰ প্ৰতীক মে’ দিৱস। মে’ মাহৰ প্ৰথম দিনটো সমগ্ৰ বিশ্বতে প্ৰতিবছৰে ‘শ্ৰমিক দিৱস’ হিচাপে পালন কৰা হয়। এই দিৱসৰ পটভূমিত আছে বিভিন্নজন শ্ৰমিকৰ ত্যাগ, সাহস, ধৈৰ্যৰ অন্তৰস্পৰ্শী কৰুণ কাহিনী।**

ঊনৈশ শতিকাৰ আগভাগত পশ্চিমৰ দেশ সমূহত বিভিন্ন ধৰণৰ উদ্যোগ গঢ়ি উঠিছিল। এই উদ্যোগ সমূহত শ্ৰমিকসকলে অবিৰত শ্ৰম কৰাৰ বিনিময়ত পাইছিল অন্তহীন ক্ষুধা আৰু যাতনা। কিন্তু জগত পৰিৱৰ্তনশীল। এই নিষ্পেষিত জনতাৰ মনত মুক্তিৰ ভাবৰ সঞ্চাৰ কৰিলে কাৰ্লমাক্স, ফ্ৰেডৰিক এঞ্জেলছ আদিৰ ভাৱধাৰা আৰু আদৰ্শই। তেওঁলোকৰ মাজত থকা চিন্তাশীলসকলে সকলো শ্ৰমিকৰ মাজত ঐক্যতা আনিবৰ বাবে চেষ্টা কৰিলে। পৃথিৱীৰ সবাতোকৈ সম্পদশালী দেশ আমেৰিকাত মুক্তিকামী শ্ৰমিকসকলে প্ৰথম প্ৰতিবাদ আৰম্ভ কৰিলে। বিশ্বৰ বিভিন্ন প্ৰান্তত ১৮২০ চনৰ পৰাই ৮ ঘণ্টা শ্ৰম, ৮ ঘণ্টা বিনোদন আৰু ৮ ঘণ্টা বিশ্ৰামৰ দাবীৰে শ্ৰমিকসকলে ধৰ্মঘট সংঘটিত কৰে। ১৮৬৪ চনত পৃথিৱীৰ বিভিন্ন দেশৰ শ্ৰমিক-বনুৱাৰ সন্মিলিত প্ৰচেষ্টাত ‘আন্তৰ্জাতিক শ্ৰমিক সন্থা’ গঠিত হয়। ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাধীনতা নোপোৱা পৰ্যন্ত তীব্ৰ আন্দোলন কৰিবলৈ শ্ৰমিকসকল প্ৰতিশ্ৰুতিবদ্ধ হ’ল। এই বা পীকে আধাৰ কৰি দেশে দেশে আন্দোলন তীব্ৰতৰ হৈ উঠিছিল।

১৮৮৬ চনৰ মে’ মাহৰ ৰ তাৰিখে আমেৰিকাৰ চিকাগো চহৰৰ লক্ষ লক্ষ বনুৱাই কাৰখানাৰ কাম ত্যাগ কৰি মালিক পক্ষৰ বিৰুদ্ধে সমদল কৰিছিল। মালিক পক্ষই নীৰৱ দৰ্শক হিচাপে নাথাকি প্ৰতিবাদী জনতাৰ বিৰুদ্ধে চৰকাৰৰ সহায় বিচাৰিলে। চৰকাৰী আৰক্ষী বাহিনী শ্ৰমিক সকলৰ ওপৰত জপিয়াই পৰিল। বিশ্বৰ বিভিন্ন ঠাইৰ শ্ৰমিক নেতাসকলে আহি চিকাগোৰ সমদলত যোগদান কৰিলে। ১ মে’ৰ পৰা ৩ মে’ তাৰিখলৈ ঠায়ে ঠায়ে তীব্ৰ আন্দোলন সংঘটিত হয়। ৩ মে’ত ‘মেক ক’ৰমিক হাভেষ্টিং মেচিন কোম্পানী’ৰ শ্ৰমিকসকলে বিক্ষোভ প্ৰদৰ্শন কৰা স্থানত আৰক্ষীয়ে গুলীচালনা কৰাত ৬ জন শ্ৰমিকৰ মৃত্যু হয় আৰু শতাধিক আহত হয়। ১৮৮৬ চনত এই আন্দোলনৰ নেতাসকলক ফাঁচী আৰু যাৱজ্জীৱন কাৰাদণ্ডৰ হুকুম শুনোৱা হ’ল।

চিকাগো চহৰৰ তেজেৰে ৰাঙলী হোৱা সেই দিনটোৰ স্মৃতি সোঁৱৰণ কৰি ১ মে’ দিনটো সকলো দেশতে মে’ দিৱস হিচাপে পালন কৰিবলৈ লোৱা হয়। পৃথিৱীৰ সৰ্বপ্ৰথম ছোভিয়েট ৰুচিয়াত ১৯১৮ চনত বহু দেশৰ প্ৰতিনিধিৰ উপস্থিতিত ১ মে’ তাৰিখে আন্তৰ্জাতিকভাৱে মে’ দিৱস বিপুল সমাৰোহেৰে উদ্‌যাপন কৰা হয় আৰু তাৰ পিছৰে পৰা বিশ্ববাসীয়ে ইয়াৰ তাৎপৰ্য বিশেষ গুৰুত্ব সহকাৰে উপলব্ধি কৰিবলৈ ধৰে। ❖❖

*●লেখিকা স্নাতক তৃতীয় বৰ্ষৰ বুৰঞ্জী বিভাগৰ ছাত্ৰী*

# সুধাকণ্ঠ ভূপেন হাজৰিকাৰ শেষ যাত্ৰা

*এটি বিৰল অভিজ্ঞতা*

■ ৰণজিৎ তামুলী



এই জীৱনৰ মায়া এৰি নেদেখা অজান দেশলৈ যাত্ৰা কৰিলে যাযাবৰী শিল্পী ড° ভূপেন হাজৰিকাই। যোৱা ৫ নবেম্বৰ ২০১১ তাৰিখে সন্ধিয়া ৪.৩৭ মিনিটত মুম্বাইস্থিত কোকিলাবেন আম্বানি হস্পিতেলত ইহলীলা সম্বৰণ কৰা অসমীয়াৰ হিয়াৰ আমঠু সুধাকণ্ঠ ভূপেন হাজৰিকাৰ মৃত্যুৰ পৰা ৯ নবেম্বৰত গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত হোৱা অন্তেষ্টিক্ৰিয়াৰ সময়লৈকে ঘটা বহুতো ঘটনা পৰিঘটনাৰ চাক্ষুস দৰ্শন পোৱাৰ পাছত ইয়াক এই জীৱনৰ এটি অন্যতম বিৰল অভিজ্ঞতা হিচাবে ভাবিবলৈ বাধ্য হৈছো। কিদৰে পালো এই মহত্তম অভিজ্ঞতা.....



যেন এক কাকতালীয় সংযোগহে। যোৱা ২০ অক্টোবৰ ২০১১ তাৰিখৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমীক ষ্টাফ কলেজত অসমীয়া পৰিশীলন পাঠ্যক্ৰমৰ অংশগ্ৰহণকাৰী ৰূপে আছিলো আমি। ৫ নবেম্বৰ তাৰিখৰ নিৰ্দ্ধাৰিত কাৰ্যসূচী আছিল কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল ভ্ৰমণ। সেইদিনা ১ম শনিবাৰ হোৱাৰ বাবে বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল বন্ধ আছিল-- পৰিশীলন পাঠ্যক্ৰমৰ সংযোজক ড° বিভা ভৰালীয়ে একেলগে চলি থকা আন এটা অৰিয়েণ্টেচন পাঠ্যক্ৰমৰ লগত সংযোজন কৰি শনিবাৰে পাছবেলাৰ কাৰ্যসূচীৰ বাবে আমন্ত্ৰণ জনালে শিল্পী ভূপেনদাৰ অনুগামী লোকনাথ গোস্বামীক। ১.৩০ বজাৰ পৰা ৪.৪৫ বজালৈ সংগীতক লৈ এক মনোৰম অনুষ্ঠান সুধাকণ্ঠৰ গীত, গীতৰ পটভূমি, জীৱন পৰিক্ৰমা সম্পৰ্কে বহুতো কথা আলচ হ'ল। গীতো গোৱা হ'ল বহুতো--গীত গালে আমাৰ সতীৰ্থ অংশগ্ৰহণকাৰী শিল্পী মনজোৎস্না মহন্ত গোস্বামী, ড° কল্পনা তালুকদাৰ, ড° প্ৰাপ্তি ঠাকুৰ আৰু মনোজ শৰ্মাই। কিন্তু অনুষ্ঠানটোৰ শেষতে আহিল সেই নিৰ্মম খবৰটি- ভূপেনদা আৰু নাই। গীতে-মাতে মুখৰিত হৈ থকা এটি অনুষ্ঠান নিজম পৰিল-- ভাবক্ৰান্ত মনেৰে আগবাঢ়িল সকলো। মোৰ লগত গাড়ীত অহা জয়ন্ত দাসে ফোনেৰে খবৰ দিলে বহুজনলৈ- জালুকবাৰী চ'কত যান-জঁটত গাড়ী ৰখাব লগা



হোৱাত ময়ো ফোন কৰিলো পৰিয়ালৰ প্ৰতিজনলৈ। ভূপেনদাৰ গানৰ ভক্ত জয়ন্তই ভূপেনদাৰ গানকে আপোনাক শুনাও বুলি ম'বাইলৰ পৰা শুনালে মোক "মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম"......

দেওবাৰ ৬ নবেম্বৰ, দিনটো টেলিভিশ্যনৰ সন্মুখত বহাৰ বাদে একোৱেই কৰা নহ'ল। আনহাতে পিছদিনা পৰিশীলনৰ পাঠ্যক্ৰমৰ বাবে বহিব লাগিব পৰীক্ষাত। এই পাঠ্যক্ৰমত কোনো বন্ধ নথকাৰ বাবে পৰীক্ষাত বহিবই লাগিব তাৰ বিকল্প নাই। সেইবাবে ৭ তাৰিখে এই অনিশ্চয়তা বুকুত লৈ ছয়মাইলৰ পৰা বিশ্ববিদ্যালয়লৈ গ'লো। নিৰ্দ্ধাৰিত কাৰ্যসূচী থকাৰ বাবে আগবেলাৰ ডেৰঘণ্টীয়া পৰীক্ষা সমাপ্ত কৰিলো। তাৰ পিছত বিশ্ববিদ্যালয় চৌহদৰ ষ্টেডিয়ামলৈ খোজ ল'লো..... আমি চাৰিজন কলিয়াবৰ মহাবিদ্যালয়ৰ জয়ন্ত দাস আৰু ৰুণিমা শৰ্মা, সোনাৰি মহাবিদ্যালয়ৰ ৰীতা দত্ত আৰু মই। আমি যেতিয়া ১১.০৫ মিনিটত ভূপেনদাৰ শেষ শ্ৰদ্ধাঞ্জলি জনাব লগা ষ্টেডিয়াম পাইছিলো গৈ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি তেতিয়া প্ৰায় ২০০ মানহে মানুহ। লাহে লাহে খবৰ ভাঁহি আহিল ভূপেনদাক অনা বিমান কলিকতা এৰিছে। বৈদ্যুতিন মাধ্যমৰ গাড়ীবোৰ সোমাই আহিল বিশ্ববিদ্যালয় ষ্টেডিয়াম চৌহদৰ ভিতৰলৈ-- আৰম্ভ হ'ল মানুহ মানুহ আৰু মানুহৰ সোঁত। ১২.৩০ বজাৰ ভিতৰত আনুমানিক ২০/২৫ হাজাৰ মানুহেৰে ভৰি পৰিল ষ্টেডিয়ামখন। তথাপিও শেষ নহ'ল মানুহৰ সোঁত। বাহিৰে-ভিতৰে ৰাষ্ট্ৰীয় পথতো মানুহ মাথো মানুহ-- নিজৰ প্ৰিয় সুধাকণ্ঠক এবাৰ চোৱাৰ এবাৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ হেঁপাহ...........।

অৱশেষত বহু উৎকণ্ঠাৰ শেষত বৰঝাৰ বিমান কোঠৰ পৰা ১.৪০ত ভূপেনদাক কঢ়িয়াই অনা সুসজ্জিত ট্ৰাকখনে ষ্টেডিয়ামৰ ভিতৰত প্ৰৱেশ কৰিলে। বিশ্ববিদ্যালয়ৰ ঘোষকে বাৰে বাৰে ঘোষণা কৰা স্বত্বেও বাঁহৰ বেৰাৰ বাধা নেওচি সকলোৱেই পালেগৈ কফিন কঢ়িয়াই অনা ট্ৰাকৰ কাষত। ওপৰলৈ মেলি দিয়া হাতবোৰত একোটাকৈ হয় মবাইল নহয় একোটা কেমেৰা। মাথো এটা স্নেপ শ্বট অথবা শীতল দেহ শুই থকা কফিনটোকে যেন এবাৰ চুই চোৱাৰ হেঁপাহ..............।

৮ নবেম্বৰ মঙ্গলবাৰ। ইতিমধ্যে সোমবাৰে বিয়লি গৈ পাইছিল শিৱসাগৰৰ পৰা মোৰ পত্নী আৰু সৰু কন্যা। ছয়মাইলৰ ফ্লেটৰ পৰা আমাৰ পৰিয়ালৰ সকলো সদস্যই পুৱা প্ৰায় ৫.৩০ বজাত জৰ্জ ফিল্ড পালোগৈ। সন্দিকৈ ছোৱালী কলেজৰ সন্মুখৰ পৰা শাৰী। এওঁলোকক শাৰী পাতিবলৈ দি মই গাড়ী পাৰ্ক কৰো মানে শাৰীটো দীঘলীয়া হৈ গৈ আছিল। মই থিয় হলোগৈ মোৰ পৰিয়ালৰ সকলো সদস্যৰ পিছত প্ৰায় ৪০০ মান মানুহৰ ব্যৱধান লৈ। শাৰীটোৰ মাজত অনাধিকাৰ প্ৰৱেশ কৰিব নিবিচাৰিছিলো। পুৱাৰ শান্ত সমাহিত পৰিবেশ-কাৰো মুখত কোনো উচ্চ বাচ্য নাই-- সকলোৰে লক্ষ্য একেই, শান্ত -সৌম্য ৰূপত শুই আছে- অসমৰ আধুনিক জাতীয় জীৱনৰ জাতীয় নায়কৰূপী সুধাকণ্ঠ- যাক দৰ্শন কৰি কৃতাৰ্থ হব খোজে সকলোটি। ক্ৰমে ক্ৰমে মানুহৰ শাৰী বাঢ়ি গৈছে-- নাই কোনো বেমেজালি, নাই ক্লান্তি- দুখ-ভাগৰ আৰু অস্থিৰতা- যেনেকৈ শুই আছে কাঁচৰ বাকচৰ ভিতৰত আমাৰ প্ৰিয় ভূপেনদা।

৯ নবেম্বৰ। পুৱা ৭ বজাত ওলাই গ'লো ছয়মাইলৰ পৰা জালুকবাৰীলৈ। লগত জয়ন্ত দাস আৰু সোনাৰি মহাবিদ্যালয়ৰ অধ্যাপক ৰঘুনাথ কায়গুং। বেলতলা, জালুকবাৰী ৰাষ্ট্ৰীয় পথৰ দুয়োকাষে প্ৰায় পাঁচ শতাধিক গাড়ী। মাজনিশাৰ পৰা মানুহৰ সোঁত বৈছে পূণ্যভূমি জালুকবাৰীলৈ। মানুহ মাথো মানুহৰ

## সংক্ষিপ্ত ৰূপত ড° ভূপেন হাজৰিকাৰ জীৱন পৰিক্ৰমা ঃ-

জন্ম ঃ ৮ চেপ্তেম্বৰ, ১৯২৬ চন, স্থান- শদিয়া

পিতৃ ঃ নীলকান্ত হাজৰিকা

মাতৃ ঃ শান্তিপ্ৰিয়া হাজৰিকা

শিক্ষা ঃ অসমৰ বিভিন্ন বিদ্যালয়ত পঢ়ি শেষত
তেজপুৰ হাইস্কুলৰ পৰা প্ৰৱেশিকা উত্তীৰ্ণ। (১৯৪০)
কটন কলেজৰ পৰা আই.এ মহলা উত্তীৰ্ণ (১৯৪২)
বানাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা বি.এ উত্তীৰ্ণ (১৯৪৪)
বানাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা এম.এ উত্তীৰ্ণ (১৯৪৬)

কলম্বিয়া বিশ্ববিদ্যালয় (আমেৰিকা)ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ (১৯০২)

**প্ৰথম ৰাজহুৱা মঞ্চত সংগীত পৰিবেশন-** ১৯৩০ চনত কটন কলেজিয়েট স্কুলত ৫ বছৰ বয়সত।

**প্ৰথম কথাছবিৰ সংগীত আৰু অভিনয় ঃ-**
জ্যোতি প্ৰসাদ আগৰৱালাৰ ইন্দ্ৰমালতী (১৯৩৯)

**প্ৰথম ৰেকৰ্ডিং ঃ** ১৯৪৩ চনত।

**প্ৰথম সংগীত পৰিচালনা ঃ** অমিত সেনৰ সতী বেউলা কথাছবি (১৯৪৩)

**সংগীত পৰিচালনা কৰা বিভিন্ন ছবি ঃ** ধুমুহা, মণিৰাম দেৱান, বনৰীয়া ফুল, মা', বনহংস, অপৰূপা, বনজুই, কেঁচা সোণ, পুৱতি নিশাৰ সপোন, বৃন্দাবন, মন প্ৰজাপতি, শকুন্তলা, প্ৰতিধ্বনি, পলাশৰ ৰং, চামেলি মেমচাব, বনহংস আদি।

**বাংলা ছবি ঃ-** অসমাপ্ত, কড়ি ও কমল, দুই বেচাৰা ইত্যাদি।

**হিন্দী ছবি ঃ-** আৰোপ, য়ে গুলিস্তা হামাৰা, ৰুদালি, গজগামিনী, দামন, সাঁজ, মেৰী ধৰম মেৰী মা, অপেক্ষা, দৰমিয়া আদি।

**মালয়ালম ছবি ঃ-** দেশদানম

**ছবি নিৰ্মাণ আৰু পৰিচালনা ঃ-** লটিঘটি, প্ৰতিধ্বনি, শকুন্তলা, মাহুত বন্ধুৰে, মন প্ৰজাপতি, মিৰি জীয়ৰি, চিৰাজ, ৰাজশ্ৰী প্ৰডাকচনৰ তকদীৰ চিনেমা অসমীয়াত 'ভাগ্য' নামেৰে ৰিমেক।

**বঁটা সন্মান ঃ-** ভাৰত চৰকাৰৰ দ্বাৰা পদ্মশ্ৰী (১৯৭৭)
অসম চৰকাৰৰ শংকৰদেৱ বঁটা (১৯৮৮)
ভাৰত চৰকাৰৰ দাদা চাহেব ফাল্কে বঁটা (১৯৯৩)
অসম চৰকাৰৰ অসম ৰত্ন বঁটা (২০০৯)

**সাহিত্য সভাৰ লগত সম্পৰ্ক ঃ-** নাজিৰাত অনুষ্ঠিত সাহিত্য সভাৰ সাংস্কৃতিক অধিবেশনৰ সভাপতিৰ পদ অলংকৃত।
শিৱসাগৰত অনুষ্ঠিত সাহিত্য সভাৰ মূল অধিবেশনৰ সভাপতি (১৯৯৩)
মৰণোত্তৰ ভাৱে অসম সাহিত্য সভাৰ বিশ্বৰত্ন উপাধি (২০১১)

*(ড° ভূপেন হাজৰিকাৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমা সম্পৰ্কে আলচ কৰিলে এখন গ্ৰন্থ হব। ইয়াত সংক্ষিপ্তভাৱে কেইটিমান উল্লেখহে দাঙি ধৰা হৈছে।)*

সমাগম- শৰাইঘাট দলঙৰ দিশে মানুহ, জালুকবাৰী, বৰঝাৰ পথৰ ওপৰত মানুহ, মালিগাওঁ, আদাবাৰী দিশে মানুহ- নিৰ্মিয়মান ৪ লেনযুক্ত কেঁচামাটিৰ ওপৰেৰে মানুহ- সাক্ষী হব খোজে যেন প্ৰতিজন মানুহেই। ইতিমধ্যে অসমীয়া জাতিৰ পিতৃ, ভগৱানৰ অংশ বুলি গণ্য কৰা সুধাকণ্ঠ ভূপেন হাজৰিকাৰ মহাপ্ৰয়াণৰ সাক্ষী হব খোজে সকলো মানুহেই। তাকে কামনা কৰি ঢপলিয়াই আহিছে আজি অজস্ৰ মানুহ......... প্ৰায় ৯.৩০ত ৰাষ্ট্ৰীয় মৰ্যদা লৈ চিতাত উঠা ভূপেন দাই যেন চিতাৰ বুকুৰ পৰাই নিজৰ সুধাকণ্ঠৰে গাই গ'ল-

মোৰ গানৰ হেজাৰ শ্ৰোতা
তোমাক নমস্কাৰ.........

লুইতৰ দুয়োপাৰ উজাৰি অহা মানুহৰ চকুলোৰ মাজেৰে ভূপেনদা গুচি গ'ল অজান দেশলৈ আৰু আমি সাক্ষী হৈ ৰ'লো-- জীৱনৰ অন্যতম এক বিৰল অভিজ্ঞতাৰে। এক মহাজীৱনৰ অন্ত হ'ল-- এনে এক মহাজীৱন আমাৰ জীৱন কালত আৰু প্ৰত্যক্ষ কৰাৰ সুযোগ আমি নাপাওঁ





*লেখক অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক*



# অৰ্ধাংগিনী

■ দিপাঞ্জলী নাথ

যিগৰাকী সীতাই নিজৰ সতীত্ব ৰক্ষাৰ বাবে ৰাৱণৰ হাজাৰ প্ৰলোভনকো উপেক্ষা কৰিছিল আৰু সতীত্ব ৰক্ষাৰ স্বাৰ্থতে প্ৰাণ বিসৰ্জন দিবলৈ সাজু আছিল সেই গৰাকী সীতাই নিজৰ পৱিত্ৰতা সম্পৰ্কে স্বামীৰ পৰা ঘৃণনীয় প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হৈছিল।

নাৰীয়ে শক্তি আৰু নাৰীয়ে জগতৰ অধিষ্ঠাত্ৰী। নাৰী জগত জননী। পুৰুষৰ বাবে নাৰী হ'ল প্ৰেম আৰু কৰুণাৰ প্ৰতীক। মনোস্মৃতিত কোৱা হৈছে ''যত্ৰ নায়ৰ্ন্তে পুজ্যতে তত্ৰ দেৱতা''। অৰ্থাৎ য'ত নাৰীক পূজা কৰা হয় তাতেই দেৱতাই বাস কৰে। কিন্তু এয়া কেৱল কল্পনাহে। কল্পনাৰ নাৰী আৰু বাস্তৱৰ নাৰী জীৱনৰ মাজত আকাশ পাতাল পাৰ্থক্য আছে। কল্পনাৰ পৃথিৱীত নাৰীক দেৱী বুলি উচ্চ আসন প্ৰদান কৰা হয় যদিও বাস্তৱ জীৱনত নাৰীক উচ্চ আসন প্ৰদান কৰাটো দূৰৰে কথা পুৰুষৰ সমান মৰ্যদাও প্ৰদান কৰা নহয়।

আমি যদি বিশ্ব ইতিহাস অধ্যয়ন কৰো তেতিয়া দেখিম যে যুগ যুগ ধৰি আমাৰ নাৰী সমাজক তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি অহা হৈছে। যুগে যুগে তেওঁলোক লাঞ্চিত হৈছে। আনকি ৰজা ৰামচন্দ্ৰইও যাক ভগৱান বুলি পূজা কৰা হয়, তেওঁও পত্নী সীতাৰ সতীত্বৰ পৰীক্ষা ল'ব বিচাৰিছিল। যিগৰাকী সীতাই নিজৰ সতীত্ব ৰক্ষাৰ বাবে ৰাৱণৰ হাজাৰ প্ৰলোভনকো উপেক্ষা কৰিছিল আৰু সতীত্ব ৰক্ষাৰ স্বাৰ্থতে প্ৰাণ বিসৰ্জন দিবলৈ সাজু আছিল সেই গৰাকী সীতাই নিজৰ পৱিত্ৰতা সম্পৰ্কে স্বামীৰ পৰা ঘৃণনীয় প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হৈছিল। আনহাতে, মহাভাৰতৰ যুগত দ্ৰোপদীক পঞ্চপাণ্ডৱৰ মাজত ভাগ কৰি দিয়া হৈছিল তেওঁলোকৰ যৌনক্ষুধা নিবাৰণৰ অৰ্থে।

ইতিহাসৰ বুকুত বহুতো মহিয়সী নাৰীৰ গৌৰৱোজ্জ্বল কাহিনী লিপিবদ্ধ হৈ আছে যদিও ইতিহাসে নাৰীক ধ্বংসৰ কাৰণ বুলি অভিহিত কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। উদাহৰণস্বৰূপে- বিশ্বসুন্দৰী হেলেনৰ গ্ৰীক ট্ৰজানৰ যুদ্ধ হৈছিল, সেইদৰে সুন্দৰী সীতাক হৰণ কৰাৰ বাবেই স্বৰ্ণলংকা ধ্বংস হৈছিল। নাৰীৰ সৌন্দৰ্যৰ প্ৰতি থকা পুৰুষৰ দুৰ্বলতাই আছিল এনে ধ্বংসৰ প্ৰধান কাৰণ। তাত নাৰীগৰাকীৰ বাবে দোষ কি? কিন্তু ইতিহাসে এইবুলি ক'বলৈও কুণ্ঠাবোধ কৰা নাই নাৰী যিদৰে সৃষ্টিৰ উৎস সেইদৰে ধ্বংসৰো মূল। কল্পনাৰ পৃথিৱীত নাৰীক কোৱা হয় 'অৰ্ধাংগিনী'। এই অৰ্ধাংগিনী শব্দটোৱে পুৰুষৰ সৈতে সকলো নাৰীকে সমান অধিকাৰ, মৰ্যদা প্ৰদান কৰাটো বুজাইছে। কিন্তু অপ্ৰিয় হ'লেও সত্য যে আমাৰ পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত এতিয়াও নাৰীক প্ৰকৃত অৰ্ধাংগিনীৰ মৰ্যদা প্ৰদান কৰা হোৱা নাই। কন্যা ভ্ৰুণ এটাই মাতৃগৰ্ভত স্থিতি লোৱাৰ পৰাই পদে পদে আৰম্ভ হয় কন্যা সন্তানক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ প্ৰচেষ্টা। বেছিভাগ পৰিয়ালতে দেখা যায় এটি পুত্ৰ সন্তানক যি স্বাধীনতা আৰু মৰ্যদা দিয়া হয় এটি কন্যা সন্তানৰ ক্ষেত্ৰত সেয়া কেতিয়াও প্ৰযোজ্য নহয়।

সময় আগবঢ়াৰ লগে লগে আমাৰ পোচাক পৰিচ্ছদ, জীৱনশৈলী, ব্যৱহাৰ্য সামগ্ৰী আদি সকলো পৰিৱৰ্তন হ'ল, কেৱল পৰিৱৰ্তন নহ'ল নাৰীৰ আসনখনৰ, যিখন আসন সদায়ে পুৰুষৰ আসনখনৰ চাৰি আঙুল তলতে থাকি গ'ল। আমাৰ সমাজৰ বেছি ভাগ ঠাইতেই বিশ্বাস কৰা হয়,– "পুত্ৰ তোলে

পূণ্যলৈ, কন্যা তোলে দানলৈ। কাৰোবাৰ পত্নী হৈ সন্তান জন্ম দিয়াটোৱেই যেন নাৰীৰ প্ৰধান কাম, নাৰীৰ যেন নিজস্ব কোনো পৰিচয়েই নাই। সমগ্ৰ বিশ্বতে আজি সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, প্ৰশাসনিক আদি সকলো দিশতে নাৰীয়ে পুৰুষৰ সৈতে হাত মিলাই সমানে আগবাঢ়ি গৈছে। উন্নতিৰ শিখৰত ভৰি দিও আমাৰ চিন্তাত নাৰী পুৰুষ সম্পৰ্কে এই বৈষম্য কিয়?

বৰ্তমান সময়ত যৌতুক প্ৰথাৰ বিষবাষ্প আমাৰ সমাজত বৰ বেয়াকৈ বিয়পি পৰিছে। জীৱন গঢ়াৰ সময়ছোৱাত থিতিগুলি মাৰি ফুৰি বিয়াৰ পিছত পত্নীৰ যৌতুকৰ টকাৰে ৰাজসুখৰ সপোন দেখা যুৱকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। যৌতুক প্ৰথাৰ বাবেই কন্যা সন্তান জন্ম হোৱাতো বহুতো মধ্যবিত্ত পৰিয়ালৰ কাৰণে চিন্তাৰ কাৰণ হৈ পৰিছে। আমি আমাৰ পৰিয়ালবোৰক, আমাৰ পুত্ৰ সন্তানসকলক যৌতুকৰ লোভ সামৰি নিজকে স্বাৱলম্বী কৰি গঢ়ি তুলিবলৈ প্ৰেৰণা যোগাব লাগিব। অৱশ্যে এইক্ষেত্ৰত স্বামীৰ পৰিয়ালৰ মহিলা সদস্যসকলৰ বিশেষকৈ শাহুআইগৰাকীৰ ভূমিকা ইতিবাচক হোৱা বাঞ্চনীয়। শাহুআইগৰাকীয়ে পাহৰি যোৱা উচিত নহয় যে তেওঁ নিজেও এসময়ত কাৰোবাৰ আদৰৰ জী আছিল আৰু তেওঁ বোৱাৰীগৰাকীৰ দৰে তেওঁ নিজেও এদিন বৈবাহিক জীৱন সেইখন ঘৰতে আৰম্ভ কৰিছিল।

যৌতুক প্ৰথাই যে কেৱল নিৰ্যাতিতা মহিলা গৰাকী আৰু তেওঁৰ পৰিয়ালটোৰহে অনিষ্ট কৰিছে এনে নহয়। এই প্ৰথাই কন্যা ভ্ৰূণ হত্যাৰ দৰে পাশৱিক কাণ্ডকো প্ৰেৰণা যোগাইছে। পুত্ৰ সন্তানৰ মুখ দেখি পূণ্য আৰ্জিবলৈ লাগে অথচ পুত্ৰৰ ঠাইত কন্যা সন্তান জন্ম হ'লে যে যৌতুকৰ দায়িত্বও বহন কৰিব নোৱাৰে— এয়াই হৈছে কন্যা ভ্ৰূণ হত্যাৰ এটা প্ৰধান কাৰণ। কিন্তু আটাইতকৈ লজ্জাজনক আৰু গুৰুত্বপূৰ্ণ কথা হ'ল নিজকে শিক্ষিত বুলি গৌৰৱ কৰা বহুতো পুৰুষে এতিয়াও ভাৱে যে এটাৰ পিছত এটা কন্যা সন্তান জন্ম দিয়াৰ বাবে নাৰীগৰাকীয়েই দায়ী। তেওঁলোকে নাজানে বা জানিলেও মানি ল'ব নিবিচাৰে যে সন্তানৰ লিঙ্গ নিৰ্ধাৰণ পিতৃৰ ওপৰতে নিৰ্ভৰ কৰে। তাৰ মাজৰে আকৌ কেইজনমানে আৰু এখোপ আগবাঢ়ি গৈ পুত্ৰ সন্তানৰ মুখ দেখি পূণ্য আৰ্জিবলৈ দ্বিতীয় বিবাহ কৰিবলৈও আগবাঢ়ি যায়। ইয়াতকৈ আৰু লজ্জাজনক কথা একো হ'ব নোৱাৰে।

বৰ্তমান সময়ত অৰ্থ উপাৰ্জন কৰাতো কেৱল পুৰুষ সকলৰে কাম হৈ থকা নাই। কিন্তু দুখৰ বিষয় পৰিয়াল এটাৰ অৰ্থ উপাৰ্জনৰ সকলো দায়িত্ব বহন কৰাৰ পিছতো নাৰী এগৰাকীয়ে স্বাধীনতা লাভ নকৰে। আনকি বহুতো পৰিয়ালত নাৰীগৰাকীয়ে তেওঁৰ কষ্টোপাৰ্জিত ধনখিনিও স্বাধীনভাৱে ব্যয় কৰিব নোৱাৰে। একৈশ শতিকাৰ বুকুতো যেন নাৰীক ওৰণিৰ তলতে চাব বিচৰা হৈছে। নাৰীক হেয় কৰিবলৈকে আমাৰ সমাজত সঘনাই এযাৰি প্ৰবচন ব্যৱহাৰ কৰা দেখা যায়— "লাও যিমানেই ডাঙৰ নহওক, সদায় পাতৰ তল"। এই প্ৰবচনটো ব্যৱহাৰ কৰা সকলক আমি সোধা উচিত লাও নাথাকিলে কেৱল পাতখিনিৰে সৈতে লাওজোপাৰ জানো মূল্য থাকে?

আমাৰ নাৰী সমাজে স্বাধীনতা পাবলৈ হ'লে তেওঁলোক সচেতন হোৱা অতি প্ৰয়োজন। আৰু এই সচেতনতা বৃদ্ধিৰ বাবে শিক্ষা অপৰিহাৰ্য। পুৰুষৰ তুলনাত নাৰীৰ সাক্ষৰতাৰ হাৰ কম যদিও বৰ্তমান সময়ত নাৰীৰ সাক্ষৰতাৰ হাৰ বৃদ্ধি পাইছে। ই দেশৰ বাবে এক শুভ লক্ষণ। চৰকাৰে স্ত্ৰী শিক্ষা সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। আমাৰ অসম চৰকাৰেও এই ক্ষেত্ৰত বহুতো প্ৰশংসনীয় পদক্ষেপ হাতত লৈছে।

'অৰ্ধাংগিনী' শব্দৰ ব্যাখ্যা কৰিবলৈ গৈ কেৱল পুৰুষ সমাজক সমালোচনা কৰি লেখাটো সামৰিলে নিশ্চয় ভুল হ'ব। আমাৰ সমাজত এনে বহুতো পুৰুষ আছে, যিসকলে নিজৰ পত্নীগৰাকী কেৱল ঘৰৰ ভিতৰতে, ঘৰুৱা কাম কাজ কৰি ব্যস্ত হৈ থকাটো নিবিচাৰে। তেওঁলোকে নাৰীক স্বাধীনতা আৰু মৰ্যদা দিব বিচাৰে। ইয়াৰ বিপৰীতে আমাৰ সমাজত এনে নাৰীৰো অভাৱ নাই যিসকলে এইটো নাপায়, সেইটো নাপায় আদি কথাতে ব্যস্ত থাকে আৰু বাহিৰৰ পৃথিৱীখনতনো কি ঘটিছে তাক জনাৰ প্ৰয়োজনবোধ নকৰে। বহু সময়ত নাৰীয়ে নাৰীৰ প্ৰধান শত্ৰু দেখা যায় এগৰাকী নাৰীৰ দোষ ত্ৰুটি খুচৰাৰ ক্ষেত্ৰত আমাৰ নাৰী সমাজ যিমান আগ্ৰহী পুৰুষ সমাজ হয়তো সিমান আগ্ৰহী নহয়।

অৱশেষত ক'ব খোজো বহুতে কয় এনেধৰণৰ নাৰীবাদী লেখাসমূহে পুৰুষ আৰু মহিলাৰ মাজত এখন অঘোষিত যুদ্ধ আৰম্ভ কৰিছে। এনেধৰণৰ লেখা পঢ়ি এগৰাকী নাৰীয়ে এজন পুৰুষৰ মাজত কেৱল ঘোৰ শত্ৰু এজনকহে দেখা পাব। কিন্তু এই ধাৰণা সত্য নহয়। এনেধৰণৰ লেখাৰ জৰিয়তে, কেৱল মহিলাসকলক সচেতন কৰি দিবলৈহে বিচৰা হৈছে যাতে তেওঁলোকে নিজকে চিনি পায়। নাৰীৰ নিজৰো যে এক অস্তিত্ব আছে, তেওঁলোকৰ নিজৰো যে ভালপোৱা-বেয়াপোৱা, আশা-আকাংক্ষা আছে সেই কথা তেওঁলোকক মনত পেলাই দিবলৈ বিচৰা হৈছে। নাৰীৰ এই সচেতনতা কেৱল নাৰী সকলৰ কাৰণেই নহয় সমগ্ৰ সমাজখনৰ কাৰণেই লাভদায়ক হ'ব। কিয়নো নাৰী-পুৰুষ উভয়ৰে সহযোগিতাতহে এখন প্ৰগতিশীল সমাজ সম্ভৱপৰ। গুৰুত্বপূৰ্ণ কথাটো হ'ল নিজৰ স্থিতি, পৰিচয় মানুহে নিজেহে নিৰূপণ কৰিব পাৰে, এজনে আন এজনৰ ওপৰত বলপূৰ্বকভাৱে জাপি দিয়া পৰিচয় কেতিয়াও প্ৰকৃত পৰিচয় হ'ব নোৱাৰে। ওৰ পৰক বিভেদৰ, আমি কেতিয়াও ঐক্য, সম্প্ৰীতি, বন্ধুত্ববিহীন, নাৰী-পুৰুষৰ বিভেদ থকা পৃথিৱী কামনা নকৰো। নাৰী পুৰুষ উভয়ে বিভেদ পাহৰি 'প্ৰকৃত মানুহ' হ'বলৈ চেষ্টা কৰক, তাৰেই কামনা কৰিলো। ❖❖

● *লেখিকা ৰাজনীতি বিজ্ঞান বিভাগৰ অংশকালীন সহঃ অধ্যাপিকা*

# গাৰ্হস্থ্য বিজ্ঞান শিক্ষাত এভুমুকি

■ ড° ৰাজশ্ৰী ফুকন

সকলোৰে ভাৱে যে গৃহ পৰিচালনাৰ বিষয় সমূহ মহিলাই আগতে ঘৰতে আয়ত্ব কৰিছিল; গতিকে তাৰবাবে আনুস্থানিক শিক্ষাৰ প্ৰয়োজন কিয়? কিন্তু স্ত্ৰী শিক্ষাৰ প্ৰধান বিষয় হিচাপে গাৰ্হস্থ্য বিজ্ঞানক অৰ্ন্তভুক্ত কৰাৰ যুক্তি আছে।

গাৰ্হস্থ্য বিজ্ঞান হ'ল কলা আৰু বিজ্ঞানৰ সমন্বয়ত গঢ়ি উঠা এক ব্যৱহাৰিক শিক্ষা। এই শিক্ষাই ছাত্ৰ-ছাত্ৰী সকলক জ্ঞান বৃদ্ধি হোৱাৰ লগতে আত্মনিয়োগৰ সুযোগ দিয়ে। এই শিক্ষাৰ দ্বাৰা আহৰণ কৰা জ্ঞান, কৰ্ম-নিপুনতা, কৌশল সমূহে প্ৰত্যেক গৰাকী ছাত্ৰ-ছাত্ৰীকে একোগৰাকী সফল উদ্যোগী হোৱাত যথেষ্ট সহায় কৰে। অৰ্থাৎ এই শিক্ষা লাভ কৰি এগৰাকী ছাত্ৰ-ছাত্ৰীয়ে স্ব-নিয়োজনৰ দ্বাৰা সমাজত নিজকে প্ৰতিষ্ঠা কৰিব পৰাৰ যথেষ্ট স্থল আছে।



বহু শতাব্দীৰ আগতে মনুসংহিতাত আমাৰ দেশৰ বালিকা সকলক বিবাহৰ প্ৰস্তুতি হিচাপে চৌষষ্ঠি কলাৰ শিক্ষা দিয়াৰ নিৰ্দেশ আছিল। ইয়াৰ পৰা বুজা যায় যে আমাৰ দেশত গাৰ্হস্থ্য বিজ্ঞানৰ গুৰুত্ব তেতিয়াও আছিল। আনহাতে প্ৰাচ্যৰ দেশ সমূহত গাৰ্হস্থ্য বিজ্ঞান শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে গুৰুত্ব সহকাৰে বিবেচনা কৰা হয় ১৯৫৬ চনত। সন্মিলিত জাতি সংঘ (UNO) আৰু খাদ্য কৃষি সংস্থাৰ (FAO) উদ্যোগত টকিঅ' চহৰত সেইবছৰতে এখন গাৰ্হস্থ্য বিজ্ঞান সন্মিলন হয় য'ত জাপান, কোৰিয়া, আইলেণ্ড, মালয়েছিয়া, ভিয়েটনাম, ফিলিপাইন, হাওৱাই, ভাৰত আদি বিভিন্ন দেশে অংশগ্ৰহণ কৰে। এই সন্মিলনৰ মূখ্য উদ্দেশ্য আছিল গাৰ্হস্থ্য বিজ্ঞানক জনপ্ৰিয় কৰা আৰু গাৰ্হস্থ্য তত্বক বিজ্ঞানৰ স্তৰলৈ উন্নীত কৰা এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব পাৰি যে আমেৰিকাৰ গৃহ অৰ্থনীতিবিদ ড° এলেন. এইচ. ৰিচাৰ্ডছে (Dr. Elen H. Richards) গাৰ্হস্থ্য বিজ্ঞান শিক্ষাৰ সম্পৰ্কে পৰম্পৰাৰ দ্বাৰা বাধাগ্ৰস্থ বৰ্তমান এটা আদৰ্শবান সুস্থ পাৰিবাৰিক জীৱন প্ৰতিষ্ঠা, বস্তুবাদ প্ৰাধান্যৰ আতিশয্যৰ পৰা গৃহক মুক্তি কৰি আদৰ্শনিষ্ঠ কৰি তোলা, বৰ্তমান আধুনিক বিজ্ঞানৰ বিভিন্ন সম্পদসমূহৰ সু-ব্যৱহাৰৰ দ্বাৰা পাৰিবাৰিক জীৱনৰ মানদণ্ড উন্নত কৰা, বস্তুবাদী পাৰিপাৰ্শ্বিকতা সবল কৰি সমাজৰ অন্যান্য মূল্যবান আৰু স্থায়ী কামত ব্যক্তিক আত্মনিয়োগৰ সুযোগ দিয়া আদি।

বিচাৰ্যৰ বিষয় এইয়ে যে আনুষ্ঠানিক ভাৱে গাৰ্হস্থ্য বিজ্ঞান শিক্ষাৰ প্ৰচাৰত অনেকে আজিও সন্দেহ পোষণ কৰি আহিছে। সকলোৰে ভাৱে যে গৃহ পৰিচালনাৰ বিষয় সমূহ মহিলাই আগতে ঘৰতে আয়ত্ব কৰিছিল; গতিকে তাৰবাবে আনুস্থানিক শিক্ষাৰ প্ৰয়োজন কিয়? কিন্তু স্ত্ৰী শিক্ষাৰ প্ৰধান বিষয় হিচাপে গাৰ্হস্থ্য বিজ্ঞানক অৰ্ন্তভুক্ত কৰাৰ যুক্তি আছে। কিয়নো সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তনৰ লগতে বিজ্ঞানৰ অগ্ৰগতিয়ে পাৰিবাৰিক জীৱনত বিভিন্ন দিশত প্ৰভাৱ পেলাইছে। প্ৰগতিৰ নামত মানুহ যিমানেই আগবাঢ়িছে সিমানেই সামাজিক মূল্যসমূহৰ (social

values) গাঁথনি যেন সোলোক ঢোলোক হৈছে। আগৰদৰে এই সামাজিক মূল্য সমূহে সমগ্ৰ পৰিয়ালটোকে এক গোট কৰি বান্ধি ৰাখিব নোৱাৰা হৈছে। আধুনিক সমাজৰ এই বিপুল পৰিবৰ্ত্তনৰ মাজতো যাতে পৰিয়ালৰ আবেগিক বান্ধোন নিঃচিহ্ন হৈ নাযায় তালৈ চকু দিয়াটো ঘৰখনৰ মহিলাগৰাকীৰ কৰ্তব্য। যিহেতু গৃহিণী গৰাকী পৰিয়ালৰ মেৰুদণ্ড, সাৰ্ব ওপৰত কেন্দ্ৰ কৰি পাৰিবাৰিক চক্ৰ ঘূৰে, তাক সু-শিক্ষাৰে উপযুক্ত ৰূপে গঢ় দিয়াটো সমাজৰো কৰ্তব্য আৰু গাৰ্হস্থ্য বিজ্ঞান শিক্ষাত ইয়াৰ ক্ৰটি কৰা নাই।

এতিয়া আহোঁ গাৰ্হস্থ্য বিজ্ঞানৰ স্নাতকত কেনেধৰণৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হয় তাৰো চমু আভাস। সাধাৰণ ভাৱে কবলৈ গ'লে গাৰ্হস্থ্য বিজ্ঞানে এজন লোকৰ সকলো দিশৰ বিকাশতে প্ৰভাৱ পেলায়। এই শিক্ষাৰ পৰিসৰে বিস্তৃত পাঁচটা বিভিন্ন দিশ সাঙুৰি লৈছে, সেইয়া হ'ল খাদ্য আৰু পুষ্টি (Food and Nutrition), আঁহ আৰু বস্ত্ৰ (Textile and clothing), মানৱ বিকাশ (Human Development), পৰিয়াল সম্পদ পৰিচালনা (Family Resource Management) আৰু সম্প্ৰসাৰণ শিক্ষা Extension Education)

খাদ্য আৰু পুষ্টি বিভাগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক উপযুক্ত খাদ্য নিৰ্বাচন, বিভিন্ন ধৰণৰ খাদ্যত থকা খাদ্য উপাদান, খাদ্যৰ শ্ৰেণী বিভাজন, খাদ্য সংৰক্ষণ, খাদ্য সম্পৰ্কে স্বাস্থ্য বিধি, খাদ্য ৰন্ধনৰ পদ্ধতি সমূহ, ৰন্ধনৰ ফলত হোৱা পৰিপোষকৰ অপচয় আৰু তেনে অপচয় প্ৰতিৰোধ কৰা উপায় সমূহ, খাদ্য পৰিকল্পনা, Nutritional status, Community Nutrition, Food Adultration, Recommendary Dietory Allowances (RDA) and dietary guidance, balanced diet, Diet therapy, Nutritional deficiency diseases, Dieteties and Dietary management আদিৰ বিষয়ে শিক্ষা দিয়া হয়।

আহঁ আৰু বস্ত্ৰ বিভাগৰ জৰিয়তে বিভিন্ন ধৰণৰ আহঁৰ বিষয়ে অধ্যয়ন, আহঁৰ চিনাক্তকৰণ, বস্ত্ৰ প্ৰস্তুতকৰণৰ পদ্ধতি, বস্ত্ৰ আৰু আহঁৰ যতন, বয়ন আহঁৰ ধৰ্ম, কাপোৰৰ যতন, পূৰ্ণকৰণ পদ্ধতি (Finishing process), Applied Textile Designing, Computer added dress designing, Dyeing and printing, Aesthetic in dress, ঋতুভেদে কাপোৰৰ সংৰক্ষণ, কাপোৰৰ ওপৰত অম্ল আৰু ক্ষাৰৰ প্ৰভাৱ আদিৰ বিষয়ে অধ্যয়ন কৰা হয়।

মানৱবিকাশ শাখাৰ মানৱ জীৱনৰ বিভিন্ন স্তৰ, এইবোৰৰ বিশেষত্ব, বিভিন্ন দিশৰ বিকাশ, Early childhood education, Pre and post natal development and care, old age, children with special needs, child with mental retardation আদি বিভিন্ন দিশ সাধুৰি লোৱা হৈছে।

পৰিয়াল সম্পদ পৰিচালনা বিভাগত বিভিন্ন ধৰণৰ সম্পদ পৰিচালনা, ব্যৱহাৰ, সুপৰিকল্পিত ভাৱে ঘৰৰ বিভিন্ন কাম কাজ পৰিচালনা কৰা, সময় আৰু শক্তি পৰিকল্পনা, Housing and Interior decoration আদিৰ বিষয়ে শিক্ষা দিয়া হয়।

সম্প্ৰসাৰণ শিক্ষা শাখাৰ দ্বাৰা গাওঁ অঞ্চলৰ লোকক বিভিন্ন ধৰণৰ শিক্ষা সঁজুলিৰ ব্যৱহাৰৰ যোগেদি খাদ্য, পুষ্টি, স্বাস্থ্য, শিশুৰ যতন, সম্পদৰ সুব্যৱহাৰ, সাজ পোছাকৰ যতন আদিৰ দিশত বাস্তৱ শিক্ষা দিয়া হয়। যাৰ দ্বাৰা তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হয়। তাৰোপৰি গাৰ্হস্থ্য বিজ্ঞানৰ প্ৰয়োজনীয়াত, Population education, Sex education, extension programme planning, adult education আদিৰো শিক্ষা দিয়া হয়।

সদৌ শেষত গৃহ বিজ্ঞান শিক্ষাৰ লগত জড়িত বিভিন্ন কৰ্ম সংস্থান সমূহ হৈছে বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, গৱেষণাগাৰ, পলিটেকনিক, হোটেল মেনেজমেণ্ট প্ৰতিষ্ঠান আদিত শিক্ষকতা কৰা; হস্পিতাল, নাৰ্ছিং হোম, চিকিৎসা মহাবিদ্যালয়, হেলথ্ ক্লাৱ, অতিথিশালা আদিত খাদ্য বিশেষজ্ঞ (Dieticin); গৃহ, হোটেল, অতিথিশালা, কোম্পানীৰ কাৰ্যালয় আদিত গৃহসজ্জা কৰা লোক (Interior decoration); Fashion designer; বেকাৰী উদ্যোগ, খাদ্য সেৱা প্ৰতিষ্ঠান আদিত নিয়োগ; শিশু আৰু পৰিয়াল কল্যাণ প্ৰতিষ্ঠানত নিয়োগৰ সুবিধা; শিশুৰ উমলা ঘৰ (Creche) নিজাকৈ খুলিব পৰা; ভাৰতীয় শিশু কল্যাণ পৰিষদৰ অধীনত অংগনবাদী কেন্দ্ৰ, সংহত শিশু বিকাশ প্ৰকল্প আদিত প্ৰশিক্ষিতা (Supervisor), প্ৰকল্প বিষয়া (C.D.P.O) হিচাপে নিযুক্তি পাব পাৰি; স্বাস্থ্য বিভাগত কাৰিকৰী বিশেষজ্ঞা, ৰাষ্ট্ৰীয় গ্ৰামীন স্বাস্থ্য অভিযানত প্ৰকল্প বিষয়া, সৰ্বশিক্ষা অভিযানত সমল ব্যক্তি হিচাপে নিযুক্তিৰ সুবিধা আছে। ইতিমধ্যে উল্লেখিত অনুস্থান প্ৰতিষ্ঠান সমূহত গাৰ্হস্থ্য বিজ্ঞান স্নাতক আৰু স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীসকলে সেৱা আগবঢ়াই আহিছে।

গতিকে উপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে গাৰ্হস্থ্য বিজ্ঞান শিক্ষাই পৰিয়ালৰ প্ৰত্যেকজন লোকৰে মানৱ সম্পদৰ বিকাশ ঘটোৱাৰ লগতে পৰিয়ালৰ সকলো সদস্যই সুখী আৰু কৰ্মমুখী পাৰিবাৰিক জীৱন যাপন কৰাত যথেষ্ট পৰিমানে অৰিহণা যোগায়।❖❖

● *লেখিকা গাৰ্হস্থ্য বিজ্ঞান বিভাগ সহকাৰী অধ্যাপিকা*

# গ্ৰন্থাগাৰ



■ সঙ্গীতা দাস বৰুৱা

গ্ৰন্থাগাৰ হ'ল এখন সভ্য সমাজৰ এটা অনুষ্ঠানৰ হৃদপিণ্ড স্বৰূপ। ই এটা উদ্যমশীল, গতিশীল শক্তি, যি পৃথিৱীৰ চুকে-কোণে সিঁচৰতি হৈ থকা প্ৰত্যেকজন ব্যক্তিৰ ব্যক্তিত্ব গঢ়াত সহায় কৰে।

জ্ঞান অবিহনে মানৱ জীৱন মূল্যহীন। এটা জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰে সেই দেশৰ জনসাধাৰণৰ শিক্ষা-দীক্ষা, মানসিক চিন্তাধাৰাৰ ওপৰত, তাৰ বাবে এটা গ্ৰন্থাগাৰৰ প্ৰয়োজন। গ্ৰন্থাগাৰ এটা ভৱিষ্যত বংশধৰ সকলৰ লাইখুটা স্বৰূপ।

মানুহৰ সভ্যতা-সংস্কৃতিৰ বুৰঞ্জীত আখৰৰ আৱিষ্কাৰ, পৰ্বতৰ প্ৰকাণ্ড প্ৰকাণ্ড শিল আৰু গুহাৰ বেৰ আৰু জন্তুৰ শুকান ছালত আখৰ কটা, প্ৰাকৃতিক ভাৱে তৈয়াৰী চিয়াহীৰে ভিন্-ভিন্ গছৰ বাকলিত আখৰ লিখা, কালক্ৰমত বিশেষ পদ্ধতিৰে প্ৰস্তুত কৰা পেপিৰাচত আখৰৰ প্ৰয়োগ কৰা, ছপাযন্ত্ৰৰ সহায়ত কম সময়ত আৰু সেই অনুপাতে অলপীয়া কষ্টত একোখন গ্ৰন্থৰ হাজাৰ হাজাৰ প্ৰতিলিপি মুদ্ৰণ যন্ত্ৰৰ সহায়ত ছপা কৰাৰ যি ব্যৱস্থা হ'ল-- বিজ্ঞানৰ যুগত লেখত লবলগীয়া আৱিষ্কাৰ বিলাকৰ ভিতৰত ইয়ো এটা চমকপ্ৰদ সাফল্য।

এনেকৈ হাতে লিখাই হওঁক, ছপা কৰাই হওঁক, মানুহে নিজৰ চিন্তা-আদৰ্শ, কল্পনা আদি লিপিবদ্ধ কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে মানুহৰ সভ্যতা-সংস্কৃতিৰ উত্তৰণ ঘটিবলৈ ধৰিলে। এই ধৰণৰ উত্তৰণৰ ফলত কৌটি-কৌটি গ্ৰন্থৰ বা পুথিৰ সৃষ্টি কৰিলে আৰু এতিয়াও নতুন নতুন গ্ৰন্থৰ সৃষ্টি হৈয়ে আছে। অৰ্থাৎ গ্ৰন্থ এখন সৃষ্টি মানেই ইয়াৰ অধ্যয়ন আৰু বিভিন্ন গ্ৰন্থ অধ্যয়ন মানেই বিভিন্ন জ্ঞান আহৰণৰ এটা নতুন পদ্ধতি বা ৰাস্তা ওলোৱা।

পূৰ্বতে পুথিভঁৰাল বুলিলে সাধাৰণতে বুজা যায় যে-পুথিভঁৰালত বিভিন্ন পুথি সংগ্ৰহ আৰু ৰুচি অনুযায়ী পঢ়ুৱৈক কিতাপ-পত্ৰ আদি যোগান ধৰি সেৱা আগবঢ়োৱা। কুৰি শতিকাৰ আগভাগলৈকে বিভিন্ন দেশত থকা গ্ৰন্থাগাৰবোৰৰো কাম-কাজবিলাক সীমিত হৈ আছিল। কিন্তু কুৰি শতিকাৰ আৰম্ভণিৰ পৰাই স্বামী ৰঙ্গনাথন আৰু তেখেতৰ সমসাময়িক ব্যক্তিত্ব পূৰ্ণ লোকৰ প্ৰচেষ্টাৰ ফলতেই পূৰ্বৰ পুথিভঁৰাল বিলাকে বিস্তৃতি আৰু বৈজ্ঞানিক পদ্ধতিত প্ৰতিষ্ঠিত হবলৈ সক্ষম হয়। এই প্ৰসংগত বিশ্বৰ কিছুমান অতি নামধাৰী গ্ৰন্থাগাৰৰ নাম উল্লেখ কৰিব পাৰি। যেনে--Moscow State Lenin Library, British Library of Congress, Calcutta National Library, Madras Library ইত্যাদি। এই গ্ৰন্থাগাৰ বিলাক আধুনিক প্ৰযুক্তিবিদ্যাৰে সু-সজ্জিত অতি উচ্চমানৰ গ্ৰন্থাগাৰ। বৰ্তমানৰ প্ৰযুক্তিবিদ্যাৰ জোৰত নতুন নতুন Digital Library য়ে প্ৰসাৰ লাভ কৰিছে, য'ত আধুনিক প্ৰযুক্তিবিদ্যাৰ দ্বাৰা কিতাপ পত্ৰ, Journal, Magazine আদি পঢ়াৰ চোৱাৰ



সুবিধা আছে অৰ্থাৎ এই গ্ৰন্থাগাৰবোৰত কাগজৰ ব্যৱহাৰ বহুত কম বুলিব পাৰি। আধুনিক প্ৰযুক্তিবিদ্যাৰ যিমানেই সুবিধা নাথাকক মানুহৰ জীৱনৰ আৰম্ভণিতে বৰ্ণমালাৰ পৰিচয় কিতাপৰ দ্বাৰাহে যে হয় তাক নুই কৰিব নোৱাৰি। London, America আদি উন্নত দেশত Digital Library ৰ বহুত সুবিধা আছে।

বৰ্তমান যুগত গ্ৰন্থাগাৰ আন্দোলন প্ৰতিখন দেশতে সম্প্ৰসাৰিত হৈ আহিছে আৰু ইয়াৰ ফলত ভাৰতকে ধৰি প্ৰত্যেকখন দেশৰ ৰাজ্যিক, জিলা, মহকুমা ভিত্তিক আৰু ঠিক তেনেকৈয়ে বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু প্ৰায়বিলাক বিদ্যালয়তে সৰু-বৰ বিভিন্ন ধৰণৰ পুথিভঁৰাল পৰিচালিত হৈ আহিছে আৰু ইয়াৰ পৰাই ছাত্ৰ-ছাত্ৰী, শিক্ষক, চিকিৎসক, অভিযন্তা, গৱেষকসকল আৰু সাধাৰণ পঢ়ুৱৈসকল উপকৃত হৈ আহিছে। কিন্তু এই পুথিভঁৰালবিলাকে যোগান ধৰা সেৱা এতিয়াও অতি সীমিত অৱস্থাত আছে বুলিয়েই ক'ব পৰা যায়।

বৰ্তমান যুগত আধুনিক গ্ৰন্থাগাৰবিলাকৰ কাম-কাজবিলাক বিভিন্ন ধৰণৰ। এই কাম-কাজবিলাকৰ ভিতৰত পূৰ্বৰ পৰা চলি অহা কাৰ্যবিলাক, যেনে-পঢ়ুৱৈক কিতাপ-পত্ৰ যোগান ধৰা, বিভিন্ন খবৰ-বাতৰি সংগ্ৰহ কৰি যোগান ধৰা ইত্যাদি এতিয়াও প্ৰধান কাম হিচাপেই চলি আছে। এই কাম-কাজবিলাকৰ উপৰিও বৰ্তমান যুগত বহুত গ্ৰন্থাগাৰে Internetৰ যোগেদি গ্ৰন্থাগাৰৰ Resource Sharing কৰিব পৰা হৈছে। বহুত গ্ৰন্থাগাৰে Computer ৰ বিভিন্ন software ৰ যোগেদি Cataloguing, Indexing আদি কামবোৰো কৰিবলৈ লৈছে। DDC ব্যৱহাৰ যাতে Software ৰ দ্বাৰাও কৰিব পাৰে তাৰো চেষ্টা কৰা হৈছে।

বিভিন্ন ঠাইৰ, বিভিন্ন দেশৰ গ্ৰন্থাগাৰ বিলাকে কিশোৰ-কিশোৰী, যুৱক-যুৱতীসকলৰ শাৰীৰিক-মানসিক তথা বৌদ্ধিক দিশৰ উৎকৰ্ষ সাধনৰ লগতে অন্যান্য সামাজিক, অৰ্থনৈতিক, উন্নয়নমূলক আঁচনিও কাৰ্যকৰী কৰিবলৈ লৈছে। পুথিভঁৰালৰ জৰিয়তে সাহিত্য-চৰা গঠন, পঢ়ুৱৈ চ'ৰা গঠন, ক্ৰীড়া-চৰ্চা, সংগীত চৰ্চা, আকস্মিক বক্তৃতা, একক অভিনয়, ৰচনা প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা লগতে সংগীত, কবিতা আবৃত্তি, কবি সন্মিলন, একাংক নাট প্ৰতিযোগিতা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি আহিছে। পুথিভঁৰালৰ জৰিয়তে বৃক্ষৰোপন, পথ মেৰামতি, চাফাই অভিযান আদিতো গুৰুত্ব প্ৰদান কৰি অহা হৈছে।

বৰ্তমান যুগত বিভিন্ন খবৰ-বাতৰি, কাগজৰ ৰূপত আৰু Internet যোগেদি যোগান ধৰা, জ্ঞান বৃদ্ধি কৰা, গৱেষণাগাৰৰ সকলো তথ্য প্ৰয়োজন অনুসৰি আৰু বিচৰামতে যোগান ধৰা কামবিলাকক সম্পূৰ্ণ কৰিবৰ বাবে বৰ্তমান যুগত গ্ৰন্থাগাৰবিলাক সকলো সময়তে সক্ষম হৈ থাকিব লগা হয়। বৰ্তমান মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত "NAAC" ৰ পৰিদৰ্শনো এক উল্লেখযোগ্য দিশ। যাৰবাবে পুথিভঁৰালবিলাকেও উন্নতিৰ দিশত আগুৱাবলৈ সুযোগ ল'ব পাৰিছে। বৰ্তমান গ্ৰন্থাগাৰবিলাকত- Microform, Audio Tape Recording, Motion Picture Film, CC T.V., Intercom Phone, Electronic Media হিচাপে CD-ROM, Worm, Floppy আদিৰ লগতে EDUSAT, SOUL, CDS-ISIS আদিৰ লগতে নতুন নতুন Software, Technology ব্যৱহাৰ কৰা হয়।

বৰ্তমান উল্লেখ কৰা কথাখিনি আধুনিক গ্ৰন্থাগাৰ সন্দৰ্ভতহে কোৱা হৈছে। আধুনিক গ্ৰন্থাগাৰ বুলিলে যিবিলাক সা-সুবিধাৰ প্ৰয়োজন হয় সেই সুবিধাবিলাক যোগান ধৰিবৰ বাবে বৃহৎ পৰিমাণৰ ধনৰো প্ৰয়োজন হয়। এইক্ষেত্ৰত ভাৰতত ৰাজ্যিক চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে বিশ্ববিদ্যালয় অনুদান আয়োগ

অৰ্থাৎ U.G.C. ৰ যোগেদি কিছু পৰিমাণৰ ধন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় বিলাকলৈ যোগান ধৰি আহিছে। কিন্তু Computer ক্রয় কৰা, Internet স্থাপন কৰা, নতুন ধৰণৰ software ব্যৱহাৰ কৰা, বিভিন্ন ধৰণৰ আহিলা পাতি যেনে- Desk-Banch, Almirah খোৱা পানীৰ ব্যৱস্থা কৰা, Toilet ৰ ব্যৱস্থা কৰা, Light, Fan ৰ ব্যৱস্থা কৰা, কিতাপ পত্ৰ, Magazine, Journal আদি সংগ্ৰহ কৰিবলৈ এই ধন যথেষ্ট নোহোৱাৰ বাবে এই গ্ৰন্থাগাৰবিলাক সম্পূৰ্ণ আধুনিকীকৰণ কৰিব পৰা নাই।

ইয়াৰ উপৰিও প্ৰতিটো গ্ৰন্থাগাৰতে অভিজ্ঞতা সম্পন্ন মানৱ সম্পদৰো প্ৰয়োজন হয়। A library or information centre being in the service sector completely depends on human resources. Employees of library are directly concerned with production of information in which human resource play a very vital and dominent role as an important factor of production. All the roots of information service may be found only in the effective and competant utilisation of human resources.

Resource in information relate to something or someone that is used for acquiring information on particular subject, someone's ability or capability is the human resource that helps solution of problems quickly, efficiently and with initiative. The ability or capability is born of or increase by special knowledge.

The fundamental objective of every library is to provide satisfectory service, to its users. To fulfil this subjective all the personnel of library should make a co-operative effort. If the motto (মূলমন্ত্ৰ) of library personnel. is "who care" (অৰ্থাৎ কাকো গণ্য নকৰো) nothing good can be expected of such library. On the other hand, if the motto is 'we care and we care much' অৰ্থাৎ বেছিকৈ গ্ৰন্থাগাৰৰ পঢুৱৈসকল আৰু সংগৃহিত বস্তুবিলাকৰ যত্ন লওঁ বা গণ্য কৰো- - The reputation of the Library will definately go-up and every user of such library will be able to get satisfaction to the best.

বৰ্তমান বিস্তৃত বৈজ্ঞানিক চৰ্চা গৱেষণাৰ যুগত গ্ৰন্থাগাৰৰ ভূমিকা আৰু ইয়াৰ বিজ্ঞানসন্মত প্ৰণালীবদ্ধ পৰিচালনাৰ প্ৰয়োজনীয়তা অসীম। এই প্ৰয়োজন পুৰাবলৈকে বৰ্তমান চৰকাৰী (ৰাজ্যিক) গ্ৰন্থাগাৰৰ লগতে সকলো শিক্ষানুষ্ঠানত অৰ্থাৎ মহাবিদ্যালয়, বিশ্ববিদ্যালয় বিলাকত বিশেষভাৱে শিক্ষিত লোককহে গ্ৰন্থাগাৰিক হিচাপে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। বিশ্ববিদ্যালয়ে গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞানৰ (Library and Information Science) স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰি উপযুক্ত অৰ্হতাসম্পন্ন গ্ৰন্থাগাৰিক সৃষ্টি কৰিছে আৰু ৰাজ্যৰ প্ৰায়বোৰ মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত এই গ্ৰন্থাগাৰিক নিযুক্তি হৈ আহিছে। ৰাজ্যখনৰ গাঁৱে-ভূঞে সিঁচৰতি হৈ থকা বিভিন্ন গ্ৰন্থাগাৰ আৰু মহাবিদ্যালয়সমূহৰ যোগেদি ইয়াৰ শৈক্ষিক আৰু বৌদ্ধিক বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত অনুষ্ঠানবোৰৰ লগতে গ্ৰন্থাগাৰ আৰু গ্ৰন্থাগাৰিকসকলৰো নিজস্ব বহুত দায়িত্ব আৰু কৰ্তব্য আছে বুলি আমি অনুভৱ কৰো।

চৰকাৰীভাৱে স্থাপন কৰা জিলা ভিত্তিক গ্ৰন্থাগাৰবোৰ বিশেষকৈ অসমত যথেষ্ট পিচপৰি আছে। গাঁৱে-ভূঞে শিক্ষাৰ প্ৰসাৰৰ বাবে বিভিন্ন শিক্ষানুষ্ঠানত থকা গ্ৰন্থাগাৰবোৰৰ আধুনিকীকৰণ কৰাৰ ব্যৱস্থা হাতত লোৱাটো অতি প্ৰয়োজন হৈ পৰিছে।

গ্ৰন্থাগাৰত থকা কিতাপ-পত্ৰ, প্ৰবন্ধ-পাতি, আলোচনী আদি একোজন জীৱিত বা মৃত ব্যক্তিৰ জীৱনজোৰা সাধনাৰ ফল। তেখেত সকল আমাৰ নমস্য গুৰু স্থানীয় ব্যক্তি, মৰমৰ কোনোবা আত্মীয়ও যেতিয়া তেখেতসকলৰ কিতাপ-পত্ৰ বিলাকো আমাৰ বাবে অতি আদৰৰ তেখেতসকল সোঁ-শৰীৰে উপস্থিত নাথাকিলেও সেই লিখিত আখৰবোৰে আমাক ভৱিষ্যতৰ পদক্ষেপতে প্ৰেৰণা দিয়ে। Library collections are described as "Instructor of Instructors." অৰ্থাৎ গ্ৰন্থাগাৰৰ collection of Antique piece, Museum, computer-internet আদিক Instructor of Intructors বুলি কোৱা হয়। কাৰণ এই গ্ৰন্থাগাৰৰ collections বোৰেও এজন প্ৰশিক্ষক বা Instructor এজনৰ দৰেই কাম কৰে অৰ্থাৎ সকলো ধৰণৰ পঢুৱৈয়ে এই প্ৰশিক্ষক বা Instructor বোৰৰ পৰাই জ্ঞান আহৰণ কৰে। এই collection বোৰকেই "নীৰৱ প্ৰশিক্ষক" বুলি কোৱা হয়। অৰ্থাৎ Library collections are "inanimated objects but they act as living organisms and quite capable of giving education to people. Not only they are different kinds but also can provide different types of knowledge on different subject fields. These collections helps the student and research scholar as instructor and are capable to provide necessary instructions.

মনত ৰাখিবলগীয়া কথা যে- ছপাযন্ত্ৰৰ বহুত আগতেই গ্ৰন্থাগাৰৰ জন্ম হৈছিল। হাতে লিখা পুথি আৰু আদিম মানুহে ব্যৱহাৰ কৰা বিভিন্ন চিহ্ন, লিখনি আদি থ'বলৈকে ভঁৰালৰ ব্যৱহাৰ হৈছিল। প্ৰাচীন নালন্দা বিশ্ববিদ্যালয়ৰ বিখ্যাত পুথিভঁৰালত যথেষ্ট সংখ্যক হাতে লিখা পুথি পোৱা যায়। তেনেকৈ সত্ৰ, গাঁৱৰ নামঘৰ, পুৰণি ব্যক্তিগত লোকৰ থোৱা

pঢ়ালোক। শিক্ষা যদিও আধুনিক জীৱনৰ প্ৰথম আৰু প্ৰধান খোজ কিন্তু চাহ বাগিছাত শিক্ষা হ'ল মেনেজমেণ্টৰ পৰা শ্ৰমিক-নেতালৈকে এক উপৰুৱা সাধাৰণ কথা, চৰকাৰী দায়বদ্ধতা গা-এৰা দিবলৈকে মাত্ৰ প্ৰাথমিক শিক্ষাৰ দায়িত্বহে বাগিছাৰ মালিক পক্ষৰ হাতত তুলি দিয়া হৈছে। শিৱসাগৰ জিলাৰ প্ৰায়বিলাক চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় সমূহ নিজ হাতলৈ চৰকাৰে পৰোক্ষমূলক হিচাপে নিলেও বিশেষ প্ৰভাৱ পেলাব পৰা নাই।

আজি প্ৰায় ১৩-১৪ বছৰ পাৰহে গ'ল যদিও সৰ্বশিক্ষা আঁচনিয়ে এতিয়াও প্ৰায় ২ লাখৰ ওপৰৰ শিশুক বিদ্যালয়ৰ মুখ দেখুৱাব পৰা নাই। অৰ্থাৎ এই অভিযানে ৰাজ্যৰ সকলো শিশুকে সামৰি ল'ব পৰা নাই। ৰাজ্যত শিক্ষাৰ অধিকাৰ আইন প্ৰচলিত হোৱাৰ পিছতো সৰ্বশিক্ষা অভিযানে বিদ্যালয়ৰ মুখ দেখুৱাবলৈ সক্ষম নোহোৱা এই বৃহৎ সংখ্যক শিশুক সামৰি ল'ব নোৱাৰাটো স্বাভাৱিকতেই এক ৰহস্যজনক ঘটনা, দৈনিক প্ৰচাৰিত বাতৰি কাকত "অসমীয়া প্ৰতিদিন"ৰ ২৫ চেপ্তেম্বৰ, ২০১১ ৰ তথ্যমতে অন্যান্য জিলাৰ লগতে শিৱসাগৰ জিলাতো তেনে ৩,৬২১টা শিশুও আছে। লক্ষণীয় বিষয়টো হ'ল- প্ৰতি বছৰে সৰ্বশিক্ষা অভিযানৰ নামত ব্যয় কৰা ধনৰ পৰিমানো কম নহয়!!!

চৰকাৰে শিক্ষাক কঠোৰ হাতেৰে বাধ্যতামূলক নকৰালৈকে, আইনৰ শাস্তিমূলক ব্যৱস্থা নোলোৱালৈকে আৰু মেনেজমেণ্ট নিয়োগৰ ক্ষেত্ৰত শিক্ষাগত অৰ্হতা বান্ধি নিদিয়ালৈকে চাহ বাগিছাৰ লগতে অন্যান্য পিছপৰা অশিক্ষিত মানুহে শিক্ষাৰ মূল্য বুজি নাপাব। চাহ বাগিছাৰ মানুহ এক ঔদ্যোগিক আন্তঃগাঁথনি থকা অঞ্চলত বাস কৰে। এই ঔদ্যোগিক আন্তঃগাঁথনিসমূহ যদি শিক্ষাৰ পৰিৱেশ গঠনত, সহযোগী পুথিভঁৰাল প্ৰতিষ্ঠা, সাহিত্য-চৰ্চা আদিত লগোৱা হয় নিশ্চয় চাহ বাগিছাৰ সমাজখনৰ পৰা বহুত বহুত প্ৰতিভা বিকশিত হৈ উঠিব। কেৱল নিৰ্বাচনৰ সময়তে ভোট বিচাৰি চাহ বাগিছালৈ নগৈ নিজকে শিক্ষিত বুলি ভবা সামাজিক সংগঠনসমূহে শিক্ষা-দীক্ষাত পিচপৰি থকা বৃহৎ চাহ জনগোষ্ঠীৰ মাজলৈ গৈ পুথিভঁৰাল প্ৰতিষ্ঠা, সাহিত্য-সংস্কৃতিৰ সংগঠন আদিৰ যোগেদি আগবাঢ়ি যোৱাত দৃঢ়পদক্ষেপ ল'ব পাৰে।

আমি যদি অকল পুথিভঁৰালৰ কথা আলোচনা নকৰি অকল গ্ৰন্থ বা পুথিৰ বিষয়ে লিখিবলৈ লওঁ তেন্তে আমাৰ অৱস্থাটো কি হ'ব বাৰু ভাবি চাইছানে? কাৰণ বিভিন্ন ভাষাত যেনে- ইংৰাজী, অসমীয়া, বঙালী, হিন্দী, তামিল, তেলেগু, মালায়ালম, মণিপুৰী ইত্যাদি ইত্যাদি ভাষাত সাহিত্য, উপন্যাস, কবিতাপুথি, শিক্ষানুষ্ঠানৰ উপযোগী গ্ৰন্থ, আলোচনী, ধৰ্মীয় পুথি ইত্যাদি কৰি যিমান কিতাপ প্ৰতিদিনে সৃষ্টি হৈছে সেই কোটি কোটি গ্ৰন্থৰ অকল নামটো লিখিবলৈ লওঁতেই বহুত বহুত সময় পাৰ হৈ যাব। বাকী আলোচনা-সমালোচনা, অধ্যয়ন ইত্যাদি বিলাক বাদেই দিছো বাৰু।

গ্ৰন্থাগাৰৰ উন্নতি আৰু গ্ৰন্থ সৃষ্টিৰ যাত্ৰা অব্যাহত থাকক। আজিলৈ গ্ৰন্থাগাৰৰ কথা ইমানতে সামৰিছো।

"দৈনিক গ্ৰন্থ পঢ়াৰ অভ্যাস গঢ়ি তোলক"

● *লেখিকা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সহায়িকা*



ছাং, ছপা, পেটাৰীটো যথেষ্ট সংখ্যক বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ পুথি-পাজিৰ লগতে, পঞ্জিকা, মহাভাৰত, ৰামায়ণ, কীৰ্ত্তন, ভাগৱত, জ্যোতিষশাস্ত্ৰ, বেজ-ঔষধি শাস্ত্ৰ, সাঁচিপাতৰ পুথি আদিও আছিল আৰু আজিও তেনেকুৱা পুথি বিচাৰিলে এখনকৈ হ'লেও বেছিভাগ মানুহৰ ঘৰতে ওলাব বুলি ক'ব পাৰি। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেখেতসকলৰ শিৱসাগৰ ঘৰৰ গোঁসাই ঘৰত সংগৃহীত থৈ থকা তেনে পুথিৰ কথা তেখেতৰ আত্মজীৱনীত উল্লেখ কৰি গৈছে।

পুৰণি কালৰ ৰজা-মহাৰজাৰ দৰবাৰবোৰতো কবিতা, সাহিত্য, জ্যোতিষ গণনাৰ চৰ্চাও হৈছিল আৰু সেইবিলাক পুথি-পাঁজিৰ ৰূপত বিভিন্ন ধৰণেৰে সাঁচি ৰখা হৈছিল ৰজাঘৰীয়া পুথিভঁৰালত, যিবোৰৰ বেছি ভাগেই সাধাৰণ প্ৰজাৰ পৰা দূৰত ৰখা হৈছিল। বিভিন্ন ধৰণৰ পৰিব্ৰাজক, বেপাৰী, আক্ৰমণকাৰীৰ দ্বাৰাও পুথিৰ আগমন-নিগমণত সহায় হৈছিল।

এইখিনিতে আমি চাহ বাগিছাৰ সমাজখনৰ কথাও উল্লেখ কৰিব পাৰো। ইয়াৰ আশী শতাংশ লোকেই নিজৰ নাম, ঠিকনা লিখিব নজনা লোক, যি আজিৰ দিনটো দৰকাৰত আঙুলিৰ ছাপহে দিয়ে। ইয়াৰ দহভাগ প্ৰকৃতাৰ্থত শিক্ষিত আৰু বাকী দহ ভাগ অষ্টম-নৱম মানলৈকে

■ বিজয়লক্ষ্মী দাস

# ধৰ্মীয় আৰু লোকবিশ্বাসৰ প্ৰতীক আইনাম

লোক-সাহিত্য জাতীয় জীৱনৰ সামুহিক অভিব্যক্তি। কোনো এটা জাতিৰ অতীতৰ বিষয়ে অভিজ্ঞতা লাভ কৰিবলৈ সেই জাতিটোৰ ধৰ্ম-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বন, লোক-বিশ্বাস আদিৰ লগতে জাতিটোৰ মাজত আদিম যুগৰে পৰা চলি অহা গীত-পদ, প্ৰবাদ-পটন্তৰ, ফকৰা-যোজনা, সাঁথৰ, মালিতা, সাধুকথা আদি বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা হয়। লোক-সাহিত্যই জাতিৰ আশা-আকাংক্ষা, হৰ্ষ-বিষাদ, ভয়-ভক্তি, ইতিহাসৰ বুকুত বৰ্তমানৰ বিৱৰ্তনৰ আভাস দাঙি ধৰাৰ লগতে ভৱিষ্যৎ সম্পৰ্কে এক সম্যক পৰিচয় দাঙি ধৰে। আদিম মানুহে প্ৰকৃতিৰ মাজত জন্মগ্ৰহণ কৰি জীৱন ধাৰণ কৰোঁতে ব্যৱহাৰিক জীৱনত প্ৰকৃতিৰ ৰহস্যময়তাৰ জাল ভেদ কৰিব নোৱাৰি প্ৰকৃতি জগতৰ বিভিন্ন বস্তুত অলৌকিক শক্তিৰ মহিমা অনুভৱ কৰিছিল। এই সম্পৰ্কে মনস্তাত্বিক য়ুঙে কৈছিল— “আদিম আৰণ্যিক মানুহৰ অজ্ঞানতাৰ বাবেই বিবিধ দৈৱিক শক্তিৰ জন্ম হৈছিল আৰু সেই দেৱী শক্তিবোৰৰ ইচ্ছাৰ ওপৰতে মানুহৰ জীৱনৰ সুখ-দুখ, ভয় আৰু মৃত্যু নিৰ্ভৰশীল বুলি ভাবিছিল। এনে ধ্যান ধাৰণাৰ বাবেই আদিম মানৱ মনত বিশ্বাস কিছুমানৰ জন্ম হৈছিল। এনে অবৈজ্ঞানিক তথা অবাস্তৱ ধ্যান ধাৰণা জনিত বিশ্বাসৰ বাবেই স্তুতিমূলক গীতৰ সৃষ্টি হৈছিল আৰু এই গীত-মাতবোৰেই পৰৱৰ্তীকালৰ লোক-সাহিত্যৰ স্বৰূপ হৈ পৰিছিল।”

লোক-সাহিত্যৰ প্ৰধান অঙ্গ হৈছে— ‘লোকগীত’। ইংৰাজী Folk Culture-- ৰ প্ৰতিশব্দ হৈছে অসমীয়াত লোক সাহিত্য, জন সাহিত্য বা মৌলিক সাহিত্য। কিন্তু Folk Song ৰ প্ৰতিশব্দ ৰূপে লোকগীতহে ব্যৱহাৰ হয়, জনগীত বা মৌখিক গীত বোলা নহয়। যেনে- কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত।

অসমীয়া লোক সাহিত্যৰ এটা উল্লেখযোগ্য দিশ হৈছে- - লোকগীত। বিষয়বস্তুৰ ফালৰ পৰা লোকগীতক প্ৰধানকৈ তিনিটা শ্ৰেণীত আৰু ভালেমান উপশ্ৰেণীত ভাগ কৰিব পাৰি।

তান্ত্ৰিক শাক্ত ধৰ্মই সৃষ্টি কৰা মহামায়াৰ সাতভনী, ন-ভনী, বাৰ-ভনী আদি লোক বিশ্বাস আৰু পৰম্পৰাৰ সৃষ্টি। তান্ত্ৰিকতাৰ দূৰ প্ৰভাৱত উৎপন্ন হোৱা আই তুতি ঘোষা পদবিলাকত ভক্তিৰ গভীৰতা, অনুভূতিৰ তীব্ৰতা, স্বাভাৱিকতা আৰু প্ৰকাশভঙ্গীৰ অনাড়ম্বৰ গতি দেখা যায়।

(১) অনুষ্ঠানমূলক (২) আখ্যানমূলক (৩) বিবিধ বিষয়ক। অনুষ্ঠানমূলক গীতৰ অন্তৰ্গত ভক্তিপ্ৰধান বা ভক্তিমূলক গীতৰ এটা ভাগ হৈছে- “আইনাম”।

ধৰ্ম বা ধৰ্মমূলক লোক-বিশ্বাস মানুহৰ মনত অতি দকৈ স্পৰ্শ কৰিব পাৰি। ধৰ্মভাৱ সকলো ভাৱ-অনুভূতিতকৈ গভীৰ। ধৰ্মই জ্ঞান আৰু ভক্তিভাৱ নথকা অন্তৰৰ পৰাও ধৰ্মগীতৰ মাধুৰ্যই স্পৰ্শকাতৰ কৰি তুলিব পাৰি। তান্ত্ৰিক শাক্ত ধৰ্মই সৃষ্টি কৰা মহামায়াৰ সাতভনী, ন-ভনী, বাৰ-ভনী আদি লোক বিশ্বাস আৰু পৰম্পৰাৰ সৃষ্টি। তান্ত্ৰিকতাৰ দূৰ প্ৰভাৱত উৎপন্ন হোৱা আই তুতি ঘোষা পদবিলাকত ভক্তিৰ গভীৰতা, অনুভূতিৰ তীব্ৰতা, স্বাভাৱিকতা আৰু প্ৰকাশভঙ্গীৰ অনাড়ম্বৰ গতি দেখা যায়। কেৱল তিৰোতা মানুহে গায় কাৰণে এই শ্ৰেণীৰ গীত

তিৰোতাসকলৰ ৰচনা বুলি অনুমান কৰিব পাৰি। গীতবোৰত ৰচয়িত্ৰীসকলৰ লোক-বিশ্বাস আৰু বিভিন্ন দেৱ-দেৱীলৈ থকা অচলা ভক্তিৰ প্ৰতি থকা গভীৰ প্ৰাকৃতিক বিশাল বল আৰু শক্তিৰ প্ৰতি থকা গভীৰ আস্থা, বিশ্বাস আৰু ভাৱৰ সংযোগত দেৱ-দেৱীৰ ধ্যান-ধাৰণাৰ জন্ম হয়।

"আইৰ নাম" অসমীয়া গাঁৱলীয়া সমাজৰ বিশেষকৈ, তিৰোতা অতি আকৰ্ষণীয় আৰু গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান। আইৰূপৰ নমুনা বিভিন্ন নামেৰে নামকৰণ কৰা হয়। যেনে- বাসন্তী দেৱী, শীতলা দেৱী ইত্যাদি। স্থান বিশেষে অন্ধ্ৰপ্ৰদেশত গঙ্গাম্মা, তামিলনাডুত মাৰি আম্মা, উৰিষ্যাত ঠাকুৰাণী আদি। জনসাধাৰণ বিশ্বাস যে, ভালেমান ৰোগৰ কেইগৰাকীমান অধিষ্ঠাত্ৰী দেৱী আছে আৰু সেই দেৱীৰ পূজা, সেৱা, তুতি-মিনতি বা প্ৰাৰ্থনা আদিৰে সন্তুষ্ট কৰিব পাৰিলে দেৱীয়ে ৰোগ ভাল কৰি দিয়ে। সেই শক্তিৰ ওচৰত কৰা গীতিধৰ্মী প্ৰাৰ্থনাই হ'ল— "আইনাম"।

**আইসকলে ভগৱতীক সন্তুষ্ট কৰিবৰ বাবে পাৰ্থিৱ যি বস্তুকেই উপচাৰৰূপে আগবঢ়াই সন্তুষ্ট কৰিব খোজে সেই বস্তুবোৰ কিবা নহয় কিবা কাৰণে অপৱিত্ৰ**

বসন্ত এবিধ মাৰাত্মক ৰোগ। এখন ঘৰত কোনোবা এজনৰ বসন্ত হ'লে বাকী পৰিয়ালৰো হব পাৰে বুলি ভবা হয়। বসন্তৰ ভয়াবহতাই অনেকক মৃত্যুৰ মুখলৈ লৈ যায়। অন্য ৰোগৰ চিকিৎসা যেনেকৈ কৰিব পাৰি, তেনেদৰে এই ৰোগৰ চিকিৎসা কৰিব নোৱাৰি। কেৱল ভক্তিভাৱেৰে সিক্ত তুতি-প্ৰাৰ্থনাৰে সন্তুষ্ট কৰাৰ চেষ্টা কৰা হয়। বসন্ত ৰোগ নোহোৱাৰ পূৰ্বে ছিটা ললে হয়তু বসন্ত ৰোগৰ পৰা হাত সাৰিব পাৰি।

মুখ পৰম্পৰাত প্ৰচলিত "আইনামবোৰতো" শীতলাৰ পৰিচয় পোৱা যায়। শীতলাই ভগৱতী, সিংহবাহিনী, নাৰায়ণী চণ্ডিকা, উমা, শিৱা, জয়া, দুৰ্গা আৰু বিশিষ্টা কালী। এই দেৱী গৰাকীক স্বৰ্গত দেৱতাসকলে, পাতালত নাগসকলে আৰু পৃথিৱীত মনুষ্যসকলে পূজা কৰে।

*দিহাঃ আই দেৱী ভগৱতী সিংহবাহিনী।*
*তুমি দেৱী নাৰায়নী চণ্ডিকা গোঁসানী।।*

বিভিন্ন ধৰ্মকাৰ্য আচৰণ, প্ৰথা আৰু পদ্ধতি, নানা গীত-মাতবোৰৰ লগত সংযুক্ত হৈ আছে আইনামত। শক্তিৰ অধিষ্ঠাত্ৰীৰ বিভিন্ন ৰূপ, তেওঁৰ পূজা-অৰ্চনাৰ যি পদ্ধতি, সেইবোৰ শিষ্ঠ ৰূপলৈ নি তাক সংস্কৃতিয়া ৰূপ কৰা হৈছে। আধুনিক ভাৰতৰ সাতভনীৰ দৰে এই গৰাকীক কেন্দ্ৰ কৰি ক'ত কাহিনী বা গীত-মাতৰ সৃষ্টি হৈছে তাক অনুমান কৰিব নোৱাৰি। আইনাম, সুবচনীৰ গীত, অপেচৰী গীত, লখিমী-সবাহৰ গীত, গোঁসানী পূজাৰ গীত প্ৰায় একে পৰ্যায়ৰ গীত।

"বসন্ত" বা "শীতলা" দেৱীৰ অন্য এটি নাম "আই"। আই অতি আপোন, বৰ মৰমৰ আৰু অতি চেনেহৰ। আইৰ নিচিনা ওচৰ সমন্ধীয় লোক আছে বুলি কব নোৱাৰি। তেনে ক্ষেত্ৰত বসন্ত বা শীতলাক "আই" বুলি কোৱাৰ নিশ্চয় তাৎপৰ্য আছে। 'অথৰ্ববেদ'ত— 'তক্মন' নামৰ দেৱী গৰাকীক আইৰ ৰূপ বুলি ধৰা হয়। 'পিচ্ছিলা তন্ত্ৰ' তো শীতলা পূজাৰ বৰ্ণনা পোৱা যায়।

**আইনামৰ নীতি-নিয়ম ঃ**

অসমত বিশেষকৈ পশ্চিম অসমত বাসন্তী পূজাৰ বিভিন্ন প্ৰকাৰে অৰ্থাৎ (ক) শাস্ত্ৰীয় নীতি-নিয়ম অনুসৰি (খ) লৌকিক নীতি নিয়ম অনুসৰি কৰা হয়। শাস্ত্ৰীয় ৰীতি অনুসৰি দেৱীক ব্যক্তিগতভাৱে পূজা মন্ত্ৰ-উপচাৰ আদিয়ে পূজা কৰা দেখা যায়। পূজাৰ অন্তত 'শীতলা পাঁচালী' আৰু 'আইনাম' অপৰিহাৰ্য। ঘৰুৱাভাৱে পূজা কৰাৰ উপৰিও ডাঙৰ গছৰ গুৰিত, জলত বা নদীৰ পাৰত শাস্ত্ৰীয় ৰীতিৰে বা লৌকিক পদ্ধতিৰে শীতলাক পূজা কৰিব পাৰি। দ্বিতীয়তে, শাস্ত্ৰীয় নিয়মে শীতলা পূজা নকৰি, শীতলা পাঁচালী আবৃত্তি আৰু আইনামেৰেও শীতলাক উপাসনা কৰিব পাৰি। ইয়াৰ মূলতে স্তুতি-প্ৰাৰ্থনাৰে কৰা পূজা-আৰাধনাই স্বাভাৱিকতে দেৱী আইক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰা হয়। আইসকলে মুখে মুখে ৰচনা কৰা আত্মনিবেদনৰ এই নামবোৰে শ্ৰেষ্ঠ কবিতাৰূপে দাবী কৰিব পাৰে। আইসকলে ভগৱতীক সন্তুষ্ট কৰিবৰ বাবে পাৰ্থিৱ যি বস্তুকেই উপচাৰৰূপে আগবঢ়াই সন্তুষ্ট কৰিব খোজে সেই বস্তুবোৰ কিবা নহয় কিবা কাৰণে অপৱিত্ৰ, সেই কাৰণে পুৰা-গধুলি নাম-পূজাৰে পুজিবলৈ ভগৱতীৰ ওচৰত আকুতি জনাই এনেদৰে—

*যেই বস্তু দিওঁ মাতৃ সেই বস্তু চুৰা।*
*আপোনাৰ নামে মাতৃ আপোনি সন্তোষ হোৱা।।*

আইক পুজিবলৈ গোপিনীসকলে বগা ফুল, বগা-কাপোৰ আৰু একো নোখোৱাকৈ আই ওলোৱা গৃহলৈ যায়। সত্ত্বগুণসম্পন্ন দেৱী আইয়ে ৰঙা ৰঙৰ প্ৰতি বিৰাগ জন্মে। সেয়ে ওলোৱা লোকে ৰঙা ৰঙৰ কাপোৰ পৰিধান নকৰে। বসন্ত ৰোগী খঙাল হোৱা হেতু ৰোগ উপশমৰ বাবে দৈ গাখীৰ বা মাখন ঘঁহি গা-ধুৱ লাগে বুলি বিশ্বাস কৰা হয়। দ্বিতীয়তে, চিঁৱা, মাগুৰ মাছৰ জোল, খৰিচা আদি এই ৰোগৰ উপশমৰ পাচত খাবলৈ দিব লাগে।

অসমৰ কোনো কোনো অঞ্চলৰ গাওঁবোৰত বসন্ত ৰোগৰ প্ৰতিষেধক হিচাপে ৰাজহুৱা ভাৱে আইনাম ধৰে। আইনামত কি কি বস্তুৰ আৱশ্যক হয় আইনামত তাৰ আভাস পোৱা যায়। প্ৰায়বোৰ গীততেই আছে দেৱী পাৰ্বতীয়ে কৈলাশত বাস কৰে। তেওঁ 'হৰৰ মহামায়া' তথা 'ভৱানী দুৰ্গা'। তেওঁ মানুহৰ মঙ্গলৰ বাবে মৰ্ত্যলৈ নামি আহে। গতিকে, কৈলাশৰ দেৱীগৰাকীক পুজিবৰ বাবে পাৰ্থিৱ জগতৰ সকলো বস্তুৱেই অপৱিত্ৰ। আইনামবোৰৰ মাজত নাৰী কণ্ঠৰ কাকুতিৰ এক স্বতঃস্ফুত ৰূপ বিদ্যমান। আনহাতে, আই কৈলাশৰ পৰা নদীৰ বুকুত উলাহেৰে আহি পৃথিৱীৰ মানুহৰ ওপৰত মহামায়া শক্তিৰূপ প্ৰদৰ্শন কৰে। সেয়ে, আই ৰূপত সাধাৰণ মানৱে অভিভূত হৈ অথবা ভয়ত ত্ৰাসিত হৈ নানা প্ৰাৰ্থনাৰে আইক পুজিবলৈ ধৰি কাকুতি কৰে এনেদৰে—

*দুখীয়াৰ ঘৰলৈ আইলোক আহিছে*
*দিবলৈ নাইকিয়া একো।*
*মুৰৰে কেশেৰে পাৰ মলচিম*
*দেহৰে পাৰি দিম সাঁকো।।*

স্থান বিশেষে 'আইনাম' অকুমাৰী-কুমাৰী ছোৱালীহঁতে ধৰাৰ নিয়ম আছে। আইনাম অনুষ্ঠিত হোৱাৰ দিনাখন ঘৰ-দুৱাৰ, চোতাল আদি পৰিস্কাৰ কৰিব লাগে। বুট, জহা চাউল, কল, নাৰিকল, তিয়ঁহ আদি উপকৰণ আইৰ নামত দিয়া হয়। এৰা গাখীৰ, চেনী, ঘিউ, মৌ আৰু তিওৱা জহা চাউল একেলগ কৰি ভোগ বা পায়স বা পৰমান্ন পকা ভোগ ৰূপে দিয়া হয়।

<u>লোক সমাজত বিশ্বাস</u> ঃ

লোকমনৰ সকলো বিশ্বাস, স্বপ্ন, আনন্দ-বিষাদ গীতৰ মাজেৰে প্ৰৱাহিত হয় নিজৰাৰ দৰে। তাৰ মাজৰে এবিধ গীত হ'ল ধৰ্মীয় ভাৱ প্ৰধান। বিশ্বাস, প্ৰাৰ্থনা, আস্থা আৰু কাৰুণ্যৰ মিশ্ৰণত এইবিধ গীতে। শ্ৰোতাৰ হৃদয় সহজে আকৰ্ষিত কৰে। নাৰীকেন্দ্ৰীক ধৰ্মীয় গীতবোৰে নাৰীমনৰ শান্ত, নম্ৰ আৰু মংগলময় ৰূপটো দাঙি ধৰে। শাৰিৰীক অসুস্থতাক কেন্দ্ৰ কৰি লোকমনত গঢ় লৈ উঠা বিচিত্ৰ কল্পনাৰ মূৰ্ত্ত ৰূপ প্ৰকাশ পায় আইনামৰ মাজত। সুদূৰ প্ৰসাৰী কল্পনা আতংক আৰু কাৰুণ্যতাৰ মাজত প্ৰকৃতিৰ অভাৱনীয় পৰিৱৰ্তন আৰু সৌন্দৰ্য পৰিস্ফুট হয়। 'দেহৰে পাৰি দিম সাকোঁ আদি বাক্যবোৰত আত্মসমৰ্পনৰ ভাৱ, ভগৱৎ চিত্তৰ সুন্দৰ ভাৱ প্ৰকাশ ঘটিছে।

গীতবোৰত ৰচয়িত্ৰীসকলৰ বিভিন্ন দেৱ-দেৱীলৈ থকা অচলা ভক্তিৰ গভীৰতা দেখা যায় প্ৰাকৃতিক বিশাল বল আৰু শক্তিৰ প্ৰতি থকা গভীৰ আস্থা, বিশ্বাস আৰু ভাৱৰ সংযোগত দেৱ-দেৱীৰ ধ্যান-ধাৰণাৰ জন্ম হয়। ধৰ্ম আৰু ধৰ্মীয় বিশ্বাসে একোটা জাতিৰ সংস্কৃতিক স্বৰূপ নিৰূপন কৰাৰ লগতে ধৰ্মীয় গীত-মাতবোৰক এক সুকীয়া ঐতিহাসিক গুৰুত্ব প্ৰদান কৰে। শক্তিৰ অধিষ্ঠাত্ৰী দেৱীৰ বিভিন্ন ৰূপক, পূজা-অৰ্চনাৰ সম্পৰ্কে "স্কন্দপুৰাণ"ৰ আৱন্ত্যখণ্ডত শীতলাৰ ধ্যান বৰ্ণিত হৈছে এনেদৰে ঃ-

*"নমামি শীতলাং দেৱী বাসভস্থাং দিগম্বৰীম্।*
*মাৰ্জনীকল্ শোপেতাং শুৰ্কলিং কৃতমস্তকাম্।।'*

বেদ, যোগিনীতন্ত্ৰ আদি গ্ৰন্থসমূহে আইনাম সম্বলিত যি দেৱী পূজা-অৰ্চনা-মহিমাৰ কথা উল্লেখ কৰিছে সেইয়া লোক সাহিত্যত ধৰ্মীয় আৰু বিশ্বাসৰ এক প্ৰতীকাত্মক ৰূপ বহন কৰিবলৈ সক্ষম হৈছে। আইৰ মহিমা আৰু প্ৰভাৱশালীৰূপত মুগ্ধ হৈ ভাৰতীয় লোক মানসত বিভিন্ন ৰূপত আইৰ প্ৰতি থকা গভীৰ বিশ্বাসে আইৰূপী দেৱী দুৰ্গাৰ মাহাত্ম্যৰ কথাকে বৰ্ণনা কৰিছে।■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। শৰ্মা সত্যেন্দ্ৰনাথ— অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
২। নেওগ মহেশ্বৰ— অসমীয়া সাহিত্যৰ ৰূপৰেখা
৩। শৰ্মা নবীনচন্দ্ৰ— অসমীয়া লোক-সংস্কৃতিৰ আভাস
৪। শৰ্মা, হেমন্ত কুমাৰ— অসমীয়া লোকগীতি সঞ্চয়ন
৫। — গোপিনী কীৰ্ত্তন

● *লেখিকা অসমীয়া বিভাগৰ অংশকালীন সহঃ অধ্যাপিকা*

## অসমৰ এটি আপুৰুগীয়া সম্পদ

# সাঁচিপাত

■ কংকনা বৰগোহাঁই



পুৰণি অসম আগৰ বা অগৰু গছৰ বাবে প্ৰখ্যাত। ব্ৰহ্মপুত্ৰৰ দক্ষিণকোণত প্ৰচুৰ পৰিমানে অগৰু গছ পোৱা যায়। এই অগৰু গছৰ ছালৰ পৰাই প্ৰস্তুত কৰা হৈছিল সাঁচিপাত। ড° দীনেশ চন্দ্ৰ সৰকাৰে ‘ইণ্ডিয়ান ইপিগ্ৰাফী’ গ্ৰন্থত উল্লেখ কৰিছে যে সাঁচিপাতত লিখা পদ্ধতিটো অসমৰ বিনে উত্তৰ-পূৰ্ব ভাৰত ভূমিৰ অন্যত্ৰ বিৰল। বাণভট্টৰ হৰ্ষচৰিতত আছে কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষ শিলাদিত্যিলৈ উপঢৌকনৰূপে পঠোৱা নানা সামগ্ৰীৰ ভিতৰত অগৰুৰ বাকলিত লিখা সুভাষিত বচনৰ সংগ্ৰহ পুথি আছিল অন্যতম। সাঁচিপাত প্ৰস্তুত কৰাৰ বিষয়ে চাৰ এডোৱাৰ্ড গেইটে এ হিষ্ট্ৰি অব্ আসামৰ (A History of Assam) চতুৰ্থ পৰিশিষ্টত এনেদৰে লিখিছে ঃ ‘৩০-৩৫ ইঞ্চি বেৰৰ ১৫-১৬ বছৰীয়া অগৰু গছৰ মাটিৰ পৰা চাৰি ফুটমান ওপৰৰ বাকলি ছয় ফুটৰ পৰা ওঠৰ ফুট দীঘল আৰু তিনি ইঞ্চিৰ পৰা সাতাইশ ইঞ্চিলৈকে বহল কৰি দীঘলে দীঘলে বাকলিবোৰ এৰুৱাব লাগে। বাকলিবোৰৰ ভিতৰৰ ফালটো বাহিৰলৈ কৰি প্ৰত্যেক খন বাকলিকে বেলেগে বেলেগে নুৰিয়াই কেইদিনমান ৰ'দত দিয়া প্ৰয়োজন। বাকলিৰ ওপৰত টান ভাগটো এৰোৱাবৰ কাৰণে কাঠৰ তক্তা বা টান বস্তুৰ ওপৰত মেলি দি হাতেৰে মোহাৰি বাকলিৰ বাহিৰৰ খলপা খলপি নিকৰিবোৰ এৰোৱাব লাগে। এইবাৰ বাকলিখিনি এনিশাৰ বাবে নিয়ৰত ৰখা প্ৰয়োজন। পিছদিনা বাকলিৰ ওপৰ ভাগটো সাৱধানে এৰুৱাই পেলাই বাকলিবোৰ প্ৰয়োজনমতে দীঘলে ন ইঞ্চিৰ পৰা সাতাইশ ইঞ্চি আৰু পুতলে তিনি ইঞ্চিৰ পৰা ওঠৰ ইঞ্চিলৈকে ডোখৰ ডোখৰকৈ কাটিব লাগে। কটা টুকুৰাবোৰ এঘণ্টা পানীত জুবুৰিওৱা প্ৰয়োজন। তাৰ পিছত ইয়াৰ বাকলিত লাগি থকা খাৰ জাতীয় বস্তুবোৰ উলিয়াই দিয়া ভাল। এইবোৰ কটাৰীৰে বাকলিবোৰ ধুনীয়াকৈ চুচি আধাঘণ্টা ৰ'দত শুকুৱাব লাগে। শুকোৱাৰ পিছত তাত পোৱা ইটা মাৰি মিহি কৰাৰ পিছত মাটি মাহৰ গুড়িৰে লুঠুৰি কৰি (বা মাটি মাহ বটি) বাকলিবোৰত সানি তাত হাইতালৰ ৰং দিয়াৰ পিচত আকৌ এবাৰ ৰ'দত শুকাই মোহাৰি মাৰ্বলৰ দৰে মিহি হোৱাৰ পিছত সেইবোৰ লিখিবলৈ উপযুক্ত হয়।’

লিখাৰ উপযোগী হোৱাৰ পিছত পাতবোৰ জাপি, কুটনীৰে জুখি, সোঁমাজতে এটা বিন্ধা কৰা দৰকাৰ। সেইটো লোৰ শলখাৰে নকৰিবলৈ যোগিনীতন্ত্ৰই নিৰ্দেশ দিছে। সাঁচিপাতত লিখাৰ পূৰ্বে জোখ কৰি সূক্ষ্ম কলমেৰে সমান দূৰত্বত শাৰী টনা চকুত পৰে। তাৰ নাম হ'ল কুটা দিয়া। হাতে লিখা সাঁচিপতীয়া পুথিবোৰৰ তলে ওপৰে কেইখনমান উকা পাত থাকে। সেইবোৰ নাম বেটীপাত। বেটীপাতত সাধাৰণতে গ্ৰন্থৰ নাম, মালিকৰ নাম অথবা লিপিকৰৰ নামো লিখা থাকে।

সাঁচিপাতত পুথি লিখাৰ লগতে তাত চিত্ৰও অঁকা হৈছিল। সাঁচিপাতত লিখা সচিত্ৰ পুথিৰ ভিতৰত হস্তবিদ্যাৰ্ণৱ, শংখচূড় বধ, গীত-গোৱিন্দ আদি প্ৰখ্যাত। ❖❖

● *লেখিকা স্নাতক প্ৰথম বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী*

# সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টি

■ দুলুমণি নেওগ

এগৰাকী বিশিষ্ট শিক্ষাবিদ শিক্ষক-শিক্ষয়িত্ৰীৰ ওপৰত ইংৰাজী প্ৰতিশব্দ "TEACHER" শব্দটোৰ এটা ব্যাখ্যা ধৰিছে যে— "Teacher" শব্দটোৰ সম্পূৰ্ণ অৰ্থ এনেধৰণৰ- T-(Tactfulness) চতুৰতা, E-(Efficency) দক্ষতাসম্পন্ন, A- (Ability) ক্ষমতাশৈলী, C-(Character) চৰিত্ৰ, H-(Humour) হাস্যৰস, E-(Eloquency) বাগ্মিতা, R-(Readiness) প্ৰস্তুতাৱস্থা।

শিক্ষা হ'ল জ্ঞানৰ প্ৰতীক। জ্ঞানে মানুহক সৎ কামত আপ্লুত কৰি তোলে। জ্ঞানৰ দৰে পবিত্ৰ বস্তু এই পৃথিৱীত আন একো নাই। এটি সুস্থ শৈক্ষিক পৰিবেশতহে সৎ জ্ঞান অৰ্জন কৰিব পাৰি। শৈক্ষিক পৰিবেশ বুলি ক'লে সকলো ধৰণৰ শিক্ষা অনুষ্ঠান, শিক্ষাৰ বিভিন্ন দিশ, সামাজিক শিক্ষা দিশ আদি সকলোকে সামৰি লোৱা হয়। এইখিনিতে শিক্ষাৰ বিষয়ে অলপ থুলমুল আভাষ জানি লোৱাটো ভাল হ'ব। সাধাৰণ বা সংকীৰ্ণ অৰ্থত বিদ্যালয়, মহাবিদ্যালয় আৰু বিভিন্ন ধৰণৰ শিক্ষানুষ্ঠানৰ পুথিগত অধ্যয়নৰ যোগেদি লাভ কৰা জ্ঞানকেই বুজোৱা হয়। বহল অৰ্থত পুথিগত অধ্যয়নৰ বাহিৰেও সমগ্ৰ জীৱনব্যাপী অৰ্থাৎ জন্মৰ পৰা মৃত্যুলৈকে যি জ্ঞান লাভ কৰা হয় সিয়েই বহল অৰ্থৰ শিক্ষা। শিক্ষাবিদ জন ডিউইয়ে কৈছিল, "শিক্ষা হ'ল মানৱ জীৱনৰ জীৱনব্যাপী চলা এক বিকাশমুখী প্ৰক্ৰিয়া। বৰ্তমান সমাজত শৈক্ষিক পৰিবেশত বিভিন্ন ধৰণৰ শৈক্ষিক অসুস্থতাই দেখা দিছে। প্ৰতিদিনে বাতৰি কাকত এখনি মেলি চালে দেখা যায় শিক্ষকৰ দৰমহা নাই, ৰেগিংৰ বাবে আত্মহত্যা ইত্যাদি বহুতো। বৰ্তমান সমাজৰ প্ৰায় বিলাক শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলে শিক্ষক সকলক সন্মান নকৰা হৈছে, পিতৃ-মাতৃকো সন্তানে বেয়া ব্যৱহাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। শিক্ষক, অভিভাৱক সকলে ছাত্ৰ-ছাত্ৰী সকলৰ পৰা কিয় মান-সন্মান নোপোৱা হৈছে? ইয়াৰ বাবে কোন দায়ী? অভিভাৱক, শিক্ষক, ছাত্ৰ-ছাত্ৰী নে বৰ্তমানৰ সমাজ? ইয়াৰ সঠিক উত্তৰ কোনে দিব? বৰ্তমানৰ সমাজ, পিতৃ, মাতৃ, শিক্ষক নে ছাত্ৰ-ছাত্ৰীসকলে? ইয়াৰ উত্তৰ দিব লাগিব সকলোৱে। এখন সমাজ সুন্দৰভাৱে গঢ়ি তুলিবলৈ হ'লে আমি সকলোৱে চেষ্টা কৰিব লাগিব, কেনেদৰে এটি সুস্থ শৈক্ষিক পৰিবেশৰ সৃষ্টি কৰিব পাৰো। যিহেতু এখন সুস্থ সমাজতহে এটি সুস্থ শৈক্ষিক পৰিবেশৰ গঢ় লৈ উঠাটো সম্ভৱপৰ হয়।

মানুহ সামাজিক প্ৰাণী। সমাজৰ অবিহনে মানুহে সমাজত নিজকে মানুহ বুলি স্বীকৃতি দিব নোৱাৰে। প্ৰতিজন মানুহেই এজন আনজনৰ ওপৰত প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে হ'লেও নিৰ্ভৰশীল। সাধাৰণভাৱে কবলৈ গ'লে পৰিয়াল এটিও ক্ষুদ্ৰতম সমাজ যিহেতু এটি শিশু জন্ম হৈ প্ৰথম সমাজ পায় পৰিয়ালটো। শিশু সদায় অনুকৰণীয়, শিশুটিয়ে পৰিয়ালৰ সদস্যসকলৰ আচাৰ-আচৰণ, কাৰ্য-কলাপ, মাত-কথা, চাল-চলন আদি সকলোবোৰ শিশুটিয়ে অনুকৰণৰ দ্বাৰা আয়ত্ব কৰি লয়। গতিকে পৰিয়ালৰ সেই শিশুৰ প্ৰতি সদায়ে সচেতন হব লাগে যাতে সি কোনোধৰণৰ বেয়া কথা আয়ত্ব কৰিব নোৱাৰে। ইংৰাজী

সাহিত্যৰ পিতৃস্বৰূপ উইলিয়াম শ্বেক্সপীয়েৰে কৈছিল, "জ্ঞানী পিতৃয়ে নিজৰ ল'ৰা ছোৱালীক বুজি পায় এনেক্ষেত্ৰত মাতৃ গৰাকীয়েহে সন্তানক বুজাত অসুবিধা হব পাৰে। গতিকে সন্তানৰ নৈতিকতা, চৰিত্ৰ গঠন, ভাল শিক্ষা দিয়া শাসন কৰা আদি সকলো কাৰ্যত কেৱল মাতৃগৰাকীয়েহে পালন কৰিব লাগে কথাতে কয়, পিতৃ গৰাকী হ'ল ঘৰৰ আলহী ৰাতিপুৱা ওলাই যায় আৰু গধূলি ঘৰত সোমায়। সেয়েহে মাতৃ এগৰাকীয়ে ভুলটো কেতিয়াও সন্তানৰ বেয়া কাৰ্য দৃষ্টিগোচৰ হ'লে পিতাকলৈ পেলাই নথৈ নিজেই সংশোধন কৰিব লাগে। বিশিষ্ট দাৰ্শনিক, শিক্ষাবিদ হাবাৰ্টে কৈছিল, "এশজন শিক্ষকে কৰিব নোৱাৰা কাম এগৰাকী আদৰ্শবান মাতৃয়ে অকলেই কৰিব পাৰে।" এটি সন্তানক গঢ় দিবলৈ হ'লে মাতৃগৰাকী সচেতন হব লাগে। গতিকে এটি পৰিয়ালত সুস্থ এটি শৈক্ষিক পৰিবেশ গঢ়িবলৈ হ'লে পিতৃ-মাতৃ অতি সচেতন হোৱা দৰকাৰ। সৰুৰে পৰা এটা সন্তান সৎ চৰিত্ৰ পঢ়া-শুনা আদিত ভাল হ'লেও কৈশোৰ কাল, যৌৱন কালত সন্তানৰ পঢ়া-শুনাত ব্যাঘাত জন্মিব পাৰে, যদিহে পিতৃ-মাতৃ এনে ৪/৫ টা বছৰ সুপৰিচালিত কৰিব নোৱাৰে। এনে সময়ত ল'ৰায়ে ছোৱালীৰ প্ৰতি ছোৱালীয়ে ল'ৰাৰ প্ৰতি আকৰ্ষিত হোৱাটো তেনেই স্বাভাৱিক। ই এটা প্ৰকৃতিৰ লক্ষণ। কিন্তু অপৰাধ বুলি ক'লে ভুল কোৱা হব। এনেক্ষেত্ৰত যদি পিতৃ-মাতৃয়ে প্ৰেমত পৰা সন্তানক যদি অপৰাধী বুলি ভাৱে তেন্তে পিতৃ-মাতৃয়ে নিজেও এদিন তেনে এটি বয়সৰ সন্মুখীন হৈছিলি নে নাই তাকো বিচাৰ কৰি চাব লাগে আৰু সন্তানে সমাজত মুখ উলিয়াই ঘুৰিব পৰাকৈ তেনে অপৰাধ বিলাকক নিয়ন্ত্ৰণ কৰিব লাগে। বিশ্ববিখ্যাত দাৰ্শনিক চক্ৰেটিছে কৈছিল, "মানুহৰ জীৱনত যদি ধন হেৰায় তেন্তে একো নেহেৰায়, যদি স্বাস্থ্য হেৰায় তেন্তে সম্পদ হেৰায় কিন্তু চৰিত্ৰ হেৰালে মানুহৰ সকলো হেৰায় যায়।"

শৈক্ষিক পৰিবেশত শিক্ষক/শিক্ষয়িত্ৰী ও ছাত্ৰ-ছাত্ৰীৰ গুৰুত্বয়ো অধিক। ৰাজনীতি বিজ্ঞানৰ পিতৃ স্বৰূপ এৰিষ্টটলে কৈছিল, "এজন শিক্ষক হ'ব লাগিব শাৰীৰিক ভাৱে উপযুক্ত আৱেগিকভাৱে ধীৰ, স্থিৰ, মানসিকভাৱে সজাগ সামাজিকভাৱে কৰ্মপটু আৰু আধ্যাত্মিকভাৱে উপযুক্ত ঈশ্বৰৰ প্ৰতি ভয় ভক্তি থকা লোক।

এগৰাকী বিশিষ্ট শিক্ষাবিদ শিক্ষক-শিক্ষয়িত্ৰীৰ ওপৰত ইংৰাজী প্ৰতিশব্দ "TEACHER" শব্দটোৰ এটা ব্যাখ্যা ধৰিছে যে-- "Teacher" শব্দটোৰ সম্পূৰ্ণ অৰ্থ এনেধৰণৰ- T-(Tactfulness) চতুৰতা, E-(Efficency) দক্ষতাসম্পন্ন, A-(Ability) ক্ষমতাশৈলী, C-(Character) চৰিত্ৰ, H-(Humour) হাস্যৰস, E-(Eloquency) বাগ্মিতা, R-(Readiness) প্ৰস্তুতাৱস্থা।

গতিকে এজন শিক্ষক বা এগৰাকী শিক্ষয়িত্ৰী হব লাগিব চতুৰতা, দক্ষতাসম্পন্ন, সকলো দিশতে ক্ষমতাশালী, সৎ চৰিত্ৰ, যিকোনো বিষয়তে হাস্যৰস সৃষ্টি কৰিব পৰা সামৰ্থ্য, বাকচতুৰতা আৰু সকলো দিশতে প্ৰস্তুতাৱস্থামুখী হ'লেহে প্ৰকৃত শিক্ষকৰ গুণৰ অধিকাৰী হব পাৰিব।

গতিকে দেখা যায় যে- বৰ্তমান সমাজৰ শিক্ষাজগতত সৃষ্টি হোৱা অৰাজকতা, দৃষ্টিগোচৰ হোৱা বিশৃংখলতা আদি কেৱল ছাত্ৰ-ছাত্ৰী নতুবা শিক্ষক-শিক্ষয়িত্ৰী সকলক উপদেশ দি আঁতৰ কৰাটো সম্ভৱপৰ হয়। গতিকে সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টি কৰিবৰ বাবে সচেতন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক সকলোৰে ঐক্যবদ্ধ হৈ আন্তৰিক প্ৰচেষ্টা চলোৱা প্ৰয়োজন। তেতিয়াহে আমি আমাৰ সমাজত তথা সমগ্ৰ দেশৰ বাবে শিক্ষানুষ্ঠান বিলাকক নিকা কৰি ৰখাৰ এক মহান দায়িত্ব বহন কৰিব লাগিব। ❖❖

● *লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী*

---

## মহৎলোকৰ বাণী

১। নিন্দাই মোক নীচ কৰিব নোৱাৰে, প্ৰশংসায়ো মোক উচ্চ স্তৰলৈ নিব নোৱাৰে - (মহাত্মা গান্ধী)

২। পৃথিৱীৰ আটাইতকৈ সহজ কামটো হৈছে আনক সমালোচনা কৰা আৰু টান কামটো হৈছে নিজক সংশোধন কৰা -- (হেম বৰুৱা।

শ্ৰীমতী বন্তি দলে,
স্নাতক তৃতীয় বৰ্ষ



# জনসম্পৰ্ক

■ লাকীমণি গগৈ

জনসম্পৰ্ক হৈছে গণ সংযোগৰ এটি বিশেষ অংগ যাৰ জৰিয়তে আধুনিক প্ৰতিষ্ঠান পৰিচালনাত কৰ্তৃপক্ষ বা প্ৰতিষ্ঠানটি আৰু তাৰ জনগণৰ মাজত এটি সুসম্পৰ্ক গঢ়ি তুলিব পাৰি। জনসম্পৰ্কৰ ধাৰণাৰ আৰম্ভ হৈছিল সেই সময়ৰ পৰা যেতিয়া পৃথিৱীত মানুহে নিজৰ ভাব প্ৰকাশ কৰিবলৈ শিকিছিল, মত আদান-প্ৰদান কৰিবলৈ আৰম্ভ কৰিছিল। সেই সময়তো নিজৰ দল শক্তিশালী কৰিবৰ বাবে তেওঁলোক ব্যস্ত আছিল। গুৰুত্ব আৰোপ কৰিছিল মানৱ শক্তি আহৰণত। মন্ত্ৰমুগ্ধ কৰি কেইবাজনো মানুহক নিজৰ দলত অন্তৰ্ভুক্ত কৰাই নিজৰ বীৰত্ব দেখুওৱাৰ চেষ্টা কৰা হৈছিল। যুগ যুগ ধৰি মানুহে বিচাৰিছে নিজৰ চিন্তা-ভাৱনা প্ৰচাৰ আৰু প্ৰকাশ কৰিবলৈ আৰু এনেদৰেই আৰম্ভ হৈছিল জনসম্পৰ্কৰ ধাৰণা।

ভাৰতীয় মহাকাব্য সমূহলৈ চকু দিলে দেখা যায় যে, বনবাসত থকা অৱস্থাত বাল্মীকিৰ ৰামায়ণৰ মূল চৰিত্ৰ শ্ৰীৰামচন্দ্ৰ আৰু লক্ষ্মণে তেওঁলোকৰ জনসম্পৰ্কৰ জৰিয়তে বান্দৰ সেনাক লগত লৈ লংকাপতি ৰাৱণক পৰাজিত কৰি সীতাক উদ্ধাৰ কৰাতো সম্ভৱপৰ কৰিছিল। সেইদৰে মহাভাৰতৰ উদাহৰণ চালে দেখা যায়, এজন জনসম্পৰ্কৰক্ষী বিষয়া হিচাপে ভূমিকা পালন কৰিছিল শ্ৰীকৃষ্ণই।

অসমত শ্ৰীমন্ত শংকৰদেৱে তেখেতৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰী মাধৱদেৱৰ লগত লগ লাগি গোটেই অসমীয়া জাতিৰ কাৰণে যি ভূমিকা পালন কৰিছিল। তাৰো আঁৰত আছিল সুদক্ষ জনসম্পৰ্ক কাৰ্যাৱলী। সেই সময়ত জনসম্পৰ্কক মাধ্যম হিচাপে তেওঁলোকে ব্যৱহাৰ কৰিছিল-- পৰম্পৰাগত মাধ্যম যেনে- নৃত্য, গীত, বাদ্য আৰু অভিনয়। তেওঁলোকে এই মাধ্যমৰ জৰিয়তে সমগ্ৰ অসমৰ মানুহক যি বান্ধোনেৰে বান্ধিলে তাতকৈ আৰু উৎকৃষ্ট জনসম্পৰ্কৰ উদাহৰণ নিষ্প্ৰয়োজন। ভাৰতৰ স্বাধীনতা আন্দোলনত গান্ধীজীকে আদি কৰি সেই সময়ৰ বহু নেতাই যি ধৰণৰ জনসম্পৰ্ক ৰক্ষা কৰিছিল আধুনিক ভাৰতত এই উদাহৰণ সঁচাই প্ৰণিধানযোগ্য।

গ্ৰীচ দেশত এথেন্সত অনুষ্ঠিত এই প্ৰতিযোগিতা আৰম্ভ কৰা হৈছিল। উদ্দেশ্য প্ৰণোদিতভাৱে, সেয়া আছিল নিজৰ প্ৰাধান্য তথা শ্ৰেষ্ঠত্ব প্ৰমাণ কৰা আৰু বৈদেশিক সুসম্পৰ্ক ৰক্ষা কৰা।

প্ৰাচীন কালৰ পাশ্চাত্যৰ দেশসমূহত প্ৰায় সকলো ৰজাই জনসম্পৰ্কৰ প্ৰতি গুৰুত্ব দিছিল আৰু যিসকলে দিয়া নাছিল সেই ঠাইতেই দেখা দিছিল জনগণৰ বিদ্ৰোহ বা বিপ্লৱ। ৰজা যোড়শ লুই আৰু ৰাজ পৰিয়ালৰ সদস্যৰ সাধাৰণ জনতাৰ লগত থকা দূৰত্বৰ কাৰণ আছিল ফৰাচী বিপ্লৱ। প্ৰজাৰ লগত ফৰাচী ৰাজপৰিয়াল কিমান বিচ্ছিন্ন আছিল সেই কথা বুজা

যায়। ৰাজবাণীৰ সেই মন্তব্যৰ পৰা— 'ৰুটি পোৱা নাই? তেনেহ'লে কে'ক খাবই পাৰি।

প্ৰাচীন আৰু মধ্যযুগৰ বিশ্বত জনসংযোগৰ প্ৰভাৱ আৰু গুৰুত্ব যিমান আছিল তাতকৈ অধিক বৃদ্ধি পাইছে আধুনিক বিশ্বত। শিল্প বিপ্লৱৰ সময়ছোৱাত এফালে যেনেকৈ শিল্প উন্নয়ন হৈছিল, ঠিক তেনেকৈ প্ৰতিযোগিতা বাঢ়িছিল তাতকৈ বহু বেছি পৰিমাণে। সেই সময়ৰ জনসম্পৰ্কৰ প্ৰভাৱ বিস্তাৰ আৰু প্ৰয়োজনীয়তাই এটি অন্য মোৰ লৈছিল। যেনেকৈ শিল্প উন্নয়নৰ প্ৰতিযোগিতাত ব্যৱহৃত হৈছিল জনসম্পৰ্ক ঠিক তেনেকৈ আন্দোলন গঢ়ি তোলাৰ ক্ষেত্ৰতো ব্যৱহৃত হৈছে জনসম্পৰ্ক।

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি থমাছ জেফাৰছনে প্ৰথমবাৰৰ বাবে এই শব্দটি ব্যৱহাৰ কৰে। ১৪১৭ চনত মাৰ্কিন কংগ্ৰেছৰ অভিভাষণ লেখাৰ সময়ত কোনো এঠাইত 'ষ্টেট অৱ থট' বাক্যাংশটি কাটি দি 'পাবলিক ৰিলেচনচ্' শব্দটিৰ ব্যৱহাৰ কৰে। ১৮২৯ চনৰ পৰা ১৮৩৭ চনলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হৈ থকা এণ্ড্ৰু জেকছনে জনসম্পৰ্কৰ প্ৰয়োজনীয়তাৰ কথা মনত ৰাখি তেওঁ নিজৰ দপ্তৰত এমৃছ কেণ্ডেল নামৰ এজন ব্যক্তিক নিযুক্ত কৰিছিল, যাৰ দায়িত্ব আছিল এজন জনসম্পৰ্কৰক্ষী বিষয়াৰ প্ৰধান কৰ্তব্যসমূহ। যেনেকৈ ৰাষ্ট্ৰপতিৰ বক্তৃতা লিখি দিয়া, জনসাধাৰণে কি বিচাৰে, কি ভাৱে, জনসাধাৰণৰ ওচৰলৈ কেনেকৈ যাব পাৰি— সেই সম্পৰ্কে ৰাষ্ট্ৰপতিক পৰামৰ্শ দিয়া ইত্যাদি। ৰাষ্ট্ৰপতি জেকছন বা ভেইলৰ পদক্ষেপ জনসম্পৰ্কৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ আছিল যদিও আধুনিক জনসম্পৰ্কৰ জনক বুলি কবলৈ গ'লে আই.ভি.লীৰ নাম উল্লেখ কৰিব লাগিব। নিজকে তেওঁ প্ৰচাৰবিদ বুলি বৰ্ণনা কৰিলেও কামৰ ক্ষেত্ৰত তেওঁ আছিল এক পাৰদৰ্শী জনসম্পৰ্কবিদ। তেওঁ জনসম্পৰ্ক সম্পৰ্কিত এটি প্ৰতিষ্ঠানৰ জন্ম দিয়ে আৰু পেনছিলভেনিয়া ৰেল কৰ্তৃপক্ষ তথা ৰকফেলাৰ গোষ্ঠীৰ পৰামৰ্শদাতা হিচাপে কাম কৰিছিল। ১৯০৯-৪৭ সময়ছোৱা আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনসম্পৰ্কৰ প্ৰাৰম্ভ যুগ। সেই ৰাষ্ট্ৰখনৰ নাগৰিকসকলে বুজি পাইছিল যে যেনেকৈ জনমতক অৱজ্ঞা কৰি চলিব নোৱাৰি, ঠিক তেনেকৈ জনসম্পৰ্ক বাদ দিলেও আধুনিক বিশ্ব অচল।

জনসম্পৰ্কৰ ক্ষেত্ৰত এক সাংঘাটিক পৰিৱৰ্তন আহিল দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত। বাণিজ্যিক প্ৰতিষ্ঠানৰ প্ৰতিযোগিতাৰ বাবে জনসম্পৰ্কক যেনেকৈ ব্যৱহাৰ কৰা হৈছিল, দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জনসম্পৰ্ক ব্যৱহৃত হ'ল আদৰ্শৰ মতানৈক্যৰ ক্ষেত্ৰত। ফেচীবাদৰ বিৰুদ্ধে গণতন্ত্ৰৰ এই যুদ্ধক মতামতক শক্তিশালী কৰিবৰ বাবে লোৱা পদক্ষেপৰ ফলশ্ৰুতিত জনসম্পৰ্কৰ ধাৰণাই বিস্তৃতি লাভ কৰিলে।

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত জনসম্পৰ্কৰ প্ৰয়োজনীয়তা বৃদ্ধি পালে শীতল যুদ্ধৰ সময়ত। শীতল যুদ্ধৰ ফলশ্ৰুতিত- দুটা বৃহৎ গোষ্ঠীৰ জন্ম হয়। এহাতে আমেৰিকাই চেষ্টা কৰিছিল শক্তিশালী দেশসমূহত নিজৰ অধীন কৰা আৰু আনফালে ছোভিয়েট ৰাছিয়াই চেষ্টা কৰিছিল নতুনকৈ স্বাধীনতা লাভ কৰা দেশসমূহক নিজৰ অধীন কৰা। অন্যহাতে পণ্ডিত নেহৰুৱে কেইজনমান নেতাৰ উদ্যোগত গঢ়ি তুলিছিল 'জোঁট নিৰপেক্ষ আন্দোলন'। যাৰ জৰিয়তে বহু দেশে নিৰপেক্ষতা অৱলম্বন কৰাৰ চেষ্টা চলায়। এই সকলৰ বাবে জনসম্পৰ্ক আছিল অতি গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় অস্ত্ৰ। যাৰ জৰিয়তে প্ৰতিখন, ৰাষ্ট্ৰই অন্য ৰাষ্ট্ৰৰ লগত বা নিজৰ জনমতৰ লগত এটি সুসম্পৰ্ক বজাই ৰাখিবলৈ। শীতল যুদ্ধৰ শেষৰ ফালে আধুনিক বিশ্বৰ সামগ্ৰিক উন্নতিৰ জনসম্পৰ্ক এটি গুৰুত্বপূৰ্ণ অংশলৈ পৰিণত হ'ল।

**জনসম্পৰ্কৰ ধাৰণা ঃ-** এটি দ্বিপাক্ষিক সংযোগ প্ৰক্ৰিয়া। জনসম্পৰ্ক কেতিয়াও একপক্ষীয় হ'ব নোৱাৰে। সংযোগ ব্যৱস্থামূলতঃ তিনিটা উপাদানৰ সমষ্টি— প্ৰেৰক, গ্ৰাহক আৰু তথ্য বা বাৰ্তা। জনসংযোগত প্ৰথমতে প্ৰেৰকে এজন গ্ৰাহকলৈ তথ্য বা বাৰ্তা প্ৰেৰণ কৰে, আৰু সেই গ্ৰাহকে প্ৰতিবাৰ্তা জনোৱাৰ লগতে অন্য কোনো বাৰ্তা বা তথ্যৰো যোগান ধৰে।

জনসম্পৰ্কৰ ভেটি হ'ব লাগিব সত্য, জ্ঞান আৰু সম্পূৰ্ণ তথ্যৰ ওপৰত নিৰ্ভৰশীল। সত্য মানে যি বিষয়ৰ ওপৰত সংযোগ বা যোগাযোগ কৰা হ'ব সেই বিষয়টো জনসম্পৰ্কৰ ক্ষেত্ৰত সম্পূৰ্ণ সত্যৰ ভিত্তিত প্ৰতিষ্ঠিত হ'ব লাগিব। জ্ঞান আৰু সম্পূৰ্ণ তথ্য মানে হৈছে— সেই সংযোগ ব্যৱস্থাত প্ৰেৰিত তথ্য গ্ৰাহকে সহজে বুজিব তথা আয়ত্ব কৰিব পাৰিব লাগিব আৰু সেই তথ্য সম্পূৰ্ণ হ'ব লাগিব।

জনসম্পৰ্কৰ মূল উদ্দেশ্য হৈছে— এটি অনুষ্ঠানৰ ভাৱমূৰ্ত্তি সেই অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোত সম্পৰ্ক থকা জনতাৰ সন্মুখত বৃদ্ধি কৰা। অৰ্থাৎ ই এটি অনুষ্ঠানৰ প্ৰতি সৎ ইচ্ছা বৃদ্ধিৰ অস্ত্ৰ অথবা জনতাৰ মাজত সৃষ্টি হোৱা দুৰত্বক কাষ চপাই অনাৰ অস্ত্ৰ হিচাপে কাম কৰে। এডৱাৰ্ড কৰ্নিছ তাছোঁ তেওঁৰ 'ইঞ্জিনিয়াৰিং অৱ কনচেণ্ট' নামৰ কিতাপখনত লিখিছে— 'কোনো কাম, উদ্দেশ্য, আন্দোলন অথবা প্ৰতিষ্ঠানৰ প্ৰতি জনসমৰ্থন গোটোৱাই হৈছে জনসম্পৰ্ক আৰু সেয়া কৰিব লাগিব তথ্যৰ জৰিয়তে, 'প্ৰেক্টিকেল পাবলিক ৰিলেছনচ্' নামৰ কিতাপখনত কৈছে যে, জনসম্পৰ্কৰ মূল উদ্দেশ্য হৈছে, জ্ঞান, সত্য আৰু সম্পূৰ্ণ তথ্যৰ ওপৰত ভিত্তি কৰি দ্বিপাক্ষিক তথ্য সৰবৰাহৰ জৰিয়তে পাৰস্পৰিক মতৈক্য প্ৰতিষ্ঠা কৰা।

**জনসম্পৰ্কৰ কাৰ্য্যাৱলী ঃ-** জনসম্পৰ্ক আধুনিক পৰিচালন ব্যৱস্থাৰ এটি অপৰিহাৰ্য অংগ। জনসম্পৰ্কৰ কাৰ্যাৱলীক মূলতঃ চাৰিটা পৰ্যায়ত ভাগ কৰা যায়। প্ৰথমতে, সমীক্ষা এই পৰ্যায়ত প্ৰতিষ্ঠানৰ কোনো এটি বিষয় সম্পৰ্কে বা এটি সমস্যাৰ সত্য অনুসন্ধান কৰাই এই অভিযানৰ প্ৰথম কাম। দ্বিতীয় পৰ্যায়ত পৰিকল্পনা কৰা হয় কেনেদৰে এটি জনসম্পৰ্ক অভিযান

আগুৱাই নিয়া হব। তৃতীয় পৰ্যায়ত কিমান আকৰ্ষণীয় ভাৱে মানুহৰ মাজলৈ প্ৰচাৰ তথ্য লৈ যাব পাৰি ইয়াক আকৰ্ষণীয় সংযোগ বোলে। চতুৰ্থ তথা শেষ পৰ্যায় হৈছে অভিযানটিৰ মূল্যায়ন কৰা।

তথ্য অনুসন্ধান হৈছে এক প্ৰকাৰৰ অনানুষ্ঠানিক, গৱেষণা। ইয়াৰ জৰিয়তে কোনো এটি প্ৰতিষ্ঠানৰ বিভিন্ন সমস্যাৰ প্ৰকৃত সত্যক উদ্ভাৱন কৰিবলৈ চেষ্টা কৰা হয়। এই পৰ্যায়ত বিভিন্ন সমীক্ষা যেনে- বজাৰ সমীক্ষা, জনমত আদি গ্ৰহণ কৰা হয়। সমীক্ষা বা গৱেষণাৰ বাবে এটি জনসম্পৰ্ক বিভাগে প্ৰাথমিক আৰু সংগৃহীত তথ্য ব্যৱহাৰ কৰে।

কোনো এটি সমস্যাৰ সত্যানুসন্ধানৰ পিছত গৱেষণাৰ বাবে প্ৰস্তুত কৰা প্ৰতিবেদন অনুসৰি পৰিকল্পনা প্ৰস্তুত কৰা হয়। জনসম্পৰ্ক অভিযানৰ পৰিকল্পনা পৰ্যায়ত অৱতাৰণা হোৱা বিভিন্ন প্ৰশ্নসমূহ যেনে- সমস্যাটো কি? অভিযানটিৰ মূল উদ্দেশ্য কি? পৰিকল্পনাটিৰ প্ৰকৃতি সৰ্বাত্মক হয়নে নহয় বিচাৰ কৰা ইত্যাদি ধৰণৰ প্ৰশ্নসমূহ সামৰি এজন জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰতিষ্ঠানৰ পৰিচালক মণ্ডলীক পৰিকল্পনাটি প্ৰদান কৰে।

আকৰ্ষণীয় সংযোগ পৰ্যায়ত এটি জনসম্পৰ্ক বিভাগে বিভিন্ন গণমাধ্যমৰ জৰিয়তে তেওঁলোকৰ প্ৰচাৰযোগ্য তথ্য লক্ষ্যশ্ৰোতাৰ ওচৰলৈ লৈ যায়। এই পৰ্যায়ত চাৰিটা পৰ্ব আছে। প্ৰথমতে, জনসাধাৰণৰ মাজত কোনো এটি বিষয় বা ধাৰণা সম্পৰ্কে সজাগতা সৃষ্টি কৰা। দ্বিতীয়তে, আগ্ৰহ জন্মাবৰ বাবে জনসাধাৰণক অনুপ্ৰাণিত কৰা। তৃতীয়তে, পৰিসেৱা বা ধাৰণাটোক গ্ৰহণ কৰাৰ সিদ্ধান্ত ল'বলৈ এটি পৰিবেশ সৃষ্টি কৰা। চতুৰ্থতে লক্ষ্যশ্ৰোতাৰ ধাৰণা, পৰিসেৱা বা পণ্যটিক ব্যৱহাৰিক ক্ষেত্ৰত প্ৰয়োগ কৰা।

জনসম্পৰ্কৰ মূল্যায়ন হ'ব লাগিব জনসাধাৰণৰ প্ৰতিবাৰ্তাৰ ওপৰত নিৰ্ভৰ কৰি বা জনসাধাৰণে কোনো এটি সামগ্ৰী অথবা পৰিসেৱা কেনে ধৰণেৰে গ্ৰহণ কৰিছে তাৰ ওপৰত নিৰ্ভৰ কৰিছে। জনসাধাৰণৰ মূল্যায়ন নিৰ্ভৰ কৰিব প্ৰসাৰ, শ্ৰোতা সমীক্ষা আৰু মাধ্যমৰ প্ৰভাৱৰ ওপৰত।

**সংযোগ আৰু আধুনিক প্ৰযুক্তি ঃ-** সংযোগ বা Communication হৈছে এক প্ৰকাৰৰ পদ্ধতি য'ত এজন প্ৰেৰকে কোনো কাম এজন গ্ৰাহকলৈ প্ৰেৰণ কৰে আৰু গ্ৰাহকজনে তাৰ অন্তস্বাৰ্থ হৃদয়ঙ্গম কৰি তেওঁলৈ এটি প্ৰতিবাৰ্তা প্ৰেৰণ কৰে। এটি সংযোগ পদ্ধতিৰ পাঁচটা মূল অংশ আছে। সেই কেইটা হৈছে প্ৰেৰক, বাৰ্তা বা বক্তব্য, মাধ্যম, গ্ৰাহক আৰু প্ৰতিবাৰ্তা।

জনসম্পৰ্কে দ্বিপাক্ষিক সংযোগ পদ্ধতি। এই সংযোগ মৌখিক হ'ব পাৰে, লিখিত হ'ব পাৰে আৰু কোনো অংগী-ভংগী জৰিয়তেও কোনো এট বাৰ্তা প্ৰেৰণ কৰিব পাৰে। এই সংযোগৰ বহুতো মাধ্যম আছে। ইয়াৰ আটাইতকৈ প্ৰাচীন মাধ্যম হৈছে পৰম্পৰাগত বা লোকমাধ্যম। এই মাধ্যমত মুখে মুখে বা কোনো লোক নৃত্য-গীত, নাটক আদিৰ জৰিয়তে কোনো এটি বাৰ্তা জনতাৰ মাজত প্ৰচাৰ কৰা হৈছিল। আধুনিক মুদ্ৰণ মাধ্যমৰ গুৰুত্ব যেনেকৈ বাঢ়িছে, ঠিক সেইদৰে দৃশ্য, শ্ৰাব্য আদি গণমাধ্যমৰ জৰিয়তে কোনো এটি বাৰ্তা গণসমাজলৈ প্ৰেৰণ কৰা হয়। জনসম্পৰ্কৰ ক্ষেত্ৰত এই সকলোবোৰ মাধ্যমেই ব্যৱহাৰ কৰা হয়।

> **এজন সাংবাদিকে কোনো বিষয়ৰে বিশেষজ্ঞ নোহোৱাকৈয়ে সকলো বিষয়ৰে বিশেষজ্ঞৰ দৰে কাম কৰিব লগা হয়। কিন্তু এজন জনসম্পৰ্কৰক্ষী বিষয়া সদায় জনসম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত বিশেষজ্ঞ হ'ব লাগিব। তেওঁৰ সংবাদ চেতনা নাথাকিব পাৰে কিন্তু কেনেদৰে সাধাৰণ জনগণৰ লগত বা এটি প্ৰতিষ্ঠানৰ বিভিন্ন জনগোষ্ঠীৰ লগত সম্পৰ্ক ৰক্ষা কৰিব লাগে এই বিষয়ে তেওঁ সুপৰিচিত আৰু বিশেষজ্ঞ।**

আধুনিক যুগত বিজ্ঞান প্ৰযুক্তিৰ অগ্ৰগতিৰ লগে লগে সকলো মাধ্যমকেই আধুনিকীকৰণ কৰা হৈছে। পঞ্চদশ দশকত ৰেডিঅ' আৰু টেলিভিছন সম্প্ৰচাৰৰ বাবে যেনেকৈ ট্ৰেন্সমিটাৰ ব্যৱহাৰ কৰা হৈছিল, কিন্তু এতিয়া ৰেডিঅ'ৰ ক্ষেত্ৰত ফ্ৰিক'ৱেন্সি মডুলেছনে আৰু টেলিভিছনৰ ক্ষেত্ৰত কৃত্ৰিম উপগ্ৰহৰ ব্যৱহাৰ কৰা হৈছে।

শেহতীয়াকৈ ডিজিটেল ভিডিঅ' সম্প্ৰচাৰৰ জৰিয়তে দুৰ্গম এলেকাতো উপগ্ৰহৰ পৰা পোনপটীয়াকৈ সংকেত সংগ্ৰহ কৰি যিকোনো এজন ব্যক্তিয়ে চৰকাৰী-বেচৰকাৰী বিভিন্ন চেনেল চাব পাৰিছে। মুদ্ৰণ ব্যৱস্থাও ইমান উন্নত হৈছে যে ঘণ্টাত লাখ লাখ হিচাপত কপি ছপা কৰিব পৰা যায়। ইণ্টাৰনেটৰ জৰিয়তে কেইমুহূৰ্তমানৰ ভিতৰতে এটি বাৰ্তা পৃথিৱীৰ যিকোনো অংশলৈ প্ৰেৰণ কৰিব পাৰো। উপগ্ৰহ আৰু অপ্টিকেল ফাইবাৰৰ জৰিয়তে কেতিয়াও কোনো ধৰণৰ যান্ত্ৰিক বিজুটি নঘটাকৈ সাধাৰণ টেলিফোন যন্ত্ৰ আৰু ম'বাইলৰ সহায় মুহূৰ্তৰ ভিতৰতে পৃথিৱীৰ যিকোনো স্থানৰ মানুহৰ লগত

যোগাযোগ কৰিব পৰাৰ সুবিধা সৃষ্টি হৈছে।

**সংবাদিকতা আৰু জনসম্পৰ্ক ঃ**

সাংবাদিকতা যেনেকৈ গণসংযোগৰ এটি প্ৰধান অংগ, ঠিক সেইদৰে জনসম্পৰ্ক আন এটি অবিচ্ছেদ্য অংগ। বহু সুদক্ষ সাংবাদিক সাংবাদিকতা জগতৰ পৰা জনসম্পৰ্ক জগতলৈ গৈছে। আকৌ বহু জনসম্পৰ্কৰক্ষী বিষয়া সাংবাদিকতা জগতলৈ আহি সুনাম অৰ্জন কৰিছে। জৰ্জ ভাৰ্গিক, এইচ, ওৱাই, সাৰদা প্ৰসাদ, সতীশ চন্দ্ৰ কাকতি, কুলদ্বীপ নায়াৰ, খুছৱন্ত সিং আৰু অমলেন্দু দাসগুপ্ত আদি বিশিষ্ট সংযোগকাৰীসকলে দুয়োটা দিশতে সফলতাৰে বিচৰণ কৰিছে। ইয়াৰ মূল কাৰণ তেওঁলোকৰ ভাব প্ৰকাশৰ ক্ষমতা। এজন সাংবাদিকৰ যেনেকৈ ভাব প্ৰকাশৰ ক্ষমতা আৰু ভাষাৰ দক্ষতা থকাটো প্ৰয়োজনীয় ঠিক সেইদৰে এজন জনসম্পৰ্কৰক্ষী বিষয়াৰো এই দুয়োটা গুণ থকাটো বাঞ্চনীয়।

এজন সাংবাদিকৰ দ্বিতীয় প্ৰধান গুণ হৈছে সংবাদ চেতনা, যাক আমি ইংৰাজীত নিউজ চেন্স বা নোজ ফৰ নিউজ বুলি কওঁ। কোনটো ঘটনা বাতৰি হ'ব পাৰে, কোনটো ঘটনাৰ ক্ষেত্ৰত এটি বাতৰি হোৱাৰ বাবে প্ৰয়োজনীয় উপকৰণ নাই, কোন ধৰণৰ সামাজিক চিত্ৰই ৰাজনৈতিক পটভূমিত আলোড়নৰ সৃষ্টি কৰিব পাৰে এই বিষয়ে এজন সাংবাদিক সদায়ে সচেতন। এজন সাংবাদিকে কোনো বিষয়ৰে বিশেষজ্ঞ নোহোৱাকৈয়ে সকলো বিষয়ৰে বিশেষজ্ঞৰ দৰে কাম কৰিব লগা হয়। কিন্তু এজন জনসম্পৰ্কৰক্ষী বিষয়া সদায় জনসম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰত বিশেষজ্ঞ হ'ব লাগিব। তেওঁৰ সংবাদ চেতনা নাথাকিব পাৰে কিন্তু কেনেদৰে সাধাৰণ জনগণৰ লগত বা এটি প্ৰতিষ্ঠানৰ বিভিন্ন জনগোষ্ঠীৰ লগত সম্পৰ্ক ৰক্ষা কৰিব লাগে এই বিষয়ে তেওঁ সুপৰিচিত আৰু বিশেষজ্ঞ। এজন জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰায় সময়তেই সেই সকলো কাম-কাজত অকলে কৰিব লগা হয়। তেওঁ ঘৰুৱা পত্ৰিকাও প্ৰকাশ কৰিব লগা হয়, আকৌ তথ্যচিত্ৰও নিৰ্মাণ কৰিব লগা হয়। গতিকে এই ক্ষেত্ৰত এজন জনসম্পৰ্কৰক্ষী বিষয়াই বিশেষজ্ঞতাৰ অবিহনেই সকলো দায়িত্ব পালন কৰিব লগা হয়।

সাংবাদিক সকলৰ এটি বিশেষ সুবিধা থাকে যে তেওঁলোকে যি লিখে সেয়া সাধাৰণতেই প্ৰকাশিত হয়। কাৰণ তেওঁলোকে জানে কেনে ধৰণৰ সংবাদ সেই কাকতত প্ৰকাশিত হয়। কিন্তু এজন জনসম্পৰ্কবিদ সদায় অন্য গণমাধ্যমৰ ওপৰত নিৰ্ভৰশীল। কাৰণ তেওঁ লিখি পঠায় সেয়া গণমাধ্যমৰ সম্পাদকসকলে পাঠক বা দৰ্শকসকলৰ প্ৰয়োজন বুলি ভাবিলেহে প্ৰকাশ কৰে।

আধুনিক জনসম্পৰ্ক শাস্ত্ৰত বিশিষ্ট ব্যক্তিসকলক বা আমন্ত্ৰিত অতিথিক সেৱা-শুশ্ৰূষা কৰা, ঘূৰা-মেলাৰ বন্দৱস্ত কৰা, খোৱা-লোৱাৰ যত্ন ৰখা ইত্যাদি দায়িত্ব প্ৰতিষ্ঠানটিৰ জনসম্পৰ্কৰক্ষী বিষয়াৰ ওপৰত ন্যস্ত থাকে। আনহাতে, সাংবাদিকৰ এনে কোনো দায়িত্ব নাথাকে বৰঞ্চ তেওঁলোক নিজেই আমন্ত্ৰিত অতিথি হয়।

জনসম্পৰ্কই সদাই ইতিবাচক দিশটোক গুৰুত্ব প্ৰদান কৰি নিজৰ প্ৰতিষ্ঠানটিয়ে যিমান ভাল কাম কৰে তাৰ দুগুণ বঢ়াই নিজকে প্ৰশংসাৰ যোগ্য কৰি তোলাটোৰ ওপৰত গুৰুত্ব দিয়ে। আনহাতে, সাংবাদিক সকলে সদায় নেতিবাচক দিশৰ ওপৰত প্ৰাধান্য দিয়ে আৰু প্ৰশংসাতকৈ সমালোচনা কৰাৰ ওপৰত বেচি গুৰুত্ব দিছে।

জনসম্পৰ্কৰক্ষী বিষয়া ঃ- জনসম্পৰ্ক হৈছে আধুনিক প্ৰতিষ্ঠান পৰিচালন ব্যৱস্থাৰ অন্যতম প্ৰয়োজনীয় আহিলা। এজন সুদক্ষ জনসম্পৰ্কৰক্ষী বিষয়াৰ ওপৰতেই এটি জনসম্পৰ্ক বিভাগৰ সাফল্য নিৰ্ভৰ কৰে। এজন জনসম্পৰ্কৰক্ষী বিষয়া হৈছে প্ৰতিষ্ঠানৰ আভ্যন্তৰীণ আৰু বহিঃ জনগোষ্ঠীৰ মাজৰ সমন্বয়ক। তেওঁ প্ৰতিষ্ঠানটি সম্পৰ্কে কোনে কি কয়, জনমত কোন পক্ষে- ইত্যাদি তেওঁ শুনে, প্ৰতিষ্ঠানত কি ঘটিব পাৰে এই বিষয়ে তেওঁ আগতীয়াকৈ গোন্ধ পায় আৰু প্ৰতিষ্ঠানৰ পৰিকল্পনাসমূহো তেওঁৱেই দেখে। ঠিক সেইদৰে তেওঁ প্ৰতিষ্ঠানৰ ভিতৰৰ বিভিন্ন বিষয়া আৰু কৰ্মকৰ্তাৰ মাজতো সমন্বয়ক বা যোগসূত্ৰৰ ভূমিকা পালন কৰে।

**জনসম্পৰ্কৰক্ষী বিষয়াৰ যোগ্যতা ঃ-**

১। তেওঁ বুদ্ধিমত্তাসম্পন্ন হ'ব লাগিব।

২। তেওঁৰ বিভিন্ন বিষয়ৰ প্ৰতি আগ্ৰহ থাকিব লাগিব।

৩। তেওঁ ক্ষমতা সম্পৰ্কে সাধাৰণ হ'লেও জনসম্পৰ্কৰ ক্ষেত্ৰত অসাধাৰণ হ'ব লাগিব।

৪। তেওঁ ভাল লেখক হোৱা প্ৰয়োজন। অৰ্থাৎ তেওঁ প্ৰতিবেদন, প্ৰৱন্ধ, প্ৰেছ বিজ্ঞপ্তি আদি লিখিব পাৰিব লাগিব।

৫। আকৰ্ষণীয় ব্যক্তিত্ব, নেতৃত্বদানৰ ক্ষমতা আৰু পৰিচালন ক্ষমতা থাকিব লাগিব।

৬। তেওঁ এজন ভাল সংযোগকাৰী হ'ব লাগিব। মানুহৰ লগত ভালদৰে যোগাযোগ কৰিব পৰা আৰু বুজাই ক'ব পৰা গুণ থাকিব লাগিব। তেওঁৰ সংযোগকাৰী গুণ আকৰ্ষণীয় হ'ব লাগিব।

৭। তেওঁ সকলো ক্ষেত্ৰতে উদ্যোগী ব্যক্তি হ'ব লাগিব।

৮। কোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা জনসম্পৰ্ক বা গণসংযোগ বা সাংবাদিকতা বিষয়ত স্নাতকোত্তৰ ডিপ্লমা বা স্নাতকোত্তৰ ডিগ্ৰী থাকিব লাগিব।

**এজন জনসম্পৰ্কৰক্ষী বিষয়াৰ কাৰ্যাৱলী ঃ**

**১। সংযোগপ্ৰধান ঃ-** এজন জনসম্পৰ্কৰক্ষী বিষয়া এজন সংযোগকাৰী। তেওঁ ঘৰুৱা পত্ৰিকা, বিভিন্ন কাকত, আলোচনী, প্ৰেছ বিজ্ঞপ্তি আদিৰ জৰিয়তে প্ৰতিষ্ঠানৰ বিভিন্ন নীতি, ধাৰণা আদি জনসাধাৰণ, প্ৰতিষ্ঠানৰ পৰিচালক মণ্ডলী, গণমাধ্যমৰ

আগত ব্যাখ্যা আগবঢ়াব লাগে।

২। **পৰিকল্পনা** ঃ- কেনেকৈ কোনো এটি পৰিসেৱা জনসাধাৰণৰ মাজলৈ লৈ যাব পাৰি, কি কি মাধ্যম ব্যৱহাৰ কৰিলে জনসাধাৰণ আকৃষ্ট হ'ব, প্ৰচলিত নীতিত কেনেধৰণৰ নীতি সংযোগ কৰিলে অধিক জনপ্ৰিয় হ'ব সেই বিষয়ে পৰিকল্পনা কৰি পৰিচালক মণ্ডলীক জনোৱাটো এজন জনসম্পৰ্কবিদৰ কৰ্তব্য।



৩। **ভাবমূৰ্ত্তি নিৰ্মাণ** ঃ- এজন জনসম্পৰ্কৰক্ষী বিষয়াই বিভিন্ন কাৰ্যপদ্ধতিৰ জৰিয়তে প্ৰতিষ্ঠানৰ ভাৱমূৰ্ত্তি জনসাধাৰণৰ সন্মুখত উজ্জ্বল কৰি ৰখাৰ দায়িত্ব বহন কৰে।

৪। **সমস্যা সমাধান** ঃ- এটি প্ৰতিষ্ঠানৰ বিভিন্ন সময়ত উদ্ভব হোৱা সমস্যা তথা সংকটৰ সমাধানকাৰীৰ ভূমিকা এজন জনসম্পৰ্কৰক্ষী বিষয়াই পালন কৰে। ধৰ্মঘট, অনশন, দাবীপূৰণ, বনুৱা, কৰ্মচাৰীৰ বন্ধ আদিতো তেওঁ ভূমিকা পালন কৰে।

৫। **আয়োজন** ঃ- এজন জনসম্পৰ্কৰক্ষী বিষয়াৰ কোনো অনুষ্ঠান আয়োজন কৰাৰ ক্ষমতা থকা প্ৰয়োজন। জনসম্পৰ্কৰক্ষী বিষয়াই বিভিন্ন সংবাদ মেল বা সাংবাদিক সন্মিলন, প্ৰেছ ব্ৰিফিং, নানান অনুষ্ঠান, সাংস্কৃতিক অনুষ্ঠান আদি আয়োজন কৰিব লাগে।

৬। **অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক** ঃ- এজন জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰতিটো বাণিজ্যিক বৰ্ষৰ বাবে জনসম্পৰ্ক কাৰ্যসূচী আৰু অভিযান চলাবলৈ প্ৰয়োজনীয় বাজেট প্ৰস্তুত কৰিব লাগে। বিভিন্ন শিতানত খৰচ কৰা ধনৰ হিচাপ খৰচৰ অন্তত কোষাধ্যক্ষক হিচাপ দাখিল কৰিব লাগে।

এজন জনসম্পৰ্কৰক্ষী বিষয়াই বিভিন্ন সমাজকল্যাণমূলক কাম যেনে উৎসৱ অনুষ্ঠানত বা বিভিন্ন সামাজিক গোটক অৰ্থ সাহাৰ্য আগবঢ়াব লাগিব।

এজন জনসম্পৰ্কৰক্ষী বিষয়াই পৰিসেৱা চলাই যোৱাৰ কাৰণে চৰকাৰৰ লগত এটি সুসম্পৰ্ক ৰজাই ৰাখিব লাগিব। ৰাজনৈতিক দলসমূহকো বহু পৰিমাণে সহায় কৰে যাতে চৰকাৰ গঠন কৰাৰ পিছত তেওঁলোকে স্বতন্ত্ৰভাৱে কাম কৰিব পাৰে।

**জনসম্পৰ্কৰ ক্ষেত্ৰত জনমত** ঃ- জনসম্পৰ্কৰ বিভিন্ন উদ্দেশ্য থাকে। ইয়াৰ আটাইতকৈ মুখ্য উদ্দেশ্য হৈছে জনমত গঠন কৰা আৰু সেই জনমতক নিজৰ পক্ষলৈ টানি অনা। জনমত হৈছে প্ৰধানতঃ জনতাৰ মত। গণতান্ত্ৰিক শাসন ব্যৱস্থাত জনমতৰ গুৰুত্ব আটাইতকৈ বেছি। ই কেৱল জনসম্পৰ্কৰ ক্ষেত্ৰতেই যে কাম কৰে তেনে নহয়। সক্ৰিয় জনমত গঠনে এখন চৰকাৰক শাসনৰ পৰা অৱনমিত কৰি আন এখন চৰকাৰ পাতিব পাৰে।

জনসম্পৰ্কই সদায় চেষ্টা কৰা উচিত জনমতৰ গভীৰতা নিৰ্ণয় কৰিবলৈ, বিশ্লেষণ কৰিবলৈ, তথ্য আৰু তত্ত্বৰে জনমতক প্ৰভাৱিত কৰিবলৈ। জনমত যদি জনসম্পৰ্কৰ সপক্ষে থাকে তেনেহ'লে তাক আৰু দৃঢ় কৰি তুলিব পাৰি আৰু যদি বিপক্ষে থাকে তেনেহ'লে তাক সপক্ষে আনিব লাগিব। সেয়ে জনতাৰ দৃষ্টিভংগী কি, কিয় আৰু কেনেকৈ প্ৰভাৱিত কৰা যায় সেই তথ্য সংগ্ৰহ কৰিবলৈ জনসম্পৰ্ক তৎপৰ হ'ব লাগিব।

জনমত গঢ়ি তুলিবৰ বাবে বা বিচাৰ কৰিবৰ বাবে বহুসময়ত সমীক্ষাৰ প্ৰয়োজন হয়। বৰ্তমান সাধাৰণ নিৰ্বাচনৰ আগে আগে বিভিন্ন গণমাধ্যম বা ৰাজনৈতিক দলসমূহে ভোটৰ সমীক্ষাৰ আয়োজন কৰে। তথ্যই হৈছে সমীক্ষাৰ ভিত্তি। প্ৰাথমিক তথ্য গৱেষণা ক্ষেত্ৰৰ পৰা বিভিন্ন প্ৰক্ৰিয়াৰ জৰিয়তে গ্ৰহণ কৰা হয়। যেনে- সাক্ষাৎকাৰ, পৰ্যবেক্ষণ, প্ৰশ্নমালা, ঘটনা-বিশ্লেষণ আদিৰ জৰিয়তে প্ৰাথমিক তথ্য সংগ্ৰহ কৰা হয়। আকৌ বিভিন্ন কিতাপ, আলোচনা, দৃশ্য, শ্ৰাব্য অনুষ্ঠান আদিৰ পৰা সংগৃহীত তথ্য গ্ৰহণ কৰা হয়।

এটি সমীক্ষাৰ প্ৰথম কাম হৈছে- বিষয়বস্তু স্থিৰ কৰা আৰু সমস্যাৰ বিশ্লেষণ কৰা। তাৰ পিছত সমীক্ষাৰ পদ্ধতি আৰু ক'ৰ পৰা তথ্য সংগ্ৰহ কৰা যাব আদি ঠিক কৰা হয়। তৃতীয়তে, তথ্য সংগ্ৰহৰ কাৰণে সাক্ষাৎকাৰৰ প্ৰশ্ন আৰু প্ৰশ্নমালা তৈয়াৰ কৰা হয়। ইয়াৰ পিছৰ পৰ্যায়ৰ সমীক্ষাৰ বাবে ক্ষেত্ৰ নিৰ্বাচন কৰাৰ প্ৰয়োজন। পঞ্চম পৰ্যায় হৈছে, আটাইতকৈ গুৰুত্বপূৰ্ণ পৰ্যায়। এই পৰ্যায়ত বিভিন্ন উৎস আৰু সূত্ৰৰ পৰা তথ্য সংগ্ৰহ কৰা হয়। ইয়াৰ পিছৰ পৰ্যায়ত সংগৃহীত তথ্যৰ বিশ্লেষণ কৰা হয় আৰু শেষত সমীক্ষা প্ৰতিবেদন বা গৱেষণা প্ৰস্তুত কৰা হয়। কোনো এটি সমস্যাৰ উদ্দেশ্য জনমত নিৰ্ধাৰণ কৰিবৰ বাবে সমীক্ষা সৰ্বজন গৃহীত পদ্ধতি।

**গণতান্ত্ৰিক আৰু ৰাজনৈতিক ক্ষেত্ৰত জনসম্পৰ্ক** ঃ- গণতন্ত্ৰৰ অৰ্থ মানুহৰ দ্বাৰা, মানুহৰ বাবে, মানুহৰ চৰকাৰ।

ভাৰতীয় সংবিধানৰ ১৯(১) (ক) অনুচ্ছেদত প্ৰত্যেক নাগৰিকৰ বাবে বাক্ স্বাধীনতা সন্নিবিষ্ট কৰা হৈছে। বাক্ স্বাধীনতা নাথাকিলে জনসম্পৰ্ক সম্ভৱ নহয়। বৰ্তমান ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু শিক্ষাজগতত জনসম্পৰ্কৰ গুৰুত্ব বৃদ্ধি পাইছে। গণতন্ত্ৰ শব্দটিৰ মাজতেই গণসংযোগ নিৰ্হিত হৈ আছে। যি ৰাষ্ট্ৰ ব্যৱস্থাত জনগণৰ সন্মতিৰ প্ৰয়োজন হয়, যি ৰাষ্ট্ৰ ব্যৱস্থাত জনগণেই ক্ষমতাৰ উৎস, সেই ব্যৱস্থাত জনমত গঠন কৰাই হৈছে ৰাজনীতিৰ মূল লক্ষ্য। গণতন্ত্ৰত জনমতে কোনো বিষয়ৰ সপক্ষে থাকিলেহে তাক কাৰ্যকৰী কৰা সম্ভৱ।

গণতন্ত্ৰৰ বাহিৰে আন সকলো ৰাষ্ট্ৰ ব্যৱস্থাতেই দ্বিপাক্ষিক সংযোগৰ অৱকাশ নাথাকে। গণতান্ত্ৰিক শাসন ব্যৱস্থা মানি চলা চৰকাৰেই হৈছে একমাত্ৰ চৰকাৰ য'ত দ্বিপাক্ষিক সংযোগৰ ব্যৱহাৰ হয়। গণতান্ত্ৰিক শাসন ব্যৱস্থাত জনসাধাৰণে জনমত গঢ়ি তুলিব আৰু সেই জনমতৰ জৰিয়তে চৰকাৰক নীতি গ্ৰহণ কৰিবলৈ বাধ্য কৰাব পাৰে। গণতন্ত্ৰক এফালে যেনেকৈ মানৱ অধিকাৰ স্বীকৃত, আনফালে প্ৰত্যেক ব্যক্তি আৰু জাতি-জনজাতি সকলোকে অধিকাৰ আছে নিজৰ মতামত প্ৰকাশ আৰু প্ৰচাৰ কৰিবলৈ। ইয়াৰ বাবে গণমাধ্যমৰ দুৱাৰ সদায় খোলা আছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানে সম্পূৰ্ণৰূপে প্ৰেছক স্বাধীনতা দিছে। সেয়েহে গণতান্ত্ৰিক শাসনব্যৱস্থাত জনসম্পৰ্কৰ গুৰুত্ব যথেষ্ট বেছি।

ৰাজনৈতিক দলৰ জনসম্পৰ্ক ঃ- গণতান্ত্ৰিক ব্যৱস্থাত বহুতো ৰাজনৈতিক দলে আত্মপ্ৰকাশ কৰে। প্ৰত্যেক দলৰেই নিজস্ব আদৰ্শ, সংগঠন শক্তি আৰু উদ্দেশ্য থাকে। প্ৰত্যেক দলেই বিচাৰে নিজৰ মতাদৰ্শ প্ৰচাৰ কৰিবলৈ। এই মতাদৰ্শ বিস্তাৰৰ দ্বাৰা এটি সংগঠনৰ শক্তি বৃদ্ধি পায় আৰু শাসন যাতে নিজৰ হাতলৈ আহে, তাৰ বাবে চেষ্টা কৰে বৰ্তমান ৰাজনৈতিক দলসমূহে জনসম্পৰ্ক বিভাগ আৰু বিশেষ দক্ষতাসম্পন্ন জনসম্পৰ্কবিদ নিযুক্ত কৰে। গিলিয়াৰ ডায়াৰে তেওঁৰ 'Advertising communication' 1982 গ্ৰন্থত কৈছে যে ৰাজনীতিবিদসকলে কেনেকৈ কেমেৰাৰ সন্মুখলৈ যাব লাগে, কথা ক'ব লাগে, এখন মঞ্চত কেনেদৰে খোজ কাঢ়িব লাগে কেনেকৈ জনসমাগমত এটি শিশুক চুমা খাব লাগে, এই সকলো পদতেই জনসম্পৰ্কৰ প্ৰচাৰবিদে তেওঁক অনুশীলন কৰায়।

উন্নত দেশসমূহত ৰাজনৈতিক দলসমূহে বেচৰকাৰী অনাঁতাৰ আৰু দূৰদৰ্শন কেন্দ্ৰসমূহৰ পৰা তেওঁলোকৰ প্ৰচাৰ সময় কিনি লৈ নিজৰ দলৰ প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰে। বাতৰিকাকতসমূহত যেনেদৰে ৰাজনৈতিক দলে বিজ্ঞাপন দিয়ে, ঠিক সেইদৰে শ্ৰাব্য আৰু দৃশ্য, শ্ৰাব্য মাধ্যমসমূহতো বিজ্ঞাপন দিয়ে। ৰাজনৈতিক দলসমূহে নিৰ্বাচনৰ আগত যি দলীয় ইস্তাহাৰ প্ৰকাশ কৰে তাৰ ভিডিঅ' সংস্কৰণো বৰ্তমান প্ৰকাশ কৰা হয়। এইবোৰ জনসম্পৰ্ক আধুনিকতম প্ৰচাৰ পদ্ধতি।

বাস্তৱত জনসম্পৰ্ক ঃ- জনসম্পৰ্ক এটি পৰিচালন কাৰ্যসূচী আৰু যিহেতু মনস্তত্ত্বক লৈ জনসম্পৰ্কই কাম কৰিব লাগে, সেয়ে বৈজ্ঞানিক পদ্ধতিৰে উদ্দেশ্য প্ৰণোদিতভাৱে পৰিকল্পিত আৰু নিৰৱচ্ছিন্ন প্ৰচেষ্টাই জনসম্পৰ্কৰ মূল আধাৰ। এই দৃষ্টিভংগীৰ পৰা ইয়াৰ বৈজ্ঞানিক ভিত্তি আছে। জনসম্পৰ্কৰ আকৰ্ষণ কৰিব পৰা কথা শৈলী আৰু চিত্ৰায়নৰ জৰিয়তে বিভিন্ন গোষ্ঠীৰ ওচৰলৈ যোৱা আৰু ইয়াত সুক্ষ্ম আৰু সুন্দৰ আবেগ জড়িত হৈছে, সেয়ে সামাজিক দৃষ্টিভংগীৰ ফালৰ পৰা ই এটি শিল্প। শিল্প আৰু বিজ্ঞানৰ স্পৰ্শ থাকিলেও ই চিকিৎসা বা ওকালতিৰ দৰেই এটি পেছা বা বৃত্তিহে।

জনমত গঠনৰ দায়িত্ব এই বিভাগৰ বুলি কোৱা হৈছে যদিও আমাৰ দৰে দেশসমূহত জনসম্পৰ্কই জনমত গঠনৰ ভূমিকা গ্ৰহণ কৰাটো একেবাৰেই অনিশ্চিত। এজন জনসম্পৰ্কৰক্ষী বিষয়াই এটি প্ৰতিষ্ঠানৰ সকলো কাম-কাজ পৰিচালনা কৰাৰ উপৰিও গণমাধ্যমৰ লগতো সম্পৰ্ক ৰক্ষা কৰি চলে। সেয়েহে তেওঁ প্ৰতিষ্ঠানৰ কোনো ভিতৰুৱা খবৰ জনাই দিব পাৰে সেয়েহে জনসম্পৰ্কৰ বহু ভিতৰুৱা কথা গোপনে ৰখা হয় বিভাগৰ তৰফৰ পৰা।

জনসম্পৰ্কৰ কাম বহু সূক্ষ্মভাৱে কৰিব লাগে। ইয়াৰ পৰিকল্পনা দীৰ্ঘম্যাদী। তদুপৰি জনসম্পৰ্কৰ কাম সম্পূৰ্ণ পেছাদাৰী হ'ব লাগে। কিন্তু বৰ্তমানলৈকে বেছিভাগ প্ৰতিষ্ঠানেই জনসম্পৰ্কবিদ পেছাদাৰী নহয়, কাৰণ তেওঁলোক প্ৰশিক্ষিত নহয়। তদুপৰি ইয়াৰ নীতি বিধি আৰু আচৰণ বিধিসমূহ কিমান পৰিমাণে বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছে সেয়া চিন্তনীয় বিষয়। কিয়নো, বৰ্তমানৰ প্ৰতিযোগিতামুখী পৃথিৱীত সকলো আদৰ্শ, ন্যায়-নীতি পালন কৰা সম্ভৱো নহয়। ❖❖

● *লেখিকা স্নাতক প্ৰথম বৰ্ষৰ ৰাজনীতি বিজ্ঞানৰ ছাত্ৰী*

# আহোম যুগৰ উল্লেখযোগ্য কীৰ্তিচিহ্ন— গড়



*এক চমু দৃষ্টিপাত*

উৎপলা দেৱী

আহোম সকলৰ ছশ বছৰীয়া ৰাজত্বকালত অসমীয়া জাতিয়ে শাসন প্ৰণালী, অৰ্থনৈতিক স্বনিৰ্ভৰশীলতা, স্থাপত্য-ভাস্কৰ্য, কৃষ্টি-সংস্কৃতি আদি সকলো দিশতে উচ্চ শিখৰত আৰোহন কৰিছিল। আহোম সকলে অসমত শাসন কৰাৰ পৰা অসমৰ জাতীয় জীৱনলৈ আমূল পৰিবৰ্তন আহিল। বিশেষকৈ, সপ্তদশ-অষ্টাদশ শতিকাত স্থাপত্য কলাই বিভিন্ন বৈচিত্ৰ্যৰে পৰিপূৰ্ণতা লাভ কৰিলে। এই সময়ছোৱাতে অসমত অসংখ্য মন্দিৰ, অট্টালিকা নিৰ্মিত হ'ল, বিভিন্ন ঠাইত পুখুৰী খন্দোৱা হ'ল। এই দ'ল-দেৱালয়, অট্টালিকা, মৈদাম, পুখুৰী আদি কীৰ্তিচিহ্ন বিলাকে আজিও আহোম যুগৰ গৌৰৱ বহন কৰি আছে। আহোম যুগৰ অন্যতম কীৰ্তিচিহ্ন হৈছে গড়সমূহ। আহোম সকলৰ শাসন কালতে গড়মৰা প্ৰথা শুভাৰম্ভ ঘটিছিল। সেই সময়ত নগৰ প্ৰতিষ্ঠা কৰি তাৰ চাৰিওফালে গড় মৰা হৈছিল। এই গড় সমূহে এফালে যেনেকৈ নগৰখনক সুৰক্ষা প্ৰদান কৰিছিল, আনফালেদি এইবোৰ আহোম সকলৰ যুদ্ধৰ কৌশলৰ অন্যতম অংগ আছিল। এই আলোচনাত আহোম যুগৰ গড় সমূহৰ নিৰ্মাণ শৈলী তথা ঐতিহাসিক তথ্যৰ আধাৰত গড় সমূহৰ চমু পৰিচয় দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

গড়বোৰৰ নিৰ্মাণ শৈলী সম্পূৰ্ণৰূপে সুৰক্ষা প্ৰদানৰ দিশটোৰ ওপৰত নিৰ্ভৰশীল আছিল। সন্মুখৰ ফালে থিয় কৰি খুব ওখকৈ গড়বোৰ নিৰ্মাণ কৰা হৈছিল। গড়ৰ কাষত গড়খাৱৈ খন্দোৱা হৈছিল যাতে শত্ৰুৱে সহজে গড়ত উঠিব নোৱাৰে। গড়খাৱৈৰ মাটি গড়ত জাপি দি হাতীৰে গছকাই মজবুত কৰা হৈছিল। ইয়াৰ বাহিৰেও ভিতৰত শিল জাপি ওপৰত মাটি দিও গড় নিৰ্মাণ কৰা হৈছিল। গড়বোৰ নিৰ্মাণ কৰোতে বিভিন্ন কৌশল অৱলম্বন কৰা হৈছিল। খাৱৈৰ বাহিৰত সৰু সৰু খাল খান্দি তাত জোং পুতি, খালৰ ওপৰত মানুহ বা ঘোঁৰা উঠিলেই ভগাকৈ চাং পাতি ওপৰত ঘাঁহ-বন দি চিনিব নোৱাৰাকৈ থোৱা হৈছিল। এনে চাঙত শত্ৰু উঠিলে জোং পুতি থোৱা খালত পৰে আৰু গড়ৰ ওপৰৰ পৰা সৈন্যবিলাকে বৰতোপ, হিলৈ, কাঁড় আদিৰে শত্ৰুক ধৰাশায়ী কৰে। যুদ্ধৰ কৌশল হিচাপেও গড়সমূহ ব্যৱহাৰ কৰা হৈছিল। গড়ৰ বাহিৰ হৈ দেখা-দেখিকৈ শত্ৰুক আক্ৰমণ কৰাৰ ৰীতি অসমীয়া সৈন্যৰ নাছিল। "পাদ চাহ নামা"ৰ বিৱৰণত পোৱা যায় যে অসমীয়া সৈন্য আগবাঢ়োতে অতি ক্ষিপ্ৰতাৰে আৰু কৌশলেৰে বাঁহৰ বেৰা দি মাটিৰ গড় বান্ধি তাৰ কেউফালে খাৱৈ খান্দে। শত্ৰুৱে গড়ৰ ভিতৰ সোমাব নোৱাৰি বহুদিন খাপপিতি বৈ থাকিব লগা হোৱাত খাদ্যৰ নাটনিত মৃত্যুমুখত পৰিছিল। শত্ৰুৱে গড়ৰ ভিতৰলৈ সোমাব নোৱাৰি খাৱৈৰ তলেদি গাত খান্দি খাৰ ভৰাই জুই দি গড় ভাঙিবৰো চেষ্টা কৰে। 'সাতসৰী অসম বুৰঞ্জী'ত পোৱা যায়- - "বঙ্গাল ভাগি গৈ হাজোত বহি গড় ভাঙ্গিবলৈ মন্ত্ৰণা কৰি খাৱৈৰ তলে গাত খানি তল উলিয়াই খাৰ ভৰাই জুই লগাই ৪ বেঞ গড় ভাগিলে। পাণ্ডুয়েদি এই কথা গোহাঁয়ে জানি সাৱধানে আছিল। ততক্ষণে গোহাঞে ঢৰা মাৰি মাটি দি গড় বান্ধিলে। ৰামসিংহে সেইক্ৰমে খহাব নোৱাৰি বোলে অচমৰ সমুখে যি আহিব তাৰ গালত হাড়ীৰ ঝাটে কোবাব।" (ছেদ ২০১)

গড়ত উঠিবলৈ চেষ্টা কৰা শত্ৰুক গড়ৰ ওপৰৰ পৰা কাঠ পেলাই খেদি পঠিওৱা হয়। "পাচে পাণ্ডুৱে নোৱাৰি সৰাইত গাত খানি খাৱৈ পুতি চাৰিটা বঙাল গড় উঠিল হি। আহোমৰ ডাঙ্গৰিয়াবোৰে কাঠ বগৰাই পঠালে।" (পুৰণি অসম বুৰঞ্জী, পৃঃ ১১০)

আহোম যুগত যুদ্ধৰ কৌশলৰ উপৰিও যাতায়তৰ সুগম পথ হিচাপেও গড়সমূহ ব্যৱহাৰ কৰা হৈছিল। প্ৰথমে প্ৰতিৰক্ষাৰ

কামত ব্যৱহাৰ হোৱা গড়বোৰ কালক্ৰমত খহি প্ৰজা অহা-যোৱা কৰা পথত পৰিণত হৈছিল।

আহোম যুগৰ এই গড়সমূহক দুটা দিশৰ পৰা শ্ৰেণীবিভাগ কৰিব পাৰি। (ক) অৱস্থানগত দিশৰ পৰা, (খ) নিৰ্মাণ কৌশলৰ দিশৰ পৰা।

(ক) অৱস্থানগত দিশৰ পৰা গড়বোৰক তিনিটা ভাগ কৰা হৈছে-

১। ৰাজধানী বেঢ়ি প্ৰধান গড় বা শুাজগড় ঃ- শুাজগড় গোটেই ৰাজধানীক বেঢ়ি লৈ মৰা হয়। এই গড়ত থকা দুৱাৰবোৰক সিংহদুৱাৰ বোলে।

২। মাজগড় ঃ বাজগড়ৰ ভিতৰত বাজগড়ৰ পাছতে যিটো গড় পোৱা যায় সেয়া হৈছে মাজ গড়।

৩। ভিতৰ গড় ঃ মাজগড়ৰ পাছত সাধাৰণতে কাৰেঙক বেঢ়ি নহলে কাৰেং থকা অঞ্চলটো বেঢ়ি ভিতৰ গড় নিৰ্মাণ কৰা হয়।

খ) নিৰ্মাণ কৌশলৰ দিশৰ পৰা গড়সমূহক কিছুমান ভাগত ভাগ কৰা হয়। যেনে ঃ মাটি গড়, ইটা গড়, বাঁহ গড়, পানী গড়, কাঠ গড়, বালি গড় ইত্যাদি।

মাটি গড় মাটিৰেই নিৰ্মাণ কৰা হয়। মাটিৰ ওপৰত শিল জাপি পুনৰ মাটি দিও এই গড় নিৰ্মাণ কৰা হয়। ইটাগড় ইটাৰে বন্ধা হৈছিল। গড়গাওঁ, নুমলীগড় আদিত এতিয়াও ইটাগড়ৰ নিদৰ্শন পোৱা যায়। বাঁহ গড় মাটিৰে নিৰ্মিত গড়েই। কিন্তু এই গড়ৰ ওপৰত ডাঠকৈ কোটোহা বাঁহ ৰুই দিয়া হৈছিল যাতে শত্ৰুৱে গড় বগাই সহজে যাব নোৱাৰে। এনে গড়ত বাঁহৰ আঁৰৰ পৰা শত্ৰুক আক্ৰমণ কৰিবলৈ সহজ হয়। পানীৰ যুদ্ধত কাঠেৰে পানীত গড় মাৰি যুদ্ধ কৰা হৈছিল। Dr. J.P. Wadeৰ উদ্ধৃতি মতে—"উজনিৰ ফালৰে ঢাল খুৱাই দীঘল আৰু মজবুত কাঠৰ চ'তি লগাই এই দলং বা গড় নৈৰ বালিৰ এমূৰৰ পৰা সিমূৰলৈ মাৰে। দুটা চ'তি ইটোৱে সিটোক পাৰ হৈ যোৱাকৈ লগ লগোৱা হয় আৰু লগ লগা ঠাইত ভালকৈ গাঁঠি দিয়া হয়। তাৰ ওপৰত সজা দলঙৰ পৰা সৈন্য বিলাকে শত্ৰু উজনিলৈ সোমোৱাৰ পৰা দেশ ৰক্ষা কৰে। নিজৰ নাও যাতায়ত কৰিবৰ কাৰণে মাজত খোলা ৰাখে। জৰুৰী অৱস্থাত নৈৰ দুই তিনিঠাইত এনে দলং সজা হয়। বাৰিষা ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতৰ পৰা ৰক্ষা কৰিবলৈ এই দলং বা পানীগড় বিলাক অতি মজপুতকৈ সাজিব লগাত পৰে।" (ইতিহাসে সোঁৱৰা ছশটা বছৰ, পৃঃ ২৫৪)

এনে বিৱৰণৰ পৰা আহোমৰ শাসনকালত সুৰক্ষা প্ৰদানত গড় সমূহে যে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল সেই কথা অনুমান কৰিব পাৰি।

এই বিভাজন সমূহৰ উপৰি আৰু এক প্ৰকাৰৰ গড় পোৱা যায়, সেয়া হৈছে জীৱ-জন্তু আৱদ্ধ কৰি ৰাখিবৰ বাবে মৰা পশু গড়। আহোমৰ স্বৰ্গদেউ সকলৰ দিনত পশুগড় ও মৰোৱা হৈছিল। এই গড় মাৰি ভিতৰত ভাগভাগকৈ নানা পশু যেনে-বাঘ, ভালুক, হৰিণ, ঘোঁৰা, মেথোন, ছাগলী আদি ৰখাৰ ব্যৱস্থা কৰা হৈছিল। খাৰৈবোৰত বেলেগ বেলেগকৈ মাছ, কাছ, ঘঁৰিয়াল আদি জলচৰ জীৱ বেৰা বা বান দি থোৱা হৈছিল। গড়ৰ চাৰিওফালে মাজে মাজে মানুহ অহা যোৱা কৰিব পৰা বাট নিৰ্মাণ কৰি দিয়া হৈছিল। সেইবোৰেদি মানুহে জীৱ-জন্তু চাবও পাৰিছিল। এনে গড়ৰ দুৱাৰ মুখত শালকাঠৰ জাপ দুৱাৰ দিয়া হৈছিল।

পশুগড়ৰ ভিতৰত দুই প্ৰকাৰৰ গড়ৰ কথা পোৱা যায়--পহুগড় আৰু হাতীগড়। পহুগড়ৰ নামটো সম্ভৱ প্ৰথমতে পশুগড়েই আছিল পাছতহে মানুহৰ মুখত পৰি পহুগড় হ'লগৈ। শিৱসাগৰৰ জেৰেঙা পথাৰত এনে পহুগড়ৰ অস্তিত্ব এতিয়াও বিৰাজমান। হাতীগড় হাতী ধৰিবৰ বাবে মৰা হৈছিল। সেই সময়ত বনৰীয়া হাতী ধৰি ঘৰচীয়া কৰা হৈছিল। পৰ্বতৰ পৰা সমতললৈকে কেবামাইল জুৰি হাতী খেদি আনিবলৈ মাজেদি ঠেক বাট ৰাখি দুয়োফালে হাতী যাব নোৱাৰাকৈ গড় মৰোৱা হৈছিল। গড়ৰ মুখত জাপ দুৱাৰ থাকে। ঘৰচীয়া হাতীৰে সৈতে বনৰীয়া হাতী বলাই আনি গড়ত সুমুৱাই দুৱাৰ বন্ধ কৰি গড়ৰ কেওফালে দিনে ৰাতিয়ে পহৰা দি থকা হয়। এনে হাতীগড়ৰ ভগ্নাৱশেষ যোৰহাট নগৰৰ পাঁচ-ছয়মাইল পূৰ্বে এতিয়াও আছে। এই গড়টো হাতীগড় নামেই জনাজাত।

আহোম স্বৰ্গদেউ সকলৰ কোনে প্ৰথমে গড় মৰা প্ৰথা আৰম্ভ কৰিছিল জনা নাযায়। যদিও প্ৰথম আহোম স্বৰ্গদেউ চুকাফাই চৰাইদেউত গড় মাৰি ৰাজধানী স্থাপন কৰাৰ পৰা তেওঁৰেই প্ৰথম অসমত গড় মাৰে বুলি ক'ব পাৰি। বুৰঞ্জীৰ বিভিন্ন তথ্য অনুসৰি স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনতে সৰ্বাধিক গড় নিৰ্মাণ কৰাৰ কথা পোৱা যায়। স্বৰ্গদেউ চুহুংমুং ওৰফে দিহিঙীয়া ৰজাৰ (১৪৯৭-১৫৩৯খ্ৰীঃ) দিনত পচলা গড়, ডিবৰুমুখৰ গড়, মৰঙ্গি গড় নিৰ্মাণৰ কথা পোৱা যায়। দিহিঙীয়া ৰজাই চুতীয়া ৰজা ধীৰ নাৰায়ণৰ লগত যুদ্ধ দিবলৈ দিখৌমুখত কল পচলাৰে গড় নিৰ্মাণ কৰিছিল। ডিবৰুমুখৰ গড় ১৫২৩ খ্ৰীঃত আহোম সকলে ডিবৰু নদীৰ মুখত নিৰ্মাণ কৰে। স্বৰ্গদেউ চুক্লেনমুং ওৰফে গড়গঞা ৰজাই (১৫৩৯-৫২ খ্ৰীঃ) গড়গাৱলৈ ৰাজধানী স্থানান্তৰিত কৰি গোটেই গড়গাওঁ মেৰাই গড় মাৰিছিল। 'সাতসৰী অসম বুৰঞ্জী'ত পোৱা যায়—

"দিখৌকোখে সীমা পাটমালি ভিতৰ কৰি নগৰ মেৰাই গড় বান্ধি লৈ তাত এঘৰ মানুহ গুচাব নোৱাৰিলে। তাক হেমনা বুলি মাতে। সি বোলে— মোৰ আৰা কটা মাটি, ৰজা কি? এই নিমিত্তে নামফালে গড় কিছুখণ্ড হৈ থাকিল। সি মৰিলতহে গড় বান্ধিব দিলে। ........... ৰজায়ে নগৰৰ গড়গ্ৰাম নাম দিলে।" (ছেদ ৫৮)

স্বৰ্গদেউ চুচেংফা ওৰফে প্ৰতাপসিংহই (১৬০৩-৪১ খ্ৰীঃ) উত্তৰে জীয়াভৰলীৰ পৰা প্ৰায় সাতমাইল পূবে ব্ৰহ্মপুত্ৰৰ পৰা ডফলা পৰ্বতলৈ আৰু দক্ষিণে ব্ৰহ্মপুত্ৰৰ পৰা খাছীয়া-জয়ন্তীয়া পাহাৰলৈকে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে গড় নিৰ্মাণ কৰাইছিল।

এইজনা ৰজাৰ শাসনকালতে চুফ্রাই গড়, শিলাৰ গড়, মহঙৰ গড়, চিনাতলি গড়, কটাৰিখামৰ গড়, ৰাঙলী গড়, জামিৰগুৰি গড়, লখৌ গড়, নুমলীগড়, সলালগড়, ডফলা গড়, মেছাগড়, চামধৰা গড়, ভড়ৰি গড়, শিমলুগড়, চেচামুখৰ গড়, তুলসীজানৰ গড়, সোন্ধাগড়, কলিয়াবৰ গড়— আদি গড়সমূহ নিৰ্মাণ কৰা হয়। স্বৰ্গদেউ প্ৰতাপসিংহই যোৰহাটত অৱস্থিত লাহদৈ গড়ও নিৰ্মাণ কৰিছিল। 'আহোমৰ দিন' গ্ৰন্থত প্ৰাপ্ত তথ্য মতে- "পাচে সেই দাইতে থাওম্যুং সন্ধিকাই বৰবৰাক বৰবৰা ভাণ্ডি লাহদৈ গড় বন্ধাই সেই ঠাইতে ঘৈণীয়েক সহিতে দুইকো টঙ্গনিয়াই মাৰিব দিলে। বৰবৰাৰ ঘৈণীয়েকৰ নাম আছিল লাহদৈ।"(পৃঃ ৮৩)

ৰজাক টান কথা শুনোৱাৰ অপৰাধত দণ্ডিত কৰি লাহদৈৰ নামেৰেই আৰম্ভ কৰি যোৰহাট পৰ্যন্ত মাছখোৱা গড় (বৰ্তমান ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ) নিৰ্মাণ কৰে। শিৱসাগৰৰ কালুগাওঁ অঞ্চলৰ কেৰিমেৰিগড়, ডিফলুমুখৰ গড় ও এইজনা ৰজাৰ ৰাজত্বতে নিৰ্মিত।

স্বৰ্গদেউ চুপুংমুঙ ওৰফে চক্ৰধ্বজ সিংহৰ (১৬৬৩-৬৯ খ্ৰীঃ) শাসনকালত শৰাইঘাটৰ যুদ্ধত সময়মতে গড় নিৰ্মাণ কৰিব নোৱৰাৰ অপৰাধত লাচিত বৰফুকনে মোমায়েকক কাটি দুছোৱা কৰিছিল। তেতিয়াৰ পৰা এই গড়টো মোমাইকটা গড় নামেৰে জনা যায়। গদাধৰ সিংহই (১৬৮১-৯৬ খ্ৰীঃ) শদিয়া গড়, মিৰি গড়, খঁৰাগড় আদি নিৰ্মাণ কৰে। তেওঁ মেচাগড়টো আগবঢ়াই পশ্চিমমুৱাকৈ বন্ধাইছিল। কিন্তু কালুগাঁৱৰ পৰা গড়টোৰ কাম নোহোৱাত খঁৰা হৈ থাকিল বাবে গড়টোৰ নাম হ'ল খঁৰাগড়। পৰৱৰ্তী আহোম স্বৰ্গদেউ সকল ৰুদ্ৰসিংহ, শিৱসিংহ, লক্ষ্মীসিংহ, চন্দ্ৰকান্ত সিংহ আদিৰ ৰাজত্ব কালতো অসংখ্য নিৰ্মাণ হোৱাৰ তথ্য বুৰঞ্জীসমূহত পোৱা যায়।

আহোমৰ শাসনকালত নিৰ্মিত অলেখ গড় অসমৰ চুকে-কোণে সিঁচৰতি হৈ আছে। একো একোটা গড়ৰ নামেৰে একোখন ঠাইৰ নামো গঢ় লৈ উঠিছে। আহোম যুগৰ অন্যান্য কীৰ্তিচিহ্ন সমূহক আমি যিমান গুৰুত্ব দিও গড়ক তেনে কীৰ্তিচিহ্নৰ শাৰীত আমি স্থান নিদিও। আমাৰ অৱহেলাৰ ফলস্বৰূপে এই গড়সমূহৰ বেছিভাগেই জহি-খহি নাইকিয়া হৈছে। এটা সময়ত হয়তো এই গড় বিলাকৰ নাম বুৰঞ্জীৰ পাততহে থাকিবগৈ। অসম চৰকাৰৰ পুৰাতত্ত্ব বিভাগ এই ক্ষেত্ৰত সচেতন হোৱা উচিত। এই আলোচনাত আহোম যুগৰ গড়সমূহৰ ওপৰত সাধাৰণভাবেহে আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে। এই আলোচনাত স্থান নোপোৱা আৰু বহুতো গড় আমাৰ আশে-পাশে আছে। এটা জাতিৰ কৰ্মনিপুণতা আৰু কৌশলী বিদ্যাৰ প্ৰতীক ৰূপে 'গড়' বোৰৰ ওপৰত অধিক অধ্যয়ন আৰু গৱেষণালব্ধ আলোচনা হলেহে এই কীৰ্তিচিহ্ন বিধ আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে ৰক্ষিত হ'ব। ❖❖

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১। সাতসৰী অসম বুৰঞ্জী— সম্পা. সূৰ্য্য কুমাৰ ভূঞা, Gauhati University, Second Edition- 1964

২। ইতিহাসে সোঁৱৰা ছশটা বছৰ— সৰ্বানন্দ ৰাজকুমাৰ, বনলতা- ডিচেম্বৰ, ২০০০

৩। আহোমৰ দিন- হিতেশ্বৰ বৰবৰুৱা, অসম প্ৰকাশন পৰিষদ, তৃতীয় প্ৰকাশ- ২০০৩

৪। পুৰণি অসম বুৰঞ্জী- সম্পা. পণ্ডিত হেমচন্দ্ৰ গোস্বামী, লয়াৰ্ছ বুক ষ্টল, দ্বিতীয় প্ৰকাশ, ১৯৭৭

৫। বুৰঞ্জী পৰশা ৰংপুৰ- সম্পাদক- সোণাৰাম বৰুৱা, ৰংপুৰ তিনিশ বছৰ উদ্‌যাপন সমিতি, শিৱসাগৰ।



● *লেখিকা অসমীয়া বিভাগৰ অংশকালীন সহঃ অধ্যাপিকা*



# হিন্দু বিবাহ ঃ এক অৱলোকন

মল্লিকা দত্ত

বিবাহ হৈছে সমাজৰ এক সাৰ্বজনীন সামাজিক সংস্থা। পৃথিৱীৰ প্ৰায়বিলাক সমাজ ব্যৱস্থাতেই বিবাহ সংস্থাৰ প্ৰচলন দেখিবলৈ পোৱা যায়। পৃথিৱীত বিভিন্ন প্ৰকাৰৰ সমাজ পদ্ধতি দেখিবলৈ পোৱা যায়। পৃথিৱীৰ এই সমাজ ব্যৱস্থাসমূহত প্ৰচলিত বিবাহ পদ্ধতিৰ ভিন্নতা দেখিবলৈ পোৱা যায়। বিবাহ পদ্ধতি একোখন সমাজত বিভিন্ন ধৰণে বিভিন্ন হব পাৰে। বিবাহৰ এই বৈচিত্ৰ্যপূৰ্ণ স্বৰূপৰ ফলত বিবাহ সম্পৰ্কে সৰ্বসন্মত একোটা সংজ্ঞা আগবঢ়োৱাতো কঠিন। বিবাহৰ বিভিন্ন বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ইয়াকে কব পৰা যায় যে বিবাহ এনে এক সামাজিক প্ৰথা যাৰ জৰিয়তে বিবাহিত পুৰুষ নাৰীয়ে যৌন সম্বন্ধ স্থাপনৰ যোগেদি সামাজিক স্বীকৃতি লাভ কৰে আৰু লগতে পতি-পত্নী আৰু পিতৃ-মাতৃ হিচাপে সামাজিক অধিকাৰ অৰ্জন কৰি সমাজৰ দায়িত্ব পালন কৰে। বিবাহ সম্পৰ্কে বিভিন্নজন পণ্ডিতে সংজ্ঞা আগবঢ়াইছে--

এডবাৰ্ড ওৱেষ্টাৰমাৰ্কৰ মতে-- "Marriage as the more or less durable connection between male and female, lasting beyond the near act of propagation till after the birth of offspring."

মেলিনৱ'স্কিৰ মতে-- "Marriage as a contract for the production and maintenance of children."

হৰ্টন আৰু হাণ্টৰ মতে-- "Marriage is the approved social pattern whereby two or more persons establish a family."

ল'ৱিৰ (Lowie) মতে-- "Marriage as a relatively permanent bond between permissible mates."

ওপৰোক্ত সংজ্ঞাসমূহৰ পৰা বিবাহ সম্পৰ্কে আমি ইয়াকে কব পাৰোঁ যে বিবাহ হৈছে সন্তান লাভৰ কাৰণে স্থায়ী আৰু নিয়মীয়াভাৱে হোৱা যৌন মিলন আৰু পিতৃ-মাতৃৰ দায়িত্ব পালনৰ বাবে নিজকে প্ৰস্তুত কৰি এক ব্যৱস্থা।

পৰম্পৰাগত ভাৰতীয় সমাজ ব্যৱস্থাত হিন্দু ধৰ্মাৱলম্বী

লোকসকলৰ মাজত আঠ প্ৰকাৰৰ বিবাহ পদ্ধতি প্ৰচলন থকাৰ কথা প্ৰকাশ পোৱা যায়। সেই প্ৰকাৰসমূহ আছিল– (ক) ব্ৰাহ্ম বিবাহ, (খ) দৈৱ বিবাহ, (গ) অৰ্চ বিবাহ, (ঘ) প্ৰজাপতি বিবাহ, (ঙ) অসুৰ বিবাহ, (চ) গন্ধৰ্ব বিবাহ, (ছ) ৰাক্ষস বিবাহ, (জ) পৈশাচ বিবাহ

ব্ৰাহ্ম বিবাহ অনুযায়ী কন্যাৰ পিতৃ-মাতৃয়ে বেদজ্ঞ আৰু বিদ্যান পুৰুষক নিমন্ত্ৰণ কৰি আনি কন্যাক বস্ত্ৰ অলংকাৰেৰে সুসজ্জিত কৰি বৈদিক মন্ত্ৰ পাঠ কৰি দান কৰা হয়। দৈৱ বিবাহত পিতৃ-মাতৃয়ে এক যজ্ঞৰ আয়োজন কৰে আৰু সেই যজ্ঞৰ পুৰোহিত জনলৈ বস্ত্ৰ আৰু অলংকাৰেৰে সুশোভিত কন্যাক অৰ্পন কৰে। অৰ্চ বিবাহ অনুযায়ী সুপুত্ৰ লাভৰ বাবে ঋষি মুনিলৈ কন্যাদান কৰে বা বিবাহ দিয়া হয়। প্ৰজাপত্য বিবাহত দৰা-কন্যাক সফল বৈবাহিক জীৱন যাপনৰ বাবে দৰা-কইনাক উপদেশ দিয়া হয়। অসুৰ বিবাহত কইনাৰ পিতৃ-মাতৃক বৰে কন্যামূল্য প্ৰদান কৰে। কন্যামূল্যৰ কোনো সীমা নাথাকে। গন্ধৰ্ব বিবাহ অনুযায়ী দৰা-কইনাই তেওঁলোকৰ প্ৰেমৰ পৰিণতিত গোপনে বিবাহ পাশত আৱদ্ধ হয়। পৈশাচ বিবাহত কন্যাক বলপূৰ্বকভাৱে বা নিদ্ৰিত অৱস্থাত উপভোগ কৰি অস্বাভাৱিকভাৱে বিবাহ পাশত আৱদ্ধ কৰে।

উপৰোক্ত আঠ প্ৰকাৰৰ বিবাহ পদ্ধতিৰ ভিতৰত ব্ৰাহ্ম বিবাহ পদ্ধতিক শ্ৰেষ্ঠ বিবাহ হিচাপে গণ্য কৰা হয়। বিবাহ প্ৰথাক পতি-পত্নীৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি পুনৰ এক পতি-পত্নী বিবাহ, বহুপতি বিবাহ আৰু বহু পত্নী বিবাহ হিচাপে ভাগ কৰিব পাৰি। কিছুমান সমাজত এজন পুৰুষ আৰু এগৰাকী নাৰীৰ মাজত বিবাহ হোৱাৰ বিপৰীতে কিছুমান সমাজত এজন পুৰুষক কেইবাগৰাকী পত্নী বা এগৰাকী মহিলাক কেইবাজনো পতি গ্ৰহণ কৰা দেখিবলৈ পোৱা যায়। কিন্তু বৰ্তমান প্ৰচলিত সমাজ ব্যৱস্থাৰ মুখ্যতঃ প্ৰজাপত্য বিবাহ আৰু অসুৰ বিবাহ প্ৰথাৰ প্ৰচলন দেখিবলৈ পোৱা যায়। প্ৰজাপত্য বিবাহ বেদৰ নিৰ্দেশমতে অনুষ্ঠিত কৰা হয় বাবে ক্ৰমে বিবাহক বৈদিক বিবাহ বুলিও কোৱা হয়। প্ৰজাপত্য বিবাহৰ মূল বৈশিষ্ট্য হৈছে হোম, কন্যাদান, পানীগ্ৰহণ, লাজাহোম, সপ্তপদিগমন আদি বৰে সত্য আৰু পৱিত্ৰতাৰ প্ৰতীক অগ্নিক ঘিটা সুঁতিৰে প্ৰজ্বলন কৰি হোমৰ শোভাৰম্ভ কৰে। কন্যাদানত কন্যাৰ অভিভাৱকে দৰাৰ হাতত কন্যাক অৰ্পন কৰে। পানীগ্ৰহণত বৰে কন্যাক গ্ৰহণ কৰে। লাজা হোমৰ দ্বাৰা কন্যাই বৰৰ দীৰ্ঘায়ু কামনা কৰি সেৱা জনায়। সপ্তপদিগমন অনুষ্ঠানত বিবাহিত জীৱনৰ সাতোটা মহান কৰ্তব্য পালনৰ বাবে শপত গ্ৰহণ কৰে।

**হিন্দু বিবাহৰ লক্ষ্য আৰু উদ্দেশ্য ঃ-** হিন্দু ধৰ্মৰ বিভিন্ন ধৰ্ম শাস্ত্ৰসমূহত উল্লেখ থকা মতে হিন্দু বিবাহৰ মূল লক্ষ্য হৈছে- ধৰ্ম, প্ৰজা, ৰতি। এই তিনিটাৰ উপৰিও হিন্দু ধৰ্মৰ আন কেইটামান উল্লেখযোগ্য উদ্দেশ্য দেখিবলৈ পোৱা যায়।

ধৰ্ম ঃ- হিন্দু সকলৰ বিশ্বাস অনুযায়ী বিবাহৰ জৰিয়তেহে



ধৰ্ম ৰক্ষা হয়। ধৰ্ম শাস্ত্ৰসমূহত উল্লেখ থকা মতে এজন ব্যক্তি গৃহস্থ নহ'লে ধৰ্ম ৰক্ষা কৰিব নোৱাৰে। গৃহস্থ, ধৰ্ম পালন কৰিবৰ বাবে ব্যক্তিক পত্নীৰ প্ৰয়োজন আৰু পত্নী লাভ হয় বিবাহৰ জৰিয়তে। অবিবাহিত লোকৰ জীৱন হিন্দু ধৰ্মৰ বাবে গ্ৰহণীয় নহয়। পতি-পত্নীয়ে একেলগ হৈহে ধৰ্ম সম্পাদন কৰে। হিন্দু ধৰ্মৰ অন্যতম ধৰ্মগ্ৰন্থ ৰামায়ণত উল্লেখ আছে যে শ্ৰীৰামচন্দ্ৰই অশ্বমেধ যজ্ঞ কৰাৰ সময়ত পত্নী সীতাৰ অনুপস্থিতিৰ বাবে স্বৰ্ণ সীতা নিৰ্মাণ কৰা কাৰ্যই ধৰ্মীয় ক্ষেত্ৰত স্ত্ৰী পুৰুষৰ সহযোগিতাৰ কথা সোঁৱৰাই দিয়ে। অবিবাহিত লোকক শাস্ত্ৰসমূহত অৰ্ধমানৱ বুলিহে অভিহিত কৰিছে। হিন্দু ধৰ্মত সেইকাৰণে পত্নীক সহধৰ্মিনী বুলি কোৱা হয়। হিন্দু ধৰ্মৰ মতে পুত্ৰ উৎপাদন মোক্ষৰ পথ। শাস্ত্ৰৰ মতে 'পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্যা' অৰ্থাৎ ভাৰ্যা সুখ-সম্ভোগৰ বাবে নহয় পুত্ৰ লাভৰ কাৰণেহে।

গৃহসূত্ৰসমূহত উল্লেখ আছে যে মানুহে জন্মতে তিনিটা ঋণ লৈ জন্মগ্ৰহণ কৰে। এই তিনিটা হৈছে- পিতৃ ঋণ, গুৰুঋণ আৰু দেৱঋণ। এই ঋণৰ পৰা মুক্তি লাভ কৰিবলৈ ব্যক্তিয়ে প্ৰতিদিনে পত্নীৰ সৈতে পঞ্চ মহাযজ্ঞ পালন কৰিব লাগে। এই পঞ্চ মহাযজ্ঞ হৈছে পাঁচোটা যজ্ঞৰ সমষ্টি। (ব্ৰহ্মাযজ্ঞ, পিতৃ যজ্ঞ, ভূতযজ্ঞ, দেৱযজ্ঞ, আৰু নৃযজ্ঞ)। হিন্দু ধৰ্মৰ বিশ্বাস মতে পুত্ৰসকল বংশৰ ৰক্ষকেই নহয় পূৰ্ব পুৰুষ সকলৰ শান্তিদাতা আৰু মুখ্যদাতা। এইদৰেই পুত্ৰ আৰু পত্নীৰ জৰিয়তে এজন হিন্দু ব্যক্তিৰ ধৰ্ম ৰক্ষা কৰা হয়।

**প্ৰজা ঃ-** হিন্দু বিবাহৰ দ্বিতীয় লক্ষ্য আৰু উদ্দেশ্য হৈছে প্ৰজা। পুত্ৰ সন্তান জন্ম দি বংশৰ পৰম্পৰা অটুত ৰখাটো হিন্দু বিবাহৰ এক লেখত লবলগীয়া উদ্দেশ্য হিন্দু ধৰ্ম শাস্ত্ৰৰ মতে "পুন্নামো নৰকাং ত্ৰায়তে ইতি পুত্ৰ" অৰ্থাৎ 'পু'নামে পিতৃ-মাতৃক নৰকৰ পৰা পৰিত্ৰাণ কৰা সন্তানেই হৈছে পুত্ৰ। এই পুত্ৰই পূৰ্বপুৰুষৰ বাবে জলপিণ্ড দান কৰিলেহে পূৰ্বপুৰুষে শান্তি আৰু মোক্ষ লাভ কৰিব পাৰে। গতিকে হিন্দু বিবাহৰ জৰিয়তে সন্তান লাভ কৰা অন্যতম উদ্দেশ্য।



ৰতি ঃ- হিন্দু বিবাহৰ তৃতীয় লক্ষ্য আৰু উদ্দেশ্য হৈছে ৰতি বা কামৰ সাধনা। ধৰ্ম ৰক্ষাৰ বাবে প্ৰজাৰ আৰু প্ৰজাৰ বাবে ৰতিৰ আৱশ্যক। মন আৰু আত্মাৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ শ্ৰৱণ, দৰ্শন, স্পৰ্শন, আস্বাদ আৰু গন্ধ এই পাঁচটিৰ সহায়ত স্ত্ৰী আৰু পুৰুষৰ আংগিক মিলনত তৃপ্তি লাভ কৰাটোকে 'কাম' বুলি কোৱা হয়। হিন্দু ধৰ্মৰ মতে ধৰ্ম, অৰ্থ, কামৰ সাধনাৰ জৰিয়তে মোক্ষ লাভ কৰিব পাৰি। ধৰ্মই নৈতিক বিধি বিধান, অৰ্থই অস্থায়ী সা-সম্পত্তি আৰু কামে প্ৰেম আৰু আনন্দদানৰ কথা সূচায়।

সমাজৰ প্ৰতি কৰ্তব্য ঃ- বিবাহৰ জৰিয়তে গঠন হোৱা একোটি পৰিয়ালৰ পাৰিবাৰিক কৰ্তব্যৰ দৰে সমাজৰ প্ৰতিও কৰ্তব্য আছে। শিশুক সামাজিকৰণ কৰাৰ দায়িত্ব সামাজিক পৰম্পৰা আৰু সংস্কৃতি ৰক্ষা কৰাত দায়িত্ব ঘাইকৈ বিবাহিত পতি-পত্নীয়ে সুচাৰুৰূপে পালন কৰিব লাগে। সামাজিক উন্নয়নমূলক কাম-কাজত অংশগ্ৰহণ, সামাজিক বিশৃংখলতা দূৰীকৰণ আদিও বিবাহৰ জৰিয়তে পৰিয়ালে কৰিব লগা অন্যতম কৰ্তব্য।

ব্যক্তিত্বৰ বিকাশ ঃ- হিন্দু ধৰ্মৰ মতে জীৱনত আহৰণ কৰা সকলো শিক্ষাৰ প্ৰয়োগ ঘটে বৈবাহিক জীৱনত। বিবাহৰ জৰিয়তেহে একোজন ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ ঘটে। পাৰিবাৰিক আৰু সামাজিক উন্নতি নিৰ্ভৰ কৰে ব্যক্তিৰ ব্যক্তিত্বৰ ওপৰততহে। বিবাহিত পতি -পত্নীয়ে সন্তানৰ ব্যক্তিত্ব বিকাশৰ দায়িত্ব গ্ৰহণ কৰে।

উপৰোক্ত লক্ষ্য আৰু উদ্দেশ্যসমূহৰ বাহিৰেও হিন্দু বিবাহৰ অন্য কিছুমান লক্ষ্য আৰু উদ্দেশ্য অতি মহান। হিন্দুসকলৰ বাবে বিবাহ এক সামাজিক বান্ধোনেই নহয় ই আজীৱন তথা জন্ম জন্মান্তৰৰ ধৰ্মীয় বান্ধোন। হিন্দু বিবাহৰ প্ৰতি পৰ্যায়তে ধৰ্মৰ যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। সেইকাৰণে হিন্দু বিবাহক এক ধৰ্মীয় সংস্কাৰ বুলি কোৱা হয়।

হিন্দু ধৰ্মৰ মতে, বিবাহ এক ধৰ্মীয় সংস্কাৰ সেয়ে ধৰ্মীয় দৃষ্টিকোণৰ ফালৰ পৰা হিন্দু বিবাহত বিচ্ছেদৰ স্থান নাই। কিন্তু সমাজৰ গতিশীলতা আৰু সময়ৰ প্ৰয়োজনীয়তাৰ খাতিৰত হিন্দু বিবাহ অধিনিয়ম ১৯৫৫ৰ মতে হিন্দুসকলৰ মাজত সাংবিধানিকভাৱে বিবাহ বিচ্ছেদৰ অনুমতি প্ৰদান কৰা হৈছে। এই অধিনিয়ম অনুযায়ী বিবাহ বিচ্ছেদৰ বাবে কিছুমান চৰ্ত্ত পূৰণ হব লাগিব। সেই চৰ্তসমূহ হৈছে--

১। যদি কোনো পক্ষ যৌন ব্যভিচাৰত লিপ্ত হয়

২। যদি কোনোজনে আন ধৰ্ম গ্ৰহণ কৰে

৩। যদি তিনিবছৰকাল কোনোবা এজন দুৰাৰোগ্য অসুখত ভুগি থাকে।

৪। যদি কোনো এজন সন্ন্যাসী হৈ গুচি যোৱা সাত বছৰৰ অধিক হয়

৫। যদি কোনোজন কুষ্ঠ বা যৌন ৰোগত আক্ৰান্ত হয়।

ওপৰোক্ত চৰ্তসমূহ গ্ৰহণীয় বুলি ন্যায়ালয় পতিয়ন গ'লেহে বিবাহ বিচ্ছেদ হব পাৰে। এই অধিনিয়ম অনুযায়ী বিবাহ হবলগীয়া লোকজনৰ বয়স ২১ বছৰ আৰু কন্যা গৰাকীৰ বয়স ১৮ বছৰ হব লাগিব। এই অধিনিয়মখনৰ ওপৰিও আন ভালেকেইখন অধিনিয়ম আছে।

The Child Marriage Restraint Act 1929 মতে বাল্যবিবাহ নিষিদ্ধ কৰা হৈছে। The Hindu Widow Remarriage Act 1856 মতে হিন্দু বিধৱা সকলক পুনৰ বিবাহৰ অনুমতি প্ৰদান কৰা হৈছে।

ভাৰতীয় হিন্দু সমাজৰ সাধাৰণ কাৰ্যকলাপ, শাৰীৰিক, মানসিক আৰু বৌদ্ধিক চিন্তা-চৰ্চাৰ সকলোবিলাক দিশেই ধৰ্মৰ ওপৰত আধাৰিত। বিবাহো ইয়াৰ ব্যতিক্ৰম নহয় বৈদিক যুগৰ আগৰ প্ৰাচীন বিবাহ সংস্কাৰ বিষয়ে কোনো ধৰণৰ তথ্য বুৰঞ্জীত পোৱা নগ'লেও ঋকবেদৰ সময়ৰেপৰা কেতবোৰ সাহিত্যিক তথ্যৰ সন্ধান পোৱা গৈছে। অতীত কালৰ পৰা ক্ৰমবৰ্ধমান গতিত চলি অহা বিবাহে, বৰ্তমান একবিংশ শতিকাৰ বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ চৰম উন্নতি সাধন হোৱাৰ লগে লগে সমাজৰ আন সংস্থা সমূহৰ দৰেই বিবাহৰ ক্ষেত্ৰতো যথেষ্ট পৰিমানৰ পৰিৱৰ্তন পৰিলক্ষিত হৈছে।❖❖

সহায়ক গ্ৰন্থপঞ্জী ঃ-
Indian Social System--- Ram Ahuja
An Introduction to Sociology--- Bidya Bhushan Vidya Bhusan, D.R. Sacdeva
ভাৰতীয় সমাজ পদ্ধতি-- উৎপল শইকীয়া

● *লেখিকা উঃ মাঃ দ্বিতীয় বৰ্ষৰ ছাত্ৰী*

# আমাৰ সমাজৰ
# নাৰী আৰু দাসত্ব

■ মাবিয়া ইয়াছমিন বড়া

নাৰী হৈছে এনে এক সংজ্ঞা, যি পানীৰ দৰে শীতল, নিৰ্মল, সাগৰৰ দৰে বহল আৰু ফুলৰ দৰে কোমল। নাৰীৰ চকুৰ আগত সপোনবোৰ বুকুত সোমাই বাস্তৱ ৰূপ লয়। নাৰীক আকুল প্ৰেমৰ পবিত্ৰতাৰ আখ্যা দিয়া হয়; নাৰী অবিহনে এখন অন্য পৃথিৱীৰ কল্পনা কৰিব নোৱাৰি। ই এক জীৱনৰ জটিল অংক। এখন সমাজ গঢ়িবলৈ যিদৰে এজন পুৰুষৰ প্ৰয়োজন ঠিক তেনেদৰে সমান প্ৰয়োজনীয়তা নাৰীৰো। এজন পুৰুষৰ বাবে নাৰীয়েই প্ৰেয়সী, মাতৃ, বন্ধু তথা জীৱনসংগিনী বুলি সমাজত এশাৰী মন্তব্য আছে। কবিয়ে কবিতা ৰচে নাৰীকলৈ, প্ৰকৃতিয়েও ৰূপ সলায় নাৰীকলৈ, সন্তান জন্ম দিয়াৰ পৰা প্ৰতিপালনলৈ নাৰীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সন্তানৰ বাবে মাতৃয়েই প্ৰথম শিক্ষয়িত্ৰী তথা পথ প্ৰদৰ্শক।

নাৰীৰ অবিহনে এখন সমাজ গঠন হোৱা বা আগবঢ়া সম্ভৱ নহয়। অথচ আজিও নাৰীয়ে নিজৰ উচিত আসনৰ পৰা বঞ্চিত। নাৰীক অৱহেলা কৰা আজিৰ কথা নহয় এয়া এক যুগৰ পৰা চলি আহিছে। যুগ যুগ ধৰি ৰক্ষণশীল সমাজে নাৰীক কৰি আহিছে কেৱল অন্যায় আৰু অত্যাচাৰ। ইয়াৰ অন্তৰালত সোমাই আছে অতীজৰে পৰা চলি অহা সামাজিক তথা ধাৰ্মিক কু-সংস্কাৰ আৰু আমাৰ পুৰুষ প্ৰধান শ্ৰেণীটো। সামাজিক, ৰাজনৈতিক সকলোতে নেতৃত্ব ল'ব পৰা গুণ নাৰীৰ থকা সত্বেও নাৰীক হেয়' জ্ঞান কৰে, জনা বুজা শিক্ষিত শ্ৰেণীৰ এচাম পুৰুষেও নাৰীক সম অধিকাৰ দিবলৈ আজিও মানসিকভাৱে প্ৰস্তুত নহয়। কিছুমান নিৰীহ অশিক্ষিত তথা শিক্ষিত নাৰীয়ে আজিও পুৰুষৰ দাসত্ব মানি লৈ ঘৰৰ চাৰিবেৰৰ মাজতে নিজক তথা মনটোক আৱদ্ধ কৰি থ'বলগীয়া হয়। যাৰ ফলত বৰ্তমান যুগৰ বহু কথা বহুতো নাৰীৰ বাবে কল্পনাৰো অগোচৰ। বিয়াৰ নামত এগৰাকী নাৰীক কিয় ফুলৰ দৰে আজুৰি মোহাৰি পেলায়? এগৰাকী নাৰীক ৰান্ধনী বা ঘৰৰ চাৰিবেৰৰ মাজত বলিশালৰ ছাগলীৰ দৰে জোৰকৈ বান্ধি থোৱাৰ অধিকাৰ কাৰো নাই। নাৰীৰো এটা মন আছে, নাৰীক সহনশীলতাৰ মূৰ্ত্তি বুলি কয়। এগৰাকী নাৰীয়ে স্বাধীনভাৱে অথচ সমাজৰ নিয়ম উলংঘা নকৰি কাছাৰী, ঘৰ পৰিয়ালৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিব পৰা গুণ আছে। আজিও পুৰুষে নাৰীক এক উপভোগৰ বস্তু বুলি ভাবে। বাস্তৱ পাৰ হৈ যোৱা কোনো এক যুৱতীক পুৰুষে চাই নাৰীৰ ৰহস্যান্বিত শৰীৰটোলৈ। কিয় এনে অশালীন ব্যৱস্থা নাৰীক লৈ? যি সমাজত আজিৰ নাৰী চন্দ্ৰলৈও গতি কৰিছে

**বিয়াৰ নামত এগৰাকী নাৰীক কিয় ফুলৰ দৰে আজুৰি মোহাৰি পেলায়? এগৰাকী নাৰীক ৰান্ধনী বা ঘৰৰ চাৰিবেৰৰ মাজত বলিশালৰ ছাগলীৰ দৰে জোৰকৈ বান্ধি থোৱাৰ অধিকাৰ কাৰো নাই। নাৰীৰো এটা মন আছে, নাৰীক সহনশীলতাৰ মূৰ্ত্তি বুলি কয়। এগৰাকী নাৰীয়ে স্বাধীনভাৱে অথচ সমাজৰ নিয়ম উলংঘা নকৰি কাছাৰী, ঘৰ পৰিয়ালৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিব পৰা গুণ আছে।**

সেই একেখন সমাজত পুৰুষে নাৰীক বেশ্যা সজাইছে। এয়া জানো এক অন্যায় নহয়? আজিৰ যুগত নাৰীয়ে পুৰুষৰ লগত সমানে খোজ মিলাই যাব পাৰে। একেখন সমাজতে নাৰী দেশৰ ৰাষ্ট্ৰপতি আৰু নাৰীয়েই নিৰ্যাতনৰ পাত্ৰ। নাৰীৰ অমূল্য দানক একেখন সমাজৰ এচাম পুৰুষে শ্ৰদ্ধা জনায় আৰু এচামে নাৰীক পণ্য সামগ্ৰী ৰূপে ব্যৱহাৰ কৰে।

এই সকলো দিশলৈ দৃষ্টি ৰাখি নাৰীয়ে নিজৰ অধিকাৰৰ বাবে নিজেই যুঁজ দিবলৈ সাহসী হ'ব পাৰিব লাগিব। এগৰাকী নাৰীৰ যদি যোগ্যতা আছে তেন্তে সকলো কাৰ্যকে সমান্তৰালভাৱে চলাই নিয়াৰ দায়িত্ব দিব লাগিব। পুৰুষে যদি নাৰীৰ নিৰাপত্তাকল্লে সক্ৰিয় হয়, তেনেহ'লে নাৰী কিছু পৰিমানে হলেও আশ্বস্ত হ'ব পাৰিব। আমি আটায়ে সক্ৰিয় হওঁ তথা নাৰীৰ সতীত্ব আৰু অস্তিত্ব ৰক্ষা কৰাত বৰঙণি যোগাওঁ।

আমি আমাৰ মা-বাইদেউ-ভণ্টি তথা নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ নিজেই হাতত কলম তুলি অগ্ৰসৰ হওঁ এক শীতল যুদ্ধ অৱতাৰণা কৰি যাওঁ দূৰ-দিগন্তলৈ। ❖❖

● *লেখিকা স্নাতক তৃতীয় বৰ্ষৰ বুৰঞ্জী বিভাগ ছাত্ৰী*

# অতীতৰ ঐশ্বৰ্যশালী ৰংপুৰ

■ ৰাজশ্ৰী গগৈ



উজনি অসমত বৰ্তমানৰ শিৱসাগৰ চহৰখনৰ এয়া এক মাইল দক্ষিণত অৱস্থিত ৩০০ বছৰীয়া ইতিহাসে গৰকা চহৰ ৰংপুৰ আহোম ৰাজত্বৰ চতুৰ্থখন ৰাজধানী। স্থাপত্য আৰু ভাস্কৰ্যৰে সিঁচৰতি হৈ থকা এই প্ৰাচীন চহৰখন কেৱল ৰাজধানী স্বৰূপেই নহয় আহোম শাসনৰ প্ৰায় ৯৫তকৈও অধিক বছৰ সামৰিক দিশৰ পৰাও গুৰুত্বপূৰ্ণ আছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহই ১৬২১ শকৰ ১২ আঘোনত গড়গাঁৱৰ পৰা ৰংপুৰলৈ ৰাজধানীখন স্থানান্তৰিত কৰিছিল। জেৰেঙা পথাৰত নিৰ্যাতন ভুগি মৃত্যুবৰণ কৰিব লগা হোৱা জয়মতীৰ ত্যাগৰ স্মৃতিক যুগমীয়া কৰাৰ উদ্দেশ্যে এই ৰাজধানী স্থানান্তৰ অতি আৱশ্যক হৈ পৰিছিল। সেই ঠাইতে ৰংপুৰ চহৰখন ক্ৰমশঃ গঢ় লৈ উঠিল আৰু আহোম ৰাজত্বকালৰ সামৰিক ৰাজধানীত পৰিণত হৈ পৰিছিল।

কেপ্তেইন ওৱেলছৰ মতে ৰংপুৰ চহৰখন ২০ মাইল জুৰি ঘন জনবসতিপূৰ্ণ এখন ডাঙৰ নগৰ আছিল। বুৰঞ্জীবিদ ভুবন চন্দ্ৰ সন্দিকৈ আৰু হেম বুঢ়াগোহাঁয়ে কৈছিল যে ৰংপুৰ চহৰখন উত্তৰে দিখৌ নদীৰ দ্বাৰা পৰিবেষ্টিত আছিল। চাংৰুং ফুকনৰ বুৰঞ্জীত উল্লেখ আছে যে ১৬২১ শকত ভালেমান ঘৰেৰে ৰংপুৰ নগৰখনৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছিল আৰু এই নগৰখন উদ্বোধন কৰিছিল ১৬২৯ শকত।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ অবিৰত প্ৰচেষ্টাৰ ফলস্বৰূপে আহোমসকলৰ অনাধৰ্মীয় স্থাপত্যসমূহে এটা চূড়ান্ত স্থায়ী পৰ্যায় পাইছিলগৈ। তেওঁ ঘনশ্যাম নামৰ এজন কাৰিকৰ বংগৰ কোচ বিহাৰৰ পৰা মতাই আনিছিল আৰু তেওঁৰ পৰিচালনাতেই ৰংপুৰ আৰু চৰাইদেউতো ভালেমান পকীঘৰ নিৰ্মাণ কৰা হৈছিল।

আহোম সকলে ৰংপুৰত সৰ্বাধিক ভৱন নিৰ্মাণ কৰিছিল তাৰে ভিতৰত তলাতল ঘৰটো অন্যতম। তলাতল ঘৰটো সাতখলপীয়া। তাৰ উপৰিও আছে দুটা গোপন পথ- তাৰে এটা ডেৰ মাইল দৈৰ্ঘ্যৰ দিখৌ নদীলৈ আৰু আনটো পথ গড়গাঁৱৰ কাৰেংঘৰলৈ ১০ মাইল দৈৰ্ঘ্যৰ।

পৌৰাণিক কাহিনীত থকা বিভিন্ন বিৱৰণৰ পৰা জানিব পৰা গৈছে যে তেওঁৰ ৰাজঅভিষেক অনুষ্ঠানৰ পিছত ৰুদ্ৰসিংহই জয়সাগৰ পুখুৰীটো খন্দাইছিল। আৰু টেঙা বাৰীত এটা বহুখলপীয়া তলাতখল ঘৰ নিৰ্মাণ কৰিছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ৰংপুৰ আৰু গড়গাঁৱত ইটাৰ নিৰ্মিত দুটা বহুখলপীয়া স্থায়ী ঘৰ নিৰ্মাণ কৰাইছিল। এই বিৱৰণসমূহৰ পৰা এইটো সুস্পষ্ট যে টেঙাবাৰী অঞ্চলত ৰুদ্ৰসিংহই তলাতল ঘৰ নিৰ্মাণ কৰাইছিল আৰু ৰাজেশ্বৰ সিংহৰ শাসন কালত এই কাঠেৰে বনোৱা তলাতল ঘৰটো পকী কৰা হয় আৰু টেঙাবাৰী ৰংপুৰ হৈ পৰিল।

ৰুদ্ৰসিংহই স্থাপন কৰা বিভিন্ন ধৰণৰ স্থাপত্য আৰ্হিৰ পৰা গাঁথনিগত প্ৰযুক্তিৰ আটাইতকৈ জনপ্ৰিয় আৰ্হি হৈছে দোছালা বা কুটিৰ সদৃশ আৰ্হি। উদাহৰণস্বৰূপে এনে আৰ্হিৰ এক নমুনা হ'ল ৰংপুৰ নগৰৰ ভিতৰতে থকা গোলাঘৰটো। এই বৃহৎ আৰু সমানুপাতিক ভৱনটো শিল্প নৈপুণ্যৰ এক উদাহৰণ হিচাপে ৰংপুৰ নগৰৰ বিভিন্ন প্ৰাকৃতিক গাঁথনিসমূহৰ মাজত সগৰ্বে থিয় দি আছে।

ৰংপুৰ নগৰৰ গৌৰৱময় স্থাপত্য কলাৰ আন এক নিদৰ্শন হৈছে দুমহলীয়া ৰংঘৰত থকা আধুনিক অসমৰ প্ৰতীক স্বৰূপ তথা এছিয়াৰ সৰ্বপ্ৰথম ডিম্বাকাৰ ৰঙ্গমঞ্চটো। ৰংঘৰৰ দৰে ধৰ্মনিৰপেক্ষ নিৰ্মাণ কাৰ্য আন ক'তো পাবলৈ নাই।

স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্বকালত তেওঁৰ দ্বিতীয় ৰাণী দ্ৰৌপদী বা মদাম্বিকা দেৱীয়ে তেওঁৰ স্বামীৰ বিজয়ৰ চিন হিচাপে শিৱসাগৰ পুখুৰী বা বৰপুখুৰী খন্দাইছিল আৰু শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱীদ'ল সজাইছিল।

আহোমৰ ৰাজত্বকালৰ এইসমূহ কীৰ্তিচিহ্ন বৰ্তমানেও গৌৰৱৰ স্তম্ভ হৈ মূৰ দাঙি উঠি আছে। এইসমূহে বহন কৰে প্ৰভাৱশালী আহোমৰ ৰাজত্বৰ চকুত লগা চানেকি।❖❖

●*লেখিকা ৰাজনীতি বিজ্ঞান বিভাগ, তৃতীয় বৰ্ষৰ ছাত্ৰী*

# শিল্প-ভাস্কৰ্যৰ উদ্ভৱ আৰু বিকাশ

■ অলিমণি দেৱী



বৰ্তমান আমাৰ বিভিন্ন যাদুঘৰবোৰ (Museum) প্ৰাচীন শিল্পকলাৰ নিদৰ্শনেৰে ঠাহ খাই আছে। পাচে আধুনিক জগতত যি উদ্দেশ্যে শিল্প-কলা চৰ্চা কৰা হয়, তাৰ লগত প্ৰাচীন মানৱৰ উদ্দেশ্যৰ স্পষ্ট পাৰ্থক্য আছে। গ্ৰীচত আনকি 'কলা' বুজোৱা শব্দ এটাকে নাছিল। 'সৌন্দৰ্যই কলা-ভাস্কৰ্যত স্থান পাইছিল যদিও, তাৰো কিছুমান বিশেষ উদ্দেশ্য আছিল। হয়তো কোনো দেৱতাৰ সন্মানাৰ্থে, কোনো যুদ্ধত জিকিবলৈ, শস্য ভাল হোৱাৰ বাবে ইত্যাদি কাৰণেহে তেওঁলোকে শিল্পৰ চৰ্চ্চা কৰিছিল।

জন্তুৰ চিত্ৰই প্ৰাচীন চিত্ৰকলাত এক বিশেষ স্থান অধিকাৰ কৰিছিল। মিছৰৰ দেৱ দেৱীসকলৰ আকৃতি (বা অন্ততঃ মুৰটো) জীৱ-জন্তুৰ দৰে বুলি কল্পনা কৰা হৈছিল আৰু তেওঁলোকক তেনেদৰে চিত্ৰায়িত কৰা হৈছিল। এছিৰীয়সকলে প্ৰসাদৰ বেৰত এক প্ৰকাৰ চিত্ৰৰ সৃষ্টি কৰিছিল, যাক ৰিলিফ (Relief) চিত্ৰ বোলা হয়। এই ৰিলিফ চিত্ৰবোৰৰ বিষয়বস্তু আছিল দেৱ-দেৱী আৰু যুদ্ধৰ দৃশ্য, এছিৰীয় যোদ্ধা, শত্ৰুৰ নগৰ ধ্বংস, যুদ্ধবন্দীৰ মৃত্যুদণ্ড, সম্ৰাটৰ সিংহ চিকাৰ ইত্যাদি। চিকাৰীৰ ওপৰত জপিয়াই পৰা ক্ৰুদ্ধ সিংহ অথবা আহত পশুৰ মৃত্যু ইত্যাদি দৃশ্য অংকনত এছিৰীয় ভাস্কৰসকলে বিশেষ ক্ষমতা অৰ্জন কৰিছিল। প্ৰাচীন ভাৰতত অজন্তা আৰু ইলোৰাৰ গুহা-চিত্ৰবোৰক চিত্ৰকলাৰ উৎকৃষ্ট নিদৰ্শন বুলিব পাৰি। অজন্তাৰ চিত্ৰকলাক এছিয়াৰ চিত্ৰশিল্পৰ জন্মস্থান আখ্যা দিয়া হয়। গুপ্তযুগত ভাৰতীয় শিল্পকলাৰ যথেষ্ট বিকাশ ঘটে। দাক্ষিণাত্যৰ পল্লৱ, চোলসকলেও এক পৃথক চিত্ৰকলা পদ্ধতিৰ বিকাশ কৰিছিল। সম্ৰাট অশোকৰ পৃষ্ঠপোষকতাত খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত ভাৰতত বহু স্মৃতিস্তম্ভ নিৰ্মাণ কৰা হৈছিল। কণিষ্কৰ দিনত ভাৰতীয় শিল্প-ভাস্কৰ্যৰ চৰম বিকাশ হয়। সেই সময়ত গান্ধাৰ শিল্পকলা নামৰ এটা নতুন শিল্পকলা পদ্ধতি গঢ় লৈ উঠে। মথুৰা, সাৰনাথ, নালন্দা, পাটলিপুত্ৰ আদিত প্ৰাচীন ভাৰতীয় শিল্পকলাৰ নিদৰ্শন এতিয়াও বিদ্যমান।

প্ৰাচীন গ্ৰীক স্থাপত্যকলাৰ মূল বৈশিষ্ট্যবোৰ মন্দিৰ নিৰ্মাণৰ যোগেদিয়েই সৰ্বাধিকভাৱে পৰিস্ফুট। 'দোৰীয়' আৰু 'আয়ণীয়',- এই দুই আৰ্হি তাত লক্ষ্য কৰা যায়। শিল্প মাধ্যমবোৰ আছিল মাৰ্বল পাথৰ, ব্ৰঞ্জ, পোৰা মাটি আদি। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত হেলেনিষ্টিক শিল্পকলাই বিকাশৰ চৰম সীমা পাইছিল। প্ৰাচীন ৰোমৰ বিশাল আৰু আড়ম্বৰপূৰ্ণ অট্টালিকাবোৰে ৰোমান সাম্ৰাজ্যৰ শক্তি আৰু প্ৰাচুৰ্যকে প্ৰমাণ কৰে। ৰোমান স্থাপত্যশিল্পৰ বৈশিষ্ট্য হ'ল ধেনুভিৰীয়া বিজয় তোৰণ আৰু সুউচ্চ গম্বুজবোৰ। প্ৰাচীন বিশ্বৰ আটাইতকৈ উল্লেখযোগ্য, বিখ্যাত স্থাপত্য-ভাস্কৰ্য হ'ল মিছৰৰ বিৰাট পিৰামিড, স্ফিংছ আৰু মন্দিৰবোৰ। খ্ৰীষ্টপূৰ্ব ২৬০০ মানত সজা ফাৰাও থেওপছৰ পিৰামিডটো আটাইতকৈ ডাঙৰ আছিল।



প্ৰাচীন মানৱৰ মাজত নৃত্যৰ প্ৰচলন বহু আগৰেপৰাই আছিল। কৃষিজীৱি আদিম মানৱে খেতিৰ ফচল চপোৱাৰ পাচত যি আনন্দ-উৎসৱ কৰিছিল, তাত তেওঁলোকে বিভিন্ন ভংগীত নৃত্য কৰিছিল। তদুপৰি নানা ধৰ্মীয় উৎসৱত নাচ-গান হৈছিল। প্ৰাচীন ভাৰতত আৱিস্কৃত নটৰাজ শিৱৰ মূৰ্ত্তিয়ে প্ৰমাণ কৰে যে তাত ধৰ্মীয় অনুষ্ঠানটো নৃত্যক বিশেষ স্থান দিয়াৰ উপৰি গুৰুত্ব সহকাৰে চৰ্চ্চা কৰা হৈছিল। নাট্যকলাৰ প্ৰথম প্ৰসাৰ হৈছিল গ্ৰীচত। খ্ৰীষ্টপূৰ্ব ৬৬০ মানতে ডাইঅ'নিছীয় উৎসৱ পালনৰ যোগেদি গ্ৰীচত নাট্য কলাৰ বিকাশ ঘটে। এথেন্সত খ্ৰীষ্টপূৰ্ব ৫৩৪-ত প্ৰথমবাৰৰ বাবে নাট মহোৎসৱ অনুষ্ঠিত হয়। প্ৰাচীন ভাৰততো নাট্য চৰ্চা চলিছিল। ভাৰতৰ নাট্য শাস্ত্ৰ এই প্ৰসংগত এখন উল্লেখযোগ্য গ্ৰন্থ। ❖❖

*—লেখিকা স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগৰ ছাত্ৰী*

# মানৱ অধিকাৰ হিচাপে

# মহিলাৰ অধিকাৰ

■ সুদৰ্শনা দিহিঙ্গীয়া

**প্ৰাচীন কালৰে পৰা লিংগ বৈষম্যতাৰ ভিত্তিত পুৰুষ আৰু মহিলাৰ মাজত পাৰ্থক্য সৃষ্টি কৰি মহিলাসকলক তেওঁলোকৰ ন্যাৰ্য প্ৰাপ্তিৰ পৰা বঞ্চিত কৰি অহা হৈছে।**




নাৰী-- এক জ্যোতি, জগতত প্ৰাণৰ সঞ্চাৰ কৰা এক মহান শক্তি। নাৰী বহুৰূপিনী, কেতিয়াবা মাতৃ, কেতিয়াবা পত্নী, প্ৰেয়সী, ভগ্নী অথবা নন্দিনী। সকলোৰেই যে নাৰী। নাৰী যে জন্মদাৰৰ অধিস্তাত্ৰী। চৰম ত্যাগৰ বাবেই নাৰী দেৱী।

যুগে যুগে নাৰীয়ে শক্তি, দেৱীৰ আখ্যা পাই বন্দিত হৈ আহিলেও যুগে যুগে নাৰী লাঞ্চিতাও হৈ আহিছে। বিশ্বৰ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীক পুৰুষতকৈ নিম্ন স্তৰৰ বুলি গণ্য কৰি অহা হৈছে। প্ৰাচীন কালৰে পৰা মহিলা সকল তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছে। শাৰীৰিক, মানসিক, সামাজিক, ৰাজনৈতিক তথা আৰ্থিক সকলো দিশৰে পৰা নাৰী শোষণৰ বলি হৈ আহিছে। সামাজিক নীতি নিয়মৰ দোহাই দি তেওঁলোকক ঘৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ কৰি ৰখা হৈছে। ৰক্ষণশীলতাৰ নামত নাৰীৰ প্ৰতিভাসমূহক বিকশিত হ'বলৈ সুবিধা নিদি তেওঁলোকক শিকলিৰে বান্ধি ৰখা হৈছে। এইদৰে প্ৰাচীন কালৰে পৰা লিংগ বৈষম্যতাৰ ভিত্তিত পুৰুষ আৰু মহিলাৰ মাজত পাৰ্থক্য সৃষ্টি কৰি মহিলাসকলক তেওঁলোকৰ ন্যাৰ্য প্ৰাপ্তিৰ পৰা বঞ্চিত কৰি অহা হৈছে।

বৰ্তমান সময়ৰ পৰিবৰ্তনৰ লগে লগে নাৰী সকলো আধুনিক শিক্ষাৰে শিক্ষিত হৈ, নিজৰ অধিকাৰ তথা প্ৰাপ্যৰ বিষয়ে অৱগত হৈ তাৰ প্ৰাপ্তিৰ হকে যুঁজ দিবলৈ শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছে।

মানৱ অধিকাৰ হিচাপে সকলো মানুহে লাভ কৰা অধিকাৰ সমূহ উপভোগৰ ক্ষেত্ৰতো নাৰীৰ ক্ষেত্ৰত কিছুমান বাধা পৰিলক্ষিত হয়। সেয়েহে মানৱ অধিকাৰৰ পৃষ্ঠাত মহিলাৰ অধিকাৰক পৃথকভাৱে সংযোগ কৰা হ'ল। যাৰ দ্বাৰা মহিলা সকলৰ অধিকাৰক সুৰক্ষা দিয়া হ'ব আৰু পুৰুষৰ শোষণ আৰু অত্যাচাৰৰ পৰা ৰক্ষা কৰা হ'ব।

মহিলাৰ অধিকাৰক মানৱ অধিকাৰ হিচাপে কিয় পৃথক স্বীকৃতি দিয়া হ'ল--

লিংগ বৈষম্যৰ দ্বাৰা সমাজ, কৰ্মস্থান আৰু পৰিয়ালত মহিলাৰ ওপৰত চলা অত্যাচাৰ আৰু শোষণ ৰোধ কৰিবৰ বাবেই নাৰীৰ অধিকাৰ সম্বন্ধীয় ধাৰণাই জন্ম লাভ কৰে। নাৰীয়ে যাতে ঘৰৰ ভিতৰত আৰু বাহিৰত সমতা, মৰ্যদা আৰু নিজৰ জীৱনটো স্বাধীনভাৱে নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ লাভ কৰিব পাৰে তাৰ বাবেই মানৱ অধিকাৰৰ পৃষ্ঠাত নাৰীৰ অধিকাৰক স্থান দিয়া হ'ল--

মহিলাৰ অধিকাৰক মানৱ অধিকাৰ ৰূপে স্বীকৃতি দিয়াত

বৰ্তমান মহিলাৰ অসন্মান আৰু অধিকাৰ লংঘন সম্পৰ্কীয় বিষয় অন্তৰ্ভুক্ত কৰি মানৱ অধিকাৰ নতুন ৰূপ প্ৰদান কৰিবলৈ প্ৰচেষ্টা চলাই থকা হৈছে। যাৰ দ্বাৰা মহিলা সকল দৃশ্যমান হ'ব আৰু মহিলাৰ জীৱনৰ লগত জড়িত কথাবোৰ প্ৰাধান্য লাভ কৰিব।




কিছুমান আইন তথা ঘটনাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। সেই সমূহ হ'ল--

১। ১৯৯৩ চনত ভিয়েনাত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ বিশ্বমানৱ অধিকাৰ সন্মিলন। য'ত মহিলাৰ অধিকাৰক মানৱ অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছিল। এই সন্মিলনত ঘোষণা কৰা হৈছিল, "মহিলা আৰু কন্যা শিশুৰ অধিকাৰ সাৰ্বজনীন মানৱ অধিকাৰৰ এৰাব নোৱাৰা, অপৰিহাৰ্য আৰু বিভক্ত কৰিব নোৱাৰা অংশ।"

২। ৰাষ্ট্ৰসংঘৰ মহিলাৰ চতুৰ্থ আন্তৰ্জাৰ্তিক সন্মিলন অনুষ্ঠিত হৈছিল ১৯৯৫ চনত বেইজিঙত। এই সন্মিলনত দ্ব্যৰ্থহীন ভাষাত, "মহিলাৰ অধিকাৰ সমূহ মানৱ অধিকাৰ" বুলি ঘোষণা কৰিছিল।

৩। ভাৰতীয় সংবিধানেও মহিলাৰ অধিকাৰত গুৰুত্ব প্ৰদান কৰিছে। সংবিধানৰ ১৪, ১৫,১৬নং অনুচ্ছেদৰ দ্বাৰা লিংগ ভিত্তিত মহিলা সকল যাতে কোনো বৈষম্যৰ সন্মুখীন নহয় তাৰ নিশ্চয়তা প্ৰদান কৰা হৈছে। সংবিধানৰ ৩৯(ঘ) নং অনুচ্ছেদৰ দ্বাৰা সমান কামৰ বাবে মহিলাক পুৰুষৰ সমানে দৰমহা প্ৰদানৰ নিৰ্দেশ দিয়া হৈছে।

৪। মহিলাৰ অধিকাৰৰ দাবীত উনবিংশ শতিকাত ইউৰোপত এক আন্দোলন গঢ় লৈ উঠিছিল। ১৮৪০-১৮৫০ চনৰ সময়ছোৱাত মহিলাৰ ভোটাধিকাৰৰ দাবীত আন্দোলন গঢ় লৈ উঠিছিল। এই আন্দোলনৰ ফলতেই কুৰি শতিকাৰ আগভাগত পাশ্চাত্যৰ গৰিষ্ঠ সংখ্যক দেশতেই মহিলাই ভোটাধিকাৰ লাভ কৰিছিল।

এইদৰে বিভিন্ন সময়ত ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা বিভিন্ন প্ৰচেষ্টা তথা সন্মিলন, আইন আৰু ঘটনাই মহিলাৰ অধিকাৰ লাভত গুৰুত্বপূৰ্ণ বৰঙণি যোগাই আহিছে। ভাৰত চৰকাৰে মহিলাৰ প্ৰতি সন্মান জনাই বৰ্তমান ৰাজ্যসভাৰ ৩০ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষিত কৰিছে। তাৰোপৰি বিভিন্ন চৰকাৰী আঁচনি সমূহতো মহিলাৰ বাবে বিশেষ সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

মানৱ অধিকাৰৰ ধাৰণাতো গতিশীল আৰু ইয়াৰ লগত জড়িত হৈ থাকে জনসাধাৰণ। জনসাধাৰণৰ আৱশ্যকতা আৰু প্ৰত্যাশা অনুসৰি মানৱ অধিকাৰৰ পৰিসৰ বহল কৰি অনা হৈছে। বৰ্তমান মহিলাৰ অসন্মান আৰু অধিকাৰ লংঘন সম্পৰ্কীয় বিষয় অন্তৰ্ভুক্ত কৰি মানৱ অধিকাৰ নতুন ৰূপ প্ৰদান কৰিবলৈ প্ৰচেষ্টা চলাই থকা হৈছে। যাৰ দ্বাৰা মহিলা সকল দৃশ্যমান হ'ব আৰু মহিলাৰ জীৱনৰ লগত জড়িত কথাবোৰ প্ৰাধান্য লাভ কৰিব।

বিশ্বৰ মানৱ জাতিৰ আধা সংখ্যক হ'ল নাৰী। নাৰীয়েইটো বান্ধি ৰাখে মহাজীৱনৰ স্পন্দনক নিজৰ নাভিমূলৰ সৈতে আৰু আগবঢ়াই নিয়ে মানৱ জাতিক। তথাপিও সকলো ক্ষেত্ৰতে নাৰীয়েই সকলোতকৈ বেছি শোষণৰ বলি হৈ আহিছে। সেয়ে পুৰুষৰ ক্ষমতাৰ ভিত্তিত প্ৰতিষ্ঠিত সমাজ ব্যৱস্থাত নাৰীক শোষণৰ পৰা মুক্তি দি পুৰুষৰ সমানে অধিকাৰ ক্ষমতা আৰু মৰ্যদা দানেই মহিলাৰ অধিকাৰৰ কাম্য। ❖❖

●*লেখিকা স্নাতক তৃতীয় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী*

# মানৱ জীৱনত সংগীতৰ প্ৰভাৱ



■ হিমাক্ষী কোঁৱৰ

সংগীত হ'ল মানৱীয় মনোবৃত্তিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা এবিধ কলা। হৃদয়ত আনন্দ দান কৰা, সুমধুৰ ধ্বনিৰে কলাকাৰৰ মনোভাৱ ব্যক্ত কৰিব পৰা ইত্যাদি সংগীতৰ এক অদ্ভুত ক্ষমতা আছে। কেৱল মানুহেই নহয়, পশু-পক্ষীয়েও। সংগীতৰ স্বৰ লহৰীত আত্ম বিভোৰ হৈ পৰা দেখা যায়। সংগীতৰ মায়াজালৰ দ্বাৰা আনকি সাপৰ নিচিনা প্ৰাণীকো বশ কৰিব পৰা যায়।

"গীতম বাদ্যম্ নৃত্যম্ ত্ৰয়ম্ সংগীত মুচ্যতে"

প্ৰকৃততে গীত বাদ্যং আৰু নৃত্যৰ সমন্বয়কে সংগীত বুলি কোৱা হয়। সংগীত শব্দটো প্ৰকৃততে 'সমগীত' শব্দৰ পৰাই উৎপত্তি হৈছে। সম মানে সৈতে বা একেলগে, গীত মানে গান। অৰ্থাৎ গায়ন-বায়ন নৰ্ত্তন- এই তিনি ক্ৰিয়াৰ সমাহাৰেই হৈছে সংগীত। সংগীত কেতিয়া আৰু কেনেকৈ সৃষ্টি হ'ল তাক কোৱাটো টান যদিও আদিম কালতেই প্ৰকৃতিৰ অপৰূপ ৰূপ প্ৰকাশ বিমুগ্ধ হোৱা আৰু অজানিত আনন্দত আপ্লুত হোৱা আদিম মানৱৰ স্বতঃস্ফূত ধ্বনিত ই সৃষ্টি হ'ল বুলি অনুমান কৰিব পাৰি।

যি কি নহওক সংগীত মানৱ জীৱনৰ লগতে ওতঃপ্ৰোত ভাৱে জড়িত। সংগীত এনে এক প্ৰেৰণাদায়ক শক্তি যি নিৰাশাৰ কলীয়া ডাৱৰ আঁতৰাই জীৱনত আশাৰ সঞ্চাৰ কৰে। বৰ্তমান যুগত সংগীতৰ প্ৰভাৱ দিনক দিনে বৃদ্ধি পাইছে। মানুহৰ জীৱনৰ নানা দুৰ্যোগ আৰু সংকটৰ মাজৰ পৰা ক্ষন্তেক শান্তিৰ পৰিৱেশ ঘূৰাই পাবলৈ হ'লে আমি আজি সংগীতৰ আশ্ৰয়হে লব লাগে। ই মানুহৰ মনৰ দুখ-চিন্তা দূৰ কৰি স্বাস্থ্যৰ উন্নতি সাধন কৰে। মনটো পবিত্ৰ ভাৱাপন্ন কৰি তোলে। কিন্তু নিত্য নিয়মিত সংগীত চৰ্চা আৰু সাধনাৰ দ্বাৰাহে এনেবোৰ সম্ভৱ হ'ব পাৰে। ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছে যে "মন আৰু প্ৰাণ দিও যাৰ সান্নিধ্য লাভ কৰিব নোৱাৰি, সংগীতৰ মাধ্যমেৰে তেওঁৰ চৰণ চুব পাৰি"। শ্ৰীমন্ত শঙ্কৰদেৱ যিদৰে অসমৰ বৈষ্ণৱ ধৰ্মৰ প্ৰথম আৰু প্ৰধান প্ৰৱৰ্ত্তক সেইদৰে অসমৰ সংগীত কলাৰো প্ৰথম গুৰু আৰু প্ৰৱৰ্ত্তক। মহাপুৰুষজনে সুকুমাৰ কলাৰ নিখুঁত সাধনাৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সকলো জাতি-উপজাতিৰ মাজত সংগীত প্ৰচাৰ কৰি গ'ল।

প্ৰত্যেক নৰ-নাৰীৰ বাবে সংগীত এটি অমূল্য সম্পদ। নাৰীৰ সৈতে সংগীতৰ সম্বন্ধ অবিচ্ছেদ্য। সংগীত বাদ্য বীণাও দেৱী সৰস্বতীৰহে। সেয়েহে আজিও ভাৰতীয় হিন্দু সমাজত সংগীত আৰু শিক্ষাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা বিশেষভাৱে উল্লেখযোগ্য। প্ৰত্যেক নাৰীয়েই মাতৃৰূপী আৰু এই নাৰীৰ দ্বাৰা শিশুৰ প্ৰাথমিক শিক্ষাৰ লগত সংগীতৰ শিক্ষা দিলে শিশুৰ স্মৰণ শক্তি, ধৈৰ্য্য শক্তি আৰু সাধাৰণ জ্ঞানৰ বিকাশ হয়। সঙ্কৰে পৰা স্বৰ সাধন নিয়মিত ৰূপে কৰিলে হৃদযন্ত্ৰজনিত অসুখ হোৱাৰ সম্ভাৱনা নাথাকে।

চিকিৎসা বিজ্ঞানতো সংগীতৰ প্ৰয়োগৰ দৃষ্টান্ত আছে আৰু তাৰ বাবে কিছুমান বিশেষ বাদ্যযন্ত্ৰ যেনে- চেতাৰ, সাৰেঙ্গী, সৰোদ, বাঁহী, বেহেলা, চন্তুৰ আদি আৰু কিছুমান বিশেষ ৰাগ যেনে- বাগেশ্বৰী, বিহাগ, তৌড়ী, ভৈৰবী আদি ব্যৱহাৰ হয়। ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ ইতিহাসতো এনে কিছুমান ৰাগৰ গভীৰ প্ৰভাৱৰ উদাহৰণ আছে। যেনে- সম্ৰাট আকবৰে ৰাজসভাত মহান সঙ্গীতজ্ঞ তানসেনৰ 'মেঘমল্লাৰ' ৰাগে সৃষ্টি কৰা তুমুল বৃষ্টিপাত, শ্ৰীৰাগৰ দ্বাৰা শুকান বৃক্ষত জীৱনী শক্তি প্ৰকাশ কৰি কুঁহিপাত মেলোৱা, 'দীপক' ৰাগৰ দ্বাৰা অগ্নি প্ৰজ্বলিত কৰা ইত্যাদি।

যি কি নহওক যুগৰ পৰিৱৰ্তনৰ লগত সংগতি ৰাখি সংগীতৰ ৰূপান্তৰ হ'লেও মানুহৰ শাৰীৰিক আৰু মানসিক বিকাশত সংগীতৰ প্ৰভাৱ সদায় বিৰাজমান হৈ থাকিব।❖❖

● *লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী*

# অসমীয়া ভাষাৰ পাহৰণিৰ মূলতে
# সংবাদ মাধ্যমবোৰ

■ পাপৰি বড়া




অসমীয়া ভাষাৰ ভয়ানক পাহৰণিৰ মূলতে সংবাদ মাধ্যমেই কেৱল নহয় পাঠ্যপুথি, পাঠ্যসূচী বহিৰ্ভূত কিতাপ আৰু বিভিন্ন শিতানৰ আলোচনীকে ধৰি বিভিন্ন পঠন সমলৰ লগতে সংবাদ জগতৰ কথাও অস্বীকাৰ কৰিব নোৱাৰি। সংবাদ জগতৰ ছপা আৰু বৈদ্যুতিন দুয়োটা মাধ্যমে অসংখ্য অনা অসমীয়া শব্দৰ উদ্ভৱ আৰু হাস্যকৰভাৱে ভুলৰ লগতে এই বিভ্ৰান্তিজনক অসমীয়া লিপ্যন্তৰে কোটি কোটি পঢ়ুৱৈ সমাজৰ আৰু শ্ৰোতাৰ মাজলৈ ব্যাপকভাৱে অনিষ্টৰ সাগৰ সমুদ্ৰৰ বৃহৎ ঢৌ কঢ়িয়াই আনিছে। অসমৰ জাতীয় অনুষ্ঠান বুলি সততে অভিহিত ভাষা সাহিত্য, শিল্পকলা, সংস্কৃতি আদিবোৰৰ লগত জড়িত ৰাজ্যৰ বিশ্ববিদ্যালয়ৰ দৰে বিদ্যায়তনিক প্ৰতিষ্ঠানসমূহৰ লগতে সামাজিক সংগঠন সমূহ এই বিষয়টোৰ ওপৰত অত্যন্ত নিৰ্লিপ্ত আৰু উন্নাসিত দেখা যায়। পৃথিৱীৰ কোনো এটা ভাষাকে আন এটা ভাষাৰ লিপিত শতকৰা এশভাগ শুদ্ধ বা অবিকৃত ৰূপত লিখিত পৰা নাযায়। তথাপিও প্ৰতিটো ভাষাৰে অন্ততঃ নামবাচক শব্দবোৰ আন যিকোনো ভাষাতে যথাসম্ভৱ অবিকৃত আৰু নিখুঁতকৈ লিপ্যন্তৰিক কৰাই যুগুত কৰাটো আজিৰ পৃথিৱীত এটা সৰ্বজনগৃহীত নীতি। কিন্তু অসমত কিছুমান মহলৰ বিধি পথালিৰ আৰু সংবাদ মাধ্যমৰ একাংশ লোকৰ অমনোযোগী আৰু সুকীয়া আচৰণে এই কাম দুৰূহ কৰাৰ উপৰিও একাদিক ক্ৰমে দশকৰ পাছত দশক জুৰি আৰু এচাম নতুন প্ৰজন্মৰ পাছত আকৌ এচাম নতুন প্ৰজন্ম ধৰি লাখ লাখ ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতী আৰু অন্যান্য লোকক ভুলজ্ঞান আৰু বিপথে পৰিচালিত কৰি আহিছে। তাৰোপৰি উচ্চাৰণ, ধ্বনি, বানান আৰু লিপ্যন্তৰ কৰণৰ বাবে সংশ্লিষ্ট শব্দৰ মূল ভাষাটোৰ পৰিৱৰ্তে সততে হোৱাই নোহোৱাই ইংৰাজী বানানৰ ওপৰত নিৰ্ভৰশীল এচাম পাঠ্যপুথি প্ৰণেতাৰ পুথিসমূহে আৰু ততোধিক কোনোবাই ভুল ৰূপসমূহ আঙুলিয়াই দি তথ্য আৰু যুক্তিসহ শুদ্ধ ৰূপবোৰ আগবঢ়াই দিলেও সেই ভুলবোৰকে অযুক্তিকৰ ভাবে খামোচ মাৰি ধৰি থাকে।

বৰ্তমান সময়ত দেখা পোৱা যায় প্ৰায় ব্যক্তিৰ ধন উপাৰ্জনৰ লিপ্সা অতিকৈ লোভনীয়। সেয়ে কম সময়তে অধিক ধন হাতলৈ আহিবৰ বাবেই হয়তো অসমীয়া ভাষাৰ আখৰ জোঁটনিৰ জ্ঞানহীন হোৱাৰ বাবেই পাঠ্যপুথি প্ৰণেতা আৰু সংবাদ মাধ্যমৰ বহুতো লোকে ভুলকৈ পাঠ্যপুথি ছপা কৰা আৰু বিশ্ববাসীৰ আগত সংবাদৰ জৰিয়তে জোৱাৰ তুলিবলৈ তেওঁলোকে অকনমানো নিজৰ মাতৃভূমিৰ অসমীয়া ভাষা শুদ্ধকৈ উচ্চাৰণ নকৰাকৈ লজ্জিতবোধ অনুভৱ নকৰি সংবাদ প্ৰচাৰ কৰাত ব্যস্ত হৈ পৰে। তাৰফলত তেওঁলোকৰ এটা সামান্য ভুলৰ বাবদ কিমান কোটি কোটি লোকৰ জীৱনত প্ৰভাৱ পৰে। সেই কথা তেওঁলোকৰ ভাবিবৰ আহৰি নাই। এইবোৰ হোৱাৰ কাৰণ কি? এই প্ৰশ্ন হোৱাটো স্বাভাৱিক। ইয়াৰ মূল কাৰণ হৈছে-- নিজৰ মাতৃভাষা অসমীয়া শুদ্ধকৈ নজনা আৰু অসমীয়া ভাষাৰ ওপৰত উচ্চজ্ঞান নথকা। এই মাধ্যমসমূহৰ যদি এই ত্ৰুটিবোৰ শুধৰণি নহয় তেতিয়া হ'লে আমাৰ অসমীয়া ভাষাই উন্নতি শিখৰত পৰা দুখোজ পিচলৈ গুচি আহিব। তেতিয়া হয়তো আমাৰ অসমীয়া ভাষা বিশ্বৰ দৰবাৰৰ পৰা চিৰকাললৈ নাইকীয়া হৈ যাব।

কোনো এটা ভাষা জীয়াই ৰখাৰ মূলতে হ'ল ভাষাটোক সন্মান কৰা আৰু শুদ্ধকৈ উচ্চাৰণ কৰা। ভাষাবৃক্ষৰ সাহিত্য সৌৰভময় পুষ্পস্বৰূপ। সেয়ে কোনো এটা জাতিৰ ভাষা থকাটো প্ৰয়োজন। জাতি এটাৰ আশ্ৰয় লৈয়েই সাহিত্যই ঠাল-ঠেঙুলি মেলিব পাৰে। খ্ৰীষ্টিয় দশম-একাদশ শতিকাৰ পৰা আৰম্ভণি হোৱা আমাৰ এই অসমীয়া ভাষা অসমবাসীৰ বুকুৰ আমঠু আৰু ভৱিষ্যতলৈও প্ৰত্যেকজন অসমীয়াৰ বুকুৰ মাজত উজ্জ্বলকৈ সগৌৰৱে জ্বলি থাকিবৰ বাবে প্ৰত্যেকজন অসমবাসীয়ে অসমীয়া ভাষাক শ্ৰদ্ধাৰ চকুৰে চোৱা উচিত।

অন্ততঃ এটা কথা আমি সকলোৱে মনত ৰখা উচিত ভাষাৰ অবিহনে কোনো জাতিৰ অস্তিত্ব নাই। ভাষাই হৈছে কোনো এটা জাতিৰ চিনাকি।❖❖

● *লেখিকা স্নাতক প্ৰথম বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী*

# দুনীৰ্তিৰ বিৰুদ্ধে আন্না হাজাৰে

■ অৰ্পনা কাকতি



কেইমাহমান আগৰ পৰা আন্নাৰ সমৰ্থিত এটা দলে আমাৰ দেশৰ ৰাজনৈতিক পদ্ধতি প্ৰভাম্বিত কৰিবলৈ আন্দোলনত জঁপিয়াই পৰিছিল আৰু দেশৰ দুনীতি দমন কৰিবলৈ অসমৰ্থ হৈছিল। সমগ্ৰ বিশ্বতে খলকনি সৃষ্টি কৰা আন্না হাজাৰেক গান্ধীবাদৰ বিশ্বাসী বুলি অভিহিত কৰা হৈছে আৰু তেখেতক দেশৰ দ্বিতীয়খন স্বাধীনতাৰ বাবে মৰণপণ যুঁজ দিয়া দ্বিতীয়জন মহাত্মা হিচাপেও বিবেচনা কৰা হয়। বৰ্তমান সময়ত সমগ্ৰ ভাৰতবৰ্ষতে দুনীতিয়ে এনেদৰে শিপাইছে যে, সাধাৰণ মানুহে শুদ্ধ পথত থকা মানুহ আছে বুলি পাহৰিয়েই পেলাইছে। একাংশ সৎ বিষয়া, কৰ্মচাৰীৰ বাহিৰে দেশৰ সকলো ৰাজ্যতে চৰকাৰী বিভাগসমূহত বিষয়া-কৰ্মচাৰীসকলে সাধাৰণ মানুহৰ সৈতে অতি দুব্যৱহাৰ কৰে। ইয়াৰ আঁৰত তেওঁলোকৰ ভ্ৰষ্টাচাৰী ৰূপ প্ৰকট হৈ পৰিছে। বৰ্তমান সময়ত সকলো দেশতে কেৱল দুৰ্নীতি দুনীতি আৰু দুৰ্নীতি........... সমগ্ৰ বিশ্বকে এই দুৰ্নীতিয়ে গ্ৰাস কৰি পেলাইছে। মানুহে নিজকে প্ৰকৃত জীৱশ্ৰেষ্ঠ মানৱ হিচাপে পাহৰি পেলাইছে আৰু দুনীৰ্তিৰ গহ্বৰত ক্ৰমান্বয়ে উটি-ভাঁহি ফুৰিছে।

দেশৰ সৰ্বস্তৰতে বিয়পি পৰা দুৰ্নীতি প্ৰতিৰোধ কৰাৰ বাবে ১৯৬২ চনত গঠিত সান্থানাম কমিটিয়ে ১৯৬৬ চনত এক দুনীৰ্তি নিবাৰণ আইন প্ৰণয়নৰ সপক্ষে মত পোষণ কৰিছিল। ১৯৬৮ চনৰ পৰাই লোকপাল সংসদত উত্থাপন কৰি অহা হৈছে কিন্তু ই আইনত পৰিণত হোৱা নাছিল। দুনীৰ্তিৰ প্ৰতিৰোধৰ বাবেই শক্তিশালী আইন নথকাৰ বাবেই স্বাধীনতাৰ পিছৰ পৰাই এটাৰ পাছত আন এটা বৃহৎ কেলেংকাৰী সংগঠিত হৈছে। মুঠ ঘৰুৱা উৎপাদনৰ মূল্য বৃদ্ধি, খাদ্য বস্তুৰ মূল্য বৃদ্ধি, পেট্ৰ'লিয়াম দ্ৰব্যৰ আকাশলংঘী মূল্যবৃদ্ধিত সাধাৰণ জনতাই আজি দিকবিদিক হেৰুৱাই পেলাইছে। কমনৱেলথ গেমছ্ কেলেংকাৰী তথা স্পেকট্ৰাম কেলেংকাৰীত জড়িত ধন আত্মসাৎকাৰী ৰাজনীতিকসকলে কটাইছে বিলাসী জীৱন। সাধাৰণ জনতাই অতি কষ্টকৰ জীৱন নিৰ্বাহ কৰাৰ বিপৰীতে জনতাৰ ধন আত্মসাৎ কৰিয়েই ক্ষমতাশালী হোৱাসকলে গঢ়ি তুলিছে ধনৰ পাহাৰ। শাসকৰ এনে কাৰ্যত তুষ্ট যেন অনুভৱ কৰিবলৈ লৈছে সাধাৰণ লোক। ফলস্বৰূপে দুনীৰ্তিৰ বিৰুদ্ধেই সহাৱস্থান কৰিবলৈ লৈছে।

দেশত সৰ্বগ্ৰাসী ৰূপ ধাৰণ কৰা দুৰ্নীতি প্ৰতিৰোধৰ স্বাৰ্থতে গান্ধীবাদী নেতা আন্না হাজাৰেৰ নেতৃত্বত "India Against Corruption" নামৰ সংগঠনটোৱে সংসদত জন লোকপাত বিধেয়ক গৃহীত কৰাৰ দাবীত দেশজুৰি জনজাগৰণৰ সৃষ্টি কৰিছিল। তেওঁ প্ৰথমে ২০১১ চনৰ ৫ এপ্ৰিলৰ পৰা দুনীৰ্তি প্ৰতিৰোধক আইনৰ বাবে দাবী কৰিছিল। পিছত চৰকাৰৰ লগত হোৱা বুজাবুজি মৰ্মে ৯৮ঘণ্টা অনন্নশনৰ অন্তত হাজাৰেই তেওঁৰ কাৰ্যসূচী সমাপ্ত কৰে। কিন্তু পৰৱৰ্তী সময়ত আন্না হাজাৰেৰ নেতৃত্বত নাগৰিক সমাজে প্ৰস্তুত কৰা জন লোকপাল বিলখন চৰকাৰে সংসদত উত্থাপন কৰিবলৈ অমান্তি হয়। চৰকাৰে লোকপাল আইনখনৰ পোষকতা কৰিছিল ফলত চৰকাৰী পক্ষ আৰু নাগৰিক সমাজৰ মাজত পুনৰ তিক্ততাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হৈছিল।

কিন্তু তেওঁও ইয়াক আইনত পৰিণত কৰিবৰ বাবে উঠিপৰি লাগিছিল। ফলস্বৰূপে পুনৰ ১৬ আগষ্টৰ পৰা তেওঁ অন্নশনৰ কাম আৰম্ভ কৰি দিছিল। ফলস্বৰূপে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। কিন্তু এই নেতাজনে তিহাৰ জেলতে তেওঁৰ অন্নশন আৰম্ভ কৰি দিছিল। সমগ্ৰ বিশ্বৰ কোটি কোটি জনতাই তেওঁক সমৰ্থন আগবঢ়াইছিল। ফলস্বৰূপে চৰকাৰে নতি স্বীকাৰ কৰি তেওঁক মুকলি কৰি দিছিল। ফলত ভাৰতৰ দ্বিতীয় স্বাধীনতা সংগ্ৰাম আৰম্ভ হয়। কাৰণ ভাৰতৰ স্বাধীনতা লাভৰ পাছত হোৱা আন্দোলনৰ ভিতৰত ইয়েই আছিল ভাৰতৰ সৰ্ববৃহৎ আন্দোলন। তেওঁৰ আঁৰত যিসকল ব্যক্তি আছিল সেইসকল হ'ল ক্ৰমে-- শান্তিভূষণ, প্ৰশান্ত ভূষণ, কিৰণ বেদী, অৰবিন্দ কেজৰিৱাল আদি। আন্না হাজাৰেৰ এই লোকপাল বিধেয়ক আইনে বাহিৰৰ দেশৰ বিভিন্ন শক্তিৰ পৰাও প্ৰভূত সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। এই লোকপালৰ প্ৰধান বৈশিষ্ট্যবিলাক হ'ল-- ই থাকিব কেন্দ্ৰত আৰু প্ৰতিখন ৰাজ্যতে লোকাযুক্ত থাকিব। উচ্চতম ন্যায়ালয় আৰু নিৰ্বাচন আয়োগৰ নিচিনাকৈ লোকপাল হ'ব সম্পূৰ্ণ স্বতন্ত্ৰ সংস্থা আৰু ইয়াত কোনো মন্ত্ৰী, আমোলা, ৰাজনীতিকৰ হস্তক্ষেপ নাথাকিব।

তেওঁৰ অন্নশনে পূৰ্ণতা লাভ কৰিছিল ২০১১ চনৰ আগষ্ট মাহৰ ২৮ তাৰিখে অৰ্থাৎ দেওবাৰে। সেইদিনা ৰাতিপুৱাই তেওঁলৈ ভাৰতৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে তেওঁৰ লোকপাল আইনখন সংসদত উপস্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি তেওঁলৈ পত্ৰ আগবঢ়াইছিল আৰু সেইদিনাই সেই মহানায়কজনে তেওঁৰ কঠোৰ অন্নশন ভংগ কৰি সেই শুভেচ্ছাবাৰ্তা সমগ্ৰ ভাৰতবাসীকে জনাইছিল। তেওঁৰ নাম সকলো ভাৰতবাসীৰ অন্তৰতে আজীৱন খোদিত হৈ থাকিব। ❖❖ *(প্ৰকাশিত আলোচনীৰ আলম লৈ)*

● *লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী*

# বুৰঞ্জীত উপেক্ষিতা নাৰীৰ ভূমিকা

■ পিংকী ৰাণী বৰুৱা

ভাৰতীয় সংস্কৃতিত নাৰীক কোনো সংজ্ঞাৰে আবদ্ধ কৰিব নোৱাৰা পৰিচয়। সমগ্ৰ দেশতে নাৰীক মাতৃজ্ঞান কৰা হয়। নাৰী মহিমাময়ী, নাৰী চলনাময়ী, নাৰী মমতাময়ী ঐশ্বৰ্যৰ আকৰ নাৰী......... কিমান যে পৰিচয় নাৰীৰ! প্ৰাচীন কালৰে পৰা বৰ্তমানেও সকলো দিশতে সমাজত অৱদান আগবঢ়াই আহিছে।

অসম বুৰঞ্জীত নাৰীৰ এক বিশিষ্ট স্থান আছে। বিভিন্ন সময়ত বিভিন্ন নাৰীয়ে ৰাজ্যৰ উত্থান-পতনত আগভাগ লৈ আৰু নিজ সতীত্ব আৰু মহত্বৰ গুণত অমৰ হোৱা দেখা গৈছে। অসম বুৰঞ্জীৰ পাতে পাতে জয়মতী, মূলাগাভৰু, ফুলেশ্বৰী কুঁৱৰী, কুৰঙ্গনয়নী আদি অলেখ বীৰাঙ্গনা আৰু সতী সাধিনীৰ কাহিনী সিঁচৰতি হৈ আছে যিসকলৰ আদৰ্শ দেশপ্ৰেম, উচ্চ দৃষ্টান্ত, আত্মত্যাগ আদিয়ে বিশ্ব দৰবাৰত অসমক স্থান দিয়াত সহায় কৰিছে। কিন্তু এই সকলৰ উপৰিও এনে কিছুমান সৰু সৰু নাৰী চৰিত্ৰ আছে যিসকলৰ সাহস আৰু দেশপ্ৰেমৰ উজ্জ্বল কাহিনী বুৰঞ্জীয়ে নপৰশাকৈয়ে কালৰ বুকুত লয় পাইছে। তলত তাৰে এক আভাস দিবলৈ চেষ্টা কৰা হৈছে-

## সোণামতী

ভদৰামৰ ছোৱালী সোনামতী। সহজ সৰল এগৰাকী হোজা গাৱলীয়া ছোৱালী হৈয়ো দেশখনক যে নিজৰ প্ৰাণটোতকৈও বেছি ভাল পাইছিল, তাৰেই উদাহৰণ দি গ'ল এই সোনামতীয়ে।

ল'ৰাৰজাৰ অস্থিৰ শাসন আৰু লালুক বুঢ়াফুকনৰ দৰে স্বাৰ্থপৰ বিষয়াৰ কু-চক্ৰান্তত অসমৰ প্ৰজাৰ তেতিয়া সংকটাপন্ন অৱস্থা। ৰজাঘৰ-প্ৰজাঘৰ উভয়তে সন্দেহৰ কুঁৱলী। জয়মতী কুঁৱৰীৰ শাস্তিৰ কথা শুনি সমগ্ৰ ৰাজ্যৰ নাৰী জাতি ৰাজ বিদ্বেষী হৈ উঠাৰ লগে লগে ৰাজ্যত সু-শাসন প্ৰৱৰ্তন কৰিবলৈ উঠিপৰি লাগিছিল আৰু এইক্ষেত্ৰত নাৰীয়েই অৰিহণা বেছি আছিল। গদাপাণিয়েহে মাত্ৰ অসমৰ সেইসময়ৰ দুৰ্নীতি আৰু কু-শাসনৰ অৱসান ঘটাব পাৰিব বুলি বিবেচনা কৰি ল'ৰা ৰজাৰ চাওডাঙৰ হাতত নপৰাকৈ তেওঁক লুকুৱাই ৰাখিছিল নাৰী সকলেই সামান্য পোহাৰীৰ পৰা ক্ষমতাচ্যুত ৰাজপৰিয়ালৰ নাৰীলৈকে সকলোৱে এই বিষয়ত দৃষ্টি ৰাখিছিল। আনকি সতী জয়মতীৰ দৰে গদাপাণিৰ বাতৰি নকৈ নিজ প্ৰাণ আহুতি দিও সোনামতীয়ে গদাক ৰক্ষা কৰাৰ প্ৰমাণ বিদ্যমান।

ল'ৰা ৰজাৰ এদল চাওডাঙৰ খেদাত প্ৰাণৰক্ষা কৰিবলৈ গদাপাণি ভদৰামৰ ঘৰত সোমাল। সেইদিনা সোনামতী ঘৰত অকলে আছিল। চাওডাঙৰ হাতৰ পৰা কথমপি সাৰি গদাপাণিয়ে ভৰদুপৰীয়া সোনামতীক নিজৰ পৰিচয় দি ৰক্ষা পোৱাত উপায় বিচাৰিলে। সোনামতীৰ কৰুণ কাহিনী গীতত এইদৰে পোৱা যায়- "গদা কোঁৱৰে থত্-মত্ হেৰুৱাই, তোক খুজি খালে পানী। পানী দি কোঁৱৰক পিচফালে পঠালি, চাওডাংহঁত পালেহি বুলি।" গাভৰুৱে গদাক পাছ দুৱাৰেদি হাবিৰ মাজলৈ পলুৱাই পঠাই ৰাজকীয় সৈন্যৰ পৰা ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিলে। কোঁৱৰ ওলাই যোৱাৰ পাছত চাওডাংহঁতে গদাক অনুসৰণ কৰি সোনামতীহঁতৰ ঘৰ সোমাল আৰু চুক-কোণ চলাথ কৰি গদাপাণিক নাপাই ক'ত আছে উলিয়াই দিবলৈ সোনামতীক টানি ধৰিলে। তেওঁ কিন্তু নিৰ্ভীক হৈ কোঁৱৰৰ সম্ভেদ দিবলৈ সন্মত নহ'ল। চাওডাংহঁত নেৰানেপেৰাকৈ লাগিল। সোনামতী কিন্তু নিৰ্বিকাৰ হৈ থাকিল। সিহঁতে মৃত্যুৰ ভয় দেখুৱালে যদিও নাৰীৰ আকোঁৰগোজ মনক মৃত্যুৱেও হাৰ মনাব নোৱাৰিলে।

সোনামতীৰ পৰা গদাৰ কোনো সম্ভেদ নাপাই কোঁৱৰ যোৱাৰ বাট বিচাৰিব ধৰিলে। বাটৰ সন্ধান নাপাই সিহঁতে গাভৰুকো লগতে লৈ গ'ল। চাউডাংহঁতৰ লগত তেওঁ যাব নোৱাৰে, বাটৰো সন্ধান নিদিয়ে, মৃত্যুৰ ভয়েও কাম নিদিলে। সেনাই মৰিয়াই মৰিয়াই চোচোৰাই দিঁৱৈ নৈৰ কাষলৈকে নি মৃত্যুপ্ৰায় অৱস্থাত এৰি গ'ল। যন্ত্ৰনাত চট্‌ফটাই তাতেই এইগৰাকী মহীয়সী নাৰীয়ে প্ৰাণ ত্যাগ কৰিলে। "দিঁৱৈৰ কাষতে, মাটিৰ দেহ এৰিলি, বঙহে নেপালে শেষ। মাৰে কান্দিলে, বাপেৰে কান্দিলে, কান্দিলে ককাই ৰমাই। জয়মনৰ পুতেক ভলুকাই কান্দিলে, দিঁৱৈৰ কাষতে বিনাই।" সোনামতীৰ গীত লোকসকলৰ মাজত এতিয়াও প্ৰচলিত। "এটুপি পানী দি গদাক পলুৱালি, সেয়েহে তোৰ নাম লওঁ।" গদাপাণিক বিপদৰ পৰা ৰক্ষা কৰা বহুগৰাকী নাৰীৰ ভিতৰত সোনামতী অনন্যা।

সোনামতীৰ ঘৰ আছিল বৰ্তমান শিৱসাগৰ জিলাৰ লাম বকতাৰ কাষৰ এখন গাঁৱত। মৃত্যু হোৱা ঠাইতে বংশ পৰিজনে তেওঁক মৈদাম দিলে। মৈদাম দিয়া অঞ্চল এতিয়া "সোনামতী টোপ" নামেৰে জনাজাত। তেওঁক চোচৰাই নিয়া পথাৰখনৰ নাম চোঁচৰাল পথাৰ আছিল। এতিয়া চৰাল পথাৰ বুলি জনাজাত।

## কাঁচন মলা

স্বৰ্গদেউ চুহুংমুং বা দিহিঙীয়া ৰজাৰ-বিচক্ষণ আৰু বুদ্ধিয়ক মন্ত্ৰী আছিল চাও ফ্ৰাচেংমুং বৰগোহাঁই ডাঙৰীয়া। তেওঁৰে পত্নী আছিল বীৰাঙ্গনা মূলাগাভৰু। কাঁচনমালা আছিল তেওঁলোকৰেই কন্যা। "খাম পাটগাভৰু" কাঁচনমলা আইদেৱে যি "অসাধাৰণ বুদ্ধি আৰু বীৰত্বৰ চিন দেখুৱাই থৈ গ'ল, তাৰ গুণতে আজিও তেওঁৰ অমৰ আত্মাই আহোম শুবেচনী অৰ্থাৎ শক্তি উপাসনাত পুৰোহিত দেওধাই সকলৰ পৰা এখনি শৰাই আৰু এভাগি পূজা পাই আছে।" (হিতেশ্বৰ বৰবৰুৱা)

সম্ভৱতঃ ১৫২৫ চন মানৰ কথা। বঙ্গদেশৰ নৱাব খচল খাঁই বুদ্ধিৰ পৰীক্ষা কৰিবলৈ এক অভিনৱ পন্থা ললে। তেওঁ একে গঢ় আৰু একে সাজ-পাৰ পিন্ধা দুজনী তিৰোতা, একেধৰণৰ দুজনী ঘোঁৰা, দুটা মাছ আৰু আগগুৰি চিন নথকা এখন বাঁহৰ ধনু পঠালে।' এই সামগ্ৰীসমূহৰ লগতে কটকীৰ হাতত এখন পত্ৰও লিখি পঠালে বোলে, তিৰোতা দুজনীৰ বেটী ঘৈণী, ঘোঁৰা দুজনীৰ মাক-জীয়েক, মাছ দুটাৰ কোনটো খাৰৈৰ আৰু কোনটো বিলৰ আৰু ধনুখনৰ আগগুৰি চিনি দিব লাগে। অন্যথা ৰজাই নবাবক এক নিৰ্দ্ধাৰিত হিচাবত কৰ শোধাব লাগিব। পৰীক্ষাৰ সামগ্ৰী দেখি স্বৰ্গদেৱ কিংকৰ্তব্যবিমূঢ় হ'ল। পাত্ৰমন্ত্ৰীৰ লগত পৰামৰ্শ কৰিলে, একো স্থিৰ কৰিব নোৱাৰিলে। এই কথা জানিব পাৰি আগবাঢ়ি আহিল কাঁচনমলা আইদেউ, তেওঁ বোলে সিদ্ধান্ত দিব পাৰিব।

আইদেৱে দুয়োগৰাকী তিৰোতাক বোকাৰ ওপৰেদি খোজকাঢ়ি যাবলৈ দিলে। তাৰে এগৰাকীয়ে কাপোৰ কোঁচাই নিসঙ্কোচে বোকাৰ ওপৰেদি যাবলৈ ধৰিলে। আইদেৱে বাচি উলিয়ালে, কাপোৰ কোচাই যোৱাজনী বেটী, ইগৰাকী ঘৈণী। ঘোঁৰা দুটা ঘোঁৰা চোঁৱাবাৰ হতুৱাই বহুত দূৰ চেকুৰাই অনালে। দেখা গ'ল স্বাভাৱিক গুণত জীয়েকজনীয়ে মাকৰ ওহাৰৰ ফালে মুখ নিলে। আইদেৱে মাক জীয়েক বাচি উলিয়ালে। দুটা বেলেগ বেলেগ পাত্ৰত পৰিস্কাৰ গৰম পানী থৈ মাছ দুটা দুয়োটা পাত্ৰত থোৱালে। কিছু সময়ৰ পাছত দেখা গ'ল, এটা পাত্ৰৰ পানী কিছু লেতেৰা হৈছে। সেই মাছেই খাৰৈৰ মাছ বুলি কাঁচনমলা আইদেৱে বাচি উলিয়ালে। এইবাৰ ধনুখন সাৱধানে পানীত পেলাই দিয়ালে; যিটো মূৰ আগেয়ে ডুব গ'ল, সেইফালেই গুৰি বুলি বাচি উলিয়ালে। এই কেউটা পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰি কাঁচনমলা আইদেৱে স্বৰ্গদেউক এক নিশ্চিত্ত বিপদৰপৰা ৰক্ষা কৰিলে।

চুহুংমুং স্বৰ্গদেৱক আইদেৱে প্ৰত্যক্ষভাবে ৰক্ষা কৰিলেও পৰোক্ষভাৱে ৰাজ্যখনলৈ অমঙ্গল আহিল। এনে চতুৰ বুদ্ধিমতী তিৰোতা নবাবক লাগে। কাঁচনমলাৰ লোভ কোনোমতেই নবাবে এৰিব নোৱাৰিলে। নবাবে প্ৰস্তাৱ দিলে বোলে স্বৰ্গদেৱে কাঁচনমলাক নবাবলৈ উলিয়াই দি বন্ধুত্ব গাঢ়তৰ কৰিব লাগে। স্বৰ্গদেৱেও সালঙ্কৃতা কৰি আইদেউক নবাবলৈ উলিয়াই দিয়াটোও থিৰাং কৰিলে। আইদেৱে কিন্তু সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে। তেওঁ নিজ মাতৃভূমি এৰি বিদেশী বিধৰ্মীৰ হাতৰ পুতলা হৈ থাকিব নোৱাৰে। নবাবে লাজ পাই ১৫২৭ চনত তুৰ্ববকক অসম ৰাজ্য আক্ৰমণ কৰি আইদেউক ধৰি লৈ যাবলৈ আদেশ কৰিলে। অৱশ্যে তুৰ্বকৰ অসম আক্ৰমণৰ প্ৰধান কাৰণ এইটোৱেই নহয়, অন্য উদ্দেশ্যও নথকা নহয়। যুদ্ধত ফ্ৰাচেংমুং আৰু মূলাগাভৰুৱে অসীম বীৰত্ব দেখুৱাই প্ৰাণ বিসৰ্জন দিলে। কনচেং বৰপাত্ৰ গোহাঁয়ে তুৰ্বককো হত্যা কৰিলে। কিন্তু কাঁচনমলা আইদেউক মুছলমান সেনাবিলাকে বন্দী কৰি লৈ নিজৰ দেশৰ ফালে ব্ৰহ্মপুত্ৰইদি নাও মেলি পলাবলৈ ধৰিলে। আইদেৱে জানো ইমান সহজে আত্মসমৰ্পণ কৰিলে? নাৱৰ পৰা জাপ মাৰি লুইতৰ বুকুত জাহ গ'ল। বুৰঞ্জী লিখকৰ কলমৰ পৰা আঁতৰি থকা এইগৰাকী প্ৰত্যুৎপন্নমতি সম্পন্না, স্বাধীনমনা, বীৰাঙ্গনা মহীয়সী নাৰী অসমীয়াৰ গৌৰৱ।

## ৰামলী আৰু ৰাঙলী

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা আত্মশ্লাঘাযুক্ত বিষয়া আছিল। নিজৰ স্বাৰ্থত কিঁবা আঘাত লাগিছে বুলি ভাবি কেতিয়াবা আবেগৰ বশৱৰ্তী হৈ বিবেচনাহীন ভাৱে যিহকে ইচ্ছা তাকে কৰে। ৰাঘৰ আৰু নাহৰ মৰানক লঘু দোষতে বা বিনা দোষতে গুৰু শাস্তি প্ৰদান কৰিলে আৰু মায়ামৰা মহন্তক বেয়াকৈ অপমান কৰিলে। ৰাঘৰ আৰু নাহৰে বৰবৰুৱাৰ ওপৰত প্ৰতিশোধ লবলৈ দৃঢ়প্ৰতিজ্ঞ হ'ল। এই উদ্দেশ্যে নাহৰে উজনি-নামনি চলাথ কৰি মায়ামৰা আৰু অন্যান্য প্ৰজাৰ মন বুটলিলে।

অপমানিত নাহৰে এনেদৰে ঘুৰি ফুৰি দিলৰি নৈৰ পাৰৰ বেঙেনাবাৰীৰ ৰামলী পামৰ এগৰাকী হাৰিয়নীৰ ঘৰত আশ্ৰয় ল'লে। ৰামলীৰ ৰাঙলী নামৰ এজনী জীয়েক আছিল। নাহৰক বলিষ্ঠ, দৃঢ়মনা আৰু সুশ্ৰী পুৰুষ দেখি ৰাঙলীক নিজৰ কৰি লবলৈ ৰামলীয়ে আহবান কৰিলে। লগতে আগন্তুক উদ্দেশ্যে, ৰজাৰ বিৰুদ্ধে বিদ্ৰোহত জয়লাভ কৰিবলৈ উপায় যুগুতি প্ৰদান কৰিবলৈ গাত ললে। ৰামলীয়ে নাহৰক গুপুতে অনেক পৰামৰ্শ দিয়াৰ উপৰিও মোহিনী মন্ত্ৰ সম্বলিত এখন তামৰ ফলি উপহাৰ দিলে। সেই তামৰ ফলিত থকা মন্ত্ৰ প্ৰয়োগ কৰিলে নিজৰ অভীষ্ট সিদ্ধি হয়। বিদ্ৰোহ কৰিলে বিদ্ৰোহত সফলতা লাভ কৰিব। নাহৰে বিচৰা বস্তুকে পাই মহাৰঙ্গে ৰাঙলীক পত্নীৰূপে গ্ৰহণ কৰি মায়ামৰা মহন্তৰ কাষ চাপিল। মহন্তই সেই ফলি তন্ন তন্নকৈ পৰীক্ষা কৰি ৰণ জয়ৰ আশ্বাস পালে। সৰ্বানন্দ ৰাজকুমাৰৰ মতে —"সেই তামৰ ফলি ভুঞাবিলাকৰ হাতত থকা সূৰ্যদত্ত ধাতু তাম্ৰাক্ষৰী কল্পতৰু শাস্ত্ৰৰ এটা অংশও হ'ব পাৰে।" মায়ামৰা সত্ৰাধিকাৰে পুতেক

গাগিনী ডেকাক তামৰ ফলিৰ সৈতে নাহৰক লগত দি আহোম স্বৰ্গদেৱ লক্ষ্মীনাথ সিংহৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰিবলৈ আদেশ দিলে। যুদ্ধত সঁচাকৈয়ে মায়ামৰাই জয়লাভ কৰিলে। তামৰ ফলি আৰু গুপুত পৰামৰ্শ আগবঢ়োৱা এইগৰাকী "ৰামলী আৰু তেওঁৰ জীয়েক ৰাঙলী বুৰঞ্জী উপেক্ষিতা বুলি ওলাই কৰিলেও বাস্তৱিকতে কাহিনী উপেক্ষিত নহয়। শিৱসাগৰৰ ৰাঙলী হাবি বা ৰাঙলী ৰিজাৰ্ভ ৰাঙলী নামেৰেই নামাকৰণ হোৱা।" (হেম বুঢ়াগোহাঞি)

## তেলীয়া কন্যা

শান্তি কন্যা ৰাধিকাৰ সতীত্বৰ পৰীক্ষাৰ কাহিনী নজনা কোনো নাই। মহাপুৰুষ শংকৰদেৱে টেম্বুৱানী জানৰ বানপানী ৰোধ কৰিবলৈ সতী ৰাধিকাৰ হতুৱাই ভেটাত প্ৰথম মাটি দি জানৰ উপদ্ৰৱৰ পৰা ৰক্ষা কৰিছিল। সতী গৰাকীক সতীত্বৰ পৰীক্ষা কৰাইছিল এটা পলত এপলকৈ পানী আনিবলৈ দি। ৰাধিকাই নিৰ্বিঘ্নে পলত এপলকৈ পানী আনিব পাৰিছিল। তেনেকুৱা অন্য এগৰাকী শান্তি কন্যাৰ একেধৰণৰ সতীত্বৰ পৰীক্ষাৰ কাহিনী বুৰঞ্জীত পোৱা যায়।

আহোম স্বৰ্গদেউ খোৰা ৰজাৰ দিনত অসম আক্ৰমণ কৰিবলৈ কোচ ৰাজ্যৰ সেনাপতি চিলাৰায় কোঁৱৰে যো-জা কৰাৰ সময়তে এদিন সপোন দেখিলে– শ্ৰীসূৰ্য গোঁসাইৰ মূৰ্ত্তি এটা বহুত দিন ধৰি পানীত পৰি আছে। সেই মূৰ্ত্তি উদ্ধাৰ কৰি দ'ল বান্ধি উৎসৰ্গা কৰিলে। শুক্লধ্বজে যুদ্ধত অনায়াসে জয়লাভ কৰিব আৰু তেওঁৰ ভৰিত থকা শুক্ল দাগ আঁতৰ হ'ব। কিন্তু সেই মূৰ্ত্তি এগৰাকী শান্তি কন্যাৰ দ্বাৰাই উৎসৰ্গা কৰিব লাগিব। সপোনতে শান্তি কন্যা বাচি উলিওৱাৰ উপায়ো দিলে।

সপোনৰ মতেই শ্ৰীসূৰ্যৰ মূৰ্ত্তি উদ্ধাৰ কৰা হ'ল। এইবাৰ শান্তি কন্যাৰ অনুসন্ধান চলিল। ভালেমানদিন অসুন্ধান চলাই অৱশেষত তেলীয়া বজাৰৰ এগৰাকী তেলীয়া পত্নীয়ে নিজকে শান্তি কন্যা বুলি পৰিচয় দি অসম্ভৱক সম্ভৱ কৰিবলৈ আগবাঢ়ি আহিল। সপোনত কোৱাৰদৰে কন্যাগৰাকীক একুৰি এটা চিদ্ৰ থকা অমৰ পাত্ৰত পানী আনিবলৈ দিয়া হ'ল। তেলীয়া পত্নীয়ে পানী আনিলে, কিন্তু পাত্ৰত চাৰি আঙুল পানী কমি আহিল। ইয়াৰ কাৰণ সোধাত তেওঁ ক'লে, বোলে জীৱনত তেওঁ কোনো পাপ কৰ্ম বা পাপ ভাৱ স্বপ্নতো কৰা নাই; মাত্ৰ এদিন তেওঁৰ বুকুৰ আৱৰণ নোহোৱা অৱস্থাত শহুৰেকে দেখা পালে। দ্বিতীয়বাৰ পানী আনিলে, পুনৰ দুআঙুল কমি আহিল। ইয়াৰ কাৰণ সোধাত ক'লে বোলে তেওঁৰ জেঠালে এদিন তেওঁৰ মুখখন দেখা পালে। তৃতীয়বাৰ তেলীয়া কন্যাই চপচপীয়াকৈ ফুটা থকা পাত্ৰত পানী আনিব পাৰিলে। চাৰিওফালে ৰং চোৱা মানুহৰ মাজত হৰিধ্বনি হ'ল। এইগৰাকী সতীৰ হতুৱাই নৰনাৰায়ণ ৰজাই শ্ৰীসূৰ্যৰ মূৰ্ত্তি উৎসৰ্গা কৰি নৱনিৰ্মিত দ'লত স্থাপন কৰিলে। "এগৰাকী সুচৰিত্ৰা তেলীয়ানীয়ে পূজা কৰ্ম্ম সম্পাদন কৰাৰ অধিকাৰ লাভ কৰিছিল; এই তথ্যও বুৰঞ্জীৰ পক্ষে লাগতিয়াল।" (ড° সূৰ্যকুমাৰ ভূঞা)

## আৰিমত্তৰ দিনৰ বুদ্ধিমতী তিৰোতা

জোঙাল বলহুৱে এবাৰ আৰিমত্তৰ ৰাজ্য আক্ৰমণ কৰি, আৰিমত্তৰ গড় বা বৈদ্যৰ গড় একেৰাহে কেইবা সপ্তাহো জুৰি অৱৰোধ কৰি ৰাখিছিল। শত্ৰু কিন্তু কোনোপধ্যে গড়ৰ ভিতৰ সোমাব পৰা নাছিল। পিচে গড়ৰ ভিতৰত খাদ্যাভাৱত হাহাকাৰ লাগি পৰিল। গড়ৰ বাহিৰৰ পৰা খাদ্যবস্তু অনাৰ উপায় বিচাৰি ৰজা আৰু বিষয়াসকল ব্যাকুল হৈ পৰিল। এই কথা লক্ষ্য কৰি এগৰাকী বুঢ়ী ৰজাৰ ওচৰলৈ আহি জনালে বোলে শত্ৰু সৈন্যবোৰক আঁতৰ কৰাৰ এটা উপায় তেওঁ দিব পাৰিব। ৰজাই আগ্ৰহেৰে সোধাত বুঢ়ীয়ে বোলে– এটা পঠা ছাগলীক এদোনমান চাউল খুৱাই পোনেই গড়ৰ বাজলৈ পঠিয়াই দিব লাগে। কথা শুনি বিষয়াবোৰ জাঙুৰ খাই উঠিল– খাদ্যাভাৱত গড়ৰ ভিতৰত মানুহ মৰে, আকৌ চাউল খুৱাই পঠা ছাগলী শত্ৰুক দিব লাগে। ৰজা আৰিমত্তই কিন্তু বুঢ়ীৰ কথা দলিয়াই পেলাব নোৱাৰিলে। তেওঁ বুঢ়ীৰ দিহামতেই কাম কৰিবলৈ আদেশ কৰিলে। আদেশমতেই ছাগলী এটাক এদোনমান চাউল খুৱাই গড়ৰ বাহিৰ কৰি দিয়া হ'ল।

জোঙাল বলহুৰ সৈন্যই পঠাটো পাই খাবৰ কাৰণে আনন্দ মনেৰে কাটিলে। পঠাটোৰ পেটত চাউলসোপা পাই সৈন্যবোৰ বিস্মিত হ'ল। জোঙাল বলহুৱে বোলে মিছাকৈয়ে তেওঁলোকে ইমান দিন গড় অৱৰোধ কৰি ৰাখিলে। গড়ৰ ভিতৰত খাবলৈ নাপাই ৰজা-প্ৰজা আটায়ে মৰক বুলিহে ইমানদিনে খাপ পাতি আছিল, পিচে তেওঁলোকৰ গড়ৰ ভিতৰত ইমানেই খাদ্য আছে যে ছাগলীকো চাউলেৰে পুহি ৰাখিব পাৰিছে। গতিকে তাত থাকি তেওঁলোকৰ একো লাভ নহয়। গড় এৰি যোৱাই মঙ্গল। কথামতেই সকলো সৈন্য আঁতৰি গ'ল। ৰজা বিষয়া সকলোৱে বুঢ়ীৰ বুদ্ধিক প্ৰশংসা কৰিলে।

অসম বুৰঞ্জীত বিস্ময় হ্বলগীয়া কাহিনী আৰু চৰিত্ৰ অনেক আছে। যিবিলাক পাহৰণিৰ গৰ্ভত হেৰাই যাব ধৰিছে। এই কাহিনী তথা চৰিত্ৰবিলাকক যদি আমি হেৰাই যাবলৈ নিদি উলিয়াই আনো। মোৰ বিশ্বাস ইয়াৰ দ্বাৰা আমাৰ অসমীয়া সমাজখনে জ্ঞানৰ লগতে বিস্ময়কৰ আমোদো লাভ কৰিব। ❖❖

**বিঃদ্ৰঃ সহায়ক গ্ৰন্থ ঃ-**
আহোম যুগৰ ইতিহাসৰ সোণালী– পুতুল বৰুৱা দিহিঙ্গীয়া সফুৰা
বুৰঞ্জীৰ মণি মুকুতা– যোগেন দত্ত

● *লেখিকা স্নাতক তৃতীয় বৰ্ষৰ বুৰঞ্জী বিভাগৰ ছাত্ৰী*

# অসমীয়া লোক-সংস্কৃতিৰ এক অপৰিহাৰ্য সম্পদ

# অসমীয়া তাঁতশালখন..



■ নাং নিতুস্মিতা ফুকন (গগৈ)

এক বাৰেৰহনীয়া সংস্কৃতি। সেয়েহে এই সংস্কৃতিৰে শিল্প সমূহৰ মাজৰ পৰাই অসমীয়া নাৰী সমাজৰ এক অবিচ্ছেদ্য শিল্প বয়ন শিল্পৰ অৰ্থাৎ অসমীয়া তাঁতশালখনৰ এক থূল-মূল আভাষ দাঙি ধৰাৰ প্ৰয়াসেৰে অসমীয়া নাৰী সমাজৰো এক অপৰূপ কলা-কৌশলৰ নিদৰ্শনতা প্ৰকাশ কৰিব পাৰি।

বিহুগীতত কোৱাৰ দৰে--

*ৰাতি দুপৰলৈ   কাটি সূতালাহী*
*ধনলৈ বিহুৱান বলো,*
*ৰঙাকৈ আঁচুৰে   বাছি পাণকটা*
*টিপতে লুকুৱাই থ'লো।*

সোণালী অসম দেশৰ গাঁৱৰ ৰাংঢালী গাভৰুজনীৰ মনৰ ভাষাৰে--

*আগলি বাঁহৰে   লাহৰী গগনা*
*বহি তাঁতৰ পাতত বাওঁ*
*আহে কি নাহে ঐ   মোৰ ধন চেনাই*
*চিৰিপাতি মংগলখন চাওঁ।।*

সংস্কৃতি বোৱতী সুঁতি। নদীৰ গতিৰ লগত সংস্কৃতিক ৰিজাব পাৰি। নদীয়ে যেনেদৰে কুলু কুলু গতি কৰে, সংস্কৃতিয়ে সময়ৰ সৈতে ৰজিতা খুৱাই এক নিৰ্দিষ্ট ধাৰাত গতি কৰি থাকে।

বিশেষতঃ বাৰে ৰহনীয়া সংস্কৃতিৰ সংমিশ্ৰণৰ অপৰূপ ক্ষেত্ৰস্থলী আমাৰ সেউজী অসম ভূমি। নানা জাতি-উপজাতিৰ সংমিশ্ৰণেৰে গঠিক এক সু-সমন্বয়ৰ জাতি এই অসমীয়া জাতি। যাৰ ৰীতি-নীতি, সংস্কাৰ, আচাৰ-ব্যৱহাৰ সকলোবোৰেৰে সংমিশ্ৰণত এক সমূহীয়া ৰীতি-নীতি, পৰম্পৰাই গঢ় লৈ উঠিছে।

বোধকৰো অসমীয়া জাতিৰ সংস্কৃতি, শিল্প, কলা-কৌশল এই সকলোবোৰ প্ৰত্যেকন অসমীয়াৰ স-হৃদয়ত সদায়েই উদ্দীপিত হৈ থাকে। ইয়াক বহলাই প্ৰকাশ কৰাৰ সদিচ্ছা থাকিলেও সকলোবোৰৰ বিষয়ে প্ৰকাশ কৰাটো হঠাতে সম্ভৱপৰ হৈ নুঠে। কিয়নো? আগতেই কোৱা হৈছে যে অসমীয়া সংস্কৃতি

জাতি, ধৰ্ম, নিৰ্বিশেষে বোৱা কটা জনাটো অসমৰ সামাজিক তথা জাতীয় জীৱনৰ এক গৌৰৱময় দিশ। অসমীয়া সু-শিপিনী, নাৰীয়ে ৰাতিটোৰ ভিতৰতে কপাহ নেওটি, পাঁজি-বাটি, সূতা কাটি, কৰচ কাপোৰ বৈ নিজ স্বামীক ৰণলৈ পঠোৱাৰ নানা ধৰণৰ ঐতিহাসিক ঘটনাৰাজিয়ে অসমীয়া কুশলী হাতৰ ক্ষিপ্ৰতাকে উজ্জ্বলকৈ দেখুৱায়।

অসমীয়া শিপিনীৰ হাতৰ পৰশত সৃষ্টি হোৱা মেজাংকৰী পাট-মুগা আৰু কপাহী সূতাৰ জালী, এণ্ডা, খৰা চোলা আদি নানা তৰহৰ সাজপাৰ অতীজৰ ৰজা-মহাৰজা, পাত্ৰ-মন্ত্ৰীসকলে সুৰুচিপূৰ্ণ সহকাৰে পিন্ধিছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালত জামা, পাগ-ইজাৰ আদি ব্যৱহৃত হোৱা সাজ-পাৰ সমূহো তৈয়াৰ হৈছিল সেইসকল কলা-কৌশলী শিপিনীৰ হাতৰ পৰশতে। অকলে যে উচ্চখাপৰ মৰ্যদাসম্পন্ন লোকেই যে বোৱা কাপোৰ ব্যৱহাৰ কৰিছিল এনে নহয়। দুখীয়া লোকসকলেও শিপিনীসকলৰ হতুৱাই এৰীয়া সূতাৰে বোৱা ফটুৱৈ চোলা তৈয়াৰ কৰি লৈছিল।

এইখিনিতে এটা কথা উল্লেখ নকৰিলে হয়তো অসমীয়া জাতিটোৰ বয়ন শিল্পৰ বৰ্ণনা দিবলৈ যাওঁতে আধৰুৱা হৈ ৰ'ব যে অসমৰ পাট, মুগা কাপোৰ দীৰ্ঘস্থায়ী আৰু মৰ্যদাসম্পন্ন। বিবিধ বৰ্ণৰ আঁচুৰে জাতিষ্কাৰ কৰি কাৰু-কাৰ্য কৰা অথবা

সোণোৱালী গুণাৰে বন কৰা ছাঁতে শুকুৰা, মুঠিতে লুকুৰা অসমীয়া পাট মুগা কাপোৰে সমগ্ৰ বিশ্ব দৰবাৰতে মূৰ দাঙি থিয় দিবলৈ সক্ষম কৰাইছে।

ঘৰতে সহজে তৈয়াৰ কৰি লোৱা কাপোৰসমূহ যেনে- বৰ কাপোৰ, তাবৰ কাপোৰ, নৰা কাপোৰ, উকা খনীয়া, গুণা ফুলা খনীয়া, বচোৱালা, টঙালি, গুটি বোলোৱা গামোচা, পানী গামোচা, কিংখাপ, পাট-কপাহী কাপোৰৰ চেলেং, জালী কাপোৰ, হাঁচতি আদি সকলোবোৰ বস্ত্ৰৰ অসমীয়াৰ তাঁতশালখনতে তৈয়াৰ হৈছিল।

অসমীয়া সমাজৰ এই এৰাব নোৱাৰা তাঁতশালখন, শালখনৰ প্ৰত্যেকবিধ সঁজুলিক লৈ এই সমাজখনত নানা ধৰণৰ মুখৰোচক লোকগীত, বিয়ানাম, বিহুনাম, প্ৰবচন আদি শুনিবলৈ সততে পোৱা যায়। ইয়াৰ পৰাই সহজে অনুমেয় যে এই যাউতিযুগীয়া তাঁতশালখন আমাৰ এই সু-সভ্য জাতিটোৰ বাবে কিমান আদৰণীয় আৰু প্ৰয়োজনীয়।

বিহুৰ সময়ত শ্ৰদ্ধা আৰু চেনেহৰ প্ৰতীক স্বৰূপে নিজহাতে বোৱা বিহুৱান দিয়া বৈশিষ্ট্যপূৰ্ণ প্ৰথাই অসমীয়া জীয়াৰী-বোৱাৰীক এই শিল্পবিধত সদা নিপুণ কৰি তুলিছে। ইয়াৰ উপৰিও বিয়া-বাৰুত গুৰুঘৰ, গোঁসাই ঘৰ আৰু মাননীয় জনলৈ মাননি স্বৰূপে খনীয়া কাপোৰ, বৰকাপোৰ, গুণা কৰা চেলেং অথবা ফুলাম গামোচা আগবঢ়োৱাটো অসমীয়া সামাজিক জীৱনৰ এক অপৰিহাৰ্য প্ৰথা।

উল্লেখিত তাঁতশালখনৰ বিভিন্ন সঁজুলি সমূহৰ থুল-মূল পৰিচয়েৰে অসমীয়া সমাজৰ নাৰী হিচাপে গৌৰৱত্ব অৰ্জন কৰিব পাৰি এনে ধৰণে–

**ছাগলী খুঁটি** ঃ- যঁতৰ শলা সংযুক্ত খুঁটি।
**চেৰেকি** ঃ উঘাতকৈ ডাঙৰ এবিধ সূতা মেৰোৱা সঁজুলি।
**উঘা** ঃ সূতা মেৰোৱা এবিধ সঁজুলি।
**ৰাঁচ** ঃ দীঘল সূতা ভৰাই বাণি বোৱা তাঁতৰ সঁজুলি।
**ব'** ঃ বাণিৰ সূতা মাকোৰে ভৰাব পৰাকৈ দীঘৰ সূতা তল-ওপৰ কৰি দিয়া টান সূতা।
**ব' তুলা চোঙা** ঃ ব' তুলিবলৈ ব্যৱহৃত চুঙা।
**টোলোঠা** ঃ তাঁতৰ দীঘল সূতা বা কাপোৰ মেৰোৱা গোটা কাঠ।
**নাচনী জৰি** ঃ তাঁতশালৰ নাচনীত ব' ওলমাই ধৰি থকা জৰি।
**বান্দৰী** ঃ শালত তাঁত ওলমোৱা সঁজুলি।
**কাণমাৰি** ঃ তাঁতশালৰ টোলোঠাৰ দুই মূৰে দিয়া বিন্ধা।
**মহুৰা** ঃ মাকোত তাঁত ববলৈ ফোপোলা কাঠত মেৰিয়াই লোৱা সূতা।
**মাকো** ঃ তাঁতত বাণি-সূতা চলোৱা যতন।
**যঁতৰ** ঃ সূতা কটা, পকোৱা, মহুৰা ফুৰোৱা এবিধ সঁজুলি।
**দোৰপতি** ঃ তাঁতৰ ৰাঁচ সুমুওৱা কাঠ।
**ফুলতোলা কাঠি** ঃ ফুল বাচিবৰ বাবে ব্যৱহৃত সৰু পাতল বাঁহৰ কাঠি।
**গৰকা** ঃ তাঁতশালৰ তলত ভৰি দিয়া ব'ৰ সংলগ্ন দুডাল সৰু গোটা বাঁহ।
**শলি** ঃ দীঘল কাঠি।
**পুতল** ঃ শালৰ কাপোৰখন বহলাই ৰাখিবৰ বাবে পথালিকৈ ৰখা শলি।
**লেটাই** ঃ সূতা মেৰিয়াই নেছা কৰা বাঁহৰ এবিধ সঁজুলি।

তদুপৰি এনে কিছুমান তাঁতশালৰ শব্দ যেনে- আঁচু, বাটি, খৰিকা, মোৰ, বাণি, দীঘ, দাঙমাৰি, ডোৰা, সেৰেপ, হাকোটা, কোহালি, খান্দি, ডোঁৱাৰ, জৰী আদি আমাৰ বাবে তেনেই চিনাকি শব্দ।

এই সমূহৰ উপৰিও তাঁতশালৰ সমগ্ৰ সঁজুলি সমূহৰ লগতে অসমীয়া শিপিনীৰ চানেকিখনো অসমৰ লোক-কলাৰ এক আপুৰুগীয়া সম্পদ। নিৰক্ষৰ অসমীয়া জীয়াৰী-বোৱাৰীয়ে নিজস্ব কল্পনাৰে এশ, ডেৰশ, তিনিশ কাঠিৰ ফুল-গামোছা, চাদৰ-মেখেলাত ৰঙীন সূতা আৰু গুণাৰে মিনা কৰি চালিধৰা, ময়ূৰ, উৰণীয়া মইনা, শেন আদি বিবিধ চৰাই আটক ধুনীয়াকৈ শালৰ কাপোৰখনত ফুটাই তোলে। গোঁসাইৰ গামোচা আৰু সিংহাসনৰ কাপোৰত গছা, বন্তি, শৰাই, ধূপদানি, সিংহাসন তোলাৰ উপৰিও ৰাম নাম তোলা এই অহোপুৰুষাৰ্থ কাম-ফেৰা পৃথিৱীৰ অন্য নাৰী সকলৰ বাবে যেন সপোনৰ বাহিৰত।

তদুপৰি বিভিন্ন ৰূপী লতা, চঁপা-চাকলি, কেকুমুখীয়া ফুল, আঠপহীয়া, ছপহীয়া, চাৰিপহীয়া ফুল, কল্কা, জোন, তৰা, পখিলা, চিৰাফুটুকী, বুটা, কেছ বিভিন্ন ৰূপী জন্তু, পক্ষী সমূহো অনায়াসে দক্ষতাৰে তাঁতৰ কাপোৰখনত জিলিকাই তোলে।

কেৱল যে অসমীয়া শিপিনীসকলে নিজে পিন্ধা কাপোৰৰ বাবে তাঁতশালখনত ব্যস্ত থাকে এনে নহয়। অসমৰ ঘৰে ঘৰে থকা তাঁত শিল্প অসমৰ অৰ্থনৈতিক জীৱনৰো এক এৰাব নোৱাৰা দিশ। জীৱিকাৰ অন্য উপায় নোহোৱা অৰ্থনৈতিকভাৱে স্বচ্ছল নোহোৱা তিৰোতাই নিজৰ পৰিয়ালটিৰ পোহপাল দিবলৈ এই তাঁতশালখনকে সাৰটি জীৱিকাৰ পথ মুকলি কৰে। সাঁচি-সামৰি পিন্ধা কাপোৰৰ উপৰি নিত্য ব্যৱহৃত চাদৰ-মেখেলা, ৰিহা, চোলা, চুৰীয়া কাপোৰ সকলো অসমীয়া মানুহে ঘৰতে বৈ লোৱা যি প্ৰথা অতীজৰে পৰা চলি আহিছে, এতিয়াও চলি আছে আৰু অদূৰ ভৱিষ্যতেও যে নদীৰ গতিৰ দৰে অবিৰামভাৱে, অবিৰতভাৱে এই প্ৰথা চলি থাকিব তাক নিশ্চয়কৈ ডাঠি ক'ব পাৰি।

অসমৰ লোক-গীতবোৰত অসমৰ বুকুৰ কুটুম্ব তাঁতশালখনৰ লগত থকা অসমীয়া জীৱনৰ ওতঃপ্ৰোত সম্বন্ধৰ ঘনিষ্ঠতম ছবিখন অতি সু-স্পষ্টকৈ উজ্জ্বলি আছে আৰু চিৰদিনে থাকিব। ❖❖

● *লেখিকা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী*

# অহিংসাৰ অস্ত্ৰপাত

# হিংসাৰ অস্ত্ৰতকৈ অধিক শক্তিশালী



■ জানমণি দত্ত

'অহিংসাইক পৰম ধৰ্ম'-- বৌদ্ধধৰ্মৰ এই পৰমনীতি বচন ফাঁকি পৃথিৱীৰ প্ৰায়বোৰ ধৰ্মতেই প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে মূলনীতি। ঐতিহাসিক, প্ৰাক্ ঐতিহাসিক যুগলৈ উভতি চালে আমি দেখা পাওঁ প্ৰায়বোৰ পৃথিৱীৰ বিৰল কামত, অৰ্থাৎ ধৰ্ম আৰু অধৰ্মৰ যুদ্ধত 'হিংসা' আৰু 'অহিংসাই' প্ৰাধান্যতা লাভ কৰি আহিছে আৰু ফলাফলত সদায় ধৰ্মৰ জয় আৰু অধৰ্মই পৰাজয় স্বীকাৰ কৰি আহিছে। ইতিহাসৰ পাত লুটিয়াই চালেও আমি দেখা পাওঁ যে 'হিংসা আৰু অহিংসা'ৰ বিভিন্ন যুদ্ধত সদায় অহিংসাৰেই জয় হৈ আহিছে। উদাহৰণস্বৰূপে- ৰামায়ণ, মহাভাৰত, পুৰাণ, ঔপনিষদ ইত্যাদি যুগলৈও যদি চোৱা যায়, তাত পৃথিৱীৰ শান্তি, মানুহৰ শান্তিৰ বাবে সৰ্বসাধাৰণৰ বাবে সদায় 'অহিংসা' নীতিকেই অৱলম্বন কৰা হৈছে আৰু ইয়াৰ জয় হৈছে। 'ৰাম-ৰাৱণৰ যুদ্ধত, কুৰু-পাণ্ডৱৰ যুদ্ধত আনহে নালাগে মহাপুৰুষ শংকৰদেৱৰ বিভিন্ন ৰচনাতো 'হিংসা'ৰ পৰাজয় আৰু অহিংসা'ৰ জয়কেই প্ৰাধান্য দিছিল বুলি ক'লে বেছিকৈ কোৱা নহ'ব।

'হিংসা' আৰু 'অহিংসা' এই দুয়োটাই মানসিক। মানুহৰ বাদেও ইতৰ অন্যান্য প্ৰাণীৰ ভিতৰতো এই দুয়োবিধ মানসিকতা দেখা যায়। 'হিংসা' হ'ল এনে এটা মনোভাৱ, যিটোৱে কেৱল আনৰ অহিত চিন্তাৰ বাদে আনৰ কুচুৰ্ত-কপট বা অন্যায়ৰ বাদে কেতিয়াও হিত সাধনাৰ কথা চিন্তা কৰিব নোৱাৰাৰ এটা মানসিকতা। এই দুয়োটাৰ মানসিকতাৰ যুদ্ধত অহিংসাৰহে মানুহৰ কাম্য হৈ অহাৰ পৰিলক্ষিত হৈ আহিছে আৰু পাছে পদে পদে হিংসাই অৱশেষত অহিংসাৰ অস্ত্ৰপাতৰ তলত নতশিৰে স্বীকাৰ কৰিছে।

পৃথিৱীৰ বিভিন্ন দেশ, মহাদেশবোৰৰ লগতে যদি আমাৰ ভাৰতবৰ্ষৰ মধ্যযুগৰ পৰা, বৰ্তমানৰ আধুনিক প্ৰযুক্তিবিদ্যাৰে সমৃদ্ধ সময়ছোৱা বিশ্লেষণ কৰি চোৱা হয়, সেই সময়ছোৱাৰ বিভিন্ন ঘটনাৰাজি আমাৰ চকুত ভাঁহি আহে। অৱশ্যে ইয়াৰ কাৰণ প্ৰত্যেকৰে সুকীয়া সুকীয়া হ'ব পাৰে। কোনোটোৰ ৰাজনৈতিক, অন্য এটাৰ অৰ্থনৈতিক, তাৰ অন্য কিছুমান হয়তু ধৰ্মীয় কাৰণ হ'ব পাৰে। যুদ্ধবোৰ হোৱা বিভিন্ন কাৰণ থাকিলেও ইয়াৰ মূল মানসিক কাৰণটো হৈছে 'হিংসা'। অৰ্থাৎ হিংসা আৰু অহিংসাৰ যুদ্ধ। এইটোও কোৱাৰ বাহুল্য নহয় যে হিংসাই সাময়িকভাৱে জয় লাভ কৰি অহা দেখিলেও শেষ পৰিণতিত 'অহিংসাই' শ্ৰেষ্ঠতা প্ৰমাণ কৰি আহিছে। ৰাজনৈতিক বা অৰ্থনৈতিক যুদ্ধবোৰও কেৱল হিংসাৰ বাবেই হৈছিল যাৰ বাবে পৃথিৱীত দুখনকৈ মহাযুদ্ধ, দেশসমূহৰ মাজত বিভিন্ন গৃহযুদ্ধ, তিনি-চাৰিটাকৈ যুগান্তৰিক বিপ্লৱ সূচনা হৈছিল।

অন্যহাতেদি, হিংসা হ'ল এনে এটি ভাৱনা যিটো ভাৱনা

কোনো লোকৰ বা ইতৰ প্ৰাণীৰ প্ৰথমৰ পৰাই উদয় নহয়। পৰিস্থিতিৰ সাপেক্ষেহে বা জীৱনৰ গতি অন্য দিশে ধাৱিত কৰিবলৈহে 'হিংসাৰ' বীজ মনত উদয় হয়। এবাৰ হিংসাৰ লেতেৰা বীজ যদি এজন মানুহৰ মগজুত ৰোপিত হয় তেনেহ'লে তাৰ প্ৰদূষণ ঘটি সমাজখনৰ বহুলোকৰ ওপৰত প্ৰভাৱ পৰিব পাৰে। এই বীজে সমাজখন কলুষিত কৰি একেবাৰে কোঙা কৰি পেলাব পাৰে। 'হিংসা' সোঁচৰা ব্যাধিৰ দৰে। সাময়িকভাৱে বিভিন্ন কু-কৰ্মত যেতিয়া বহুলোকৰ অনিষ্ট হয়, যেতিয়া বহুলোক পীড়িত হয়, শোষিত হয়, লাঞ্চিত, অপমানিত হয়, যেতিয়াই হিংসাই একস্বত্ব অধিকাৰী হৈ সমস্ত নিজৰ দখললৈ আনিবলৈ বিচাৰে তেতিয়াই 'অহিংসা' নামৰ চিৰ সেউজ মানসিকতাই মূৰ দাঙি উঠে আৰু লাহে লাহে 'হিংসা'ৰ কবলৰ পৰা নিজক, মানুহক, জাতিক বা দেশখনক উদ্ধাৰ কৰিবলৈ যুদ্ধ ঘোষণা কৰে। শেষত হিংসাৰ অস্ত্ৰপাতকৈ অহিংসাৰ অস্ত্ৰপাতেই বেছি শক্তিশালী হৈ জিলিকি পৰে।

এনে বহুতো ঘটনাই আছে, যিবোৰ আমি পৃথিৱীৰ বিভিন্ন ইতিহাসত চকু ফুৰাই চালেই দেখিবলৈ পাওঁ। উদাহৰণস্বৰূপে- আমাৰ ভাৰতবৰ্ষ আৰু আমাৰ নিজ ৰাজ্যখনৰ দুটামান কথা এই প্ৰসংগত ক'ব পাৰি। আমাৰ দেশে স্বাধীনতা পোৱাৰ প্ৰাক্‌ভাগত শোষিত ভাৰতীয় জনসাধাৰণে নিজক শোষণৰ পৰা ৰক্ষা কৰিবলৈ, দেশক বঙালৰ হাতৰ পৰা মুক্ত কৰিবলৈ ইংৰাজৰ বিৰুদ্ধে বহুতো ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। ইংৰাজৰ নিৰ্মমতা সহিব নোৱাৰি বহুতে স্বাধীনতাৰ বাবে চৰমপন্থা গ্ৰহণ কৰিব লগা হৈছিল। ইংৰাজৰ লগত মুখামুখিকৈ যুদ্ধ কৰিবলৈ বহুতে হাতত বন্দুক বাৰুদ তুলি লৈছিল। 'আজাদ হিন্দ ফৌজ' হয়তু তাৰ ফলশ্ৰুতিতেই জন্ম হৈছিল। নেতাজী প্ৰমুখ্যে বহুতো তীক্ষ্ণ বুদ্ধিৰ লোকে এই চৰমপন্থা গ্ৰহণ কৰিলেও শেষত তেওঁলোকৰ তেনে নীতিয়েই জয় আনিব নোৱাৰিলে। ইয়াৰ অৰ্থ হ'ল বন্দুক বাৰুদৰ যোগেদি স্বাধীনতাক বিচাৰি পাব নোৱাৰি। উল্লেখযোগ্য সেই একে স্বাধীনতাৰ বাবেই মহামানৱ মহাত্মা গান্ধীৰ উদ্যোগত দেশৰ শোষিত নিষ্পেষিত, নিৰপেক্ষিতসকলক লৈ তেওঁলোকৰ শোষণ নিষ্পেষণ অন্ত পেলাবলৈ যি 'অহিংসা' নীতিৰে দেশৰ কোটি কোটি জনতাৰ মন জয় কৰিবলৈ দেশত ইংৰাজৰ বিৰুদ্ধে নিজৰ ন্যাৰ্য দাবী পূৰণৰ বাবে যি সৰ্বাত্মক গণ আন্দোলন গঢ়ি তুলিলে, তাৰ আগতে ইংৰাজে মূৰ দোৱাই দিবলৈ বাধ্য হ'ল। ভাৰতে অহিংসা নীতিৰে স্বাধীনতা লাভ কৰিলে। এইটোও পৃথিৱীৰ বুৰঞ্জীত 'অহিংসা'ৰ এক বিৰল নিদৰ্শন। যিটো ইতিহাসত সোণালী আখৰে লিপিবদ্ধ হৈ আছে। সমগ্ৰ পৃথিৱীৰ বাবেই হৈ ৰ'ল এক আদৰ্শৰ মাইলখুটি।

সাময়িক ভাৰত তথা অসম নালাগে সমগ্ৰ বিশ্বখনলৈ যদি চোৱা যায়, দেখা যায় যে কেৱল হিংসা, সন্ত্ৰাসেৰে জৰ্জৰিত এক মানুহৰ ভয়াবহ অৱগ্ৰাহণৰ ৰূপ। সাময়িক উত্তেজনা, নিজৰ স্বাৰ্থ বা এক শ্ৰেণীৰ বিশেষ স্বাৰ্থ পূৰণ কৰিবলৈ অন্য কিছুমানে নিজৰ ৰাজনৈতিক মুনাফা আদায় কৰিবলৈ উদ্দেশ্য প্ৰণোদিতভাৱে, পৰিকল্পিতভাৱে হিংসাত্মক কু-কৰ্মত লিপ্ত হৈ নিজৰ লগতে গোটেই পৃথিৱীক জুৰুলা কৰি পেলাইছে। বৰ্তমান সকলোতে কেৱল হিংসা আৰু অশান্তিৰ বিষবাষ্পহে বলি আছে। যি বিষাক্ত বায়ুৰে গোটেই সমাজ ব্যৱস্থাটোকেই কোঙা কৰি পেলাইছে। হিংসাৰ বাবে জ্বলি উঠিছে 'কাশ্মীৰ' য'ত বন্দুক জোৱাৰৰ বাদে কোনো নতুনত্ব নাই। হিংসাৰ বাবেই আজি অগ্নিগৰ্ভা হৈ পৰিছে চেনেহী অসম। যাৰ বাবে ধেমাজীত 'শিশু বধৰ দৰে ঘৃণনীয় ৰক্তক্ষয়ী ঘটনা ঘটিছে।

যিমানেই নহওঁক কিয়, বন্দুক-বাৰুদলৈ মানুহে সামাজিকভাৱেহে ভয় কৰে। পিছত মানুহে একগোট হৈ এই অশান্তিক দূৰ কৰি আহিছে 'অহিংসা'ৰ মন্ত্ৰৰে। অশোকৰ দৰে হিংসা প্ৰিয়লোকক 'অহিংসা'ৰ মহামন্ত্ৰৰে বান্ধি অহিংসা নীতি গ্ৰহণ কৰিবলৈ বাধ্য কৰাব পৰিছিল।

গতিকে দেখা যে, "অহিংসাৰ অস্ত্ৰপাত হিংসাতকৈ অধিক শক্তিশালী।"❖❖

● *লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী*



# আমেৰিকাৰ অৰ্থনৈতিক সংকট ঃ বিশ্বত ইয়াৰ প্ৰভাৱ

■ বিৰিণা বৰুৱা




বিশ্বৰ সৰ্ববৃহৎ আৰু সৰ্ব শক্তিমান দেশ নামেৰে পৰিচিত আমেৰিকা যুক্তৰাষ্ট্ৰ বৰ্তমান অৰ্থনৈতিক সংকটেৰে জৰ্জৰিত, প্ৰথম বিশ্বৰ দেশ আমেৰিকাত অৰ্থনৈতিক সংকট হোৱাৰ কাৰণ সমূহ- - বৰ্তমান যুক্তৰাষ্ট্ৰই সন্মুখীন হোৱা বৃহৎ আৰ্থিক প্ৰকৃত কাৰণ হৈছে- ব্যয়ৰ ওপৰত চৰকাৰে নিয়ন্ত্ৰণ হেৰুৱাইছে। অভাৱনীয়ভাৱে বৃদ্ধি পোৱা ব্যয়ৰ পৰিপ্ৰেক্ষিতত প্ৰচণ্ড ঋণৰ বোজা ল'বলৈ মাৰ্কিন চৰকাৰ বাধ্য হৈছে। ১১ চেপ্তেম্বৰৰ আক্ৰমণৰ পাছত প্ৰতিৰক্ষাত চৰকাৰী ব্যয় কেইবাগুণো বৃদ্ধি পাইছে। আফগানিস্তান আৰু ইৰাক আক্ৰমণ চৰকাৰৰ বাবে বোজাত পৰিণত হৈছে। একে সময়তে আবিৰ্ভাৱ হৈছে বৃহৎ আৰ্থিক মন্দাৱস্থা আৰু ইয়াৰ পৰা আমেৰিকাৰ অৰ্থনীতি এতিয়াও মুক্তি পোৱা নাই। আৰ্থিক দুৰৱস্থাৰ বাবে কৰ আৰু অন্যান্য ৰাজহ দ্ৰুত গতিত হ্ৰাস পাইছে। বৃদ্ধি হৈছে সামাজিক সুৰক্ষা ব্যয়, উদ্যোগসমূহ গঢ়ি উঠিবলৈ হাজাৰ হাজাৰ কোটি ডলাৰৰ আৰ্থিক সাহাৰ্যৰ প্ৰয়োজন হৈছে। ২০০০ চনৰ পাছৰ পৰা মাৰ্কিন চৰকাৰৰ ঋণৰ পৰিমাণ বছৰি ৫০,০০০ কোটি ডলাৰতকৈও বেছি বৃদ্ধি পাই আহিছে। তাৰ আগলৈকে দশকজুৰি মাৰ্কিন বাজেট সদায় ৰাহি আছিল। ২০০৪ চনত মুঠ ঋণ বৃদ্ধিৰ পৰিমাণ আছিল ১ ট্ৰিলিয়ন ডলাৰ, ২০০৯ আৰু ২০১০ চনত এই পৰিমাণ ক্ৰমে ১.৯ ট্ৰিলিয়ন ডলাৰ আৰু ১.৭ ট্ৰিলিয়ন ডলাৰ। এই পৰিমাণ মুঠ ঘৰুৱা উৎপাদনৰ ৯৮.৬ শতাংশ। সম্প্ৰতি আমেৰিকাৰ অৰ্থনৈতিক উন্নয়নৰ হাৰ বছৰি ১ শতাংশতকৈও কম হৈ আছে।

ঋণ সংকটৰ আন এটা প্ৰধান কাৰণ হৈছে আমেৰিকাৰ ৰাজনীতিবিদসকলৰ আঁৰিয়া-আঁৰি, ডেমক্ৰেটিক প্ৰেছিডেন্ট বিল ক্লিন্টনে অৱসৰৰ লগতে মাৰ্কিন যুক্তৰাষ্ট্ৰক বহু নিযুত ডলাৰ ৰাহি কৰি দি গৈছিল। ৰিপাব্লিকান প্ৰেছিডেন্ট বুশ্বৰ দিনত প্ৰতিৰক্ষাৰ শিতানত ব্যয় বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বাজেট ঘাটি হবলৈ ধৰিলে। বৰ্তমান অ'বামাই ধনী ব্যক্তি আৰু সংস্থাৰ ওপৰত নতুন কৰ লগাই ৰাজভঁৰাল টনকিয়াল কৰি খুজি প্ৰথমে ধাৰ লোৱাৰ সীমা বঢ়াবলৈ কংগ্ৰেছক অনুৰোধ কৰিলে। ৰিপাব্লিকানেৰে ভৰা কংগ্ৰেছ সন্মত নহ'ল। তেওঁলোকে নতুন কৰ লগোৱা বন্ধ নকৰালৈকে এই ক্ষেত্ৰত সন্মত হ'বলৈ মান্তি নহ'ল। এই মনোমালিন্যৰ বাবে এনে এটা সময় আহিল যে ধাৰ লোৱা সীমা নবঢ়ালে মাৰ্কিন চৰকাৰৰ খৰচ কৰাৰ ক্ষমতা কৰ্তন হৈ পৰিব। শেষ সময়ত কংগ্ৰেছে সন্মতি দিলে, কিন্তু নতুন কৰ নবঢ়োৱাৰ চৰ্তত। এই কথাবোৰে আমেৰিকাৰ কোষাগাৰৰ দুৰ্বলতা বাহিৰলৈ উলিয়াই আনিলে। ফলত নতুন ৰেটিং 'AAA' পৰা AA+ লৈ নামি আহিল। বিশ্বৰ অৰ্থনীতিত মাৰ্কিন কোষাগাৰ যথেষ্ট টনকিয়াল বুলি গণ্য কৰি অহা হৈছে। আমেৰিকাৰ পৰা ইউৰোপ, চীন, জাপান আৰু ভাৰতে সদায় সহায় পাই আহিছে। ভাৰত আৰু চীনে আমেৰিকালৈ বহুত ৰপ্তানি কৰে। মাৰ্কিন যুক্তৰাষ্ট্ৰই বহুতো দেশলৈ ৰপ্তানি কৰে। ফলত যেতিয়া এই সংকটৰ সৃষ্টি হ'ল তেতিয়া যুক্তৰাষ্ট্ৰই নানা দেশলৈ ৰপ্তানি কৰাত বাধা আৰোপ কৰিলে। কিয়নো নিজ দেশত সংকটে দেখা দিলে ইয়াৰ পৰিৱৰ্তে অন্য দেশলৈ সামগ্ৰী ৰপ্তানি কৰিলে দেশত আৰ্থিক দুৰৱস্থাই গুৰুত্বভাৱে মূৰ দাঙি উঠিব পাৰে বুলি যুক্তৰাষ্ট্ৰত এটা শংকাৰ সৃষ্টি হ'ল। ইয়াক ভালদৰে লক্ষ্য কৰাত দেখা গ'ল যে ২০০৮ চনৰ মন্দাৱস্থা ইয়াৰ আংশিক প্ৰধান সমস্যা। সেই সময়ত বন্ধকী নোলোৱাকৈ ধাৰ দিয়াৰ বাবে বেংকসমূহে সংকটৰ সন্মুখীন হব লগা হৈছিল।

**<u>বিশ্বত ইয়াৰ প্ৰভাৱ ঃ-</u>**

ভাৰতকে ধৰি সমগ্ৰ বিশ্বতে আমেৰিকাৰ অৰ্থনৈতিক সংকটৰ প্ৰভাৱ পৰাটো পৰিলক্ষিত হয়। বিশ্বৰ বজাৰত সোণৰ মূল্য, পেট্ৰল জাতীয় দ্ৰব্য সমূহৰ বৰ্দ্ধিত মূল্য হৈছে ইয়াৰ জ্বলন্ত উদাহৰণ। বৰ্তমান এই সংকটৰ ফলত মুদ্ৰাৰ মূল্য কমি আহিছে আৰু বস্তুৰ দাম যথেষ্ট পৰিমানে বৃদ্ধি পাইছে। ইয়াৰ উপৰিও বিভিন্ন প্ৰযুক্তিৰ লগত জড়িত কোম্পানী সমূহৰ শ্বেয়াৰ লোকচান হোৱাৰ লগতে বহুতো ভাৰতীয় ব্যক্তিয়ে যি বেলেগ বেলেগ দেশত চাকৰি কৰিছে তেওঁলোকেও চাকৰি হেৰুৱাব লগা হৈছে। অন্যহাতেদি আমেৰিকাৰ অৰ্থনৈতিক সংকটৰ ফলত যদিও বিশ্বৰ অন্যান্য দেশ সমূহত প্ৰভাৱ পৰিছে। কিন্তু ভাৰতক ই বিশেষভাৱে প্ৰভাৱিত কৰিব পৰা নাই। কিয়নো ভাৰতবৰ্ষৰ ৰিজাৰ্ভ বেংকে এক বুজন পৰিমাণৰ সোণ আৰু লগতে ধন জমা কৰি থোৱাৰ ফলত বৰ্তমান ভাৰতবৰ্ষ অৰ্থনৈতিকভাৱে যথেষ্ট সৱল হৈ আছে। গতিকে মানুহৰ এইটো ভুল ধাৰণা যে আমেৰিকাৰ অৰ্থনৈতিক সংকটৰ ফলত বিশ্বৰ সকলো দেশ সংকটাপন্ন হ'ব। (সহায়লৈ)❖❖

● *লেখিকা স্নাতক তৃতীয় বৰ্ষৰ বুৰঞ্জী বিভাগৰ ছাত্ৰী*



# বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ ফোপোঁলা ৰূপ

**সবিতা বৰুৱা**

শিক্ষা হ'ল এনে এক প্ৰক্ৰিয়া যি জন্মৰ পৰা মৃত্যুৰ আগমুহূৰ্তলৈকে চলি থাকে। শিক্ষাই প্ৰত্যেকজন ব্যক্তিকে এক মানৱ সম্পদ ৰূপে গঢ়ি তোলে। কিন্তু যি শিক্ষাই মানৱ সম্পদ গঢ়াত সকলোতকৈ বেছি অবদান আগবঢ়াই সেই শিক্ষাই আজি প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে ধনৰ বিনিময়ত কিনিবলগীয়া হৈছে। আজিৰ শিক্ষাব্যৱস্থা এক ব্যৱসায়ত পৰিণত হৈছে। প্ৰকৃত শিক্ষা আজি ক'তো নাই বুলিয়েই ক'ব পাৰি কাৰণ এই শিক্ষা ব্যৱস্থাই প্ৰকৃত জ্ঞান দিব পৰা নাই। যি সময়ত আনুষ্ঠানিক শিক্ষাই ইমান ব্যাপকতা লাভ কৰা নাছিল সেই সময়ত শিক্ষিতৰ হাৰ কম আছিল সঁচা কিন্তু মানুহৰ মানবীয় গুণৰ অভাৱ নাছিল। আজিৰ মানুহ যিমানে শিক্ষিত হৈছে সিমানেই মানবীয় প্ৰমূল্যবোধ হেৰুৱাই পেলাইছে। আজিৰ শিক্ষাব্যৱস্থাৰ মাপকাঠি হৈছে কেইটামান 'মাৰ্কছ' বা 'নম্বৰ'। কেইটামান নম্বৰৰ ভিত্তিতহে মানুহ কিমান জ্ঞানী তাক জোখ-মাখ কৰা হয়। যিয়েই শিক্ষা ব্যৱস্থাক ফোপোলা কৰি তুলিছে। বৰ্তমান দেশত শিক্ষিতৰ হাৰ বাঢ়িছে কিন্তু বৌদ্ধিক, নৈতিক, আৱেগিক, ভাষিক আদি দিশত কোনো উৎকৰ্ষ সাধন হোৱা নাই। আজিৰ শিক্ষা ব্যৱস্থাই শিশুৰ শৈশৱ কাঢ়ি নিছে। মানৱ জীৱনৰ শিশু অৱস্থাকে বৌদ্ধিক, মানসিক তথা শাৰীৰিক আদি সকলো সময়ৰে বিকাশৰ মূল সময় বুলি কোৱা হয়। বৰ্তমান এবোজা কিতাপ, হ'মৱৰ্ক, টিউশ্যনত আৱদ্ধয়েই শৈশৱ কাল। কৃত্ৰিমতা আৰু যান্ত্ৰিকতাৰ মাজত সোমাই পৰা মাক-দেউতাকে শিশুক দিব পৰা নাই শৈশৱৰ আনন্দ, মানৱতাবোধ, আৱেগিকতা আৰু নৈতিকতা। তাৰ বিপৰীতে নিজৰ ভাষাৰ পৰিত্যাগ কৰি ইংৰাজী ভাষাত শিক্ষা আহৰণ কৰা, পাৰক বা নোৱাৰক শ্ৰেণীত প্ৰথম হোৱা আদি মানসিকতা গঢ় দিছে শিশুৰ কুমলীয়া মনত। মাক-দেউতাকৰ অত্যধিক ব্যস্ততাই পিতৃ-মাতৃৰ প্ৰতি শিশুক আওকণীয়া মনোভাৱ গঢ়ি তুলিছে। যেতিয়া এই শিশুবোৰে কৈশোৰত তথা যৌৱনত বেয়া কাম কৰে, পিতৃ-মাতৃ তথা বয়স্কসকলক সন্মান নজনায়, বেয়া ব্যৱহাৰ কৰে তেতিয়া সমাজৰ বয়স্কসকলে কোৱা শুনো "যুৱ উশৃংখলতা"। আমাৰ বৌদ্ধিক সমাজে সততে আক্ষেপ কৰে আজিৰ চামে শংকৰদেৱ, জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভাক চিনি নাপায়, নাজানে। কিন্তু তেওঁলোকে জানেনে আমাৰ মহান ব্যক্তিসকলৰ বিষয়ে জানিবলৈ দিয়া হৈছিলনে? এই পৰিবেশৰ সৃষ্টিকৰ্তাও আমাৰ মানৱ সমাজেই। আমাৰ শিক্ষা ব্যৱস্থাই নৱপ্ৰজন্মৰ সুস্থ মানসিকতা গঢ়াৰ পথ ৰুদ্ধ কৰে। এখন মানৱতাহীন, দুৰ্নীতি পৰায়ন সমাজ গঢ়াত উদ্‌গনি যোগাইছে। ইয়াৰ মূলত আমাৰ স্বাৰ্থপৰ মানৱ সমাজেই।

• *লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ শিক্ষা বিভাগৰ ছাত্ৰী*

# চৰিত্ৰ

■ দিশা বৰুৱা

পৃথিৱীৰ এই বিশাল সংসাৰত ভাল বেয়া বিভিন্ন ধৰণৰ মানুহ আছে। কোনো জন সত্যনিষ্ঠ, ন্যায়পৰায়ণতা, দয়া, ক্ষমা আদি মহান গুণেৰে ভৰপূৰ। আকৌ কোনোজন হিংসা, শঠতা, ক্ৰোধ, লোভ আদি দুখেৰে কলংকিত। সত্যবাদিতা, সহনশীলতা, ন্যায়পৰায়ণতা, দয়া, মৰম আদি কিছুমান বিশেষ গুণৰ অধিকাৰী জনক চৰিত্ৰবান লোক বোলে আৰু হিংসা, শঠতা, ক্ৰোধ, লোভ আদি বেয়া গুণৰ অধিকাৰীজনক চৰিত্ৰহীন বোলে।

মানুহ সামাজিক জীৱ। সমাজত সুকলমে জীৱন নিৰ্বাহ কৰিবৰ কাৰণে আমাৰ গাত কিছুমান গুণ থকা আৱশ্যক, যাৰ অভাৱত সমাজত সৃষ্টি হয় অশান্তিৰ পৰিবেশ। এনে সমাজত মনুহৰ উন্নতি নহয়। সমাজৰ উন্নতি সাধন কৰিব পাৰে কেৱল চৰিত্ৰবান লোকেহে। চৰিত্ৰবান লোক পবিত্ৰ জলৰ নিচিনা। তেওঁলোকে নিজেও পবিত্ৰ আৰু তেওঁলোকৰ সংস্পৰ্শলৈ অহা আন লোককো তেওঁলোকে পবিত্ৰ কৰে। তেওঁলোকে কেতিয়াও কৰ্তব্যত ত্ৰুটি নকৰে, কাৰো অন্যায় নকৰে। আনে কিবা অন্যায় কৰিলেও সহ্য কৰে, বিবেকৰ সহায়ত সদায় সৎ কামহে কৰে, দোষীকো ক্ষমা কৰে, আনৰ দুখত সহানুভূতি দেখুৱাই সাধ্যমতে সহায় কৰে। কোনোকামত তেওঁলোকে কেতিয়াবা অকৃতকাৰ্য্য হ'লেও তেওঁলোক হতাশ নহয়। এইবাবে তেওঁলোকৰ শত্ৰু নাই। তেওঁলোক সকলোৰে প্ৰিয় আৰু সন্মানিত।

চৰিত্ৰহীন লোক পশুৰ তুল্য। এনে লোকক সকলোৰে ঘৃণায়। এনে লোক কেতিয়াও মহান হ'ব নোৱাৰে। চৰিত্ৰ ধন বিদ্যাতকৈ ডাঙৰ। চৰিত্ৰহীন লোক ধনী বা বিদ্বান হ'লেও তেওঁলোকক কোনোৱে সন্মান নকৰে। ইংৰজীত এষাৰ কথা আছে —"When wealth/money is lost, nothing is lost; when health is lost, something is lost; but when character is lost, everything is lost." অৰ্থাৎ ধন হেৰালে একো নেহেৰায়, স্বাস্থ্য হেৰালে কিছু হেৰায়, কিন্তু চৰিত্ৰ হেৰালে সকলোৱেই শেষ হৈ যায়। হেৰোৱা ধন যত্ন কৰি ঘূৰাই পাব পাৰি, হেৰোৱা স্বাস্থ্যও যত্ন কৰি কিছু পৰিমাণে ঘূৰাই পাব পাৰি, কিন্তু চৰিত্ৰ নষ্ট হ'লে তাৰ প্ৰতিকাৰ কৰিব নোৱৰি। চৰিত্ৰ নষ্ট হোৱাৰ ফলত স্বাস্থ্য, ধন, মান, সন্মান সকলো নোহোৱা হয়। সেই বাবেই চৰিত্ৰই সকলো।

কোমল চেকনি এডালত ভাঁজ দিয়া সহজ, কিন্তু পুৰঠ চেকনিত ভাঁজ দিয়া টান। বাল্যকালত ল'ৰা-ছোৱালীৰ মন কোমল আৰু পবিত্ৰ হৈ থাকে। গতিকে বাল্যকালেই চৰিত্ৰ গঠনৰ উপযুক্ত সময়। সৰুতে মানুহৰ জ্ঞান নাথাকে। তেতিয়া তেওঁলোকে বিবেকক কামত খটুৱাব নোৱাৰে। বয়সৰ লগে লগে মানুহৰ জ্ঞান বৃদ্ধি হয়। পিছে এটা কথা, কু-পথে যোৱা মানুহক উভতাই অনা টান। আগৰ পৰা কু-কামত চলি থকা বাবে তেওঁলোকৰ কু-অভ্যাস গঢ়ি উঠে। তাৰ ফলত তেওঁলোকে চৰিত্ৰহীন হয়। পিছত তেওঁলোকে যত্ন কৰিও বেয়া অভ্যাস এৰিব নোৱাৰা হৈ পৰে।

চৰিত্ৰৰ মূল হৈছে অভ্যাস। কোনো এটা কাম ঘনাই কৰি থাকিলে সেই কামটো অভ্যাসত পৰিণত হয়। অভ্যাসৰ বলত কমো সহজে কৰিব পাৰি। "অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ", এই বাক্য শাৰীৰৰ তাৎপৰ্য ইয়াতেই। সেইবাবে ভাল অভ্যাসৰ বলত চৰিত্ৰ গঠন কৰি ল'ব নোৱাৰাৰ কাৰণ একো নাই। বহুত দিনৰ পিছত অভ্যাস স্বভাৱত পৰিণত হয়। এই স্বভাৱৰেই আন নাম চৰিত্ৰ। অভাৱত পৰিলেও চৰিত্ৰবান লোকৰ স্বভাৱ নষ্ট নহয়, কাৰণ তেওঁলোকে সদায় বিবেকৰ অধীন হৈ কাম কৰে। সংগই ল'ৰা-ছোৱালীৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। ভাল সংগৰ প্ৰভাৱ ভাল আৰু বেয়া সংগৰ ফল বেয়া। সেই বাবে ল'ৰা-ছোৱালীয়ে যাতে বেয়া সংগ নলয় তাৰ বাবে অভিভাৱক যত্নপৰ হ'ব লাগে। সজ পুথি ছাত্ৰ-ছাত্ৰীৰ প্ৰধান সংগী।

চৰিত্ৰ গঠনৰ আন এটা উপায় হ'ল ঈশ্বৰত বিশ্বাস ৰখা। তেওঁ সৰ্বশক্তিমান, সৰ্বশ্ৰেষ্ঠ আৰু সকলো কামৰে ফলদাতা। তেওঁৰ চকুত ধূলি দি একো কাম কৰিব নোৱাৰি। সেই বাবে ঈশ্বৰত বিশ্বাস ৰাখি চলিব লাগে। ঈশ্বৰত বিশ্বাস থকা মানুহে বেয়া কাম কৰিব নোৱাৰে। তাৰ ফলত মানুহ চৰিত্ৰবান হয়। চৰিত্ৰ উন্নতিৰ প্ৰধান আহিলা। চৰিত্ৰবান লোকে উন্নতি কৰিব পাৰে। চৰিত্ৰৰ অভাৱত বিদ্যাবুদ্ধিয়েও কাম দিব নোৱাৰা হয়। সেইবাবে চৰিত্ৰহীন লোকৰ অৱনতি ঘটে। ব্যক্তি সমষ্টিয়েই সমাজ। গতিকে ব্যক্তিৰ চৰিত্ৰই জাতীয় চৰিত্ৰ গঠন কৰে। সংসাৰ এৰি অৰণ্যত বাস কৰি চৰিত্ৰবান হোৱাটো উজু, কাৰণ তাত প্ৰলোভন, কু-সংগ আদিৰ ভয় নাই। কিন্তু আমাৰ জীৱন কেৱল নিজৰ বাবেই নহয়, দহৰ বাবেও আমাৰ কৰ্তব্য অছে। অৰণ্যত বাস কৰা চৰিত্ৰবান লোক আৰু সমুদ্ৰৰ গৰ্ভত থকা ৰত্ন একে। তাৰ পৰা জগতৰ একো উপকাৰ নহয়। সেইবাবে সংসাৰতে থাকি ইয়াৰ বাধাবিলাক অতিক্ৰম কৰি চৰিত্ৰবান হ'বলৈ যত্ন কৰা উচিত।❖❖

• *লেখিকা স্নাতক ২য় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী*

# কাব্য-শিল্প



# ভালপোৱা

## ৰণ্টু গোহাঁই

### ভালপোৱা - ১

কলিজাটো সাতোটা ফুটা কৰি
ক'ৰবালৈ তেওঁ গুচি গ'ল...

অথচ
আজি অত বছৰে
কোনেও নেদেখা কোনেও নুবুজা
আন্ধাৰ চকুলো এসোঁতাৰে
ওৰে নিশা মই তেওঁক লালন কৰি থাকো
মোৰ বুকুত

শোকৰ নিশ্বাস ঠেলি ঠেলি
তেওঁ ক'ৰবাৰ পৰা আহে
আৰু ৰাতি ৰাতি ফুঁ দি থাকে মোৰ বাঁহীময় কলিজাত...



### ভালপোৱা - ২

বহুদিনৰ মূৰত তেওঁ আহিল
আৰু আহিয়েই বহি ল'লে
মোৰ চকুৰ সৰু সৰু ক'লা মণি দুটাত

মই তেওঁলৈ চালো
কোনো সাৰসিকতি নোহোৱাকৈ
কেৱল 'গোম্' হৈ বহি থাকিল তেওঁ
যেন কাকো দেখা পোৱা নাই
যেন ক'তো একোৰেই হোৱা নাই

মই কিবা এটা ক'ব খুজিলো
বুকুৰ সমস্ত উচ্‌পিচনি শোক হৈ এঠা মাৰি ধৰিল ডিঙিত
অথচ তেওঁ নিৰ্বাক-নিশ্চল

এনেদৰে - ঠিক এনেদৰে
কিমান প্ৰহৰ স্থিতপ্ৰজ্ঞ হৈ থাকিল
কোনোৱেই নাজানিলো - তেওঁ অথবা মই

হঠাৎ
শেষ প্ৰহৰত
দুটিমান ডঁৰিক চৰাইৰ মাতত তেওঁ বাউলি হ'ল
আৰু
কণমানি নীলা চৰাই এটি হৈ
মোক নিচুকাই নিচুকাই
পুনৰ গুচি গ'ল ক'ৰবালৈ....

# এপলক

## কাকলি সোণোৱাল

জীৱনৰ পৰিক্ৰমাত
হেঁপাহৰ লহমাত
পাৰ হ'ল এছোৱা
ৰ'দালী সপোন

দুখ ভাগৰৰ নিহালীত
আকাশ ৰঙচুৱা হ'ল,
এপলক এপলক কৰি
খামোছ মাৰি ধৰে
স্মৃতিয়েও
মাথো কিছু আঁক-বাক
হেঙুল বৰণীয়া

অপৰাজেয় প্ৰেৰণাৰ সন্ধানত
জীৱন দিক্‌ভ্ৰান্ত আজি
ঠিক যেন ভাগৰুৱা পথিক



# জোনাক, কেৱল জোনাক

ময়ুৰী গগৈ



মাজনিশা ডেউকা ভগা পখীৰ ক্ৰন্দনত
টোপনি যোৱা মোৰ শান্ত হৃদয়খন
সাৰ পাই উঠিল
বুকুৰ অলিন্দত বাজি উঠিল
চেনাসৰ বাঁহীৰ সুৰৰ বিপৰীতে বিষণ্ণতাৰ গান
কিয় বাৰু সিহঁতিও আমাৰ দৰে শুই পৰা নাই?
মানৱতাৰ বধ্যভূমিত সিহঁতিও হয়তো
বিচাৰি পোৱা নাই মৰম ভালপোৱা
সেইবাবেই কিজানি সিহঁতি উচুপি উঠে
মাজনিশা, এবুকু যন্ত্ৰণাত
চিতাৰ জুয়ে ক'লা কৰি নিয়া আকাশ
আৰু চৌদিশৰ নিস্তব্দ্ধতা,
সিহঁতিও হয়তো অনুভৱ কৰে কেৱল মৃত্যুৰ বিভীষিকা
দেশপ্ৰেম, মানৱতা, সহানুভূতি এই শব্দবোৰ
আজি ক'ত হেৰাই গ'ল।
কান্দোনৰ শব্দই কৰে নেকি জীৱন বৰ্ণিল
তেজৰ পলাশৰঙী আৱিৰে পূৰণ কৰে নেকি
কলিজাৰ সীমাহীন আকাশ
এজাক কুটিল ধুমুহাই মুহূৰ্ততে নিঃশেষ কৰি দিয়ে
আপোনজনৰ শেষ নিশ্বাস।
এক তামৰঙী আকাশ আৰু নিস্তেজ সাগৰত
ডুব যোৱা সুখৰ নিজৰা
আকৌ উভতি ববনে
ধ্বংসৰ ধুমুহাৰ বিপৰীতে আকৌ বাজিবনে
নামঘৰত শংখ, ডবা, কাঁহ
মংগল মুৰুলিৰ ধ্বনি
পাৰ হৈ যাবনে এক সন্ধানহীন সময়
উভতি আহিবনে জিক্‌মিক্ জোনাকৰ কাঁজলি
বুকুৰ অব্যক্ত বেদনাত মৰহা স্মৃতিৰ বিশাল পটভূমি
আকৌ প্ৰাণ পাই উঠিবনে
হৃদয়ৰ সমস্ত আবেগ ঢালি অনুভৱ কৰিব পাৰিমনে
প্ৰেমৰ মাদকতা
নতুন পৃথিৱীৰ নতুন দিগন্তত
আকৌ জনসাধাৰণে গাব পাৰিবনে
কল্লোলিত হৃদয়ৰ জয়গান
গুলি, বাৰুদৰ বিপৰীতে
চেনাইৰ কণ্ঠত সৃষ্টি হ'বনে এটা নতুন সুৰ
যি সুৰে শান্তিৰ সুমধুৰ ক্ষণবোৰ
উভতাই আনিব
কাতিৰ কুঁৱলিয়ে ...

# মোৰ পদুলিলৈ আঘোন নামিছে

মিতালী শইকীয়া



দুপৰত মৰহি যোৱা সপোনবোৰ
নকৈ ফুলিছে
মকৰা জাল গুঠি গুঠি শীতৰ আবেলিটোৱে
লখিমী আদৰিছে
বিৰিয়াৰ আগত সোণগুটি নাচিছে
চিৰিক ! চিৰিক! চিৰিক
ন-ধানৰ গোন্ধে শুঙি থৈ গৈছে
মোৰ গাঁৱৰ পদুলি
লাহে.. লাহে..
মোৰ পদুলিলৈ আঘোন নামিছে

# আঘোণ

**নীহাৰীকা ফুকন**



আঘোণ! কৃষকৰ এক ৰঙীন সপোন
কুহেলিকাৰ ওৰণি খহাই শীতলৰ শেতেলীত
সপোন ৰচা আঘোণ
আঘোণ আহে, লগত কঢ়িয়াই আনে
কৃষকৰ এমুঠি সোণালী সপোন
আঘোণ আহে, লগত কঢ়িয়াই আনে
কৃষকৰ আকাংক্ষাৰ দাপোণ
প্ৰভাতীসুৰুযে ওৰণি খহাই
লাজুকী ধাননিৰ
আঘোণৰ লহপহীয়া পুৰাটিত
টোপ-টোপ নিয়ৰে দুৰৰিত মালা গাঁঠি
চৌদিশে সিঁচৰিত কৰে নিয়ৰৰ ফুল
দিৰ্বাকৰৰ আগমনত সাৰ পাই উঠে
নিৰৱ শীতলতাক সাৱটি
টোপ টোপ নিয়ৰৰ ছন্দত নৃত্যৰতা
আঘোণৰ পথাৰখন সদ্যস্নাতা গাভৰুৰ দৰে
মুকুতা সৰে বকিয়াইদি ভটিয়াই যোৱা
ৰচকী দাৱনিৰ খিল্‌খিল্‌ হাঁহিৰ শব্দত
উন্মনা সমীৰে জোঁকাই যায়
ৰচকী দাৱনিৰ আউলি-বাউলি চুলি
এমোকোৰা তামোলে ভৰি থকা
আজলী দাৱনিৰ দুহাতে ওপচি পৰে
সোণালী ধানৰ থোক
সপোনবোৰ বন্দী হয়
এমুঠি দুমুঠি ধানৰ থোকত
লেচেৰি বুটলি ফুৰে শৈশৱে
আঘোণৰ পথাৰত
খেতিয়কৰ পাহোৱাল কান্ধত
প্ৰাণ পাই উঠা বিৰিয়াত
দুটি ডাঙৰিৰ জিৰিক জিৰিক শব্দই
জোকাই যায় ৰচকী দাৱনিৰ মন
ব্যস্ততাময় পথাৰখন প্ৰাণ পাই উঠে
ৰচকী দাৱনিৰ হাঁহিৰ জোৱাৰত
তামোলৰ হাচতিত অথবা
ৰবাব টেঙাৰ লোভনীয় সুবাসত
এটি এটি পল বাগৰে
দিনমণিয়ে গতি কৰে অজান দেশলৈ
ভৰদুপৰীয়া জিলিকি উঠে
আচলৰে মুখ ঢাকি থকা তেজপোৰা মুখখনিত
দুটোপাল ঘামৰ বিন্দু
সযতনে সোণোৱালী ধাননিৰ লখিমী আদৰে
খেতিয়কে সপোনৰ ভঁৰালত
সযতনে লখিমীক বছৰটোলৈ সাঁচি
কৰ্মঠ· শৰীৰটি শাঁত পেলাই
এসাজ “ন-ভাত” খাই হেঁপাহত

# সৰাপাতৰ ইতিহাস

ভাগ্যশ্ৰী নেওগ

এটি দুটিকৈ সৌৰা গছজোপাৰ পৰা
বুঢ়াপাতবোৰ সৰি পৰিছে
সৃষ্টি হৈছে তলত এটি
হালধীয়া সৰাপাতৰ দ'ম
এনেদৰে সৰি সৰি পাতবোৰ
এদিন দ'মৰ মাজতেই শেষ হৈ যাব
চলি আছে এই ঘটনা প্ৰতিদিনে
আৰু চলি থাকিব এনেদৰেই
সৰাপাতৰ হিচাপ কোনেও নাৰাখে
কালৰ বুকুত নিঃশেষ হৈ যাব
ই এটি অলিখিত ইতিহাস হৈ ৰ'ব
সেইদৰে, মানৱ জীৱনো এখিলা সৰাপাত
প্ৰতিদিনে পৃথিৱীলৈ মানুহ আহে
প্ৰতিদিনেই যায়গৈয়ো
কিন্তু তাৰ হিচাপ কোনে ৰাখে
কাৰোবাৰ মনত হয়তো ৰৈ যায় স্মৃতি
দুদিনৰ বাবে অজানিতে
মানৱ জীৱনো হৈ যায়
সৰাপাতৰ দৰে অলিখিত ইতিহাস
আশা থাকি যায় আকৌ ন-পাতে
গছজোপা পুনৰ সুন্দৰ কৰাৰ দৰে
ন-কৈ সৃষ্টি হোৱা মানৱেও
সৃষ্টিখন সুন্দৰ কৰি তোলক।



# সৰাপাতৰ বিড়ম্বনা

মিছ চিমী আহমেদ

হেমন্তৰ ফাঁকে ফাঁকে
কাঁচিয়লি ৰ'দ
জীৱনৰ কোঁহে কোঁহে
বিষাদৰ গান
লগ্ন উকলি যায় হৃদয়-ঘড়ীত
পল-পল, দণ্ড-দণ্ড

সময় বাগৰে, সপোন সোঁচৰে
এটি সপোন দুটি হয়
কেতিয়াবা তিনিটি চাৰিটিও হয়

আমিবোৰেই আচল অৰ্থত তৃষ্ণাতুৰ
সময়ৰ বলুকাত খোজ পেলাই পানী বিচাৰি
হাবাথুৰি!
দূৰত পানীৰ জিলিঙনি, ওচৰত মৰীচিকাৰ ধুপালনি
এই দূৰ, এই ওচৰ; এই সপোন, এই দিঠক
কি যে বিড়ম্বনা!

কাল ধুমুহাত
বাগৰ সলাই, গীত গাই গাই আপোন পাহৰা
ক্ষন্তেকীয়া উন্মাদনা
হেমন্তৰ কুঁৱলীত স্নানৰতা একোখিলা
সৰাপাতৰ বিড়ম্বনা

# সৰাপাতৰ ছবি আঁকি পাইছানে তুমি...?

ৰিজু বৰগোহাঁই

মই এখিলা সৰাপাত
চিত্ৰকৰৰ নিপুণ হাতৰ পৰশত
প্ৰাণ পাই উঠা
মই এখিলা সৰাপাত
কিন্তু বাটৰুৱাৰ নিষ্ঠুৰ পৰশতো
কেৰ মেৰ কৈ সাৰ পাই উঠা
মই এখিলা সৰাপাত
দুৰৱিৰ দলিচাতেই ঘৰ মোৰ
নিষ্ঠুৰ পৰশবোৰ কাম্য মোৰ
মইয়ে ফাগুণৰ পছোৱা জাকত উৰি গৈ
বাতৰি দিওঁ
সকলোকে
ফাগুণ আহিছে, হেঁপাহৰ ফাগুণ আহিছে
আৰু মইয়ে সাৰটি লওঁ বহুতো
যন্ত্ৰণা
যিদৰে মানুহৰ জীৱনৰ শেষ চোৱা
ঠিক সেইদৰে মই সৰাপাত হৈ
প্ৰতিনিধিত্ব কৰো
বৃদ্ধ অৱস্থা নতুবা অকাল মৃত্যু
মোৰ পৰিচয় মাথো
এখিলা সৰাপাত
তথাপিও সোধো, মোৰ সহমৰ্মিতাক সুঁৱৰি
সৰাপাতৰ ছবি আঁকি পাইছানে তুমি...?
ঃঃঃঃঃঃঃঃঃঃঃ



# মই এখিলা সৰাপাত

মিছ সোনমনি বৰা

এখিলা সৰাপাত মই
সময়ৰ কোবাল সোঁতত
হেৰুৱাইছো সময়, পল অনুপলকৈ
আৰু প্ৰকৃতিৰ চিৰসেউজ বতৰালৈ
চাই ৰৈছো অতি উৎকণ্ঠাৰে
এখিলা সৰাপাত হৈ কাতৰ অনুৰোধ
জনাইছো মই প্ৰকৃতিক
কেতিয়ানো আহিব বসন্ত?
কাৰণ বসন্ত আহিলেই ধৰণী
হৈ পৰে সঁজাল আৰু
শীতকাল আহিলেই
লঠঙা হয় গছ-বিৰিখৰ পাত
মই বৰ দুৰ্ভগীয়া
কাৰণ সময়ৰ কঠোৰতাত পৰি
নিজকে হেৰুৱালো
বহুদিনৰ আগতে দেখোন
সেউজী সাজ-পাৰ পৰিধান কৰি আছিলা মই
কিন্তু সকলোৱেই জানে দেখোন
জন্ম হ'লেই এদিন মৃত্যু অনিবাৰ্য
আজি সঁচাকৈয়ে
মোৰো সেই একে দশাই হ'ল
মই যেতিয়া সজীৱ হৈ আছিলো
মোক ডালটোৱে অতি চেনেহেৰে
বান্ধি ৰাখিছিল
কিন্তু যেতিয়া মই বুঢ়া হ'লো
মোক ডালটোৱে অৱহেলা কৰিলে
আৰু ফাগুনৰ পচোৱা বতাহ ছাতিয়ে
মোক ৰং চালে
কিন্তু মোৰ কোনো অভিমান নাই
এয়া নিয়তিৰেই নিষ্ঠুৰ পৰিহাস
সেয়েহে মই পৰি ৰৈছো মাটিত
এখিলা সৰাপাত হৈ।



# তুমি আহিলে

নিৰ্মালী ডাৰিগ

তুমি আহিলে
বানে গৰকি যোৱা উকখা পজাত মোৰ
ফৰিংফুটা জোনাক নামে
আনন্দতে নিগৰি সৰে সন্ধ্যাৰ চকুলো
বুকুৰ চোতালত গজে বনৰ সুগন্ধি ফুল
এপাহি দুপাহি......
    তুমি আহিলে
    নিশা গুচি উষা হয়
    কবিতা কবিতা লগা কুমাৰী পুৱাত
    জন্ম হয় শ্বাশ্বত প্ৰেমৰ
    চকুৰ পাহিত জমা হয় শব্দ
বহুদিন অহা নাই তুমি
দুহাতত আঁহত পাতৰ অসহায় কলিজা
আজি অকস্মাতে কঁপিছে মোৰ
স্মৃতিৰ পল্লৱ থুপি
তুমি আহিছা!
ই কি
ক'ত হেৰুৱাই আহিলা
সোণসেৰীয়া ৰ'দৰ দুপৰ
তোমাৰ সৌন্দৰ্য্যও দেখোন
বৰ্ষামুখৰ সেমেকা গধূলি!





# তুমি আহি গুচি গ'লা

মিছ নমিতা শইকীয়া

তুমি আহি মোৰ পদূলিত
আলফুলে ৰুই দিছিলা সুগন্ধি বকুল
আহিনৰ সেউজীয়া হৈ বাঢ়িছিল
আশাৰ কাঞ্চনমতী
দিগন্ত বিস্তৃত নীলাই
খেলা পাতিছিল মোৰ বুকুত
জোনাকৰ বৰষুণ সৰিছিল চোতালত
জোনাকত গা-ধুই নিজকে সজাইছিলো
মই যেন মাহ-হালধিৰ সুৱাস পোৱা
অচিনা এখন ঘৰৰ লখিমী বোৱাৰী
ভাৰিছিলো আঘোণ আহিব এদিন
কিন্তু, আবতৰীয়া বানে
উটালে মোৰ সপোনৰ বালিচৰ
তুমি আহি গুচি গ'লা
মোৰ বৰঘৰত শূণ্যতা সিঁচি
সৰাপাত হৈ সৰিল সকলো
মোৰ শোৱনি কোঠাত এতিয়া
অতীত ৰোমন্থনৰ কৰুণ উচুপনি
স্মৃতিৰ কবৰী খুলি
এতিয়া মাথো পাওঁ
জাতিস্মৰ হোৱা এখন ছবি।।

ঃঃঃঃঃঃঃ



# কবিতা ঃ এখন ৰং তুলিকা

লাকী মণি গগৈ

কবিতা মোৰ জীৱনৰ
ভালপোৱা আৰু প্ৰণয়ৰ
প্ৰথম অভিজ্ঞান।
কবিতা, শব্দ-শৃংখলৰ
বিৰ্ধোত শৃঙ্খল
চিঙাৰ ৰণাঙ্গন।
কবিতা,
ৰণশিঙা, খং শিঙা
আৰু মাদলৰ বিদ্ৰোহী
গানৰ মালিতা
মোৰ প্ৰাণোচ্ছল জীৱনৰ ৰণথলিত
বিপ্লৱী তেজীঘোঁৰা
কবিতাই আদিম
কবিতাই প্ৰবীন
কবিতাই নবীন
কবিতাই
প্ৰেম্ আৰু প্ৰণয়ৰ দীঘ-বাণীত
মানুহবোৰক 'মানুহ' কৰা
বাস্তৱতাক লুটিয়াই চোৰাৰ
এখন ৰং তুলিকা।

ooooooooooo

# আঘোণৰ অনুভৱ

ভাগ্যশ্ৰী নেওগ



বাৰিষা দোকোল টকা বানেৰে সগৰ্ভা নদীবোৰচোন
জীৰ্ণ শীৰ্ণ হৈ পৰিল
গৰাৰ তলত ফটিক বৰণীয়া পানী
বালি চাপৰিবোৰেও চাই আছে পাৰৰ কঁহুৱালে
কঁহুৱা ডৰাইও হালি-জালি মিচিকিঁয়া হাঁহিৰে
আদৰণি জনাইছে পথৰুৱা পথিকক
এয়া যে আঘোণ
কুঁৱলীৰ আচল পিন্ধি হেমন্তৰ বোকোচাত উঠি
আহিলা তুমি প্ৰতিজন কৃষকৰ বাবে
সাহস, প্ৰেৰণা, আশা আৰু সম্ভাৱনা লৈ
আকাশত উৰি ফুৰিছে শুকুলা ডাৱৰ
ৰিব্ ৰিব্ কৈ এচাটি মলয়া বলিছে,
পৰশি গৈছে পকা ধাননিৰ পাত
কুঁৱলীবোৰেও যে ইমান আমনি কৰিছে
চাবলৈকে নিদিয়েচোন সোণবৰণীয়া পথাৰখন
এয়া যে আঘোণ
ঘৰে ঘৰে এক উন্মাদ ব্যস্ততা
শীতৰ পুৱাত জঠৰুৱা গাৰেই সকলো কাম কৰি
দিনটোৰ বাবে সকলো ওলাই গৈছে
পথাৰলৈ সোণগুটি বুটলিবলৈ
ভঁৰালৰ গাধৈত শুই থকা বিৰিয়াডালো
সাৰ পাই উঠিছে আঘোণৰ আগমণত
ডাঙৰিৰ ভৰত কঢ়িয়াই আনিছে গৃহস্থৰ সপোন
আঘোণৰ পথাৰত আছে
প্ৰেমৰ এক ৰোমাঞ্চকৰ যুগমীয়া ইতিহাস
ডেকা-গাভৰুৰে গুপুত আলাপেৰে
ভৱিষ্যতৰ সপোন দেখে এই পথাৰতে
আঘোণৰ মৌনতাত বাংময় হয় প্ৰেমৰ সুবাস
আঘোণ, তুমি গ্ৰাম্য সমাজৰ সম্প্ৰীতিৰ সাঁকো
তুমি মাটিৰ মানুহৰ আশাৰ আঘোণ।

ooooooooooo



# ফাগুন

**ময়ুৰী গগৈ**

ফাগুন, তুমি আহিছা
তোমাক দেখি বতাহত হালি জালি থকা সৰাপাতবোৰে
মোক ক'লে, তুমি হেনো আহিছা
তোমাৰ কথা শুনিয়েই মোৰ মনটো উন্মনা হৈ পৰিল
কাঁজলি ভৰাই তুলি ল'লো সৰাপাত
সৰাপাতৰ ৰাগীত মাতাল হৈ তোমালৈ যাচিলো
মোৰ একাঁজলি চুমা আৰু এবুকু হিয়াভৰা মৰম
ফাগুন, তুমি বাৰু কিয় নুবুজা..?
সেউজীয়া সপোন এটা যে সাৱতি আছো মই
তুমি বাৰু মোৰ কাষলৈ কিয় নাহা..?
আঁহাচোন, মোৰ তৃষ্ণাতুৰ হৃদয়ক এটুপি পানী দিবলৈ
তোমাৰ বৰ্ণিল প্ৰেমৰ জোনাকী মায়াৰ মাদকতাৰে
মোক সজীৱ কৰি তুলিবলৈ
ঋৰষুণৰ স্পৰ্শই সেউজীয়া কৰা ধৰণীৰ ৰূপ চাই
মই তোমাক লৈ সপোন ৰচিছো
স্নিগ্ধ জোনাকৰ আঁৰে আঁৰে
মই তোমাক আলিংগন কৰিছো
ফাগুন,
মোৰ কেতিয়া অনুভৱ হয়
মোৰ নিৰ্বাক মৌনতাৰ সুযোগ লৈ
সৰাপাতবোৰে যেন মোক হাঁহে
মোৰ সৰলতাক ইতিকিং কৰে
ঃঃঃঃঃঃঃঃঃ

# মৰহা সপোনৰ স্মৃতি

**নীহাৰীকা ফুকন**

শৰতৰ মন উতলা কৰা
শেৱালীৰ সুবাসত
তৰালিৰ দলিচাত জোনবাইৰ
সৈতে লুকাভাকু খেলোতে
সাৰ পালে এটি মৰহা সপোনে
জোনাকৰ বন্যাত উটি ভাঁহি
জীপাল হৈ উঠিল এটা আধাৰচা সপোন
ৰজনীগন্ধাৰ সুকোমল পাপৰিয়ে
সখী পাতে জোনাকৰ নিবিড় কাননত
দুৰৈৰ পৰা ভাঁহি অহা চিফুঙৰ সুৰত
প্ৰাণ পালে আধাৰচা সপোনে
খেতিয়কৰ লহপহীয়া সেউজবুলীয়া
সপোনৰ পথাৰত ফাকু খেলে
এটা আধাৰচা সপোনে
কাতিৰ এটি কঙালী পুৱাত
মৰহা সপোনে ঢল আনে
স্মৃতিৰ উৰ্বৰা পথাৰত
দুখৰ এজাক কলিয়া ডাৱৰে
আগুৰি হৃদয়ৰ নিভৃত কোণক
জোনাক ৰাতি শৰতৰ লগৰী শেৱালীয়ে
সুবাস বিলাই মৰহি যায়
প্ৰভাতী সুৰুযৰ আগমনত
বৈ যায় মাথো স্মৃতি
হৃদয়ৰ সাঁচতীয়া কোণত
মাথো বৈ যায় এটা আধাৰচা সপোন
জোনাকৰ নিৰ্জন বনত
মাজৰাতি হিয়া ঢাকুৰি কন্দা
আজলী হৰিণীৰ
হৃদয় বিদাৰক ক্ৰন্দনত
অস্ত ৰবিৰ কিৰণত প্ৰশমিত হয়
অশান্ত হৃদয়
প্ৰভাতী সুৰুযৰ আশা বুকুত বান্ধি
সপোন ৰচে নৱ প্ৰভাতৰ..
থমকি বৈ আলি দোমোজাত
অপেক্ষাৰত এটি নতুন সপোনৰ



# মৃত্যু বিহীন এটা জীৱন

প্ৰীতিশ্ৰী নেওগ



অ' মোৰ নীলবৰণীয়া কবি
তই গম পাইছিলিনে?
তোৰ কবিতাত বাঢ়িছিলো মই
ক্ৰমে শিপাৰ পৰা কেশৰলৈ
মোৰ দেহত অহৰহ বাজি থাকে
তোৰ গোলাপী কবিতাৰ বহুৰঙী প্ৰেমৰ ছন্দ
তোৰ কবিতাৰ পকনীয়াত
মই মোক বিচাৰি পাওঁ
কেচা ধানৰ দৰে তোৰ কবিতাৰ
গাখীৰতী ঠোকবোৰত মই বিচাৰি পাঁও
তপত প্ৰেমৰ জুলীয়া উম
তোৰ কবিতাবোৰে বাগৰ সলালে
মই আকাশলৈ চাও
কিজানি সেঁওতা ফালি নামি আহে জোনটো
কেতিয়াবা মোৰ নষ্টালজিক হৃদয়ে
বুজি নাপায় তোৰ পেচ মৰা কবিতা
মই ওভোটাই দিও তোলৈ
নুবুজা কবিতাৰ এটা ভাৰী নুৰা
তই পুনৰ লিখ মই বুজি পোৱাকৈ
তোৰ হৃদয়ৰ ভাষা
কাৰণ তই যে জান মই কম বুজো

তোৰ কবিতাৰ বেষ্টনীত যেতিয়া মই
অলপ জিৰাব খোজো
তেতিয়া তোৰ কবিতাই মোক সোঁৱৰাই দিয়ে
সময় কিমান গতিশীল,
মই পুনৰ জী উঠো তোৰ কবিতাত
তোৰ কবিতা
মোৰ আমঠুত সঞ্চিত হৈ থকা

এটোপাল মূল্যবান তেজ
যাক মই কোনো কালে হেৰুৱাব নিবিচাৰো
তই মোক সকলা দিলি
সকলো বুজালি
কিমান সংকীৰ্ণ হ'ব পাৰে
এজন মানুহৰ হৃদয়
কিমান উদাৰ হ'ব পাৰে এখন আকাশ অথবা
কিমান বিশাল হ'ব পাৰে
এখন সাগৰ
পিছে তই মোক দিব নোৱাৰিলি
মৃত্যু বিহীন এটা জীৱন।

# নিঃসংগতা

মাবিয়া ইয়াছমিন বড়া

নিঃসংগতাৰ সৈতে ব্যস্ত থকাৰ সময়ত
হঠাতে আহিছিলা তুমি
মোৰ চৌপাশে থকা
জোনাকৰ আৱৰণ ফালি
কুৰুকি কুৰুকি সোমাই আহিছিলা তুমি
তোমাৰ প্ৰেৰণাৰ সান্নিধ্যত
জীপাল হৈছিল মোৰ
বুকুৰ সেউজীয়া ঘাঁহনিডৰা
চৌপাশে গুঞ্জৰিত হৈছিল
নিঃসংগতাৰ বলীয়া বতাহ
তুমি থাকোতে অনুভৱ হৈছিল
দুখবোৰ মাথোঁ দুদিনৰ
দুখৰ সময়তো হাঁহি থাকিবলৈ
প্ৰেৰণা পাইছিলো তোমাৰ লগত
আজি গ'লাগৈ বন্ধু
দুখৰ সাগৰত অকলে এৰি থৈ
নিঃসংগতাৰ সৈতে আলাপ কৰি কৰি
জীৱনত পৰিছোঁ মই ভাগৰি
আজি কালি সময় পালেই চাওঁ
দূৰণিত থকা ৰাতিৰ আকাশলৈ
তিৰবিৰাই থকা তৰাবোৰৰ মাজতেই দেখোঁ
তোমাৰ প্ৰসাৰিত প্ৰেৰণা ভৰা দুহাত
বন্ধু, উভতি নাহো বুলিয়ে

গ'লাগৈ সকলোকে এৰি
কান্দিব নজনা মানুহবোৰক
তোমাৰ বিচ্ছেদৰ পৰশ সানি
নিয়তিৰ বুকুত হেৰাই গ'লা তুমি
বন্ধুত্বৰ জৰীডাল দুহাতেৰে ছিঙি
সময়ৰ বুকুত হেৰাই থাকিল
প্ৰকৃতিক ভালপোৱা এজন অনুভৱী কবি



# দেউতা ক্ষমিবা মোক

কাশ্মিৰী শৰ্মা

সিদিনা কি কৈছিলা
"এপলক নেত্ৰেৰে লক্ষ্যস্থান চোৱা"
নোৱাৰিলোচোন দেউতা
আশাবোৰ হেৰুৱাবলৈ মুহূৰ্তও নালাগিল
কলুষতাৰে আবৰিত নাছিল মন
অথচ কলুষিত মলয়াই চুই গ'ল মোক
তোমাৰ উদীপ্ত নয়নে দুচকুত চমক জগালেও
অলক্ষিতে জুৰুলা হৈছিল মনাকাশ
যন্ত্ৰবৎ জীৱনৰ কোবাল গতিধাৰাত
উটি গৈছিলো নদীৰ সোঁত হৈ
তোমাৰ বিশ্বাসৰ সীমনাত
হৈছিল চাগে গৰা খহনীয়া
মোৰ লক্ষ্যপথৰ ধূসৰ ছবি দেখি
মোৰ দৰে তুমিও পুৰিছিলা চাগে শোকৰ ৰ'দত
মোক ক্ষমিবা দেউতা
প্ৰাপ্তিৰ পৃষ্ঠা তোমাৰ মৰম, আশীৰ্বাদেৰে
পৰিপূৰ্ণ থাকিলেও
পুনৰবাৰ কৈছো, "মোক ক্ষমিবা তুমি"
তোমাৰ ক্ষমাৰে জীপাল হ'ম মই
ওৰেটো জীৱনলৈ





# ৰূপহী


সুদৰ্শনা দিহিঙ্গীয়া


ৰূপহী,
এৰা ময়েই ৰূপহী
ৰংপুৰৰ ৰূপহী নাচনী
স্বৰ্গদেউৰ কাৰেঙত নাচি বাগি
মন মতলীয়া কৰি
খলকনি লগাই ৰংঘৰৰ বাকৰি
হয় ময়েই ৰূপহী
মোৰ দুচকুত দুৰৱণিৰ নিয়ৰৰ জিলমিল
মোৰ বুকুত জেৰেঙাৰ তেজৰ কঁৰাল
সতীৰ তেজেৰে উন্মাদিনী হৈ মই নাচো
আকাশ পাতাল কঁপাই নাচো
পিছে, নহওঁ মই অৱলা নাৰী
নাচৰ পাকতে গোহাঁইদেউৰ মন মুহি
বুজ লওঁ কাৰেঙৰ চক্ৰান্তৰ
ময়োতো নাৰী
কেতিবা দুৰ্গা, কেতিয়াবা কেঁচাইখাতী
অথচ ময়েই জগধাত্ৰীও
ময়ে নাৰী বহুৰূপিনী
ময়ে মাতৃ, ময়ে ভগ্নী
হয় ময়েই ৰংপুৰৰ
ৰূপহী নাচনী।

# বিবৰ্জিত সময়ৰ স্মৃতি....


বন্তি দলে


সময়ে আনে সন্তৰ্পনে নতুনত্বৰ সন্ধান
নতুনত্বই আনে মনৰ মাজত
অনাবিল আশাৰ ৰেঙনি
আশাই আনে
মানৱ জীৱনত জীয়াই থকাৰ
সঞ্জীৱনী অফুৰন্ত প্ৰেৰণা।
কিন্তু....
সেই পাখিলগা সময়ৰ সোঁতত
হেৰায় যায় দিন, মাহ, বছৰ
লগতে,
জীৱনৰ মহামূল্যবান মধুৰতম মুহূৰ্তবোৰ
সময়ৰ বুকুত আজিৰ পুৰণি বছৰটো
বিলীন হোৱাৰ দৰে
সময়ৰ সোঁতত সহবাস কৰি
কতজনৰ যৌৱনৰ সপোন বিলীন হ'ব
স্মৃতিৰ গৰ্ভত
থাকি যায় মাথোঁ
স্মৃতিৰ সাঁচিপাতত
বিদায় লোৱা মহাকালৰ স্মৃতি
বিবৰ্জিত সুখ, দুখ, হাঁহি-কান্দোন আদি ৰেহ-ৰূপবোৰ
তাৰ পিছত ?
আকৌ আহি পৰে
সৃষ্টিৰ মাদকতাৰে নতুনত্বৰ সুবাসেৰে
ৰঞ্জিত হৈ
অলেখ হাঁহি কান্দোন ৰঙীন
কল্পনাৰ প্ৰতিশ্ৰুতি লৈ 'নৱবৰ্ষ'।



# তোমালৈ বুলি

**তিষ্ণা গগৈ**



এইয়া আঘোণৰ পথাৰৰ
সেউজীয়া আলিটোৱে গৈ আছো
কোনে দিছিল জানা
আলিটো যে বৰ ঠেক
দুয়োকাষে পকা ধানৰ খেচখেচনি
যেন মোক আধা বাটতে
খেদাৰ যো-জা চলিছে
উস্ বৰা ধানৰ ঠোকবোৰ
আলিটোতে পৰি আছে
মোৰ ভৰিৰ তলুৱাত
জোৰেৰে ফুটিছে
এইয়া মই গৈ আছো
হাতত এটা মোনা লৈ
তোমালৈ বুলি ভৰাই আনিছো
এটা পকা ৰবাব টেঙা
কিমান দিনৰ পৰা যে লুকুৱাই থৈছো
ভীমকলৰ পাতত জলকীয়া-নিমখ মোহাৰি
টেঙা খোৱাৰ সোৱাদ পাহৰিলানি?
মই গৈ আছো
তোমাৰ ওচৰলৈ
হালি ধানৰ ঠোকবোৰে মোৰ হাতত
বৰকৈ অত্যাচাৰ কৰিছে
এইয়া সেউজীয়া আলিটো শেষ হওঁ হওঁ
আৰু অলপ গলেই তোমাৰ
ওচৰ পাম
পথাৰৰ বতাহজাকে মোৰ আঁচলখন উৰুৱাই
বাৰে বাৰে আমনি কৰিছে
তথাপি তোমালৈ কঢ়িয়াই আনিছো
তোমাৰ পছন্দৰ বৰা ভাত আৰু
কাঁচি দৈ
নেখাওঁ বুলি নক'বা দেই
আঘোণৰ পকা ধানবোৰে
মোক লাজ দিব
আৰু কি আনিছো জানা
এখন থুৰীয়া তামোল
এইয়া আলিটো শেষ হৈছে
পিছলৈ ঘুৰি চোৱা।

# কবিতা

**পল্লবী ৰাজবংশী**

আহ কিমান সহ্য কৰিম এই যন্ত্ৰণা
ইহঁত বাৰু মানুহ নে?
কিহৰ বাবে বাঢ়িছে ইহঁত?
ইহঁত আচলতে এন্ধাৰৰ ৰজা
ভোগৰ পৃথিৱীত
ইহঁতে খেলে গুলী-বাৰুদৰ খেলা
নিশাৰ নিস্তব্ধতাত ভাঁহি আহে
একো একোটা বিকট শব্দ
নিৰপৰাধী মানুহবোৰৰ আৰ্তনাদ শুনি
মোৰ গাৰ নোম শিয়ঁৰি উঠে
কি কৰিব বিচাৰিছে ইহঁতে?
ভায়'লেঞ্চ...
ইহঁতে বাৰু মোক ধ্বংস কৰি পেলাব নেকি?
কোনো এক অবিনাশী সত্বাই
মোক বাৰে বাৰে কৈছে
ইহঁতবোৰ হেনো মাতাল হৈ পৰিছে
এইয়া যেন অন্তিম ক্ষণ
অ'ভাগী কিশোৰীৰ উচুপনিত ৰাতিপুৱাইছে
ষ্টপ...
ইহঁত মাতাল হৈ পৰিছে
চাইলেঞ্চ...
সকলো দেখিও নিমাত হৈ ৰওঁ মই
ভয়ত নে সংকোচত!!

# মোৰ সপোনৰ আধাৰশিলা

অৰুন্ধতী বৰুৱা

মোৰ কলিজাৰ শেতেলীত
পিয়াপি দি ফুৰা
এবুকু অংকুৰিত সপোনৰ অনুৰণন..
বসন্তৰ, এজাৰফুলীয়া পোছাকযোৰ পিন্ধি
ভটিয়াই অহা
এমুঠি শব্দৰ বৰষুণ
দুচকুৰ দৰিয়লিত স্পন্দিত
মোৰ জীৱনৰ নিমিলা অংক
এনেদৰেই আৰম্ভ হৈছিল
মোৰ কবিতাৰ আদিপাঠ...
যৌৱনৰ অঘৰী বকিয়াত
গুজি যোৱা শব্দবোৰে
বুকুৰ ইপাৰ সিপাৰত কৰে সঘন আহ যাহ
জাৰে-জহে, আনকি সোণোৱালী ৰ'দতো
ফুলি উঠে
মোৰ ডায়েৰিৰ খিলা খিলা পাত
মোক অনুভৱ কৰা
মই আজি সঁচাকৈয়ে উন্মাদ!!!
তোমাৰ বাবে, আজিও মই
সৰাপাতৰ মুকুট পিন্ধি
হ'ব পাৰো বিষাদৰ সম্ৰাট
মোৰ কবিতা!! তুমি ছাগে নাজানা
নিঃসংগতাই মোক
সংগ দিয়া তোমাৰ সতে
ডাৱৰৰ কণিকাৰে লিখা
মোৰ বুকুৰ ভালপোৱাবোৰেও
কথা হ'ব বিচাৰি ফুৰে তোমাৰ সতে
তোমাৰ কোলাতেই মূৰ থৈ মই
পাব বিচাৰো এখনি
প্ৰতিশ্ৰুতিৰে ভৰা পৃথিৱী
কলমৰ আগত তোমাক লৈ
আকৌ ফুলাব বিচাৰো কৃষ্ণচুড়া
যাতে আমনি নকৰে
সেই দুখৰ দিনৰ স্মৃতিয়ে



মোৰ মৰমৰ কবিতা
“বিশ্বাস কৰা, অবিশ্বাস হোৱাকৈ ভালপাঁও তোমাক।”
তোমাৰ জ্বলন্ত অগ্নিত
জাহ দিব বিচাৰো,
মোৰ প্ৰতীক্ষাৰ চিৰ সেউজ অৰণ্য
উপভোগ কৰিব বিচাৰো
তোমাৰ পাপৰি ফুলৰ সৌন্দৰ্য্যবোৰ
অৱশেষত,
আকৌ এবাৰ কৈ যাঁও
বিশ্বাস কৰা!!!
অবিশ্বাস হোৱাকৈ ভালপাঁও তোমাক....।

# অন্তহীন যন্ত্ৰণা

ৰুণা ছাবিৰ আহমেদ

মায়াসনা এক মধুৰ নিশা বহি আছিলো
জোনাকৰ সতে লুকাভাকু খেলি
এজাক পচোৱাই দি গ'ল
তোমাৰ আগমনৰ জাননি
অধীৰ আগ্ৰহেৰে আছিলো বাট চাই
তুমি আহিবা বুলি
দুৱৰিৰ নিয়ৰ সনা সেমেকা ৰাতি
তোমাৰ সুবাসেৰে স্নিগ্ধ কৰিবলৈ
কিন্তু আশা...
আশা হৈয়ে ৰ'ল
সপোন বাস্তৱত পৰিণত নহ'ল

বৈ যোৱা নদীৰ পানী উভতি নাহে
পাৰ হৈ যোৱা দিনবোৰো ঘূৰি নাহে
মাথো বৈ যায়
স্মৃতিৰ কিতাপ
কেতিয়াবা নিজানত মৌন হৈ ভাবো
তোমাৰ সেই হিয়াভৰা কথাবোৰ
কেনেকৈনো পাহৰি যাঁও তোমাৰ প্ৰতিটো কথা
তুমি যে নাই
কেনেকৈ বিশ্বাস কৰো ?

বিষাদৰ মাজেদি হতাশাই পৰীক্ষা কৰে জীৱনক
তোমাৰ বাবেইটো পালন কৰো হতাশাক
তুমি কেতিয়াবা ভাবানে ?
তুমি মোক পাহৰি যোৱাৰ পৰা
প্ৰতিপল মই কিদৰে অতিবাহিত কৰো
কেনেকৈনো ভাবিবা তুমি ?
তুময়েইটো জনালা প্ৰত্যাহ্বান
সপোনৰ জখলাইদি ৰগাব বিচাৰিছিলো
ভাবনাৰ ওখ শৃংগত
কিন্তু নোৱাৰিলো
উঠিব খোজোতেই তুমি জখলাডাল দিলা পেলাই
মই পৰি ৰ'লো অন্ধকাৰৰ অটল গহ্বৰত



মোৰ ভাৱনাৰ সপোন ভাঙি টুকুৰা-টুকুৰ হ'ল।
তোমাৰ বেদনা অনুভূতিবোৰক বুকুত সাৱতি
মোৰ হৃদয় জ্বলি জ্বলি শেষ হ'ব ধৰিছে
দুচকুৰ পানীত বৰফৰ দৰে গোট মাৰিছে
তুমি বিহীন শূন্যতাত
এতিয়া ওৰে জীৱন কটাব লাগিব
এবুকু অন্তহীন যন্ত্ৰণাত

মই বৈ থাকিম
তোমাৰ অপেক্ষাত
এদিন নহয় এদিন তুমি আহিবা
মোৰ খালী হৃদয় তোমাৰ মৰমেৰে পূৰাবলৈ
খুলি থৈছো হৃদয়ৰ দুৱাৰ
পুনৰ সেই নিৰ্জন খিৰিকিৰে আহিবা সোমাই
দিনে নিশাই চিন্তা কৰা আশাবোৰ
শেষত এজনী চুই দিয়া পখিলাৰ দৰে উৰি গ'ল
মাথো দি গ'ল এবুকু
অন্তহীন যন্ত্ৰণা...।



# শূন্য পিয়লাত ৰাতিৰ আন্ধাৰ

ভাগ্যশ্ৰী চাংমাই

এদিন সকলোবোৰ
নিঃশেষ হৈ যাব
বিষণ্ণ হৈ পৰিব
যৌৱনৰ ৰঙীণ কৃষ্ণচূড়া
আশাৰ সপোনবোৰ এদিন
উটি ভাহি ফুৰিব
ঋতুবিহীন হৈ পৰিব
হৃদয়ৰ গান
এদিন সঁচাকৈয়ে
সকলোবোৰ নিঃশেষ হৈ যাব তেতিয়া
শূন্য পিয়লাত
শুই থাকিব
ৰাতিৰ আন্ধাৰ
স্নায়ুৰ দুৰ্বলতা আৰু
মস্তিষ্কৰ ক্লান্তিয়ে
এদিন
বিস্মৃত কৰি তুলিব
হেঙুলীয়া আবেলিবোৰ
হাঁহি আৰু পোহৰৰ...

# নিশাৰ কবিতা

সুপ্ৰিয়া গগৈ

সীমান্ত জিলিকিছে এটি উৰুখা পঁজা
সাৰে আছো মই আৰু মোৰ
অনুভৱী আত্মা
জোনাকৰ মায়াময় শেতেলিত
পাহৰি থাকো মই যন্ত্ৰণাৰ ঠিকনা
ন-কৈ পান কৰো
নৈপৰীয়া শৈশৱ উমাল দুপৰীয়া
জোনাকৰ বৰ্ষাই ধোৱাই নিয়ে
মোৰ হৃদয়ৰ বিষণ্ণতাই পদূলি
কোলা ভৰাই তুলি লওঁ মই
মৌসনা শেৱালি
এইয়াই যেন সেই মায়াময় ৰজনী
য'ৰপৰা আৰম্ভ হৈছিল
ৰোমিঅ'-জুলিয়েট, ছাহজাহান-মমতাজ
অথবা লেইলা-মজনুৰ
অনন্ত প্ৰয়াসী প্ৰেমৰ ঠিকনা
জোনাকৰ স্নিগ্ধতাত
দুলি উঠে হেঁপাহৰ সমীৰণ
আধাভগা সপোনবোৰে যেন
সাৰ পাই উঠে পুনৰ
সেয়ে আকৌ মেৰাই লওঁ
মই প্ৰতিশ্ৰুতিৰ সোণোৱালী চাদৰ
সময়ৰ বাকৰিত পৰি ৰয়
কলিজাৰ কেঁচা তেজ
নিশাবোৰে দি যায়
সোণাৰু হালধীয়া আৰু
কৃষ্ণচূড়াৰ ৰঙাবুলীয়া সপোনৰ ঠিকনা
সেয়েহে মই গাই যাওঁ
অনন্ত নিশাৰ কবিতা
নিশাৰ কবিতা।





# কাইলৈৰ পৰা

**কৰবী দত্ত**

কাইলৈৰ পৰা লাহে লাহে
মই অচিনাকী হৈ পৰিম তোমাৰ বাবে
তুমি গুচি যাবা
সুখ বিচাৰি তোমাৰ বাটেৰে

যি ঠাইত বৈ আজি আমি চাইছোঁ
ছাইৰঙী আকাশত সাতোৰঙী ৰামধেনু এখন
এই ঠাই সোঁৱৰণী হ'ব কাইলৈৰ পৰা

তোমাৰ হাঁহি আৰু প্ৰেম
স্পৰ্শ আৰু উশাহৰ উষ্ণতাবোৰ
শোকৰ শিল এটা হৈ
শুই থাকিব মোৰ বুকুত

তুমি গুচি যাবা অকলশৰীয়া কৰি থৈ মোক
নিঠৰুৱা কৰি থৈ মোক
তোমাৰ বাটেৰে ...

কাইলৈৰ পৰা অকলে অকলে
আগবাঢ়িব লাগিব অতদূৰ বাট

অথচ তোমাক বিদায় জনাই
থিৰে থাকিব নোৱাৰিম মই

কাইলৈ বিষাদে বুকুখন বৰকৈ বিন্ধিব
উজাই আহি খুন্দিয়াব শোকে
চকুলোৱে ধূসৰ কৰিব মোৰ বাট

তুমি গুচি যোৱাৰ পাছত
পাহৰিব বিচাৰিম তোমাক
যদিও সহজ নহয় পাহৰিম বুলি
কাৰোবাক পাহৰি যোৱাৰ

তোমাক পাহৰিব নোৱৰাৰ যন্ত্ৰণাই
মোক গোটেই জীৱন দহিব
তোমাৰ কথা ভাবি ৰাতি টোপনিও নাহিব!

তথাপিও মই হাঁহিম
তোমাক মোৰ বুকুত ৰাখি
কেৱল গান গুনিম সুৰে সুৰে উটিম
সেউজীয়া হ'ম তোমাৰ সোঁৱৰণিৰে

কাইলৈৰ পৰা মই আৰম্ভ কৰিম এটা নতুন জীৱন
আৰু মই মোক পোহৰাই তুলিম
তোমাক ভালপোৱাৰ বিষাদেৰে.....

# অপ্ৰকাশিত গুণ্‌গুণনি



**জুলী গগৈ**

অন্ধকাৰত নিমজ্জিত গুহাৰ পৰা
এটি ক্ষীণ আশাৰ কিৰণ লৈ
এখোজ দুখোজকৈ বাট বুলিছে
ভৰপূৰ সত্বাটোৱে।
বাৰিষাৰ পৰা খৰালীলৈ
প্ৰতিটো পল-অনুপল
তেওঁৰ চকুত ওলমি থাকে
সুদিনৰ জ্বলন্ত নিদৰ্শন হৈ
চকুৰ পলকতে বৰ্তমান হয় অতীত

আৰু অতীতে সাজে স্মৃতিৰ কাৰেং
কিন্তু সি জীয়াই থাকে
আশাৰ ৰ'দ-কাচলিৰ স্নিগ্ধতাক
সাৰটি
আনৰ বাবে ত্যাগ স্বীকাৰ কৰি
যুগান্তৰৰ আদৰ্শৰৰ প্ৰতীক হৈ



# জীৱন মানে....

সুপ্ৰিয়া গগৈ

জীৱন মানে সুখৰ দলিচা
জীৱন মানে দুখৰ কৰ্ণি
জীৱন মানে কান্দোনৰ আলয়
কিম্বা জীৱন মানেই
খিলখিল হাঁহিৰ সম্ভাৰ
তথাপিও সকলোৱে ৰচে সপোন
সুখ-দুখৰ সৈতে মিতিৰালি কৰি
জীৱনটো আগবাঢ়ি যোৱাৰ
সুখ বিচাৰি হাহাকাৰ কৰা
দুখী মানুহৰ বাবে
আশাই দিয়ে অনুপ্ৰেৰণা
সপোন দেখাত বাধা কি
যদিওবা ই কঢ়িয়াই আনে
প্ৰাপ্তি -অপ্ৰাপ্তিৰ বতৰা....
সকলোৱেটো বিচাৰে
সুখেৰে ভৰুণ বৰষুণজাকত তিতি
বিলীন কৰিম নিজকে
তিৰবিৰ জোনাকৰ স'তে,
য'ত থাকিব মাঁথো
আপোনজনৰ আকলুৱা মৰমবোৰ,
য'ত জীৱনটো ৰামধেনুৰঙী হৈ
জীপাল হৈ পৰিব
সেউজবুলীয়া অনুভৱবোৰ.....।।

# চিৰ চেনেহী আই জননী

সুৰভী তাঁতী

প্ৰতিপল বেদনাক সাৱটি
নিশা আহে
নিশাৰ স্থবিৰ আন্ধাৰ ফালি পুনৰ
ভাঁহি আহে সুৰুযৰ কিৰণ
আজিৰ স্বাধীনতাও যেন
এক স্থবিৰ আন্ধাৰহে
আজি বহু দিন হ'ল নাই দেখা
ৰঙা সুৰুযৰ কিৰণ
শুনিছোহে মাথো আকাশে-বতাহে
বাৰুদৰ হো হোৱনি দেখিছো
বষা তেজৰ বৰষুণ
মৃত্যুৰ এক লোমহৰ্ষক শিহৰণ
বিচ্যুতি ! আজিৰ মানুহ
তুমি আগবাঢ়ি অহা নাই
মাতৃৰ এই কদৰ্য ৰূপ দেখি
তুমি আগবাঢ়ি আহা
মৰণান্ত ত্যাগ কৰি
দুৰ্বাৰ গতিৰে
সুৰুযৰ দেশলৈ
ঘৰে ঘৰে শান্তিৰ শলিতা জ্বলাই
মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা
উদ্ধাৰি আনা
আমাৰ চিৰ চেনেহৰ
আই জননীক।



# কৃষ্ণচূড়াৰ চহৰ....

মুনমী ভৰালী




কিমান সুখত ওঁঠত হাঁহিৰ সোণাৰু ফুলে
কিমান দুখী হ'লে দুচকুত চকুলো নামে
কিয় তুমি আহিবলে ভালপোৱা
বাৰে বাৰে কৃষ্ণচূড়াৰ চহৰলে
কিয় ঘূৰি ফুৰা জীৱনৰ ফুটপাথত অকলে
(মই জনা হ'লে)

কি ভালপোৱা তুমি
বাৰিষাৰ বৰষুণ, শাওনৰ কবিতা
জ্যামিতিক জীৱন
নে প্ৰেমৰ বিজ্ঞাপন
কেতিয়াবা গৈছানে সেউজীয়া মানুহৰ বুকুৰ পঁজালে
খুলি চাইছানে সপোনৰ নঙলা

কেনেকৈ আজি দুস্বপ্নৰ ভৰত ক্ৰোঙা মানুহবোৰে
কঢ়িয়াই ফুৰিছে হাজাৰটা উজাগৰি ৰাতি
কিয় তুমি গোপনে আহা কৃষ্ণচূড়াৰ চহৰলে
শোকৰ ভৰত দুলি থাকে প্ৰেমিক চহৰ
যি বাটেৰেই তুমি যোৱা
তাতেই নিহত হয় হাজাৰটা প্ৰেমিক চৰাই

কিয় আহা চহৰলে
কিয় খুন কৰা হৃদয়বোৰ
বুকুৰ তলে তলে বৰশী বাই
কিয় খেদি ফুৰা সুখৰ দৰিক চৰাই
এতিয়া তোমাৰ বাবেই বাৰিষাৰ ঋতুত
মই হৈ পৰো
এজাক নৈপৰীয়া বৰষুণ
হৃদয়ত লৈ ফুৰা ঘাঁহনি ঘাঁহনি গোন্ধ।।

# আঘোণ আকৌ আহিবা তুমি

জুমি ভূঞা



আঘোণ তুমি আহিলে বৰ ভাল লাগে
আঘোণৰ পথাৰত সোণগুটিয়ে হালি-জালি নাচে
আঘোণ তুমি আহিলে ডেকা-গাভৰুৱে হাঁহে
সকলোৱে বাট চাই থাকে তুমি অহালে
আঘোণৰ বতৰত ৰজনী প্ৰভাততে পৰে কুঁৱলী
পুৱাৰ বেলিটিও ওলাই কুঁৱলী খেদিম বুলি
পথাৰৰ সৰু সৰু আলিৰ দুবৰিত
নিয়ৰৰ টোপাল যেন মুকুতাৰ মণি
আঘোণৰ পথাৰত বন ফৰিঙেও কৰে ধেমালি
চোঁ-মাৰি অহা লাহী টুনীজনী
বেলিৰ কিৰণে চিৰাছিৰ কৰে কুঁৱলী
আঘোণৰ পথাৰখনিত দেখা যায় শাৰী শাৰী দাৱনি
আঘোণে পথাৰখন কৰে শুৱনি
আঘোণ আকৌ আহিবা তুমি



# 'অনুভৱ' হৃদয়ৰ এক অন্য নাম

সুস্মিতা মহন

তোমাক প্ৰথম দেখা দিনাখনেই
বুজি উঠিছিলো
তোমাৰ অনুভৱী মনটোক
তুমি আপোন দেখা
প্ৰাপ্তিৰ পম খেদি
অপ্ৰাপ্তিৰ পম খেদি
অপ্ৰাপ্তিৰ মাজতেই যেন
বিচাৰা সুখৰ কাৰেং
সিদিনাখন মইও বুজি পাইছিলো
'সেমেকা মৰম' তোমাৰ ভাল নালাগে
কিন্তু বাৰিষাৰ প্ৰথমজাক বৰষুণত
তিতি জুৰুলি-জুপুৰি হোৱা
তোমাৰ অনুভৱী সেউজীয়া মনটোৱে বিচাৰে
এক নিৰিবিলি গধূলি
প্ৰিয়জনৰ হৃদয়ৰ উৰুলিৰ ৰাগিত
প্ৰিয়জনৰ অজ্ঞাতে
তুমি চকুলো টোকা
যিদৰে জোনাক নহ'লে



# ঠিকনাৰ সন্ধানত

প্ৰিয়ংকা ভূঞা

তোমাক হেৰুওৱাৰ দিনাৰ পৰা
হেৰাল মোৰ সকলো
প্ৰেম, বিশ্বাসবোৰ যেন এই জগতৰ
প্ৰহেলিকা মাথো
ভালপোৱাৰ অৰ্থ কি
কেনেদৰে সম্মোহিত হ'লে
আৰু বা কেনে অনুভৱৰ
সাগৰত ডুব গ'লে
ক'ব পৰা যায় 'মই তোমাক ভালপাঁও'
'আস' অনুভৱ এই অনুভৱেই যে
নিঃশেষ হৈ গৈছে 'মানৱকুলৰ মাজত'
সম্পৰ্কবোৰে লৈছে নিতৌ নৱৰূপ
ব্যৱহাৰিক জীৱনৰ ধামখুমীয়াত
আমাৰ অনুভৱে নিৰলস কবৰ খান্দিছে
হত্যা কৰিছে মাটিৰ মানুহ
আমি ক্ৰমাৎ হেৰুৱাইছো 'সাতমপুৰুষীয়া' সত্যক
কেনেদৰে থিয় কৰাম আমাৰ ভৱিষ্যত প্ৰজন্মক
নে, তেওঁলোককো গঢ় দিম ভোগ-লালসাত
লিপ্ত মানৱ হিচাপে
উহ! যন্ত্ৰণাৰ সাগৰত কক্‌বকাই ফুৰিছো
পৰিত্ৰাণ পোৱাৰ পথৰ সন্ধানত.....
নিশ্চয়! আকৌ এদিন প্ৰভাত হ'ব।



# তুমি নাহিবা অশান্ত মলয়া...

আৰোহনা দেবী

নাহিবা তুমি অশান্ত মলয়া
তুমি আহিলেই
পাৰ হৈ অহা
জীপাল ক্ষণ সুমধুৰ পলবোৰ
ভাঁহি আহে হৃদয়ৰ গোপন কোঠায়েদি
যেন পুৱতি নিশাৰ
এটি মিঠা আমেজৰ সপোন
নাহিবা অশান্ত মলয়া
তুমি অহাৰ বাতৰি পালেই
মই বাক্‌ৰুদ্ধ হৈ পৰোঁ
মাথোঁ বয় আহে
চকুলোৰ বন্যা
তুমি আহিলে নোৱাৰো দমাব
মোৰ অস্থিৰ হৃদয়ক
আৰু ই ভাগি চুৰ-মাৰ কৰে
মোৰ যৌৱনৰ হেঁপাহৰ সপোনটি
নাহিবা দেই তুমি অশান্ত মলয়া।

# নিলিখাকৈয়ে পুৰণি হোৱা ডায়েৰীখন

মিতালী শইকীয়া

কেতিয়া জানো লিখিবলৈ লৈছিলো ডায়েৰীখন!
বহুদিন উলিয়াই লৈও
সামৰি থৈছিলো একো নিলিখাকৈয়ে
তথাপি উকা হৈ ৰোৱা নাছিল
ডায়েৰীখনৰ পৃষ্ঠাবোৰ
দিনৰ পিছত দিনে নতুনকৈ লগ হৈছিল
কিছুমান অলিখিত কাহিনী
ক্ৰমাৎ নিলিখাকৈয়ে গধুৰ হৈছিল ডায়েৰীখন
প্ৰকৃতিৰ নিয়ম মানি
সূৰুয বাঢ়িছিল পুব আকাশত
লাহে লাহে সন্ধিয়া নামিছিল পশ্চিমত
তুমি আছিলা এদিন
মোৰ বুকুত খৰস্ৰোতা এখন প্ৰৱাহিনী
দিন বাগৰিছিল
একে হৈ ৰোৱা নাছিল সময়
তথাপি ডায়েৰীখন গধুৰ হৈছিল
তুমি শুকাই যোৱা এৰাসুতিৰ ৰূপ ল'লা
আৰু এদিন দুদিনকৈ তুমি এদিন হৈ পৰিলা
প্ৰেমৰ এখনি মৰা নৈ
তথাপি লিখা নহ'ল ডায়েৰীখন
বিষ এটা বুকুত লৈয়ে
ডায়েৰীখন শুই পৰিল চিৰদিনৰ বাবে
নিৰলে নিমাতে...





# আঘোণ

## নীহাৰীকা ফুকন

আঘোণ, কৃষকৰ এক ৰঙীন সপোন
কুহেলিকাৰ ওৰণি খহাই শীতৰ শেতেলীত
সপোন ৰচা আঘোণ।
আঘোণ আহে, লগত কঢ়িয়াই আনে
কৃষকৰ এমুঠি সোণালী সপোন
প্ৰভাতীসুৰুযে ওৰণি খহাই
লাজুকী ধাননিৰ
আঘোণৰ লহপহীয়া পুৱাটিত
টোপ টোপ নিয়ৰে দুবৰিত মালা গাঁঠি
সিঁচৰতি কৰে নিয়ৰৰ ফুল
দিবাকৰৰ আগমনত
নিৰৱ শীতলতাক সাৱটি টোপটোপ নিয়ৰৰ
ছন্দত নৃত্যৰতা আঘোণৰ পথাৰখন
সাৰ পাই উঠে, সদ্যস্নাতা গাভৰুৰ দৰে,
মুকুতা সৰে, বকিয়াইদি ভটিয়াই যোৱা
ৰচকী দাৱনিৰ খিল্‌খিল্ হাঁহিৰ শব্দত।
উন্মনা সমীৰে জোকাই যায়
ৰচকী দাৱনিৰ আউলি-বাউলি চুলি,
এমোকোৰা তামোলে ভৰি থকা
আজলী দাৱনিৰ দুহাতে উপচি পৰে
সোণালী ধানৰ থোক
সপোনবোৰ বন্দী হয়
এমুঠি দুমুঠি ধানৰ থোকত
লেচেৰি বুটলি ফুৰে শৈশৱে
আঘোণৰ পথাৰত
খেতিয়কৰ পাহোৱাল কান্ধত
প্ৰাণ পাই উঠা বিৰিয়াত
দুটি ডাঙৰিৰ জিৰিক্ জিৰিক্ শব্দই
জোকাই যায়।
ৰচকী দাৱনিৰ মন।
ব্যস্ততাময় পথাৰখন প্ৰাণ পাই উঠে
ৰচকী দাৱনিৰ হাঁহিৰ জোৱাৰত
তামোলৰ হাচতিত অথবা
ৰবাবটেঙাৰ লোভনীয় সুবাসত।
এটি এটি পল বাগৰে
দিনমণিয়ে গতি কৰে অজানদেশলৈ
ভৰদুপৰীয়া জিলিকি উঠে,
আঁচলৰে মুখ ঢাকি থকা তেজগোৰা মুখখনিত
দুটোপাল ঘামৰ বিন্দু।
সযতনে সোণোৱালী ধাননিৰ
লখিমী আদৰে, খেতিয়কৰ সপোনৰ ভঁৰালত
বছৰটোলৈ সাঁচি ৰাখি সযতনে লখিমীক
কৰ্মব্যস্ত শৰীৰটি শাঁতপেলাই
সকলোটিয়ে এসাঁজ 'ন-ভাত'
খাই হেঁপাহত।।

# আজিৰ অসম

## সুৰজমণি বৰদেউৰী

সূৰ্যোদয়ৰ দেশ অসম
যাৰ নাম শুনিলেই পুলকিত হয় মন-প্ৰাণ
অসমৰ বুৰঞ্জী, অসমৰ মাটি
চুমিলেই মন-প্ৰাণ জাগি উঠে
সৌ সিদিনা বীৰ লাচিতে গঢ়া গড়
আছেনে আজিও জীয়াই
আৰু গাভৰুজনী আছেনে জীয়াই
সাত বাই-ভনীৰ এই অসম
একতাৰ ডোলেৰে শংকৰদেৱে
বন্ধা এই অসম



আছেনে তাহানিৰ দৰে
বৈ আছেনে অসম অতীতৰ সংস্কৃতি
ব'হাগত আহেনে উধাতু খাই
বৰদৈচিলা
মাকৰ ঘৰলৈ বুলি
নাচেনে ব'হাগত বাউলী হৈ
হাতত আৰু ওঠত বোলাইনে তাই
জেতুকাৰ ৰং আৰু বৰ্হমথুৰী।



# সপোন ভাঁহে মাথোন্

যামিনী মহন্ত

নিঃশব্দ গানৰ নুবুজা শব্দবোৰে কিয়
আমনি কৰে মোক বাৰে বাৰে
সেই নেদেখা ছবিখনৰ
অস্পষ্ট অৱয়বে কিয় ধৰা দিয়েহি
ঘনে ঘনে

তাহানিৰ ধোঁৱা মিশ্ৰিত সেই মায়াবী
সপোনবোৰ কিয় বাৰু
উভতি আহিব যেন লাগে
মোৰ কাষলৈ

কিন্তু, সপোন যে উভতিও
আহিব পাৰে
তাকচোন ভাবিবৰেই নহ'ল মোৰ...
সঁচাই, আজি উভতি আহিছে
মোৰ কাষলৈ — সেই পোহৰহীন
ধুনীয়া সপোনবোৰ
কিদৰে আকোঁৱালি লওঁ
অতীতৰ সপোনবোৰ
এতিয়া যে, বহু বহু পলম হৈ গৈছে
সেই সপোনক হৃদয়ে আকোঁৱালি লোৱাৰ...।

# অনুভৱ ঃ জীৱনৰ

ভাগ্যশ্ৰী নেওগ

আকাশত চিলা উৰুৱাৰ সপোনতেই
সীমাবদ্ধ নহয় সপোনৰ সংজ্ঞা
তাৰ পাছতো থাকে আৰু দূৰলৈ উৰাৰ সপোন
পখিলা খেদাৰ দৌৰতেই সীমাবদ্ধ নহয়
জীৱন যুঁজৰ দৌৰ
তাৰপাছতো আৰু থাকে
গন্তব্যস্থান পাবৰ বাবে দিয়া দৌৰ
সপোনৰ পাছত দৌৰোতে দৌৰোতে
বা-মাৰলিৰ কোবত কোনো মুহূৰ্তত
লঠঙা হৈ পৰে মানুহৰ মনবৃক্ষ
সেয়ে ছাগে ইমান ব্যস্ততাময় জীৱনতো
জোনাক গলা নিশা অজানিতে বৈ আহে
শিতানৰ গাৰু তিয়াই পেলাব পৰাকৈ
বুকু আকুহি নিয়া চকুলোৰ এখন নৈ
ব্যস্ততাৰ ফাঁকতো কঢ়িয়াবলগীয়া হয়
এবুকু যন্ত্ৰণা হৃদয়ৰ গোপন কোণত
তথাপিও এবুকু নৈৰাশ্যৰ মাজতো আশা হয়
লঠঙা গছৰ ডালতো কুঁহিপাত মেলাৰ দৰে
সপোনবোৰ ভাগি যোৱাৰ পাছত
সপোনৰ ডালতো কুঁহিপাত মেলিব
উত্তৰণৰ বাবে যন্ত্ৰণাবোৰ হ'ব প্ৰেৰণাৰ এক উৎস
উদং পথাৰতো অনবৰতে
বতাহৰ সুৰ এটা বৈ থকাৰ দৰে
নৈৰাশ্যৰ মাজতো এইদৰে
আশাৰ এটা সুৰে
প্ৰতিমুহূৰ্ততে কৰি তোলে প্ৰচুৰ জীৱনমুখী।





# নতুনত্বৰ বিষাদ

## প্ৰিয়ংকা ভূঞা

নৰাণিখনে এতিয়া
শৈশৱক সুঁৱৰি উচুপে
উন্মনা চিলাকেইখনো যে
নিঃসংগ হৈ উভতে
তাইৰ দেহালৈ এতিয়া
নতুনত্বৰ আগমণ
সেই আগৰ দৰে
তাইৰ দৌৰত এতিয়া
কঁহুৱাই নচা নাই
আৰু যেন নাই
আঘোণৰ ভৰ পক দিনবোৰ
তাই এতিয়া চিত্ পখিলীজনীও
হৈ থকা নাই
পাহৰিলে তাই জীৱন জীয়াবলে
ক্ৰমে নিঃশেষ হৈ আহিছে তাইৰ
নিষ্পাপ সৰলতাৰ
যেন ক'ৰবাত কঁপিছে
নিঠৰুৱা বাঁহীৰ বেদনা...।

# মা

## দীপাংকা বৰা

মা মোৰ হৃদয়ৰ
নিভৃত কোণৰ এক অব্যক্ত সুৰ
কোণ ব্ৰহ্ম পুৰাৰ পিৰালিত
বুকুত উম দি মোৰ উশাহত উশাহ থৈ
এৰি দি এই পৃথিৱীত
শান্তিৰ আমোঘ সপোন
শব্দৰ সহাৰিৰে
যাযাবৰী এই যাত্ৰা পথত
অনেকৰ স'তে কি এক প্ৰশান্তি,
নিজান দুপৰৰ যৌৱনৰ
তপ্ত ৰথত উঠি
সংগ্ৰামৰ অবিৰত যাত্ৰা
প্ৰতিটো ক্ষণ আৰু পলত
তোমাৰ স্মৃতিৰ সঁহাৰিৰে
পৌঢ়ত্বটো তুমিয়েই
এক নিছিদ্ৰ ৰজনীৰ
সন্ধ্যা তৰা হৈ উৰি যোৱা
জোনাকি পৰুৱাৰ দুপাখিত
সময়ৰ তিৰবিৰণি
তুমি যে জাগি উঠিলা
মোৰ যাত্ৰা পথৰ একাজলি
জোনাকৰ স'তে
মোৰ শেষ সন্ধ্যাৰ
চিৰ প্ৰশান্তি পৰ্য্যন্ত
'মা' তুমি মোৰ সমগ্ৰ
যাত্ৰাৰ নিৰন্তৰ সহচৰী তুমি





# মোৰ দুদিনীয়া জীৱন

**সুৰজমণি বৰদেউৰী**

সন্মুখতে পাৰ হ'ল
জিলমিল শৈশৱকাল
নিতাল মৰা এক জীৱনৰ ঢল
আহি পালে জীৱনৰ
এক নতুন পৰ্যায়
যাৰ জিলিমিলি সুবাসে
দিলে মোক
জীৱনৰ নতুন সপোন
জীৱনৰ ৰঙীণ দাপোণ
এক ৰঙীণ দাপোণে
মোক দেখুৱালে
আহি থকা জীৱনৰ সুবাস
কিন্তু হঠাতে পাৰ হ'ল
এইটোৰ কাল
সাগৰৰ ঢোৰ দৰে
পাৰ হ'ল দুটা কাল
আৰু অৱশেতে আহি পালে
এনে এটা অন্তিম পৰ্যায়
যাৰ বাবে মই আছিলো জীয়াই
আছিলো জীয়াই

# 'মা' তোমাৰ অপেক্ষাত

**পাপৰি বড়া**

বেদনাৰ এবুকু বোজা লৈ
নিৰস দুচকুৰে চাই ৰৈছো
শেৱালীৰ তলসৰা পদুলি মুখলৈ,
কিজানি গধূলিৰ মৃদু বতাহজাকে
অৰ্পিত হৃদয়ৰ মৰহা ফুলত দি যায়
'মা' তোমাৰ বতৰা
মায়া মৃগ বিচাৰি ক্লান্ত হোৱা
এই দুচকুত দি যোৱা
'মা' তোমাৰ আকুলতাৰ পৰশ
মোৰ মন যায় 'মা' তোমাৰ
কোলাত মূৰ থৈ এমুঠি জেতুকাবুলীয়া
সপোনেৰে তোমাৰ বুকু ভৰাবলে
জানা 'মা' কেতিয়াবা মই তোমাক
বিচাৰি মলয়াক প্ৰশ্ন কৰো
জানা নেকি তুমি
মলয়াৱেও দেখোন মূৰ জোকাৰে
ওহোঁ নাজানো
পদুলি মুখলৈ চাওঁতে চাওঁতে
পাৰহৈ গ'ল বহুতো বাটৰুৱা,
অথচ নাপালো তোমাৰ বতৰা।
শূন্যতেই বিলীন হৈ গৈছে
বিষাদৰ জেউতিৰ প্ৰলেপসনা
বহুতো প্ৰশ্ন
আজি বিচ্ছিন্ন নিশাটিৰ নিৰৱতাৰ
ঝংকাৰ, নিতাল জগতৰ
নিমাত পৰিবেশ মোৰ হৃদয়ত
চুমা দি যোৱা মৃদু মলয়াজাকে
মোক হঠাৎ দি গ'ল 'মা'
তোমাৰ পৰশ
পাগলৰ দৰে বিচাৰিলো তোমাক
'মা' মোৰ চাৰিওফালে
কিন্তু... কিন্তু ... নাপালো।
'মা' মই তোমাৰ বাবে ৰৈ আছো
আহিবানে বাৰু তুমি?



# কথা শিল্প



# নিয়তিৰ পৰিহাস

■ মিছ চিমী আহমেদ



"আৰে, পংকজ দেখোন! কেতিয়া পালাহি? খবৰ কেনেকুৱা........ আৰু তোমাৰ পঢ়া-শুনা?" কাষৰ ঘৰৰ বৰমাজনীৰ মুখখনত আখৈ ফুটাদি ফুটা প্ৰশ্নকেইটা শুনি পংকজে হাঁহি দিলে। বৰমাই কৌতুহলী চকুৰে তালৈ চাই ভেবা লাগিল, কি বা হ'ল! "আপুনিও যে বৰমা, কোনটোৰ উত্তৰ আগতে দিম, পঢ়া-শুনাৰ নে খবৰৰ নে মোৰ Arrival?" কৈ কৈ পংকজ বাৰাণ্ডাৰ পৰা দুৱাৰমুখ পালেগৈ। মিনতি বৰমাই আথে-বেথে তাক বহুৱাই থৈ চাহ্ কৰাত লাগিলগৈ আৰু ষষ্ঠশ্ৰেণীত পঢ়া নিজৰ সৰুপুতেক মিণ্টুক পংকজৰ লগত কথা পাতিবলৈ পঠিয়াই দিলে।

পংকজ এজন স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ, হোষ্টেলত থাকি পঢ়ে। মাহেকৰ মূৰত সময় পালে ঘৰলৈ আহে, মাক-দেউতাকৰ লগত থাকি, খবৰ খাতি লৈ একমাত্ৰ সন্তানৰ দায়িত্ব পালন কৰি যায়হি। চুবুৰীটোৰ প্ৰায় সকলো ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ পৰা পংকজৰ দৰে হ'ব নোৱাৰাৰ বাবে গালি খায়। শিক্ষক পিতৃৰ ল'ৰা, কিতাপৰ পোক, সকলোৰে প্ৰিয়পাত্ৰ নহ'বই বা কিয়? তাতে যিহে মৰমিয়াল, ঘৰলৈ আহিলে ওচৰ-চুবুৰীয়াক মাতষাৰ নামাতালৈকে ঘৰতেই নোসোমায়। তাৰ কাৰণে সাদৰী মাকজনীৰ কিমান অভিমান, খং! এতিয়াও মিনতি বৰমাই চাহ কৰি থাকোতেই পংকজ গৈ সৰু মইনাহঁতৰ ঘৰ পালেগৈ, নহ'লে যে সময়েই নাপাব। কাইলৈকে সি আকৌ যাবগৈ লাগিব।

পিছদিনা ৮ বজাৰ বাছখন ধৰি পংকজ হোষ্টেল পালেহি। কোঠাত সোমায়েই তাৰ মূৰ গৰম উঠি গ'ল। তাৰ বিচনা-পত্ৰ, টেবুলৰ কিতাপ-পত্ৰ, ড্ৰয়াৰ সকলোতে বেমেজালি। ইমান পৰিপাটিকৈ থৈ যোৱা স্বত্বেও এনে হ'ল কেনেকৈ; মনোজৰে কাম নিশ্চয়, নহ'লেতো কাৰ ইমান সাহ নাই। মনোজ পংকজতকৈ চিনিয়ৰ। আৰু তাৰ এই জ্যেষ্ঠতা সি প্ৰতিটো ক্ষেত্ৰতে পংকজৰ ওপৰত জাপি দি লাভ উঠায়। পংকজ নিৰুপায়, পঢ়িবলৈ আহিছে যেতিয়া এইবোৰ কথাক তুচ্ছ জ্ঞান কৰি পঢ়ি যাব সি। তাৰ লগৰ সৌৰভ, মিতুলহঁতে তাক সাৱধান কৰি দিয়ে মনোজৰপৰা আঁতৰি থাকিবলৈ, কাৰণ মনোজ ড্ৰাগছ্ এডিক্ট, কলেজৰ মস্ত গুণ্ডা। পংকজেও চেষ্টা নকৰা নহয়, দুবাৰকৈ দৰ্খাস্ত কৰিছিল ৰূম সলনিৰ বাবে। কিন্তু কোনো লাভ নহ'ল। আৰু তিনিমাহ কেনেকৈ যে যাব......... এইবোৰ ভাবি পংকজে বস্তুবোৰ চিজিল লগাই থাকোঁতেই হুৰমুৰাই মনোজ সোমাই আহিল আৰু তাক গলগলীয়া মাতেৰে টকা ৫০০০ বিচাৰিলে। পংকজ একেবাৰে হতভম্ব হ'ল। সি আহিবৰ পৰত মাকে টকা ১০০০ তাৰ হাতত গুজি দিছিল। কিন্তু এতিয়া মনোজক কথাটো কোৱাত সি কোনোপধ্যে সৈমান নহ'ল। শেষত ভোৰভোৰাই পংকজক গালি পাৰি সেই এহাজাৰ টকাকে লৈ গ'লগৈ। পংকজে জানে, এই এহাজাৰ টকা ঘূৰাই পোৱাটো মিছা। তাৰ কিতাপ-পত্ৰ, বিচনা খোঁচৰাৰ কাৰণো এইটোৱেই। বিষন্ন মনেৰে সি কলেজলৈ ওলাই গ'ল।

দিনটোৰ মূৰত সকলোবোৰ হোষ্টেলত গোট খালেহি। সকলোৱে প্ৰাৰ্থনা, চাহ পৰ্বৰ পাছত নিজ নিজ পঢ়া টেবুলত বহি কিতাপত মনোনিৱেশ কৰাৰ চেষ্টা কৰিবলৈ ধৰিলে। পংকজে কোঠাৰ দুৱাৰখন খোলা ৰাখি কিতাপ এখন লৈ বিচনাত বাগৰ দিলে। সি একাগ্ৰ হৈ যোৱাৰ মুহূৰ্ততে দুৱাৰখন থেলা মাৰি মনোজ সোমাই আহিল আৰু বিচনাত লাঙ খাই পৰি দিলে। এক অসহ্য গোন্ধে কোঠাটো মেৰাই ধৰিলে। পংকজৰ একমুহূৰ্তও থাকিবলৈ মন নগ'ল তাত, একেজাঁপে উঠি সি হোষ্টেলৰ ছাদ পালেগৈ। তাৰ একাগ্ৰতা ছাদৰ আন্ধাৰত বিলীন হৈ গ'ল। সি লাহে লাহে মনোজৰ আন এটা বদগুণৰ আভাস পাইছে। মনোজ নিজে ড্ৰাগছ্-আসক্ত হোৱাৰ উপৰিও কলেজৰ বহুতো ল'ৰাই এই ভয়ংকৰ পথত খোজ দিবলৈ বাধ্য কৰাইছে। তাৰ নিজৰ প্ৰয়োজনীয়খিনিৰ মূল্য পৰিশোধ কৰিবলৈ সি এনে এক জঘন্য আৰু নিকৃষ্ট ব্যৱসায়ত নামি পৰিছে, সেইটোও পংকজে বুজি পায়। কিন্তু তাৰ প্ৰতিবাদ কৰাৰ সাহস নাই। কাকো খোলাখুলিকৈ ক'ব নোৱাৰে সি এইবোৰ কথা। তাৰ দৰে নিমাখিত ল'ৰা এজনৰ মনটো মনোজৰ প্ৰতিহিংসাৰ বলি হ'বলৈ সন্মত নহয়।

হঠাতে, সেইদিনা আবেলি মনোজক গ্ৰেপ্তাৰ কৰি নিলে পুলিচে। সকলোৱে স্বস্তিৰ উশাহ ল'লে। পিছদিনাখন ধলপুৱাতে পুনৰ পুলিচ আহি হোষ্টেলৰ গেটত দণ্ডায়মান। মনোজৰ বিস্ফোৰক স্বীকাৰোক্তি............. এই কেলেংকাৰীৰ প্ৰধান নায়ক তাৰ ৰুমমেট পংকজ। কলেজৰ সকলোৱেই বাক্ৰুদ্ধ। কিন্তু পুলিচৰ হাতত সাক্ষী আছে, প্ৰমাণ দিছে মনোজে। পংকজৰ বাকীকেইটা দিন এতিয়া কাৰাগাৰৰ অন্ধকাৰত নিমজ্জিত হোৱাৰ পথত।■

*● লেখিকা স্নাতক তৃতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী*



আকৌ ৫ টকাৰ মুদ্ৰা এটা দি প্ৰত্যুষ গন্তব্য স্থানলৈ গতি কৰিছিল। ভাবি পাৰ পোৱা নাছিল যে এখন পকী দলঙৰ ইপাৰ সিপাৰ হোৱাৰ ভাড়া ৫ টকা কেনেকৈ হ'ল! আচলতে আজিকালি বহু চালকে ইচ্ছা হলেই ভাড়া বৃদ্ধি কৰি দিয়ে। গতিকে আজিৰ যুগৰ পৰিৱৰ্তনশীল নৈমিত্তিক পৰিস্থিতিৰ কথা গভীৰভাৱে ভাবি একো লাভ নাই। প্ৰত্যুষে লৰালৰিকৈ তাৰ যাৱতীয় কাম-কাজখিনি কৰি বজাৰত সোমাল, কাপোৰ কিনিবলৈ। আচলতে পৰীয়ে তাক চেলুৱাৰ নিবৰ বাবে আৰু প্লামনাই সৰু-সুৰা বহু বস্তু নিবৰ বাবে আদেশ কৰি পঠাইছিল। এই বস্তুকেইপদ নিনিলে আৰু তাৰ অৱস্থা বিষমেই হ'ব। কিন্তু ইয়াতো সেই একেই, বস্তুৰ এক আশ্চৰ্যকৰ দাম। দাম শুনি তাৰ দৰাদৰি কৰিবলৈ ভাষাই নোহোৱা হৈ গৈছিল। আৰু তাতোকৈও ডাঙৰ কথা দোকানীজনৰ ব্যৱহাৰ। তেওঁৰ ব্যৱহাৰত ইমানেই ৰুক্ষতা আছিল যে প্ৰত্যুষে তাৰ প্ৰিয় বস্তু এটা হলেও কিনাৰ আশা বাদ দিলেহেঁতেন। সি আনখন দোকানলৈ বুলি আগবাঢ়িলে। সেই দোকানখনৰ দোকানীজনৰ নম্ৰ, বিনয়ী ব্যৱহাৰে তাক বস্তুটো কিনাৰ প্ৰতি আগ্ৰহী কৰি পেলাইছিল। গতিকে তাৰপৰাই পৰীয়ে বিচৰা বস্তু কেইপদ লৈ ঘৰলৈ বুলি খোজ ল'লে।

পৰী আৰু তাৰ জী প্লামনা আগফালে বহি তাৰ বাবে অপেক্ষা কৰি আছিল। প্ৰথমে সি বুজা নাছিল যে আচলতে সেই অপেক্ষা তাৰ বাবে আছিল নে তাৰ হাতত থকা বেগটোৰ মাজত সোমাই থকা সিহঁতৰ হেপাহৰ বস্তুকেই পদৰ বাবে আছিল। অৱশ্যে তাৰ এই কৌতুহলতা দূৰ হ'বৰ বাবে বেছিপৰ নালাগিল। সিহঁতে তাৰ হাতৰ পৰা বেগটো লৈ ভিতৰত সোমাই পৰাৰ পাছত সি আনদিনাৰ দৰে বুজি উঠিছিল এতিয়া যে তাৰ বাবে একাপ চাহ দিবলৈও পৰীৰ সময় নাই।

এই জীৱনৰ লীলা খেলাত সি অভ্যস্ত হলেও আশ্চৰ্যান্বিতও হয় বাৰে বাৰে। তাৰ যৌৱন আৰু জীৱনৰ আদবয়সৰ পাৰ্থক্যৰ কথা ভাবিলেও সি আচৰিত হয়। তাৰ যৌৱনকালতো আশ্চৰ্যান্বিত নোহোৱাকৈ থকা নাছিল সি। কলেজৰ স্নাতক দ্বিতীয় বৰ্ষত থাকোতে তাৰ প্ৰতি আগ্ৰহী সকলো ছোৱালীক নেওচা দি সেইবছৰ মেট্ৰিক পৰীক্ষা

# জীৱনৰ হিচাপ-নিকাচ

কাশ্মিৰী শৰ্মা

দহ টকীয়া নোটখন চালকক দি প্ৰত্যুষ আগুৱাই যাবলৈ লৈছিলহে মাত্ৰ, চালকজনে পাচফালৰ পৰা চিএঞৰি মাতিলে, "আৰু ৫ টকা দিব লাগিব দাদা"। প্ৰত্যুষ আচৰিতেই হ'ল, সদায়েতো আহি থাকে ১০ টকা ভাড়াত। প্ৰত্যুষৰ প্ৰতিবাদ চালকজনে শুনিবলৈ একেবাৰে আগ্ৰহী নাছিল। তেওঁ ক'লে যে "দলঙৰ এইপাৰে ১০ টকা আৰু সিপাৰ হ'লে ১৫ টকা।"

দিয়া কৃষ্মিতাক বাৰে বাৰে প্ৰেমৰ প্ৰস্তাৱ দি বিফল হওঁতেও সি বাৰুকৈয়ে আচৰিত হৈছিল। স্মাৰ্ট আৰু হেণ্ডচাম বুলি খ্যাতি থকা আকৰ্ষণীয় চেহেৰাৰ প্ৰত্যুষৰ প্ৰেমৰ প্ৰস্তাৱ অগ্ৰাহ্য হোৱাটো কম ডাঙৰ কথা নহয়। এই যে তাই অগ্ৰাহ্য কৰিলে তাৰবাবেই সি তাইক বেছিকৈ ভাল পাবলৈ ধৰিছিল আৰু তাইৰ সকলো কটু বাক্য সি অকপটে শুনি গৈছিল। অৱশ্যে তাৰ ঠিক ছমাহমান পাছত কৃষ্মিতাৰ মুখৰ পৰা সঁহাৰিসূচক বাক্য শুনি সি যিমান আনন্দিত হৈছিল তাতোকৈ বেছি আচৰিত হৈছিল। সি উন্মাদ প্ৰায় হৈ পৰিছিল।

সেই আমেজসনা ৰসাল দিনবোৰক অতীত কৰাৰ সময়ত তাৰ অলপো বেজাৰ লগা নাছিল। তাক পাগলৰ দৰে ভাল পাই পেলোৱা কৃষ্মিতাক হাজাৰ সপোনৰ মাজলৈ লৈ গৈ তাইক স্বপ্নৰ ৰাজ্যত আৱদ্ধ কৰি পেলাইছিল সেই দিনবোৰত। তাইৰ বিশ্বাসক জয় কৰি সি আবুৰিত হৈছিল তাইৰ নিষ্পাপ প্ৰেমৰ এনাজৰীৰে। ইমানেই কঠিন আছিল সেই এনাজৰী যে সি তাইক এৰি অহাৰ কথা প্ৰথমে ভাবিবই পৰা নাছিল। তাইৰ ঘৰৰ অদ্ভুত নিৰাপত্তা আৰু অত্যাচাৰৰ মাজতো তাই তাৰ প্ৰতি মৰম কম কৰা নাছিল। প্ৰথম অৱস্থাত প্ৰত্যুষে ঠিকেই বুজি পাইছিল কৃষ্মিতাক। কিন্তু সময়ৰ সোঁতত উটি গৈ খুব লাহে লাহে সি সেই কঠিন এনাজৰীৰ বান্ধবোৰ ছিঙি গৈছিল। বাহিৰত পঢ়িবলৈ গৈ ল'ৰালিৰ সহপাঠী পৰীক একেবাৰে কাষৰ পৰা পাই আৰু সঘনে লগ পাই লাহে লাহে আঁতৰি আহিছিল কৃষ্মিতাৰ পৰা। তেতিয়াৰ পৰাই সি এটাৰ পাছত এটাকৈ বহু ভুল কৰি আহিছিল। কৃষ্মিতাৰ আকুলতাই তাক তাইৰ আগত সঁচা কথা কোৱাত বাধা দিছিল আৰু পৰীৰ আদৰ আৰু সঙ্গই কৃষ্মিতাৰ ওচৰলৈ যোৱাত বাধা দিছিল। সি দুয়োজনীকে ঠগিছিল সমানেই। কৃষ্মিতাৰ লগত সম্পৰ্ক পোনপটীয়াভাৱে ছেদ কৰিবলৈ তাৰ সাহস নোহোৱাৰ বাবে বহুদিন তাইক ৰুক্ষ ব্যৱহাৰ কৰিছিল, তাইক কম বেছি পৰিমাণে পৰিহাৰ কৰি চলিছিল। তথাপি তাক কৃষ্মিতাই অলপো দোষ দিয়া নাছিল, বৰঞ্চ দুগুণ উৎসাহেৰে ভাল পাইছিল। তাৰ এষাৰ মাতে তাইক জীয়াই থকাৰ শক্তি দিছিল। কিন্তু এনে চৰম দুমোজাত থাকিও সি সমূলি দুমোজাৰ অনুভৱ কৰিব পৰা নাছিল। দুয়োজনীৰ লগত সম্পৰ্কত আসোঁৱাহ ৰৈ গৈছিল যদিও দুয়োটা সম্পৰ্ককে সি সমান্তৰালভাৱে চলাই নিছিল। ক্ৰমশঃ নিজে নিজেই পাপ আৰু অপৰাধৰ আবেষ্টনীত সি সোমাই পৰিছিল। সত্যৰ সন্মুখত আৱৰণ ৰাখিটো আৰু কোনো সত্যক ওৰে জীৱনলৈ ঢাকি ৰাখিব নোৱাৰি। গতিকে তাৰো সেই একে দশাই হৈছিল। এদিন কৃষ্মিতা জ্ঞাত হৈছিল তাৰ সত্যতাৰ বিষয়ত। অবিশ্বাস্য সত্যক প্ৰমাণসহ আৱিষ্কাৰ কৰিহে তাই অনুতপ্ত হৈছিল। সেই মুহূৰ্ত্তত ক্ৰন্দনৰ ৰাগিত মাতাল হোৱা কৃষ্মিতাৰ মানসিক অৱস্থাক বুজি পোৱাটো প্ৰত্যুষৰ বাবে সম্ভৱপৰ নাছিল। তাইৰ অন্তৰৰ নিভৃত কোণৰ পৰা ওলোৱা শোকৰ বন্যা প্ৰত্যুষৰ বাবে হৈ পৰিছিল অভিশাপৰ প্লাৱন। সেই অভিশাপে তাক ওৰে জীৱন অকলশৰীয়া নকৰে বুলিয়েই তাৰ বৰ্তমানৰ ধাৰণা। তাই যোগাযোগ নকৰাৰ পৰা সি এবাৰো খবৰ কৰা নাছিল তাই কেনেকৈ জীয়াই আছে অথবা জীয়াই আছেনে নাই। পৰীক তাৰ চৰিত্ৰ সম্পৰ্কত অন্ধকাৰতে ৰাখি এদিন বিয়া কৰাই আনিছিল। তথাপি অভিশাপে অথবা দুৰ্ভাগ্যই তাক লগ এৰা নাছিল। পৰীয়ে তাৰ জীৱনত মুঠেই সুখ বিলাব পৰা নাছিল। প্ৰায় এবছৰ যোৱাৰ পাছত সিহঁতৰ বৈবাহিক জীৱনৰ সুখবোৰ নাইকিয়া হৈ গৈছিল। পৰীৰ ৰুক্ষ ব্যৱহাৰত সি অতিষ্ঠ হৈছিল। কোনোমতেই সি তাইক বশ কৰিব পৰা নাছিল। তাৰোপৰি প্ৰামনাকো আনিব লগা হৈছিল এখন অনাথ আশ্ৰমৰ পৰা। পৰীৰ নিজৰ অসমৰ্থতাৰ বাবে নিজেও শান্তি থাকিব পৰা নাছিল আৰু তাকো শান্তিত থাকিব দিয়া নাছিল। সৰু সৰু কথাক লৈ সিহঁতৰ মাজত কাজিয়া হৈছিল। এইদৰেই আৰু জীৱনৰ গতি অব্যাহত। এতিয়া সি বুজি পাই যে তাৰ জীৱনটোক সি নিজে জটিল কৰিছিল। জীৱনৰ প্ৰতিটো ঘাত-প্ৰতিঘাতক সি তাৰ অতীত কৰ্মৰ ফলাফল বুলি গ্ৰহণ কৰি লবলৈ শিকিছে এতিয়া। অতীতৰ প্ৰবঞ্চনাৰ ফলস্বৰূপে বৰ্তমান শোকৰ ৰ'দত সি দেহপুৰি মাৰিছে। আৰু মাজে মাজে সি উদ্‌বাউল হৈ পৰে কৃষ্মিতাৰ এটা বাতৰি পাবলৈ। দহ বছৰ যোগাযোগৰ বাহিৰত থকা কৃষ্মিতাৰ জীৱন সম্পৰ্কে জানিবলৈ, এটা খবৰ পাবলৈ সি আশাৰে বাট চাই আছে। অথচ সি অসহায়, অতীত সোঁৱৰি জীৱনৰ হিচাপ নিকাচত ব্যস্ত এক বাধ্য অসহায় প্ৰাণী প্ৰত্যুষ। তাৰ হিচাপ নিকাচত আৰু ভাৱনাত আউল লগাই পৰীয়ে একাপ চাহ তাৰ টেবুলত থেকেচা মাৰি ৰাখি গ'ল, লগতে এটা ক্ষোভ উজাৰি গ'ল, সি অনা কাপোৰ অপচন্দ হোৱাৰ ক্ষোভ.............।■

*• লেখিকা স্নাতক তৃতীয় বৰ্ষৰ অৰ্থনীতি বিভাগৰ ছাত্ৰী*

# আতংকবাদ আৰু বিপ্লৱ ?



### অংকিতা গগৈ

"ৰিঙা ৰিঙা অ' হৌ ৰিঙা ৰিঙা উদং পথাৰ একা বেকা আলি" গীত ফাঁকি মুখত ভোনভোনাই গাই এচাৰি জোকাৰি দীপকে গৰু কেইটা খেদি আনিছে। গৰুৰ খোজত চ'ত মাহৰ আলিবাট ধূলিয়ে নেদেখা হৈ আহিছে। ৰঙা সাজ পিন্ধি বেলিটিয়েও বিদায় মাগিছে। আকাশত শাৰী শাৰী পাতি ডেউ ৰাজহাঁহবোৰ নিজৰ সজালৈ ঘূৰি আহিছে দিগ্ দিগন্ত ঘূৰি। দীপকে সোনকালেই গৈছিল গৰু আনিবলৈ। যিহে আজিকালি সমস্যা আন্ধাৰ হোৱাৰ লগে লগে মিলিটেৰীয়ে পিয়াপিদিয়ে। গৰু সোনকালে আনিবলৈ গ'লে কি হ'ব, লগৰ বিকাশক পাই কথাৰ মহলা মাৰি থাকোতেই পাহৰিলেই। ডেকা ল'ৰা ক'ৰ যে কিমান কথা ওলাই কি পাত্তা। ঘৰ পাই দেখে বুঢ়া বাপেকে মুঢ়া এটা লৈ বাৰাণ্ডাতে বহি আছে। ভনীয়েক পিকুৱে চোতাল সাৰি জাৱৰখিনি গোবৰ খৰাহিটোতে ভৰাইছে। দীপকে খৰধৰকৈ গৰু কেইটা গোহালিত বান্ধি ভিতৰলৈ যাবলৈ লওঁতে পিছফালৰ পৰা বাপেকৰ মাত শুনি উভতি চালে। "দীপক, কালি বোলে গোহাঁই গাঁৱত মিলিটেৰীয়ে ল'ৰা ধৰি নিছে; জা-ন' নেকি কিবা?

"ওঁ, শুনিছো ৰাতি আঠমান বজাত আহি গাঁৱৰ ল'ৰাবোৰক উলিয়াই লৈ গ'ল হেনো। কিছুমানক বৰ বেয়াকৈ পিতিলে। আজি কেইটামান ওলাইছেহি। কিছুমানক এৰি দিয়াই নাই। আজি আলফা ল'ৰা কেইটামান বোলে আমাৰ গাঁৱত সোমাইছে।

-- হয় নেকি?

-- সেই কেইটাক বিচাৰিয়েতো আহিছে।

পিকুৱে জাৱৰখিনি পেলাই বাঢ়নীকোচা খুটা এটাৰ চুকত থৈ আহি কথা কেইষাৰ শুনিলেহি।

"অ' ৰাতিপুৱা চোতাল সাৰি থাকোতে ল'ৰা কেইটামান এইফালে যোৱা দেখিছিলো। মিলিটেৰী গাল আকৌ আমাৰ গাঁৱলৈ আহিলেহে জোখা লাগিব। যিহে সেইগালৰ তেলেকা চকু দেখিলেই ভয় লাগে।

-- "ঐ, পিকু, সেইবোৰ কথা বাদ দে। চাকি-লেম্পবোৰ জ্বলাগৈ। দেউতা ভিতৰলৈ আহক। এইবুলি কৈ দীপকে ঘৰৰ দাঁতিয়েদি পিছফালৰ পুখুৰীটোলৈ ভৰি ধুবলৈ গ'ল। হুমুনিয়াহ এটা কাঢ়ি হাততে মুঢ়াটো লৈ বাপেক ভিতৰলৈ গ'ল। আজি অলপ দিনৰ পৰা মানুহবোৰে ভয়ে ভয়ে দিন কটাবলগীয়া হৈছে। কেতিয়া মিলেটেৰী আহি কাক লৈ যায়, কাৰ পিঠিত ঔ তোলে তাৰ কোনো ওৰাদিহ নাই। গধূলি হোৱাৰ লগে লগে আলিবাটবোৰ শ্মশানৰ নিচিনা নীৰৱ হয়। ডেকা ল'ৰাৰ লেকচাৰ মৰা বৰগছজোপাৰ তলত নবন্ধা গৰু, ছাগলী কেইটাৰ বাদে একো দেখা নাযায়। ৰাতি গহীন হ'লে কেতিয়াবা মিলিটেৰীৰ বুট জোতাৰ মাতত কিছুমানে চক্ খাই সাৰ পাই, কিছুমানে ভয়তে কোঁচ-মোচ খাই শুই থাকে। এইখন গাঁৱত পিছে আজিলৈকে সোমোৱা নাই। ৰাতি গ'লেও কাৰো ঘৰত সোমোৱা

নাই। কিন্তু, কোনেও নাভাবিছিল যে সেইদিনাই সেই কাল নিশাটো আহি উপস্থিত হ'ব।

ৰাতি "ন"মান বাজিছে ছাগৈ। দীপকে কিতাপৰ টেবুলৰ পৰা Political Scienceৰ কিতাপখন পঢ়িবলৈ লৈছিল। ভাত সোনকালে হোৱাৰ বাবে বাপেক শুবলৈ গ'ল। পিকুৱেও কাঁহী-বাতি চপাই থৈ পঢ়িবলৈ কিতাপখন মেলি চাইছে। মেট্রিক দিব এইবাৰ। টেষ্টত Regular কেই পাছ কৰিছে। দুয়োটাই পঢ়াত লাগিল। ৰাতি চিৰ -চিৰণিবোৰৰ বাদে একো শব্দ নাই। হঠাতে দীপকে হুলস্থুল শুনিবলৈ পালে। কুকুৰবোৰে বৰকৈ ভুকিছে। আহ্......... সেইটো কাৰ চিঞৰ? সি পঢ়াৰ পৰা উঠি দুৱাৰৰ ওচৰ পালেহি। সি কাণ থিয় কৰি শুনাত লাগিল। কোনোবাই সিহঁতৰ পদুলিমুখত কিবা কথা পাতি আছে। সি দুৱাৰখন খুলিবলৈ লৈয়ো ৰৈ গ'ল। বুট জোতাৰ গৰপ গৰপ মাত শুনি সি গম পালে সেইবোৰ মিলিটেৰী। সি গৈ ভনীয়েকক ক'লৈগে। বাপেককো জগাই দিলে। ইফালে হুলস্থুলৰ হাম কটাই নাই। বাৰাণ্ডাত বহি থকা সিহঁতৰ ফফৰা কুকুৰটোৱে খুব ভুকিছে। তিনিওটাৰ ভয়তে মুখবোৰ এবাৰ ৰঙা এবাৰ ক'লা হৈছে। "দীপক" সিহঁত সোমাই আহিব পাৰে। তই পিছফালে ইখন গাঁৱলৈ যাগৈ যা। তোক ধৰি নিলে মই কি কৰিম্ বোপাই!

"হয়, দাদা তই বিকাশদা হঁতৰ ঘৰলৈকে যাগৈ। ইহঁতৰ কি বিশ্বাস আছে। দীপকে কি কৰো কি নকৰোকে ইফালে-সিফালে চাই তাৰপাছত সি লাহে লাহে পিছ দুৱাৰেদি ওলাই গ'ল। অলপ সময় নিস্তব্ধ হৈ থাকি ভতোৱাটোৱে বেছিকৈ ভুকিবলৈ ধৰিলে। কেইযোৰমান বুট সিহঁতৰ ঘৰলৈ সোমাই অহাৰ দৰে উমান পালে। বুট কেইযোৰ ওচৰ চাপি আহিল, বাৰাণ্ডাত ভৰি দিছে। ঘোৰুম.......... দৰজাত কাৰোবাৰ ভৰিৰ গোৰ পৰিল।

"দৰজা খোলক" বাপেকে পিকুক ভিতৰলৈ যাবলৈ ক'লে। তাই ভিতৰলৈ যোৱাত বুঢ়াই দৰজা খুলি দিলে।

"ইয়হা কোয়ী আল্ফা হায়"? বুঢ়াক ঠেলা মাৰি মিলিটেৰী তিনিটা ভিতৰলৈ সোমাই আহিল। বুঢ়া লুটি খাই পৰিল। বুঢ়া পৰাৰ পৰা উঠিবলৈ লওঁতেই এটাই পেটত গোৰ মাৰি দিলে। আঃ ইঃ বাপেকৰ মাত শুনি পিকু ৰুমৰ পৰা ওলাই আহিলে। বাপেকৰ অৱস্থা দেখি তাই দৌৰি গৈ সাৱতি ধৰিলেহি। মিলিটেৰী কেইটাই ভিতৰত কোনোবা আছে নেকি চাবলৈ গৈ গোটেইখন গুৰিয়াই শেষ কৰিলে। পাছত তিনিওটা ওলাই আহিল। সিহঁতে ফুচফুচাই কিবা কথা পাতিলে।
— "বৰী খুবচুৰত লড়কী হায়" এটা আগবাঢ়ি আহি পিকুক টানি নিলে। তাই ভয়তে এৰি দিবলৈ কৈ টনা আজোৰা কৰি থাকিল।
"মোৰ ছোৱালীজনীক এৰি দে বোপাইহঁত। তাই তহঁতক একো কৰা নাই। এনেতে এটাই বাপেকৰ গাত গোৰ মাৰি দিলে। "দেউতা" বুলি কৈ তাই বাপেকৰ তাতে ওফাল খাই পৰিলগৈ। তেহেঁতৰ অৱস্থা দেখি তিনিওটাই হাঁহিবলৈ ধৰিলে। তাৰ পাছত দুটাই পিকুক বাপেকৰ ওচৰৰ পৰা টানি লৈ তাৰ পাছত টনা আজোৰা কৰি তাই গাৰ কাপোৰবোৰ ফালি-ছিৰি দলিয়াই দিলে। পিকুৰ অৱস্থা ক্ষুধাতুৰ তিনিটা কুকুৰৰ আগৰ এটুকুৰা ৰুটিৰ দৰে হ'ল। যোল্লটা বছৰ দেহৰ অমূল্য সতীত্বকনো এই কাল নিশাতে শেষ হ'ল। সাক্ষী হিচাপে মাথো চাকিটোৱে নিৰৱে চাই থাকিল। ইফালে দীপকে পিছফালৰ বাঢ়নী পাই অলপ ৰওঁতেই সিহঁতৰ ঘৰৰ ওচৰৰ মনোজ দৌৰি আহি লগ লাগিল।

"ঐ সেই গাল গ'ল নে"?

তহঁতৰ ঘৰত সোমাইছে নেকি? দুৱাৰত গুৰিওৱা যেন পাওঁ। ঘোৰুম কৰি উঠিছিল। সি কাণ পাতি অলপ ৰ'ল। ঘৰৰ পৰা দুৰ হোৱাৰ বাবে একো শুনা নাপালে। হঠাতে পিকুৰ চিঞৰ শুনি সি ঘৰলৈ দৌৰিবলৈ ধৰিলে। ঘৰৰ ওচৰ পাই সি আকৌ কাণ পাতি শুনিলে। একো মাত নাই। পিছ দুৱাৰেদি আন্ধাৰে আন্ধাৰে কোঠাটোলৈ জুমি চালে। সি দেখিলে যে বাপেক মাটিত পৰি আছে। মিলিটেৰী কেইটা থিয় হৈ আছে। হাতত ৰাইফল নাই। সিহঁতৰ অলপ আঁতৰত পিকু উলঙ্গ দেহাৰে মাটিত পৰি আছে। সি আৰু ৰ'ব নোৱাৰিলে। বহি থকা চুকটোতে কুঠাৰখন পাই বলিয়াৰ দৰে মিলিটেৰী কেইটাৰ ওপৰত জঁপিয়াই পৰিল। সিহঁত সাজু হবলৈকে নাপালে। সি ভনীয়েকৰ ওচৰলৈ গৈ "পিকু" বুলি চিঞৰিলে। কিন্তু কোনো সাৰসুৰ নাই। তাইৰ গোটেই দেহতে নৰপশুৰ অত্যাচাৰৰ চিন। বাপেকৰো সাৰসুৰ নাই। সি গম পালে তাৰ আৰু একো নাই। সকলো কাঢ়ি নিলে এই কালনিশাটোৱে। সি বাহিৰত অসংখ্য বুটৰ মাত শুনিবলৈ পালে। সি কুঠাৰখন পেলাই পিছ দুৱাৰেদি বাহিৰলৈ দৌৰিবলৈ ধৰিলে। দৌৰিছে মাথো দৌৰিছে। মনত লৈ বহুতো ক্ষোভ আৰু বিদ্ৰোহৰ অগ্নি কি দোষ কৰিছিল তাৰ বুঢ়া বাপেকে, কি দোষ কৰিছিল তাৰ এই মৰমৰ ভনীয়েকে; সি প্ৰতিশোধৰ অগনিকুৰা লৈ মাথো দৌৰিছে আকাশত তেতিয়া কিছুমান কলীয়া ডাৱৰে আৱৰি ধৰিছে। সেইবোৰ আঁতৰাব লাগিবই। কাইলৈ বাতৰি কাকতত হয়তো প্ৰথম পৃষ্ঠাতে ওলাব তিনিজন মিলিটেৰীক মাৰি দুৰ্দ্ধৰ্ষ উগ্ৰপন্থী দীপক বৰুৱাৰ পলায়ন। কিন্তু কেনেদৰে, কি পৰিস্থিতিত সিহঁত মৰিল নিলিখে, লিখিব দীপকলৈ গুলিয়াওঁতে তাৰ দেউতাক আৰু ভনীয়েক নিহত হ'ল। উপায়হীন হৈ দীপক হৈ পৰিল উগ্ৰপন্থী। মানুহৰ চকুতেই হওঁক বা সঁচাকৈই হওঁক। ক'ৰবাৰ গুলিয়াগুলিত দীপক মৰিও যাব পাৰে। তথাপি মনত এটা সন্তুষ্টি ভাব লৈয়েই সি মৰি যাব। সি এতিয়া বিপ্লৱী। সি বিপ্লৱ কৰিছে দেশৰ কাৰণে, দহৰ কাৰণে আৰু তাৰ মনৰ কাৰণে, তাৰ দেউতাক-ভনীয়েকৰ হত্যাৰ চকুত জিলিকি থকা প্ৰতিশোধৰ কাৰণে।■

● *লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী*

# বালিঘৰ



**গায়ত্ৰী দত্ত**

বহুত দিনৰ পাছত হঠাতে এদিন গুৱাহাটীৰ পৰা শিৱসাগৰলৈ অহা বাটত লগ পালে অনামিকাই তাইৰ সহপাঠী অৱন্তীক। সময় যে কি নিষ্ঠুৰ। প্ৰাণ চঞ্চলা ছোৱালীজনী আজি নিৰ্বাক।

মনত পৰিলে আজিও মন প্ৰাণ সিঁয়ৰি উঠে, সেই সুখী পৰিয়ালটোৰ এক হৃদয় বিদাৰক কাহিনী......। অৱন্তী আৰু প্ৰণৱ নামৰ এহাল সুখী দম্পতীৰ এখন সুখৰ সংসাৰ। অৱন্তী এগৰাকী অধ্যাপিকা আৰু প্ৰণৱ এজন অধিবক্তা। তেওঁলোকৰ কলেজীয়া জীৱনতে মনৰ মিলন হৈ প্ৰেমত পৰিণত হোৱা সমন্ধই সামাজিক ভাৱে স্বীকৃতি পাইছিল দুবছৰৰ আগতে। আনন্দ উল্লাসৰ মাজেৰে ক্ৰমে আগবাঢ়িছিল তেওঁলোকৰ সুখৰ সংসাৰ। অসমীয়া বিভাগৰ অধ্যাপিকা অৱন্তী দত্ত ছাত্ৰ-ছাত্ৰীবোৰৰো বৰ শ্ৰদ্ধাৰ আছিল। আনফালে অৱন্তীৰ স্বামী প্ৰণৱ দত্ত আছিল এজন নিৰ্ভীক, সত্যবাদী আৰু স্পষ্টবাদী অধিবক্তা। তেওঁলোকৰ সুখৰ সংসাৰ অধিক মধুৰ কৰি তুলিছিল অৱন্তীৰ অন্তঃসত্বাৰ খবৰে। সেইখিনি সময়ত প্ৰণৱে বহু ব্যস্ততাৰ মাজতো অৱন্তীৰ প্ৰতি থকা দায়িত্বৰ কোনো ত্ৰুটি ৰখা নাছিল। দুয়ো ব্যস্ত তৃতীয় জনক আদৰণি জনোৱাত। আহিব লগা নতুন আলহীজনক লৈ অৱন্তী আৰু প্ৰণৱৰ কিমান যে সপোন..........। তেওঁ বা দেখিবলৈ কাৰ নিচিনা হয়, তেওঁৰ নামটো কি থ'লে ভাল হব বা তেওঁ ভৱিষ্যতে কি হব বিচাৰিব ইত্যাদি কিছুমান অলীক কল্পনা। অৱশেষত অপেক্ষাৰ অন্ত পেলাই এটি সু-দিনত অৱন্তীৰ কোলা শুৱনি কৰিলেহি কনমানি প্ৰিন্সে।

মাটিত থ'লে পৰুৱাই খায় আৰু মূৰত থ'লে ওকনিয়ে খোৱাৰ নিচিনাকৈ প্ৰিন্সক কেন্দ্ৰ কৰি কেতিয়াবা দুয়োৰে মাজত তৰ্কবো সৃষ্টি হৈছিল। অৱশ্যে তৰ্কৰ বিষয় আন একো নাছিল, আছিল মাথো তেওঁলোক কোনজনে প্ৰিন্সৰ লগত বেছি সময় কটাব আৰু কোনজনে প্ৰথমে শোৱাপাটীৰ পৰা তুলি আনিব পাৰে।

তাক লৈ কেতিয়াবা প্ৰতিযোগিতাৰো সৃষ্টি হয়। ইয়াৰ ওপৰিও অৱন্তীয়ে প্ৰণৱৰ অনুৰোধত প্ৰিন্সৰ লালন পালনত ব্যাঘাত জন্মিব বুলি তেওঁ অধ্যাপিকা পদৰ পৰা ইচ্ছাকৃতভাৱে পদত্যাগ কৰিলে।

কিন্তু...... নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস! অৱন্তীৰ সুখৰ সংসাৰ বেছিদিন সুখৰ হৈ নাথাকিল। কথাতে কয় নহয় 'মনুষ্যৰ সুখ হ'লে দেৱতাৰো চকু পোৰে'। কথাষাৰে বাস্তৱ ৰূপ দিলে। সেইদিনা আছিল প্ৰণৱ আৰু অৱন্তীৰ 2nd Marriage Anniversary. আগদিনাৰে পৰা প্ৰণৱে অৱন্তীক জোৰ দি আছিল, বাহিৰত গৈ সেই দিনটো উপভোগ কৰাৰ বাবে। অৱন্তীয়ে কণমানি প্ৰিন্সক বাহিৰলৈ নিবলৈ অমান্তি হোৱাত প্ৰণৱে অকলেই ওলাই গৈছিল বজাৰলৈ। উদ্দেশ্য আছিল অৱন্তীলৈ উপহাৰ অৰ্ডাৰ দি থোৱা Anniversaryৰ কেকটো। অনাৰ অৱন্তী বা প্ৰণৱ দুয়োজনেই হয়তো সপোনতো কল্পনা কৰা নাছিল, সেই দেখাই যে তেওঁলোকৰ শেষ দেখা হ'ব। মাত্ৰ কেইঘণ্টামানৰ পাছতেই অৱন্তীয়ে টি.ভিৰ স্কিনত এটা গুলিবৃদ্ধ তেজেৰে লুতুৰি-পুতুৰি মৃতদেহ দেখা পালে। সেইয়া প্ৰণৱৰ বাদে আন কোনো নহয়। অৱন্তীৰ সমস্ত ঘটনাটো নাটক যেন লাগিল। তাই চাৰিওফালে অন্ধকাৰ দেখিলে। উশাহ-নিশাহবন্ধ হোৱাৰ উপক্ৰম হ'ল। কান্দি কান্দি লেবেজান হৈ পৰিল। ইফালে কনমানি প্ৰিন্সে ভোকে পিয়াহে কাতৰ হৈ ৰাওচি জুৰি কান্দিবলৈ ধৰিলে।

চাকৰিসূত্ৰে টাউনৰ ভাড়াঘৰত থকাৰ বাবে সিহঁতৰ ওচৰত বিপদৰ সময়তো আত্মীয় এজন নাছিল। ঘটনাৰ খবৰ পাই ওচৰৰ প্ৰতিবেশী আহি অৱন্তী আৰু প্ৰিন্সলৈ সহায়ৰ হাত আগবঢ়ালে। কিছুসময়ৰ পাছত প্ৰণৱৰ নশ্বৰ দেহ আনি আগফালৰ চোতালত শুৱাই দিয়া হ'ল। অ'তপৰে অজ্ঞান হৈ থকা অৱন্তীয়ে প্ৰণৱক দেখাৰ লগে লগেই দৌৰি গৈ মৃতদেহটোৰ ওপৰত পৰি কান্দি কান্দি তাইক অকলশৰে এৰি যোৱাৰ ক্ষোভ উজাৰিবলৈ ধৰিলে। সেই দৃশ্যই তাত উপস্থিত থকা সকলোকে কন্দুৱাই পেলালে। আত্মীয় স্বজনে প্ৰণৱৰ সৎকাৰ কৰিলে।

ইতিমধ্যে পুলিচে প্ৰণৱৰ হত্যাৰ তদন্ত চলাই হত্যাকাৰীক কৰায়ত্ব কৰিবলৈ সক্ষম হ'ল।

এফালে স্বামীহীনা এগৰাকী নাৰী আনফালে এটি ফুল কুমলীয়া শিশুৰ এগৰাকী অসহায় মাতৃ। অনিচ্ছা স্বত্বেও অৱন্তীয়ে এই সত্যক স্বীকাৰ কৰিবই লাগিব যে বৰ্তমানৰ পৰা প্ৰিন্সৰ দায়িত্ব তাই অকলেই বহন কৰিব লাগিব। অৱন্তীয়ে নিজকে সান্ত্বনা দি প্ৰিন্সৰ মুখলৈ চাই ঘটি যোৱা ঘটনাবোৰ পাহৰিবলৈ চেষ্টা কৰিছে। মাত্ৰ দুমহীয়া কেঁচুৱা প্ৰিন্সে দেউতাকৰ বিষয়ে একোৱেই নাজানিছিল। ক্ৰমান্বয়ে প্ৰিন্স ডাঙৰ হৈ আহিল। মাক-দেউতাকৰ দৰে সিয়ো আছিল মেধাৱী আৰু বাধ্য সন্তান। প্ৰণৱৰ অনুপস্থিতিত অৱন্তীয়ে প্ৰিন্সক মাক আৰু দেউতাক দুয়োৰে মৰম দি ডাঙৰ কৰিছিল। প্ৰিন্সে ক্ৰমান্বয়ে মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰী আৰু স্নাতক মহলা সুখ্যাতিৰে অতিক্ৰম কৰিলে। সিয়ো দেউতাকৰ দৰে এজন অধিবক্তা হোৱাৰ সপোন পুহি ৰাখিছিল সৰুৰে পৰা। কিন্তু অৱন্তীয়ে পুতেকৰ সেই সিদ্ধান্ত মানি লব পৰা নাছিল। কিয়নো এই বৃত্তিৰ জৰিয়তে হোৱা শত্ৰুতাৰ পৰিণতি স্বৰূপে তাই বুকুৰ আপোন প্ৰণৱক হেৰুৱাইছিল। অৱশেষত পুতেকৰ নেৰানেপেৰা অনুৰোধত অৱন্তী অনিচ্ছা স্বত্বেও মান্তি হৈছিল। এদিন সঁচাকৈয়ে প্ৰিন্সৰ সপোন দিঠকত পৰিণত হ'ল। সি দেউতাকৰ দৰেই এজন অধিবক্তা হ'লগৈ।

ইতিমধ্যে প্ৰিন্সৰ বিবাহৰ উপযুক্ত সময় আহি পালে। অৱন্তীয়ে পুতেকক বিয়াৰ কথা কোৱাত সি ইমান সোনকালে বিয়াত নবহাৰ বিভিন্ন কাৰণ দৰ্শালে। তেতিয়া অৱন্তীয়ে তাইৰ অকলশৰীয়া, আমনিদায়ক নিঃসঙ্গ মুহূৰ্ত্তবোৰৰ কথা আৰু তাইৰ ক্ৰমান্বয়ে হ্ৰাস পাই অহা শাৰীৰিক শক্তিৰ কথা কৈ প্ৰিন্সৰ আগত আপত্তি কৰিলে। কথাৰ মাজত অৱন্তীয়ে পুতেকক তাৰ পচন্দৰ ছোৱালী কোনোবা আছে নেকি সোধাত; সি কৰ্টলৈ অহাযোৱা কৰোঁতে প্ৰায়ে বাছত লগ পোৱা প্ৰিয়ম নামৰ শান্ত, গহীন আৰু মৰমলগা ছোৱালীজনীৰ কথা ক'লে। তেতিয়া অৱন্তীয়ে অতি সোনকালে প্ৰিয়মৰ ঘৰত গৈ তাইক বিয়াৰ প্ৰস্তাৱ দিয়াত প্ৰতিশ্ৰুতি দিলে। প্ৰিন্সে মনে মনে বৰ ভাল পালে। আবেগ আৰু আনন্দত সি মাকক সাৱতি ধৰিলে আৰু ক'লে "মা তুমি সঁচাই অদ্বিতীয়"। অৱন্তী ও ক্ষন্তেক সময়ৰ বাবে আবেগিক হৈ পৰিল। তাই প্ৰণৱৰ অনুপস্থিতি বাৰুকৈয়ে অনুভৱ কৰিলে তাইৰ ভাব হৈছে— "যদি আজি প্ৰণৱ জীয়াই থাকিলেহেঁতেন।" কথাবোৰ সুঁৱৰি তাইৰ দুচকুৰে দুধাৰি চকুলো বৈ আহি পুতেকৰ গাত পৰিলত, সি গম পালে মাকৰ মনৰ ভিতৰত বৰ্তমান কিহৰ দুখে বাৰে বাৰে খুন্দিয়াইছে। প্ৰিন্সে মাকক বুজালে, চোৱা মা এইটো তোমাৰ জ্ঞাত যে মানুহ মৰণশীল। তথাপি আমি মানুহবোৰে ভাল লগাজন বা আপোনজনক হেৰুৱাব নোখোজো বা হেৰুৱাই বৰ কষ্ট পাওঁ। কিন্তু ই যে চিৰসত্য। 'জন্ম হ'লে মৃত্যু অনিবাৰ্য' আমাৰ দেউতা এজন সৎ অন্তৰৰ ব্যক্তি আছিল বুলি তোমাৰ মুখৰ পৰাই সৰুৰে পৰা শুনি আহিছো। পবিত্ৰ অন্তৰৰ মানুহ ভগৱানৰ অতিকৈ প্ৰিয়। সেইবাবে ভগৱানে দেউতাক এই বেমেজালিৰ পৃথিৱীৰ পৰা নিৰাপদ স্থানলৈ লৈ গ'ল। পুতেকৰ বুজনিয়ে অৱন্তীৰ মন শান্ত কৰিলে।

এটা সপ্তাহৰ পাছত অৱন্তী আৰু প্ৰিন্স গৈ প্ৰিয়মৰ ঘৰত উপস্থিত হ'লগৈ। জৰাজীৰ্ণ এটা ঘৰত দেউতাক আৰু মাহীমাকৰ তিনিটা ল'ৰা-ছোৱালীৰ ৰখীয়া ও মদাহী বাপেকৰ লগতে ঘৰৰ দায়িত্ব পালন কৰা প্ৰিয়মৰ জীৱন বৃত্তান্ত আৰু মাহীমাকৰ অত্যাচাৰৰ কথা শুনি অৱন্তীৰ মনটো সেমেকি উঠিল। অৱন্তীয়ে পুতেকৰ লগত আলোচনা কৰি আৰু ঘৰৰ মতামত লৈ সেইদিনাই প্ৰিয়ম আৰু প্ৰিন্সৰ বিয়া মন্দিৰত পাতি দিলে। ঘৰলৈ আনি ন-বোৱাৰীক অৱন্তীয়ে ছোৱালী নথকা ঘৰখনত সেই অভাৱ দূৰ কৰি তাইক জীয়েকৰ মৰ্যদা দিলে। অৱন্তীৰ জীৱনত দুখ যেন এক প্ৰাচীৰ আৰু সুখ ক্ষন্তেকীয়া।

বিয়াৰ উলহ মালহৰ মাত্ৰ দুটা দিন পাৰ হৈছে। এনেতে অৱন্তীৰ জীৱনলৈ দ্বিতীয়টো কাল সন্ধ্যা নামি আহিল। অৱন্তীৰ হিয়াৰ আমঠু প্ৰিন্স আৰু প্ৰিয়মৰ শিৰৰ ৰঙা সেন্দুৰ নিমিষত নিঃশেষ হৈ গ'ল। ঘটনাটো ঘটিল বিয়াৰ দ্বিতীয় নিশা। প্ৰিন্স হৃদৰোগত আক্ৰান্ত আছিল আৰু সেই কথা অৱন্তীৰ জ্ঞাত নাছিল। সেইদিনা ৰাতি ধৰফৰাই থকা প্ৰিন্সক দেখি প্ৰিয়মে চিঞৰ-বাখৰ লগালে। তেনেতে অৱন্তীয়ে কি হ'ল বুলি আহি চাই দেখে প্ৰিন্সে বিকট চিঞৰ এটা মাৰি বিচনাত চট্‌ফটাই আছে আৰু মুখেৰে কিবা এটা কব বিচাৰিছে কিন্তু পৰা নাই। অৱন্তীয়ে তৎক্ষণাত 108 লৈ ফোন কৰি মাতি আনি হস্পিতাললৈ নি থকা অৱস্থাত আধাবাটতে প্ৰিন্সৰ মৃত্যু হ'ল। মাতৃৰ হৃদয় উদং কৰি প্ৰিন্স গুচি গ'ল বহু দূৰণিলৈ। অৱন্তী পাগলৰ দৰে হ'ল। দুদিনৰ আগতে বিয়া হৈ অহা ন-কইনাজনীৰ পূৰ্ণিমাৰ জোন যেন মুখখনত বৈধব্যৰ উকা সাজটোৱে নিমিষতে অমানিশা কঢ়িয়াই আনিলে। ঘটনাৰ কিছুদিনৰ পাছৰ পৰা মাহ-হালধীৰ গোন্ধ নোযোৱাকৈয়ে বিধৱা হোৱা প্ৰিয়মক অৱন্তীৰ অশেষ বুজনিয়েও দ্বিতীয় বিবাহৰ বাবে সৈমান কৰাব নোৱাৰিলে। প্ৰিয়মে তাইৰ সাংসাৰিক জীৱনৰ ক্ষন্তেকীয়া স্মৃতিকে সাক্ষী কৰি জীৱনৰ বাকী থকা সময়ছোৱা পাৰ কৰিব বুলি প্ৰতিজ্ঞা কৰিলে।

এগৰাকী স্বামীহীনা, পুত্ৰহীনা অভাগিনী মাতৃক প্ৰিয়মে অকলশৰীয়া কৰিব নোৱাৰে। তাই সংকল্প ল'লে যে তাই নিজৰ জৰিয়তে অৱন্তীক সন্তানৰ সুখ দিব। নিয়তিয়ে নিষ্ঠুৰ ভাৱে কাঢ়ি নি উকা কৰা মাতৃ হৃদয়খন প্ৰিয়মে কন্যা সন্তান ৰূপে পূৰণ কৰিব। হাজাৰ দুখ নেওচি হ'লেও এগৰাকী মাতৃৰ বাবে তাই সংগ্ৰাম কৰিব আৰু সেই সংগ্ৰাম হব জীৱন সংগ্ৰাম জীয়াই থকাৰ সংগ্ৰাম।

গোটেই বাটটো অনামিকাই, অৱন্তীৰ কথা বোৰকেই ভাবি আহিলে। কিহৰ বাবে নিয়তিয়ে এনে প্ৰতিশোধ ল'লে। বাছ আহি শিৱসাগৰ পোৱাতহে অনামিকাৰ ভাৱনাৰ ছাঁয়া ছবিখন স্তব্ধ হ'ল। অৱন্তী কেতিয়ানো টিয়কতে নামি গ'ল গমেই নাপালে। ইছ্ ৰাম তাই ছাঁগে কি ভাবিছে তাইৰ দুখৰ দিনটো মাত এষাৰো দিব নোৱাৰিলোঁ আৰু এতিয়া লগ পায়ো একো কথা তাইৰ করুণ মুখখন দেখি সুধিব নোৱাৰিলো।

মোৰ ভাৱনাত আউল লাগিল। ৰিক্সা এখন মাতি ময়ো মোৰ অকলশৰীয়া ভাড়া ঘৰটোলৈ পোনাই দিলো। কিজানিবা প্ৰণৱৰ স্মৃতিয়ে মোৰো হেপাহৰ বালিঘৰটো উটুৱাই নিয়ে। প্ৰণৱে মোক বিয়া নকৰালে কি হ'ল— তথাপি মোৰ প্ৰেৰণাৰ উৎস।■

*● লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী*



# আকৌ নতুন প্ৰভাত হ'ব

মণিকা বৰদলৈ

এইকেইদিন সিহঁতৰ ঘৰখনৰ লগতে আত্মীয়-স্বজনৰো উৎকণ্ঠা আৰু ব্যস্ততাৰ অন্ত নাই। তাইক লৈয়েই এই সকলোবোৰ ব্যস্ততাআৰু উৎকণ্ঠা। তেওঁলোক প্ৰত্যেকেই উদ্‌গ্ৰীৱ হৈ পৰিছে তাইৰ মুখৰ এটি বাক্য শুনিবলৈ। তাই চিন্তিত হৈ পৰিছে, দুই নাৱত দুই ভৰি, এফালে ঘৰখনৰ চিন্তা, আনফালে তাইৰ জীৱনৰ চিন্তা। ক্লাছৰুমত শিক্ষকে পঢ়াই থকাৰ মাজতে কিবা প্ৰশ্ন সুধিলে উত্তৰটো জানিলেও ক'বলৈ সাহসৰ অভাৱ লগতে হয় নে নহয় তাক ভাবি সংশয় কৰি উত্তৰ নিদিয়াকৈ তললৈ মুৰ কৰি থকা এগৰাকী বাধ্য ছাত্ৰীৰ দৰেই হৈছে তাইৰ অৱস্থা।

টেঙা আমক মিঠা আম বুলি কৈ বিক্ৰী কৰা আমকেইটা ঘৰলৈ আনি টেঙা সোৱাদ পাই ঠগ খোৱাৰ পাছত সেই বেপাৰীটোৰ লগতে গোটেই আমৰ বেপাৰীবোৰৰ প্ৰতি এক অনীহা আৰু অবিশ্বাসৰ ভাৱ গঢ় লৈ উঠাৰ দৰে আজিকালি এই ল'ৰাবোৰ দেখিলেও তাই ঘৃণা, ক্ষোভ, খং আৰু অবিশ্বাসত নাক কোঁচ খাই আহে। বাহিৰলৈ ওলাই গ'লেই দেখিবা কোনটো উদণ্ড ডেকাই উৰুৱাই নিছে তাৰ নতুন মডেলৰ বাইকখন, কোনোটোৱে কাণত অলসভাৱে লগাই নিছে ন'কিয়া, এল.জি, স্পাইচ, চেমছাং ইত্যাদি নামী-দামী কোম্পানীৰ ম'বাইল কিম্বা এৰফ'ন মুখত মৃদু হাঁহি লৈ একান্তমনে, আকৌ কোনোটোৰ মুখত অশ্লীল বাক্য, কিছুমান লগ হৈছে তিনিআলি-চাৰিআলিৰ শিখৰ, ৰজনীগন্ধাৰ মৰমৰ আকাৰত, কোনো-কোনোৱে চুকৰ পাণ, ছিগাৰেটৰ দোকানত লুকাই-চুৰকৈ ধোঁৱাৰ কুণ্ডলী পকাই ছিগাৰেটত হুপা দিছে 'ফিল্মী ষ্টাইল'ৰ সুন্দৰ ইমেজত, যেন কেন্সাৰৰ বাহকক নহয়, অমৰত্বৰ অমৃত সুধাহে সেয়া............

তাইৰ অন্তৰখন হাঁহাকাৰ কৰি উঠে, বিদ্ৰোহী হৈ উঠে তাই সিহঁতৰ প্ৰতি, পুতৌ জন্ম হয়, কিয় ইমান কোমল, নিষ্পাপ মনবোৰ, হৃদয়বোৰ ইমান উশৃংখল হৈ উঠিছে, কোন দিশে গতি কৰিছে সিহঁতৰ ভৱিষ্যতবোৰ, কাইলৈৰ দেশৰ নাগৰিক বুলি আশা কৰা ইহঁতে এবাৰো চিন্তা কৰিছেনে দেশৰ কথা, সমাজৰ কিম্বা ঘৰৰ কথা! জীৱনটোক জীৱন বুলি লৈছেনে ইহঁতে। তাই দেখিছে সৌ সিদিনা আদিত্যৰ কাণ্ডৰ কথা। সন্তানক প্ৰতিযোগিতাৰ দৌৰত দৌৰাবলৈ কি কৰা নাই মাক-দেউতাকে। দামী ব্ৰেণ্ডেড কোম্পানীৰ বস্তু নহ'লে নচলা আদিত্যক টিউচনৰ ওপৰত টিউচন দিয়াৰ পাছতো কোনোমতে মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰী উত্তীৰ্ণ হৈ বাহিৰত পঢ়িবলৈ নপঠোৱাৰ বাবেই মাক-দেউতাকৰ লগত অভদ্ৰামি, প্ৰতিবাদ

কৰি সোমাই থাকিব বন্ধ কোঠাত নোখোৱাকৈয়ে, মাত-বোল নকৰাকৈয়ে গোটেই দিন। যি মাক-দেউতাকে পুত্ৰই কষ্ট পাই বুলি ভাবি তাৰ সৰু সৰু কথাতো নজৰ দিয়ে সেই পুত্ৰই কিদৰে এনেদৰে কব পাৰে, দুখ দিব পাৰে অন্তৰত! বৰুৱাই বুকুৰ একোণত তীব্ৰ বিষ অনুভৱ কৰিলে।

মৃণাল, অতি শান্ত-শিষ্ট দেখাত, মেধাৱীও। সি হেনো সংগদোষৰ বলি হ'ল। নিজৰ বিবেচনা শক্তি নোহোৱা মৃণাল গাঁৱৰ লগৰ ল'ৰাবোৰৰ উচটনিত পৰি গাঁৱৰ তিনিআলি, চাৰিআলিৰ দোকানৰ কাষে কাষে আড্ডাত মচগুল হৈ থাকে। স্কুল ছুটি দিয়াৰ সময়ত য'তেই নাথাকক গোটেইজাক ওচৰৰ হায়াৰ ছেকেণ্ডাৰী স্কুলখনৰ ওচৰত বৈ ছোৱালীবোৰক ভালে-বেয়াই নানা কমেণ্ট দিয়ে; যেন সৃষ্টিকৰ্তাই সেই কামৰ বাবেহে সিহঁতক পৃথিৱীলৈ পঠাইছে। দিন-ৰাতি ম'বাইলতে ব্যস্ত থকা মৃণালে এদিন বহাগ বিহুৰ ফাংচনৰ পৰাই এজনীক পলুৱাই ঘৰ সোমোৱালেহি। এতিয়াও তাৰ ওপৰত তাৰ বায়েক আৰু ককায়েক অবিবাহিত। দেউতাকৰ ওপৰত এতিয়াও আৰামেৰেই চলি আছে। কিন্তু ভৱিষ্যতে ৰাজনীলক এখন বাইক লাগে। লগৰ বেছিভাগৰে বাইক আছে। হায়াৰ ছেকেণ্ডাৰী প্ৰথম বৰ্ষৰ একমাত্ৰ মৰমৰ পুত্ৰৰ কথাক আওকান কৰিব নোৱাৰি এখন বাইক আনি দিয়া হ'ল। দুদিনমানৰ পাছৰপৰাই তাক ঘৰত পাবলৈয়েই দিগদাৰ হ'ল। এদিন বাতৰি কাকতত ওলাল "বাইক দুৰ্ঘটনাত কিশোৰৰ মৃত্যু"।

এইবোৰ দেখি, ভাবি তাই হৃদয়খনত বৰ কষ্ট অনুভৱ কৰে, পুতৌ হয়, সিহঁতৰ প্ৰতি। সকলোবোৰ ঠিকেই আছিল। তাই এইবোৰ কথা আগতে কেতিয়াও ভবা নাছিল নাইবা হৃদয়ঙ্গম কৰাৰ প্ৰয়োজনবোধো নাছিল হয়তো। কিন্তু যেতিয়াৰে পৰাই তাই সপোন দেখিছিল তাৰ পাছৰপৰাই তাইক এইবোৰ বৰ আমনি কৰিছিল।

সৃষ্টি, সৰুৰেপৰা কঠোৰ শাসন, নীতি-নিয়ম আৰু নৈতিকতাৰ মাজত ডাঙৰ হোৱা সৃষ্টিৰ ঘৰখনত যথেষ্ট সুস্থ বাতাবৰণ আছে। মাক-দেউতাকে উপযুক্ত নৈতিক শিক্ষাৰে শিক্ষিত কৰি তোলাত ত্ৰুটি কৰা নাই কোনোদিন। সদায় অন্যায় অবিচাৰৰ বিৰুদ্ধে যাবলৈ শিক্ষা দিয়া দেউতাকে নীতিশিক্ষাৰ বাবে পঢ়ুৱাইছে, বুজাইছে 'ঈছপৰ সাধু' কিদৰে বগলীটোৱে শিয়ালক ঠগিবলৈ গৈ নিজেও ঠগ খাইছিল। কিন্তু সিহঁতক কোনোদিন দিয়া নাই প্ৰতিশোধৰ শিক্ষা। সিহঁতক দেউতাকে বুজাইছিল- যদি হিংসাক হিংসাৰে, অন্যায়ক অন্যায়েৰে প্ৰতিশোধ লবলৈ যোৱা হয় তেতিয়া তোমাৰ শত্ৰু বাঢ়িবহে, শত্ৰুক মৰমেৰে, অন্যায়ক ন্যায়েৰে, হিংসাক অহিংসাৰে দমন কৰিব পৰাতেই লুকাই থাকে জীৱশ্ৰেষ্ঠ মানৱৰ মানৱীয় গুণ।

ঘৰৰ শাসনৰপৰা মুক্ত হ'লেও তাই অযুক্তিকৰ, ঘৰৰ মানুহৰ বিশ্বাস ভঙাৰ কাম কৰিবলৈ সংকোচবোধ কৰা সৃষ্টি আনৰ দৰেই সেই সময়খিনি একান্তই ব্যক্তিগতভাৱে লৈ সপোনৰ আমেজত নিদ্ৰামগ্ন হ'ল। সপোনবোৰ আঁতৰি আহিব বিচাৰিও ক্ৰমশঃ সপোনটো তাইৰ নিদ্ৰাৰ সংগী হৈ পৰিল। সপোনৰ ওচৰত তাই হাৰ মানিলে। সুন্দৰ, মিঠা সপোনটোত তাইৰ বিশ্বাসে গঁজালি মেলিলে। কিন্তু ক'ত জানো তাই শুনিছিল সপোনবোৰ হেনো সপোন হৈ নাথাকে সদায়। তাইৰ সপোনটোও এদিন থানবান হৈ গুছি গৈছিল তাইৰ স্বপ্ন ভাঙি কাৰোবাৰ স্বপ্নৰ সংগী হ'বলৈ। তাই বেয়া পোৱা নাছিল, দুখো নকৰিছিল সপোন হেৰাই যোৱাত। কিন্তু তাইৰ সপোনটো বাস্তৱৰ লগত মিল নথকাতহে তাই দুখ পাইছিল। দুখ পাইছিল বিশ্বাসবোৰ ভাগি যোৱাত। তাই ভাবিছিল তাইৰ সপোন আনতকৈ বেলেগ আছিল। তাই নাজানে সপোন তাইৰ প্ৰিয় আছিল নে নাই, কিন্তু তাই সপোনক বিশ্বাস কৰিছিল ব....হু....ত। সপোনৰ প্ৰকৃত স্বৰূপ দেখি তাই সপোনৰ প্ৰতি মোহ জন্মিছিল। কিন্তু সেই সপোনো হেনো এদিন বাস্তৱৰ ওচৰত হাৰ মানিছিল- ঠিক সাধুৰ বগলীটোৰ দৰেই............।

সেই তেতিয়াৰে পৰাই এতিয়ালৈকে তাই বিশ্বাসৰ ঠিকনা কোন কাহানিবাই হেৰুৱাই পেলালে। মাথো কঢ়িয়াই ফুৰিছে ঘৃণা। তাই জানে সপোনৰ দৰেই নহয় সকলোবোৰ। কিন্তু তাইৰ মনটোৱে মানি ল'ব নিবিচাৰে। তাই আজি জীৱনৰ আটাইতকৈ জটিল সিদ্ধান্তটো ল'বলৈ আগবাঢ়িছে। তাইৰ ঘৰত তাইৰ বিয়াৰ কথা পাতিছে। সকলোবোৰ ঠিক হৈছে, বাকী আছে মাথো তাইৰ মতামত। তাই ভাবিছে জীৱনটোক যদি আমি ভালদৰে চাবলৈ শিকো, বুজিবলৈ শিকো, উপলব্ধি কৰো সহৃদয়তাৰে নিশ্চয় জীৱন সুন্দৰ হৈ উঠিব। এৰা জীৱনক সজাবৰ বাবে বিশ্বাস, অনুপ্ৰেৰণা, সহযোগিতাৰ প্ৰয়োজন। এনেদৰেই তাইক বুজিছে, বুজিবলৈ চেষ্টা কৰিছে। এনেদৰেই আৰু তাই কিমান কটাব। কিন্তু এটা প্ৰশ্নবোধক সংশয়ে তাইক আমনি কৰিছে। পাৰিবনে বিশ্বাসক ঘূৰাই আনিব সিহঁতৰ মাজলৈ। নিশ্চয় পাৰিব, পাৰিবই লাগিব কিয়নো জীৱনৰ বাবে বিশ্বাসৰ বৰ প্ৰয়োজন আৰু বিশ্বাসেই জীৱন। বিশ্বাসৰ বাবেইতো জীয়াই আছে সম্বন্ধৰ স্ৰোত অবিৰাম..........

মাজনী এইফালে আহচোন। তোৰ লগত কথা এটা আছে।

মাকে তাইক মাতিছে। তাই আৰু বেছিকৈ চিন্তা নকৰে। তাই জীৱনটোক পুনৰ জীপাল কৰি সজাবলৈ চেষ্টা কৰিব। তাই ইতিমধ্যে সিদ্ধান্ত লৈ পেলালে। সুৰুযৰ হেঙুলি কিৰণ আহি তেতিয়া তাইৰ খিৰিকীত ভুমুকি মাৰিছেহি..........

- আকৌ নতুন প্ৰভাত হ'ব.........■

*• লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ অৰ্থনীতি বিভাগৰ ছাত্ৰী*

# প্ৰভাতী সূৰুয

নীহাৰীকা ফুকন



অসমৰ এখন ভিতৰুৱা গাওঁ আঁহতগুৰি। এই আহঁতগুৰিলৈ সুদীৰ্ঘ সময়ৰ বিৰতিৰ পাছত জোনাকী অৰ্থাৎ সকলোৰে পৰিচিত বাসৱী উভতি আহিছে। গাঁৱৰ নিৰিবিলি পৰিবেশৰ পৰা, পথাৰৰ বোকা-পানীৰ সুবাস, সেউজবুলীয়া চৌপাশ, নিয়ৰৰ পদূলিত শেৱালিৰ দলিচাৰ মনোৰম সজীৱ পৰিবেশৰ পৰা আঁতৰি থকা জোনালীয়ে এই নয়নাভিৰাম দৃশ্যৰাজিৰ পুনৰ সুবাস ল'বলৈ উভতি আহিছে আপোন গাঁৱলৈ।

জোনালী অৰ্থাৎ বাসৱী বৰুৱা অসমৰ এগৰাকী বিশিষ্টা লেখিকা। জীৱনৰ ৪৭টা বসন্ত ঘাত-প্ৰতিঘাতৰ মাজেৰে অতিক্ৰম কৰি আজি বাসৱী বৰুৱা জীৱন সম্পৰ্কে অভিজ্ঞ হৈ পৰিছে আৰু অৱসৰৰ কিছু সময় শৈশৱৰ উমাল শেতেলীত পাৰ কৰাৰ মানসেৰে বাসৱী বৰুৱা নিজৰ গাঁৱলৈ উভতি আহিছে.....। দীঘলীয়া যাত্ৰাৰ পথত অনুভৱবোৰে কক্‌বকাই থাকে তেওঁ অভ্যাসবশতঃ এটা কলম আৰু এখন বহীৰ লগতে কেইখনমান আলোচনী লগত ৰাখে। কিন্তু আজি বাসৱী বৰুৱাৰ মন ৰিঙা ৰিঙা লাগিছে। তেওঁৰ অনুভৱবোৰে শৈশৱলৈ ঢাপলি মৈলিছে, অদূৰত দেখিছে এখন গাঁও নাম আঁহতগুৰি। জীৱনৰ প্ৰথম পুৱাতেই এই গাঁৱৰ কেচামাটিৰ সুবাস লৈ চকু মেলিছিল জোনালীয়ে। আদৰ্শ শিক্ষক ভৱেন বৰুৱাৰ অতি মৰমৰ একমাত্ৰ কন্যা ৰূপে। এই গাঁৱৰ মাটিতে জোনালীয়ে জীৱনৰ প্ৰথম পুৱাৰ প্ৰভাতী সুৰুযত জিলিকি উঠিল এপাহি সূৰুযমুখী হৈ, লাহে লাহে জোনালী ডাঙৰ হ'ল, হাঁহিব পৰা হ'ল কথা ক'ব পৰা হ'ল আৰু খোজ কাঢ়িব পৰা হ'ল আৰু এদিন জোনালীয়ে প্ৰাৰম্ভিক শিক্ষাৰ দুৱাৰদলিত ভৰি দিলে। মাক-দেউতাকৰ আলফুলীয়া মৰমত লালিত পালিত জোনালী সৰুৰে পৰা এখন কোমল পাপৰিৰ সুবাসেৰে সিক্ত হৃদয়ৰ আছিল। জোনাক ৰাতি চোতালত বহি দেউতাকক নানা প্ৰশ্নৰে ব্যতিব্যস্ত কৰিছিল। দেউতা, ধুনীয়া জোনবাইৰ গাত কিয় ইমান দাগ? শৰতৰ সুৱাস বিলোৱা শেৱালি দেখি সুধিছিল আনে নেদেখাকৈ ৰাতিফুলি আনক সুৱাস বিলাই পুৱাই কিয় শেৱালি মৰহি যায়? দেউতাকৰ পৰা উত্তৰ পাইছিল যদিও সেই উত্তৰত কণমানি অন্তৰখন সন্তুষ্ট নাছিল। জোনালীয়ে বৰষুণ ভাল পাইছিল। দেউতাকৰ লগত পথাৰলৈও গৈছিল। তাইৰ কণমানি অনুভূতিপ্ৰৱণ অন্তৰখনে এই মনোৰম দৃশ্যৰাজি দেখি পুলকিত হৈছিল। দৰা-কইনাৰে সখি পতা বয়সতে এই সুখৰ সংসাৰখনলৈ অৰ্থাৎ জোনালীৰ জীৱনলৈ কাল অমানিশা নামি আহিল। এটা ভয়াবহ দুৰ্ঘটনাত পতিত হৈ জোনালীয়ে মাক-দেউতাকৰ মৰমৰ পৰা বঞ্চিত হ'ল। এই কণমানি জোনবাইৰ অন্তৰতো কলা-কলা দাগ বহিল বহুত গভীৰকৈ। ঘাটমাউৰী জোনালীৰ তত্বাৱধান ল'লে খুৰাকে। চহৰত বাস কৰা খুৰাকে জোনালীক লৈ গ'ল গাঁৱৰ নিৰিবিলি পৰিবেশৰ পৰা নিজৰ ঘৰলৈ। জোনালীৰ খুৰাক এজন উচ্চপদস্থ শিক্ষা বিষয়া। জোনালীক খুৰাকে চহৰত পঢ়াৰ ব্যৱস্থা কৰি দিলে। চঞ্চল, পখিলা খেদি ফুৰা জোনালীয়ে পিতৃ-মাতৃহাৰা

হৈ মৰ্মান্তিক আঘাত পালে। এপাহ সুৰুযমুখী ম্লান পৰি গ'ল সন্ধিয়াৰ এক কুটিল ক্ষণত। জোনালীক নিজৰ ছোৱালীৰ দৰে সকলো দায়িত্ব লোৱাৰ বাবে আগবাঢ়ি অহা খুৰাকৰ সিদ্ধান্তত খুৰীয়েক সুখী হোৱা নাছিল। নিজৰ ছোৱালী পাহি-কুহিৰ দৰে জোনালীকো নিজৰ জী-ৰ চকুৰে চাবলৈ খুৰীয়েক সক্ষম নাছিল। চাব বিচাৰিছিল এজনী কাম কৰা ছোৱালীৰূপে, কিয়নো তাৰ বিনিময়ত তেওঁলোকে তাইক থকা, খোৱা, পঢ়াৰ যে সকলো সুবিধা কৰি দিছে। খুৰীয়েকৰ গালি-শপনিৰ মাজেৰে দিন অতিবাহিত কৰা জোনালীৰ ৰঙীন শৈশৱ কণ্টকময় হ'ব ধৰিলে। কিন্তু তাক লৈ জোনালীৰ কোনো আক্ষেপ নাই। ফুটপাথত পৰি থকা শিশুজাক, নামঘৰটোৰ সন্মুখত থকা পাগলীজনীক দেখি চকুলো বাগৰা জোনালীয়ে হাঁহিমুখে জীৱনৰ লগত হাত মিলাই ল'লে। জোনালী লাহে লাহে ডাঙৰ হৈ অষ্টমমান শ্ৰেণীলৈ এইবাৰ উত্তীৰ্ণ হ'ল। পঢ়া-শুনাৰ ক্ষেত্ৰত অতি মেধাৱী হোৱাৰ লগতে জোনালীৰ কবিতা লিখাৰ ক্ষেত্ৰতো এক সুনাম আছে। তাইৰ কবিতাবোৰত নিহিত সপোনবোৰেই তাইৰ সংগী। আবেগ প্ৰৱণ জোনালীয়ে সৰুতে দেউতাকক সুধি ব্যতিব্যস্ত কৰা প্ৰশ্নৰ উত্তৰবোৰ আজি নিজেই বিচাৰি পায়। অভিশপ্তা শেৱালীৰ দুখত সমভাগী হয়। সখী পাতে শৰতৰ শেৱালীৰে। বৰষুণৰ টোপ টোপ শব্দত তাই বিচাৰি পাই জীৱনৰ ছন্দ। তাইৰ আপোন হৈ পৰে শীতৰ নিয়ৰ, শৰতৰ শেৱালী, আকাশৰ বিশালতা, সাগৰৰ গভীৰতা।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ জোনালীয়ে, ওচৰৰে কলেজখনত কলা শাখাত নাম লগালে। দিনবোৰ আগৰদৰেই অতিবাহিত হ'ল। জোনালীয়ে সেই কলেজখনৰ পৰাই স্নাতক হ'ল আৰু তাইৰ দেউতাকৰ দৰে এগৰাকী আদৰ্শ শিক্ষয়িত্ৰী হোৱাৰ লক্ষ্য বুকুত বান্ধিয়েই অনিচ্ছাস্বত্বেও শিক্ষা জীৱনৰ পৰা অব্যাহতি ল'লে। আৰু খুৰীয়েকৰ প্ৰৰোচনাত পৰি অন্ততঃ খুৰাকেও তাইক দায়িত্বৰ পৰা মুক্ত কৰাৰ মানসেৰে খুৰীয়েকৰে সম্বন্ধীয় এজন ব্যক্তিৰ লগত বিবাহপাশত আৱদ্ধ কৰাই দিয়ে। আকাশত উৰি ফুৰা তাইৰ সপোনবোৰ বন্দী হ'ল। এখন ঘৰৰ চাৰিবেৰৰ মাজত তথাপিতো সান্ত্বনা লভিলে। তাই ভবাৰ দৰেই যদি তাইৰ স্বামী সুখ-দুখৰ সমভাগী হয় নিশ্চয় তাইৰ সপোনবোৰ পুনৰ গজালি মেলিব। কিন্তু নিষ্ঠুৰ নিয়তিৰ কি পৰিহাস! এটা পাষাণ হৃদয়ৰ মানুহৰ লগত তাইক খুৰীয়েকে গতাই দিলে। তাইৰ সুখ-দুখৰ সমভাগী কৰাটো দূৰৈৰ কথা তাইৰ নিজৰ মনৰ ভাৱবোৰো সামৰি সুতৰি বৰপেৰাত ভৰাবলৈ বাধ্য কৰিলে। তাই এটা যন্ত্ৰৰ দৰেই তাইৰ সংসাৰখন চলাই নিবলৈ চেষ্টা কৰিলে। কিন্তু কিমানদিন এই যন্ত্ৰৰ দৰে জীৱন কটাই, মাৰপিট সহ্য কৰি থাকিব। এইদৰে এবছৰ দিন অতিবাহিত হ'ল। অদৃষ্টৰ ওপৰত কোনোদিন আক্ষেপ নৰখা জোনালীয়ে কিন্তু আক্ষেপ কৰে আজি তাইৰ ভাগ্যৰ বিড়ম্বনাক লৈ। কিন্তু এক বিশাল অন্তৰৰ অধিকাৰী জোনালীয়ে পলকতে সকলো আক্ষেপ পাহৰি যায়। সপোন দেখে এটি নতুন পুৱাৰ। এদিন বাতৰি কাকতত এটা অনাথ আশ্ৰম পৰিচালনাৰ বাবে এগৰাকী মহিলাৰ আৱশ্যক বুলি থকা বিজ্ঞাপনটো পাই জোনালীয়ে এটি অবান্তৰ সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু সকলো দুখ দৈন্যতাৰ বান্ধোন আজুৰি চিঙি পিঞ্জৰাবদ্ধ মনক মুক্তি দি গুচি গ'ল সকলোৰে অজানিতে সেই অনাথ আশ্ৰমলৈ। "স্নেহবন্ধন" নামৰ অনাথ আশ্ৰমত পৰিচালিকাৰ কামত নিয়োগ হৈ অনাথ শিশুসকলৰ মাতৃৰ মৰম বিলাই সকলোৰে মৰমৰ "মা" হৈ পৰিল জোনালী ওৰফে বাসৱীয়ে। শিশুবোৰক মাতৃৰ মৰম দিয়াত অকনো কৃপণালি নকৰিলে বাসৱীয়ে। কিয়নো মাতৃৰ মৰমৰ অনুভৱ তথা উমাল পৰশ জানো তাইৰ দৰে আন কোনোবাই ভালদৰে অনুভৱ কৰিব। "স্নেহবন্ধন"ৰ শিশুসকলৰ মাজত বিলীন হৈ বাসৱীয়ে পুনৰ হাতত কলম তুলি ল'লে। বাসৱীৰ কবিতাই পাঠক সমাজৰ মাজত সমাদৰ লাভ কৰিলে। বাসৱীয়ে অনাথ শিশুবোৰৰ প্ৰেৰণাত এটা দুটাকৈ গল্প, উপন্যাসো লিখি গ'ল। জোনালীৰ গল্প, উপন্যাসে নাৰীৰ জীৱনক আধাৰ হিচাপে লৈ লিখি গ'ল। সমাজৰ চাৰিওফালে দেখি থকা নাৰীৰ নিৰ্যাতন অনাথ শিশুবোৰ, ৰাস্তাত সকলোয়ে ইতিকিং কৰি থৈ যোৱা পাগল মানুহজনক তাইৰ কাহিনী চৰিত্ৰৰ ৰূপ দিলে। জোনালীয়ে তাইৰ নিজৰ জীৱনত পাই অহা দুৰ্বিষহ অভিজ্ঞতাৰ পৰা অসহায় নাৰীক সহায় কৰিবৰ বাবে এটা সংস্থা খুলিলে। সাধুকথাৰ তেজীমলাৰ দুখত সৰুতে উচুপি উঠা জোনালীয়ে আজি উচুপি উঠে সমাজৰ অসহায় নাৰীৰ দুখত। জোনালী বেছি মৰ্মাহত হয় যেতিয়া নাৰীয়েই নাৰীৰ শত্ৰু হয়। সমাজৰ অসহায় মানুহবোৰক প্ৰতিনিধিৰূপে লৈ সাহিত্যচৰ্চা কৰি যোৱা জোনালীয়ে সমাজত বহুত সমাদৰ লাভ কৰিছে। এইদৰে অনাথ শিশুবোৰৰ মাজতে বিলীন হৈ জীৱনটো অতিবাহিত কৰা জোনালী এতিয়া সকলোৰে পৰিচিত। জোনালীৰ নিৰবিচ্ছিন্ন সাহিত্য চৰ্চাৰ বাবে বহু সন্মান লাভ কৰিছে আৰু আজি আহি আছে সোণালী জয়ন্তীবৰ্ষৰ নিমন্ত্ৰিত অতিথি ৰূপে শৈশৱৰ গাঁৱলৈ— হঠাৎ গাড়ীৰ জোঁকাৰণিত তন্দ্ৰা ভাগিল জোনালীৰ। এজাক উন্মনাসমীৰে কোবাই গ'ল গালে মুখে জোনালীৰ যেন এক উম্ম আদৰণি জনালে তাইক শৈশৱৰ ৰঙীন পুৱালৈ..■

• *লেখিকা স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী*

# জীৱন এনেকৈয়ে

মিছ ভাগ্যশ্ৰী নেওগ



সময়বোৰ যে কেনেকৈ পাৰ হৈ যায়! সময়ে কাৰোবাক বহু দি থৈ যায়, কাৰোবাৰ পৰা বহু কাঢ়ি লৈ যায়। জীৱনৰ বিয়লিবেলাত ভৰি দি অনুৰাগ বৰুৱাইও আজি জীৱনটোত কি পালে, কি নাপালে তাৰেই হিচাপ নিকাচত ব্যস্ত। জীৱনটোত আচলতে তেওঁ একোৱেই নাপালে।

এসময়ত পুত্ৰ, কন্যা আৰু পত্নীৰে সৈতে এখন সুখৰ সংসাৰৰ গৰাকী আছিল অনুৰাগ বৰুৱা। জীৱনত চলিবলৈও একো বস্তুৰে তেওঁৰ অভাৱ নাছিল। লাহে লাহে ল'ৰা-ছোৱালী ডাঙৰ হৈ আহিল। লগে লগে তেওঁৰ মতামতবো যেন ঘৰখনত কোনো মূল্য নাইকিয়া হৈ পৰিল। পত্নী ৰীণাও ল'ৰা ছোৱালীৰ পক্ষত। সৰুৰেপৰা সিহঁত দুয়োটাই পঢ়া শুনাৰ লগতে নৃত্য-গীত আদি দিশতো সমানে আগৰণুৱা আছিল। পুত্ৰ প্ৰীতমে যোৱাবছৰ মেট্ৰিকতো পাছ কৰিয়েই ঘৰত দাবী কৰিলে বাইক আৰু ম'বাইল নহ'লে সি কলেজ নাযায়। তাৰ লগৰ সকলোৰে বাইক, ম'বাইল আছে তাৰহে নাই। পত্নী ৰীণাইও অনুৰাগ বৰুৱাক তাৰ পক্ষৰ হৈ দুষাৰমান কোৱাত তেওঁ পুত্ৰক বাইক, ম'বাইল দিবলৈ সন্মত হ'ল। সেই দুটা বস্তু পোৱাৰ পাছত। প্ৰীতম কলেজ যোৱাতো বাদেই ৰাতি দহ-এঘাৰ বজাৰ আগতে ঘৰলৈও নহা হ'ল। এদিন সি ঘৰত সকলোকে ক'লে সি হেনো পঢ়া শুনা নকৰে। পঢ়া শুনা কৰিলেও আজিকালি চাকৰি পাবলৈ নাই সেয়ে সি বিজনেছ কৰিব। তাৰ পাছৰে পৰা সি বিজনেছৰ নামত আৰু ঘৰলৈ নহা হ'ল। অনুৰাগ বৰুৱাইও একো কব নোৱাৰে পত্নী ৰীণাই মুখতে ধৰে। ইফালে জীয়েকৰ কথাতো কবই নালাগে। বিহু নাচি সংস্কৃতি ৰক্ষাৰ নামত ৰাতি দহ বজাৰ আগতে ঘৰ সোমোৱাৰ নিয়ম নাই। ৰাতি ন-দহ বজাত বিহু নাচি এজাক ডেকাৰ লগত আহি তাই ঘৰ সোমাবহি। সিহঁতে পদুলিমুখত নমাই থৈ যোৱাৰ পাছত মাকে পদুলিমুখৰ পৰা আগবঢ়াই আনিবগৈ। অনুৰাগ বৰুৱাই সকলো দেখিও চকু মুদা কুলি হ'ব লগা হ'ল।

ইফালে পুতেক প্ৰীতমে কিহৰ বিজনেছ কৰে কোনেও নাজানে কিন্তু নামী-দামী বস্তুৰে ঘৰ উপচাই পেলাইছে। যিখিনি বস্তু অনুৰাগ বৰুৱাই শিক্ষকতা চাকৰি কৰি সমগ্ৰ চাকৰিকালতো কিনিব নোৱাৰিলে সেইখিনি বস্তু পুতেকে এমাহৰ ভিতৰতে আনি ঘৰ পূৰ্ণ কৰি পেলাইছে। মাকৰো গৰ্বত বুকুখন ফুলি উঠিছে। কিন্তু অনুৰাগ বৰুৱাহে নিৰুত্তৰ। এদিন ৰাতি প্ৰীতমে ন-মান বজাত কাপোৰ কানি বান্ধি মাকক ক'লে আজি বিজনেছৰ কামত মই অসমৰ বাহিৰলৈ যাব লাগিব। তিনিদিন মান হ'ব। মাকে নিজেই সকলো বস্তু বান্ধি পুতেকক আগবঢ়াই দিলে। সি যাবৰ সময়ত বাপেককো মাত লগাই ওলাই গ'ল।

পাছদিনা ৰাতিপুৱা বাতৰি কাকতখন মেলি অনুৰাগ বৰুৱা হতভম্ব হৈ পৰিল। স্তব্ধ হৈ গ'ল তেওঁৰ বাক্‌শক্তি। কাকতখনৰ প্ৰথম পৃষ্ঠাতে ডাঙৰ ডাঙৰ হৰফেৰে লিখা আছিল– "মণিপুৰলৈ এটা বোমা কঢ়িয়াই নিয়াৰ অৱস্থাত দুধৰ্ষ সন্ত্ৰাসবাদী প্ৰীতম বৰুৱাক আৰক্ষীয়ে গুলীয়াই হত্যা কৰিলে।" তাৰ অলপ তলতে লিখা আছিল "দুধৰ্ষ সন্ত্ৰাসবাদী প্ৰীতম বৰুৱাৰ ভগ্নী পাহি বৰুৱাক অসংযত অৱস্থাত হোটেল 'ৰাজ'ৰ পৰা উদ্ধাৰ।" বাতৰি দুটা পঢ়ি তেওঁ ঠাইতে মূৰ্চ্ছা গ'ল। পত্নী ৰীণাক তেওঁ একো কবলৈকে নাপালে। ৰীণাইও আহি মানুহজনক সেই অৱস্থাত দেখি হাতত থকা কাকতখন মেলি চাই সেই ঠাইতে মূৰ্চ্ছা গ'ল। শেষত ওচৰৰে এজনে দেখি দুয়োকে হস্পিতেললৈ লৈ গ'ল। দুয়ো আৰোগ্য হৈ ঘৰলৈ আহিল। কিন্তু অহাৰ দিনাই ৰাতি ৰীণাই আৰু জীয়াই থাকিবলৈ ইচ্ছা নকৰি পাছফালৰ পুখুৰীটোত জাপ দিলে। ৰাতিপুৱা বৰুৱাই পুখুৰীটোত উপঙি থকা পত্নীৰ মৃতদেহটো দেখিও এটোপাল চকুলো নটুকিলে। তেওঁৰ কান্দিবলৈ দুখ লাগিবলৈ এতিয়া আৰু অন্তৰত কোনো অনুভূতিৰেই উদয় নোহোৱা হ'ল। জীয়াই থাকিও তেওঁ আজি এক জড় পদাৰ্থ। জীৱনৰ বিয়লি বেলাত ভৰি দি তেওঁ এতিয়া কেনেদৰে বাকী কেইটা দিন পাৰ কৰি মৃত্যুৰ শীতল কোলাত শুব পাৰে তাৰহে স্বপ্ন দেখিছে।■

*• লেখিকা স্নাতক প্ৰথম বৰ্ষৰ অৰ্থনীতি বিভাগৰ ছাত্ৰী*



# বিচ্ছিন্ন সম্পৰ্ক

নাং নিতুস্মিতা ফুকন

গৌতম এখন সম্ভ্ৰান্ত ঘৰৰ একমাত্ৰ সন্তান। ককাক আইতাক, মাক-দেউতাকৰ মৰমৰ আলাসত লাহে লাহে গঢ় পাই আজি সি জীৱনৰ জখলা আগবাঢ়ি যৌৱনৰ দুৱাৰডলিত ভৰি দিছেহি। সপোনতো ভবা নাছিল তাৰ ওচৰ-চুবুৰীয়া, ঘৰখন তথা অন্যান্য চিনাকি লোক সকলে। কাৰ প্ৰৰোচনাত লুভীয়া হৈ আজি উন্মাদ হৈ তিল্‌তিলকৈ খেলি দিছে তাৰ সহিতে ঘৰখনকো মৃত্যুৰ ক্ষণলৈ।

কাৰ ভুল আছিল সেইদিনা, গৌতমৰ নে তাৰ ঘৰখন নে তাৰ লগৰ সেই উতনুৱা ল'ৰা কেইটাৰ। মাত্ৰ কেইটামান টকাৰ বাবেই সি তাৰ নিজৰ পেহীয়েকৰ সন্তানক অপহৰণ কৰি হত্যা কৰিবলৈ উদ্যত হ'ল। সি এবাৰলৈও ভাবি নাচালে তাৰ তেজ মঙহৰ গোন্ধ থকা, মিল থকা সেই কাণ সমনীয়া ভায়েকটোৰ কথা। কাৰ ভুল প্ৰৰোচনাত সি বিবেকহীন হৈ গ'ল।

প্ৰথমাৱস্থাত সেইদিনা সকলোবিলাক ভালদৰেই গৈ আছিল সময়বোৰ। হঠাতে উল্কাপিণ্ডৰ দৰে এটা অজান ক্ষণে তাৰ সকলোবোৰেই ওলট-পালট কৰি দিলে। সহযোগ দিলে সি সেই উতনুৱা বন্ধুকেইটাৰ কথাত সি নজনাকৈয়ে, সিহঁতেও নজনাকৈয়ে সহযোগী কৰিলে গৌতমক। একেখন হোষ্টেলৰে বাসিন্দা গৌতমৰ বন্ধুকেইটাই নতুন বৰ্ষ উদ্‌যাপনৰ বাবে নৈৰ চাপৰিত বনভোজৰ আয়োজন কৰিলে। ঠিক সেইদিনাই সেই নৈৰ চাপৰিলৈ বুলি আহিছিল অন্য এখন হোষ্টেলৰ বাসিন্দাৰূপী ল'ৰাবোৰ, য'ত আহিছিল নিৰ্ভীক, সাহসী, উদ্যমী, মেধাৱী ছাত্ৰ ৰূপে পৰিচিত গৌতমৰ পেহীয়েকৰ পুতেক ৰূপম শইকীয়া। মাত্ৰ এটা সাধাৰণ কথা, কেইটকামান পইচা, সেয়াই আছিল ৰূপমৰ মৃত্যুৰ কাৰণ। উতনুৱা যুৱকৰ দলটোৱে মদৰ ৰাগীত মতলীয়া হৈ আকৌ মদ খাবৰ বাবে ৰূপমহঁতৰ দলটোৰ ওচৰত গৈ সিহঁতে উত্তণ্ডালি কৰি পইছা বিচাৰিবলৈ ধৰিলে। তেতিয়াই ৰূপমৰ সহিতে তাৰ লগৰ কেইটাই নতুন বৰ্ষৰ নামত সিহঁতে কলংকসনা বুলি সিহঁতক বুজাবলৈ ধৰিলে আৰু বন্ধুত্বৰ হিচাপত ভালদৰে হোষ্টেললৈ ঘূৰি যাবলৈ অনুৰোধ কৰিলে। কিন্তু সেই উতনুৱা জাকটোৱে সেই অনুৰোধক হেয় কৰি ৰূপমহঁতৰ দলৰ আটাইবোৰকে মাৰিবলৈ বুলি উদ্যত হ'ল। ৰূমৰ লগৰ সকলো ল'ৰাই সেই দলটোৰ লগত লাগি মূৰ্খামি বুলি নিজকে পৰিচয় নিদিয়াৰ চিন্তা কৰি আঁতৰি গ'ল। কিন্তু দুৰ্ভাগ্যবশতঃ পিছ পৰি ৰ'ল ৰূপম। সিহঁতে ৰূপমক আকৌ পইছা খুজি বিৰক্তি দিবলৈ ধৰিলে। এইবাৰ ৰূপমে খঙত অসহ্যতা অনুভৱ কৰি লগৰটোক পইছা নিদিওঁ বুলি খঙেৰেই ক'লে। তেতিয়া সেই দলটোৱে ৰূপমক ধৰি বান্ধি মুখ ঢাকি নৈৰ দাঁতিৰ খেৰণিডৰালৈ লৈ গ'ল আৰু পাৰেমানে তাক মাৰিবলৈ ধৰিলে। ইফালে সেই তৰ্ক-যুদ্ধত উপস্থিত নথকা গৌতমে সেই মাৰপিটৰ সময়ত আহি ওলালহি আৰু লগৰ কেইটাৰ উচতনিত অজানিতে সি তাৰ ভায়েকক হত্যা কৰি পেলাবলৈ নিৰ্দেশ দিলে আৰু হত্যা কৰিবলৈ কোনো আগবাঢ়ি নহাত সি নিজে হত্যা কৰিবলৈ আগবাঢ়ি গ'ল আৰু কাপোৰেৰে মুখ ঢাকি ৰখা ৰূপমক নোচোৱাকৈ সি লগত নিয়া খুকুৰিয়ে হানি-খুঁচি হত্যা কৰি পেলালে। পিছত যেতিয়া তাৰ লগৰ বিলাকে সি কৰা ভুলৰ কথা সোঁৱৰাই তাক বিপদৰ আগজাননী দি পলাবলৈ ক'লে, তেতিয়াই সি পলাবলৈ চেষ্টা কৰোতে হঠাতে ভৰিৰ উজুতিত দেখা পালে, ৰূপমৰ হাতত থকা সোণৰ আঙুঠিটো, যিটো আঙুঠি গৌতমেই দুমাহৰ আগৰ ৰূপমৰ জন্মদিনত উপহাৰ হিচাপে দিছিল। মুহূৰ্ততে তাৰ অনুশোচনা আহিল আৰু কাপোৰেৰে আবৃত্ত ৰূপমৰ মুখখন উলিয়াই সি পাগলৰ দৰে উন্মাদ হৈ পৰিল।

ইপিনে সেইসময়তে ৰূপমৰ লগৰ কেইটাই ৰূপম ঘূৰি নোযোৱা দেখি তাক চাবলৈ আহোঁতে ৰূপমৰ মৃতদেহৰ ওচৰত গৌতমক দেখি হতবাক হ'ল। আৰু তাক ধৰি নি পুলিচৰ হাতত গতাই দিলেগৈ।

সেইদিন ধৰি আজিৰ্ ৰূপম আৰু গৌতমৰ ঘৰখনৰ লগত পাৰস্পৰিক সম্পৰ্ক বিচ্ছিন্ন হোৱাৰ লগতে গৌতম আজি মানসিক ৰোগী। চিকিৎসালয়ত এক মানসিক ৰোগী হিচাপে চিহ্নিত হৈ সকলোৰে পৰা সম্পৰ্ক বিচ্ছিন্ন কৰি পেলাই এক অবাঞ্ছনীয় দিন, ক্ষণ পাৰ কৰিবলৈ উপক্ৰম হৈছে।■

*•লেখিকা স্নাতক তৃতীয় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী*



# মমতাৰ দুৰ্ৰৰিত কক্‌বকনি

**যামিনী মহন্ত**

আস্। কি যন্ত্ৰণা। মাতৃত্বৰ যন্ত্ৰনাও যে ইমান ভয়াবহ হ'ব পাৰে তাক কল্পনাও কৰিব নোৱাৰি। অহেতুক মাতৃত্বৰ যন্ত্ৰণাই তাইক কাবু কৰি পেলাইছে। এফালে সমাজৰ নিয়ম শৃংখলা আনহাতে প্ৰিয়তমৰ আহবান। কোনফালে সঁহাৰি জনাম। কাক এৰি দিম একো স্থিৰ কৰিব নোৱাৰি মঞ্জুৱে বাছি ল'লে হাজাৰ জনৰ দৰেই সেই অনাদৃত পথ। মাত্ৰ কেইটামান মধুৰ মুহূৰ্তৰ বাবে তাই বলি দিব লগা হ'ল তাইৰ জীৱন.......... সমাজৰ ওচৰত। দেখাত মসৃণ যেন লাগিলেও সেই পথ যে ইমান ভয়াবহ হ'ব তাক তাই অনুমানেই কৰিব পৰা নাছিল। সমাজৰ পৰা এৰেহা পৰিত্যক্ত মঞ্জু এতিয়া জোনক লৈ হতাশাত ভোগে। কিয়নো জোন ক্ৰমে

পূৰ্ণিমাৰ জোনটোৰ দৰেই একলা দুকলা কৈ বাঢ়ি আহিছে। সি তাৰ দেউতাকক বিচাৰি আমনি কৰিব ধৰিছে। তাই তাক কিদৰে দিব তাৰ পিতৃ পৰিচয়। সি যে জাৰজ। তাই যে কুমাৰী কালতেই নিৰ্দয়ভাৱে তাক জন্ম দিব লগা হ'ল। তাইৰ কুমাৰীত্ব নষ্ট কৰি তাৰ দেউতাক, নহয় দেউতাক নহয় এটা মিছাৰ প্ৰশ্ৰয় দিয়া পশুৱে কিদৰে পলায়ন কৰিলে। সি 'অমিতে' তাইক মিছাৰ প্ৰশ্ৰয় দি চিৰদিনৰ বাবে সমাজত এলাগী কৰি তুলিলে। যাৰ বাবে তাই সেই ফুল কুমলীয়া বয়সতে মাতৃৰ দৰে গধুৰ এক দায়িত্ব বহন কৰিব লগা হৈছে। যাৰ বাবে আজি তাই আৰু তাইৰ সন্তানে সমাজত স্বীকৃতি পোৱা নাই। 'জোন' সেই কণমানি ল'ৰাটোৱে যেতিয়া স্কুললৈ যাওঁ বুলি চিঞৰ বাখৰ কৰে তেতিয়া তাইৰ নিমাখিত মনটোৱে পুত্ৰ স্নেহৰ হাঁহাকাৰ কৰি উঠে। সেই কণমানিটোৰ গাত কি দোষ, যাৰ বাবে সি তাৰ প্ৰাপ্যৰ পৰা বঞ্চিত হ'ব লগা হৈছে। তাৰ নিষ্পাপ মুখখনিত ফুটি উঠা সৰলতাই যিকোনো ব্যক্তিৰেই মন মোহিব পাৰে। তেনেস্থলত তাক মানুহে দেখিলেই লেই লেই ছেই ছেই কৰে। এডোখৰ ফটা কাপোৰে প্ৰায় উলংগ দেহাটোৰে যেতিয়া সি কোনো মানুহৰ ঘৰৰ বিয়া সবাহলৈ যায়- তেতিয়া তাক ৰভাতলীৰ পৰা খেদি দিয়ে আৰু সি! সি নিঃসহায় হৈ চোৱা পাতনিৰ কুকুৰ কেইটাৰ লগতে মানুহে উগাৰি উগাৰি এৰেহাখিনি পৰম তৃপ্তিৰে খাবলৈ ধৰে। সমনীয়াৰ লগত খেলিবলৈ যাওঁতে শিল, ইটাৰ টুকুৰা, মাটিৰ চপৰাৰ মাৰ খাই তাৰ ফুল কুমলীয়া দেহাটো তেজেৰে ক্ষত-বিক্ষত হৈ পৰে। তাৰ গাত তেজ দেখিলে মই শিয়ঁৰি উঠোঁ। নাই তেনে হবলৈ দিব নোৱাৰি। মই নহ'লেও জোনে তাৰ প্ৰাপ্যৰ অধিকাৰ পাবই লাগিব। তাই প্ৰাণ গ'লেও তাক মানুহ কৰি থৈহে যাব।

ঈশ্বৰৰ কি অপাৰ মহিমা! তাইৰ ভাগ্য সুপ্ৰসন্ন হ'ল- নিয়ৰ জিৎ- সেই মানুহজন যিয়ে তাইৰ দুখৰ কাহিনী শুনি তাইক লেই -লেই ছেই-ছেই কৰি খেদি নিদি আন্তৰিকতাৰে তাইক আদৰি ল'লে। তেখেতেই তাইক মানুহ হোৱাৰ প্ৰথম কেইখোজ আগুৱাই যোৱাত সহায় কৰিলে। তেখেতে 'জোন'ক প্ৰাথমিক স্কুলত নাম ভৰ্তি কৰি দি শিক্ষিত কৰি তুলিলে লগতে তাইকো সমাজত স্থান দি তাইক অনুপ্ৰাণিত কৰিলে। এতিয়া তাই ৰাজগড় অঞ্চলৰ আত্মসহায়ক গোটৰ সম্পাদিকা। জোন লাহে লাহে ডাঙৰ হৈ এতিয়া এটা চফল ডেকা হৈছেগৈ। মঞ্জুৰ মনত পুনৰ সেই দুৰাকাংক্ষাই ভুমুকি মাৰিলে। কাৰণ জোনো এতিয়া ডেকা হৈছে। তাৰ ডাঢ়ি-গোফ গজিবলৈ ধৰিছে। কিন্তু সিয়ো যদি তাইৰ দৰে একেই ভুল কৰি পেলায়— নাই এনে হ'ব নোৱাৰে। ইয়াৰ বাবে জোনক আগৰে পৰাই সাৱধান কৰি দিব লাগিব। কিন্তু তাইৰ হাজাৰ সঁকীয়নিৰ পাছতো এদিন জোন 'বাৰ' (Disco) লৈ গ'ল আৰু তাত লগৰীয়াৰ লগত লগ লাগি অত্যাধিক মদ্যপান কৰিলে। মদৰ নিচাত ঘৰলৈ আহোঁতে সি হিতাহিত জ্ঞান হেৰুৱাই ৰাস্তাৰ কাষতে ৰখাই থোৱা ট্ৰাক এখনতে প্ৰচণ্ড জোৰেৰে খুন্দা মাৰিলে। আৰু এতিয়া সি মেডিকেল I.C.U ত অজ্ঞান হৈ পৰি আছে।

আজি পুত্ৰস্নেহেও মঞ্জুক গলাব পৰা নাই। জোনৰ চৰিত্ৰৰ পতনে তাইক একেবাৰে নিঠৰ কৰি পেলালে। তাইৰ হিয়া গোট মাৰি গৈছে। আজি তাইৰ কঠোৰ হৃদয়ৰ পৰা এচলু অশ্ৰু বাগৰি অহা নাই। যুৱ উশৃংখলতাই আজি তাইৰ পুত্ৰকো শেষ কৰি পেলালে। আজি তাই পুনৰবাৰ জোনৰ মুখ চাব বিচৰা নাই- - তাই আজি মাতৃ হৈয়ো পুত্ৰৰ বিয়োগ কামনা কৰিছে— তাই বিচৰা নাই তাইৰ জোন এদিন সমাজত সুযোগ্য ব্যক্তিলৈ পৰিণত হওঁক সি কেতিয়াও তাইক বুজি নাপালে। সি বুজিবলৈ চেষ্টাই নকৰিলে। কিহৰ তাড়নাত তাই তাক এনেদৰে তুলিব লগা হ'ল। সি কিয় অন্য শিশুৰ দৰে স্বাভাৱিকভাৱে লালিত-পালিত হ'ব নোৱাৰিলে। নিজৰ দুখ-দুৰ্দশাক সি ইমান সোনকালে পাহৰি গ'লনে? সি তাৰ মাকজনীকো পাহৰি গ'লনে যাৰ বাবে তাৰ মাকৰ সেই দুখ ভৰা জীৱনৰ কথাও এপলকৰ বাবে মনত নপৰিল। সি ইমান নিষ্ঠুৰ হ'ব পাৰিলে! সি মদৰ নিচাত পাহৰি গ'ল তাৰ মাকক। তাৰ অতীতক— নাই। তাই কেতিয়াও তাক ক্ষমা নকৰে- যাক উদ্ধাৰৰ বাবে ইমান প্ৰচেষ্টা সিয়ে যদি তাইক প্ৰতাৰণা কৰে তাই কিদৰে সহিব........? তাইৰ হৃদয়ত ধ্বনিত হৈ ৰ'ল বজৰুৱা যুৱ উশৃংখল আৰু জোনৰ মৰমসনা এষাৰি মাত 'মা'।■

• *লেখিকা উঃ মাঃ একাদশ শ্ৰেণীৰ ছাত্ৰী*

# জীৱনৰ নিজা সুঁতি

ঋতুস্মিতা বৰা



তোমাৰ দুচকুৰ অটলতাত
সেয়া কিহৰ জিলিমিলি
শোক ............... নে বিষাদৰ.............?

ঃ চা, প্ৰাচী জীৱনটো অকলে বৈ নিয়াটো সিমান সহজ নহয়। মই কোৱা নাই যে নাৰী অবলা, নাৰী শক্তিহীন। তথাপি জীৱনত এনে কিছুমান সময় আহি পৰে যি সময়ত কোনো এজন একান্ত আত্মীয়ৰ প্ৰয়োজনীয়তা আহি পৰে।

—আৰু সুধীৰটো বেয়া ল'ৰা নহয়। তই যেনেকৈ মোৰ মৰমৰ ভণ্টি, সিয়ো তেনেকৈ মোৰ একান্ত বন্ধু। মই ভালকৈয়ে জানো যে সি এই জীৱনত তাৰ হৃদয়ত মোৰ বাহিৰে বেলেগক স্থান দিব নোৱাৰিব।

প্ৰাচীয়েও জানে সুধীৰ ভাল ল'ৰা, সি তাইক ভাল পায় সমগ্ৰ সত্ত্বাৰে। কিন্তু এই ভালটোৰ বাবেই তাই সুধীৰৰ সৈতে বিয়াত বহিব নোৱাৰে। (আনক ফাঁকি দিলেও তাই নিজৰ ওপৰতে মাজে মাজে সন্দেহ হয়, সুধীৰৰ প্ৰতি থকা আন্তৰিকতাখিনিত যেন কেতিয়াবা অন্য এটা ভাৱেও দুলা দি যায়। কিন্তু এই কথা মনলৈ আহিলেই তাই যেন নিজকে সুতীব্ৰভাৱে কৈ উঠে— নাই নাই এনে কেতিয়াও হ'ব নোৱাৰে। হৃদয়ত সেই ছবি খোদিত হৈ থকাৰ পাছত আৰু............!) এজন মানুহে বিয়াৰ পিছত পত্নীৰ পৰা যিমানখিনি মৰম আন্তৰিকতা বিচাৰে তাই যে সুধীৰক সিমানখিনি কেতিয়াও দিব নোৱাৰিব। কাৰণ— তাই প্ৰবাহনক পাহৰিব নোৱাৰে কেতিয়াও। তাইৰ সমগ্ৰ হৃদয় প্ৰবাহনৰ স্মৃতিয়ে ছানি ধৰি আছে। সুধীৰে যদি তাইক বিয়া কৰাই অপ্ৰাপ্তিৰ দুখত দুখী হৈ থাকে তাই কিদৰে নিজকে ক্ষমা কৰিব। তাই কাকো প্ৰতাৰণা কৰিব নোৱাৰে। তাৰোপৰি একমাত্ৰ প্ৰবাহনৰ বাহিৰে আন কাৰোবাৰ লগত বিয়া হোৱাৰ কথা তাই কল্পনাও কৰিব নোৱাৰে।

ঃ চী

ঃ হু। ককায়েক প্ৰত্যাশাৰ মাততহে প্ৰাচীৰ তন্ময়তা ভাগিল।

ঃ মই তোৰ চকুৰ ভাষা সকলো বুজো। তই ভাবিছ সুধীৰক তই সুখী কৰিব নোৱাৰিবি। কিন্তু চা, তোক বিয়া কৰালে সি কেতিয়াও দুখী নহয়, মোৰ মতে সুখীহে হ'ব। ধৰিলৈছো সি সম্পূৰ্ণৰূপে সুখী নহয়; তথাপি অলপ হ'লেওতো সুখী হ'ব। কিন্তু তই যদি সন্মত নহৱ, মাক-দেউতাকৰ আশা পূৰাবৰ বাবে সি বেলেগ এগৰাকীক বিয়া কৰাব। তেতিয়া সি গোটেই জীৱন সুখী হোৱাৰ অভিনয় কৰিব লাগিব। এইখিনি কৈ প্ৰত্যাশা অলপ ৰ'ল।

ঃ চি!

ঃ হু!

ঃ পাৰিলে প্ৰবাহনক পাহৰি যাবৰ চেষ্টা কৰ। জীৱনটোক মিছাতে কষ্ট দি কি লাভ? জীৱনত দুখ কাৰ নাহে কিন্তু সেই দুখৰ লগত যুঁজ কৰি হাঁহি হাঁহি জীয়াই থাকিব পৰাতোহে প্ৰকৃত সাৰ্থকতা। দুখবোৰ আইনাৰ পিছফালে প্ৰলেপ দিয়া সেই ৰঙীন পদাৰ্থবিধৰ দৰে। সি নাথাকিলে যেনেকৈ প্ৰতিবিম্ব দেখা নাযায় তেনেকৈ দুখঃ নাথাকিলেও সুখ অনুভৱ কৰিব নোৱাৰি.......... ৰাতি বহুত হ'ল হয়তো সেইবুলি প্ৰত্যাশে ঘড়ীটোলৈ চালে। বাৰ বাজিলেই। এতিয়া শুই থাকগৈ যা। সুধীৰৰ মাক-দেউতাক সোনকালেই পাবহি।

প্ৰত্যাশ নিজৰ ৰুমলৈ বেলকনিৰ পৰা উঠি গ'ল।

প্ৰাচীয়ে জোনৰ পোহৰত জিলিকি থকা দূৰৈৰ পাহাৰটোলৈ চাই ৰ'ল। প্ৰায়ে হোৱাৰ দৰে তাইৰ মণিকোঠলৈ অতীতৰ স্মৃতি আকৌ এবাৰ সোমাই আহিল..........

প্ৰাচীৰ বয়স তেতিয়া ছয় বছৰ আৰু প্ৰত্যাশৰ ন বছৰ। কোনোবা এটা ৩১ ডিচেম্বৰৰ দিনা প্ৰত্যাশ, মাক-দেউতাক আৰু প্ৰাচী ৰ জানুৱাৰীৰ দিনটো সমিলমিলে উদ্‌যাপন কৰাৰ উদ্দেশ্যে গুৱাহাটীৰ জু-ৰোডস্থিত নিজা ঘৰৰ পৰা ডিব্ৰুগড়ৰ চৌকিডিংগীত থকা সিহঁতৰ পুৰণি ঘৰলৈ গৈছিল। সৰুৰে পৰা প্ৰাচী স্বল্পভাষী আৰু শান্ত প্ৰকৃতিৰ আছিল। তথাপি ককাক-আইতাকৰ ঘৰলৈ যোৱাৰ আনন্দত প্ৰত্যাশৰ লগতে একেলগে চিঞঁৰি চিঞঁৰি গান গাই গৈছিল। কিন্তু সেই আনন্দত সিহঁত বেছিদুৰ যাব নোৱাৰিলে। ওখ পাহাৰ এটাৰ পৰা তললৈ নামোতেই ব্ৰেকফেল কৰি গাড়ীখন ৰাস্তাৰ দাঁতিত পৰিলগৈ। দেউতাক আৰু ককায়েকে আঘাত পাইছিল। মাক আৰু প্ৰাচী অজ্ঞান হৈ পৰিছিল। স্থানীয় কোনোলোকে পায় তেওঁলোকক চিকিৎসালয়লৈ লৈ গৈছিল। দেউতাক আৰু প্ৰত্যাশ সোনকালেই ভালহৈ উঠিছিল। মাত্ৰ দেউতাকে মুৰত অলপ আঘাট পাইছিল আৰু প্ৰত্যাশৰ হাত এখন ভাগিছিল। প্ৰাচীয়েও জ্ঞান পাই উঠিছিল। কিন্তু মাক। মাকক ডাক্তৰৰ কোনো পৰিচৰ্য্যাই জ্ঞান ঘুৰাই দিব নোৱাৰিলে। চিকিৎসালয় পোৱাৰ আগতেই বুকুত পোৱা প্ৰচণ্ড আঘাটৰ বাবে তেওঁৰ মৃত্যু হৈছিল।

ডিব্ৰুগড়ৰৰ পৰা খুড়াকহঁত আহি সিহঁতক লৈ গৈছিলহি। ডিব্ৰুগড়ত কেইদিনমান থকাৰ পাছত যেতিয়া প্ৰাচীহঁত গুৱাহাটীলৈ যাবলৈ ওলাল ককাকে প্ৰাচীৰ দেউতাকক ক'লে, 'প্ৰদীপ, ডাঙৰ বোৱাৰী নথকা ঘৰখনত মাইনুক তই কেনেদৰে চোৱা-চিতা কৰিবি? তাই ইয়াতে থাকক। দেউতাকে তাইক থৈ আহিব লগা হোৱাত হুমুনিয়াহ কাঢ়িলে যদিও তাইক লগত আনিবলৈ সাহস নকৰিলে। প্ৰত্যাশ তেতিয়া গুৱাহাটীৰ বৰ্ডিং স্কুলত পঢ়ি আছিল। সেয়ে সি দেউতাকৰ লগতে ঘুৰি আহিল।

বয়স কম আছিল বাবে প্ৰাচীয়ে প্ৰথমে মাকৰ মৃত্যুৰ কথা ভালকৈ বুজিব পৰা নাছিল। কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে সৰুৰে পৰা ভাবুক প্ৰাচী আৰু ভাবুক হৈ পৰিল। অৱশ্যে খুড়ীয়েকৰ আকৃপণ মৰমে প্ৰাচীক মাকৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাছিল।

০০০০০০০০০

প্ৰাচীৰ বয়স তেতিয়া যোল্ল বছৰ। মে' মাহৰ পঁছিশ তাৰিখৰ দিনা প্ৰাচীৰ মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট ওলোৱাৰ কথা। প্ৰত্যাশ আৰু দেউতাক আগদিনাই আহি ডিব্ৰুগড় পালেহি। পিছদিনা ৰিজাল্ট ওলাল। প্ৰাচীয়ে অংক, বিজ্ঞান, ইংৰাজী আৰু ঐচ্ছিক অংকত লেটাৰসহ ষ্টাৰমাৰ্ক পাই পাছ কৰিলে। ৰিজাল্ট পাই ঘৰখনত এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হ'ল। ককাক, আইতাক, খুড়াক, খুড়ীয়েক, ককায়েক কাৰো গাত যেন তৎ নোহোৱা হ'ল। প্ৰত্যাশেটো প্ৰাচীক ডাঙি গোটেই ঘৰটো এপাক ঘূৰাই দিলে। 'পেলাই মাৰিব খুজিছা ছোৱালীজনীক'— সেইবুলি খুড়ীয়েকে ধমক দিলতহে সি তাইক নমাই দিলে। সাধাৰণতে গহীন দেউতাকে সেইদিনা আনন্দ কৰিছিল। খবৰ ল'বলৈ অহা ওচৰৰ আলহী লগত মনখুলি কথা পাতিছিল। তাইক সুধিছিল-- মাইনু তোমাক কিবা লাগিব নেকি? তাই একো ক'বলৈ নাপাওঁতেই ওচৰতে থকা প্ৰত্যাশে টপকৈ কৈছিল, "দেউতা চীয়ে মোক কেইবাদিনৰ পৰা ম'বাইল এটাৰ কথা কৈ আছে। তাইক ম'বাইল এটাকে দিবা।" দেউতাক আঁতৰি যোৱাৰ পাছত প্ৰত্যাশে প্ৰাচীক কাণে কাণে কৈছিল, "ম'বাইল এটা হ'লেহে ৰাজকুমাৰৰ লগত কথা পাতিবলৈ ভাল পাবি। নহ'লে লেণ্ডফোনত দীঘলীয়া লেকচাৰ দিলে ককাই তোৰ টিকনি চিণ্ডিব।" প্ৰাচীয়ে প্ৰত্যাশক মাৰিবলৈ খেদি গৈছিল।

আবেলি মুনদাই ফ'ন কৰিছিল। মুন মানে নিহাৰ, প্ৰাচীৰ খুড়াক-খুড়ীয়েকৰ একমাত্ৰ সন্তান। যোৰহাট ইঞ্জিনীয়াৰিং কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। নিহাৰ আৰু প্ৰত্যাশ একে বয়সৰে। প্ৰত্যাশতকৈ নিহাৰ মাত্ৰ দুমাহৰ সৰু। ফ'নটো খুড়াকে প্ৰাচীক দিয়াৰ পাছতে তাৰ হুলস্থুল আৰম্ভ হৈ গ'ল— অ'ই টিকলি তোৰ উৎপাত বেছি হৈছে। ৰ' মোক যাবলৈ দে তোৰ মজা উলিয়াম। মায়ে-দেউতাই এনেও মোতকৈ তোকহে বেছি মৰম কৰে। তাতে এতিয়া মোতকৈও বেছি ভাল ৰিজাল্ট কৰিলি। ঘৰত এতিয়া আৰু মোৰ পাত্তা হ'বনে? প্ৰাচীয়ে একো নমতা দেখি নিহাৰে ক'লে— অ'ই ভেমত একেবাৰে মুখেৰে মাত নোলোৱা হ'ল নেকি? নিহাৰে কিন্তু প্ৰাচীৰ মাত নোলোৱাৰ কাৰণ ঠিকেই

বুজিছিল। নিহাৰ সাধাৰণতে অলপ চাপৰ। আনহাতে প্ৰাচী দীৰ্ঘদেহী। তাতেই তাৰ খং প্ৰাচীলৈ। প্ৰাচীহে হেনো প্ৰয়োজনতকৈ বেছি ওখ। সেই খংৰ পোতক তোলে সি প্ৰাচীক টিকলি বুলি জোকাই আৰু টিকলি বুলি মাতিলেই প্ৰাচীৰ বিৰাট খং উঠে। প্ৰাচীয়ে এটা শব্দ কৰি ফ'নতে তাক জিভাখন সিয়াৰি দিলে। নিহাৰে হো-হোৱাই হাঁহি দি ক'লে। চি- শুন কাইলৈ মই যাব নোৱাৰিম। কলেজত চেমিনাৰ এখন আছে। মিশ্ৰ ছাৰৰ কাৰা হুকুম– 'চেমিনাৰ মাছ বি এটেণ্ড'। দেওবাৰেহে মই যাম।

ৰিজাল্ট দিয়াৰ পিছদিনা প্ৰাচীৰ দেউতাক আৰু ককায়েক ওভটি গ'ল ঘৰলৈ। প্ৰথমে দেউতাক যাব খোজা নাছিল। প্ৰত্যাশ তেতিয়া গুৱাহাটীৰ মেডিকেল কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। দেউতাকে কৈছিল– কমল কাকাক লৈ প্ৰত্যাশ যাওঁকগৈ। প্ৰাচীৰ এড্‌মিশ্যনৰ কাম হোৱালৈকে তেওঁ ডিব্ৰুগড়তে থাকি যাব। খুড়াকে ক'লে "মই কি মাইনুৰ দেউতাক নহয়? কিয় তাইৰ এড্‌মিশ্যনৰ কামখিনি মই কৰিব নোৱাৰিম নেকি? তাৰোপৰি তোৰ ইউনিভাৰচিটিয়ে জানো ইমান দিন ছুটি দিব?" আইতাকেও ক'লে ঘৰৰ পৰা অহা-যোৱা কৰি ক্লাছ কৰিবলৈ প্ৰত্যাশৰ কষ্ট হ'ব– অৱশেষত দেউতাকহঁত গ'লগৈ।

ঃঃঃঃঃঃঃঃঃঃঃঃ

কিমান মধুৰ দিন আছিল সেইবোৰ। তাইৰ উদাসীনতাৰ পৃথিৱীলৈ সি যেন এছাটি জোনাক সিঁচি সোমাই আহিছিল........

প্ৰ......বা......হ......ন........!!

দেওবাৰে পুৱা সোনকালেই নিহাৰ পালেহি। লগত লৈ আহিছিল একেলগে পঢ়া, তাৰ ৰূমমেট ঋষিত আৰু প্ৰবাহনক। সেইদিনাই প্ৰবাহনক প্ৰাচীয়ে প্ৰথম দেখিছিল। প্ৰবাহন গহীন আৰু শান্ত স্বভাৱৰ আছিল। সেয়ে খুড়ীয়েকে হাঁহি হাঁহি কৈছিল– প্ৰবাহন তুমি এই অঘাইটং কেইটাৰ লগ কেনেকৈ হ'বলৈ পালা? ঋষিতে টপকৈ কৈছিল– আণ্টি, ফ্ৰেণ্ডশ্বিপ মে দিল কী বাট হ্যেয়।

তাৰ দুমাহমানৰ পাছত বহাগ বিহুৰ বন্ধত প্ৰবাহন আকৌ আহিছিল নিহাৰৰ লগত। সি ওলোৱা দেখি হেনো ঋষিতে কৈছিল, 'এইহেন ৰঙালী বিহুটোত পিতৃ-মাতৃৰ একমাত্ৰ সন্তান হৈ আমাৰ কলীয়া দেখোন ঘৰলৈ নগৈ ক'ৰবালৈহে যাবলৈ ওলাল। এবাৰ গৈয়ে লাইন লাগিলেই নেকি?' প্ৰবাহনৰ গাৰ ৰং মিঠা বৰণৰ। ঋষিত আৰু নিহাৰৰ তুলনাত সি অলপ ক'লা- - সেয়ে এই নাম। ঘৰলৈ আহি নিহাৰে ঋষিতে কোৱা কথাষাৰ প্ৰবাহনৰ আগতে প্ৰাচীক কৈ দিছিল। প্ৰাচীৰ ওঠেৰে হাঁহিৰ এটা পাতল ঢৌ বাগৰি গ'ল।

ইয়াৰ পাছতো কেইবাবাৰো নিহাৰৰ লগত আহিছিল প্ৰবাহন।

প্ৰবাহনে মাজে মাজে ফ'ন কৰিছিল প্ৰাচীলৈ। নিহাৰৰ লগৰ হিচাপেই ফ'ন কৰা বুলি ধৰি লৈছিল প্ৰাচীয়ে। বিজ্ঞানৰ ছাত্ৰ যদিও প্ৰবাহন সাহিত্যনুৰাগী আছিল। সেয়ে প্ৰাচীয়েও তাৰ লগত কথা পাতি ভাল পাইছিল। কাৰণ সাহিত্যৰ প্ৰতি তাইৰ ভীষণ দুৰ্বলতা। তাৰ লগত তাই বিভিন্ন গল্প, উপন্যাস আদিৰ কথা পাতিছিল।

প্ৰাচীয়ে সেইবাৰ H.S.ফাইনেল পৰীক্ষা দি উঠিছিল। দেউতাকে তাইক একেবাৰে ঘৰলৈ লৈ যোৱাৰ কথা ককাক খুড়াকহঁতক কৈছে। খুড়াকহঁতৰ তাইক পঠাবলৈ মন নাছিল যদিও বেছি জোৰো নকৰিলে। ছয় বছৰ বয়সৰ পৰা প্ৰাচী তেওঁলোকৰ লগত থাকিল। দেউতাকো তাত অকলশৰীয়া। প্ৰত্যাশো হোষ্টেলত থাকে।

এই কথাটো জানিব পাৰি প্ৰবাহনে প্ৰাচীলৈ ফ'ন কৰিছিল। সাধাৰণ খবৰ লোৱাৰ পাছত প্ৰবাহনে প্ৰাচীক কৈছিল–

ঃ তোমাক কথা এটা ক'ব লগা আছিল।

ঃ কওঁকচোন কি কথা

ঃ নহয় মানে........

ঃ কওঁক আকৌ। প্ৰাচীৰ উৎসুকতা বাঢ়িছিল।

ঃ .............

ঃ ...........

ঃ S.M.S কৰি দিওঁ। প্ৰবাহনৰ মাতটো অলপ কঁপিছিল। প্ৰাচী আচৰিত হৈছিল।

ঃ ...............

ঃ I Love U. Do U Love Me.........?

-- প্ৰাচী নিৰৱ হৈ ৰৈছিল। প্ৰবাহনৰ সৈতে কথা-বতৰা পাতি তাই ভাল পায়। অনুভূতিপ্ৰৱণ ভাৱপ্ৰৱণ সি। কিন্তু কোনোদিন এনেধৰণৰ একোভাৱ তাইৰ মনলৈ অহা নাই। প্ৰবাহনে পুনৰ কিবা এটা ক'ব খুজিছিল, প্ৰাচীয়ে কানেকচন কাটি দিলে।

ঘৰলৈ গৈ প্ৰাচীয়ে ইংৰাজী সাহিত্যত মেজৰ লৈ কটন কলেজত নামভৰ্ত্তি কৰে। মেট্ৰিক পাছ কৰাৰ পাছত দেউতাকে তাইক Scienceত পঢ়িবলৈ কৈছিল। কিন্তু প্ৰাচীয়ে ইচ্ছা নকৰিলে। সৰুৰেপৰা তাইৰ ইচ্ছা ইংৰাজী সাহিত্যত M.A কৰাৰ। তাৰপাছত দিল্লী ইউনিভাৰচিটিত মাচকম পঢ়াৰ। দেউতাকেও জোৰ নিদিলে। দেউতাকে সদায় সিহঁতৰ ইচ্ছা-অনিচ্ছাক গুৰুত্ব দিয়ে।

প্ৰথম কেইদিনমান প্ৰাচীৰ খুওব অকলশৰীয়া যেন লাগিছিল। ইতিমধ্যে তাইক থবলৈ অহা খুড়াক-খুড়ীয়েক আৰু আইতাক ডিব্ৰুগড়লৈ ওভতি গৈছিল। প্ৰত্যাশো তেতিয়া হোষ্টেলত। পিছলৈ অৱশ্যে তাইও হোষ্টেলত থাকিবলৈ ল'লে। তাইৰ নিঃসংগতাৰ কথা অনুভৱ কৰিয়েই দেউতাকে তাইক হোষ্টেলত থৈছিল।

B.A. Part-Iৰ পৰীক্ষাৰ শেষত প্ৰাচী খুড়াকহঁতৰ ঘৰলৈ গ'ল। চেমিষ্টাৰ ব্ৰেকত নিহাৰো ঘৰত আছিলহি। এদিন আবেলি নিহাৰৰ লগত প্ৰাচী এনেয়ে ওলাই গ'ল।

ঃ চী।

ঃ ওঁ

ঃ প্ৰবাহনক তই কিবা ক'লি নেকি?

প্ৰবাহনৰ নামটো শুনিয়েই প্ৰাচীৰ বুকুখন ঢকঢকৈ উঠিল।

ঃ নাইটো, মই আকৌ কি ক'ম!

ঃ নহয় মানে তোলৈ আগতে সি মাজে মাজে ফোন কৰে। এতিয়া নকৰা হ'ল। আকৌ তোৰ ৰিজাল্ট ওলাওঁতে আমাৰ ঘৰলৈ লগ ধৰোতে নাহিল। আগতে সি মই লগ ধৰিলে এবাৰো নহাকৈ নাথাকে।

ঃ তোমাৰ বন্ধু, তুমিহে জানিবা কি হ'ল; মই কি জানো। কথা কেইটা কওঁতে প্ৰাচী লাগি লাগি ধৰিছিল।

ঃ চী! নিহাৰে তাইৰ মুখলৈ পোনপটীয়াকৈ চাই পঠালে

ঃ ............। প্ৰাচীয়ে তলমূৰ কৰিলে।

ঃ সঁচা কচোন চী, তই কিবা ক'লি নেকি?

— প্ৰাচীয়ে তেতিয়া কথাবোৰ কৈছিল নিহাৰৰ আগত। কেৱল প্ৰবাহনে যে এতিয়াও মাজে মাজে ফ'ন কৰে কিন্তু তাই নকৰি কাটি দিয়ে সেই কথা নক'লে।

ঃ তই কি তাক ভাল নাপাৱ?

ঃ .........

ঃ মোক আচলতে ঋষিতে কথাটো কৈছিল। এদিন মই প্ৰবাহনক নিশা হোষ্টেলৰ ছাদত অকলে বহি থকা দেখি ওচৰলৈ গৈ সুধিছিলো কি হ'ল। সি কথা সলালে। ইয়াৰ পাছতো মই আৰু কেইদিনমান দেখিছো তাক তেনেদৰে। আমি ইটোৱে সিটোৰ পৰা সাধাৰণতে একো কথা লুকুৱাই নাৰাখো। সেয়ে মই অলপ আচৰিত হৈছিলো। কিন্তু পিছত মই ঋষিতক সুধিলত ক'লে এই কথা।

ৰাতি সকলো শোৱাৰ পিছত প্ৰাচী বাৰাণ্ডাৰ চকীত বহিলহি। "তই কি প্ৰবাহনক ভাল নাপাৱ?"— নিহাৰৰ প্ৰশ্নটো আকৌ মনলৈ আহিল প্ৰাচীৰ। প্ৰবাহনক তাই ভাল পায় পেলাইছে নেকি বাৰু! আজিকালি তাইৰ উদাস নিঃসংগ মুহূৰ্তবোৰত প্ৰায়ে অন্তৰংগ বান্ধৱী মেজৰমেট নিশিক কৈছিল। "প্ৰকৃততে তইও প্ৰবাহনক ভাল পাৱ। তই উত্তৰটো দি নিদিয় কিয়?"....... নিশিয়ে কৈছিল।

প্ৰাচীয়ে বহুদিনৰ পিছত প্ৰবাহনৰ নাম্বাৰটো ডায়েল কৰিলে। কিন্তু কিবা এক লজ্জা-সংকোচত ৰিচিভ নকৰোতেই তাই কাটি দিলে। অলপ পাছতে তাইৰ ম'বাইলটো বাজি উঠিল। নামটো চায়ে দেখে— 'প্ৰবাহন'। তাই পুনৰ কাটি দিয়ে। "Do you tell me anything?" — মেছেজটো সংকেটৰ লগতে প্ৰবাহনৰ নামটো স্কিনত জিলিকি উঠে। প্ৰাচীয়ে লিখি দিয়ে I Love You...........।

পিছলৈ কথাটো খুড়ীয়েক আৰু প্ৰত্যাশেও জানিছিল। নিহাৰেই কৈছিল তেওঁলোকক শেষলৈ খুড়াক আৰু দেউতাকেও।

প্ৰবাহন খুউব অনুভূতিশীল আছিল। তাই নোকোৱাকৈয়ে সি তাইৰ প্ৰতিটো অনুভূতি অনুভৱ কৰিব পাৰিছিল। ফ'নতেই বিভিন্ন কথা কৈছিল সি। সি প্ৰায়ে কৈছিল তাই হেনো খুউব ইম'চনেল। "তোমাৰ ভাৱনাক সৃষ্টিত লগোৱা, তুমি পাৰিবা।" সি তাইক কৈছিল। তাৰ প্ৰেৰণাতে লিখা তাইৰ দুটামান গল্প, কবিতা কেইখনমান আলোচনীত প্ৰকাশ হৈছিল। সি আহি যেন তাইৰ উদাসী পৃথিৱীখন জোনাকেৰে বৰ্ণিল কৰি তুলিছিল। কিন্তু.......... আ! তাইৰ পৃথিৱীখন জোনাকেৰে আলোড়িত কৰি তোলা জোনটোৱেই যে এদিন নোহোৱা হৈ গৈছিল...........

আহ! সেই দিনটো...............! সেইদিনা প্ৰাচীৰ বি.এ লাষ্ট ইয়েৰৰ পৰীক্ষা শেষ হৈছে। পৰীক্ষা হ'লৰ পৰা ওলাই নিশি আৰু তাই হোষ্টেললৈ আহি থকা বাটত তাই প্ৰবাহনলৈ ফ'ন কৰিছিল।

নিশিও গুৱাহাটীৰে ছোৱালী। কিন্তু ঘৰৰ পৰা কলেজলৈ অলপ দূৰ হোৱা বাবে হোষ্টেলত থাকিছিল।

বহু দেৰি ৰিং হৈ ফ'নটো কানেকশ্যন কাট খাই গ'ল। তাই চুইছটো টিপি ৰি-ডায়েল কৰিলে। এইবাৰ অলপ দেৰি ৰিং হোৱাৰ পাছত ফ'নটো ৰিচিভ কৰিলে। কিন্তু পুৰুষৰ পৰিৱৰ্তে নাৰীৰ কণ্ঠস্বৰ শুনি প্ৰাচীয়ে অনুমান কৰিলে— সেয়া প্ৰবাহনৰ মাক। প্ৰবাহনে তাইৰ কথা মাকক কোৱা বুলি এদিন তাইক কৈছিল আৰু মাকে হেনো দেউতাককো কৈছিল। কিন্তু আজিলৈকে তাই তেওঁৰ লগত কথাপাতি পোৱা নাই। প্ৰবাহন চাগে' আঁতৰত আছে— প্ৰাচীয়ে ভাবিলে।

ঃ মা। তাই মাতিছিল।

— সিটো মূৰৰ পৰা এটা উচুপনি ভাঁহি আহিছিল। প্ৰাচী আচৰিত হ'ল। কি হৈছে মা? তাই উদ্বিগ্ন হৈ সুধিছিল।

উত্তৰত যিষাৰ কথা শুনিছিল প্ৰাচীৰ হাতৰ পৰা ম'বাইলটো সৰি পৰিছিল। নিশিয়ে ধৰিছিল যদিও সম্পূৰ্ণৰূপে পৰি নোযোৱাকৈ তাইক ৰাখিব নোৱাৰিব। আগে পিছে গৈ থকা দুটামান ল'ৰা-ছোৱালীয়ে ধৰা-ধৰিকৈ প্ৰাচীক হোষ্টেললৈ লৈ গৈছিল। নিশিয়েই প্ৰত্যাশ আৰু দেউতাকলৈ ফ'ন কৰিছিল। প্ৰত্যাশ তেতিয়া মেডিকেলতে আছিল। পঢ়া শেষ হোৱাৰ পিছত এমাহৰ আগতে মেডিকেলতে তাৰ পষ্টিং হৈছিল। প্ৰত্যাশেই প্ৰথমে গৈ প্ৰাচীক মেডিকেললৈ লৈ আনিছিল।

ব্লাড কেন্সাৰ হৈছিল প্ৰবাহনৰ। বেমাৰ ধৰা পৰোতেই বহু পলম হৈছিল। মাক-দেউতাকে বাহিৰলৈ নিব বিচাৰিছিল যদিও ডাক্তৰে প্ৰয়োজন নাই বুলি ক'লে। প্ৰবাহনে কিন্তু এই কথা প্ৰাচী, নিহাৰ কাকো কোনোদিন কোৱা নাছিল। পৰীক্ষাৰ বাবে এমাহমান তেনেকৈ ফ'নো কৰা নাছিল তাইলৈ সি। পিছতহে প্ৰাচীয়ে বুজিছিল চিকাগোত চাকৰি পোৱা পিছতো সি কিয় যোৱা নাছিল।

ইয়াৰ পিছত প্ৰবাহনৰ মাকে এদিন প্ৰাচীক ফ'ন কৰি তাইক এবাৰ তেওঁলোকৰ ঘৰলৈ মাতিছিল। খুড়ীয়েক আৰু নিহাৰৰ লগত তাই গৈছিল শিৱসাগৰত থকা প্ৰবাহনৰ ঘৰলৈ।

প্ৰবাহনৰ মাকে তাইক এটা শুধ বগা কাগজেৰে মেৰাই থোৱা পেকেট দিছিল। "মৃত্যুৰ আগে আগে মোক এইটো দি কৈছিল তোমাক দিবলৈ"— প্ৰবাহনৰ মাকে কান্দোনটো চেপি ৰাখি কোনোমতে কথাকেইটা কৈছিল। ঘৰলৈ আহি তাই পেকেটটো খুলি চাইছিল— তাইৰ এখন স্কেচ আৰু কেইশাৰীমান কবিতা-

হৃদয়ৰ চুক্তি ভাঙি
আজি মই পলৰীয়া
ওখোৰা মোখোৰা জীৱনৰ বাটত
আগুৱাই নিম বুলি ভাবিছিলো
আলফুলে...........
কিন্তু...........
ময়ে যে নোৱাৰিলো...........
তিষ্ঠিব...........
সেই বাটত...........

প্ৰাচীৰ আকাশৰ পৰা জোনটো যেন নোহোৱা হৈ গৈছিল। তাই একেবাৰে চুপ হৈ গৈছিল। প্ৰত্যাশে কিমান কষ্ট কৰিছিল তাইক সুস্থ কৰি ৰাখিবলৈ। আৰু নিশি—— ইউনিভাৰ্চিটিৰ দুটা বছৰ প্ৰায় তাইৰ ছাঁটোৰ দৰে থাকিছিল নিশি। ভাগ্যে সিহঁত দুয়োজনী একেটা হোষ্টেলতে পৰিছিল। দেউতাকেও হোষ্টেললৈ গৈছিল তাইৰ খবৰ লবলৈ

সকৰে পৰা প্ৰাচীৰ দিল্লী ইউনিভাৰ্চিটিত মাচকম কৰাৰ ইচ্ছা আছিল যদিও এম.এ কৰাৰ পাছত তাই পঢ়িবলৈ নাযাওঁ বুলি কৈছিল। কিন্তু দেউতাক আৰু প্ৰত্যাশে তাইক জোৰ কৰি পঠাই দিয়ে। দিল্লীলৈ প্ৰত্যাশৰ বন্ধু সুধীৰ দিল্লীৰ এটা মাল্টিনেশ্যনেল ক'ম্পেনিৰ একজিউকেটিভ ইঞ্জিনিয়াৰ। তাৰ সহায়তে প্ৰাচীৰ এডমিশ্যনৰ কামবোৰ কৰিলে। সুধীৰ আৰু প্ৰত্যাশ পঞ্চম শ্ৰেণীৰ পৰাই বৰ্ডিং স্কুলত একেলগে পঢ়া। হায়াৰ ছেকেণ্ডাৰী পাছ কৰাৰ পাছত অৱশ্যে দুয়োটাৰে এৰা-এৰি হয়। প্ৰত্যাশে মেডিকেল কলেজত নামভৰ্ত্তি কৰে আৰু সুধীৰে দিল্লীত B.B.Aকৰিবলৈ যায়। B.B.A কৰাৰ পাছত তাতে M.B.Aও কৰে। হ'লেও দুয়োৰে মাজত যোগাযোগ আগৰ দৰেই থাকিল। তাৰোপৰি সুধীৰৰ দেউতাক আৰু প্ৰত্যাশৰ দেউতাক দুয়োজনে গুৱাহাটী ইউনিভাৰচিটিত অধ্যাপনা কৰে। দুয়োজন কলিতা। সেই হিচাপেও দুয়োখন ঘৰৰ সম্পৰ্ক আছে।

প্ৰাচীক থৈ অহাৰ দিনা প্ৰত্যাশে সুধীৰক কৈছিল—

ঃ দিল্লীত তোৰ বাহিৰে চিৰ আৰু চিনাকি মানুহ নাই, তইয়ে তাইৰ খবৰ ৰাখিবি।

ঃতোৰ ভনীয়েৰ যেতিয়া প্ৰাচী মোৰো ভন্টি। তই চিন্তা কৰিব নালাগে। যা।

এই সুধিৰেই এতিয়া প্ৰাচীৰ বিয়াৰ প্ৰস্তাৱ দিছে ককায়েক প্ৰত্যাশৰ আগত। এই কথা জানিব পাৰি তাই সুধিৰক কৈছিল তাইৰ সকলো কথা। কিন্তু সিয়ো প্ৰত্যাশৰ দৰে তাইক বুজনিহে দিলে। তদুপৰি সুধীৰে কথাবোৰ আগতেই প্ৰত্যাশৰ পৰা জানিছিল। সুধীৰৰ দেউতাক-মাকেও যোৱা বছৰেই এই প্ৰস্তাৱ দিছিল প্ৰাচীৰ দেউতাকৰ আগত। দেউতাকে কিন্তু সিহঁতক তেতিয়া এই কথা কোৱা নাছিল। দেউতাকে তেওঁলোকক ক'লে— তাই পঢ়ি আহকচোন। তাৰোপৰি তাইৰো ইচ্ছা-অনিচ্ছাৰ কথা আছে। প্ৰকৃততে দেউতাকে হয়তু তাইৰ মানসিক অৱস্থাৰ কথা অনুমান কৰিব পাৰিছিল। কিন্তু দেউতাকৰ আকস্মিক মৃত্যুত কথাটো তল পৰি গ'ল।

তেতিয়া প্ৰাচী দিল্লীতে। ইউনিভাৰচিটিৰ পৰা আহি দেউতাকে সদায় একাপ নেমু দিয়া ফিকা চাহ খায়। সেইদিনাও কমল কাকাই দেউতাকক চাহ কাপ দিবলৈ আহোঁতেই দেউতাকে ক'লে, "এতিয়া চাহ খাবলৈ মন যোৱা নাই। গাটো অলপ বেয়া লাগিছে মই অলপ শোওঁগৈ"— এই বুলি উঠি যাওঁতেই দেউতাক পৰি যায়।— কমল কাকাই ধৰিবলৈ নাপালেই। কমল কাকাই লৰালৰিকৈ প্ৰত্যাশলৈ ফ'ন কৰে। কিন্তু প্ৰত্যাশ আহি নাপাওঁতেই...........

প্ৰাচীৰ দুগালেদি চকুলো বৈ গ'ল।

ooooooooo

চৰাইটোৰ ঠোঁটত ওলমি থকা আপেল আকৃতিৰ কণমানি ৱালঘড়ীটোৰ মধুৰ সংগীতত প্ৰত্যাশৰ টোপনি ভাগিল। ঘড়ীলৈ চায় দেখে তিনি বাজিল। ষ্টাডি ৰূম অতিক্ৰম কৰি প্ৰত্যাশ বেলকনিলৈ আগবাঢ়িল। বেলকনিৰ চকীত প্ৰাচী তেতিয়াৰে পৰা বহি আছে। তাৰ এটা হুমুনিয়াহ ওলাই আহিল।

ছয় বছৰ বয়সতে মাক, তাৰ পাছত প্ৰবাহমানক, আকৌ যোৱা বছৰ প্ৰেছাৰ ষ্ট্ৰকত হঠাৎ দেউতাক হেৰুৱাৰ পাছতে প্ৰাচী একেবাৰে ভাগি পৰিছিল। কিমান কষ্ট হৈছিল ভনীয়েকক সুস্থ কৰি ৰাখিবলৈ প্ৰত্যাশৰ। কিন্তু তাৰো জানো কম কষ্ট হৈছিল। একমাত্ৰ ভনীয়েকক সুস্থ কৰি ৰাখিবলৈকে সি স্বাভাৱিক হৈ থকাৰ অভিনয় কৰিব লগা হৈছিল। ককায়েকটো হৈ যদি সি ভাগি পৰে তাৰ ভনীয়েক জীয়াই থাকিব কেনেকৈ। সৰুৰে পৰা সি যে প্ৰাচীক অত্যন্ত ভাল পায়।

হুমুনিয়াহৰ মৃদু শব্দত প্ৰাচীয়ে ঘূৰি চাই দেখে ককায়েক পিছফালে ৰৈ আছে।

তাই দুগালৰ চকুলো মচি ল'লে।

ঃ তই ইয়াতে বহি থাকিলি চী।

ঃ ...............,

ঃ ৰাতিপুৱাবলৈ বেছি সময় নায়েই, আহ শুই থাকহি।

প্ৰত্যাশৰ পিছে পিছে প্ৰাচী ভিতৰলৈ সোমাই গ'ল।

নিজৰ ৰূমত সোমাই প্ৰাচীয়ে লাইটটো অফ কৰি পাতল সেউজৰঙী ডিম্ লাইটটো জ্বলাই ল'লে। তাৰ পাছত তাই কাপোৰ সাজ নসলোৱাকৈয়ে বিচনাত বাগৰ দিলে। কাইলৈ সুধীৰৰ মাক-দেউতাক আহিব। ককায়েকে বৰ আশা

কৰিছে তাৰ একান্ত বন্ধুৰ আশা পূৰণ হোৱাৰ লগতে তাইৰো জীৱনটো অলপ ৰঙীন হওঁক। কিন্তু.......... কিন্তু তাই পাৰিবনে প্ৰবাহনক পাহৰি যাব! এজনৰ স্মৃতি বুকুত বান্ধি আন এজনক গ্ৰহণ কৰিলে। তেওঁক প্ৰতাৰণা কৰা নহ'বনে? তাৰোপৰি তাৰোপৰি তাই কেতিয়াও প্ৰবাহনক, প্ৰবাহনৰ স্মৃতিক অৱমাননা কৰিব নোৱাৰে।

— চিন্তাৰ মাজতে প্ৰাচীৰ দুচকুলৈ তন্দ্ৰা নামি আহিল। চিলমিলিয়া টোপনিত তাই দেখিলে— এখন সেউজীয়া বননিত তাই বহি আছে। হঠাৎ সেই ঠাইত প্ৰবাহনক দেখি তাইৰ দুচকুৰে আনন্দৰ ঢৌ বাগৰি গ'ল। তাই হাত মেলি তাক স্পৰ্শ কৰিবলৈ বিচাৰিলে। সি হাঁহি হাঁহি আঁতৰি গ'ল। তাই তাক দৌৰি খেদি গ'ল কিন্তু তাক ধৰিব নোৱাৰিলে দৌৰি যাওঁতে প্ৰবাহন এডোখৰত অদৃশ্য হৈ গ'ল। তাই সমস্ত শক্তিৰে তাক চিঞৰিলে প্ৰ......বা.........হ........ন..........

প্ৰাচী খকমককৈ সাৰ পালে। খিড়িকীৰ স্বচ্ছ কাচেদি পুৱাৰ কোমল পোহৰ সোমাই আহিছে তাই খিড়িকীখন খুলি দিলে। আহিনৰ কুঁৱলীসনা সেমেকা বতাহে তাইক লাহেকৈ স্পৰ্শ কৰিলেহি। কুঁৱলীৰ চাদৰে পৃথিৱীখন শুভ্ৰতাৰে ঢাকি থৈছে। প্ৰাচী দুৱাৰ খুলি ওলাই আহিল। কাষৰ ৰুমত ককায়েক এতিয়াও নিদ্ৰামগ্ন। তাই চিৰিয়েদি ড্ৰয়িংৰুমলৈ নামি আহিল। ষ্টৰ ৰুমৰ কাষৰ ৰুমটোৰ দুৱাৰখন বন্ধ। কমল কাকা উঠা নাই। প্ৰাচীৰ দেউতাকৰ এবছৰ হওঁতেই কমল কাকাক আনিছিল কাকাকে ঘৰুৱা কাম-বন কৰিবলৈ। তেতিয়া কমল কাকাৰ বয়স ১০-১২ বছৰ। এতিয়া চাগৈ ৭১-৭২ বছৰমান হ'ব পায়। প্ৰাচীৰ মাক ঢুকাওঁতে দেউতাকে কমল কাকাক সিহঁতৰ ঘৰলৈ লৈ আহিছিল।

ড্ৰয়িং ৰুমৰ দুৱাৰ খুলি প্ৰাচী বাহিৰৰ ল'নলৈ ওলাই আহিল। প্ৰাচী পুৱা সদায় সোনকালে উঠে। সৰুৰে পৰা এই অভ্যাস। ৰাতি শোৱা দেৰি হওঁতে পুৱা তাই সোনকালে উঠিবই। আজিও ৰাতি টোপনি ক্ষতি যদিও তাইৰ অলপো দুৰ্বল দুৰ্বল লগা নাই, চকুকেইটা মাত্ৰ অলপ পুৰিছে।

প্ৰাচী ফুলনিৰ এমূৰে থকা শেৱালীজোপাৰ তল পালেগৈ। এবাৰ ডিব্ৰুগড়লৈ যাওঁতে খুড়াকহঁতৰ ঘৰৰ পৰা পুলিটো আনি ৰুইছিল তাই। শেৱালী তাইৰ প্ৰিয় ফুল। সদায় পুৱা তাই একাজলি শেৱালী বুটলি তাইৰ ৰিডিং ৰুমৰ টেবুলত থয়গৈ- - প্ৰাচীয়ে অন্যমনস্ক ভাৱে এপাহ শেৱালী বুটলি ল'লে— পাৰিবনে পাৰিবনে তাই প্ৰবাহনক পাহৰি যাব। প্ৰবাহনৰ স্মৃতি বুকুত বান্ধি সুধীৰক আদৰি লোৱা সম্ভৱ হ'বনে? ওঁহো তাই কেতিয়াও নোৱাৰে.....

ঃ মাইনু চৰ্দি লাগিব ভিতৰলৈ যোৱা।

কেতিয়ানো তাই নিয়ৰত তিতা দুবৰিতে বহি পৰিছিল প্ৰাচীয়ে গমেই পোৱা নাছিল।

ঃ কমল কাকা উঠিলা। দাদা উঠিলনে?

ঃ ওঁ। উঠিল।

প্ৰাচীয়ে কেইপাহমান শেৱালী বুটলিলৈ ভিতৰলৈ গ'ল। ইতিমধ্যে মীৰাবাই আহি কামত ধৰিছিল। মীৰাবাইৰ ঘৰ ওচৰৰ বস্তিত। দিনত প্ৰাচীহঁতৰ ঘৰত কাম কৰি ৰাতি ঘৰলৈ যায়গৈ। প্ৰত্যাশে আজি দিনটোৰ কাৰণে খুড়াক-খুড়ীয়েকক মাতিব খুজিছিল, প্ৰাচীয়ে মাতিবলৈ নিদিলে। তাই জানে তাই কেতিয়াও এই বিয়াত সন্মতি নিদিয়ে। তাৰোপৰি ককাক-আইতাক ঢুকুৱাৰ পাছত ঘৰত থৈ আহিবলৈও মানুহ নাই। নিহাৰো থাকে নুমলিগড়ত। নুমলিগড় ৰিফাইনেৰীত কেইমাহমানৰ আগতে তাইৰ পষ্টিং হৈছে। প্ৰাচীয়ে নিশিকে মাতিছে ন-মান বজাত পোৱাকৈ। নিশি স্থানীয় কলেজ এখনত সোমাইছে নতুনকৈ। পষ্টটো পাৰমেনেন্ট হোৱা নাই এতিয়াও। আজি দেওবাৰ বাবে বন্ধ আছে।

নিশিয়ে প্ৰত্যাশক ভাল পায় একপক্ষীয় ভাৱে। প্ৰাচীয়ে কথাটো গম পাইছিল ইউনিভাৰচিটিত পঢ়ি থাকোতে। এদিন কিবা নোট এটা বিচাৰি নাপাই প্ৰাচীয়ে টেবুলতে ওলাই থকা নিশিৰ নোটবুকখনত পায় নেকি চাইছিল। নিশি তেতিয়া বাথৰুমত। নোট বুকখনৰ মাজত এটুকুৰা সৰু কাগজত ভাজ হৈ থকা পাই প্ৰাচীয়ে মেলি চাইছিল। তেতিয়াই প্ৰাচীয়ে কথাটো আৱিষ্কাৰ কৰিছিল। কাগজখিলাত বেলেগ ধৰণত লিখা তিনিটা নাম— প্ৰত্যাশ। কাগজৰ এটা চুকত লিখা আছে— my love। প্ৰাচীয়ে কাগজ টুকুৰা বহীখনত ভৰাই আগৰ ঠাইত বহীখন থৈ দিছিল। নিশিয়ে নিজে নোকোৱাকৈয়ে নিশিক তাই একো নোসোধে— প্ৰাচীয়ে ঠিক কৰিছিল। পিছে কেইদিনমানৰ আগতে তাইৰ আৰু এটা সন্দেহ হৈছিল। প্ৰত্যাশেও হয়তু নিশিক ভাল পায়। এদিন ধেমালিতে প্ৰাচীয়ে প্ৰত্যাশক কৈছিল- -

ঃ দাদা বিয়াখন পাতা আৰু।

ঃ কিয়? বৰ অভিভাৱক ওলাইছ দেখোন।

ঃ নহয় অ'। অকলে অকলে থাকি ঘৰটোত অশান্তি লাগিছে। কাজিয়া কৰিবলৈকে বৌ এজনী লাগে

ঃ অ' সেই কথা। কিন্তু পাত বুলি ক'লেই নহ'ব নহয়; আজিলৈকে ছোৱালী এজনীকে থিক কৰি দিব নোৱাৰিলি। কিমান ক'লো লগৰ এজনীক থিক কৰি দে।

ঃ তই হ'ব বুলি ক'চোন। এতিয়াই ঠিক কৰি দিম।

ঃ আও মোৰ কাৰণে ছোৱালীৰ দীঘলীয়া লাইন লাগি আছে নেকি? ক'চোন নামটো শুনো—

ঃ জিন। প্ৰাচীয়ে কৈছিল। জিনাৰ নাম শুনিয়ে প্ৰত্যাশে প্ৰাচীক মাৰিবলৈ হাতখন দাঙি আহিল। হোষ্টেলত অভাৰ ৰোমাণ্টিক ৰূপে পৰিচিত জিনা। তাইৰ কথা ক'লেই প্ৰত্যাশৰ খং উঠে। এবাৰ প্ৰাচীৰ ওচৰলৈ যাওঁতে প্ৰত্যাশক তাইৰ সৈতে চিনাকি কৰি দিছিল প্ৰাচীয়ে। তাৰ পিছ দিনাই প্ৰাচীৰ আগত প্ৰত্যাশলৈ প্ৰপ'জেল দিছিল জিনাই।

ঃ নহয় ........... নহয় নিশি।

— নিশিৰ নামটো কোৱাৰ লগে লগে প্ৰত্যাশৰ কাণ দুখন ৰঙা পৰিছিল। প্ৰাচীয়ে কথাটো লক্ষ্য কৰিছিল।

প্ৰাচীয়ে ভাবিলে আৰু দুদিনমান বাট চাব। সিহঁত দুটাৰ এটাইও যদি একো নকয় তায়ে কথাটো সুধিব নিশিক।

প্ৰাচীয়ে ফুলখিনি টেবুলত থলেগৈ। তাৰপাছত তাই বাথৰূমত সোমাল।

সুধীৰৰ মাক-দেউতাক এঘাৰমান বজাত পালেহি। আগৰে পৰা ৰৈ থকা প্ৰত্যাশে তেওঁলোকক আনি বহালেহি। নিশিয়ে প্ৰাচীক সজাই দিলে। প্ৰাচীৰ প্ৰিয় ৰং আকাশী ৰঙৰ এখন শাৰী পিন্ধাই দিলে তাইক। প্ৰাচী কিন্তু নিৰুদ্বেগ। তাই কেৱল ভাবিছে সুধীৰৰ মাক-দেউতাকক এতিয়া তাই কি বুলি ক'ব। দেখুৱাব পৰাকৈ তেনেদৰে কোনো অজুহাতো নাই।

আবেলি তেওঁলোক গ'লগৈ। যাওঁতে সুধীৰৰ মাকে ক'লে, "চাকৰি কৰাৰ ইচ্ছা থাকিলে আমাৰ ঘৰতো গৈ কৰিব পাৰিবা। আমাৰ ঘৰতো তুমি ইয়াত থকাৰ দৰেই থাকিব পাৰিবা। তথাপি কিবা এটা নকৰালেকে যদি তোমাৰ বিয়াত বহিবৰ মন নাই, আমি দুবছৰ ৰৈ দিম।"— সুধীৰৰ মাকজনী বৰ মৰমিয়াল।

নিশিক থৈ আহিবৰ বাবে প্ৰাচীয়ে প্ৰত্যাশক পঠাই দিলে।

সকলো যোৱাৰ পাছত প্ৰাচী বেলকনিত বহিলগৈ— কিবা এটা চাকৰি হ'লেও তাই যে বিয়াত নবহে সেয়া ঠিক। ক'বলৈ একো বিচাৰি নাপাইহে তাই এই অজুহাতটো দেখুৱাইছিল। কিন্তু সুধীৰ। তাৰ কথা ভাবি তাইৰ বেয়া লাগে। সি বাৰু তাইকহে ভাল পাবলৈ বিচাৰি পালেনে? কিন্তু তাইক সদায় সেই স্মৃতিয়ে আচ্ছন্ন কৰি ৰাখে। যিমানে পাহৰিবলৈ চেষ্টা কৰে তাৰ স্মৃতিয়ে তাইক বেছিকৈ বেৰিহে ধৰে।

মীৰা বায়ে প্ৰাচীক যাওঁ বুলি ক'লেহি। ইতিমধ্যে সন্ধ্যা হৈছিল। তাই বেলকনিৰ পৰা উঠি ৰিডিংৰূমলৈ আহিল। ৰাতিপুৱা বুটলা শেৱালী কেইপাহ অলপ লেৰেলি গৈছে। প্ৰাচীয়ে ফুল এপাহ লৈ শুঙি চালে।

::::::::::::::::::::::

পিছদিনা পুৱা প্ৰাচীয়ে তেতিয়া কমল কাকাৰ লগত ফুলৰ টাব খুচৰি আছিল। এনেতে ম'বাইলটো বাজি উঠাত স্ক্ৰিনত চকু দি প্ৰাচীয়ে দেখে সুধীৰৰ দেউতাকে কল কৰিছে। পুৱাই ফ'ন কৰাত তাই অলপ আচৰিত হ'ল। তাৰোপৰি সুধীৰহঁতৰ ঘৰৰ পৰা সাধাৰণতে প্ৰত্যাশলৈকে ফ'ন কৰে। তাই ফ'নটো ৰিচিভ কৰে।

ঃ হেল্ল' খুড়া কওঁকচোন।

ঃ প্ৰত্যাশলৈ ফ'ন কৰিছিলো। ৰিচিভ নকৰিলে যে সি নাই নেকি?

ঃ অ' দাদা বাথৰূমত আছে।

ঃ সুধীৰৰ এক্সিডেণ্ট এটা হ'.......।

ঃ এক্সিডেণ্ট?!

ঃ অফিচলৈ ওলাই গৈছিল। — ছয় মাহমানৰ আগতে সুধীৰৰ টেন্সফাৰ হৈছিল। দিল্লীৰ অফিচৰ পৰা গুৱাহাটীৰ ব্ৰান্স মেনেজাৰ হিচাপে।

ঃ দোষটো ইয়াৰ গাতে। ৰৈ থকা ভান এখনতে খুন্দিয়াই দিলে। তাক ডাউন টাউন নাৰ্ছিংহোমতে থৈছো। প্ৰত্যাশক কথাটো ক'বা। তেওঁ কানেকশ্যন কাটি দিলে।

প্ৰাচী স্তব্ধ হৈ গ'ল। এক্সিডেণ্ট! 'এক্সিডেণ্ট' শব্দটো প্ৰাচীৰ মগজুত প্ৰতিধ্বনি হ'বলৈ ধৰিলে। তাইৰ কথা ভাবিয়েই সুধীৰ অন্যমনস্ক হৈ যোৱা নাছিলতো— যাৰ বাবে এই এক্সিডেণ্ট হ'বলৈ পালে।

— সৰু কালৰ এটা দৃশ্য প্ৰাচীৰ চকুৰ আগত ভাঁহি উঠিল। মৃত্যুশৰ্য্যাত থকা মাকৰ ৰক্তাক্ত মুখ। কেনেবাকৈ যদি সুধীৰৰ কিবা এটা হয়— প্ৰাচী সিয়ঁৰি উঠিল। তাইৰ চকুৰ আগত কেইবাখনো মৃত্যুশৰ্য্যাৰ মুখে দেখা দিলেহি— মাক, দেউতাক, ককাক-আইতাক, প্ৰবাহন........প্ৰবাহনকতো তাই সেই ৰূপত দেখাই নাপালে।

প্ৰাচী ওলাই গৈ গাড়ীত বহিল। তাৰ পাছত তাই নাৰ্ছিংহোমৰ অভিমুখে গাড়ী চলাই দিলে বেগেৰে।

::::::::::::::::::::::

জীৱন এখন বোৱতী নদী
কাৰো কথা নুশুনে ই
বৈ যায় আপোন মনে

প্ৰাচী ৰূমটোলৈ সোমাই আহিল। সুধীৰ তেতিয়া টোপনিত। সুধীৰৰ মাকক নেদেখি তাই ইফালে সিফালে চালে। তাৰ পাছত ফল-মূলৰ থোঙাটো কাষৰ টেবুলত থৈ দিলে। সুধীৰ সাৰপাই গ'ল।

ঃ খুড়ী নাই? প্ৰাচীয়ে সুধিলে।

ঃ মা ঘৰলৈ গৈছে। বহা।

ইতিমধ্যে সুধীৰ প্ৰায় সুস্থ হৈ উঠিছিল।

ঃ ৰিলিজ কেতিয়া দিব? চকীখনত বহি প্ৰাচীয়ে সুধিলে।

ঃ কাইলৈ।

তেনেতে নিশি সোমাই আহিল। দৰ্জাৰ কাষতে ক্ষন্তেক থমকি ৰৈ তাই আকৌ ওলাই যাবলৈ ল'লে। তাকে দেখি প্ৰাচীয়ে চিঞৰিলে— নিশি গুচি গ'লি যে?

নিশিয়ে কৃত্ৰিম গাম্ভীৰ্যৰে ক'লে— অলপ পিছত আহিম।

ঃ কিয়? সুধী আৰু প্ৰাচীয়ে একেলগে সুধিলে।

ঃ ইচ। দুয়োজন বৰ অঁকৰা হৈ দেখাইছে। কিয় মই অহাত তহঁতৰ খং উঠা নাই? নিশিয়ে এটা বিশেষ ভংগীমাৰে ক'লে।

ঃ অ'ই মাৰ খাবি দেই। প্ৰাচীয়ে নিশিক খেদি গ'ল।

তাকে দেখি সুধীৰে হোঁ হোৱাই হাঁহি উঠিল।■

*● লেখিকা স্নাতক তৃতীয় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী*



# প্ৰাপ্তি

নমিতা শইকীয়া

আগবেলাৰ ব্যস্ততাখিনি সামৰি তাই সোমাই আহিল শোৱা কোঠালৈ। খিৰিকিৰ পৰ্দাখন আঁতৰাই দিলে। এক নয়নাভিৰাম দৃশ্য তাইৰ চকুত পৰিল। সিহঁতৰ কোঠাৰ বাহিৰফালেই নানা ৰঙৰ সুগন্ধি ফুলবোৰ জকমকাই উঠিছে আঘোণৰ উমাল ৰ'দজাক পাই। তাইৰ মনটো পবিত্ৰ হৈ পৰিল। বহু কষ্টৰে সিহঁতে ফুলনিখন দৃষ্টিনন্দন কৰি তুলিছে। এইক্ষেত্ৰত শ্যামলৰ যতনেই বেছি। শ্যামল। তাইৰ চকুৰ আগেৰে পাৰ হৈ গ'ল কেইবাখনো স্মৃতিৰ ছবি। চকুকেইটা মুদি দিলে। বুকুখন ভৰি উঠিল কিবা এক অনামী আৱেগত। তাই আকৌ নামটো মনতে আওঁৰালে। নামটোৰ অৰ্থ উপলব্ধি কৰিবলৈ কুৰুকি-কুৰুকি সোমাই গ'ল শব্দটোৰ মাজলৈ। যিটো শব্দৰ মাজত বিচাৰি পাইছে মনে বিচৰা সেউজ পৃথিৱীখন। যিটো শব্দই শূণ্যতা ভৰা এক অতীতক পূৰ্ণতা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল কেইবাবছৰো আগতেই। সোঁৱৰণিৰ ঘাঁহনিৰে তাই দৌৰি যাব ধৰিলে- চঞ্চল এজনী হৰিণীৰ দৰে।

তাই যেতিয়া স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী। মনত পৰিল শেষ বাৰিষাৰ এটা বৃষ্টিমুখৰ সন্ধিয়ালৈ "মিলনজ্যোতি" হোষ্টেলৰ ওপৰ মহলাৰ ন-নম্বৰ কোঠাৰ তাইৰ হেঁপাহৰ বিচনাখনত পৰি চেল'ফোনটোৰ ইনবক্সত খুচৰি আছিল এটা এছ.এম.এছ। বাৰে বাৰে পঢ়িছিল এছ.এম.এছটো। কথাখিনিয়ে তাইক জোকাৰি গৈছিল। দোদোল্যমান এটা মনেৰে পাৰ কৰিছিল গোটেই নিশা। পুৱালৈ চিলমিলকৈ টোপনি আহিছিল যদিও দীঘলীয়াকৈ বজা ৰিংটনত সাৰ পাইছিল তাই। সিফালৰ পৰা ভাঁহি আহিল আবেগ বিহ্বল এক কণ্ঠ। গোটেই ৰাতি মনত উকমুকাই থকা বহু কথা সুধিলে তাই তাক। উত্তৰত সি তাইক সম্পূৰ্ণকৈ বুজাই দিলে তাৰ হৃদয়ৰ আকাংক্ষাৰ কথা। এতিয়াও তাইৰ কাণত বাজে সেই কথাষাৰ—"তোমাক মনে মনেই বহুত ভাল পাই পেলাইছো স্বপ্না"। তাই মৌন হৈ গৈছিল। বুকুত সৃষ্টি হৈছিল অনুভৱৰ জোৱাৰ-ভাটা। কি ক'ব ভাবি পোৱা নাছিল। আবেগে কঁপনি তোলা দুটি ওঁঠেৰে মাথো কৈছিল— "নাকান্দিবা শ্যাম, মই চকুপানী চাব নোৱাৰো।" সেই পুৱাই তাই হৃদয়খন সঁপি দিছিল তাক আৰু লাহে লাহে সকলোখিনি। বহু বছৰৰ পাছৰ এই নিৰ্জন দুপৰীয়াটোত ৰোমাঞ্চিত হৈ পৰিল স্বপ্নালী। কাষত থকা গাৰুটোকে সাৱটি ধৰিলে জোৰেৰে। কিমান মৰম কৰে তাইক শ্যামলে। ইমান মৰম তাই নিজাকৈ জীৱনত পাব বুলি কল্পনাই কৰা নাছিল।

কিন্‌কিন্‌কৈ বৰষুণ পৰিছে। ইমান ধুনীয়া বতৰ আছিল; বৰষুণ আহিব বুলি ধাৰণাই কৰা নাছিল। খিৰিকিৰে তাই বাহিৰলৈ চালে। চেঁচা বতাহ এজাকো সোমাই আহিল। তাই কুচি-মুচি বহি ল'লে আৰু বাহিৰলৈ চাই থাকিল। ৰাস্তাটোত যথেষ্ট ধূলি হৈছিল। কাষৰ গছ-বনবোৰৰো পাতবোৰ ধূলিৰে পোত খাই গৈছিল। তাই মনে মনে ভাবিলে— ভালেই হ'ল পৃথিৱীখনে অলপ সজীৱতা পালে। বৰষুণৰ টোপালবোৰ চোতালৰ ধূলিত পৰাত ধূলিবোৰ গোট খাই গৈছে। তাইৰ মনটো উৰি গ'ল তাহানিৰ সেই এটা আবেগে জীপাল কৰা দিনলৈ। সেইদিনা তাই হোষ্টেলৰ পৰা ঘৰলৈ বুলি গৈছিল। গাড়ীৰ পৰা নামি অলপদূৰ খোজকাঢ়ি যাব লাগে ঘৰলৈ। সেই দিনাও বৰষুণ পৰি আছিল পাতলকৈ। বৰষুণত তিতি ভাল পাই তাই। সেয়ে ছাতি থাকিও তিতি তিতিয়ে গৈ আছিল। "ছাতিটো মেলি লোৱা আকৌ তিতিছা কিয়?" তাই জিকাৰ খাই উঠিছিল। চিনাকি যেন লগা মাতষাৰ বুকুৰ কোনোবাখিনি নৈলৈকে যেন সোমাই গৈছিল। পাছফালৰ পৰা আহি থকা শ্যামলে তাইক লগ পাই চাইকেলৰ পৰা নামিছিল। "বৰষুণত তিতি বহুত ভাল লাগে তাতে অলপকৈহে দিছে"— তাই তাৰফালে চাইছিল। সিও চাই আছিল তাইলৈকে। চকুৰে চকুৰে পৰাত তাই দৃষ্টি নমাই আনিলে। মনে মনেই সিহঁত আগবাঢ়িল

অলপদূৰ। তাই দেখিলে, সিও ছাতি জপাই বৰষুণত তিতি যাব ধৰিছে। মনত পৰিল এদিন সি কৈছিল তাৰ বোলে বৰষুণলৈ বহুত ভয় লাগে। "বৰষুণলৈ ভয় কৰা মানুহ যে বৰষুণত তিতি গৈছে"— তাই কথাষাৰ আধৰুৱাকৈয়ে কৈ চাইছিল তাৰফালে। "মোৰ জীৱনলৈকে এজাক সেউজীয়াৰ বৰষুণ আহিছে। এতিয়া আৰু বৰষুণলৈ ভয় কমিছে।" তাই নুশুনাৰ ভাও ধৰি পথাৰখনলৈ চালে। "আমি বৰষুণৰ স'তে কম্প্ৰমাইজ কৰিব লাগিব নহয় জানো"— সি আকৌ কৈছিল। তাইক সাঙুৰি কোৱা কথাবোৰ যেন তাইৰ গোটেই শৰীৰলৈকে প্ৰবাহিত হৈ গৈছিল। তেজবোৰ আহি গোট খাইছিল মুখ মণ্ডলত। "পথাৰখন ইমান ধুনীয়া সেউজীয়া হৈ পৰিছে"— কথাষাৰ কৈয়ে তাই বিস্তৃত সেউজীয়াৰ ওপৰেৰে দৃষ্টি বাগৰাই নিলে। "আহিনৰ এই ভৰপুৰ সেউজীয়াৰ মাজতে সোণালী আঘোণৰ প্ৰাচুৰ্য্যই মেলা মেলে, যেনেকৈ তুমি মোৰ জীৱনলৈ আহিব ধৰাৰ লগে-লগে মোৰ সকলো চিন্তা-ভাৱনাতে আশাই পোহাৰ মেলিছে।"— সি আকুলতাৰে চালে তাইৰ ফালে। তাইৰ দৃষ্টিটো ফুটি উঠিল প্ৰকৃত প্ৰেমৰ এক স্বচ্ছ ৰূপ। স্বপ্নালীয়ে ঘৰ পাইছিল। পদুলি মুখতে শ্যামলক বিদায় দিছিল যদিও, মনত বান্ধি লৈছিল বহু সময় তাৰ কাষত থাকিবলৈ পোৱাৰ এটা আলফুলীয়া সপোন। আকস্মিক ভাৱে আহিছিল সেই দিনটো। সকলোৰে পৰাই লেখা-মেলা কৰা স্বপ্নালীয়ে এদিন ডিব্ৰুগড় অনাঁতাৰ কেন্দ্ৰৰ পৰা আমন্ত্ৰণ পাইছিল তাইৰ স্বৰচিত গল্প পাঠৰ বাবে। উলাহেৰে ভৰি উঠিছিল মন। পৰিকল্পনাৰ অন্ত নাছিল। সপোনবোৰ দিঠকত পৰিণত হোৱাৰ আনন্দত তাই যেন আত্মহাৰা হৈ পৰিছিল। অদৃশ্যজনেও হয়তো তাইৰ প্ৰাৰ্থনা শুনিছিল। অনুষ্ঠান ৰেকৰ্ডিংৰ বাবে মাক-দেউতাকে তাইৰ লগত পঠাইছিল এইবিলাকৰ লগত আগৰ পৰাই জড়িত শ্যামলক। সিদিনা বহু ওচৰৰ পৰা পাইছিল তাই তাক। মৌনতাৰে পাৰহৈ গৈছিল সুদীৰ্ঘ যাত্ৰাৰ সময়। কিন্তু, সেই মৌনতাৰে যেন কোৱা হৈছিল বহুতো গোপন কথা। কল্পনাৰে বিধৌত সময়ক বাস্তৱ ৰূপ দিয়াৰ পৰিকল্পনা কৰা হৈছিল সিদিনাই। দুটি প্ৰেমাতুৰ প্ৰাণে জীৱন সাগৰত একেলগে সাঁতুৰিবলৈ অঙ্গীকাৰ কৰিছিল হাতত হাত থৈ। "স্বপ্না, স্বপ্না ক'ত আছানো?" তাইৰ ছন্দময় তন্ময়তা ভাগিছিল শ্যামলৰ মাতত। চাঁদৰ ফাঁকেৰে আবেলিৰ ৰ'দৰ কিৰণ আহি তাইৰ মুখত পৰিল। "কি কৰিলা দিনটো অকলে— অকলে?"— সি পুনৰ সুধিলে। "নাই, কাম-বন সামৰি এনেয়ে বিছনাতে বাগৰি আছিলো"— তাই ক'লে আৰু কোমল হাঁহি এটা মাৰি নামি গ'ল বিচনাৰ পৰা আবেলিৰ ব্যস্ততাখিনিৰ মুখামুখি হ'বলৈ। শ্যামলে হাত-মুখ ধুই বহিল ডাইনিং টেবুলৰ নিৰ্দিষ্ট স্থানত। ভাগৰো নলগা নহয়। শ্যামলে শিক্ষকতা কৰে কাষৰে হাইস্কুলখনত ইংৰাজী বিষয়ৰ শিক্ষক হিচাপে। স্বপ্নালীয়ে যতনাই দিলে সমুখত আবেলিৰ আহাৰ। তাইয়ো খালে। খাই বৈ শ্যামল সোমাই পৰিল ফুলনিখনত। ফুলবোৰৰ মাজে মাজে সোমাই সদায়ে আবেলি সি অদৰকাৰী বনবোৰ উভালি দিয়ে। প্ৰয়োজন হ'লে পানী দিয়ে কাষৰে পুখুৰীটোৰ পৰা। তেনে সময়তে চোতালৰ মূৰৰ দুৱৰি ডৰাত বহেহি স্বপ্নালী। অলপ পাছতে কাষতে আহি বহে শ্যামল। আজিও তাৰ ব্যতিক্ৰম নহ'ল। "আজি তোমাৰ মনটো বৰ ভাল লাগি আছে নহয়নে? স্বপ্না"— সি তাইৰ হাত এখন নিজৰ হাতৰ মুঠিলৈ আনি ক'লে। আনদিনাও তাইৰ মন বেয়া নালাগে। কিন্তু, দিনটোৰ কৰ্মক্ষেত্ৰৰ ব্যস্ততাৰ পাছত অলপ অৱসাদ আহে। যোৰহাট চায়েন্স লেবৰেটৰীত কৰ্মৰত তাই। ৰসায়ন বিভাগৰ স্বপ্নালীৰ দিনটোও যেন এটা জটিল সমীকৰণহে। এই সকলোবিলাকৰ পৰা মুক্ত হৈ সিহঁতে সদায় বহে সন্ধিয়া চোতালৰ এই দুৱৰি ডৰাত। এই সময়খিনিতে সিহঁতে নিজৰ স'তে কথা পাতে, অতীত স্মৃতি ৰোমন্থন কৰে, ভৱিষ্যতৰ সপোন ৰচে। কেতিয়াবা সিহঁতৰ মাজত এক আচৰিত খেল হয়। কবিতাৰে কথা পাতে দুয়োটাই। কবিতাৰ মাজেৰে সিহঁতে নজনাকৈয়ে সময়ৰ পৰিধি ভাঙি যায়। "আজি বৰষুণ জাকৰ পাছত আকাশখন ইমান নীলা হৈ পৰিছে, মোৰ ভাগৰবোৰো জানো ক'লৈ গ'ল।"— তাই দূৰ আকাশৰ কোনো এক বিন্দুত দৃষ্টি ৰাখি ক'লে। "এই সপ্তাহ যে তুমি তোমাৰ সেই সমীকৰণবোৰৰ মাজত সোমোৱা নাই সেইবাবে ভাগৰ নলগা নহয় তেওঁ আকাশখন নীলা হোৱাৰ বাবেহে"— "সি ঠাট্টাৰ সুৰেৰে কথাষাৰ কৈ চাই ৰ'ল তাইৰফালে। তাই ঘোপাকৈ চালে তাৰফালে আৰু তৎক্ষণাতে অভিমানত মুখ ওফোন্দাই আনফালে ঘূৰি বহিল। তাৰ এইখিনি সময়ে আটাইতকৈ বেছি ভাল লাগে। একেদৰেই আছে স্বপ্নালী। তাৰ আশাৰ পাপৰি স্বপ্না। তাৰ সামান্য কথাতে নপঢ়ো বুলি হোষ্টেলৰ টেবুলৰ কাষত নিৰৱে বহি ৰোৱা স্বপ্নালী শইকীয়া। সি হাত এখন তাইৰ কান্ধত থ'লে। আৰু অলপ কাষ চাপি আহিল তাই। তেনে সময়তে চিনাকি সুৰেৰে বাজি উঠিল স্বপ্নালীৰ চেল'ফোনটো। বিভাগীয় কৰ্তৃপক্ষই জনাইছে, স্বপ্নালীক চায়েন্স লেবৰেটৰীৰ মুৰব্বী পদত নিযুক্ত কৰা হৈছে। উৎফুল্লিত হৈ পৰিল স্বপ্নালী। বাতৰিটোৱে যেন তাইৰ হাতলৈ সৰগখনহে নমাই আনিলে। শ্যামলক তাই কথাটো জনালে। সিয়ো বহুত সুখী হ'ল স্বপ্নালীৰ সফলতাত। প্ৰেয়সী স্বপ্নাৰ সফলতাৰ প্ৰথম উপহাৰ স্বৰূপে শ্যামলে তাইৰ কপালত আঁকি দিলে গভীৰ মৰমৰ এক তপত চুমা। সন্ধিয়াৰ সূৰ্যটো ৰঙা হৈ পৰিছে দিগ্‌বলয়ৰ সীমান্তত। তাইৰ সফলতাৰ বাতৰি পাই যেন গোটেই পৰিবেশটোৱেই মুখৰ হৈ পৰিল। সেই সূৰুযৰ ৰহনখিনিয়ে তাইৰ মুখমণ্ডলো অপাৰ্থিৱ এক জ্যোতিৰে আলোকিত কৰি তুলিলে।■

• *লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰী*



# এনেকৈয়ে ভাগি যায় সপোন...

ৰিজু বৰগোহাঁই

এনেকৈয়ে সপোনবোৰ ভাগি যায়
আকৌ সজাওঁ পুনৰ, নকৈ..........
কিন্তু হেৰাই যায়, সপোন সজোৱা আঁতডাল
ক'ত, ক'ত পৰি যায় বাৰু.........?

........ডায়েৰী পাতত আঁক-বাঁক কৰি শেষত এই কবিতা হওঁক বা নহওঁক বুলি লিখা কথাশাৰী লিখি ৰৈ গ'ল তাই। সঁচাকৈয়ে ক'ত হেৰাই গ'ল সেই সপোন সজোৱা আঁতডাল আৰু তাই..............। তাই নিজকে আকৌ এবাৰ চাব খুজিলে ভালদৰে য'ত সোমাই আছিল হাঁহিমুখীয়া দেউতাক-মাকৰ আদৰৰ তাইজনী। নাঃ তাই দেখোন একোকে স্পষ্টকৈ মনলৈ আনিব পৰা নাই সকলো ধূসৰ হৈ আহিছে পুৰণি প্ৰতিচ্ছবিবোৰ...........। বিষাদৰ বৰষুণত তিতি যন্ত্ৰণাত কঁপিছে তাই, বৰ বেয়াকৈ বৰষুণ জাকে উটুৱাই লৈ গ'ল তাইৰ আনন্দবুলীয়া দিনবোৰ..........।

তাই খেপিয়াই চাব খুজিছে এই মুহূৰ্তত তাই এৰি অহা দিকচৌ বাটটো য'ত তাই খাইছিল পদে

এদিন বৰ বেয়াকৈ ধৰা পৰিল তাইৰ জীৱনলৈ নামি অহা কাল অমানিশা। তাই হেনো HIV Positive। কিন্তু কেনেকৈ গমেই নাপালে তাই। হাৰি গ'ল তাই। লাহে লাহে তাই স্পষ্টকৈ দেখা পালে ভৱিষ্যতৰ আহিবলগা অন্ধকাৰবিলাক

পদে উজুটি। দেউতাকৰ মৰমৰ আইজনী হেৰাই গ'ল অতীতৰ কোনোবা এটা কেঁকুৰিত, এনেদৰে ক্ৰমশঃ ভাঁহি আহিছে তাইৰ সন্মুখলৈ এখন বেলেগ পৃথিৱী।

০০০০০০০০০

তাই সুখী আছিল, গাঁৱৰ গধূলিত, পথাৰৰ কেঁকুৰিত, আইতাকৰ মৰমসনা মাতত, নদীৰ পাৰত, ঝাওবনৰ আঁৰত খেলধেমালি কৰি। কিন্তু তাই যে এনে এক মধুৰতম সময়তে গাওঁখন এৰি গুচি আহিব লগা হ'ল চহৰৰ কংক্ৰিটৰ মাজলৈ.......। তাই মেট্ৰিক দিয়াৰ পাছতেই সেই সোণোৱালী গাঁওখনত নাছিল উচ্চ শিক্ষাৰ বাবে কোনো শিক্ষানুষ্ঠান। সেইবাবে দেউতাকৰ বাধ্য ছোৱালীজনী ঘৰৰ আপোন মানুহবোৰৰ সপোনবোৰ বুকুত সাৱটি আহিছিল চহৰলৈ। হোষ্টেলত থকাৰ ব্যৱস্থা হোৱাৰ পাছত তাইক এৰি গুচি গৈছিল দেউতাকহঁত মৰমৰ গাওঁখনিলৈ আৰু তাই অকলশৰে ৰৈ গৈছিল নিৰ্জন কোঠাত। তেতিয়াৰ পৰা একাকীত্বই তাইক বাৰুকৈয়ে সংগ দিলে। ৰুমৰ মমী বা বুলি মতা ছিনিয়ৰ বা'জনীৰ বিলাসিতাত নিজকে লাহে লাহে বৰ অসহায় অনুভৱ কৰিব ধৰিলে। নিজৰ নিঃস্বতাত লাজ লগা হ'ল। ঘৰৰ পৰা দিয়া প্ৰয়োজনীয় সীমিত টকাৰে তাই খৰচ কৰি পাব নোৱাৰিলে চহৰীয়া বিলাসিতা। সেয়েহে তাইৰ দুখত সমভাগী হৈ দুৰ্বলতাৰ সুযোগ লৈ মমী বা আগবাঢ়ি আহিল তাইক সহায় কৰিবলৈ। চিনাকি হ'ল ক্লাৱ, ডিস্কো, বাৰৰ সৈতে। ল'ৰা বন্ধুৰ সংখ্যা দিনে দিনে বাঢ়িবলৈ ধৰিলে আৰু নিজকে সম্পূৰ্ণ সলনি কৰিবলৈ ধৰিলে নিজৰ অজানিতে। আইতাকহঁতৰ মৰমৰ আপডালত দীঘল কৰা চুলিটাৰী কাটি পেলালে মমীবাৰ ষ্টাইলত, এনেদৰে তাই গাঁৱৰ তাইজনী হৈ নাথাকিল। পইচাত টনা-টনি কমি আহিল। হাতলৈ আহিল দামী ম'বাইল, গিফ্‌ট পেকেটবোৰ। নিষিদ্ধ গলিবোৰলৈ যাবলৈ তাই ভয় নকৰা হ'ল আৰু বিভিন্ন ল'ৰা বন্ধুৰ বাইক, গাড়ীত বহিবলৈ আগতে কৰা কুণ্ঠাবোধ নাইকিয়া হ'ল। তাই সঁচাকৈয়ে সেই গাঁৱৰ আদৰৰ ছোৱালীজনী হৈ নাথাকিল। ঘৰলৈ যোৱাটো প্ৰায় কমি আহিল। আশাৰে পদুলিত মাকহঁত ৰৈ থকাৰ বতৰা পাইও তাই উটি ভাঁহি গ'ল চহৰীয়া ধুমুহাত। তাই বাৰু বৰ লেহুকা আছিল নেকি..........?

০০০০০০০০০

এদিন বৰ বেয়াকৈ ধৰা পৰিল তাইৰ জীৱনলৈ নামি অহা কাল অমানিশা। তাই হেনো HIV Positive। কিন্তু কেনেকৈ গমেই নাপালে তাই। হাৰি গ'ল তাই। লাহে লাহে তাই স্পষ্টকৈ দেখা পালে ভৱিষ্যতৰ আহিবলগা অন্ধকাৰবিলাক আৰু তেতিয়ালৈ তাইৰ কাষত শুভাকাংক্ষী অভিনয় কৰা মমীবা, ল'ৰা বন্ধুবোৰ নাছিল। কলেজতো তাইক লৈ ফুচ্‌ফুচকৈ কৰা শব্দবোৰ কাণত নপৰাকৈ নাথাকিল। হোষ্টেলৰ পৰাও তাই ওলাই আহিব লগা হ'ল। গাঁৱলৈ বৰ মনত পৰিছিল তেতিয়া, কিন্তু ঘূৰি যোৱাৰ কোনোটো পথেই যে নাছিল। তথাপিও তাই সেই গাঁৱলৈ ঘূৰি আহিছিল, দেউতাকহঁতৰ মৰমত তাই পাইছিল জীয়াই থকাৰ প্ৰেৰণা। শিক্ষা জীৱনৰ আধৰুৱাখিনি পূৰাবলৈ প্ৰেৰণা পাইছে শৈশৱ, কৈশোৰৰ খেলৰ লগৰীয়া অভিনৱৰ পৰা...। এনেদৰে তাই আগবাঢ়িছে আকৌ....। কিন্তু কিমান দিনলৈ তাই পাৰিব এনেদৰে আগবাঢ়িব, হয়তো অকাল মৃত্যু নহালৈকে। সেয়েহে এই কম জীৱনকালতে তাই কৰি যাব খুজিছে বহুতো কাম। দেখুৱাব বিচাৰিছে সমাজৰ এক জলন্ত নিদৰ্শন হৈ যুৱ সমাজক-- চোৱা যুৱ সমাজ, উটি ভাঁহি নাযাবা সস্তীয়া জনপ্ৰিয়তাৰ ধামধুমীয়াত নহ'লে, হেৰাই যাব মোৰ দৰে সপোনৰ আঁতডাল, যিডাল বিচাৰি লৈছিলো মোৰ আপোন মানুহখিনিৰ মাজত। তাই আকৌ এবাৰ হুকহুকাই কান্দি উঠিল ডায়েৰী পাতখিলাত মুৰ গুজি আৰু এৰি অহা দিনবোৰৰ কথা তাই ভাবি থাকিল, ক'ত ভুল হৈ গ'ল বাৰু ক'ত.....? এনেকৈয়ে ভাগি যায় সপোনবোৰ.......।■

- *লেখিকা স্নাতক তৃতীয় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী*



# নাটক

# উপলব্ধি

জাহ্নৱী ভট্টাচাৰ্য

| পাত্ৰৰ পৰিচয় ঃ | | |
|---|---|---|
| ৰতন বৰুৱা | ঃ | বৰুণ আৰু অৰুণাৰ পিতৃ |
| স্বৰ্ণলতা | ঃ | ৰতন বৰুৱাৰ পত্নী |
| বৰুণ | ঃ | ৰতন বৰুৱাৰ একমাত্ৰ পুত্ৰ |
| অৰুণা | ঃ | ৰতন বৰুৱাৰ কন্যা |
| হীয়া | ঃ | অৰুণাৰ সহপাঠী |
| দয়াময় | ঃ | লগুৱা |

(এখন অভিজাত্য ঘৰ। সুন্দৰ এটা ড্ৰয়িংৰুম। দয়াময়ে এটা বিহুনাম গাই ড্ৰয়িংৰুমটো পৰিষ্কাৰ কৰি থাকে। এনে সময়তে হীয়া সোমাই আহে।)

হীয়া ঃ (চিঞৰি চিঞৰি) অৰুণা অ' অৰুণা, (দয়াময়ক দেখি) কিহে দয়াময়, অৰুণা ঘৰত নাই নেকি? ইমানকৈ চিঞৰিছো তাই ওলাই অহা নাই যে—।

দয়াময় ঃ আছে, আইটি, আমাৰ আইটি চাগৈ এই ন বজালৈকে শুইয়েই আছে। তুমি বহাঁচোন, মই বাৰু আইটিক মাতি দিছো। (ভিতৰলৈ সোমাই যায়) হীয়াই টেবুলৰ পৰা বাতৰি কাগজখন টান মাৰি পঢ়াত মনোনিৱেশ কৰে। (অলপ পিছত গা এঙামুৰি দি অৰুণা সোমাই আহে।)

অৰুণা ঃ এই ৰাতিপুৱাই যে আহিলি, কিবা কাম আছিলে নেকি?

হীয়া ঃ হেৰৌ এতিয়া ৰাতিপুৱালৈ আছে নে? নটা বাজিল বুজিছ। আমাক হ'লে মা, দেউতাই ইমান দেৰিলৈকে শুবলৈ নিদিয়ে। তই কেতিয়া পঢ়িবি, কেতিয়া কলেজ যাবি, আজিটো ইংৰাজী পৰীক্ষা পিছবেলা আছে।

অৰুণা ঃ হৈ যাব, দিব লাগে দিম। পৰীক্ষাত বহিবহে লাগে, বহিম। ইমানবোৰ পৰীক্ষাৰ বহী চাব জানো, দুই এজনেহে ভালকৈ চাব। কিছুমানেতো বহী নেচায়েই।

হীয়া ঃ থ' থ' লেকচাৰ। যা' সোনকালে গা-পা ধুই লগৈ। প্ৰশ্ন এটা আলোচনা কৰিম বুলিহে আহিলো।

দয়াময় ঃ (হীয়ালৈ চাহ লৈ আহে) খোৱা আইটি, চাহ খোৱা। (অৰুণালৈ চায়) যোৱা মাজনী গাধোৱা ঘৰত তোমাৰ সকলো যোগাৰ দি থৈ আহিছো। (স্বৰ্ণলতা সোমাই আহে) অৰুণা ভিতৰলৈ যায় গৈ।

স্বৰ্ণলতা ঃ অ' হীয়া আহিলা নেকি? আমাৰ এইক জগাই জগাই হে তুলিছো। পঢ়া-শুনাত একেবাৰে মন নাই। ইমান সুবিধা দিছো, সিমানে অধঃপতনে গৈছে। জানা হীয়া বাপেকে তাইক মুৰৰ ওপৰত তুলি একেবাৰে বেয়া কৰি পেলালে। লাগ বুলিলে সকলো বস্তুকেই পায়। অভাৱ কি বস্তু বুজিবলৈকো নিদিয়ে। বাপেকক ইমান বুজাওঁ ওভোতাটোহে বুজে। তোমালোকলৈ চোৱাচোন, কিমান কষ্ট কৰি চাৰিওটা ল'ৰা-ছোৱালী ইমান ভালকৈ পঢ়া-শুনা কৰিছা। গ'ল গ'ল। আমাৰবোৰ অধঃপতনে গ'ল। বৰুণলৈ চোৱাচোন, পঢ়া-শুনা নাই ৰাতিপুৱাৰ পৰা গধূলিলৈকে বাইকখন লগতে লৈ দুই তিনিটা উদণ্ডীয়া লগৰ ল'ৰাৰ লগত ঘূৰি ফুৰে। পঢ়া-শুনাত একেবাৰে মন নাই।

হীয়া ঃ বৰমা, মই সকলো বুজিছো, ইহঁতৰ গাত দোষ দি লাভ নাই। আমাৰ পৰিবেশে সিহঁতক এনেকৈ অবাধ্য কৰিছে। মই বৰুণ আৰু অৰুণাক লগ পালেই বুজাওঁ। অন্তত আপোনাৰ মুখলৈ চাই নকৰিবলগীয়া কামবোৰ কৰিব নালাগে। মোক চাগে সিহঁতে বেয়াই পায়। বেয়া পালেও উপায় নাই। আমাৰ পৰিবেশ আমিয়েই শুধৰাব লাগিব। নহয় জানো বৰমা।

স্বৰ্ণলতা ঃ জানা হীয়া, মই তোমাৰ এইবোৰ কথাতে বৰ ভাল পাওঁ। তোমাৰ লগত কথাপাতি

মোৰ মনটোকে পটিয়াওঁ। মোৰ কথা ইহঁতে একেবাৰে নুশুনে। কিবা এটা কব লাগিলে বাপেকটো ওপৰতে পৰে। অৰুণা সোমাই আহে দয়াময় কাপপ্লেট যোৰ লৈ ভিতৰলৈ সোমাই যায়।

**অৰুণা** : হীয়া মোৰ ৰুমলৈকে আহ। তাতে বহি আমি পঢ়াৰ আলোচনা কৰোঁ।

**স্বৰ্ণলতা** : যোৱা হীয়া, দুয়ো অকনমান আলোচনা কৰি পঢ়াগৈ। (তিনিও গৰাকী ভিতৰ সোমাই যায়।)

**পট পৰে।**

## দ্বিতীয় দৃশ্য

অৰুণাহঁতৰ শোৱনি কোঠা। ৰতন বৰুৱা আৰু বৰুণৰ মাজত কথাৰ তৰ্কা-তৰ্কি, স্বৰ্ণলতাই মাজত সোমাই দুয়োকে শান্ত কৰিবলৈ যত্ন কৰে।)

**ৰতন বৰুৱা** : (বৰুণলৈ চায়) তোক এই সপ্তাহত ৫ হেজাৰ টকা দিছিলো কি কৰিলি?

**বৰুণ** : পাঁচ হেজাৰ টকা হ'লনে? বাইকৰ তেল কিনোঁতেই শেষ হ'ল। অ.এন.জি.চি.ত চাকৰি কৰি ইমানবোৰ টকা পাই তথাপি ৫ হেজাৰ টকাৰ হিচাপ পাত-পাতকৈ দিব লাগিব নেকি?

**ৰতন বৰুৱা** : মই ইমান কষ্ট কৰি ধন ঘটিছো। মোক কোম্পানীয়ে এনেয়ে টকা দিছে নেকি? মুৰৰ ঘাম মাটিত পেলাই কাম কৰি উপাৰ্জন কৰিছো। তোক বিনা কাৰণত মোৰ উপাৰ্জিত টকা উৰুৱাবলৈ দিব নোৱাৰো। মিছা কথা তোক টকাৰ দৰকাৰ হৈছে তই নিজেই উপাৰ্জ্জন কৰি নলঅ কেলেই?

**স্বৰ্ণলতা** : আপুনি এতিয়া তাক এনেকৈ উপদেশ দিলে হ'বনে? আপুনিয়ে সিহঁতক লাই দি দি বেয়া কৰিলে। লাগ বুলিলেই যিমান টকা বিচাৰে দি দিয়ে। মই আপোনাক ইমানকৈ বুজাইছিলো তেতিয়া বুজি নাপালে। জুই পুৰি হাত পালেহি এতিয়াহে গাত লাগিলে। আগৰে পৰা নিজৰ আয়ত্বত থকা হ'লে আজি এই অৱস্থা নহ'লহেঁতেন।

**বৰুণ** : থৈ দিয়া তোমাৰ লেক্‌চাৰ (মাকলৈ চাই) মোক এই সপ্তাহতে আৰু টকা দহ হেজাৰ লাগিব। লগৰ ল'ৰাৰ লগত দাৰ্জিলিংত ফুৰিবলৈ যাম।

**ৰতন বৰুৱা** : মই তোক টকা-চকা দিবলৈ নাই। যাব খুজিছ নিজেই উপাৰ্জ্জন কৰি যাবি।

**বৰুণ** : (ইতিকিংৰ সুৰত) বুঢ়া, তুমি নিদিলে হ'ব। চাই ল'ম দিয়ানে নিদিয়া, টকা মোক দিবই লাগিব। (ভোৰভোৰাই বাহিৰলৈ যায়গৈ)

**ৰতন বৰুৱা** : (স্বৰ্ণলতালৈ চাই) বুজিছা বৰুণৰ মাক, তুমি যি কৈছিলা সদায় ভালটোকে কৈছিলা। বেছি টকাত অন্ধ হৈ মই মোৰ নিজৰ ল'ৰা-ছোৱালীহালক বেয়া কৰি পেলালো। (দুখেৰে) পলমকৈ হ'লেও উপলব্ধি কৰিছো মই কিমান দোষ কৰিলো।

**স্বৰ্ণলতা** : দুখ কৰি এতিয়া লাভ নাই। এতিয়াও সময় আছে। আমাৰ এতিয়া সময় আহি পৰিছে। প্ৰকৃত পিতৃ-মাতৃৰ পৰিচয় দিয়াত। যিকোনো মূল্যৰ বিনিময়ত আমি সিহঁতক সুন্দৰ পথলৈ ওভোটাই আনিব লাগিব। জানে, আচলতে "শিক্ষাৰ কঠিয়াতলি ঘৰখনেই"। আমি দুয়ো লগ হৈ সিহঁতক সু-পথলৈ আনিব লাগিব।

**ৰতন বৰুৱা** : মই এতিয়া যত্ন কৰিম। ভুলৰ শুধৰণি কৰিম। সিহঁত দুটাক মানুহ হিচাপে জীয়াই থাকিবলৈ শিকাম। প্ৰথমে ঘৰখন পৰিষ্কাৰ কৰি লৈ সমাজখন পৰিষ্কাৰ কৰিম।

**পট পৰে।**

## তৃতীয় দৃশ্য

ৰতন বৰুৱাৰ ড্ৰয়িং ৰুম। ৰতন বৰুৱাই কাগজ পঢ়ি থাকে। (এনেতে বৰুণক দুজন ল'ৰাই ধৰি ধৰি ভিতৰলৈ সোমাই আহে। বৰুণৰ চাৰ্টত তেজৰ চেকুৰা) ৰতন বৰুৱাই বৰুণক দেখি আচৰিত হৈ লগৰ ল'ৰা দুজনক সোধে)

**ৰতন বৰুৱা** : কি হ'ল ইয়াৰ। ক'ত দুখ পালে। (দয়াময় সোমাই আহে) ল'ৰা দুজন যায়গৈ।

**দয়াময়** : মই কৈছো শুনক দেউতা। বোপাই, বাইক এক্সিডেণ্ট কৰিছে। এজন খুন্দিয়াইছে। গম পাইছো ইতিমধ্যে তেওঁৰ মৃত্যু ঘটিছে। মানুহজনক খুন্দিয়াই শিলৰ দ'মত পৰি বোপাৰ এই দুৰ্দষা হৈছে।

**ৰতন বৰুৱা** : লৈ যা ইয়াক (বৰুণলৈ চায়) মোৰ ওচৰৰ পৰা। ইমানকৈ বুজালো তাক, বাইক লৈ ঘূৰি নুফুৰিবি। এতিয়া কি হ'ল। পুলিচ পায়হিয়ে ছাগে। (অৰুণা আৰু স্বৰ্ণলতা ভিতৰৰ পৰা আহে।)

**অৰুণা** : আৰে কি হ'ল দাদাটোৰ?

**ৰতন বৰুৱা** : নুসুধিবি কুলাঙ্গাৰটোক। মোৰ মান-সন্মান চব হেৰুৱালে।

**স্বৰ্ণলতা** : এতিয়া সেইবোৰ ভাবি লাভ নাই। আগতে

তাক ডাক্তৰৰ ওচৰলৈ লৈ ব'লক। পাচে পৰেও আমি সকলোবোৰ কথা পাতিব পাৰিম। (দয়াময়লৈ চাই, যাচোন গৰম পানী আৰু ফাষ্ট এইড্ বক্সটো লৈ আহ)। দয়াময় ভিতৰলৈ যায়। স্বৰ্ণলতাই চোফাত শুই থকা বৰুণৰ জোটা-মোজা খুলি দিয়ে। দয়াময় ফাষ্ট এইড্ বক্সটো লৈ পুনৰ সোমাই আহে। স্বৰ্ণলতাই বৰুণক ক'ত ক'ত দুখ পাইছে গৰম পানীৰে ধুৱাই মলম লগাই দিয়ে। বৰুণে মাকৰ হাতত ধৰি হুকহুকাই কান্দি উঠে।

স্বৰ্ণলতা ঃ এতিয়া কন্দা-কটাৰ সময় নহয়। তই আগতে ভাল হৈ ল', তাৰ পাছতহে........

বৰুণ ঃ মা, মই এতিয়াহে অনুভৱ কৰিছো। মাতৃৰ মনৰ যান্ত্ৰণা কিমান গভীৰ। সঁচা মা মই আজিৰ পৰা ভাল হ'ম। তোমালোকৰ কথা শুনিম। তোমালোকে যি কোৱা...........

অৰুণা ঃ থ, থ, হব, হব। সেইবোৰ বাদ, বুজিছ। আমি দুয়োটাই আজিয়েই সংকল্প লব লাগিব। আমি মায়ে কোৱা প্ৰতিটো কথাকে আখৰে আখৰে পালন কৰিম।

ৰতন বৰুৱা ঃ (বৰুণ আৰু অৰুণাৰ মুৰৰ ওপৰত হাত দি) বুজিছ বহুত দেৰিকৈ মই উপলব্ধি কৰিছো। তহঁত দুয়োটা বেয়া হোৱাৰ কাৰণে মইয়েই সম্পূৰ্ণ দোষী। মাৰৰ কথা শুনা হ'লে আজি মই এই পৰিস্থিতিৰ সন্মুখীন হ'ব নালাগিলহেঁতেন। মোৰ আভিজাত্যৰ অহঙ্কাৰে তহঁত দুটাকে বিপথে পৰিচালিত কৰিছিলো। টকাই সৰ্বস্ব বুলি ভুল সিদ্ধান্ত লৈছিলো। আজিহে উপলব্ধি কৰিছো পৰিয়ালৰ সুখ শান্তিৰ কাৰণে টকাই সৰ্বস্ব নহয়।

স্বৰ্ণলতা ঃ হ'ব দিয়ক। ভগৱানে ইহঁতক সুমতি দিয়ক আপোনাৰ মনৰ কামনা পূৰ্ণ হওঁক। আপুনি ফোন এটা কৰি ড্ৰাইভাৰ বকুলক মাতক, আপুনি মানসিকভাৱে ভাগি পৰিছে, গাড়ী চলাব নালাগে। যা মাজনী (অৰুণালৈ চাই) ইয়ালৈ কাপোৰ এসাজ ভিতৰৰ পৰা আন পিন্ধাই দিওঁ) অৰুণা ভিতৰলৈ সোমাই যায়।

ৰতন বৰুৱা ঃ (মঞ্চৰ এটা চুকলৈ গৈ একাগ্ৰভাৱে কয়) সঁচাই, সন্তানক কু-প্ৰভাৱত পৰিচালিত কৰাত সমাজৰ লগতে পিতৃ-মাতৃও সমানে জগৰীয়া। আহাঁ, আমি আজিয়েই পণ কৰি লওঁ, আমি আজি নিজৰ সন্তানৰ লগে লগে সমাজৰ সন্তান সকলকো সুপথে পৰিচালিত কৰিবলৈ আগবাঢ়ি যাওঁ।

(পট্ পৰে)■

*• লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰী*

# নাটক

# জীৱনৰ বাটত

| | | |
|---|---|---|
| **নাট্যকাৰ** | **ঃ** | **সোনমনি বৰা** |
| **পাত্ৰৰ পৰিচয় ঃ** | | |
| নৰেন্দ্ৰনাথ শইকীয়া | ঃ | শহুৰ |
| সুবৰ্ণ | ঃ | শাহু |
| বাবা | ঃ | নৰেন্দ্ৰনাথ শইকীয়াৰ বৰপুত্ৰ |
| ৰাণু | ঃ | বাবাৰ পত্নী |
| বাবু | ঃ | নৰেন্দ্ৰনাথ শইকীয়াৰ সৰু পুত্ৰ |
| দেৱেশ্বৰ | ঃ | নৰেন্দ্ৰনাথ শইকীয়াৰ সখীয়েক |
| মানসী | ঃ | নৰেন্দ্ৰনাথ শইকীয়াৰ বৰ-জী |
| মাইনু | ঃ | নৰেন্দ্ৰনাথ শইকীয়াৰ সৰুজী |

নৰেন্দ্ৰ নাথ শইকীয়া শিৱসাগৰ চেৰেকোপাৰ অঞ্চলৰ এজন শিক্ষিত লোক। চাকৰিৰ পৰা অৱসৰ ললে যদিও তেওঁ ঘৰুৱা কামতেই ব্যস্ত তেওঁৰ ঘৰত বৰ্তমান তেওঁৰ পত্নী, দুজন পুত্ৰ, এগৰাকী বোৱাৰী আৰু দুজনী ছোৱালী।

মঞ্চত নৰেন্দ্ৰ নাথ শইকীয়াৰ ঘৰৰ এটা সুন্দৰ ড্ৰয়িংৰুম। তাতেই প্ৰথমে ঘৰখনৰ বোৱাৰী গৰাকীয়ে ৰাতিপুৱা গা-ধুই উঠি চাকি গছ আৰু ধুপডাল জ্বলাব আৰু তাৰ পাছতেই শহুৰেক নৰেন্দ্ৰ নাথ শইকীয়াৰ মঞ্চত প্ৰৱেশ।

নৰেন শইকীয়া ঃ বোৱাৰী চাকিগছ জ্বলালানে? কামৰ পৰা আজৰি হ'লা যদি চাহ অকনকে দিবা।

বোৱাৰী ঃ মই চাহ বনাওঁগৈ। আজি আমাৰ আকৌ মাইনু যাবগৈ নহয় মনটো বেয়াও লাগিছে।

নৰেন শইকীয়া ঃ তুমি ঠিকেই ভাবিছা বোৱাৰী মইও তাকেই চিন্তা কৰি আছো। এ......... চাওঁ আজি খবৰ কাগজ খন দিয়াচোন। তোমালোকে সেইবোৰ ক'তনো থোৱা জানো বিচাৰিয়েই নাপাওঁ নহয়।

বোৱাৰী ঃ টেবুলখনৰ তলতে আছিলে। ৰ'ব মই চাহ দিছো। আপুনি পঢ়ক মই চাহ কৰোগৈ। (বোৱাৰী ভিতৰলৈ যায় দেৱেশ্বৰৰ প্ৰৱেশ)

দেৱেশ্বৰ ঃ অ' নৰেন, নৰেন অ', অ' আছানে বোলো।

নৰেন ঃ আৰে, সখা দেখোন কি খবৰ, তোমাৰ যে একেবাৰে খবৰ-খাটিয়েই নাই, মৰিলো নে জীলো খবৰো নোলোৱা হ'লা। বহা, বহা ইয়াতে বহা।

দেৱেশ্বৰ ঃ এঃ সখি তোমাৰ ইমানবোৰ প্ৰশ্নৰ উত্তৰ মই বাৰু একেলগে দিব পাৰিম জানো? সৰু ল'ৰাটোৰ সংসাৰ পতাৰে পৰা সময় জানো পাইছো। তুমিতো দেখিছাই ডাঙৰ ল'ৰাটোৰ নাতি কেইটাও ডাঙৰ হ'ল, উৎপাতো বেছি, মোক এৰিয়েই নিদিয়ে। সময়েই নাই আৰু একেবাৰে।

নৰেন ঃ এহ, নক'বা আৰু সংসাৰ পতা আৰু ঘৰ চলোৱাতো জানো সুখৰ কথা। আমাৰ আগৰ দিনবোৰেই ভাল আছিল দিয়া। বোৱাৰী, অ' বোৱাৰী চাহ দুকাপ লৈ আনিবা।

নৰেন ঃ চাকৰিটোৰ পৰা অৱসৰ ল'লো পিছে ললেও হ'ব কি? এই বোলো মিটিংঙলৈ এই গ'লো অমুকৰ সকাম, এই বোলো বিয়া এহ্...... নকবা আৰু। বাৰু সেইবোৰ বাদ দিয়া।

বোৱাৰী ঃ চাহ খাব তাৰৈদেও দেউতা। তাৰৈদেও ভালেই আছে ছাঁগৈ। শকত-আৱতো দেখিছো আপোনাক।

দেৱেশ্বৰ ঃ কোনোমতে আছো আৰু ভগৱানৰ কৃপাত।

নৰেন ঃ মোৰ আকৌ ডাঙৰজনী ছোৱালী ঘৰলৈ আহিছে নহয়। বোৱাৰী মাতাচোন তাইক। তুমিও তাইক বহুদিন দেখা নাই।

বোৱাৰী ঃ হ'ব দেউতা। তাৰৈদেও আপুনি বহক।

মানসী ঃ কিমান দিনৰ মূৰত তাৰৈদেওক দেখিছো। ভালে আছেনে? তামোল খাব।

দেৱেশ্বৰ ঃ আছো আই। তোমাৰ ঘৰত পিছে সকলোৰে ভাল?

মানসী ঃ ভালেই আৰু আপুনি বহক আমাৰ আকৌ আজি মাইনু যাবগৈ নহয়। মই তাইৰ আকৌ বস্তু সামৰি দিছো।

দেৱেশ্বৰ ঃ অ' আই যোৱা যোৱা। অ' সখা বায়েক-ভনীয়েকৰ কিছু মৰম চেনেহ আছে দেই। বাৰু সখা তামোল এখন খাওঁ আৰু মই

এতিয়া উঠোহে। সকাম এটাও আছে। বাৰু আহোঁ দিয়া।

নৰেন : সখা যোৱা তেনেহ'লে।

সুৱৰ্ণ : হেৰি, তাঁৰেয়েকক পঠাই দিলে যে জলপানৰ যোগাৰ কৰিছিলোহে।

নৰেন : তোমালোকে কলেহে গম পাম। ন'কলেনো মই কেনেকৈ ৰখাওঁ। বাৰু বাদ দিয়া। মোৰ হ'লে বৰ ভোক লাগিছে। কোমল চাউল এমুঠিকে দিয়াচোন খাইয়ে লওঁ।

সুৱৰ্ণ : আহক, আহক। সোনকালে খাইয়ে লওঁকগৈ।

বাবা : (কিবা যেন চিন্তাত বিভোৰ হৈ আছে। কিবা যেন কাৰোবাক ক'ব খুজিও পৰা নাই– এটা ফোনৰ অপেক্ষাত, হঠাৎ বাজি উঠিল ম'বাইল)
হেল্ল'। হেল্ল'..........
অ' কোৱা?
হোৱাট?
এতিয়াই যাব লাগে?
কিন্তু এতিয়া।
নাই ঠিক আছে হ'ব।

বোৱাৰী : আপুনি ইয়াত থকা গম পাই মই জলপানৰ বাতিটো ইয়ালৈকে লৈ আহিলো খাওঁক হি।

বাবা : নাখাওঁ জলপান। মই যাওঁ।

বোৱাৰী : যাওঁ মানে ক'লৈ যায় আপুনি অন্ততঃ জলপানকেইটা খাই যাওঁক।

বাবা : তুমি মোক কোনো প্ৰশ্ন নকৰিবা। মই আহিলো।

মাইনু : বৌ, অ' বৌ মোক বাৰু এইযোৰ চুৰিদাৰে কেনেকুৱা লাগিছে?

বোৱাৰী : বৰ ধুনীয়াজনী লাগিছে। এনেয়েও ধুনীয়া ছোৱালী।

মাইনু : অ' বৌ ডাঙৰ দাক দেখা নাই যে ক'ত গ'লনো?

বোৱাৰী : দাদাৰ কথা নকবা আৰু। তেওঁৰ মুখৰ আগত দিয়া জলপান খাবলৈও আহৰিয়েই নাইচোন। সেইবোৰ ভাবি মন বেয়া নকৰিবা। তুমি এতিয়া যোৱা আৰু বাবুক ওলাবলৈ কোৱা।

মাইনু : মই যোৱাৰ সময়তো মাত এষাৰ দি নগ'ল সি।

বাবু : (হাতত এয়াৰ বেগ লৈ) অ' বৌ মোক বাৰু ধুনীয়া লাগিছেনে? একেবাৰে ফাৰ্ষ্টক্লাছ।

বোৱাৰী : ইছ্ একেবাৰে কবই নালাগে। পিছে ইমান যে ধুনীয়াটো হৈ ওলাইছা পিছত এজনী ওলমি আহিলেই ৰক্ষা।

বাবু : মইতো দেখাত এনেয়েও ধুনীয়া অৱশ্যে তুমি সেইকথা স্বীকাৰ নকৰিব পাৰা। কথাতে কয় নহয় সেইযে বাৰীৰ ঘাঁহ আৰু গোহালিৰ গৰুৰ ৰাহি-যোৱা নিমিলে।

সুৱৰ্ণ : তোৰ লেকচাৰ সামৰ আৰু। মাইনু আহ আকৌ। হেৰি নহয় বাবু তাইক পিছে ভালদৰে থৈ আহিবি। ৰাস্তাও বহু দূৰ সোনকালে যা বোপাই। পাৰিলে কিবা অলপ গাড়ী-চাড়ি ৰখালে খাই ল'বি।

নৰেন : হেৰা, বাবাক যে দেখা নাই। আইজনী যাবলৈ ওলালেই অথচ তাৰ দেখা-দেখিয়েই নাই। বাৰু আইজনী ভালকৈ পঢ়া-শুনা কৰিবি, কেৱল শুই বহিয়েই কটাই নিদিবি।

মাইনু : দেউতা যাওঁ, মা........। বৌ............। বাইদেউ মই আহিলো মোক পাহৰি নাযাবি। (মাইনু আৱেগিক হ'ব আৰু ঘৰৰ সকলোৰে চকুলো টুকিব।)

সুৱৰ্ণ : (চোফাত কান্দি কান্দি বহি থাকে।)

মানসী : ইছ্ জীয়েৰে গ'ল বুলি ইমানকৈ কান্দিব নালাগে? হোষ্টেললৈহে গৈছে। তাইক কিবা এঘৰলৈ উলিয়াই দিয়া নাই নহয়। মোক ছাগৈ বিয়া দিয়াৰ সময়ত ইমানকৈ কন্দাই নাছিলা। মনে মনে বৰ ভাল পাইছিলা।

বোৱাৰী : তুমি ভুল বুজিছা মানসী। প্ৰত্যেকজনী ছোৱালীক বিদায় দিয়াৰ সময়ত মাকৰ দুখ লাগিবই। তোমাৰ ছাগৈ অভিমান হৈছে। মাইনুক মৰম কৰা দেখি নহয় জানো?

মানসী : ভাল মিলিলে আৰু শাহুৱেক-বোৱাৰীয়েক দুয়োজনী। কথা এটাও ক'ব নোৱাৰি।

নৰেন : হেৰা বোৱাৰী মোনাখনো আনা আৰু তোমাৰ সেই পাকঘৰৰো লিষ্টখন দি দিবা। মইয়ো আজিকালি কথাবোৰ বৰ পাহৰিবলৈ লৈছো নহয়।

বোৱাৰী : মোনাখন লওঁক দেউতা। সোনকালে আহিব। অ' মা আপুনি সেই যে গুজৰাটী চিলাইটো মোক শিকাম বুলি কৈছিলে মই এইখন লৈ আহিছো। এতিয়াই শিকাই দিয়ক পাছত আকৌ কামৰ পৰা আহৰিয়েই নাপাওঁ।

সুৱৰ্ণ : এহঃ ওচৰলৈ আহাঁ ইমান আঁতৰত বহিলে চিলাই কেনেকৈ শিকিবা। আগতে জানানে আমাক মায়েও ......... ওঁ........... তেতিয়া বহুত সৰুতে ফুল শিকাইছিল। নোৱাৰিলে আকৌ গোটেই দিনটো দৰ্জা বন্ধ কৰি

সুমুৱাই থয়।

(বোৱাৰী আৰু শাহুৱে একেলগে হাঁহিব)

মানসী ঃ অ' বৌ ইয়াক লোৱা বৰ আমনি কৰিছে।

বোৱাৰী ঃ আহাঁ বেটা নাকান্দিবা আকৌ।

(বাবু আহে চিঞৰি চিঞৰি)

বাবু ঃ অ' মা'..... মা'........... দেউতা মাইনুৰ কি হ'ল চাওঁক.........।

(মাক, বোৱাৰী আৰু মানসী আবেগিক হৈ)

সুৱৰ্ণ ঃ আমাৰ আইজনীৰ কি হ'ল? কোনে তাইৰ এই অৱস্থা কৰিলে? (মাইনুক ধৰি কান্দে)

নৰেন ঃ 'আৰে কি হ'ল হাঃ? তোমালোকে কিয় এনেকুৱাখন কৰি আছা?

সুৱৰ্ণ ঃ মাইনুক আপুনি নাচাই কেলেই?

নৰেন ঃ বাবু তই মাইনুক ক'ত এৰি থৈ গৈছিলি।

বাবু ঃ দেউতা, বাছখন ৰখাওঁতে মই অলপ খোৱা বস্তু কিনিবলৈ ওলাই যাওঁতে মাইনু বাছৰ ভিতৰতে আছিল।

বাবা ঃ (কান্দি কান্দি) মোক ক্ষমা কৰক দেউতা। মই পাপী। মাইনুৰ এই অৱস্থাৰ বাবে ময়েই দায়ী। মোক শাস্তি দিয়ক দেউতা। সন্ত্ৰাসবাদৰ কবলত পৰি, সদস্য হৈ মই বাছৰ ভিতৰত নিজ হাতেৰে ভগ্নীক গুলিয়ালো। মোক সকলোৱে শাস্তি দিয়ক।

নৰেন ঃ তই এনেকুৱা কাম কৰিব নোৱাৰ বাবা।

বাবা ঃ মই সঁচাকৈ কৈছো দেউতা। মই এটা বিশ্বাসঘাটক।

বোৱাৰী ঃ এয়া কি কৈছে আপুনি। নাই নহয়, হব নোৱাৰে। আপুনি মিছা কথা কৈছে মিছা কথা........।

বাবা ঃ তুমি ভুল নুবুজিবা মই সঁচাকৈয়ে বিশ্বাসঘাটক। মোৰ ভুল হ'ল দেউতা।

নৰেন ঃ তই সঁচাকৈয়ে এটা বিশ্বাসঘাটক। তই আমাৰ সকলোৰে মনত আঘাত দিলি। তোক মোৰ নিজ পুত্ৰ বুলি চিনাকি দিবলৈ লাজ লাগিছে। তোৰ সেই মুখা পিন্ধা স্বৰূপ ভালদৰেই চিনি পালো আজি। বাঃহঃ কি সুন্দৰ শিক্ষাৰে শিক্ষিত হ'লি তই। আগতে মানুহৰ আগত তোৰ কথা কৈ গৌৰৱ কৰিছিলো মই। কিন্তু এতিয়া সমাজৰ আগত তই আমাৰ নাক-কাণ কটা যোৱালি। তোক আজি........... তোক........। এতিয়াই মোৰ ঘৰৰ পৰা বাহিৰ হ'। মই তোক ত্যাজ্য পুত্ৰ কৰিলো।

বাবা ঃ তুমি মোক এবাৰো ক্ষমা কৰি দিব নোৱাৰানে? মই জানো মই তোমাৰ ক্ষমাৰ অযোগ্য তথাপিও..........।

বোৱাৰী ঃ আপুনি মোক আৰু কোনো কথাই নকব। আপোনাক মই বহুত বিশ্বাস কৰিছিলো কিন্তু সেইখিনিতে মোৰ ভুল হ'ল। আপোনাৰ বাৰু এই কণমানি দেৱশিশুটোলৈও বেয়া নালাগিলনে? আপুনি যে এনে মনোভাৱৰ বুলি মই সপোনতো ভাবিব পৰা নাছিলো। এটা কথা আপুনি শুনাটো ভাল হ'ব যে— - মই এজন সন্ত্ৰাসবাদীৰ পত্নী হোৱাতকৈ এজন শ্বহীদৰ বিধৱা পত্নী হৈ জীয়াই থাকিবলৈ বহুত ভাল পাম। আপুনি এতিয়াই ওলাই যাব পাৰে। (বাবা মঞ্চৰ পৰা ওলাই যায়)।

নৰেন ঃ দুখ কৰি লাভ নাই বোৱাৰী চাওঁ কেঁচুৱাকনক দিয়াচোন? ইয়াক মইয়ে গঢ় দিম। সমাজত সঁচা মানুহ হিচাপে। ইয়েই হৈ ৰওক আমাৰ জীৱনৰ আশা। ইয়াৰ মাজেদিয়েই আমি আগুৱাই যাম জীৱনৰ বাটত।

■■■

# অতিথি কবিৰ কবিতা



## কবিতা ভালপোৱা ছোৱালীজনী

**প্ৰাঞ্জল প্ৰতিম বড়া**

ছোৱালীজনীয়ে
শৈশৱতে ভাল পাইছিল
গাঁৱৰ ধূলিয়ৰি বাট
ধূলি উৰুৱাই যোৱা মহাজনৰ গাড়ীখনৰ
পিছে পিছে তাই
তেতিয়া চেকুৰিছিল।
ছোৱালীজনীয়ে
ভাল পাইছিল আঘোণৰ পথাৰ
পথাৰত পাৰ কৰিছিল সময়ৰ এবেলা
লগৰীৰ স'তে লেচেৰি বুটলি
ৰবাব টেঙাৰ বাকলি চিৰাচিৰ কৰি।
ছোৱালীজনীয়ে
ফৰিংফুটা জোনাক ভাল পাইছিল
জোনাকৰ দৰে হাঁহিবলৈ শিকিছিল।
জখলাৰে উঠি গৈ আকাশৰ পৰা
থাপ মাৰি আনিব খুজিছিল
সৰু তৰা এটি।
ছোৱালীজনীয়ে
কেতিয়াবা ওৰেটো দিন নৈ ঘাটত কটাইছিল
বালিঘৰ সাজিছিল
সখা-সখীৰ স'তে মেল পাতি
বালিতে আঁক-বাঁক কৰি
কৰি চাইছিল
নৈপৰীয়া জীৱনৰ আওল লগা অংক।
ছোৱালীজনীয়ে
ধেনুভিৰীয়া হাঁহিটোৰে বেলিটো
ওলোৱা দেখিলে
উদং কৰি নিজৰ বুকুখনত এবাৰ
হাত ফুৰাই চাইছিল
উশাহত অনুভৱ কৰিছিল
বুকুৰ মাজত এখন নৈ
নৈ মাজত উফন্দিছে পানীমেটেকা
আৰু
পানীমেটেকা ফালি ভটিয়াইছে পানচৈ।
ছোৱালীজনীয়ে
ক্ৰমাৎ গুণগুণাবলৈ শিকিছিল
বিহুগীতৰ জিকাফুলীয়া স্বৰ
ভাল পাবলৈ লৈছিল
নিমাত নিশাৰ বাঁহীৰ সুৰ।
ছোৱালীজনীয়ে
ক্ৰমশঃ ভাল পোৱা হৈছিল ৰিমঝিম বৰষুণ
মন মেলিছিল
বৰষুণত এবাৰ তিতিবলৈ..........
ছোৱালীজনী--
কবিতা ভালপোৱা ছোৱালী।।

# মায়াময় তোমাৰ সুহুৰি



**বিজয় ৰবিদাস**

বাগিছাখনৰ মাজেৰে
সুহুৰি এটা বগাই আহে
তাইৰ বিছনাইদি তাইৰ
বুকুত ঘৰ বান্ধে

অজান পুলক এটাই মেৰাই ধৰে শৰীৰ
ন-জোন দেখা সপোনৰ জখলাইদি তাই
চুব খোজে সুহুৰিটোৰ দুটি ওঁঠ
দুটি চকু, নুমাল বুকু

জুৰুলি জুপুৰিকৈ
তিতে নাভিমূল

ৰাতি ভাঁজ এটাৰ বুকুৰে সৰকি থাকে
সুহুৰিটোৰ তপত নিশাহ
তৰুৱা কদম জোপাৰ
জোনাকৰ ছাঁ-পোহৰত
মায়াময় আবেষ্টনিৰ মাজেৰে
সুহুৰিটো চক্রবাল
বতাহত ঘূৰি-ফুৰে
অতৃপ্ত
উদ্বেলিত এটা সন্ধ্যাৰ বাৰান্দাইদি
সংগোপনে
সুহুৰিটো পাৰ হৈ যায়

---

# অনুভৱৰ পৃথিৱী



*স্নেপশ্বটঃ এক*

## ইতিহাস

পিকুমণি গগৈ

এখন শূন্যৰ জগতত
সীমাহীন শূন্যতা
বুকুত, আকাশত ......

দুটা সত্তা - শূন্যতাক নিচুকাই থকা দুখন ভিন্নমুখী পৃথিৱী আদম আৰু ইভ
তোমাক যদি কোনোৱে প্ৰশ্ন কৰে -- তোমাৰ পূৰ্বপুৰুষ কোন?
তুমি ক'বা নেকি -- 'আদম আৰু ইভ'ৰ
এখন নাঙঠ পৃথিৱীৰ কথা!
নে তুমি ক'বা -- "আদম আৰু ইভৰ কাল্পনিক জগতত
এবেলৰ তেজেৰে পৃথিৱীৰ বুকুত কেইনে লিখি যোৱা প্ৰথম হত্যাৰ গাঁথা!!
নে তুমি গৌৰৱেৰে ক'বা -- তেজৰ সম্পৰ্কে থকা আপোন
মানুহৰ মাজত হোৱা সহবাসৰ কথা!!
নে তুমি ক'বা -- ওহোঁ, আদম আৰু ইভ বুলিবলৈ
কোনো নাছিল
বুদ্ধিহীন বান্দৰৰ ক্ৰমবিকাশৰ ফলশ্ৰুতি মানুহৰ পূৰ্বপুৰুষ....
বান্দৰামিৰ শেষতে মানুহৰ অস্তিত্ব!!!
লাজ নাথাকিবলৈ ইতৰ হোৱাই বহু শ্ৰেয়!
কাপোৰৰ তলত সকলোৱেইতো উলংগ!!



*স্নেপশ্বট্- দুই*

## এখনেই আকাশ দুখন পৃথিৱী

তোমালোকে ক'ব নোৱাৰা মোক -- আমাৰ এখনেই পৃথিৱী
'লাও' পাতৰ তলৰ পৃথিৱীতেই বন্দী সকলো ভোকাতুৰ
তোমালোকেইতো বাট কাটি দিছা আমাৰ বাবে
একেখন পৃথিৱীৰ দুটা ভিন্ন সত্বাক
তোমালোকৰ জান্তৱ দুহাতৰ ছাঁই হোৱা সপোনত
লিখা থাকে তোমালোকৰ নষ্ট ভৱিষ্যত
য'ত 'মাতৃ' অবিহনে সকলো অচল
বুকুত 'ফেমিনিজম'ৰ অধিকাৰ লৈ
যদি কিনিব পাৰা পুতৌৰ সন্মান
তেনে নিপাত যাওক 'মানুহ হোৱাৰ গৌৰৱ'!!!

*স্নেপশ্বট্ - তিনি*

## ৰিক্ত দুহাত

মই তোমাৰ বাবে কোৰোণাৰে চপালো -- ভালপোৱা
তোমাৰ আঙুলিত ধৰি পঢ়িবলৈ আৰম্ভ কৰিলো
ভালপোৱাৰ কুঁহিপাঠ
তোমাৰ ভালপোৱাৰ সমগ্ৰ হুলাহল পাণ কৰি
আজি নীলকণ্ঠ মই
দুহাতেৰে খেপিয়াই ফুৰো
কত' দেৱদাস আৰু পাৰুৰ দুঃস্বপ্ন
শুনিছো বাৰিষাৰ ৰাতি কবিক মনত পেলাবলৈ
অৰুন্ধতী হেনো এতিয়া
কাৰোবাৰ ৰামধেনুবুলীয়া সপোনৰ মাতৃ!
অৰুন্ধতী! তোমাৰ ভালপোৱাৰোবক এই 'বেকাৰ' যুৱকে
'মোৰ পৃথিৱী' বুলি সাৱটি ৰাখিলো
তুমি মোৰ সমস্ত কাঢ়ি তোমাৰ হৃদয়ৰ দুৱাৰত উলমাই ৰাখিলা
'ন' গেৰাণ্টি ফ'ৰ কালাৰ'.....

*বিঃদ্ৰঃ- এবেল আৰু কেইন ঃ পৃথিৱীৰ প্ৰথম মানৱ আদম আৰু ইভৰ দুই পুত্ৰ। এবেল কেইনতকৈ ডাঙৰ। এবেল আছিল ধাৰ্মিক। কেইন আছিল আটাইবোৰ কু-কৰ্মৰ গৰাকী। এদিন তেওঁলোকে ভগৱানৰ বাবে প্ৰাৰ্থনা আগবঢ়ালে। এবেলৰ প্ৰাৰ্থনা ভগৱানে গ্ৰহণ কৰিলে কিন্তু কেইন প্ৰত্যাখিত হ'ল। ইয়াতে লাজ আৰু খঙত অপমানিত কেইনে এবেলক হত্যা কৰে। এইয়াই পৃথিৱীৰ প্ৰথম ভাতৃহত্যা।*

*• লেখিকা স্নাতক তৃতীয় বৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰী*

# এমুঠি অনুভৱ ....

আশাশ্ৰী দুৱৰা

গ্ৰীষ্মৰ এটি বিষণ্ণ আবেলি। বতৰটো ৰাতিপুৱাৰে পৰা সেমেকা। মাজে মাজে দুই এজাক সৰু সুৰা বৰষুণ। আবেলি পৰত বৰষুণৰ মাদকতা উপভোগ কৰো বুলি খিৰিকীৰ কাষত বহিলো। ধূসৰ আকাশ...., চিপচিপিয়া বৰষুণ মাথোঁ...। বৰষুণৰ টোপাল পৰি গছে পাতে নাচোনৰ হিল্লোল। ক্ৰমাৎ নষ্টালজিক হৈ পৰিছে মনটো....। বাৰে বাৰে উভতি গৈছো মই সেই দিনবোৰলৈ, য'ত এৰি থৈ আহিলো মোৰ, নিষ্পাপ ধেমালিৰে মচগুল ধূলি-বালিৰ আবেলিবোৰ....। শৈশৱৰ লগৰীয়াবোৰ ব্যস্ততাৰ পৃথিৱীত ক্ৰমাৎ হেৰাই গ'ল। কেৱল থাকি গ'ল এসোপামান মছিব নোৱাৰা স্মৃতি.... মোৰ সোণালী দিনৰ মুঠি মুঠি অনুভৱৰ কৰণি...।



সঁচাকৈয়ে বৰ আনন্দমুখৰ আছিল শৈশৱৰ সেই দিনবোৰ। কেৱল হাঁহি আৰু ধেমালী, খেল আৰু খেল। ফটাকানিৰ দৰা-কইনাৰ সৈতে উমলি-জামলি, ধূলি-বালিৰ সৈতে একাকাৰ হৈ চিঞৰ-বাখৰত থকা-সৰকা হৈছিল শৈশৱৰ আবেলিবোৰ...। লগৰীয়াৰ সৈতে কাজিয়া কৰি ওফোন্দ পতা ৰঙচুৱা মুখখনলৈ এটা মধুৰী অথবা এটা লিচুৰে হাঁহি উভতাই আনিছিল। স্কুললৈ যাওঁতে পঢ়া-শুনাতকৈ বেছি মন দিছিলো কাৰ বেগত কি বেছিকৈ আছে, কোনে ঘৰৰ পৰা ভাল কিবা আনিছে আদিবোৰলৈ...। দুখ-ভাগৰৰ কথা নাই, দিনৰ দিনটো উৎপাত কৰি কৰি ৰাতি পঢ়াৰ টেবুলত বহি কিতাপতে মূৰ থৈ টোপনি যাওঁতে দেউতাই দিয়া চুলিৰ জোকাৰকেইটাত থত্মত্ খাই চিঞৰি চিঞৰি মুখস্থ মাতিছিলো কবিতাৰ শাৰী নতুবা যোগ-বিয়োগৰ নেওতা। সচাই বৰ মধুৰ আছিল সেই দিনবোৰ।

এতিয়া সকলোবোৰ অতীতৰ গৰ্ভত, কিন্তু পাহৰিব নোৱাৰো নোৱাৰো কেতিয়াও মিঠা মিঠা সেই অনুভৱ। সময়ৰ সৈতে খোজ মিলাই নিজে নজনাকৈয়ে এদিন শৈশৱক বিদায় দিলো। যৌৱনৰ পদূলিত বৈ বাৰে বাৰে উভতি যাব খোজো সেই সোণালী দিনবোৰলৈ, কিন্তু ই জানো সম্ভৱ? মেট্ৰিকৰ দেওনা পাৰ হৈ এদিন ভৰি দিলোহি শিৱসাগৰ ছোৱালী কলেজত আৰু নিবাসী হ'লোহি ৰংপুৰ ছাত্ৰী নিবাসৰ।

কিন্তু সময়ৰো যে কি উদ্দাম গতি.... পলকতে উৰা মাৰিলে চাৰিটাকৈ বছৰ। এতিয়া আহি উপস্থিত হ'লোহি কলেজ তথা হোষ্টেলৰ শেষৰ বছৰটোত....উস! বুকুখনচোন বিষাই উঠে। ইমান ডাঙৰ হ'লোনে মই! কলেজৰ প্ৰথম দিনটোৰ কথা মনতেই আছে। সেউজীয়াবোৰৰ মাজত নিজকে বিলীন কৰি হাঁহি-ধেমালী, অভিমান-কান্দোনেৰে পাৰ কৰিলো সময়। লগৰীয়াৰ লগত মৰা আড্ডাবোৰ জানো পাহৰিব পাৰিম কেতিয়াবা। আস! কি যে ৰসাল কথাৰ ভঁৰাল সমনীয়াবোৰ।

হোষ্টেলখনৰ কথা ভাবিলেই মনটো বেছি গধুৰ হৈ পৰে। হোষ্টেল নহয় যেন ঘৰহে আমাৰ। প্ৰতিজনী ছোৱালীৰ সৈতেই আপোনতাৰ নিবিড় বান্ধোন।

চাৰিটা বছৰত বহুতকে পালো, বহুতক হেৰুৱালোও। বহুত আপোন হ'ল, বহুত আঁতৰি গ'ল মনত দকৈ সাঁচ বহুৱাই। তেজ মঙহৰ সম্পৰ্ক নাই, অথচ কি যে এক মায়াৰ বান্ধোন হিয়াখুলি ক'ব পাৰি কিছুমানক একান্তই গুপুত কথাবোৰো...। হোষ্টেলৰ জন্মাষ্টমী, সৰস্বতী পূজা, নৱাগতা আদৰণী সভা, বিদায় সভা, নৱবৰ্ষক আদৰা এইবোৰ সদায় সজীৱ হৈ ৰ'ব হৃদয়ৰ সেউজ পঁজাত।

আৰু মাত্ৰ কেইটামান মাহ। তাৰ পাছতেই আমিবোৰ বিচ্ছিন্ন হৈ যাম ইজনী-সিজনীৰ পৰা। নেভাবো বুলি ভাবিলেও বাধ্য কৰাই মনটোৱে। কেনেকৈ এৰি যাম লগৰবোৰক...। সুখে-দুখে মোৰ সমভাগী কিছুমানক এৰি কেনেকৈ কটাম ভৱিষ্যতৰ সুখ-দুখৰ মুহূৰ্তবোৰ!! দুখত সান্ত্বনা দিবলৈও এখন আপোন কান্ধ নাথাকিব তেতিয়া...। শোকটো উজাই আহে আপোনা-আপোনি ওলাই আহিব খোজে অবাধ্য চকুপানী...। কিন্তু এয়াইতো সত্য। এনেকৈয়ে আমি জীৱনটোৰ সৈতে compromise কৰি আগুৱাব লাগিব। জীৱন বাটত হয়তু আকৌ কাৰোবাক লগ পাম, পুনৰ হেৰুৱাম কোনোবা আপোনজনক।

• *লেখিকা স্নাতক তৃতীয় বৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰী*

# সময়ৰ বোকোচাত অনুভৱৰ স্বৰলিপি....

প্ৰিয়ংকা ভূঞা



পল, অনুপল কৰি বছৰ, দিন, মাহ জুৰি....এনেদৰে এটা কবিতা পঢ়িছিলো ল'ৰালিকালত। তেতিয়াতো বুজা নাছিলো সঁচায়ে সময়বোৰ পাখিলগা কাঁড়ৰ দৰে। বিজ্ঞজনৰ হাজাৰ হুমকি আছিল তেতিয়া সৰু মগজুৰ বোধগম্যৰ বাহিৰত। জীৱনৰ উনবিংশ বসন্ত গৰকা হৃদয় এতিয়া বাৰুকৈ বুজে সময়ৰ কাঁড়ফাই ডালৰ বেগ।

শৈশৱৰ নিস্বাৰ্থ ধেমালিবোৰে বৰকৈ ডোলা দি যায় বৰ্তমানৰ ভাৰশূন্য হৃদয়ত। সেই মুকলি আকাশৰ তলৰ ধেমালিবোৰ মনত পৰিলে অতি সন্তৰ্পণে ওঁঠৰ কোণত হাঁহি এটা বিৰিঙি উঠে। লগতে হেৰুওৱা দিনবোৰৰ পখিলা খেদা সপোনবোৰ মনত পৰিলে দুনয়ন সিক্ত হৈ পৰে।

শৈশৱৰ ঘ্ৰাণটোৱেচোন বৰ্তমানৰ জীৱনক বৰকৈ ভেঙুচালি কৰে। এৰা, বৰ্তমানৰ ফোঁপোলা জীৱনৰ ধামখমীয়াতকৈ তেতিয়াৰ আঘোণৰ পথাৰৰ ভৰুণ বুকুত হেৰাই যোৱা ল'ৰালিকাল অতি মধুময় আছিল। ৰবাব টেঙাৰ স্বাদ লৈ পথাৰত সাধু-কিতাপ পঢ়াৰ আমেজেইচোন সুকীয়া আছিল। ক'তবা পাম তেনে এক উমসনা জীৱন? "অকণিৰ কুঁহিপাতৰ" ৰংদৈ পথাৰ, টিংখাং আৰু ৰঘুমলাহঁতৰ কাহিনীবোৰ এতিয়া এটা সাধু সাধু লগা সপোন শৈৰৰ পথাৰেদি সেন্দুৰীয়া বেলি নামে, অলীক কল্পনাৰ জিএঞা পাখিয়ে শৈশৱক অনন্য সহচৰ কৰি তোলে...।

মা! শক্তিমানৰ দৰে মইও চক্চক্‌কৈ উৰি যাম হা? ল'ৰালিকালৰ অদ্ভুত হেঁপাহ আৰু সীমাহীন ভাৱনা এতিয়া মনত পৰিলে লাগে ধেৎ! মইনো ইমান আঁকৰি আছিলোনে? সঁচায়ে দেওবাৰৰ দিনটো কিমান ৰহনসনা আছিল আমাৰ বাবে। ৰাতিপুৱাৰ শ্ৰীকৃষ্ণ, মহাভাৰতৰ পৰা দুপৰীয়াৰ শক্তিমানলৈ দেওবাৰৰ এক অবিৰাম যাত্ৰা। তাৰ পাছত, তাৰ পাছত আৰু কিহ'ব? চুবুৰীটোৰ ভূমি পাত, পাত কৰা আমাৰ ওপৰত মাৰ ব্ৰহ্মাস্ত্ৰ মানে জেওৱাৰ ঔকিলৰ তন্ময়তা এতিয়া মনত পৰি লাগে আকৌ শৈশৱ আহক আকৌ মাৰ মৰমসনা এছাৰিয়ে ছিটিপ্ ছিটিপ্ কৰি উঠক।

ভাৱনাৰ পথাৰ, সীমাহীন হেঁপাহে সেউজীয়া কৰা সপোন শৈশৱ কিয় বাৰু হেৰাই গ'ল ই আমাৰ জীৱনৰ পৰা আৰু কিয় ভৰি দিলোহি অহৈতুক চিন্তাৰ পৃথিৱীখনত? শৈশৱ তোৰ কোলাত জীপাল হোৱাৰ সপোনবোৰ আৰু নাই। ছেহ! তই বিহীন মুকলি আকাশ তেনেই সৰু। সংকোচিত হৈ পৰা ইয়াৰ আকুলতাই আমাক আৱৰিব নোৱাৰে এতিয়া ....।

বৰ্তমান সময় হ'ল কেৰিয়াৰ গঢ়াৰ। ফু-মাৰি উৰুৱাই ই সপোনৰ মায়াময় বৰষুণ। প্ৰেক্‌টিকেল জীৱনৰ অনুভৱবোৰে ক'ৰবাত কুচি-মুচি লুকায়। এৰা লেচেৰি বুটলা সময় আৰু নাই। বৰ্তমান আহি পৰিছে জীৱন যুঁজৰ প্ৰতিযোগিতাত আগস্থান পোৱাৰ সময়। নম্বৰৰ তালিকাত শীৰ্ষস্থান অধিকাৰ কৰাৰ নিগনি দৌৰত আমি হৈ পৰিছো একো একোটা গিনিপিগ্। ক্ৰমে আমাৰ নিজস্বতাৰ পৃথিৱীখন বিলুপ্তিৰ গৰাহত। এটা ভাল জীৱন, এটা ভাল কেৰিয়াৰ, এটা মোটা চাকৰিৰ স্বাৰ্থত আমি হৈ পৰছো বাস্তৱ অৰ্থত একো একেটা 'machine'।

• *লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ভূগোল বিভাগৰ ছাত্ৰী*

# আড্ডা

পল্লবী গগৈ



নেপথ্যত থাকি মই আজি আমাৰ সহপাঠীসকলৰ সৈতে বহা কলেজ কেন্টিন আড্ডাৰ শিৰোনামলৈ আহি পৰা এক বিষয়ৰ সম্বন্ধে দুআষাৰ লিখিবলৈ আগবাঢ়িছো। নাজানো এই বিষয়টো কিমান গ্ৰহণযোগ্য? তথাপি মই ইয়াক অনুভৱ তথা উপলব্ধিৰ এক আধাৰ হিচাপেহে ব্যক্ত কৰিছো। এইয়া কোনো সমালোচনা নহয় ছাত্ৰ-ছাত্ৰী বা শিক্ষাগুৰুসকলক লৈ। কেন্টিন আড্ডালৈ আহি পৰা বিষয়টো আছিল "ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকল"। আলোচনাৰ আঁত ধৰিছিল দুটা প্ৰশ্নই — ছাত্ৰ-ছাত্ৰীয়ে বিচাৰেনে বাৰু সকলো শিক্ষাগুৰুৰ পৰা সমান গুৰুত্ব? আৰু বিচৰামতে পায়নে সকলোৱে সমানে গুৰুত্ব? আড্ডাৰ শিৰোনামাত আহি পৰা উক্ত বিষয়টো উপেক্ষা কৰিব নোৱাৰিলো শিক্ষাগুৰুসকলৰ সহানভূতিৰ বাবে কাতৰ কেইবাগৰাকী সহপাঠীৰ করুণ বক্তব্য শুনি নিজৰো মনটো সেমেকি উঠিছিল। নিজৰ মনতে জুকিয়াই চাই নিজেও এই বক্তব্যৰ মৰ্মাৰ্থ বুজিবলৈ চেষ্টা কৰিছিলো। হয়তো বহুতো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ শিক্ষা জীৱনত এনে অভিজ্ঞতা সন্মুখীন হৈছে। অৱশ্যে উক্ত বিষয়টোৰ ক্ষেত্ৰত মই কাকো দোষাৰোপ কৰা নাই বুলি মুক্তকণ্ঠে স্বীকাৰ কৰিছো। মাথো শ্ৰেণীকোঠাৰ কোনো এখন বেঞ্চত বহি উক্ত বিষয়টোৰ সত্যাসত্য বিচাৰৰ চেষ্টা কৰিছো। সহানুভূতি, উৎসাহ, প্ৰেৰণা কি এইয়া হয়তো সকলোৰে জ্ঞাত। আমি আমাৰ জীৱনৰ বিভিন্ন স্তৰত প্ৰতি পল তথা প্ৰতি মুহূৰ্ততে সহানুভূতি, উৎসাহ, প্ৰেৰণা আদিৰ কামনা কৰো। অৱশ্যে জীৱনৰ স্তৰভেদে এই সহানুভূতি, প্ৰেৰণা, উৎসাহ আদি কাৰ কাৰ পৰা বিচাৰো সেইয়া ভিন্ন। বিশেষকৈ শিক্ষা জীৱনৰ এইটো স্তৰত কোনো এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে মাক-দেউতাকৰ উৎসাহ প্ৰেৰণাৰ উপৰি শ্ৰেণী শিক্ষাগুৰুসকলৰ সহানুভূতিৰ পাত্ৰ অলপ হ'লেও হ'ব বিচাৰে। কিন্তু বিচৰামতে কিমানজনে এইয়া পায় সেইয়া হয়তো অজ্ঞাত। শ্ৰেণীটোৰ ভিতৰত পঢ়াত ভাল ছাত্ৰ-ছাত্ৰীসমূহক গুৰুত্ব দি যে বাকীসকলক উপেক্ষা কৰিব এইয়া নিশ্চয়কৈ যুক্তিসংগত নহয়। মই পঢ়াত ভাল হ'লো বুলি যদি মোক গুৰুত্ব দি বাকীসকলক উপেক্ষা কৰে তেন্তে সেইটোও যুক্তিসংগত নহয় অথবা মই পঢ়াত বেয়া হ'লো বুলিয়ে মোক উপেক্ষা কৰি বাকী দহজনক গুৰুত্ব দিয়াটোও জানো উচিত। যদি আমাৰ পঢ়াশালিখন এখন ফুলনি হিচাপেই ধৰি লোৱা হয় তেন্তে পঢ়াশালিৰ অন্তৰ্ভুক্ত প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে একোজোপাকৈ ফুল তেনেক্ষেত্ৰত আমাৰ শিক্ষাগুৰুসকল এই ফুলনিৰ মালী। যদি এজন মালিয়ে ফুলনিৰ ফুলি থকা ফুলজোপাকে প্ৰতিপালন কৰি থাকে বাকী ফুলবোৰক আওকাণ কৰে তেন্তে মালীৰ কৰ্তব্য সম্পূৰ্ণৰূপে সম্পাদন কৰিছে বুলি ক'ব পৰা নাযাব। যি কেইজোপা ফুল বৰ্তমানলৈকে ফুলা নাই সেইকেজোপাৰো প্ৰতিপালনত যাতে কোনো ত্ৰুটি থাকি নাযায় তাৰ প্ৰতিও মালীজন সচেতন হ'ব লাগিব। এজোপা ফুল গছত ফুলৰ কলিবোৰ অংকুৰিত হ'বলৈ হ'লে যথেষ্ট সময়ো লাগিব পাৰে কিন্তু নুফুল কিয় বুলি যদি সেইজোপা ফুলক কাটি পেলাই তাৰ

প্ৰতিপালন কৰিবলৈকে অপাৰগ হয় তেনেক্ষেত্ৰত সেইজন মালিয়ে ফুল বাগিছাৰ পৰিচৰ্যা কিমান সুচাৰুৰূপে কৰিব পাৰিব সেইয়া হয়তো সকলোৰে অনুমান কৰিব পাৰে।

এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে যে পঢ়াত পাৰ্গত হলেই বাকীবোৰ চাৰিত্ৰিক দিশতো ভাল সেইয়া কোনেও নিশ্চিতভাৱে ক'ব নোৱাৰে। নতুবা কোনো ছাত্ৰ বা ছাত্ৰীয়ে পঢ়া-শুনাত পাৰদৰ্শিতা দেখুৱাব নোৱাৰিলে বুলিয়ে যে বাকীসমূহ দিশতো পিছপৰা হ'ব এই মতো গ্ৰহণযোগ্য নহয়। ব্যৱহাৰিক জীৱনত কেৱল শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰখনে আমাৰ বাবে যথেষ্ট নহয়। এই আলোচনাৰ মাজত হঠাতে আকৌ দুটামান প্ৰশ্নৰ অৱতাৰণা হৈছিল যে - কিয় সকলো ছাত্ৰ-ছাত্ৰী শিক্ষকৰ বাবে সমানে গুৰুত্বপূৰ্ণ নহয়? কাৰোবাক বেছি গুৰুত্ব দি কাৰোবাক এই গুৰুত্বৰ পৰা বঞ্চিত কৰা হয় কিয়? উত্তৰবোৰ বিচাৰি ইয়াৰ উত্তৰ আংশিকভাৱে বিচাৰি পাইছিলো। হয়তো কোনো কোনো শিক্ষাগুৰুসকলে ভাৱে যে যিয়ে বৰ্তমানলৈকে পঢ়াত পাৰদৰ্শিতা দেখুৱাই বেছি শতাংশ নম্বৰ পাই আহিছে তেওঁলোকক আৰু অধিক গুৰুত্ব সহকাৰে চোৱা-চিতা কৰিলে অনাগত ভৱিষ্যতত আৰু সুফল তেওঁলোকৰ পৰা আশা কৰিব পৰা যায়। কিন্তু তেওঁলোকে হয়তো এইয়া ভাবিবলৈ কুণ্ঠাবোধ কৰে যে যিয়ে নেকি সফলতাৰ শীৰ্ষত উঠিবলৈ যথেষ্ট চেষ্টা কৰি আছে তেওঁলোককো যদি অলপ সহানুভূতি বা গুৰুত্ব প্ৰদান কৰা হয় তেতিয়া তেওঁলোকো নিজৰ লক্ষ্যৰ দিশত অগ্ৰসৰ হ'বলৈ যথেষ্ট সাহস আৰু উৎসাহ পায়। অনহাতে আমি অতিক্ৰমি অহা শিক্ষা জীৱনৰ মাজত এনে কিছুমান শিক্ষাগুৰুৰো সন্মুখীন হওঁ যি গুৰুৱে কোনো প্ৰশ্নৰ উত্তৰ বহী শ্ৰেণীকোঠাত চোৱাৰ সময়ত জমা দিয়া বহীসমূহৰ মাজৰ বা শ্ৰেণীকোঠাৰ পঢ়াত পাৰদৰ্শী ছাত্ৰ-ছাত্ৰীৰ বহীহে মাজৰ গ্ৰহণযোগ্য সেইটোও বিবেচিত বিষয়। কিয়নো একাদিক্ৰমে বহীবিলাক পৰিদৰ্শন কৰি গ'লেও আমাৰ শিক্ষাগুৰু সকলৰ একো ক্ষতি নহয় যেন অনুমান হয়। তেনেক্ষেত্ৰত এই ধৰণৰ কাৰ্য্যই কিছুমান ছাত্ৰ-ছাত্ৰীক মানসিকভাৱে বাৰুকৈয়ে আঘাত হানে। পৰাপক্ষত সকলো ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাত কৰিব দিয়া প্ৰশ্নৰ যথাৰ্থ উত্তৰ দিবলৈ চেষ্টা কৰে কিন্তু সকলো সফল নহবও পাৰে সেই বুলি আমাৰ ভুলটো আঙুলিয়াই দিবালেও আমাৰ ভাল লাগে। যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে ভুলটো জনাৰো অৱকাশ নাপায় তেনেক্ষেত্ৰত শুধৰণী কৰাৰটো কোনো প্ৰশ্নই নুঠে। অৱশ্যে ইয়াৰ মাজত এটা কথাও উল্লেখ কৰাৰ প্ৰয়োজন যে শিক্ষাগুৰুসকলে শ্ৰেণীকোঠাত পাঠদান কৰোতে কোনো ছাত্ৰ-ছাত্ৰী নাম উদ্দেশ্যি তেওঁলোকৰ বাবেই যে পাঠদান কৰিছে সেইয়া উল্লেখ নকৰে। এইটো ভাবিলে আমাৰ ভুল হ'ব। এটা কথা হয় যে শিক্ষাগুৰুসকলে শ্ৰেণীকোঠাত সকলো ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যিয়েই পাঠদান কৰে ইয়াৰ পৰিপ্ৰেক্ষিতত বাৰু সকলো ছাত্ৰ-ছাত্ৰীৰে মগজুৰ আয়ত্ত কৰিব পৰা গুণটো কম বেছি হয়। কোনোৱে এবাৰতে বুজি পায় আৰু কোনোৱে বহুবাৰ বুজালেহে বুজি পায়। শ্ৰেণী পাঠদানৰ শেষত আমাৰ শিক্ষাগুৰুসকলে অৱশ্যে পাঠৰ মৰ্মাৰ্থ বুজা নুবুজাৰ খবৰো লয়। পাঠদান এনেকৈয়ে চলি গৈ থাকে যদিও কেতিয়াবা কিছুমান ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগুৰুসকলৰ পৰা উপেক্ষিত হোৱা যেন অনুভৱ কৰে। নাজানো হয়তো ইয়াত আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰো ভুল ধাৰণা থাকিব পাৰে। অৱশ্যে আকৌ কিছুমান দিশৰ পৰা চালে এই ধাৰণা এগৰাকী বা দুগৰাকী বা দুগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ল'ব পাৰে কিন্তু এনে ধাৰণা বৰ্তমান শিক্ষাগ্ৰহণ কৰি থাকে সৰ্ব্বোচ্চ ছাত্ৰ-ছাত্ৰীৰে মাজতে পৰিলক্ষিত হয়। শ্ৰেণীকোঠাত বহি ভাল এগৰাকী ছাত্ৰী বা এজন ছাত্ৰই শিক্ষাগুৰুসকলৰ আকৰ্ষণ কেন্দ্ৰবিন্দুজন কৃতকাৰ্য্য হৈছে। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পাৰদৰ্শিতাৰে শিক্ষাগুৰুসকল আকৰ্ষণৰ কেন্দ্ৰবিন্দু হোৱা উচিত যদিও সকলোতো সেইগুণৰ অধিকাৰী নহয়। আমি ব্যাকুল হওঁ ছাৰ বাইদেউসকলৰ সুহাৰ্দ্য আৰু সহানুভূতিপূৰ্ণ এযাৰি মাতৰ বাবে, এপলক চাৱনিৰে এটা মিঠা হাঁহিৰে তেওঁলোকক সম্ভাষণ জনাবৰ বাবে। মোৰ উক্ত বক্তব্যবোৰত অক্ষেপ নাই আছে মাথো অলপ অনুৰোধ। এই অনুৰোধ দাবী নহয়। সকলো ছাত্ৰ-ছাত্ৰীকে পাৰিলে সমানে গুৰুত্ব দিয়ক, কেইজনমানক অধিক গুৰুত্ব দি কেইজনমানক গুৰুত্ব নিদিয়াকৈ নাথাকে যেন। অৱশ্যে সকলো শিক্ষাগুৰু একে নহয়। তাৰ মাজতে কোনো এজন, দুজন এনে প্ৰকৃতিৰ থাকিব পাৰে। তেওঁলোকে যাতে আমাৰ অনুৰোধ ৰক্ষা কৰে এইয়ে প্ৰাৰ্থনা। সহপাঠীসকলৰ সৈতে মতৰ আদান প্ৰদান কৰোতে ওপৰত আলোচ্য বিষয়টো আহি পৰিল। সেয়েহে মত কিছুমানৰ সাদৃশ্য চাই দুআষাৰ লিখাৰ প্ৰয়োজনবোধ কৰিলো। যদি মোৰ এই দুআষাৰ লিখিত ৰূপত ব্যক্ত কৰোতে কোনো মহোদয় বা মহোদয়াৰ ব্যক্তিত্ব তথা মানসিকতাক আঘাত হানিছো তেন্তে তাৰ বাবে ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো। মা-দেউতা আৰু শিক্ষাগুৰুসকলক পৰামৰ্শ দিয়াৰ ধৃষ্টতা আমি নকৰো। মাথো কৰো অনুৰোধ সকলো ছাত্ৰ-ছাত্ৰীৰ ওপৰত সমান দৃষ্টি ৰাখি আমাৰ মাজত উদ্ভৱ হোৱা এনে বিতৰ্কমূলক আলোচনাৰ অৱসান ঘটালে আমি সকলো ছাত্ৰ-ছাত্ৰী চিৰ কৃতজ্ঞ হৈ ৰ'ম।

*• লেখিকা স্নাতক তৃতীয় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী*

# সোঁৱৰণিৰ পাতত আৰু এটি সেউজীয়া পৃষ্ঠা

মিতালী শইকীয়া

সময়ৰ বোকোচাত
উঠি এদিন উভতি
চাম নষ্টালজিয়াৰ
সুৰুঙাৰে আমাৰ
সেউজীয়া অতীতৰ
পৃষ্ঠা। আমিও এৰি
আহিলো সেউজীয়াৰ
বুকুত বিদায়ৰ পদচিহ্ন
ৰখা আন এক
সেউজীয়া.....।

এজাক ৰাংঢালী পখিলাৰ ঠিকনা সেউজীয়া। সেউজীয়া কেৱল এক পৰিচয় নহয়, অনুভৱৰ সেউজীয়া, সপোনৰ সেউজীয়া।

সময়ৰ বুকুত হেৰাই যাবলৈ দিন নোৱাৰাকৈ খোদিত হ'ল মোৰ বুকুত সেউজীয়াৰ ঠিকনা। জনা নজনা বহু কথাৰ সমাহাৰ মোৰ এই সেউজীয়া। তিতা-টেঙা-মিঠাৰ ভাণ্ডাৰ মোৰ এই সেউজীয়া। S.G.C. তুমি মোৰ বাবে মুঠতে এক ভাল লগা সেউজীয়া অনুভৱ....।

বৈ যোৱা সময়ৰ সোঁতক বাধা দিয়াৰ বা হাতৰ মুঠিত ধৰি ৰখাৰ ক্ষমতা আমাৰ নাই সেইয়া সঁচা। আৰু দূৰন্ত সময়ে সকলোকে গিলি পেলায়। ৰং হেৰাই যায় প্ৰাণীজগতৰ, সেইয়াও সঁচা। তথাপিওচোন পাহৰণি হ'বলৈ দিব নোৱাৰি কিছুমান স্মৃতি। তেনে এক সেউজীয়া মোৰ S.G.C. আৰু R.C.N.

সময়ৰ সুগন্ধি যেতিয়া হৃদয়ত লাগি ৰয়, তেতিয়া জেঠ মাহতো ফাগুনৰ ফুল ফুলে হেনো। সময়ৰ কেলেণ্ডাৰ বোলে কোনোদিনে পুৰণি নহয়। গতিকে, চেষ্টা কৰিম সেউজীয়াৰ ঠিকনা মোৰ, তোমাক চিৰদিন চিৰসেউজ কৰি ৰাখিবলৈ মোৰ অনুভৱৰ সেউজীয়াত। সময়ৰ বোকোচাত উঠি এদিন উভতি চাম নষ্টালজিয়াৰ সুৰুঙাৰে আমাৰ সেউজীয়া অতীতৰ পৃষ্ঠা। আমিও এৰি আহিলো সেউজীয়াৰ বুকুত বিদায়ৰ পদচিহ্ন ৰখা আন এক সেউজীয়া.....।



• *লেখিকা অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰী*



# হৃদয়ৰ এক সিক্ত অনুভৱ

নীহাৰীকা ফুকন

সময় গতিশীল, গতিশীল এই সময়ৰ কোবাল নদীত নাওমেলি যোৱা নাৱৰীয়া আৰু যাত্ৰী দুয়োৰে পিছলৈ উভতি চোৱাৰ অৱকাশ নাই। মাথো ৰৈ যায় অভিন্ন মুহূৰ্তবোৰ স্মৃতিপটত কোনোটো সতেজ আৰু কোনোটো মৰহি গৈ। পাৰ্থক্য মদাৰ আৰু গোলাপৰ।

........ এইদৰে মদাৰেই হওঁক গোলাপেই হওঁক উভয়ৰে পাহিৰে পূৰ্ণ হয় স্মৃতিৰ কুঁকি— বেলি লহিওৱাৰ পৰতেই হওঁক বা ক্ৰমান্বয়ে নিজৰ পথত অগ্ৰসৰ হোৱাৰ সময়তেই হওঁক মন দাপোণত গোলাপ মদাৰৰ ফাকু খেলে।

ফুটুকীয়া ফ্ৰকটিয়ে পখিলাৰ লগত নাচি ফুৰা, দৰা কইনাৰে সখি পতা, বকুলৰ মালা গাঁথি ফুৰা শৈশৱৰ সোণোৱালী পল-অনুপলবোৰ দেখোন আজি উৰি গ'ল অসমীলৈ। হৃদয়ৰ সিক্ত অনুভৱবোৰে অবুজন হৈ কহুৱা তুলাৰ লগত উৰি যাব খোজে বিহংগিনী হৈ নীলিম আকাশত, সেউজীয়া বননিৰ আৱেশত, শৈশৱৰ পুনৰ সন্ধানত। আস! কি মধুৰ, এইয়া দেখোন বৰ্ষাৰ ছন্দভৰা নৃত্য। আকৌ দোলাৰি গ'ল মোক শৈশৱে — কাগজৰ নাও সযতনে পানী ডোঙাত মেলি দি গাইছিলোঁ "সাউদৰ পুতেকে নাও মেলি যায়, নাৱে বোলে টুলুং ভুটুং ব'ঠাই বোলে বাওঁ।"

ভেদ-ভাৱহীন, মৰম পিয়াসী কপটতা শূন্য এখন নিৰ্মল অন্তৰ হিংসা, বিদ্বেষ, কপটতাৰ পৰা শৈশৱ বহুযোজন দূৰত্বত।

শুভ্ৰ জোনাক ৰাতি, চোতালত বহি আইতাৰ মুখত সাধুকথা শুনি নিৰৱে টুকিছিলো চকুলো তেজীমলাৰ বিৰহত। সেইয়া আছিল বুঢ়ী আইৰ সাধুকথাৰ কাল্পকি তেজীমলা। কিন্তু আজি যৌৱনৰ দুৱাৰডলিত ভৰি দি মোৰ চৌপাশে দেখো শৈশৱৰ তেজীমলাৰ অনেক জীৱন্ত ৰূপ। সিহঁতৰ মৰ্মস্পৰ্শী গাঁঠা দেখি শুনিও বিচলিত নহয় মুষ্টিমেয় পাষাণ হৃদয়। মাথো সিহঁতৰ কুটিল হাতোৰাৰ চেকা ৰৈ যায় তেজীমলাৰ নিষ্প্ৰাণ দেহত। উস! কি বিড়ম্বনা, একবিংশ শতিকাৰ সভ্য সমাজ। পুৰুষৰ লগত সমানে ফেৰ মাৰিছে নাৰীয়ে। প্ৰগতিৰ শীৰ্ষত আৰোহণ কৰিছে নাৰীয়ে। পুৰুষৰ সমানেই আজি নাৰীৰ আধিপত্য। শুনিছিলোঁ পুৰুষৰ হাতত যুগে যুগে নাৰী নিৰ্যাতিতা হৈ আহিছে। কিন্তু আজি নাৰীয়েই — যি নাৰীমুক্তিৰ শ্ল'গান দি ফুৰে সেই নাৰীৰ হাততেই নিৰ্যাতিত হৈছে বনকৰা ছোৱালী, অৱলা বোৱাৰী অথবা কতজনী শাহুআই। তেনে ঘটনাও আজিৰ সমাজত বিৰল নহয়। একবিংশ শতিকাৰ সভ্য সমাজ প্ৰগতিৰ স্বৰ্ণশিখৰত। কিন্তু মানৱীয়তাৰ দিশত প্ৰগতিৰ পথ ৰুদ্ধ। মানুহ পৰিণত হ'ল যন্ত্ৰ মানৱত। যি সম্পূৰ্ণৰূপে কাৰ্যক্ষম অথচ হৃদয়ৰ হৃদয়ৰ পৰিভাষাৰ পৰা অসীমত.....হায় মানৱতা।

*• লেখিকা স্নাতক ২য় বৰ্ষৰ অসমীয়া বিভাগৰ ছাত্ৰী*

# কবিতা যদি নিজস্ব অনুভূতি..

## অনুভৱ মোৰ স্মৃতিৰ পৰশ হৈ থাকিব চিৰদিন.....

**ময়ুৰী গগৈ**

তোমাৰ পৰা এতিয়া মই বহু দূৰত। তেৰ নদীৰ সাত সাগৰ অথবা তাতকৈ বহু দূৰৈত। নতুন বাটৰ সন্ধানত অনুসৰণ কৰিছো এটা নতুন জীৱনৰ। ভুলতো নক'বা তুমি ওভোতাই দিবলৈ মোৰ প্ৰিয়বোৰ। কাহানিবাই পাহৰি পেলাইছো — আঙুলিৰ পাবত প্ৰিয় ঋতুৰ হিচাপ। গুণগুণাবলৈ ওঁঠত প্ৰিয় গানৰ কলি, লুটিয়াবলৈ হিৰুদাৰ প্ৰিয় অনুভৱৰ পৃষ্ঠা। পাহৰি পেলাইছো সকলোবোৰ। প্ৰাপ্তিৰ ঠিকনা উছৰ্গা কৰিছো সময়ৰ হাতত। বিশ্বাসৰ সাঁকো আৰু কেতিয়াও নাবান্ধো। বিশ্বাস ভংগৰ যন্ত্ৰণা মোৰতো কাম্য নাছিল। মই আজলিয়ে আজলিয়ে পৰিপাটিকৈ সজাই ৰাখিছো মোৰ সেউজীয়া হৃদয়ত তুমি হাঁহি হাঁহি উপহাৰ দি যোৱা হুমুনিয়াহ আৰু চকুপানীবোৰ। কেতিয়াবা সুবিধা পালে উপভোগ কৰিবলৈ আহিবা।

তুমি ঢুকি নোপোৱা মোৰ ভালপোৱাৰ সঠিক ঠিকনা। তুমি মাথো দিব পাৰা উপহাৰ দুখৰ। মই সকলোবোৰ সাঁচি ৰাখিছো হৃদয়ৰ একোণত উম দিওঁ বিষণ্ণতাৰ। মোৰ অন্তৰত তুমি দি যোৱা ঘাঁবোৰ লাহে লাহে শুকাবলৈ লৈছে। দুৰ্গন্ধিত আঁতৰি যোৱা অনুভূতিবোৰে আশা দেখুৱাইছে এটা নতুন জীৱনৰ।

সেই যে, আমাৰ হৃদয়ৰ স্পন্দন লীন হৈছিল মৰম- ভালপোৱাৰ মাজত। মনৰ আশাবোৰ এজাক পখিলা হৈ নাচি আছিল। প্ৰভাতি সুৰুযৰ কিৰণে নিয়ৰ টোপালবোৰ জিলমিলাই তোলাৰ সময়তে প্ৰেমৰ নিবিড় আলিংগনৰ প্ৰতিজ্ঞাবদ্ধ হৈছিলো সোণালী বাটৰ সন্ধানৰ। মই যে তোমাক বাৰে বাৰে সুধিছিলো তুমি ভগৱানৰ পৰা কি আশীৰ্বাদ বিচাৰা। তোমাক যে মই নাস্তিক বুলি কৈছিলো। তেতিয়া তোমাৰ কিজানি মোলৈ খুব খং উঠিছিল। তোমাৰ অভিমানী মুখৰ এধানি হাঁহিয়ে মোক সোঁৱৰাই দিছিল — শিলালিপিয়ে যেন কথা কয়, বোৱতি নদীত থমকি ৰ'ব খোজে তোমাৰ সুন্দৰতা দেখি। পাহৰিয়েই গৈছিলো — শালিনতাও যে যৌৱনৰ হাতত ধৰ্ষিতা।

হৰা-জিকাৰ খেল খেলিছানে কেতিয়াবা? মই কিন্তু, বহুবাৰ খেলিছো। জীৱনত কিমানবাৰ হাৰিছো বা কিমানবাৰ জিকিছো তাৰ হয়তো হিচাপ মই তোমাক দিব নোৱাৰিম। ঘৰৰ পৰিয়ালৰ লগত হাৰিছো --বহুবাৰ -- বহুসময়ত। এইবাৰো হাৰিছো বুলি -- যদিহে ভাবিছা -- তেতিয়াহ'লে তুমি ভুল কৰিছা -- কিয় জানা? এয়াই মোৰ প্ৰবৃত্তি -- যাৰ নাম সৰলতা।

কিন্তু, মই যেন আজি নিসংগ। নাই... কোনো নাই। হয়তো মোৰেই ভুল হৈছিল। ক'ত, কেতিয়া, কেনেকৈ মই কিন্তু নুবুজিলো। মই আগতে কেতিয়াও অনুভৱ কৰা নাছিলো দুখ, বেদনা, অসহ্য তিক্ততাৰ ভাষা। এতিয়া মোৰ বাবে মাথো তুমি -- প্ৰেৰণাবিহীন জীৱন -- আশাবিহীন হৃদয় -- হৃদয়বিহীন ভালপোৱা। সেয়ে, মোৰ বাবে তুমি স্মৃতিৰ এখিলা সৰাপাত। 'কোনে কাক বিদায় জনাব পাৰে বুকুত খোদিত হ'ল যাৰ সঠিক ঠিকনা।'

তুমি বিদায় নোলোৱাকৈয়ে মোৰ পৰা আঁতৰি গ'লা। তথাপি যোৱাৰ পাছত বিদায় ..... বাধ্য। এতিয়া বাট চাই থাকো -- কাৰ বাবে নাজানো। কোনোবা আহিব -- অভিমান কৰিব -- গুণগুণাই উঠিম -- অনুভৱ মোৰ স্মৃতিৰ পৰশ। নাজানো কাৰ বাবে বাট চাইছো -- দিনৰ পিছত দিন -- ৰাতিৰ পিছত ৰাতি।

'এটা হেঙুলীয়া আবেলি  
বুকুৰ কলঙেদি উজাই  
তোৰ ঘাটত নাও বান্ধিম  
কথা পাতিম আকৌ  
ভাগৰুৱা জীৱনৰ, এৰি অহা ঘাটৰ।'

*• লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ অৰ্থনীতি বিভাগৰ ছাত্ৰী*

# ৰংপুৰৰ এমুঠি সেউজীয়া অনুভৱ

প্ৰিয়ংকা ৰাজকুমাৰী

"ৰংপুৰ ছাত্ৰী নিবাস" এই শব্দ কেইটাৰ মাজতে যেন সোমাই আছে এবুকু অনুভৱ সেউজীয়াৰ, আন্তৰিকাৰ, বিশ্বাস, ভালপোৱাৰ....। নষ্টালজিয়াই কেতিয়াবা মানুহক ইমানেই কোঙা কৰি পেলায়, মন সাগৰত মাথো তাৰেই জোৱাৰ উঠে। মোকোআজি উন্মনা কৰি তুলিছে অতীত হৈ যোৱা মোৰ মৰমৰ হোষ্টেলটোৰ নষ্টালজিয়াই। মোৰ আটাইতকৈ প্ৰিয় সময় কণত মই কোনোদিনেই বহি ভাল নোপোৱা ঠাই ডোখৰত আজি বহিছো, মোৰ পঢ়া টেবুলত।....নিগৰাইছো মোৰ অনুভৱ। আজি আমি DKD ৰ College Hostel গৈছিলো.....সোমাই গৈয়ে এজোপা তলসৰা শেৱালি..!! উস্! আকৌ সাৰ পালে নিঃপালি দি শুই থকা মোৰ পুৰণা বেমাৰটোৰে, আকৌ অনুভূতি, স্মৃতি....! মই Msg কৰিছো মোৰ সুখ দুখৰ সমভাগী, অংশকেইটালৈ.... সিহঁতৰ উত্তৰ— আমাৰো মাজে মাজে মনত পৰে, আজি যে ঘপহকে? Miss You R.C.N. সঁচাই বহুত মনত পৰিছে মোৰ মৰমৰ হোষ্টেলটোক।

হাজাৰ অনুভৱে মনৰ মাজত দোলা দিছেহি....অজস্ৰ ৰঙীণ কল্পনা.... কি নাজানে মোৰ ৰংপুৰবাসীয়ে .....সকলোতে পাৰ্গত মোৰ ৰংপুৰীয়া গাভৰু। ঘৰৰ পৰা বাহিৰত সকলো, ৰংপুৰৰ অৱদান বিদ্যমান মোৰ জীৱনত, যাৰ বাবে আজি মই সগৌৰৱে ক'ব পাৰিছো অনন্য মোৰ ৰংপুৰ ছাত্ৰী নিবাস। শুনাব পাৰিছো আজি R.C.N ৰ কথা আৰু সিহঁতে বৰ একান্ত মনে শুনিছে — যেন সাধু কথা। সঁচাই বহুত Miss কৰিছো দেই।

কৈছো সিহঁতক Senior এ কেনেদৰে Junior ক আৱৰি ৰাখে মৰমৰ ডেউকাত। আৰু এটা কথা নক'লে কিজানি আধৰুৱা হৈ ৰ'ব...."ছোৱালীবোৰে কথাবোৰ কিয় যে নুশুনে এছাৰি এডাল লৈ পিটি দিব মন যায়!" কিমান.....কিমান আন্তৰিকতা থাকিলে ক'ব পৰা হয় এনেদৰে। আৰু কিমান কৰ্তব্য আৰু দায়িত্ববোধ থাকিলে কোলাৰ কেঁচুৱাক এৰি সময় দিব লাগে কৰ্তব্যক। সিদিনা খুউব অপৰাধবোধ হৈছিল....আমাৰ মৰমৰ ৰাগিশ্ৰী, ৰাধিকা, দীপজোনালী, গৌৰী বিভিন্ন নামেৰে মতা পোৱালীজনীলৈ.....কি আছিল জানো তাইৰ ভাল নাম!! মই ৰাধিকা বুলি মাতিছিলো। টুলটুলীয়া দুটি চকু....জান নাজানকৈ মৰা হাঁহি আৰু ফুটো নুফুটোকৈ মতা মাত....কেতিয়াবা ঘণ্টা ঘণ্টা ধৰি অপেক্ষা কৰিছিলো......কেতিয়া ওলাব তাই....অকণমান ল'ম। খুবেই ভাল পাইছিলো যেতিয়া কয় অকণমান ধৰাচোন তাইক.... তাইক ল'বলৈ হেতা ওপৰা.... তোৰ পিছত মোক দিবি দেই....বহুত সময় ল'লি এতিয়া মই ল'ম....যেন বাথৰুমত ছিট্ হে বিচাৰিছে। এতিয়া ছাগে ডাঙৰ হ'ল তাই!! মাথো ফুটিছে বুলি শুনিছো। খুউব মন যায় খবৰ এটা ল'বলৈ, কিন্তু ব্যস্তাপূৰ্ণ জীৱনটোত আৰু আমনি কৰিব মন নাযায়। ইতিমধ্যে বহুত আমনি কৰিলো। তাইৰ বহু সময় কাঢ়ি ল'লো আমি। সুখী হোৱা তোমালোক....জীৱনত যি বিচাৰিছো সকলো পোৱা.....।

এস্ বাদ পৰি গ'লনি মোৰ R.C.N. ৰ কথা। নাই নাই এইটোও ব্যক্তিগত নহয়.....R.C.N. ৰ এটা অংশ। নাপাহৰো কেতিয়াও শিৱালয়া, পনীৰ পকৰি, লক্ষ্মীনাথ বেজবৰুৱাৰ গান আৰু বহুত কিবা কিবি......। দুখ লাগিছে আজি তিনি চতুৰ্থাংশ লগ হ'ব কিন্তু এক চতুৰ্থাংশ ব্যস্ত থাকিব লাগিব Theory of Firm, Is-Lm Model, Probability, Free Rider Problem ৰ মাজত ....বৰ নিষ্ঠুৰ সময়।

Rules and Regulation ত বিৰক্ত হৈ লিখা, "ভুল হ'ব পাৰে জানো আকাশ চাব খোজা, এজাক চেঁচা বতাহৰ স্পৰ্শ ল'ব লোৱা...??"

আজি ক'ব খুজিছো নিয়মানুবৰ্তিতা, জীৱনৰ বাবে অতি প্ৰয়োজনীয়। নাই ভুল আছিল মোৰ....মোৰ ৰংপুৰ কোনো দিন যান্ত্ৰিক নহয়। ই মাথো আৱেগ-অনুভূতি, সহানুভূতি-আন্তৰিকাৰ সমন্বয়....মানুহক ভালপাবলৈ শিকায়......।

চকুৰ আগত ভাঁহি আহিছে.... ৰংপুৰৰ অলি গলি.....।

• *লেখিকা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী*

# বন্ধুত্ব-জীৱন, যৌৱন আৰু কিছু অনুভৱ..

কৰবী বৰুৱা



বৰ্তমানৰ পাহৰণি মোৰ
অতীতৰ জীৱন চাকি
কেনেকুৱা আছিল সেই দিন
যি বহুত কল্পনাত মোক বুৰাইছিল
কেনেকুৱা আছিল সেই অতীতৰ নিৰৱতা
যি মোক বহুত কাহিনী শুনাইছিল
কিন্তু, বৰ্তমান সেইবোৰ হৈ পৰিল
জীৱনৰ মাজত পাহৰণিৰ বেদনা

অতীত.....অতীত নামৰ সেই চিনাকী চিনাকী লগা শব্দটোৱে হৃদয়ৰ কোনোবা এটা নিভৃত কোণত অজানিতে এক আলোড়ন সৃষ্টি কৰে,যেন উৰি গৈ আঁজুৰি লৈ আহিম অতীতৰ সেই নিস্পাপ দিনবোৰ। মৰম, হাঁহি, কান্দোন, ধেমালিৰে ভৰা অতীতৰ শৈশৱ শৈশৱ- যেন লগা দিনবোৰ জীৱনৰ কোবাল গতিত মোৰ পৰা ক্ৰমে আঁতৰি গৈছে। তথাপিও এটি ক্ষীণ আশা লৈ মই পিছলৈ চাইছো, কিজানি সেই দিনবোৰ মোৰ বাবে আকৌ উভতি আহেই। 'বন্ধুত্ব' নামৰ নিভাজ মৰমকণ যিমানেই আঁতৰলে নাযাওক কিয়, কোনোবাই জানো ইয়াক পাহৰিব পাৰিব! সেইবাবেইতো মানুহৰ মুখে মুখে শুনা যায় 'old is gold.'

জীৱন বোলে হাঁহি কান্দোনৰ সমষ্টি। সেয়েহে কেৱল হাঁহিৰ জীৱন হ'লেই জানো আমি জীৱনত প্ৰকৃত অৰ্থ বুজিম। কোনো কোনোৰ মতে বোলে 'চকুলোৰ আঁৰত লুকাই থকা হাঁহিখিনিহে প্ৰকৃত হাঁহি।' জীৱনে যদি কোনোবা আপোনজনক হেৰুৱায় তেন্তে জীৱনে কন্দাটো জানো উচিত নহয়।

জীৱন নামৰ নাটকখনত
তুমি মোৰ বাবে এক অবুজ সাঁথৰ।।

জীৱন অৰু অতীত দুয়োটাই এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। অতীত নহ'লে জানো জীৱনৰ কিবা অৰ্থ আছে। আৰু স্মৃতি? যেন - 'বতাহত আহক বতৰা তোমাৰ, কেনে আছা, ক'ত আছা ইত্যাদি ইত্যাদি। 'অতীত-স্মৃতি' - ই কোনোটোৱেই কম নহয়। অতীত হেৰালে বোলে স্মৃতিও হেৰায়। 'অতীতৰ সেই হাঁহি-ধেমালি, সপোন দেখি ভালপোৱা দিনবোৰ নিশব্দে মোৰ হৃদয়ৰ দুৱাৰখন খুলি নিৰৱে স্মৃতি হৈ আঁতৰি গ'ল মোক নিসংগ কৰি। মোক আমনি কৰে অতীতৰ কিছুমান 'বন্ধুত্ব' সদৃশ শব্দই। নিজকে লাগে যেন মই এক 'জুলীয়া পদাৰ্থ', কাৰোবাৰ হাহাকাৰে (বন্ধুৰ) মোৰ অন্তৰ বৰফৰ দৰে গলাই নিয়ে 'বন্ধুত্ব'ই কাৰোবাৰ ইমান হতাশ কৰিব পাৰেনে? যেনেকৈ মোক কৰিছে।

প্ৰকৃত বন্ধু হেৰুৱাই মই আজি ডেউকা বিহীন পক্ষীৰ দৰে বেদনাত হাহাকাৰ কৰি আছো। আশাৰে বাট চাই আছো -- কিজানি আকৌ ঘূৰাই পাওঁ হেৰুৱা ডেউকা দুখনি।

নিয়ৰৰ পানীৰ দৰে টুপ টুপ কৈ পৰিল আৰু শুকাই গ'ল মোৰ জীৱনৰ এৰি অহা দিনৰ স্মৃতিবোৰ। এনে লাগে যেন এটা বাকচ সাজি ভৰাই থ'ম অতীতৰ সকলো 'স্মৃতিক'। য'ত থাকিব হাঁহি, ধেমালি, মৰমেৰে পৰিপূৰ্ণ এক বাকচভৰ্তি বন্ধুত্ব আৰু মনত গোটাম জীৱনত আজিৰ নতুন 'স্মৃতি'। জীৱন হৈ পৰিব পৰিপূৰ্ণ।

*• লেখিকা স্নাতক প্ৰথম বৰ্ষৰ অৰ্থনীতি বিভাগৰ ছাত্ৰী*

# লক্ষ্য যেতিয়া স্থিৰ হয়......



প্ৰণীতা ফুকন

লক্ষ্য যেতিয়া স্থিৰ হয় আপোনা-আপোনি শিথিল হৈ আহে কণ্টকীয়া জীৱন বাটৰ কটকটীয়া বান্ধোনবোৰ। লক্ষ্য সাধনৰ পথত পৰি থকা বাধা-বিঘিনি বা অন্তৰায় নামৰ ভূতটো আঁতৰোৱাটো প্ৰত্যেকজন মানুহৰ জীৱনৰ ব্ৰত হোৱা উচিত। এই ভূতটো আঁতৰালেহে সুখ-শান্তি অটুট থাকিব। ইয়াৰ বাবে লাগিব আত্মবল। আত্মবলৰ জনম আভ্যন্তৰৰ পৰা। যাক জীয়াই ৰখাটো প্ৰত্যেকজন মানুহৰ কৰ্তব্য। আত্মবলহীন একোটা জীৱন মূল্যহীন। কাৰণ আত্মবলেহে মানুহক শক্তি যোগায়। যাৰ প্ৰেৰণাত উদ্বুদ্ধ হৈ মানুহে নিজৰ লক্ষ্য পূৰণৰ বাবে আগবাঢ়ে। আত্মবলী মানুহক কোনো সমস্যাই পৰাভূত কৰিব নোৱাৰে।

শাৰীৰিক অক্ষমতা উন্নতিৰ বাধক হ'ব নোৱাৰে। আত্মবল স্থিৰ হ'লে কেনো লোকক শাৰীৰিক অক্ষমতাই কেতিয়াও দবাব নোৱাৰে। উদাহৰণস্বৰূপে, হেলেন কিলাৰ অন্ধ, কলা, বোবা হৈয়ো মনৰ দৃঢ়তাৰ বাবে নিজক বিশ্ববিশ্ৰুত কৰিবলৈ সক্ষম হৈছিল। এনেকুৱা বহু উদাহৰণ আছে যিবিলাকে সাধনাৰ বলত নিজৰ নাম ইতিহাসত সোণালী আখৰেৰে লিখি যাবলৈ সক্ষম হৈছে।

নিজৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাক সমাজৰ মাজত দাঙি ধৰি নিজৰ

জীৱনক সুন্দৰতাৰ মাজত জীয়াই ৰখাটো মানৱ জীৱনৰ লক্ষ্য হোৱা উচিত। কাৰণ ইয়াৰ আঁৰত তেওঁলোক কৰ্মঠ আৰু আত্মবলী হৈ সমাজত দেখা দি আদৰ্শৰ প্ৰতীক হৈ পৰিব। মানুহে যিকোনো কাম সাহস, উদ্যমেৰে কৰিব লাগে। অভাৱক একাষৰীয়া কৰি নিজক বিকশিত কৰাৰ প্ৰচেষ্টা কৰিব লাগিব। জীৱনৰ প্ৰত্যেকটো কঠিনতম পৰিস্থিতিক প্ৰত্যাহ্বান হিচাপে লৈ লক্ষ্যত ব্ৰতী হোৱাটো প্ৰয়োজনীয়। উচ্চাকাংক্ষাই মানুহক উচ্চৰ পৰা উচ্চতৰলৈ লৈ যায়। কিয়নো উচ্চাকাংক্ষাই মানুহক ভবাৰ লগতে কৰ্ম কৰিবলৈও শিকায়।

জীৱন সুখ-দুখৰ মিশ্ৰিত ফল। জ্ঞানীলোকে কয়, দুখ বঞ্চিত লোকে জীৱনত প্ৰকৃত ৰসৰ সোৱাদ নাপায়। সংগ্ৰামী জীৱনৰ শেষ পৰিণতি সদায় সূৰ্যৰ কিৰণৰ দৰে। ফলাফলৰ কাম্য নকৰি কৰ্মক মনৰ মাজত জগাই তুলি লক্ষ্য সাধনৰ পথত অগ্ৰসৰ হোৱা উচিত। নিজৰ নাম ইতিহাসৰ পাতত জিলিকি ৰ'বৰ বাবে ধনী ঘৰত জন্ম হোৱাৰ প্ৰয়োজন নাই। প্ৰয়োজন একান্ত সাধনা আৰু আত্মবলৰ। সমস্যাৰ শেষ পৰিণতি সফলতা হ'ব যদিহে লক্ষ্য স্থিৰ হয়। জন্ম মুহূৰ্ততে পিতৃ-মাতৃৰ পৰা বঞ্চিত হৈ প্ৰতি ক্ষণতেই পৰিত্যক্ত, লাঞ্চিত হৈয়ো সাধনা, সাহস, উদাৰতা, দাতা আৰু যুদ্ধ বিচক্ষণতাৰে মহাৰথী কৰ্ণই নিজৰ নাম অমৰ কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ মহানুভৱতাক প্ৰত্যেকজন ব্যক্তিয়েই হৃদয়ংগম কৰি কৰ্মত অগ্ৰসৰ হ'লে সফলতা নিশ্চয় কাষ চাপি আহিব।

এটি ন্যায়সংগত উচ্চাকাংক্ষী মনে জাতি-ধৰ্ম, বৰ্ণ ভাষাৰ মাজত বৈষম্যৰ সৃষ্টি নকৰে। তেওঁলোকৰ স্বাৰ্থ বৃহত্তৰ। সমগ্ৰ মানৱ জাতিৰ কল্যাণেই তেওঁলোকৰ প্ৰধান উদ্দেশ্য। কিছুমান দুৰ্ঘটনাৰ কথা ভ্ৰান্তভাৱে ভাবি লৈ নিজৰ মহৎ উদ্দেশ্যক আওকাণ কৰিলে ভাৰতবৰ্ষ এখন আগশাৰীৰ উন্নতিশালী ৰাষ্ট্ৰলৈ পৰিণত নহ'ব। উদ্দেশ্য সৎ, লক্ষ্য স্থিৰ হ'লে সফলতাই নিশ্চয় আকাশ চুব। গতিকে স্থিৰ কৰি কৰ্ম অগ্ৰসৰ হোৱাটোৱেই মানৱ জাতিৰ প্ৰধান কৰ্তব্য।

*• লেখিকা স্নাতক ৩য় বৰ্ষৰ গণিত বিভাগৰ ছাত্ৰী*

# মহৎলোকৰ বাণী

**অলিমণি দেৱী**

১। শিক্ষাই হৈছে মূল উপায়, যি মানুহৰ জীৱনলৈ সুখ আৰু শান্তিৰ নিজৰা বোৱাই আনিব পাৰে— এৰিষ্ট'টল।

২। যি জাতিৰ সাহিত্য নাই সেই জাতি জীয়াই থাকিও মৰাৰ দৰে— তুলসী দাস।

৩। খঙৰ পৰা মোহ হয়, মোহৰ পৰা স্মৃতিৰ ভ্ৰম হয়। স্মৃতি ভমৰ পৰা বুদ্ধি নাশ আৰু বুদ্ধি নাশৰ পৰা সকলো নাশ হয়— গীতা।

৪। মূৰ্খই ক্ষমাও নকৰে, নাপাহৰেও। সৰলমতি মানুহে ক্ষমা কৰা আৰু পাহৰে। জ্ঞানীয়ে ক্ষমা কৰে, কিন্তু নাপাহৰে— টমাছ মান।

৫। পৰিৱৰ্তনৰ মাজত শৃংখলাক আৰু শৃংখলাৰ মাজত পৰিৱৰ্তনক ৰক্ষা কৰাটোৱেই হ'ল প্ৰগতিৰ প্ৰধান লক্ষ্য— আলফ্ৰেড হোৱাইট হেড।

৬। যি বন্ধুত্ব কেৱল কোনো লক্ষ্য হৈ গঢ়ি উঠে সেই বন্ধুত্ব শেষলৈ বৰ্তি নাথাকে— পুলিংজাৰ।

•সংগ্ৰাহিকা স্নাতক তৃতীয় বৰ্ষৰ শিক্ষা বিভাগৰ ছাত্ৰী

# সমাহাৰ



ভ্ৰমণ কাহিনী

## নীলা সাগৰৰ দেশৰ

# কেইটামান স্মৰণীয় স্কেচ্ছ

মযূৰী দত্ত



৫ অক্টোবৰ। অক্টোবৰ মাহৰ এটা বিশেষ দিন। কিমান যে সপোন এই দিনটোক লৈ। এমাহৰ আগৰপৰাই প্ৰস্তুতি কি লৈ যাম, কি পিন্ধি যাম এই লৈ। বাহিৰৰ পৃথিৱীখনক জনাৰ হেঁপাহ বাস্তৱৰ ৰ'দকাচিয়লিৰ পৰশ পোৱাৰ বহু আকাংক্ষিত এই দিনটো অৱশেষত আহি পালেহি। মা-দেউতাৰ আশীবাদ, বন্ধু-বান্ধৱীৰ শুভেচ্ছা বুকুত বান্ধি জীৱনত প্ৰথমবাৰৰ বাবে ঘৰৰ পৰা ইমান দূৰলৈ যাবলৈ ওলালো। শিৱসাগৰৰ ষ্টেচন চাৰিআলিৰ জৰাজীৰ্ণ ৰেল ষ্টেচনটো Excursionৰ সেই বিশেষ দিনটোতহে ইমান উদুলি-মুদুলি হয় নেকি.........? এক অজান আশংকা বুকুত বান্ধি ৰৈ আছো ট্ৰেইন অহাৰ বাবে বাট চাই। উত্তেজনাৰ চুড়ান্ত সীমাত উপস্থিত হোৱাৰ আগতেই সন্ধ্যা ৮.৩০ মানত ট্ৰেইন আহি পালেহি। ঠেলা-হেঁচাৰ মাজত মিলি ছাৰ আৰু এজেন্সিৰ গাইড শিবু দাদাৰ বুজনি মতে ট্ৰেইনত উঠিলো। ৪নং ডবাৰ এটা পাৰ্টিচনত মই। সাপেখাটিৰ এলীন, শিৱসাগৰৰ জেচমিন, য়াচমিন, অনামিকা আৰু ময়ূৰী। কোৱা শুনিছিলো ট্ৰেইনৰ জোকাৰণিৰ কথা, এতিয়া বাস্তৱত অনুভৱ কৰিলো। জোকাৰণিৰ মাজতেই লগৰ বিলাকৰ লগত আড্ডা মাৰি এটা ৰাতি পাৰ কৰি দিলো।

পুৱা হোৱাৰ লগে লগেই উঠি বহিলো ট্ৰেইনৰ চিটত। ট্ৰেইনৰ খিড়িকীৰ লোহাৰ গ্ৰীলৰ মাজেদি মোৰ দৃষ্টি বাগৰি বাগৰি গৈ স্থবিৰ হৈ ৰ'ল সুদূৰৰ বিস্তীৰ্ণ সেউজীয়াবোৰত সেউজীয়াৰ মাজেদি সৰ্পিল গতিৰে নামি অহা চঞ্চল খৰস্ৰোতা নদীবোৰে মোৰ মনটো উৰুৱাই লৈ গ'ল অসীমলৈ। নদীখনে ইচ্ছা কৰিয়েই শিলৰ বুকুত খুন্দা মাৰি যেন ক'ব বিচাৰিছে হৃদয়ৰ গোপন বাসনা........। সুদূৰৰ শাৰী শাৰী পাহাৰবোৰে কুঁৱলীৰ বগা আচলখন আঁতৰাই আলফুলে স্পৰ্শ কৰিব বিচাৰিছে আকাশৰ নীলাবোৰক........। সূৰ্যটোৰ অনুপস্থিতিত আজি আকাশখনেও মুখ উন্দোলাই আছে নেকি...........!! অৱশ্যে শৰতৰ ধুনীয়া আকাশখনক অভিমান নামৰ শব্দটোৱে আৰু অলপ সৌন্দৰ্য সানি দিছে। সঁচাই পৃথিৱীখন যেন এটা জীৱন্ত কবিতা। উন্মনা মনত যৌৱনা পৃথিৱীখনক আনিন্দ্য সুন্দৰ যেন লাগিল। প্ৰকৃতিৰ এনেকুৱা সৌন্দৰ্যৰ সুধা পান কৰিয়েই হয়তু ওৱৰ্ডচৱৰ্থে লিখি পেলাইছিল 'টিনটাৰ্ন এবি' ডেফ'ডিলৰ দৰে কালজয়ী কবিতা। যৌৱন নামৰ মতলীয়া বতাহজাকে চঞ্চল কৰি তুলিছে শিৱসাগৰ ছোৱালী কলেজৰ গাভৰুজাকক। অসমীয়া, হিন্দী গীতৰ উত্তাল শব্দই দপ্দপাই তুলিছে 'যশৱন্তপুৰ এক্সপ্ৰেছৰ' দবাবোৰ। পৃথিৱীৰ সকলো দুখ পাহৰি এই যেন আজুৰি আনিব সকলো সুখ। কিন্তু মই নিজৰ মাজতেই ব্যস্ত অনুভৱী হৃদয়খনৰ অনুভৱবোৰৰ সতে। অনুভৱৰ কোলাত মোৰ সপোনবোৰ ৰঙা, নীলা, গুলপীয়া পাখি লগাই উৰিব বিচাৰিছে দিগন্তৰ সীমনালৈ। যদি, যদি .........!! পালোহেঁতেন হৃদয়ৰ একান্তই আপোনজনৰ সান্নিধ্য। প্ৰকৃতিৰ সেউজীয়াবোৰ আপোনজনৰ সান্নিধ্যত উপভোগ কৰিব বিচাৰো মই। এজাক সপোনৰ সতে উমলি থাকোতেই বাস্তৱৰ কাঠিন্যতাই আঘাত কৰিলেহি অনুভৱবোৰক। ষ্টেচনত পৰি থকা বিকলাংগবোৰ, ৰেলৰ ট্ৰেকৰ অলপ আঁতৰত এখন মাত্ৰ টিউপালেৰে ৰ'দ বতাহৰ

পৰা নিজক বচাবলৈ চেষ্টা কৰা, দাৰিদ্ৰৰ স'তে অহৰহ সংগ্ৰাম কৰা মানুহ চামৰ দুখবোৰ দেখি যন্ত্ৰণাত ভাৰাক্ৰান্ত হৈ পৰিল হৃদয়খন। একেখন দেশতেই এচাম মানুহে ডাঙৰ অট্টালিকাৰ, কোমল দলিচাত ভোগ সৰ্বস্ব জীৱন কটাইছে অথচ এচামে...........!! আস্.........! গধূৰ হুমুনিয়াহ এটা বাগৰি যায় হৃদয় ভাঙি।

দিনত সেউজীয়া সেউজীয়া পৰিবেশৰ সৌন্দৰ্য ৰাতি ট্ৰেইনৰ তীব্ৰ জোকাৰণিৰ মাজত তিতা আৰু মিঠা অভিজ্ঞতাৰ মাজেৰে মঙ্গলবাৰ ২৮ তাৰিখে বাঙ্গালুৰ পালোগৈ। 'Tricolour' নামৰ এখন বিলাসী হোটেলত আমাক থাকিবলৈ দিয়া হৈছিল। হোটেলৰ ৰুমৰ দুৱাৰ খুলিয়েই মুখৰপৰা অজানিতেই ওলাই গৈছিল এটা Exclamatory sentence wah! beautiful! ডাঙৰ সুসজ্জিত ৰুমটোত আমি ছয়জনী ছোৱালী আছিলো। আমাৰ বস্তু ইমানেই বেছি আছিল যে সুন্দৰ কোঠাটো আমি সোমোৱাৰ লগে লগেই বিশৃংখল হৈ পৰিল। কোঠাটো দেখি হাঁহি উঠি গ'ল এটা কথা ভাবি "ছোৱালীয়ে নো ইমান লেতেৰা কৰিব পাৰেনে?"

বাংগালুৰৰ দ্বিতীয় দিনা আমি মহীশূৰলৈ গ'লো। কেইটামান মন্দিৰ চোৱাৰ পিছতেই এই ঠাইডোখৰৰ বিশেষ আকৰ্ষণ টিপু চুলতানৰ অট্টালিকা চাবলৈ গ'লো। এক অবৰ্ণনীয় সৌন্দৰ্য থুপ খাই আছে এই অট্টালিকাত। বিস্ময়ত হতবাক হ'লো মোগল যুগৰ কাৰিকৰী আৰু প্ৰযুক্তিবিদ্যা দেখি। ভাৰত যে কাৰিকৰী, প্ৰযুক্তিবিদ্যাত পিছপৰা এই কথাষাৰ স্বীকাৰ কৰিবলৈ মন নগ'ল। ইমান সৌন্দৰ্য মানুহৰ কল্পনাইও হয়তু চুকি নাপাব। ইয়াৰ পিছত গ'লো বৃন্দাবন গাৰ্ডেন চাবলৈ। একবিংশ শতিকাৰ মানুহৰ তীক্ষ্ণ মগজুৱে স্বৰ্গৰ নন্দন কাননক মৰ্ত্ত্যত প্ৰতিষ্ঠা কৰাৰ কৃত্ৰিম প্ৰচেষ্টাৰ সুন্দৰ নিদৰ্শন বৃন্দাবন গাৰ্ডেন। সুন্দৰ ফুল, কৃত্ৰিম নিজৰা, ৰঙা, নীলা লাইটৰ সমষ্টিয়েই সজাই তুলিছে গাৰ্ডেনৰ চাৰিওদিশ। হিন্দী গীতৰ তালে তালে নাচি উঠিছে বৃন্দাবন গাৰ্ডেনৰ Musical fountain! ব্যস্ত মহানগৰীৰ ব্যস্ত মানুহে এইবিলাকৰ জৰিয়তে হয়তু যান্ত্ৰিকতাৰ পৃথিৱীখনক পাহৰাই উপভোগ কৰে প্ৰকৃতিৰ মাজত অলপমান ৰং। তৃতীয়দিনা আকৌ আমাৰ যাত্ৰা আৰম্ভ হ'ল গোৱালৈ। বিৰক্তিকৰ ট্ৰেইনৰ এদিনীয়া যাত্ৰা, লেতেৰা গোন্ধৰ অন্তত গোৱা পালোগৈ। শাৰী শাৰী নাৰিকল গছ, পাৰাপাৰহীন সাগৰ, সেউজীয়াৰ স্বেচ্ছেৰে বুলাই দিয়া পাহাৰৰ সৌন্দৰ্যই পাহৰাই পেলালে। যাত্ৰাপথত ক্লান্তি। গোৱাৰ হোটেলত আমাৰ groupৰ ছয়জনীয়ে স্বাধীনভাৱে তিনিটা ৰুমত হাঁহি, স্ফুৰ্তি, তামাচা কৰিলো। গোৱাৰ প্ৰথম ৰাতিত জাহাজৰ পাৰ্টিলৈ গ'লো। আধুনিকতাই শিকাই মানুহৰ মনটোত জীৱনটোক উপভোগ কৰাৰ কি যে এক অপূৰ্ব কৌশল। 'বয়স' নামৰ বস্তুটোৱে হাৰ মনাব পৰা নাই গোৱাৰ মানুহক। মাত্ৰ জীৱনটো উপভোগ কৰিব লাগে। এইয়াই ধাৰণা। হিন্দী গীতৰ তবংগত, 'মুন্নী বদনাম হুয়ী', 'মৌজা হি মৌজাত' হালি জালি উঠিছে ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৰে কঁকাল।

গোৱাৰ দ্বিতীয় দিনটোত গ'লো সাগৰৰ পাৰলৈ। বিশাল সুবিস্তীৰ্ণ নীলা জলৰাশি দেখিয়েই দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' কবিতাটো কাণত বৈ বৈ বাজিল। সাগৰৰ পেনিল উৰ্মিমালাই উপকূল স্পৰ্শ কৰা দৃশ্যটো দেখি সৰুতে খেলা খেল এটালৈ মনত পৰি গ'ল— "ৰজাই হুকুম দিছে এদিম ছেদিম বাই।
কি হুকুম দিছে এদিম ছেদিম বাই।।

মই যেন এটা সুন্দৰ সপোনৰ মাজত ডুব গৈ আছো তেনে অনুভৱ হ'ল। বাস্তৱত যে ইমান সৌন্দৰ্য থাকিব পাৰে ভাবিবই পৰা নাছিলো আগতে। গোৱাত তিনিদিন কটাই পুনৰ উভতি আহিলো বাংগালুৰলৈ। সৰুতে সাধাৰণ জ্ঞানৰ কিতাপত পঢ়িছিলো 'মেট্ৰ'পলিটান চিটি'ৰ কথা। এতিয়া এই মেট্ৰ'পলিটান চিটিৰ অলিয়ে গলিয়ে ঘূৰি ফুৰিবলৈ পায় মনটো আনন্দৰে ভৰি পৰিছিল। চাৰিওদিশে মাথো ব্যস্ততা আৰু ব্যস্ততা। এই ভীৰৰ মাজত হয়তু কোনোবাই হেৰুৱাই পেলাইছে নিজৰ অস্তিত্ব, কোনোবাই পাহৰি পেলাইছে নিজৰ আপোনজনক, আপোনজনক দিয়া প্ৰতিশ্ৰুতিবোৰ। কোনেও কালৈকো চাবৰ সময় নাই, চোৱাৰ অৱকাশ নাই। মাথো এটা আন্তৰিকতাবিহীন, কংক্ৰিটময় পৰিবেশ চাৰিওদিশে। মেট্ৰ' চিটিৰ চকুত চাট মাৰি ধৰা কৃত্ৰিমতাই সাময়িকভাৱে আকৰ্ষিত কৰিছিল যদিও নিজৰ ঠাইডোখৰ, অসমখনলৈ মনত পৰা নাছিল এনে নহয়। নাৰিকল তেলত ভজা খাদ্য খাবলৈ পাই বাৰে বাৰে মনত পৰিছিল ঔটেঙা দি ৰন্ধা দাইল, পুৰা আলুৰ পিটিকালৈ, বহুতদিন জোনাক উপভোগ কৰিবলৈ নোপোৱা 'জোনাকবলীয়া মইজনীৰ দুচকু সেমেকি উঠিছিল যেতিয়া অংগৰাগ মহন্তৰ দৰদী কণ্ঠত ভাঁহি উঠিছিল,

"সন্ধ্যা যেতিয়া নামে, জিলমিলাই কাচি জোনে
আইলৈ মনত পৰে।"

অৱশেষে ১০ দিনৰ পিছত ওভটাৰ সময় আহি পালেহি। ট্ৰেইন লেট হোৱাৰ বাবে এটা ৰাতি প্লেটফৰ্মত কটাবলগা হ'ল। অসমীয়া বুজি নোপোৱা মানুহখিনিৰ আগত 'জয় আই অসম' বুলি চিঞৰি চিঞৰি ৰাতিটো কটাই দিলো। তাতেই স্ফুৰ্তি আমাৰ। অৱশেষত আকৌ একেই অশান্তিকৰ যাত্ৰাৰ অন্তত শিৱসাগৰ পালোহি। বিদায় ল'লো যাত্ৰাপথত চিনাকি হোৱা ক্ষন্তেকীয়া যাত্ৰীসকলৰ পৰা। শিৱসাগৰৰ চিনাকি পৰিবেশৰ, চিনাকি গোন্ধই মতলীয়া কৰি তুলিলে। শিৱসাগৰ ছোৱালী কলেজৰ Excursion ৰ প্ৰতিটো মহূৰ্তকেই উপভোগ কৰিলো। আঁকি থ'লো মনৰ কেনভাচত Excursion ৰ সময়ছোৱাৰ প্ৰতিটো খণ্ডিত চিত্ৰ। নিঃসংগ মহূৰ্তবোৰত সোঁৱৰাই ভাল লগা লগৰবিলাকৰ সান্নিধ্যত পাৰ কৰা মধুৰতম সময়বোৰ......... কলেজীয়া জীৱনৰ আটাইতকৈ ৰঙীন সময়বোৰ...........।■

*• লেখিকা স্নাতক তৃতীয় বৰ্ষৰ ইংৰাজী বিভাগৰ ছাত্ৰী*



# PUMI A:SI

**Migang D. Mili**

Yumé yoradok jéla-jéla kapnélé se:kon!
Oisri, miksribi:ne oiyo jilibín,
Mangyingéne, dewoamongén

Oiyaow nolu Aiyola Dun?
Runeké kérad du:ne do:amobo dun!!
Noluk légapé kapladung
Dérbum-kowang appun, soyu-pakkom

Asin rago bankampé bandung
Oiyaow noluk sulli okum moñamdé

Oiyaow nolu lekoném gi:lad langku
Remik-jemikné podong asipé....
Toyala dupé édé longédém....

Ribi-Gaseng pe:re-rumbung gegela
Oi ni:tom mo:bipé
Maksong so:bilangku
Ali Ayé lí:gado...
<u>Dépila</u>
Édé longedok pumi a:si
Biyuk kampé bidayekulang
Oiyaow noluk asin ayadé...
Émdakgom mépola dulang
Noluk dungko amodo....

(২০১১ বৰ্ষৰ ঘাই আলি চিঙি বানে উটুৱাই নিয়া মৃতসকলৰ সোঁৱৰণত)

# এটি কলিৰ দুটা পাতা

**সুৰভী তাঁতী**

সেউজ পাতেৰ বাগানে
শ্ৰম কৰি জীয়াই আছে
শ্ৰমিক বন্ধুৰা
এটি কলি দুটি পাতাৰ মাঝে
নিজেৰ জীৱন বৰ্তাইলে কত আছা
কত সপন বুকে বান্ধে
খৰা বৰচা নাই মানি
শিৰীষ গাছেৰ তলে তলে
কত যে কৃষ্ট কৰে শ্ৰমিকৰা
কাম কৰি জখন থকি যায়,
অলপ শান্তি পাবাৰ জনে
বছে পৰে শিৰীষ গাছেৰ ছায়াৰে
অলপ জিৰাতে নাপাৰে শ্ৰমিকৰা
চাহেব চৰদাৰকে লাগে কাম
এইয়ে আমদেৰকে লাগে কাম
এইয়ে আমদেৰ শ্ৰমিক
বন্ধুৰাৰ দুখেৰ জীৱন
চালভৰ কাম কৰি
পূজাৰ সময়ে বোনাছৰ জনে
কত যে হাহাকাৰ
শ্ৰমিক সৱেৰ এই দুখ যান্ত্ৰণাৰ
কে কৰবেক প্ৰতিবাদ
শুনবেক জান কিয়ে হামদেৰ
এই দুখেৰ বেদনা..



# লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য সম্ভাৰৰ মাজেদি এখন

পল্লৱী বৰা

আনদিনাৰ দৰে আজিও এলাৰ্মটোৰ শব্দতে সাৰ পালো। ঘড়ীটো চাই দেখো চাৰি বাজি ত্ৰিচ মিনিট গৈছে। এলাৰ্মটো বন্ধ কৰি এনেই বিচনাতে পৰি থাকিলো। যোৱা কালিৰ কথাটো ভাবি মনটো বিষাদেৰে ভৰি আছে। তেতিয়া পশ্চিম আকাশত "বেলিমাৰ" গৈছে। দেউতা, "ডাঙৰীয়া দীননাথ বেজবৰুৱা"ৰ সৈতে "শ্ৰী শংকৰদেৱ আৰু শ্ৰী মাধৱদেৱ"ৰ তিথিৰ উপলক্ষে নামঘৰৰ ফালে ওলাই গৈছে। "ককাদেউতা আৰু নাতি ল'ৰা" হতে মাজচোতালত বহি "সাধু কথাৰ কুঁকিটো"ৰ পৰা "কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলাটো" কাষতে থৈ "কৃপাবৰ বৰুৱাৰ ভাৱৰ বুৰবুৰণি"ৰ পৰা "বুঢ়ী আইৰ সাধু" শুনিছে। তদুপৰি "চিকৰপতি-নিকৰপতি" নামৰ লগুৱা দুটা কিবা কামত "নোমল" "পাচনি"ৰ ঘৰৰ ফালে ওলাই গৈছে। এনেতে পাছফালৰ দুৱাৰখন খুলি "লিটিকাই" নামৰ চোৰটোৱে "সুৰভি"ৰ "জোনবিৰি" ডাল, "জয়মতী কুঁৱৰী"ৰ "ভাগৱত কথা" নামৰ কিতাপখন, "কেহোঁকলি"ৰ "বাঁহী"টো আৰু মোৰ "বাখৰ" লগা আঙঠিটো আৰু "জুনুকা"যোৰ চুৰ কৰি লৈ গ'ল। তিনিটা "কদমকলি"ৰ থোপা বান্ধি থৈছিলো, তাকে লৈ গ'ল। মোৰ "জীৱন সোঁৱৰণত" এইটোৱেই আটাইতকৈ দুখ লগা কথা। দুখতে যে মোৰ "হাঁহিৰ ৰহঘৰা " শুকাই গৈছে।

এতিয়া কি কৰিম তাকেহে ভাবি পোৱা নাই। পাৰিলে "পণ্ডিত মহাশয়"ৰ ঘৰৰ ফালে এপাক যাব লাগিব। তেখেতৰ লগত আলোচনা কৰি "লিটিকাই"ক এসেকা দিব লাগিব। আজিকালি আকৌ, "বীণ ব'ৰাগী"জনো আমাৰ এই "বৰবৰুৱাৰ বুলনি" লৈ নহা হ'ল। নহ'লে তেখেতেই কিবা এটা উপায় দিলেহেঁতেন। যোৱা বছৰ দেখোন "কৃপাবৰ বৰুৱাৰ ওভোতনি" বেছি হোৱাত তেৱেঁইটো "চক্ৰধ্বজ সিংহ"ক সমাধানৰ উপায় দিছিল।

কথাবোৰ ভাবি থাকোতেই "পদুম কুঁৱৰী"য়ে "পত্ৰলেখা" এখন দি থৈ গ'ল। আৰে, এইখন দেখোন, "বাখৰ" ককাইদেউৱে লিখা। "পত্ৰলেখা"খন পাই দুখবোৰ কৰ্পূৰৰ দৰে উৰি গ'ল। এইখনত উল্লেখ কৰা তেখেতৰ "কামত কৃতিত্ব লভিবৰ সংকেত" দেখি মনটো মোৰ আনন্দৰে উপচি পৰিল। তদুপৰি এই ব'হাগত তেখেত "বৰবৰুৱাৰ বুলনি"লৈ আহিব হেনো। কেলেণ্ডাৰখন চাই দেখো ব'হাগলৈ আৰু দহ দিন বাকী। এই দহ দিন যে কেতিয়া যাব নহয়..... টং টং টং ..... কৈ ওৱাল ক্লকটোৰ ছয় বজাৰ সংকেত দেখি হঠাৎ মনত পৰি গ'ল। আৰে, আজিটো দেওবাৰ। আজিটো মায়ে "খাৰলি" দি মাটিমাহ ৰন্ধাৰ কথা। তদুপৰি "জোনাকী" বাইদেউক চাবলৈ "বৰবৰুৱাৰ বুলনি"লৈ যোৰহাটৰ পৰা আলহী অহাৰো কথা। চেঃ, ইমানো পাহৰিব লাগেনে! ঢেৰ কাম পৰি আছে দেখোন। মাকেটো অলপ সহায় কৰি দিব লাগে। তদুপৰি "পণ্ডিত মহাশয়"কো লগ কৰিব লাগে। আগবেলাতে নগ'লে তেখেতক লগ পোৱাটোৱে টান হ'ব। এই বুলি বিচনাৰ পৰা একে জাপে উঠি আহিলো।

*•লেখিকা স্নাতক ২য় বৰ্ষৰ গণিত বিভাগৰ ছাত্ৰী*

# শ্ৰী শংকৰদেৱ অধ্যয়ন কেন্দ্ৰ

ৰশ্মিৰেখা গগৈ

বিশ্ববিদ্যালয় অনুদান আয়োগৰ সাহাৰ্যত শিৱসাগৰ ছোৱালী কলেজত ২০১০ চনৰ অক্টোবৰ মাহৰ পৰা প্ৰথমবাৰৰ বাবে শ্ৰী শংকৰদেৱ অধ্যয়ন কেন্দ্ৰ আৰম্ভ কৰা হয়। কলেজৰ অধ্যক্ষ মহোদয়ৰ যৎপৰোনাস্তি চেষ্টাৰ অন্তত গঢ় লৈ উঠা এই অধ্যয়ন কেন্দ্ৰটিয়ে ২০১০-২০১১ বৰ্ষত ইতিমধ্যে কেইবাটাও কৰ্ম সফলতাৰে সম্পাদন কৰিবলৈ সক্ষম হৈছে। কেন্দ্ৰটিৰ দ্বাৰা সম্পাদিত কাৰ্যসূচীৰ ভিতৰত উল্লেখযোগ্য হ'ল —

২০১০ চনৰ ৮ নবেম্বৰত আয়োজন কৰা "আধ্যাত্মিকতা, শংকৰদেৱ আৰু অসমীয়া সমাজ" শীৰ্ষক বক্তৃতানুষ্ঠান। এই অনুষ্ঠানত মূল ভাষণ প্ৰদান কৰে অসমৰ সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক জগতত পৰিচিত বিশিষ্ট সমালোচক গৱেষক ইছমাইল হুছেইন ডাঙৰীয়াই।

অধ্যয়ন কেন্দ্ৰটোৰ অধীনত 'শংকৰদেৱ অধ্যয়ন'ৰ বিনামূলীয়া ছমহীয়া ছাৰ্টিফিকেট পাঠ্যক্ৰমৰ ব্যৱস্থা কৰে। শিৱসাগৰ জিলাৰ বিভিন্ন কলেজৰ লগতে বিদ্যালয়ৰ শিক্ষকেও পাঠ্যক্ৰম সমাপ্ত কৰিছে।

২০১১ চনৰ ৩ জানুৱাৰীৰ পৰা ৫ জানুৱাৰীলৈকে তিনিদিনীয়াকৈ 'মুখা শিল্প'ৰ প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰা হয়। এই কৰ্মশালাত শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইৰ ৫০ জন প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে। প্ৰশিক্ষণ প্ৰদান কৰে শ্ৰী শ্ৰী খাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ 'শিল্পগুৰু' খ্যাত শ্ৰীযুত কেৱকান্ত মহন্তদেৱে।

২০১০-১১ বৰ্ষৰ কেন্দ্ৰটিৰ আটাইতকৈ সফল আৰু অন্যতম গুৰুত্বপূৰ্ণ দিশ হৈছে মহাপুৰুষ শংকৰদেৱৰ বিভিন্ন অৱদানক সামৰি অসমৰ বহুকেইজন কৃতবিদ্য লেখকৰ লেখনিৰে প্ৰকাশি কৰা প্ৰৱন্ধ সংকলন 'কল্পতৰু'। ২১ টা প্ৰৱন্ধ সম্বলিত সংকলনখনিৰ জৰিয়তে পাঠকৰ বৌদ্ধিক আৰু বিদ্যায়তনিক দুয়োটা দিশ পূৰণ কৰাৰ প্ৰয়াস কৰা হৈছে।

অনাগত দিনবোৰতো অধ্যয়ন কেন্দ্ৰটিয়ে ২০দিনীয়াকৈ খোল বাদনৰ প্ৰশিক্ষণ আৰু এখনি গৱেষণাধৰ্মী গ্ৰন্থ প্ৰকাশৰ যো-জা চলাই আছে। কেন্দ্ৰটিৰ পৰিচালক মণ্ডলীৰ আশা — শিৱসাগৰ ছোৱালী কলেজ পৰিয়ালৰ সহযোগিতা আৰু শুভকামনাৰে অন্যান্য কাৰ্যসূচীসমূহ সফলতাৰে ৰূপায়ন কৰিব পৰা যাব।■



# 'মা'লৈ চিঠি

ভাগ্যশ্ৰী নেওগ

শ্ৰদ্ধাৰ

'মা'

তাং ৮।১২।২০১০

সেৱা গ্ৰহণ কৰিব। আশাকৰো ভগৱানৰ কৃপাত আপোনাৰ লগতে ঘৰখনৰ সকলোৰে ভালেই। মোৰো বৰ্তমান ভালেই। মা' হোষ্টেলত থাকি আপোনাৰ কাষত থাকি পোৱা মৰমখিনিৰ অভাৱ আজিকালি বৰকৈ অনুভৱ কৰোঁ। ফোনৰ জৰিয়তে আপোনাৰ লগত সদায় যোগাযোগ ৰাখো যদিও সেই মৰমখিনিৰ মাজত যেন কিবা এক যান্ত্ৰিকতাৰ প্ৰলেপ সনা আছে। ই যেন আপুনি মোক কাষত থাকি দিয়া মৰম সাহস প্ৰেৰণাখিনিৰ সমান হ'ব নোৱাৰে।

মা' আজিকালি যান্ত্ৰিকতাৰ পৃথিৱীত যেন সকলো যন্ত্ৰ হৈ পৰিছে। লাহে লাহে মোৰো নিজকে যন্ত্ৰ যেন অনুভৱ হয়। ৰাতিপুৱাৰ পৰা গধূলিলৈকে কেৱল নিজৰ মাজতে ব্যস্ত থাকিবলগীয়া হয়। আজি বহুদিনৰ মূৰত সময় উলিয়াই আপোনালৈ বুলি চিঠিখন লিখিবলৈ হাতত কলম তুলি লৈছো। লগৰবোৰলৈ চালে দেখো সকলো কেৱল এটা ভাল ৰিজাল্ট, মাৰ্কশ্বিট আৰু এটা লোভনীয় অৰ্থৰে পৰিপূৰ্ণ চাকৰিৰ পাছত দৌৰাত ব্যস্ত। মইনো লগত ফেৰ মাৰিবলৈ গৈ তেনে হৈ পৰিছো যেন অনুভৱ হয়। নহলেও যে নহয় কিয়নো আজিৰ যুগ প্ৰতিযোগিতাৰ যুগ। তথাপিও মা মোৰ অৰ্থৰে পূৰ্ণ এটা চাকৰিৰ পাছত দৌৰিবলৈ মনতে দ্বিধা হয়। আপোনালোকে যে শিকাইছিল, "টকাৰ বাবে নহয় নিজকে শিক্ষিত কৰাৰ বাবেহে শিক্ষা গ্ৰহণ কৰিবা। টকাই সৰ্বস্ব নহয়।" হয়তো সেই শিক্ষাৰ বাবেই। মা, আজিকালি অসমখনও যে কেৱল হত্যা, হিংসা, সন্ত্ৰাসেৰে ভৰপূৰ। কোনোফালেই মুকলি মনেৰে দেখোন ওলাই যাব নোৱাৰি। ক'ত কেতিয়া কোনে ব'ম দি থয় ক'ব নোৱাৰি। অনবৰতে মনত এটা সংশয় লৈ ফুৰিবলগীয়া হৈছে সকলোৰে। কেতিয়া বাৰু অসমৰ এই সমস্যাৰ ওৰ পৰিব? তাৰ উপৰিও দৰিদ্ৰতা, বানপানীৰ সমস্যা আদিবোৰতো আমাৰ লগত আছেই। ৰাস্তাৰ কাষে কাষে ঘূৰি ফুৰা ভিক্ষাৰীবোৰ দেখিলে মোৰ কেনে লাগে জানে মা' পৃথিৱীত যেন এমুঠি অন্নৰ বাবে হাঁহাকাৰ, জীয়াই থকাৰ তীব্ৰ তাড়নাত দেহাই টানে মানে কৰা কষ্ট এইবোৰেহে সঁচা বাকী সকলো মিছা। এইখন অসমতে এচামে ধনৰ ওপৰত বহি জীৱন যাপন কৰিছে আৰু আন এচামে এমুঠি অন্নৰ বাবে তেজক পানী কৰিছে। বৰ দুখ লাগে এইবোৰ দৃশ্য দেখিলে। বানপানীত ডুবি থকা মানুহখিনিকো দেশৰ ৰাজনৈতিক নেতাসকলে এবাৰ মাত বিপদৰ সময়ত দিয়েই দায়িত্ব পালন কৰে। তাৰ বাহিৰে যেন তেওঁলোকৰ একো কৰিবলগীয়া নাথাকেই। মা' আশাকৰো আমাৰ বৰমূৰীয়া নেতাসকলে সোনকালে দুনীৰ্তিৰ পৰা নিজক আঁতৰাই আনি অসমখন সুন্দৰকৈ ৰখাত সহায় কৰে।

মা, আজি আপোনাক মই নিজৰ অনুভৱৰ বহুখিনি কথাই কৈ গ'লো চিঠিখনৰ মাজেৰে। কিবা নিলিখিবলগীয়া লিখিলো যদিও বেয়া নাপাব। মা, মোৰ বাবে চিন্তা কৰি নাথাকিব। মই ভালদৰেই থাকিম। আচলতে আপোনাৰ মৰমবোৰ মোৰ লগত সদায়েতো থাকিবই, সেই মৰমবোৰক নেওচি মই কোনোদিনেই বেয়া হ'ব নোৱাৰিম। মা, আপুনি মোক জীৱনপথত আগুৱাই যোৱাত যেন সদায় এতিয়াৰ দৰেই সাহস, প্ৰেৰণা দিয়ে। তাৰ আশাৰে—

আপোনাৰ জী

জান

ঠিকনা ঃ
বীণা নেওগ
গৌৰীসাগৰ, পিন- ৭৮৫ ৩৬৮

• *লেখিকা স্নাতক প্ৰথম বৰ্ষৰ অৰ্থনীতি বিভাগ ছাত্ৰী*



# 'মা'লৈ চিঠি

সুদৰ্শনা দিহিঙ্গীয়া

পূজনীয়া

'মা'

তাং ৮।১২।২০১০

আজি আপোনালৈ লিখা এই পত্ৰখনি অতি অগতানুগতিক ভাৱে আৰম্ভ কৰিছো। মোৰ জীৱনৰ অতিকৈ প্ৰিয় নাৰী গৰাকীলৈ লিখিছো এই পত্ৰখনি। কোনো দিনেই হয়তো মোৰ মনৰ খবৰ আপোনাক এনেদৰে জনোৱা হোৱা নাই। সেয়েহে আজি মোৰ প্ৰিয় নাৰী, মোৰ আদৰ্শ নাৰী হিচাপে আপোনালৈ মোৰ মনৰ বতৰা পত্ৰৰূপত প্ৰকাশ কৰিবলৈ লৈছো। মোৰ মনত অনবৰতে ক্ৰিয়া কৰি থকা কথাটো হৈছে নাৰী হিচাপে আমি আমাৰ মৰ্যদা ৰক্ষা কৰিব পাৰিছোনে? এই বিষয়ে মোৰ মনৰ মাজত থকা কথাবোৰ জনাবলৈ আপোনাকে মোৰ শ্ৰেষ্ঠ বান্ধৱী হিচাপে ভাবিছো। সৰুৰে পৰা শুনি আহিছো নাৰী হেনো মমতাৰ প্ৰতীক, লজ্জাৰ, সৰলতাৰ প্ৰতিমূৰ্ত্তি। আপোনাকো পাই আহিছো সেই একেই মমতাময়ী ৰূপত। কিন্তু বৰ্তমান আমাৰ সমাজত দেখা পোৱা নাৰীৰ স্থলিত ৰূপ দেখি মোৰ মনলৈ প্ৰশ্ন আহে যে নাৰী সঁচাকৈ আবুৰতাৰ প্ৰতীক নে?

বৰ্তমান বিশৃংখল সমাজৰ মাজত আমি সঁচাকৈয়ে সুৰক্ষিতনে? মই কি ভাবো জাননে মা, হয়তো আমাৰ মাজত মূল্যবোধ হেৰাই গৈছে। নাৰী হিচাপে আমি আমাৰ কৰণীয়খিনি পাহৰি গৈছো। বিভিন্ন প্ৰচাৰ মাধ্যমত পোৱা বাতৰিত শুনো যে শাহু-বোৱাৰী মাজত হোৱা কাজিয়া, তাৰ পৰিণতিত হত্যা, অত্যাচাৰ আদি বাতৰিয়ে ভাবিবলৈ বাধ্য কৰে যে সঁচাকৈ এগৰাকী নাৰী সঁচাকৈয়ে মমতাময়ী নে? সঁচাকৈ যেন এগৰাকী নাৰীয়ে তেওঁৰ মনৰ কোমলতা যেন হেৰুৱাই পেলাইছে। সৰুৰে পৰা মনত লৈ অহা মমতাময়ী আঁচলৰ নাৰীৰ প্ৰতিচ্ছবি যেন মোৰ মনৰ পৰা হেৰাই যাব ধৰিছে। এগৰাকী নাৰী হিচাপে মোৰ মনতো এই বিষয়বোৰে অন্তৰ্দ্বন্দৰ সৃষ্টি কৰে। বেছিকৈ বুজাই লিখিবলৈও যে মোৰ ইমান জ্ঞান নাই, তথাপি মোৰ মনৰ মাজত চলা কথাবোৰ যেন আপুনি বুজে। বিশেষ আৰু নিলিখো। আশাকৰোঁ এক সঠিক সমাধানৰ পথ আপুনি মোক দিব। শেষত শ্ৰদ্ধাৰে বিদায় জনালো।

ইতি

আপোনাৰ মৰমৰ

লুপু

*• লেখিকা স্নাতক দ্বিতীয় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী*

**প্ৰিয় নাৰী**

# ৰীতা চৌধুৰী বাইদেউলৈ চিঠি

ৰিজু বৰগোহাঁই

পূজনীয়া

ৰীতা বাইদেউ

তাং঱ ৮।১২।২০১০

শীতৰ আবেলিটোত মনত পৰিছে আপোনালৈ। কেনে খবৰ আপোনাৰ, ওপৰজনাৰ আৰ্শীবাদত নিশ্চয় আপুনি কুশলে আছে ছাগে।

ৰীতা বাইদেউ আপোনালৈ চিঠি লিখাৰ বিশেষ কাৰণ তেনেকৈ নাই। মনৰ কথাবোৰ আদান-প্ৰদানৰ বাবেই প্ৰয়োজন হয় এখন নীলা খামৰ চিঠি, য'ত সোমাই থাকে আন্তৰিকতাসনা আপোনতা তথা মৰমবোৰ আৰু নিভাঁজ হেঁপাহবোৰ। মই আপোনাৰ লেখাৰ পঢ়া অচিনাকি পাঠিকা মাথোন। কিন্তু আপোনাৰ উপন্যাসবোৰ পঢ়ি ভাল পাই ফোনৰ মাধ্যমে যোগাযোগ কৰাতকৈ এখন চিঠি লিখি মনৰ খবৰবোৰ জনাবলৈ ভাল পাইছো। লাহে লাহে হেৰাই যাব ধৰা ডাকোৱালে অনা হেঁপাহৰ চিঠিখনলৈ একোবাৰ মনত পেলাবলৈ ইজনে সিজনক এতিয়াও এই মাধ্যম মোৰ বাবেই যথেষ্ট প্ৰিয়। সেয়েহে মোৰ আপোনজনকো চিঠিৰে জনাওঁ মনৰ খবৰ।

ৰীতা বাইদেউ আপোনাৰ গুণমুগ্ধ হিচাপে আপোনাৰ প্ৰতিখন কিতাপেই মই পঢ়িবলৈ বিচাৰো। আপুনি লিখা "দেওলাংখুই"খন যে মোৰ আটাইতকৈ প্ৰিয়। তাৰ জোঙাল বলহুৰ চৰিত্ৰটোৱে মোক আকৰ্ষণ কৰে আৰু আদায় কৰে মোৰ সহানুভূতি। কনচাৰী, গংগাৱতী, সাধু কুমাৰক জানো পাহৰিব পাৰি। সেইদৰে আপোনাৰ কিতাপ বিলাকৰ ভিতৰত "এই সময় সেই সময়"খনো যে বৰ প্ৰিয় বুলি ক'ব লাগিব। তাৰ প্ৰতিটো চৰিত্ৰই মোক আকৰ্ষিত কৰে কিদৰে পাৰে, ইমান সুন্দৰকৈ চৰিত্ৰবোৰ সজাবলৈ, কিদৰে ইমান সুন্দৰকৈ কাহিনী সৃষ্টি কৰিব পাৰে বাৰু। "সুজাতা তৰালি আৰু মুনয়না"খনো পঢ়িছো পঢ়িছো আপোনাৰ লেখাত প্ৰাণ পাই উঠা "পপীয়া তৰাৰ সাধু"। সুন্দৰ ৰচনানীতিয়ে আপুনি জিলিকি উঠিছে এটি ধ্ৰুৱতৰাৰ দৰে অসমৰ আকাশত।

মইয়ো লিখিব খোজো। সঁচা অৰ্থত সাহিত্যিক হ'ব বিচাৰো। আপোনাৰ শেহতীয়াকৈ প্ৰকাশিত গ্ৰন্থ "মাকাম"খনে সৃষ্টি কৰিছে বহুতৰে মনত আলোড়ন। ঠিক সেইদৰে মোৰ মনতো যোগাইছে চিন্তাৰ খোৰাক। যিমান সুন্দৰ ভাষা তথা কথাৰে এখন গ্ৰন্থ লিখি উলিয়াব পাৰে সিমান সুন্দৰ বিষয়বস্তু বা কথাৰে আপুনি লিখি উলিয়াইছে মাকাম। এই গ্ৰন্থখনে এক পৰিৱৰ্তনো আনিছে। চীন-ভাৰতৰ মাজত থকা সম্পৰ্কক দিছে অন্য এক মাত্ৰা। এনেদৰে যুগান্তকাৰী লেখাবোৰক মই শ্ৰদ্ধা কৰো ভালপাওঁ।

মই সৰুৰে পৰা কবিতা, গল্প লিখিবলৈ চেষ্টা কৰি আহিছিলো। কিন্তু মাজতে মই এৰি পেলাইছিলো মোৰ মাজত থকা প্ৰতিভাক, কিছুমান বিশেষ কাৰণত যিবোৰৰ সৈতে জড়িত হৈ আছে মোৰ ঘৰুৱা সমস্যাও।

ৰীতা বাইদেউ আপোনাৰ পৰোক্ষ অনুপ্ৰেৰণাই মোক যোগালে আশাৰ ৰেঙনি। মই আকৌ লিখিবলৈ চেষ্টা কৰিছো যিবোৰ মনৰ ভিতৰত চটফটাই থাকে সেইবোৰ মোৰ মনৰপৰা স্বতঃস্ফুৰ্তভাৱে ওলাই আহিব ধৰিছে লাহে লাহে। মই পাৰিছো হয়তো মোৰ সুপ্ত প্ৰতিভাক চিনাক্ত কৰি প্ৰকাশ কৰিবলৈ..........।

বাইদেউ বহুত কৃতজ্ঞতা যাচিছো, যাচিছো আন্তৰিক শুভকামনা ওচৰতো জীৱনলৈ। আপোনাৰ প্ৰেৰণাই সকলো লেখক-লেখিকাকে আগবাঢ়িবলৈ সহায় কৰিছে আৰু আগলৈও কৰিব এই শুভকামনা থাকিল।

ইতি

ৰিজু বৰগোহাঁই

নিতাইপুখুৰী, ডাক- নিতাইপুখুৰী
পিন- ৭৮৫ ৬৭১ শিৱসাগৰ

• *লেখিকা স্নাতক তৃতীয় বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী*

# *English Section*



'Big Dam' has become a real big issue now and for Assam it has almost assumed the proportion of a historic struggle for survival of the state cutting across all politics and ideology, race and caste, young and old, this is the issue today that engulfs Assam all over. With protests against mega dams mounting, the centre is hinting on downstream basin study of every proposed hydro-electric project in the North-East. It has also been reported that sub-basin environment impact assessment studies may also be taken up in the major tributaries of the Brahmaputra. All along the centre had been in a hurry to push through the projects brazenly ignoring their possible adverse impacts, and it is only,after unprecedented protests that it is talking about having more studies on the crucial aspects.Circumstances strongly warrant that work on mega dams be kept in abeyance pending a through review of their individual as well as cumulative impacts.Unless this is done-work on the Lower Subansiri project is still on-the centre's assertions will sound hollow and the result of the 'review' seem a foregone conclusion.It is as if the centre is putting the cart before the horse by allowing work on mega dams to progress even as it proposes basin studies on the rivers.It has been revealed that the Lower Subansiri project was cleared on shoddy environment impact assessment (EIA) reports while an expert panel has termed the project to be inadequate in its design besides unsafe at its present location.

The matter of mega dams in the geologically and environmentally fragile Himalayan ecology needs to be pursued with utmost caution.But the centre seems to have been blinded by the prospects of generating huge amounts of electricity by

# MEGA-DAM "ITS IMPACT ON THE LIFE OF COMMON PEOPLE"

**Sri Jahnobi Bhattacharjee.**





getting the projects cleared in a hurry.The concerns stemming from such massive intervention on the Himalayan ecology-especially the river system it sustains and on which millions of people depend for agriculture and other livelihoods-are simply too grave to be brushed aside as uncalled for sentimental outbursts. It is not only a question of aggravated floods or the region's seismic vulnerability or loss of biodiversity. Large dams are known to choke rivers to death by reducing their normal flow of water besides increasing situation.Rivers are lifelines of civilization and interfering with their longevity could cause havocs that are unimaginable and irreparable, more so in the context of our river-based agrian economy.Signs are already palpable that the Himalayan ecology has gradually been impacted by climatic changes. The least we need to do is to worsen it any further by making unwarranted interventions. The scientific community is increasingly calling for a rethink on the centre's hydro-power policy for the North-East,as it grossly undermines the multidimensional adverse fallouts.We need to tread with caution,as the perils of big dams could well negate the benefits sought.

Union Minister for environment and forests Jairam Ramesh's "public consultation"he said to being a belated response to the outcry againsts the construction of mega-dam in the North-east,Particularly the LSHEP(Lower Subansiri Hydroelectric project).Organisation like the All Assam students union had already voiced their opposition,bolstered by the report of an expert committe formed to study the possible adverse impact of the project.The committe had concluded that, because of factor such as climatic uncertainty particularly in terms of calamities like cloudburst,the probability of high seismic disturbance,huge sedimentation and landslides in the upstream areas,building mega dams in ecologically vulnerable areas like the North-East was not advisable.The anti-dam campaign received a boost when the influential Krishak Mukti Sangram Samiti came out against it,with opposition parties riding piggy-back upon the vigorous campaign the former has launched,yet the state Government in the Assembly has come out strongly in favour of dams like tha LSHEP,although promising to "place redress mechanism"to deal with adverse impacts.

The point to remember is that water is a renewable resource and its proper exploitation is necessary for mankind as well as for development of the region.Harnessing a renewable resource like water is very useful as it can help in uplifting the socioeconomic status of the people by generating various employment schemes through involvement of community participation processes.Perennial flood is a serious problem for Assam due to global warming,river morphology,landscape pattern and its hydrodenamic condition.The timing and intentsity of the floods is also changing continuously.Though flood in Assam is not dependent on rainfall distribution in the state it depends on the distribution of rainfall in adjacent states in decreasing order such as Arunachal Pradesh,Meghalaya,Mizoram and Nagaland.In 2010,the rainfal intentsity was normal throughout the year but abnormal rainfall was noticed in the pre-monsoon period (30% more than the average),while it was minus 6% during the monsoon,yet it had affected 3,630 villages in 21 districts and a population of about 25 lakh.More than 50 breaches had accured and nearly 1.88 hectores of crop land damaged and more than 7 lakh people had to be sheltered in relief camps.These damages to public property and infrastructure,human lives,huge land erosion,huge economic losses could have been minimized if there had been favourite water resources development projects and policies to the significant rivers in place.■

• *Writer T.D.C 2nd year (English Department) student*

# IDEAS FOR IMPROVING ENGLISH PRONUNCIATION

**Shiva Prasad Mili**

Bernard Shaw, the author of the classic called 'Pygmalion' was a phonetic enthusiast who wanted Englishmen to give more respect to the language of English. He wanted the Englishmen to teach their children as to how to speak the language properly. The story of Pygmalion, now best known through its musical version, namely 'My Fair Lady' is a story about Eliza, a flower-seller and the attempts of Professor Higgins to teach Eliza how to speak proper English so that he could pass her off as a Duchess in the highest society. To the undiscerning in the modern age, the story looks like more of a rags-to-riches story when it is not so. It is all about the importance of speaking English properly in the higher society even in the western world!

When we talk of student's personal aims and aspirations in English language learning, we understand that different students in the same class of school or university may well have rather different aims. Some just want enough English to communicate at a basic level, or indeed just enough to pass some examinations. Others aim to achieve the best they possibly can. The English teacher must cater for both types and for those who fall somewhere between. Speaking personally, I must say that my own aspiration in learning English is not NS-like(NS-Native Speaker) proficiency but to improve communication. However, experience tells us that speaking English that others understand clearly is more welcome. I acknowledge that I may be unlikely to attain the NS like proficiency but that doesn't stop me aiming for it. As an English Teacher, we should try to inspire our students with the same high ideal though many of them are not acquainted with so many aspects of the English language.

Through this article, I have made an attempt to look at how to improve the way students pronounce English so that other people can understand them more easily, and also at techniques for correcting pronunciation errors.

**Pronunciation**

**Let us start by looking at what we mean by pronunciation.**

Mathematics club's can help to create the environment and avenues for cross discipline and inquing based learning. This can encourage co-operation of mathematics, science and other teacher in school and college. The club's in Primary and high school can who give children opportunities to experiment with mathematics, to interest Verbally with other about mathematical ideas, and to express their own ideas and thought.

The activities of mathematics club in Educational institution will depend on -

i) The level of institution.

ii) The interest and abilities of its member.

iii) The resources and facilities available to the club.

Some activities which may be undertaken by a mathematics club, deponding on the level of institution are as follows. -

1. Organizing inter-class or inter-institution debates and symposia on some interesting Mathematical topics.
2. Organizing Mathematical contest - and olympiad.
3. Organizing Mathematics awarness week, mathematics exhibitions or Mathematics fair, open day's and Mathematics camps.
4. Celebrating day's and events of the history and men of mathematics.
5. Making and solving mathematical model of situations in their daily activities both personal and social as well as in other school subject.
6. Arranging wall magazines, and publishing the club's New's letter and bulletin's.

7. Arranging a small libary of book and magazines in mathematics as district from the usual range of school text book.

8. Arranging help and guidence for the weaker children in mathematics.

9. Organizing peer tutoring after school one or two day's a week.

10. Investigating the mathematics of local (Indigenous) culture, it. language, arts, (Wearing, Carring etc), games and Puzzles.

11. Organising small - scale research and brainstomming session for non-routine problem solving.

12. Organising Lectures of the mathematician's & user's of mathematics, on useful topics in mathematics.

The Primary / high school mathematic's club should involve parents and others in some of its activities through workshops, Family Night of Math Fun, Mathematics Awarness week, pop Math Road show, Exhibitions, guided puzzle solving and competitions.

There is no magic formula by which mathematics can be more effectively popularized through a mathematic's club. The secret is a dedicated teacher advisor who stays in the background, but also encourges the student in their activities and indirectly says to them "I care".

Thus, it is hoped that math clubs will not only popularize mathematic's but may who improve the general quality of mathematical thinking, mathematical activity and make the student belive that mathematics is alive and Exciting & create confidence among them about their ability to learn it.

A strong rationale Exist for Popularizing mathematics in every nation whether developed or developing. Many of the educational institution in USA, UK, Singapore, Canada, Australia, India and other countries are rigorously Popularizing mathematic's by many successful mean's such as math fun day's math awareness week's, math competition's math fair's mathematic's anociation's, Interest, multi- media and other. Through such means and activities, every nation can thus convery to its student's, teachers and the general public that mathematics is alive, essential for the society, most important for the economic development of the nation, and that it can be highly rewarding for every individual in this technological age.

Finally, once mathematics is successfully Popularized in a nation, then teaching and learning of mathematics approciating the subject and more importantly the culture of mathematics will greately develop in the nation.

**References -**


1. Agnes, S (1995) : Mathematics Fun Day at Merlimau Primary School, Mathematics News letters.

2. Ahuja O.P. (1995a) : Intergrating Mathematics & Science Teaching : Some Perspective & implication, REACT, National Institute of Education Nanyang Technological University pp. 1-4. ■


*Dept. of Mathematics*

# LOVE IS GREAT

**Tasmin Alam**



Once upon a time, there was an island where all the feelings lived together, Happiness, Sadness, Love and all other feelings.

One day it was around to the feelings that the island would sink and so every one repaired their boats and left.

Love was the only one who stayed back. Love wanted to struggle untill the last possible moment when the island was almost sinking, Love decided to ask for help.

Richness was passing by in a marvellous boat. Love said, "Richness can you take me with you?" But Richness answered. "No, I can't. There is a lot of gold and silver in my boat. There is no place for you here."

Love decided to ask vanity, who was also passing by in a beautiful boat, "Vanity, please help me!" Love pleaded. "I cannot help you Love. You might damage my boat as you are wet all through." Vanity answered.

Sadness was close by and so Love asked for help. "Sadness, let me go with you." Sadness answered, "Oh, Love, I am so sad that I need to be by myself!"

Happiness also passed by but she was so happy that she did not even hear when Love called her out.

Suddenly, there was a voice, "Come Love, I will take you." It was an elder. Love felt so overjoyed that she even forget to ask the elder his name. When they arrived on dry land, the elder carried on his way. Love, realising how much he owecl the elder, asked knowledge, "Who helped me"?

"It was time," Knowledge answered.

"Time ?" asked Love, "But why did Time help me?"

Displaying her wisdom teeth, knowledge smiled broadly and answered. "Because only time is capable of understanding how great Love is ..." ❖❖

*H.S. 2nd Year*

# Waiting .....
# JUST FOR YOU !!!




**Patrika Handique.**

Hi .... I am sanskriti, a 5th sem. Engineering student. After my break-up with my lover, Sanjeeb, these days I feel as if love is all rubbish.Sanjeeb and I were good friends and gradually,we became dear each other's heart.We had been tied in a knot of relationship for almost two years.But never in my dreams,I thought he took love as a more game and myself,a toy to play with.Oh,I forgot...not only me but many other innocent girls as just playthings.

It has nearly been one month from now since our relationship ended.I wept night after nights.True love has vanished from this earth,I thought.It has lost all its value and purity.Real love has been crushed to death by modern generation.I formed a notion that all boys are devils.They can never truly love somebody.All boys are the same.They are idiots who only have physical lusts and nothing else.Boys consider love to be a time-Pass.My trust in love has almost been uprooted by this betrayal.

I tried to be a cheerful but despite all my efforts,my parents could discover the desperation hidden under the mask.One night they made me to sit and questioned me the reason behind my gloominess.After hours of much queries,they finally succeeded in opening my mouth.I let out every feeling locked in my heart along with my suppressed tears.As the conversation ended,my father just put his hands over my head and said, "Don't worry dear. Everything will be fine.Just focus on your studies.What has happened is gone.Try to be a careful in your future so that you can build it in a sound way.That's all we can say.Now go and sleep".Lying on the bed,I really felt as if my parents were angels and I thanked God for such wonderful gifts.While revealing the secrets,my mind was haunted by the fear that they would overact and was frightened at the thought of getting thrashes and beatings but to my surprise,they acted lovingly,sopported and presented their caring nature just like friends.

My parents have not come to know of my decision yet.My marriage age will soon approach and I had in mind that I shall speak to them only then about leading a single life... forever Yesterday,I was reading a book....reading just in name!!!Huh, my mind was engrossed in the thought about how boys can be so mercillies.How can play with the tender hearts,why can't they understand the true meaning of love ???why ??

At that moment,my mom came into my room.I pretended to be attentive in my books.She sat on the nearly bed and said to me, "No need to act.Come and sat near me."I was astonished at how the parents can read the minds of their children.Obeying her,I sat beside my mom and the lines she uttered almost stopped my heart beats.

"This is the most critical time is your life,Isn't it ?I can understand even if you don't tell me.You may be forming horrible notions about boys or taking decisions never to tell you.
But first,you promise me that you will not beat me."After she had promised,I told her my decision.she desired an explanation for it.I told her that boys never respect true love.They don't know the meaning of it. "You will not understand Ma.Your's is an arranged marriage".

At this, she drew a long breadth and I could witness tears filling her eyes.She opened her mouth,not to scold me but to make me realize that some boys also have a heart which caves for true love,which beats only for somebody,who eyes searches for true love and who lives for his special somebody.

From my childhood,I had deep trust in love but last night had increased both my respect and belief

towards this divine emotion.

My mom had heart-touching story to narrate... a real story....

"I (Nalini)and Lavanya were bosom friends.She was extremely shy and a really sweet girl with amiable manners.She didnot have much physical beauty but her eyes and her smile enhanced her sweetness.We were in vi th standard then,when she,for the first time ventilated her sentiments towards Dipak in front of me.I still remember how she blushed and looked as if her blood would tear her skin and flow outside.I didn't know what to say at that time but could understand her deep feelings which got its reflection in her eyes.I could not stop her from loving him.Everyday,Lavanya,as she was shy,insisted me to find out whether he has come to school or not.Whenever she had a sight of him,she would just glance at him.And what's most interesting you know??After Dipak left the school,She could not even remember his exact facial appearance.I used to laugh at her stupidity during those days.And belive me,Whenever I asked her if he loved her,she would say with a laugh that she could not even remember him to be looking at her atleast once. Days and years flew.We reached our degree classes.And Lavanya's heart still waited for the love of Dipak.From the day,she shared her secret affection with me, I used to always advise her to disclose her feelings to him.I could not get the point that why she did not express her love if she loved him so purely. She used to say that she had full faith in her love.If her love was true, it will surely bound him to come to her.She belived love to be a magnet whose one end would attract him and make him feel her love in his heart.But I opired her to be a fool to belive in all such supernatural attractions.One day after our last B.A exam was over she finally accumulated her courage to tell every thing to Dipak.But on the day of her decisions,she met with a car accident and took her last breath.Four months passed and I got married to sukalyan.I thought the love-story of Lavanya had closed.I did not even tell Dipak how much she loved him.I thought that what use was telling him after her death.She cannot come back to this world.And who knows whether Dipak would only get hurt by the story of her unfortunate accident and her unfulfilled love.Our life was going on at a normal pace.At one time,you were in my womb, dear.The incident is fresh in my memory.It was evening.We two were having tea when the door-bell rang.I opened the door to find an unfamiliar face on our doorstep.Introducing himself as Rajesh and a good friend Dipak,he asked me if he could have a little talk with me.Making him sit comfortably in our drawing room,I enquired what the matter was.He straightly asked about Lavanya.I questioned him why he required such information.Then he contained that Dipak had loved her from his school days.But he could never express his emotions.One reason was his fear that she would reject him and another was that he wanted to propose her only after he was established.Hearing this,I could not belive my ears.I felt giddy.He went on.....

'Now,as he is struggling between life and death,he wants to see her for the last time.Yes,he is suffering from kidney failure and so,I have come searching for Lavanya.'

I was struck with horror and a sense of pity.I answered him that Lavanya was no more in this world.I went to meet Dipak in the hospital.I told him all that had happened with Lavanya.

'On the day she died she was firm in her decision that she would express her love to you.But,just look at the mercilies destiny,she could not even have a glimpse of you before her death.'

With great difficulty,he said to me, 'I knew that Lavanya would come to me one day.But the difference is that we will meet in heaven.I had full faith in my love.I belived that true loveis like a magnet whose one end would attract her towards me and make her feel me in her heart.Lavanya, in yours lifetime,I could not expres my heart,but today I want to shout and say the three magic words__ "I....LOVE....YOU".with these utterances,he closed his eyes forever".

As my mom was narrating the story,tears overflowed my eyes too. "Belive in true love dear.Even the boys can know what divinity is in it.But to feel that divine nature in love,they have to fall in true love with somebody.There are girls too who go on flirting and playing with the boys,aren't there ?But on the basis of these few girls,We cannot give a general judgement about the girls,can we???My baby,every falls in true love.but it happens just once in one's lifetime."

I came to know the real fact in this world.I felt my heart saying to me, "Believe in love.Every person is targetted by cupid.Yes,genuine love exists in this world.In case of Sanjeeb,some girl will make him realize the real worth of this ethernal feelings. And about me.....someday....someone's heart would come searching for my love too".

"The only thing I can say is that-I am just.. waiting for you."

*T.D.C 3rd year, English Major*



# GOD: THE QUEST

**Joyshree Dutta**

Do you believe in God ?
At first I asked the question myself.
The question troubled
My heart profoundly,
I never got the answer that can satisfy me.
We say, "He is the creator!"
But I never recovered from my doubt –
"Has He any existence ?"
Somebody says, "Yes," – they why
Nobody has ever seen Him ?
Somebody says, "No", – then way do
We worship him who has no existence at all ?
The query puzzled me more and more !
One evening ....
I was then in my garden
Watering the plants.
I saw a small boy lying on the footpath
He looked almost dead in hunger.
Suddenly a thought come into my mind
"At this moment, only food can rescue his life.
So, isn't food God for him!"
Yes, I get my answer !
"To a man with an empty stomach
Food is God"
Likewise, anything may turn out to be God
If it gives one the Blessing of life.

# INCREDIBLE INDIA

**Nayana Das**

India is a land of tradition
With its bright cultural strings, hanging from every age
From the Hills of the East, to the seas of the West
India is very colourful and is the best !
The spring is for our Bihu, Autum for Durga Puja !!
In India, you can have a glimpse of many festivals
Especially if you make a trip to Assam and West Bengal
In Eastern India, there lies Odisha.
And there, ring the sacred bells of the Jagannath temple
Which you can hear so well
To the South is Chennai and Kerala,
Holding the highest literacy rate in India !!
And with the grace of Bharatnatyam and the gaiety of Onam
How can you not participate in the canoeing fun ?
Then to the west lie Gujarat and Maharashtra,
Being the most industrialised state of India
With the shrill cries of Ganpati Buppa Mourya.
And the music of the Navaratri and the playing of Dandiya.
Then comes a trip to Punjab,
Through the wheat fields, we arrive in the land of Bhangra
And through the Thar desert, we reach Rajasthan,
The vast land of tourism in India.
Now, we come to Nature's paradise-Kashmir
With every beautiful landscape.
That an artists can ever imagine of
But, the only curse of the land is 'TERRORISM"
Now, at the centre, we reach Madhya Pradesh
With the light that shine during shivratri and Tansen festivals.
Here we conclude our trip of India.
To realise that we haVe a INCREDIBLE INDIA.



# কলেজ সমীক্ষা

# শিৱসাগৰ ছোৱালী কলেজ মহিলা অধ্যয়ন কোষৰ উদ্যোগত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ কৰ্মশালাৰ প্ৰতিবেদন

শিৱসাগৰ ছোৱালী কলেজৰ মহিলা অধ্যয়ন কোষৰ উদ্যোগত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৃষ্ঠপোষকতা ২২ আৰু ২৩ জুলাই ২০১১ তাৰিখে 'মহিলা আত্মসহায়ক গোটসমূহ আৰু উদ্যোগী'ৰ উৎপাদিত সামগ্ৰীৰ মানদণ্ড, উন্নয়ন সাধন কৰা (মহিলাৰ স্বাস্থ্য, স্বাস্থ্যসন্মত দ্ৰব্য প্ৰস্তুতকৰণ, পৰিপুষ্টি আৰু উৎপাদিত দ্ৰব্যৰ বজাৰ লাভ) সম্পৰ্কীয় এখনি দুদিনীয়া কৰ্মশালা শিৱসাগৰ ছোৱালী কলেজত অনুষ্ঠিত কৰা হয়।

এই কৰ্মশালাখনি পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকনে। অসমীয়া বিভাগৰ মুৰব্বী শ্ৰীযুত ৰঞ্জিৎ ৰঞ্জন তামুলীয়ে আঁত ধৰা আৰম্ভণি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰীযুত দ্ৰোণ কান্ত কলিতা চাৰে। সভাপতিৰ আসনৰ পৰা আদৰণি ভাষণত শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকনে শিৱসাগৰ ছোৱালী কলেজ মহিলা অধ্যয়ন কোষে কাৰ্য্যকৰী কৰা বিভিন্ন কাৰ্য্যসূচী অৱগত কৰে লগতে সামাজিক দায়বদ্ধতা হিচাবে গ্ৰাম্য মহিলা সকলৰ আৰ্থিক উন্নয়ণত সহায় হ'ব পৰাকৈ এনে কৰ্মশালা আৰু বেচি অনুষ্ঠিত কৰাৰ সপক্ষেও মত পোষণ কৰে। মুখ্য অতিথিৰ ভাষণত বিশিষ্টা সমাজ সেৱিকা তথা শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত উপাধ্যক্ষা শ্ৰীযুতা মণিকা শইকীয়া বাইদেৱে গ্ৰাম্য অঞ্চলৰ মহিলা সকলৰ সবলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এইক্ষেত্ৰত তেখেতে উল্লেখ কৰে যে মহিলাসকলৰ কল্যাণতকৈ মহিলাৰ উন্নয়ণতহে অধিক গুৰুত্ব দিয়া উচিত। তেখেতে মহিলা সকলক কুটীৰ উদ্যোগ স্থাপনত গুৰুত্ব দিবলৈ আহ্বান জনায়। এই সম্পৰ্কত উত্তৰ পূব উদ্যোগী নাৰী সংস্থা (NEWEA) ই মহিলা উদ্যোগী সৃষ্টিত লোৱা ভূমিকাক ভূয়সী প্ৰশংসা কৰে। মূল বক্তব্য আগবঢ়াই উত্তৰ-পূব উদ্যোগী নাৰী সংস্থাৰ সভানেত্ৰী শ্ৰীযুতা প্ৰণতি গোহাঁয়ে। তেখেতে মহিলা সকলক নিজা উৎপাদিত সামগ্ৰীৰ মানদণ্ড উন্নয়ণৰ দ্বাৰা ৰাষ্ট্ৰীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় বজাৰ দখল কৰিবলৈ আহ্বান জনায়। তেখেতে NEWEA সদস্যা সকলে প্ৰস্তুত কৰা কিছুমান সামগ্ৰী যেনে মুগাৰ কুশ্যন কভাৰ, এড়িৰ টুপী, এড়িৰ কুশ্যন কভাৰ, মুগাৰ টুপী ইত্যাদি সমবেত আত্মসহায়ক গোটৰ মহিলা সকলৰ সন্মুখত প্ৰদৰ্শন কৰে।

উদ্বোধনী অনুষ্ঠানটি শেষ হোৱাৰ লগে লগে প্ৰথম প্ৰশিক্ষণ কাৰ্য্যসূচী "প্ৰাকৃতিক ভাৱে ৰঙ প্ৰস্তুত কৰা সম্পৰ্কত" আৰম্ভ হয়। অসম কৃষি বিশ্ব বিদ্যালয়ৰ গাৰ্হস্থ্য বিজ্ঞান মহা বিদ্যালয়ৰ জ্যেষ্ঠা অধ্যাপিকা ড° আভা ফুকনে এই প্ৰশিক্ষণ প্ৰদান কৰে। তেখেতক সহযোগ কৰে শিৱসাগৰ ছোৱালী কলেজৰ গাৰ্হস্থ্য বিজ্ঞান বিভাগৰ অধ্যাপিকা ডঃ ৰাজশ্ৰী ফুকনে। দুপৰীয়াৰ আহাৰ গ্ৰহণৰ পাচত 'মহিলা সকলৰ স্বাস্থ্য আৰু পৰিপুষ্টি সম্পৰ্কত" বক্তৃত্ব প্ৰদান কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ গাহস্থ্য বিজ্ঞান মহাবিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষাৰ জেষ্ঠ্যা অধ্যাপিকা ডঃ মঞ্জুদত্ত দাসে। সুষম আহাৰ সম্পৰ্কত তেখেতে মহিলাসকলক বিভিন্ন প্ৰশ্নৰ সমিধান আগবঢ়াই। ইয়াৰ পাচতেই উৎপাদিত সামগ্ৰীৰ পেকেজিং সম্পৰ্কত বক্তব্য প্ৰদান কৰে ইণ্ডিয়ান ইনষ্টিউট অৱ পেকেজিংৰ পৰা চাৰ্টিফিকেট প্ৰাপক শ্ৰীযুত অচ্যুৎ হাতী মূৰীয়াই। তেখেতে কম ব্যয়ত গ্ৰাহকক আকৰ্ষণ কৰিব পৰাকৈ বিভিন্ন সামগ্ৰীৰ পেকেজিং কৰাৰ সম্পৰ্কত মহিলাসকলৰ বিভিন্ন প্ৰশ্নৰ সমাধান আগবঢ়ায়।

কৰ্মশালা দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ প্ৰথমভাগত শ্ৰীযুতা ৰেণু ফুকন, উত্তৰ-পূবৰ উদ্যোগী নাৰী সংস্থাৰ কেন্দ্ৰীয় কমিটিৰ বিষয়ববীয়া, ডিব্ৰুগড় আৰু শ্ৰী পূৰ্ণিমা বৰগোহাঁইয়ে মেটেকাৰ পৰা বিভিন্ন ধৰণৰ সামগ্ৰী বনোৱা যেনে বেগ, কুশ্যন, বাকচ, ইত্যাদি সম্পৰ্কত প্ৰশিক্ষণ প্ৰদান কৰে। ইয়াৰ ঠিক পাচতেই পষ্ট গ্ৰেজুৱেট ডিপ্লমা ইন ৰুৰেল ডেভেলমেন্টৰ সৌজন্যত মুগা সূতা কটা আৰু কেঁচুসাৰ প্ৰস্তুত কৰা সম্পৰ্কত প্ৰশিক্ষণ দিয়ে PGDRD ৰ সমন্বয়ক শ্ৰীযুত বিমল দত্ত আৰু অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকনে।

দুপৰীয়াৰ আহাৰৰ পাচত ইণ্ডিয়ান ইনষ্টিটিউট অৱ এনটাৰ প্ৰিনিয়াৰশ্বিপ, গুৱাহাটীৰ এনটাৰ প্ৰিণিওৰিয়েল মেনেজমেন্ট বিভাগৰ মুৰব্বী ড° সুনীল কুমাৰ শইকীয়াই মহিলা সকলক ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠান স্থাপনৰ দ্বাৰাই আৰ্থিক ভাৱে স্বাৱলম্বী হোৱাৰ গুৰুত্ব আৰোপ কৰে। উৎপাদিত সামগ্ৰীৰ বজাৰ আৰু পেকেজিং সম্পৰ্কতো তেখেতে সাৰুৱা আৰু মনোগ্ৰাহী বক্তব্য প্ৰদান কৰে।

সামৰণি অনুষ্ঠানত শিৱসাগৰ ছোৱালী কলেজৰ কৰ্মশালা আয়োজক কমিটিৰ সমন্বয়ক শ্ৰী অজন্ত বৰাই শিৱসাগৰ ছোৱালী কলেজ মহিলা অধ্যয়ন কোষে সম্পন্ন কৰা বিভিন্ন কাৰ্য্যসূচী সম্পৰ্কে অৱগত কৰে। মহিলা আত্মসহায়ক গোটৰ সদস্যা সকলৰ লগতে, বিভিন্ন দায়িত্ব সুচাৰুৰূপে সম্পন্ন কৰি ৰাষ্ট্ৰীয় পয্যায়ৰ কৰ্মশালাখনি সাফল্যমণ্ডিত কৰাত সহায় কৰা সকলোলৈকে শলাগৰ শৰাই তথা কৃতজ্ঞতা আগবঢ়াই কৰ্মশালাৰ সামৰণি মৰা হয়।■

# UGC Capacity Building Workshop of Women Managers in Higher Education Sensitivity / awareness/Motivation

### Organised By Sibsagar Girls' College

The University Grants Commission has launched a major programme for women in higher education. The data show that the percentage of women at the higher levels of decision-making is very low in both the academic and administrative sectors of the Universities/Colleges/Institutes. This situation has affected the adoption of objectives, policies, programmes, curricula and structures that need to assure affected justice and equality in higher education. To bring about this change, there is a need to increase the number of gender sensitised and committed women in decision making positions.

With this in view, the UGC scheme for Capacity Building of Women Managers in Higher Education has been formulated for women in the higher and middle level positions to attend a five day workshop with emphasis on sensitising women to the current situation, developing sensitivity to and awareness of the situation of women in higher education, and becoming motivated for taking decision-making positions. The workshop is conducted by Trainer Associates based on five manuals prepared by the UGC for this scheme and the methodology is participatory.

UGC has sponsored a Residential Sensitivity, Awareness and Motivation Workshop on the above mentioned scheme to Sibsagar Girls' College, which was held from 9th to 13th February, 2011.

Inaugural ceremony was presided by Ms. Kusum Phukan, Vice Principal and Dr. HK Phukan, Principal Sibsagar Girls' College, offered the Welcome address. The workshop was inaugurated by Mr. J Lahkar, Honorable Deputy Commissioner of Sibsagar District. Ms. Padma Ramachandran, Retired IAS, former Vice Chancellor of M S University, Boroda, Gujarat and Core Group Resource Person of the UGC Scheme was present here for all five days. Dr. Anjata Rajkonwar, Reader, Department of Commerce, Dibrugarh University, present here as Sub Regional Coordinator, Technical Sessions of the workshop was held at Hotel Brahmaputra, Sivasagar.

Ms Rita Borkotoky was the Local Coordinator of the workshop. Six Trainer Associates conducted 15 technical sessions and two Resource Persons took open sessions. Workshop was attended by 30 college teachers from 11 different college of Sivasagar and Dibrugarh district.

**Names of Resource Persons and Trainer Associates**

1. Ms. Padma Ramachandran (Former Vice chancellor, Boroda University) : C G R P.
2. Dr. Ajanta Rajkonwar (Dibrugarh University) : Sub Regional Coordinator
3. Ms. Rajalakxmi Basumataari (THB College, Jamugurihat) : Trainer Associate
4. Dr. Champa Rao Mohan (Doom Dooma College) : Trainer Associate.
5. Ms. Anmona Borah (JB College) : Trainer Associate.
6. Dr. Jaya Chakrabarty (Tezpur University) : Trainer Associate.
7. Dr. Minakshi Phukan Hazarika (JB College) : Trainer Associate.
8. Ms. Rita Borkotoky, (Sibsagar Girls' College) : Trainer Associate and Local Coordinator.

Ms. Rita Borkotoky
Associate Professor
Dept. Home Science
(Trainer Associate and Local Coordinator)

# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বিগত ২০১০-২০১১ বৰ্ষৰ সাধাৰণ সম্পাদিকাৰ বছেৰেকীয়া প্ৰতিবেদন লিখাৰ প্ৰাক্ বুলনিতে সেইসকল ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম নিবেদিছো যি সকলৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ মাজমজিয়াত নাৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল।

সপোন দেখা হয় কিন্তু বাস্তৱ জীৱনত সকলো শূন্য হয়। মোৰ ক্ষেত্ৰত এইটো খুব নিম্ন পৰিমাণেহে হৈছে। ২০০৫-০৬ বৰ্ষৰ ফুলেশ্বৰী উঃমাঃ বালিকা বিদ্যালয়ত "সহকাৰী সাধাৰণ সম্পাদিকা" পদত প্ৰতিদ্বন্দিতা কৰি বিপুল ভোটত যেতিয়া জয়ী হৈছিলো তেতিয়া মনত ঠিৰাং কৰিছিলো যে, এই সন্মান বা বিদ্যালয় বা মহাবিদ্যালয় এখনৰ বাবে কিবা এটা কৰাৰ যি মানসিকতা সেয়া মই আগলৈয়ো ৰাখিম। সকলোৰে আগত এটা পৰিচয় আনিম। এইক্ষেত্ৰত মই বিফল নহ'লো। কিন্তু সেই সুক্ষণ অতি ক্ষিপ্ৰতাৰে মোৰ সন্মুখত থিয় হ'ব বুলি মই কল্পনাই কৰা নাছিলো। ঐতিহ্যমণ্ডিত শিৱদ'লৰ কাষতে অৱস্থিত আধ্যাত্মিকতাৰ সঞ্চাৰ হোৱা শিৱসাগৰ ছোৱালী কলেজত বহু আশা, স্বপ্ন আৰ সীমাহীন কল্পনা লৈ যেতিয়া ২০০৯ বৰ্ষত পোন প্ৰথমবাৰৰ বাবে ভৰি দিছিলোহি তেতিয়া নিজকে সৌভাগ্যৱতী বুলি ভাবিছিলো। কলেজত ভৰি দিয়া দিনাৰ পৰাই কেনেদৰে মৰমৰ বীজ সিঁচৰতি হ'ল, কেনেদৰে মৰমৰ এনাজৰীয়ে বান্ধ খালো গমকেই নাপালো। এই মৰম আৰু শিক্ষাগুৰুসকলৰ আশীৰ্বাদত ২০১০-১১ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত মোৰ অতিকে প্ৰিয় বান্ধৱী মৃদুস্মিতা, জিনু, প্ৰিয়ংকা, মধুস্মিতা, মিনুআৰা, সুৰভী আৰু দেৱজ্যোতিৰ সহায়ত মই এই নিৰ্বাচনীৰ বাছনিত সাধাৰণ সম্পাদিকা পদৰ বাবে নিৰ্বাচিত হৈছিলো আৰু এইক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগাইছিল আমাৰ অতিকে শ্ৰদ্ধাৰ অসমীয়া বিভাগৰ মুৰব্বী ৰঞ্জিত ৰঞ্জন তামুলী ছাৰ আৰু বুৰঞ্জী বিভাগৰ প্ৰবীণ শৰ্ম্মা ছাৰে। মই তেওঁলোকক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো। ২০১১ বৰ্ষৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত মোক সাধাৰণ সম্পাদিকাৰ পদৰ বাবে উপযুক্ত বুলি ভাবি বিপুল ভোটত জয়লাভ কৰোৱা মোৰ অনুজ, অগ্ৰজ তথা সতীৰ্থসকলৰ ওচৰত চিৰকৃতজ্ঞ। ছাত্ৰী একতা সভাৰ এগৰাকী বিষয়ববীয়া হৈ এখন মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ পোৱাটো সকলো ছাত্ৰীৰ বাবে পৰম সৌভাগ্যৰ কথা আৰু মই এই মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হ'বলৈ পাই নিজকে পৰম সৌভাগ্যবান বুলি অনুভৱ কৰিছো।

মহাবিদ্যালয়ৰ "সাধাৰণ সম্পাদিকা"ৰ দৰে এটা গুৰু দায়িত্ব লৈ অনুষ্ঠানটোৰ সৰ্বাংগীন উন্নতিৰ হকে নিজকে সম্পূৰ্ণ উৎসৰ্গা কৰাটো খুবেই কঠিন যদিও মই এই জ্ঞান মন্দিৰটোৰ উন্নতিৰ হকে নিজকে আত্মনিয়োগ কৰাত কোনো ত্ৰুটি ৰখা নছিলো। এইক্ষেত্ৰত মই কি ধৰণেৰে দায়িত্ব পালন কৰিব পাৰিলো আৰু কৰ্মক্ষেত্ৰত কিমান দূৰ সফলতাৰে আগুৱাব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। দায়িত্ব গ্ৰহণ কৰাৰ সময়ত কলেজখনক এক সন্মানীয় অৱস্থালৈ নিয়াটোক এক প্ৰত্যাহ্বান ৰূপে লৈ কলেজৰ সৰ্বাংগীন উন্নয়ন সাধন কৰিবলৈ সংকল্পবদ্ধ হৈছিলো। কলেজখনৰ সুনামৰ অৰ্থে নিজৰ কিছুমান চিন্তা-চৰ্চাত মনোনিবেশ কৰাৰ উপৰি কলেজ পৰিয়ালৰ সমূহ সদস্যৰ সমন্বিত চিন্তাধাৰাৰ সংযোজন ঘটাই কলেজৰ উন্নতি সাধনৰ প্ৰচেষ্টা চলাইছিলো। এইক্ষেত্ৰত সকলোৰে ইতিবাচক সহায়-সহযোগিতাৰ জৰিয়তে মই সফল হৈছিলো যাৰ বাবে মই সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**কাৰ্যকালৰ খতিয়ান ঃ**

২৫/৯/২০১০ তাৰিখে শিৱসাগৰ ছোৱালী কলেজৰ ৪৫ তম নিৰ্বাচনী সভা অনুষ্ঠিত হয়।

১২/১০/২০১০ তাৰিখে কলেজৰ নীতি অনুসাৰে অধ্যক্ষ ড০ হেমন্ত ফুকনদেৱে আমাক ভাৰ অৰ্পণ কৰে আৰু আনুষ্ঠানিকভাৱে আমি দায়িত্বভাৰ গ্ৰহণ কৰো আৰু সেই সময়তে ছাৰে আগন্তুক কলেজ সপ্তাহকে ধৰি কলেজৰ বিশেষ বিশেষ অনুষ্ঠানসমূহৰ বিষয়ে আলোচনা কৰিছিল।

সকলোৰে নিজৰ প্ৰতিভা বিকাশ কৰাৰ সুবিধা পোৱা বাৰ্ষিক কলেজ সপ্তাহ সভাখনি ১৪/১২/২০১০ তাৰিখৰ পৰা ২০/১২/২০১০ তাৰিখলৈকে পাতিবলৈ ধাৰ্য কৰা হয়। সেইদৰে ছাত্ৰী একতা সভাৰ প্ৰচেষ্টাত ৭দিন কলেজ সপ্তাহৰ আয়োজন কৰা হ'ল।

ইয়াৰ পিছৰ পদক্ষেপ আছিল সৰস্বতী পূজা। বিগত বৰ্ষৰ দৰে এইবাৰো অতি আনন্দ উল্লাহেৰে বিভাগীয় উপদেষ্টা সকল তথা সম্পাদিকাসকলৰ প্ৰচেষ্টাত সৰস্বতী পূজা উদযাপন কৰা হয়। সেই পূজাত মোৰ আমন্ত্ৰণ ৰক্ষা কৰি যিসকল সদাশয় ব্যক্তিয়ে বিভিন্ন স্থানৰ পৰা আহি শিৱসাগৰ ছোৱালী কলেজৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে তেওঁলোকলৈও মোৰ ধন্যবাদ থাকিল।

সুদীৰ্ঘকাল শিৱসাগৰ ছোৱালী কলেজলৈ অৱদান আগবঢ়োৱা কলেজৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী শ্ৰী বিমল শইকীয়াদেৱৰ বিদায় সম্বৰ্দ্ধনা অনুষ্ঠান মোৰ কাৰ্যকালতে অনুষ্ঠিত কৰা হয়।

অতি সৌভাগ্যৰ বিষয় যে মোৰ কাৰ্যকালতেই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হয়। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰখন অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত নামৰূপ কলেজ, শিৱসাগৰ ছোৱালী কলেজ আৰু টাই সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত কৰা হয়। ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰখন ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যয়ন কেন্দ্ৰৰ তৰফৰ পৰা অনুষ্ঠিত কৰা হৈছিল। লগতে এই আলোচনাচক্ৰখনত মৰাণ কলেজৰ ড° অনিল শইকীয়াদেৱে প্ৰদৰ্শন কৰা বহু পুৰণি গ্ৰামফোন ৰেকৰ্ডৰ সামগ্ৰীয়ে কলেজৰ পৰিৱেশ বহু আকৰ্ষণীয় কৰি তোলে।

ইয়াৰ পাছতেই ছাত্ৰী একতা সভাই অনুষ্ঠিত কৰা অন্য এটা কাৰ্যসূচী হৈছে নৱাগতা আদৰণি সভা। যাৰ মাধ্যমেৰে নৱগতাসকলক আদৰণি জনোৱা হয়। উক্ত দিনটো আমাৰ অতিকে গৌৰৱৰ দিন আছিল। কাৰণ সেই দিনটোতে আমাৰ মহাবিদ্যালয়খন স্থাপিত হৈছিল। উক্ত দিনটোৰ লগত সংগতি ৰাখি সেই দিনটোতে আমাৰ মহাবিদ্যালয়ৰ ৪৭ তম প্ৰতিষ্ঠা দিৱস অনুষ্ঠানটি আয়োজন কৰা হয় বিভিন্ন কাৰ্যসূচীৰে। সন্ধিয়ালৈ কলেজ চৌহদত বন্তি প্ৰজ্বলনেৰে এই অনুষ্ঠানটিৰ সামৰণি মৰা হয়।

আমাৰ কাৰ্যকালৰ আন এটা উল্লেখযোগ্য দিন হৈছে ৫ ছেপ্তেম্বৰ দিনটো। এই দিনটোতেই আমাৰ চিৰপূজ্য শিক্ষাগুৰু সকলক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্য "শিক্ষক দিৱস" উদযাপন কৰিছিলো।

মোৰ কাৰ্যকালতে ধেমাজি কলেজত অনুষ্ঠিত হোৱা আন্তঃকলেজ যুৱ মহোৎসৱত বিভিন্ন প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰি আমাৰ কলেজৰ ছাত্ৰীয়ে বঁটা লাভ কৰি কলেজলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

সুদীৰ্ঘকাল শিৱসাগৰ ছোৱালী কলেজলৈ অৱদান আগবঢ়োৱা গাৰ্হস্থ্য বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা মণিদীপা বৰঠাকুৰ চক্ৰৱৰ্তী বাইদেউৰ বিদায় সম্বৰ্দ্ধনা অনুষ্ঠান সুকলমে মোৰ কাৰ্যকালতে অনুষ্ঠিত কৰা হয়।

মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী আছিল শিক্ষামূলক ভ্ৰমণ। মোৰ সতীৰ্থসকলৰ উৎসাহ আৰু সহায়ৰ ফলত বিশেষকৈ অধ্যক্ষ মহোদয়। ড০ ৰাজশ্ৰী ফুকন, মহান ৰঞ্জন দত্ত, অসীম লাহন ছাৰ, ৰুবুল দাৰ ট্ৰেভেল পইণ্ট নামৰ এজেন্সিৰ সহযোগত দিল্লী, আগ্ৰা, চিমলা, কুলো-মানালী, কুমাৰী, ৰোটাং আদি ঠাইলৈ নিয়া শিক্ষামূলক ভ্ৰমণৰ গধুৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব পাৰিলো। যাৰ বাবে মই তেখেতসকলৰ ওচৰত চিৰ কৃতাৰ্থ।

**আমাৰ কাৰ্যকালত ঃ**

(১) কলেজৰ আভ্যন্তৰীণ উন্নয়ন যেনে ঃ নতুন শ্ৰেণীকোঠা নিৰ্মাণ, প্ৰয়োজন অনুসাৰে শ্ৰেণী কোঠা সমূহত প্ৰয়োজনীয় আচবাব প্ৰদান কৰা হয়।

(২) মহাবিদ্যালয়ৰ ইউনিফৰ্মৰ ওপৰত সতৰ্কতা।

(৩) চৰকাৰী বিদ্যালয়ৰ এগৰাকী ছাত্ৰীৰ চিকিৎসাৰ বাবে দান-বৰঙণি উঠোৱা হয়।

(৪) আমাৰ মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰীৰ জুয়ে পোৰাৰ বাবে আৰ্থিক অনুমোদনাৰ্থে দান-বৰঙণি তুলি চিকিৎসাৰ অৰ্থে দিয়া হয়।

(৫) মহাবিদ্যালয়ৰ ইণ্টাৰনেট ব্যৱস্থাৰ উন্নতি সাধন কৰা হয়।

(৬) ম'বাইল ব্যৱহাৰৰ ওপৰত বাধা আৰোপ কৰা হয়।

(৭) বাৰ্ষিক ক্ৰীড়া সপ্তাহত সাংস্কৃতিক শোভাযাত্ৰা পোনপ্ৰথমবাৰৰ বাবে কৰা হয়।

(৮) অতি সৌভাগ্যৰ বিষয় যে অধ্যক্ষ মহোদয়ৰ প্ৰচেষ্টাত মোৰ কাৰ্যকালৰ সময়তে আমাৰ মহাবিদ্যালয়ত দুটাকৈ অধ্যয়ন কেন্দ্ৰ 'শংকৰদেৱ অধ্যয়ন কেন্দ্ৰ' আৰু 'ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যয়ন কেন্দ্ৰ' সংযোগ কৰা হয়। শংকৰদেৱ অধ্যয়ন কেন্দ্ৰত বিনামূলীয়া পাঠদানৰ উপৰি মুখা শিল্পৰ প্ৰশিক্ষণ দিয়া হয়।

সময় পাখিলগা কাড়ৰ দৰে উৰা মাৰে। কোনো এটি পৰ্যায়ৰ আৰম্ভণি হ'লে তাৰ এদিন পৰিসমাপ্তি ঘটে। ঠিক সেইদৰে নানা সফলতা-বিফলতা, হাঁহি-কান্দোন, সুখ-দুখেৰে ভৰা খণ্ডেকীয়া কাৰ্যকালৰো অন্ত পৰিছিল। মোৰ কাৰ্যকালত মই সকলো কাৰ্য নিষ্ঠাসহকাৰে পালন কৰিছিলো যদিও কৰ্তব্যৰ তাড়নাত পৰি যদি কাৰোবাক কিবা কঠিন বাক্য প্ৰয়োগ কৰিছিলো তাৰ বাবে মই সমূহ ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো।

মোৰ এই এবছৰীয়া কাৰ্যকালত সকলো ক্ষেত্ৰতে আন্তৰিকতাৰে সু-পৰামৰ্শ তথা সহায় আগবঢ়োৱা অধ্যক্ষ মহোদয়ক কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো। ইয়াৰ উপৰি নানা কামত সহায়ৰ হাত আগবঢ়োৱা সমূহ অধ্যাপক-অধ্যাপিকা আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

সদৌ শেষত আমাৰ চিৰপূজ্য মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"

**শ্ৰীমতী ৰিংকী ভুঁএগ্ৰা**
সাধাৰণ সম্পাদিকা

# সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



"মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত
অভিনয় শেষ হ'লে আয়ু বেলি মাৰ গ'লে
থই যাব পাৰো খোজ সময় বালিত।"

লিখনিৰ আৰম্ভণিতে শ্ৰদ্ধা নিবেদন স্বৰক্তৰে অসমী আইৰ চৰণত মৃত্যুবৰণ কৰা শত শত শ্বহীদ সকলৰ লগতে শিৱসাগৰ ছোৱালী কলেজৰ প্ৰতিষ্ঠা আৰু উন্নতিৰ লগতে সৰ্বতো প্ৰকাৰে জড়িত থকা ব্যক্তিসৱৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগক মোৰ শতসহস্ৰ শ্ৰদ্ধা অৰ্পন কৰিছো। চিৰপূজ্য মোৰ শিক্ষাগুৰু সকল আৰু অন্তৰৰ অকৃত্ৰিম শুভকামনা জনাইছো। মোৰ অগ্ৰজ সতীৰ্থ আৰু অনুজ সকললৈ, যিসকলৰ প্ৰচেষ্টাত মই নিৰ্বাচিত হ'লো এই ঐতিহাসিক মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদিকা ৰূপে।

সহঃ সাধাৰণ সম্পাদিকাৰ দৰে এটি পদৰ গুৰু দায়িত্ব লাভ কৰি মই ইয়াত কিমান সফলতা লাভ কৰিলো সেয়া আপোনালোকৰ বিচাৰৰ তুলাচনীত জুখিবলৈ এৰি দিছো। দায়িত্ব গ্ৰহণ কৰা সময়ত কলেজখনত বিৰাজমান পৰিবেশৰ পৰা কলেজখনক এক সন্মানীয় অৱস্থালৈ নিয়াটোক এক প্ৰত্যাহ্বান ৰূপে লৈ কলেজৰ সৰ্বাংগীন উন্নয়ন সাধন কৰিবলৈ সংকল্পবদ্ধ হৈছিলো।

**কাৰ্যকালৰ খতিয়ান ঃ-**

২৫।৯।২০১০ তাৰিখে শিৱসাগৰ ছোৱালী কলেজৰ ৪৭তম নিৰ্বাচনী সভা অনুষ্ঠিত হয়।

১২।১০।২০১০ তাৰিখে কলেজৰ নীতি অনুসৰি অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকনদেৱে আৰু উপাধ্যক্ষা শ্ৰীযুত কুসুম ফুকন বাইদেউৰ সহযোগত আমাক দায়িত্ব অৰ্পন কৰে আৰু আনুষ্ঠানিকভাৱে আমি দায়িত্ব গ্ৰহণ কৰো। ইয়াতেই আগন্তুক 'কলেজ সপ্তাহ'ৰ ওপৰত আলোচনা কৰা হয়। সকলোৰে বাট চাই থকা বাৰ্ষিক কলেজ সভাখনি ১৪।১২।২০১০ তাৰিখৰ পৰা ২০।১২।২০১০ (মঙ্গলবাৰৰ পৰা সোমবাৰলৈ) পাতিবলৈ ধাৰ্য কৰা হয়। ছাত্ৰী একতা সভাৰ প্ৰচেষ্টাত ৭দিন কলেজ সপ্তাহ আয়োজন কৰা হয়। বাৰ্ষিক কলেজ সপ্তাহত সাহিত্য বিষয় সমূহত প্ৰতিযোগীসকলৰ সংখ্যা নিচেই সীমিত। এইক্ষেত্ৰত ছাত্ৰীসকলৰ উৎসাহ অতি প্ৰয়োজনীয়।

২০১০ চনৰ ২০ জানুৱাৰীত ধেমাজীত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে অংশগ্ৰহণ কৰি কেইবাটাও শিতানত পুৰস্কাৰ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছিল।

বিগত বৰ্ষৰ দৰে বিভাগীয় উপদেষ্টাসকল তথা সম্পাদিকাৰ প্ৰচেষ্টাত এইবাৰো জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ চৰণত এপাহি গন্ধপুষ্প প্ৰদান কৰাৰ আশাৰে ৮।২৮।২০১১ তাৰিখে সৰস্বতী পূজা উদ্‌যাপন কৰা হয়।

ইয়াৰ মাজতে অতি দুখৰ বিষয় যে, আমাৰ মহাবিদ্যালয়ৰ 'স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী শ্ৰী ডিম্পী দত্তই ২৪।১০।২০১০ তাৰিখে অগ্নিদগ্ধ হৈ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থাকোতে ১৩।১০।২০১০ তাৰিখে আমাক সকলোকে এৰি আকস্মিক পৰলোক প্ৰাপ্তি হয়। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় লগতে আমাৰ শিক্ষাগুৰুসকলৰ সহযোগত আৰু ছাত্ৰী একতা সভাৰ সহযোগত যথেষ্ট অৰ্থৰ বৰঙণি দি সহায়ৰ হাত আগবঢ়াইছিলো। কিন্তু কালৰ নিয়তিত তেওঁ আমাৰ মাজত নাই তথাপি তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক তাৰেই ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

২০১০-২০১১ বৰ্ষৰ নৱাগতা ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে স্বাগতম জনাবলৈ ৮ জুলাই তাৰিখতো এটা উত্তম দিন হিচাপে বাছি লৈছিলো। আৰু সেইদিনা আমাৰ মহাবিদ্যালয়ৰ অষ্ট চত্বাবিংশতম প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। ইয়াত বিশিষ্ট অতিথি হিচাপে 'অসম উপত্যকা সাহিত্য বঁটা' প্ৰাপক ইমৰাণ শ্বাহদেৱক নিমন্ত্ৰণ জনোৱা হৈছিল। লগতে শিৱসাগৰ উপায়ুক্ত মহোদয় শ্ৰীযুত যতীন্দ্ৰ লহকৰ দেৱক নিমন্ত্ৰণ জনোৱা হৈছিল।

সুদীৰ্ঘ কাল শিৱসাগৰ ছোৱালী কলেজলৈ অৱদান আগবঢ়োৱা শ্ৰীযুতা মণিদীপা চক্ৰৱতী বাইদেউৰ বিদায় সম্বৰ্দ্ধনা অনুষ্ঠান সুকলমে অনুষ্ঠিত কৰা হৈছিল। সকলোৰে সহযোগত অফিচৰ উচ্চবৰ্গৰ সহায়ক শ্ৰীযুত বিমল দত্ত ছাৰৰ বিদায় সম্বৰ্দ্ধনা

অনুষ্ঠান মোৰ কাৰ্যকালত অনুষ্ঠিত কৰা হয়।

আমাৰ কাৰ্যকালত এটা গুৰুত্বপূৰ্ণ দিন হৈছে ১১ আৰু ১২ ডিচেম্বৰ, ২০১০ তাৰিখটো। সেইদিনা আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা International Seminar on Rodmap for Development of Tourism in North East India.

এই দিনকেইটাতেই আমাৰ ছাত্ৰী একতা সভাৰ প্ৰথম পদক্ষেপ আছিল। ছাত্ৰী সকলৰ সহযোগত আৰু ছাৰ বাইদেউ সকলৰ সহযোগত আমি সফলতাৰে কাম কৰিবলৈ উদ্যম হৈছিলো।

আমাৰ কাৰ্যকালত আন এটা উল্লেখযোগ্য দিন হৈছে ৫ চেপ্তেম্বৰ দিনটো। এই দিনটোত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ দৰে মহান শিক্ষকৰ জন্ম হৈছিল। এইজনা মহান ব্যক্তিৰ সোঁৱৰণত শিক্ষক দিৱসৰ দৰে পবিত্ৰ দিনটো সমূহীয়াকৈ পালন কৰা হয়। সেই দিনটোত বন্তি প্ৰজ্বলনৰ দ্বাৰা দিনটোৰ শুভাৰম্ভ কৰা হয় আৰু এক আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান ছাত্ৰী সকলৰ দ্বাৰা প্ৰদৰ্শন কৰা হয়। এই এবছৰীয়া কাৰ্যকালত আমাৰ কলেজলৈ কেইবাখনিও 'গ্ৰন্থমেলা' আমাৰ আমন্ত্ৰণ ক্ৰমে আহি ছাত্ৰীসকলক উপকৃত কৰালে।

এইদৰে আমাৰ মহাবিদ্যালয়ত বহুতো অনুষ্ঠান আমাৰ কাৰ্যকালত অনুষ্ঠিত কৰা হয়।

২০১০-১১ বৰ্ষৰ ছাত্ৰী একতা সভাৰ অন্তিম কাৰ্যসূচী আছিল শিক্ষামূলক ভ্ৰমণ। বিশেষকৈ অধ্যক্ষ মহোদয় আৰু ড° ৰাজশ্ৰী ফুকন বাইদেউ আৰু মহান দত্ত ছাৰৰ সহযোগতে এই দায়িত্ব নিয়াৰিকৈ পালন কৰিবলৈ সক্ষম হৈছিলো লগতে অসীম ছাৰ আৰু ৰুবুল দাক ধন্যবাদ জনাইছো।

বৰ্তমান প্ৰায় সকলো দিশৰ পৰাই শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ এক উচ্চ মানদণ্ডৰে প্ৰতিষ্ঠিত যদিও ইয়াৰ মাজতে দুটা অনুৰোধ কলেজ কৰ্তৃপক্ষৰ আগত উনুকিয়াব বিচাৰিছো প্ৰথম, ছাত্ৰী জিৰণী কোঠাটো ছাত্ৰী অনুপাতে যথেষ্ট সৰু আৰু দ্বিতীয়তে, ১১ জনীয়া সদস্যৰ বাবে ছাত্ৰী একতা সভাৰ কোঠাটো সৰু হোৱাৰ বাবে সি কোনো ধৰণৰ জৰুৰী আলোচনা কৰিবলৈ অসুবিধা হয়। গতিকে উপৰোক্ত দিশ কেইটাৰ প্ৰতি কলেজ কৰ্তৃপক্ষই গুৰুত্ব দিব বুলি ছাত্ৰী একতা সভাৰ গভীৰ বিশ্বাস থাকিল।

**কাৰ্যৰ উপলব্ধি ঃ-**

সময়ৰ ফালৰ পৰা নিচেই তাকৰ। আৰম্ভ হোৱা লগে লগে বছৰ শেষ হয়। ছাত্ৰীসকলৰ তথা মহাবিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থত আমি আমাৰ প্ৰতিজ্ঞা পূৰণৰ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। এইখিনি কৰিবলৈ যাওঁতে বহু কষ্ট স্বীকাৰ কৰিবলগীয়া হয়। তাৰোপৰি বহুক্ষেত্ৰত কাৰোবাৰ কোপদৃষ্টি, সমালোচনা আৰু হাঁহিৰ পাত্ৰও হবলগীয়া হয়। তথাপি নিজৰ কৰ্তব্য আৰু দায়িত্ব লক্ষ্য হিচাপে তিতা-মিঠা অভিজ্ঞতাৰে নিজ কৰ্ম পথত আগবঢ়াই গৈছিলো। ২০১০-২০১১ বৰ্ষৰ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ এগৰাকী সদস্যা ৰূপে ওতঃপ্ৰোতভাৱে নিজকে জড়িত কৰিবলৈ পাই মই অতিশয় আনন্দিত হৈছো।

কৃতজ্ঞতা স্বীকাৰ ঃ-

সৰ্বপ্ৰথমে অধ্যক্ষ মহোদয় ছাৰ আৰু উপাধ্যক্ষা মহোদয়া বাইদেউৰ ওচৰত কৃতজ্ঞতা জনাইছো। ইয়াৰ উপৰি নানা কামত শুদ্ধ, অশুদ্ধ দেখুৱাই দিয়া আৰু সহায়ৰ হাত আগবঢ়োৱা আব্দুল হামিদ ছাৰ, উৎপলা বাইদেউ, প্ৰবীন ছাৰ, ইনামুল ছাৰ, প্ৰাঞ্জল ছাৰ, মিলি ছাৰ, বিমল দত্ত ছাৰ, নাছৰিণ বাইদেউ, প্লাৱিতা বাইদেউকে ধৰি সমূহ ছাৰ-বাইদেউলৈকে মোৰ ধন্যবাদ জ্ঞাপন কৰিছো। লগতে অফিচৰ প্ৰমোদ গগৈ ছাৰ, গীতাঞ্জলী বাইদেউ আৰু চিত্ৰলেখা বাইদেউক বিশেষভাৱে ধন্যবাদ জনাইছো। চতুৰ্থশ্ৰেণীৰ কৰ্মচাৰী বুবু দা, বিপ্লৱ দা, ব্ৰজেন দা, ৰুবুল দা-বৌ সকলোকে কৃতজ্ঞতা জনাইছো।

Seminer আৰু কলেজ সপ্তাহত যিসকল ভণ্টি তথা সহপাঠী সকলে যি সহায়ৰ হাত আগবঢ়ালে তেওঁলোকক মোৰ মৰম যাচিছো।

শেষত ছাত্ৰী একতা সভাৰ সমূহ সদস্যাসকলক ধন্যবাদ জনাইছো আৰু লগতে মৌচুমী, টিম্পী, গীতু, ৰিম্পী, ৰিয়াক্ষীক ধন্যবাদ জনাইছো। হয়তো আৰু বহুতো কৰিবলৈ ইচ্ছা আছিল যদিও সময়ৰ অভাৱত কৰিব নোৱাৰিলো। এইখিনি কৰিবলৈ যাওঁতে যদি জ্ঞাতে বা অজ্ঞাতে কাৰোবাৰ ওচৰত জগৰ লগাইছিলো সেইখিনি যাতে আপোনালোকে নিজ গুণে ক্ষমা কৰি পুনৰ আপোনালোকৰ মাজত ঠাই দিব। প্ৰতিবেদন লিখোতে যদি ক'ৰবাত বাক্য ব্যৱহাৰ উচ্চ-নীচ হৈছে আৰু ভুল-ত্ৰুটি ৰৈ গৈছে সকলোখিনি শুধৰাই পঢ়িব বুলি প্ৰাৰ্থনা জনালো।

সদৌশেষত ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে শিৱসাগৰ ছোৱালী মহাবিদ্যালয় নামৰ জ্ঞানৰ বন্তি গছি আজীৱন-আমৰণ সকলো দিশৰ পৰা বিভূষিত হৈ বিশ্বৰ শিক্ষা জগতত এক উজ্বল জ্যোতিষ্ক হৈ জিলিকি ৰ'ব।

"জীৱন মাথো এটি আৱহ সংগীত
মই গীতিকাৰ
গাইছো জীৱন গীত অনাদি কালৰ সীমাহীন সুৰ
পাৰাপাৰ।"

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"

ধন্যবাদেৰে

**পৰী গগৈ**
সহঃ সাধাৰণ সম্পাদিকা
২০১০-২০১১ বৰ্ষ

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতেই জনাইছো মই অগ্ৰজসকললৈ আন্তৰিক শ্ৰদ্ধা আৰু সহপাঠী, অনুজসকললৈ জনাইছো আন্তৰিক স্নেহ আৰু শুভকামনা। পোহৰ বিচাৰি আহি শিৱসাগৰ ছোৱালী কলেজত সমবেত হোৱা প্ৰতিজন আলোকসন্ধানী সহযাত্ৰী, নিজস্ব গৰিমাৰে মহিমামণ্ডিত হৈ মধ্যাহ্ন সুৰুযৰ দৰে দিপ্তীমান হৈ উঠক তাৰেই আন্তৰিকতাৰে কামনা কৰিলো।

"জ্ঞানৰ ফুল ফুলাও আহাঁ
শান্তিৰ মলয়া বলাও আহাঁ
এই জীৱনৰ প্ৰতিটো পল
কৰো আহাঁ সুন্দৰ..........।"

২০১০-২০১১ বৰ্ষৰ শিৱসাগৰ ছোৱালী কলেজৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰ পদৰ দায়িত্ব গ্ৰহণ কৰি পূৰ্বপৰম্পৰা অনুসৰি এই বিভাগৰ অন্তৰ্গত কামসমূহ সফলভাৱে ৰূপায়ণ কৰিবৰ বাবে যৎপৰোনাস্তি চেষ্টা চলালো। প্ৰাচীন ঐতিহ্যৰে ভৰা এই ঠাইখনৰ পৰিবেশে যিকোনো মানুহৰ অন্তৰাত্মাক সৃষ্টিশীলতাৰ প্ৰতি আগ্ৰহী কৰি তোলে। এইখন ঠাইত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজে বহু মনিষীৰ সৃষ্টি কৰিলে। ইয়াত অধ্যয়ন কৰিবলৈ অহা ভিন্ন প্ৰান্তৰ ছাত্ৰীসকলে এই পৰিবেশৰ সৈতে একাত্ম হৈ নিজক গঢ় দিবলৈ চেষ্টা অব্যাহত ৰাখিছে।

**নিৰ্বাচন আৰু কাৰ্যভাৰ গ্ৰহণ ঃ-** ২০১০-২০১১ বৰ্ষৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচন ছেপ্তেম্বৰ মাহৰ ২৫ তাৰিখে অনুষ্ঠিত হৈছিল। উক্ত নিৰ্বাচনত মই সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি ভোটদানৰ জৰিয়তে বিজয়ী হৈ সাহিত্য আৰু আলোচনী বিভাগৰ দৰে গুৰুত্ব দায়িত্ব গ্ৰহণ কৰিছিলো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছত আমি অনুষ্ঠিত কৰিছিলো 'বাৰ্ষিক কলেজ সপ্তাহ'। বাৰ্ষিক কলেজ সপ্তাহৰ প্ৰথম দিনাই আমি অনুষ্ঠিত কৰিছিলো সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ। সাহিত্য প্ৰতিযোগিতাসমূহৰ সৰ্বমুঠ ১০টা শিতানত ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছিল। ইংৰাজী কবিতা আবৃত্তি আৰু নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতাৰ বাহিৰে বাকীবোৰ শিতানত যথেষ্টসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰি তোলাত সহায় কৰিছিল। প্ৰতিযোগিতাসমূহৰ বিচাৰকৰ আসন শুৱনি কৰিছিল- ড° ৰশ্মিৰেখা গগৈ, কিশোৰ কুমাৰ দেউৰী, ইপ্সিতা ভট্টাচাৰ্য, শিৱপ্ৰসাদ মিলি, কৃতাঞ্জলী কোঁৱৰ আদি সন্মানীয় অধ্যাপক-অধ্যাপিকাসকলে আৰু তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছো। সাহিত্যৰ দৰে এখন বিশাল জগতত আৰোহণ কৰাৰ সামৰ্থ তেনেই সীমিত। এখন মহাবিদ্যালয়ৰ আলোচনী সম্পাদিকাৰ দৰে এটা গুৰু দায়িত্ব বহন কৰি নিজৰ সামৰ্থ অনুসাৰে কাৰ্য সম্পন্ন কৰিবলৈ প্ৰয়াস কৰিছিলো। অৱশ্যে, ইয়াত কিমান দূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ-** কৃতজ্ঞতা নজনাম কাক......... যি মোক সাহসেৰে উদ্‌গনি দিলে, যিসকলে মোক পৰামৰ্শ দিলে, যি মোক সহায় কৰিলে, সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

সৰ্বপ্ৰথমে মই কৃতজ্ঞতা জনাইছো অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন দেৱলৈ আৰু উপাধ্যক্ষা কুসুম ফুকন বাইদেউলৈ। কৃতজ্ঞতা জনাইছো বিভাগীয় উপদেষ্টা সংগীতা হাজৰীকা বাইদেউ, কিশোৰ কুমাৰ দেউৰী ছাৰ আৰু ৰণ্টু গোহাঁই ছাৰলৈ। নিৰ্বাচনৰ সময়ত মোৰ ওচৰত প্ৰস্তাৱক আৰু সমৰ্থক হিচাপে থিয় দিয়া মিতালী শইকীয়া আৰু সোনমনি বৰালৈ বহুত বহুত ধন্যবাদ। আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল, লগৰ সতীৰ্থ ময়ুৰী, অৰ্পণা, ডিম্পী, পল্লৱী, ভাগ্যশ্ৰী, পলি আৰু হিমাদ্ৰী তথা কলেজৰ প্ৰায়সংখ্যক ছাত্ৰীয়ে আকুণ্ঠ সহযোগিতা আগবঢ়াইছিল তেওঁলোকলৈ মই গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু তেওঁলোকৰ প্ৰতিচ্ছবি মই মোৰ হৃদয়ত স্থাপন কৰি লৈছো।

**সামৰণি ঃ-** শেষত মই সেইসকল মহান ব্যক্তিলৈ প্ৰণাম জনাইছো যিসকল বৰেণ্য ব্যক্তিৰ মহান ত্যাগ, কষ্ট আৰু সাধনাৰ ফলত ঐতিহ্যপূৰ্ণ শিৱসাগৰ জিলাৰ মাজমজিয়াত নাৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী কলেজে ১৯৬৪ চনত প্ৰতিষ্ঠা লাভ কৰিছিল। তাৰ ফলস্বৰূপেই আজি আমি এই জ্ঞান মন্দিৰটিত শিক্ষাৰ বন্তি জ্বলাই আমাৰ জীৱনটো সুচাৰুৰূপে আগবাঢ়ি যোৱাৰ মানসেৰে সেৱা আগবঢ়াইছো।

সদৌ শেষত প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালত জ্ঞাত-অজ্ঞাতে হোৱা ভুলৰ বাবে এই মহাবিদ্যালয়ৰ সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয় আই অসম।।।"

নিৰ্মালী ডাৰিগ
সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা

## ২০১০-১১ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহৰ সাহিত্য আৰু আলোচনী বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতা সমূহৰ ফলাফলৰ তালিকা–

১। ২০১০–১১ বৰ্ষৰ কলেজ সপ্তাহৰ তৎকালীন কবিতা প্ৰতিযোগিতাৰ ফলাফল (বিষয়- সৰাপাত)

প্ৰথম : শ্ৰীমতী মিতালী শইকীয়া
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ
(কবিতা- গছৰ আত্মপাঠ)

দ্বিতীয় : মিছ চিমি আহমেদ
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ
(কবিতা- সৰাপাত বিড়ম্বনা)

তৃতীয় : শ্ৰীমতী বিজু বৰগোহাঁই
স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ
(কবিতা- সৰাপাতৰ ছবি আঁকি পাইছানে তুমি?)

উদ্‌গণিমূলক : শ্ৰী নিতুস্মিতা ফুকন
(কবিতা- ফাগুণ গুৱাহাটী প্লেটফৰ্ম)
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

উদ্‌গণিমূলক : শ্ৰী আশাশ্ৰী দুৱৰা
(কবিতা- সৰাপাত)
স্নাতক দ্বিতীয় বৰ্ষ, ইংৰাজী বিভাগ

২। ২০১০-১১ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহৰ চিঠি প্ৰতিযোগিতাৰ ফলাফল :
(বিষয়- তোমাৰ প্ৰিয় নাৰীলৈ মনৰ খবৰ জনাই এখন চিঠি লিখা)

প্ৰথম : শ্ৰী ভাগ্যশ্ৰী নেওগ
স্নাতক প্ৰথম বৰ্ষ, অৰ্থনীতি বিজ্ঞান বিভাগ

দ্বিতীয় : শ্ৰী সুদৰ্শনা দিহিঙ্গীয়া
স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

তৃতীয় : শ্ৰী বিজু বৰগোহাঁই
স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

৩। ২০১০-১১ বৰ্ষৰ মৌলিক কবিতা প্ৰতিযোগিতাৰ ফলাফলঃ-

প্ৰথম : "জোনাক কেৱল জোনাক"
ময়ুৰী গগৈ, স্নাতক প্ৰথম বৰ্ষ
অৰ্থনীতি বিভাগ

দ্বিতীয় : 'মোৰ পদুলিলৈ আঘোন নামিছে'
মিতালী শইকীয়া, স্নাতক তৃতীয় বিভাগ
অসমীয়া বিভাগ

তৃতীয় : (যুটীয়া ভাৱে)
ক) আঘোণ........
নিহাৰিকা ফুকন, স্নাতক প্ৰথম বৰ্ষ
অসমীয়া বিভাগ।
খ) আঘোণৰ অনুভৱ
ভাগ্যশ্ৰী নেওগ, স্নাতক প্ৰথম বৰ্ষ
অৰ্থনীতি বিভাগ।

৪। ২০১০-১১ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহৰ প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল ঃ-
অসমীয়া ঃ (বিষয়- ভাৰতীয় গণতন্ত্ৰক শক্তিশালী কৰাৰ ক্ষেত্ৰত তথ্য জনাৰ অধিকাৰ আইনৰ সুবিধাসমূহ) অসমীয়া প্ৰবন্ধ প্ৰতিযোগিতাৰ পৰ্যাপ্ত প্ৰবন্ধ নথকাৰ বাবে প্ৰথম, দ্বিতীয় নিৰ্বাচন কৰিব পৰা নগ'ল।

উদ্‌গণিমূলক পুৰস্কাৰ লাভ কৰিছে–
শ্ৰীমতী নিৰ্মালী ডাৰিগ
স্নাতক প্ৰথম বৰ্ষ, অৰ্থনীতি বিভাগ।

ইংৰাজী- (বিষয় ঃ- Mega- Dam "Its impact on the life of common people)

1st position : Jahnobi Bhattacharjee
T.D.C 2nd year
English Department

2nd position : Joyashree Dutta
T.D.C 3rd year
English Department

3rd position : Bhagyashree Neog
T.D.C. 1st year, Economics Department

৫। ২০১০-১১ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহৰ মৌলিক গল্প প্ৰতিযোগিতাৰ ফলাফল ঃ-

প্ৰথম ঃ 'এটা আপোন সিদ্ধান্ত'
স্নাতক প্ৰথম বৰ্ষ, ভুগোল বিভাগ

দ্বিতীয় ঃ (যুটীয়া ভাৱে)
ক) "গাঁথিলানে বকুলৰ মালা"

শ্ৰী যুটিকা বৰা
স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ
খ) "প্ৰভাতী সূৰুয"
শ্ৰীমতী নীহাৰীকা ফুকন
স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ

তৃতীয় ঃ (যুটীয়া ভাৱে)
ক)"জীৱনৰ নিজা বালি"
ঋতুস্মিতা বৰা
স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ
খ) "মই, তুমি আৰু স্বীকাৰোক্তি মনৰ......."
ৰিজু বৰগোহাঁই
স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

৬। ২০১০-১১ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহৰ চিত্ৰাংকণ প্ৰতিযোগিতাৰ ফলাফল ঃ

১। **পেইন্টিং ঃ**

প্ৰথম ঃ বিবেচিত নহ'ল
দ্বিতীয় ঃ ডেইজী বৰবৰা
স্নাতক প্ৰথম বৰ্ষ, অৰ্থনৈতিক বিভাগ
তৃতীয় ঃ কাব্যশ্ৰী কোঁৱৰ
স্নাতক প্ৰথম বৰ্ষ, ৰসায়ন বিজ্ঞান বিভাগ
উদ্‌গণিমূলক ঃ যামিনী মহন্ত
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

২। **পেঞ্চিল স্কেচ ঃ**

প্ৰথম ঃ সুদৰ্শনা দিহিঙ্গীয়া
স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ
দ্বিতীয় ঃ সুমনশ্ৰী শেনচোৱা
স্নাতক প্ৰথম বৰ্ষ, অৰ্থনীতি বিজ্ঞান বিভাগ
তৃতীয় ঃ পল্লৱী বৰা
স্নাতক প্ৰথম বৰ্ষ, গণিত বিভাগ
তৃতীয় ঃ জুলী বৰগোহাঁই
একাদশ শ্ৰেণী

৭। ২০১০- ১১ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহৰ তৎকালীন গল্প প্ৰতিযোগিতাৰ ফলাফল ঃ-

প্ৰথম ঃ (যুটীয়া)
ক) "এনেকৈয়ে ভাগি যায় সপোন........"
ৰিজু বৰগোহাঁই
